অসমীয়া সংস্কৃতিৰ সম্ভাৰ

মৃগেন শৰ্মা

অসম প্ৰকাশন পৰিষদ

গুৱাহাটী - ৭৮১০২১

ASAMIYA SANSKRITIR SAMBHAR: a collection of articles on Assamese culture by **Mrigen Sarma** and published by **Dr. Rafiquz Zaman** IAS, Secretary, Publication Board Assam, Guwahati 781021, Assam, India.

First edition : December 2008 **Price Rs. 180.00 only**

অসম প্ৰকাশন পৰিষদ

অসম প্ৰকাশন পৰিষদৰ আগতীয়া লিখিত অনুমতি অবিহনে এই গ্ৰন্থ বা ইয়াৰ কোনো অংশ ফটোকপি, ৰেকৰ্ডিং আদিৰ দৰে কোনো ইলেক্ট্ৰনিক বা যান্ত্ৰিক উপায়েৰে অথবা কোনো তথ্যৰ সংগ্ৰহ-পুনৰ ব্যৱহাৰ প্ৰণালীৰে পুনৰ প্ৰকাশ কৰিব নোৱাৰিব বা আন কোনো ৰূপত ব্যৱহাৰ কৰিব নোৱাৰিব।

No part or whole of this publication may be reproduced or utilized in any form or by any means, electronic or mechanical, including photocopying, recording or by any information storage and retrieval system, without the prior permission in writing from Publication Board Assam.

প্ৰকাশক
ড° ৰফিকুজ জামান, আই এ এছ
সচিব
অসম প্ৰকাশন পৰিষদ
গুৱাহাটী ৭৮১০২১

প্ৰথম প্ৰকাশ : ডিচেম্বৰ ২০০৮
মূল্য : ১৮০.০০

মুদ্ৰক
অৰোমা ফাইন আৰ্টচ
উদ্যোগ পাৰ্ক, বামুণীমৈদাম
গুৱাহাটী - ৭৮১০২১

সচিবৰ একাষাৰ

অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ সৰ্বাঙ্গীণ বিকাশ তথা প্ৰচাৰ-প্ৰসাৰৰ লক্ষ্যেৰে ১৯৫৮ চনত অসম চৰকাৰে অসম প্ৰকাশন পৰিষদ প্ৰতিষ্ঠা কৰে। ১৯৫৮ বৰ্ষৰ পৰা ২০০৮ বৰ্ষলৈ অসম প্ৰকাশন পৰিষদৰ গৌৰৱময় উৰ্দ্ধমুখী জয়যাত্ৰা অব্যাহত আছে। অতি আনন্দৰ কথা যে বৰ্তমান পৰিষদৰ সোণালী জয়ন্তী বৰ্ষ চলি আছে। সোণালী জয়ন্তী বৰ্ষত পৰিষদে এক সংখ্যক নিৰ্বাচিত গ্ৰন্থ প্ৰকাশ কৰিবলৈ লৈছে। ২০০৭ বৰ্ষত বাৰখন নতুন গ্ৰন্থ প্ৰকাশ কৰাৰ উপৰি পাঁচিছখন গ্ৰন্থৰ পুনঃ মুদ্ৰণ কৰা হৈছিল। ২০০৮ বৰ্ষতো তিনি কুৰিৰো অধিক নতুন গ্ৰন্থৰ লগতে অতি মূল্যবান পঞ্চলিছখনমান গ্ৰন্থ পুনৰ্মুদ্ৰিত কৰা হৈছে।

এইবাৰ চাৰিগৰাকী কৃতবিদ্য সাহিত্যিকৰ ৰচনাৱলী প্ৰকাশ কৰিবলৈ লোৱা হৈছে। অসমীয়া ভাষা-সাহিত্যৰ বিদগ্ধ সাহিত্যিক-সমালোচক ডিম্বেশ্বৰ নেওগ আৰু যজ্ঞেশ্বৰ শৰ্মাৰ ৰচনাৱলী সাম্প্ৰতিক কালত প্ৰায় দুষ্প্ৰাপ্য। অসমৰ নাট্য-জগতলৈ প্ৰবীণ ফুকনৰ অৱদান অতি গুৰুত্বপূৰ্ণ। বৰ্তমানত এইগৰাকী বিশিষ্ট নাট্যকাৰৰো নাটসমূহ পাবলৈ নাইকিয়া। হেমাঙ্গ বিশ্বাস অসম আৰু বঙ্গৰ সমন্বয়ৰ সাঁকো স্বৰূপ। এইগৰাকী ব্যক্তিয়ে অসমৰ ভাষা-সাহিত্য আৰু সংস্কৃতিলৈ অপৰিসীম অৰিহণা আগবঢ়াইছে। হেমাঙ্গ বিশ্বাসৰ অসমীয়া ৰচনা-সম্ভাৰো পৰিষদৰ সোণালী জয়ন্তী বৰ্ষৰ অন্যতম অৱদানৰূপে বিবেচিত হ'ব।

অসমীয়া ভাষা-সাহিত্যলৈ অসমৰ প্ৰথমখন মহিলা আলোচনী ঘৰজেউতি আৰু অসম প্ৰদীপিকাৰ ঐতিহাসিক অৱদান সৰ্বজনস্বীকৃত। উক্ত দুয়োখন আলোচনীৰ সুকীয়া সুকীয়া একত্ৰ সংকলন প্ৰকাশ কৰিবলৈ পাই আমি অতিশয় সন্তোষ পাইছোঁ।

২০০৮ বৰ্ষত প্ৰকাশ কৰিবলৈ লোৱা কেইখনমান উল্লেখযোগ্য নতুন গ্ৰন্থ হ'ল অসমৰ সমাজ-জীৱন আধাৰিত হোমেন বৰগোহাঞিৰ অনবদ্য এটি প্ৰবন্ধ-সংকলন আৰু তেওঁৰেই সম্পাদনাত শ্ৰেষ্ঠ অসমীয়া সমালোচনা সাহিত্য; অসমৰ লোক-উৎসৱ আৰু লোক-সংস্কৃতি বিষয়ক কেইবাখনো গ্ৰন্থ; ড° বীৰেন্দ্ৰনাথ দত্ত, ড° নবীন কলিতা, ড° শিৱনাথ বৰ্মন, ড° নীলিমা শৰ্মা, বীৰেন জামৱতী, কৌশিক দাস, ড° নবীন দেব চৌধুৰী, ড° মহেশ্বৰ নেওগ আদি প্ৰথিতযশা লেখকৰ সমাজ-সংস্কৃতি অধ্যয়নমূলক গ্ৰন্থ; গুণাভিৰাম বৰুৱা ৰচিত আৰু ঊনবিংশ শতিকাৰ অসমৰ সমাজ-জীৱনৰ

দলিলস্বৰূপ 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত্ৰ'ৰ ড° পোনা মহন্ত আৰু ড° আনন্দ বৰমুদৈয়ে ইংৰাজীলৈ কৰা অনুবাদ Life of Anandaram Dhekiyal Phookan গ্ৰন্থৰ উপৰি ইংৰাজীত প্ৰকাশ পাবলগীয়া কেইখনমান গ্ৰন্থ হ'ল ড° মহেশ্বৰ নেওগৰ Religion of North-East আৰু Rhythm in the Vaishnava music of Assam, ড° অপৰ্ণা মহন্তৰ Journey of Assamese Women : 1836-1937, ড° দয়ানন্দ পাঠকৰ Sri Sri Madhabdev, ড° ৰমেশ চন্দ্ৰ কলিতাৰ Assam Association – a study in Regionalism, ড° প্ৰদীপ শৰ্মাৰ Assam and Indo-China আদি। বিজ্ঞান, শিশু-সাহিত্য, জীৱন আৰু কৃতি, ধৰ্ম-দৰ্শন আদি বিষয়ৰ ওপৰতো এইবাৰ বিশেষ জোৰ দিয়া হৈছে।

বিভিন্ন জাতি-জনজাতিৰে পূৰ্ণ অসম-ভূমি সাংস্কৃতিক দিশত অতি সমৃদ্ধ। শ্ৰীমৃগেন শৰ্মাই দৃশ্য আৰু শ্ৰব্য উভয় কলাৰ বিভিন্ন ক্ষেত্ৰৰ দিশসমূহ অতি নিষ্ঠা আৰু সততাৰে 'অসমীয়া সংস্কৃতিৰ সম্ভাৰ' গ্ৰন্থত আলোচনা কৰিছে। অসমীয়া সমাজ-সংস্কৃতিৰ পৰা হেৰাই যাবলৈ ধৰা সংস্কৃতি-সম্পদ কেইবিধমানৰ আলোচনা বৰ্তমান গ্ৰন্থখনৰ উল্লেখনীয় অৱদান।

গ্ৰন্থখনৰ বাবে শ্ৰীশৰ্মাক ধন্যবাদ আৰু কৃতজ্ঞতা জনালো।

ড° ৰফিকুজ জামান, আই এ এছ
সচিব
অসম প্ৰকাশন পৰিষদ

পাতনি

দৃশ্য আৰু শ্ৰব্য মাধ্যমৰ লোক-কলাই হৈছে লোক-সংস্কৃতি। আমাৰ সমাজত তাহানিৰে পৰা নানা উৎসৱ-পাৰ্বণ, নৃত্য-গীত, নাটক, লোক-কৃষ্টি আদি পৰিবেশ্য কলাৰ অনুষ্ঠান চলি আহিছে। এইবোৰ আমি দুচকুৰে দেখো আৰু কাণেৰে ইয়াৰ ৰসস্বাদন কৰি মনত নান্দনিক সৌন্দৰ্য অনুভৱ কৰো। লোক-উৎসৱ, লোক-নৃত্য-গীত, লোক-নাট্য, লোক-কৃষ্টি, লোক-শিল্প আৰু লোক-কথা—এইকেইটা বিভাগক লৈ লোক-সংস্কৃতিৰ সুবিশাল ক্ষেত্ৰখনে আমাৰ সমাজত গুৰুত্বপূৰ্ণ ঠাই অধিকাৰ কৰি আহিছে। আমাৰ ব্যক্তিগত দৈনন্দিন জীৱনতো পুৱা শুই উঠাৰ পৰা ৰাতি বিছনাত পৰালৈকে প্ৰতিদিনে কৰা প্ৰতিটো কাম সংস্কৃতিৰ অন্তৰ্গত। সমাজৰ সম্প্ৰীতি ৰক্ষাৰ লগতে সুস্থ-সবলভাৱে আমি নিজৰ আত্মসত্তা বজাই ৰখাৰ ক্ষেত্ৰতো সংস্কৃতিৰ ভূমিকাৰ কথা স্বীকাৰ কৰিব লাগিব। মানুহৰ লগতে জীৱ-জন্তু, পোক-পৰুৱায়ো সংস্কৃতিৰ বিমূৰ্ত সত্তাৰ মাজত জীৱন অতিবাহিত কৰে বুলিব পাৰি। পোক-পৰুৱা বা জীৱ-জন্তুই দলবদ্ধভাৱে বিচৰণ কৰে। এই ক্ৰিয়া সমাজবদ্ধ ৰূপৰ পৰিচায়ক। আকৌ এই সমাজবদ্ধ ৰূপ সংস্কৃতিৰ ভিতৰুৱা। গছ-গছনিৰ বংশ বৃদ্ধি হয় পৰাগ-সংযোগৰ জৰিয়তে। পৰাগ-সংযোগ মানে এক আকৰ্ষণ, য'ত ইডাল গছৰ বীজ উৰি গৈ সিডাল গছত পৰি জৈৱিক ক্ৰিয়াৰে বৃক্ষৰ বংশ বৃদ্ধি হয়। পৰাগ-সংযোগৰ এই আকৰ্ষণক সংস্কৃতিৰ অন্তৰ্গত ক্ৰিয়া বুলিব পাৰি। লগতে এই কথা ক'লেও বঢ়াই কোৱা নহ'ব যে বিশ্বব্ৰহ্মাণ্ডৰ মূল চালিকা শক্তি সংস্কৃতিৰ ভিতৰুৱা। মহাকাশৰ গ্ৰহ-নক্ষত্ৰই ইটোৱে সিটোক আকৰ্ষণ কৰি আছে বাবে বিশ্বব্ৰহ্মাণ্ড চলি আছে। এই আকৰ্ষণ শক্তিক যদি কল্পনা শক্তিৰে প্ৰেমৰ আকৰ্ষণ বুলি ধৰা হয়, তেন্তে সেয়া হ'বগৈ সংস্কৃতিৰ অন্তৰ্গত। গতিকে এই কথা স্বতঃসিদ্ধ যে সংস্কৃতিৰ বাবে মানুহ, সমাজ, প্ৰকৃতি আৰু বিশ্বব্ৰহ্মাণ্ড জীয়াই আছে।

এই বাবে-বহণীয়া সংস্কৃতিৰ অন্তৰ্নিহিত শক্তিয়ে, ইয়াৰ মনোৰম ছবিয়ে সম্মোহিত কৰে শিল্পপ্ৰাণ ব্যক্তিক। ময়ো ইয়াৰ ব্যতিক্ৰম নহয়। নলবাৰী জিলাৰ চামতা অঞ্চলটোক সংস্কৃতি-চৰ্চাৰ এক সুবিশাল মঞ্চ বুলিব পাৰি। প্ৰায় নিয়মিত

গাঁৱক লৈ গঠিত এই অঞ্চলটোত নানা উৎসৱ-পাৰ্বণ পালন কৰে। মানুহৰ জন্ম-মৃত্যুৰ লগত সম্পৰ্কিত সংস্কাৰ পৰ্বও পালন কৰে। ইয়াৰ গাঁওসমূহত নানা পৰিবেশ্য কলাৰ দল আছে। এইবোৰ দলে অঞ্চলটোৰ লগতে অসমৰ বিভিন্ন ঠাইত অনুষ্ঠান পৰিবেশন কৰি আহিছে। কাৰিকৰী শিল্পও আছে। অঞ্চলটো ঐতিহ্যমণ্ডিত। ইয়াতে তাহানিতে আহোম ৰজা নাগাক্ষই পতা বিশ্বেশ্বৰ দেবালয়, বৈষ্ণৱ ধৰ্ম প্ৰচাৰকসকলে পতা বৈষ্ণৱ সত্ৰ, চৈতন্য ধৰ্ম প্ৰচাৰকসকলে পতা চৈতন্য সত্ৰ আছে। কলা-সংস্কৃতি, কৃষ্টি-ঐতিহ্যৰ এই বাৰে-ৰহণীয়া ৰূপে কৌতূহলৰ সৃষ্টি কৰে। কিহৰ সম্মোহনত ইমানবোৰ মানুহ উৎসৱস্থলী, পৰিবেশ্য কলাৰ অনুষ্ঠান পৰিবেশনস্থলীত গোট খায়; উৎসৱবোৰ কি উদ্দেশ্যত মানুহে পালন কৰে; ইয়াৰ ধৰ্মীয় ভিত্তি কি? ইত্যাদি ইত্যাদি। মনত এইবোৰৰ কৌতূহলৰ হেঁচাতে আৰু কিবা এটা সৃষ্টি কৰাৰ মানসেৰে মই অসমৰ নানা ঠাইত ঘূৰি, এইবোৰৰ লগত জড়িত ব্যক্তি, শিল্পী, শাস্ত্ৰজ্ঞ ব্যক্তি, লোক-সংস্কৃতিৰ, গৱেষক আদিক লগ ধৰি ইয়াৰ তথ্য বিচাৰিলো। এনেদৰে আৰম্ভ হৈছিল মোৰ অনিৰুদ্ধ যাত্ৰা। তথ্য সংগ্ৰহৰ ক্ষেত্ৰত কৰ্মৰত হওঁতে মই পূৰ্বতে এখন অসমীয়া মাহেকীয়া আলোচনীৰ অনুসন্ধানকাৰী সাংবাদিক হিচাপে আগবঢ়োৱা সেৱাৰ পৰা লাভ কৰা অভিজ্ঞতাক কামত লগালো। লোক-সংস্কৃতি বিষয়ক নানা মূল্যবান গ্ৰন্থ, ধৰ্মগ্ৰন্থ অধ্যয়ন কৰিলো। এইদৰে লাভ কৰা তথ্যৰ ভিত্তিত যুগুটোৱা প্ৰবন্ধসমূহ পোনতে বাতৰি কাকতত প্ৰকাশৰ ব্যৱস্থা কৰিলো।

মোৰ প্ৰবন্ধবোৰ পাঠক-পাঠিকাসকলে গ্ৰন্থ আকাৰে পাব বিচাৰি আহিছে। মোৰো মনত এনে এটা হাবিয়াস আগৰে পৰা আছিল। অসম প্ৰকাশন পৰিষদে গ্ৰন্থখন প্ৰকাশৰ বাবে লোৱা বাবে অসম প্ৰকাশন পৰিষদৰ সচিব আৰু ইয়াৰ সমূহ বিষয়া-কৰ্মচাৰীলৈ ধন্যবাদ জ্ঞাপন কৰিলো। গ্ৰন্থখন প্ৰকাশৰ বাবে পৰামৰ্শ দি অহা ৰবীৰ ক্ষেত্ৰী ধৰ্মপুৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক, বন্ধু ৰাজীৱ দত্ত আৰু মৰিগাঁৱৰ ভৱানন্দ বৰুৱা মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপক, ভাতৃপ্ৰতিম বিভূতিলোচন শৰ্মাক ধন্যবাদ জনালো। লগতে মোক নানা ধৰণে উৎসাহ-উদ্দীপনা দিয়া, মই চাকৰি কৰা গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° গিৰীশ চন্দ্ৰ শৰ্মা, বৰ্তমানৰ অধ্যক্ষ ড° অজিত চন্দ্ৰ তালুকদাৰ, পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক পীযুষ কান্তি ধৰ, অধ্যাপক ড° মনোজ কুমাৰ মহন্ত, গ্ৰন্থগাৰিক মহেশ চন্দ্ৰ গোস্বামী, গ্ৰন্থগাৰৰ অৱসৰ প্ৰাপ্ত কৰ্মচাৰী জ্যোতিষ মিশ্ৰ, বৰ্তমান কাৰ্যনিৰ্বাহ কৰি থকা কৰ্মচাৰী স্মৃজিতা চক্ৰৱৰ্তী, জীৱেশ্বৰ কলিতালৈ ধন্যবাদ জনালো। মোৰ প্ৰবন্ধসমূহ প্ৰকাশৰ সুবিধা দিয়া বাবে উপৰোক্ত বাতৰি কাকত, আলোচনীৰ সম্পাদক,

বিভাগীয় সম্পাদকসকললৈ মোৰ অশেষ ধন্যবাদ থাকিল। বিশেষভাৱে কৃতজ্ঞতা স্বীকাৰ কৰিব লাগিব প্ৰবন্ধবোৰ যুগুতোৱাৰ ক্ষেত্ৰত দিহা-পৰামৰ্শ দিয়া মোৰ গুৰু স্বৰূপ 'অসমীয়া খবৰ'ৰ বিভাগীয় সম্পাদক শ্ৰীযুত কুমুদৰঞ্জন দাসৰ। যেমাৰৰ ভিতৰতে এই প্ৰবন্ধ-সংকলনৰ প্ৰবন্ধবোৰৰ পাণ্ডুলিপি প্ৰস্তুতৰ ক্ষেত্ৰত সহায় কৰা বাবে মই মা-দেউতাৰ ওচৰত ঋণী হৈ ৰ'লো। ন-ন বিষয়-বস্তুৰ ওপৰত গৱেষণাধৰ্মী প্ৰবন্ধ যুগুতোৱাৰ ক্ষেত্ৰত তথ্য যোগান ধৰোতাসকললৈ আৰু প্ৰবন্ধবোৰ গ্ৰন্থ আকাৰে পাবলৈ মোক প্ৰেৰণা যোগোৱাসকললৈ ধন্যবাদ জনালো।

গণ্ধিয়া

মৃগেন শৰ্মা

নলবাৰী (অসম)

সূচীপত্ৰ

১।	বৰ্ণাঢ্য ৰূপৰ উৎসৱ—আদিত্যাদি শ্ৰীশ্ৰীনৱগ্ৰহ মহাযজ্ঞ	১
২।	সাংস্কৃতিক আৰু ধৰ্মীয় দিশেৰে তাৎপৰ্যপূৰ্ণ—দেওধনী নৃত্য	১২
৩।	অগ্নি পূজা	২০
৪।	বিমল আনন্দৰ লোকনাট্য কলা—কামৰূপীয়া ঢুলীয়া	২৫
৫।	সু-জীৱন গঢ়াৰ মনোৰম পৰিশ্ৰমী কলা—বেণুপাৰ্টি	৩৩
৬।	মহামিলনৰ সংস্কৃতি—সভা মহোৎসৱ	৪১
৭।	লোককৃষ্টি, লোকনাট্যৰে উৰ্বৰ ঠাই—ধুবুৰী-গোৱালপাৰা	৫৫
৮।	গোষ্ঠাষ্টমী	৬১
৯।	আত্মশুদ্ধিৰ ব্ৰত—চান্দ্ৰায়ন	৬৬
১০।	বৈদিক দেৱতা ইন্দ্ৰ আৰু ইন্দ্ৰধ্বজ পূজা	৬৯
১১।	সু-সন্তান কামনাৰ উৎসৱ—পোহন বিয়া	৭২
১২।	অংকীয়া ভাওনাৰ নাট্য কৌশল ছোঁ-মুখা	৮৩
১৩।	ভোগালীৰ খেল—ম'হ যুঁজ	৮৬
১৪।	শ্ৰীমন্ত শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মত পালিত উৎসৱ—একাদশী তিথি	৯৫
১৫।	বিশ্বজনীন উৎসৱ—বঙালী বিহু	৯৮
১৬।	নাগাৰা নাম	১০৭
১৭।	তুকুৰীয়া ওজাপালি	১২১
১৮।	জনজীৱনত শুভচনী পূজা	১২৪
১৯।	চাওতালসকলৰ বসন্ত উৎসৱ—বাহাপৰব	১২৯
২০।	দক্ষিণ কামৰূপৰ বৰ্ণাঢ্য উৎসৱ—সুঁৱৰি	১৩২
২১।	প্ৰান্তে প্ৰান্তে বাৰেৰহণীয়া উৎসৱ—বাঁহ পূজা	১৩৮
২২।	মনোৰম বিনোদনধৰ্মী—প্ৰাচীন অসমৰ খেল-ধেমালি	১৪৯
২৩।	কৃষ্ণোপাসনাৰে মাধুৰ্য্যময়—ৰাস মহোৎসৱ	১৬১
২৪।	মাঘ বিহুৰ পৰম্পৰাগত ম'হ যুঁজ, কুকুৰা যুঁজ, বুলবুলি যুঁজ আদি	১৬৬
২৫।	অসমৰ জাতি-জনজাতিৰ সুস্বাদু খাদ্যসম্ভাৰ	১৭১
২৬।	গড়, কোঠ, বৰতোপ, নাৱেৰে সমৃদ্ধ—অতীত অসমৰ সমৰ কলা	১৭৭
২৭।	সৰ্বোৰাবীৰ আকৰ্ষণীয় নাওখেল	১৮২

২৮। কাতি বিহু ১৮৭
২৯। দুৰ্গা পূজা ১৯৭
৩০। পালনাম ২১০
৩১। সোণৰ গহনা ২২৬
৩২। মহালয়া ২৩৭
৩৩। অশোকাষ্টমী ২৪১
৩৪। সত্যনাৰায়ণ পূজা ২৪৫
৩৫। ঢকুৱাখনাৰ ফাটবিহু ২৫১
৩৬। ৰূপময় বৌদ্ধধৰ্ম ২৫৮
৩৭। মদনোৎসৱ ২৬৪
৩৮। শ্ৰীশ্ৰীজগন্নাথদেৱৰ স্নান আৰু ৰথ যাত্ৰা ২৬৮
৩৯। গঙ্খিয়াৰ মনসা পূজা ২৭২
৪০। যাত্ৰাভিনয় ২৭৭
৪১। অতীত অসমৰ লিখাৰ সামগ্ৰীসমূহ ২৮৪
৪২। শিৱৰাত্ৰি ২৯০
৪৩। ঝোঝেৰা দল ২৯৫
৪৪। মহোহো ২৯৮
৪৫। দৰ পূজা ৩০১
৪৬। বৃক্ষ বিবাহ ৩০৪
৪৭। বৈষ্ণৱীৰ দিনপঞ্জী ৩০৬
৪৮। অসমীয়া সমাজৰ পিঠা-পনা ৩০৮
৪৯। প্ৰাচীন পুথিসমূহৰ চিত্ৰৰ ৰং প্ৰস্তুত-প্ৰণালী ৩১৪
৫০। প্ৰাচীন অসমৰ চিত্ৰশিল্প ৩১৮
৫১। প্ৰাচীন অসমৰ কাইথেলী অংক ৩২১
৫২। প্ৰাচীন অসমৰ মৃৎ-শিল্প পদ্ধতি ৩২৫
৫৩। প্ৰাচীন অসমৰ কাৰিকৰী শিল্পসমূহ ৩২৯

আদিত্যাদি শ্ৰীশ্ৰীনৱগ্ৰহ মহাযজ্ঞ

ধৰ্মৰ সৈতে মানুহৰ সম্পৰ্ক নিবিড়। মানৱ সভ্যতাৰ আদিম অৱস্থাত বন্য জীৱনৰ সময়ত মানুহে ধুমুহা, বজ্ৰপাত, ভূমিকম্প আদিৰ কাৰণসমূহ ভয়তে ভৰ্দাত্তি হেৰুৱাইছিল আৰু পাছত ক্ৰমান্বয়ে আদিম প্ৰাকৃতিক দুৰ্যোগৰ কাৰণ সূৰ্য, চন্দ্ৰ, বায়ুদেৱতা আদি বুলি ভাবিব লৈছিল। তেওঁলোকক সন্তুষ্ট কৰি প্ৰাকৃতিক দুৰ্যোগসমূহ নাইকিয়া কৰিবলৈ নানা পূজা সেৱা কৰিবলৈ লয়। এনেদৰে সমাজত ধৰ্মৰ সৃষ্টি হ'ল। কালক্ৰমত ধৰ্মীয় ভাব মানুহৰ অনুভূতিৰ লগত সাঙোৰ খাই মানুহৰ চৰিত্ৰক প্ৰদান কৰিছে এক নৈতিক গুণ। এই নৈতিক দিশ বা গুণে মানুহৰ কৰ্মশীলতা, আচাৰ-ব্যৱহাৰ, মাত-কথা, ভাবাদৰ্শ, সহৃদয়তাপন্ন হ'বলৈ ইন্ধন যোগায়। হিন্দুৱেই হওক বা ইছলাম ধৰ্মই হওক, বৌদ্ধই হওক বা খ্ৰীষ্টান ধৰ্মই হওক সকলো ধৰ্মই মানুহক সত্যবাদী আৰু সৎ পথকাৰী হ'বলৈ শিকায়। একেদৰে শিকায় কৰ্মময় জীৱনত নিজৰ লগতে আনৰ আৰু জগতৰ উন্নতিৰ বাবে প্ৰয়াসী হ'বলৈ। এই পৃথিৱীখন নানা জাতি, ধৰ্ম, বৰ্ণ, ভাষা-ভাষীৰ লোকেৰে এক যৌথ পৰিয়ালস্বৰূপ। জগতৰ সকলোকে একেটি পৰিয়ালৰ ভাই-ককাই, পিতৃ-মাতৃ, ভনী, ককাদেউতা-আইতা, খুৰাদেউ-খুৰীদেউ বুলি ভাবি আন্তৰিকতা ভাব ৰাখি সামূহিক উন্নতিৰ বাবে কাম কৰিলে জগতত অশান্তি বুলিবলৈ একোৱেই নাথাকিব। ভগৱান বা উপাস্য দেৱতাক সু-সংস্কৃতিৰ প্ৰতীক বুলি গণ্য কৰা হয়। এই ধাৰণাই মানুহক দৈনন্দিন জীৱনত আন্তৰিকতাপূৰ্ণভাৱে কাম কৰিবলৈ অনুপ্ৰেৰণা দিয়ে।

ভগৱানৰ পূজা-অৰ্চনাৰ এক ব্যৱস্থা যাগ-যজ্ঞৰ সূত্ৰপাত অধিক বুলিব পাৰি। স্বৰ্গৰাজ্য আৰু পৃথিৱী উভয়তে যজ্ঞ অনুষ্ঠিত হৈ শুভ ফল প্ৰদান কৰি আহিছে। দেৱৰাজ ইন্দ্ৰই নিজে স্বৰ্গত এশ যজ্ঞ কৰিছিল। ব্ৰহ্মাৰ মানসপুত্ৰ দক্ষ ৰজাৰো যজ্ঞ কৰিছিল। ভগীৰথে পৃথিৱীলৈ স্বৰ্গৰ গঙ্গাক নমাই অনাৰ কাহিনীৰ আঁৰত যজ্ঞৰ কথাই আছে। পাণ্ডৱসকলৰ অৰ্জুনপুত্ৰ এজনেও পাণ্ডৱসকলে কৰা যজ্ঞৰ ঘোঁৰা বন্দী কৰিছিল। 'মনু সংহিতা' মতে যজ্ঞ পাঁচ বিধ—ঋষি যজ্ঞ, পিতৃ যজ্ঞ, দেৱ যজ্ঞ, নৃ যজ্ঞ, ভূত যজ্ঞ। আৰ্যসকলে অন্নজলৰ প্ৰয়োজনত যজ্ঞ কৰিছিল। অতীজৰ ৰজা মহাৰজাসকলে ৰাজ্য জয়, নিজৰ মৰ্যাদা বৃদ্ধি, প্ৰতিপত্তি বৃদ্ধি আদি কাৰণত অশ্বমেধ যজ্ঞ আৰু ৰাজসূয় যজ্ঞ কৰিছিল।

হিন্দু ধৰ্মীয় দৰ্শনমতে ব্ৰহ্মা হৈছে পৃথিৱীৰ প্ৰথম পুৰুষ। বিষ্ণুৱে অনন্ত শয্যাত শয়ন কৰি থাকোতে তেওঁৰ নাভিৰ পৰা এটা পদুম ফুলৰ সৃষ্টি হৈ তাত প্ৰজাপতি ব্ৰহ্মাৰ সৃষ্টি হ'ল। সেইবাবেই শাস্ত্ৰত কোৱা হয় 'তযু নাভি কমলত ব্ৰহ্মা ভৈলা যাত।' ব্ৰহ্মাই জন্ম লাভ কৰা পদুম পাহে হৈছে পৃথিৱী। এই পৃথিৱীৰে ভাৰতৰ প্ৰাগজ্যোতিষপুৰত ব্ৰহ্মাই গ্ৰহ-নক্ষত্ৰৰ সৃষ্টি কৰিছিল আৰু গ্ৰহ-নক্ষত্ৰৰ গতি-বিধি নিৰীক্ষণ কৰিছিল। এই প্ৰাগজ্যোতিষপুৰ (এতিয়া গুৱাহাটী) যে ব্ৰহ্মাই গ্ৰহ-নক্ষত্ৰৰ সৃষ্টি আৰু জ্যোতিষ-চৰ্চা কৰিছিল তাৰ প্ৰমাণ পোৱা যায় বৰ্তমানেও গুৱাহাটীৰ চিত্ৰাচল পাহাৰৰ নৱগ্ৰহ দেৱালয়ত থকা গ্ৰহ নামাংকিত বেধশালাৰ স্তম্ভই।

আদিত্যাদি নৱগ্ৰহ যজ্ঞৰ তাৎপৰ্য ঃ প্ৰজাপিতা ব্ৰহ্মাৰ সৰ্বশ্ৰেষ্ঠ সৃষ্টি হ'ল সূৰ্য। শাস্ত্ৰ মতে বা ধৰ্মীয় মত অনুসাৰে তেওঁক (সূৰ্যক) কাশ্যপ পুত্ৰ বোলে। সূৰ্যক ৰবি বা আদিত্যও বোলে। সূৰ্য হৈছে প্ৰকাশময় দীপ্ত গ্ৰহ। তেওঁ নিজৰ দীপ্তিৰে ত্ৰিজগত-আকাশ, স্বৰ্গ আৰু পৃথিৱী পোহৰায়। নিজৰ দীপ্তি প্ৰদানত উচ্চ-নীচ, স্পৃশ্য-অস্পৃশ্য, সৌন্দৰ্যময়-পূতিদগ্ধ আদিৰ ভেদাভেদ নাৰাখে। তেওঁৰ ৰশ্মিত থকা সাতোটা ৰং সাতোটা ঘোঁৰা স্বৰূপ। এই সাতোটা ঘোঁৰা আৰু সাৰথি 'অৰুণ' পৰিচালিত ৰথত উঠি ৰাতিপুৱাতে পূব আকাশত আমাক দেখা দিয়ে। গ্ৰহকেইটাৰ মাজত অধিপতি বা ৰজা সূৰ্য বা আদিত্যদেৱক সেয়ে—'আদিত্যাদি (আদিত্য + আদি = আদিত্যাদি। 'আদিত্য'ৰ অৰ্থ সূৰ্য, 'আদি'ৰ অৰ্থ ইয়াত ৰজা) বোলে। বাকী আঠোটা গ্ৰহৰ সৈতে তেওঁক কোৱা হয় 'আদিত্যাদি নৱগ্ৰহ' বুলি। সূৰ্য উপাসনা দৈনিক কৰা উচিত। সূৰ্য বিপ্ৰসকলে স্নান কৰি উঠি সদায় সূৰ্যলৈ চাই সেৱা জনায়। তেওঁলোকৰ কিছুমানে স্নানৰ পাছত হাতৰ এক মুদ্ৰাৰে সূৰ্যৰপিনে চাই তেওঁক অন্য ৰূপ প্ৰণাম কৰে। প্ৰত্যেক পূজাৰ আৰম্ভতে সূৰ্যাৰ্ঘ্য প্ৰদান কৰা হয় 'ওঁ ত্ৰাহি সূৰ্য সহস্ৰাংশো তেজৰাসে জগৎ পতে অনুকম্পয় মাং ভক্ত্যা অৰ্ঘ্যং দিবাকৰম'—বুলি মন্ত্ৰ মাতি।

সূৰ্যই বিশ্বৰ সমস্ত প্ৰাণী জগতত্তে প্ৰাণীৰ আত্মা স্বৰূপে বিৰাজমান হৈ আছে। পুৰাণৰ কাহিনী অনুসাৰে সূৰ্য আৰু চন্দ্ৰৰ পৰাই পৃথিৱীৰ সূৰ্যবংশী আৰু চন্দ্ৰবংশী নৃপতি বা ৰজাসকলৰ উদ্ভৱ হৈছে। শ্ৰীৰামচন্দ্ৰ আছিল সূৰ্যবংশী আৰু পাণ্ডৱসকল আছিল চন্দ্ৰবংশী। বৰ্তমানো দৈৱজ্ঞ সূৰ্য বিপ্ৰসকল সূৰ্যবংশী লোক। গজিয়াত এই বংশীয় লোক অধিক।

নৱগ্ৰহৰ গ্ৰহ নটা হ'ল ক্ৰমে—ৰবি (সূৰ্য বা আদিত্য), বৃহস্পতি, চন্দ্ৰ, বুধ, মঙ্গল, শনি, শুক্ৰ, ৰাহু আৰু কেতু। শাস্ত্ৰ বা ধৰ্মীয় মতানুসাৰে ৰবি হ'ল কাশ্যপ ঋষিৰ পুত্ৰ, চন্দ্ৰ ক্ষীৰোদ সাগৰৰ পৰা উদ্ভৱ হৈছে বা তেওঁক 'অত্ৰি নেত্ৰোদ্ভৱ' বুলিও কোৱা

হয়, মঙ্গলৰ পিতৃ পৃথিৱী, শনি-ৰবি বা সূৰ্যৰ পুত্ৰ, বুধ চন্দ্ৰ পুত্ৰ, বৃহস্পতি আঙ্গিৰা ঋষিৰ পুত্ৰ, ৰাহু আৰু কেতু সিংহিকাৰ পুত্ৰ। এই গ্ৰহবোৰ প্ৰতিটোৰে বিশেষ গুণ আছে। ইয়াৰে বৃহস্পতি, স্বৰ্গৰ দেৱতাসকলৰ গুৰু আৰু সৰ্বগুণসম্পন্ন, শুক্ৰ সৰ্বশাস্ত্ৰ বিশাৰদ আৰু দৈত্যসকলৰ গুৰু, ৰবিক পূজা কৰিলে জ্ঞান-বুদ্ধিৰ উদয় হয় আৰু চকুৰ ৰোগ, স্নায়ু ৰোগ, মস্তিষ্ক ৰোগ, ৰক্তহীনতা, শৰীৰ পীড়া, জ্বৰ, পিত্ত, হৃদৰোগ আঁতৰে। চন্দ্ৰক পূজা কৰিলে মনৰ শান্তি বাঢ়ে আৰু পাকস্থলীৰ ৰোগ, স্নায়ু ৰোগ আদি আঁতৰে। মঙ্গলক পূজা কৰিলে ৰক্তসম্পৰ্কীয় বেমাৰ, অৰ্শৰোগ, আঘাতজনিত পীড়া আঁতৰে, বুধক পূজা কৰিলে স্মৃতি শক্তি বৃদ্ধি, দাঁতৰ ৰোগ দূৰ কৰে, শনিক আৰু ৰাহুক পূজা কৰিলে দুখ-কষ্ট দূৰ হয়, কেতুক পূজা কৰিলে পূজা কৰোতাজনৰ মোমায়েকৰ ফালৰ লোকৰ মঙ্গল হয়।

এই গ্ৰহবোৰ মানুহৰ ওপৰত সন্তুষ্ট হ'লে মানুহৰ সকলোকালে জয় জয় ময় ময় অৱস্থা হয়। কিন্তু যদি অসন্তুষ্ট হয় তেন্তে ৰোগ, ব্যাধি, অপায়-অমঙ্গল, যুদ্ধ, অশান্তি আদি হয়। গতিকে এই দুখাৱস্থাবোৰ নাশ কৰি সুখ-শান্তি আনিবলৈ আৰু এনেয়েও জীৱনত সুখবোধ কৰিবলৈ তিনি প্ৰকাৰে গ্ৰহ শান্তিৰ ব্যৱস্থা কৰিব লাগে। এই গ্ৰহ শান্তিৰ তিনি ব্যৱস্থা হ'ল—(ক) গ্ৰহ ঔষধিৰ দ্বাৰা স্নান আৰু ধাৰণ, (খ) ৰক্ত পুষ্পাদিৰ দ্বাৰা গ্ৰহপূজা কৰি দৈৱজ্ঞ ব্ৰাহ্মণক দক্ষিণা আৰু ভোজাদিৰ দ্বাৰা অৰ্চনা আৰু (গ) গ্ৰহৰ উদ্দেশ্যে আৰ্জ্যাদি সমিধিৰ দ্বাৰা হোম।

ইয়াৰে তৃতীয়টো ব্যৱস্থাত গ্ৰহৰ উদ্দেশ্যে কৰা হয় হোম আৰু দ্বিতীয়টো ব্যৱস্থাত পুষ্পাদিৰ দ্বাৰা গ্ৰহ পূজা আৰু এয়া কৰা দৈৱজ্ঞ সূৰ্য বিপ্ৰসকলক দক্ষিণা দিয়াৰ ব্যৱস্থা যথাবিহিত নিয়মানুসাৰে গ্ৰহক পূজা কৰ হয়। শান্তিৰ উদ্দেশ্যে কৰা নটা গ্ৰহৰ পূজা আৰু হোমাহুতিক কোৱা হয় 'আদিত্যাদি শ্ৰীশ্ৰীনৱগ্ৰহ মহাযজ্ঞ' বুলি। এই নৱগ্ৰহ মহাযজ্ঞৰ প্ৰয়োজনীয়তাৰ বিষয়ে আছে মৎস্যপুৰাণৰ এটা অধ্যায়ত এনেদৰে :

"শ্ৰীকামঃ শান্তিকামো বা গ্ৰহযজ্ঞ সমাৰভেৎ।
বৃদ্ধায়ুঃ পুষ্টিকামোবা তথৈবাভিবেৎ পুন।।"

ইয়াৰ অৰ্থ হ'ল—শ্ৰীবৃদ্ধি কামনা, শান্তি কামনা, আয়ু বৃদ্ধি, পুষ্টি কামনাৰ বাবে গ্ৰহযজ্ঞ অনুষ্ঠিত কৰিব লাগে। আদিত্যাদি শ্ৰীশ্ৰীনৱগ্ৰহ মহাযজ্ঞ পূজা পদ্ধতি মতে বৈদিক আৰু তান্ত্ৰিক পদ্ধতিত অনুষ্ঠিত কৰিব পাৰি। বৰ্তমান তান্ত্ৰিক পদ্ধতি মতে, এই যজ্ঞ কৰা অধিক ফলদায়ক। আমাৰ অসম ৰাজ্যতে গুৱাহাটীৰ নৱগ্ৰহ দেৱালয়, নলবাৰী জিলাৰ গড়িয়া গাঁৱত আৰু দৰং জিলাৰ কিছুমান ঠাইত তান্ত্ৰিক পদ্ধতিত এই যজ্ঞ মহোৎসৱ আয়োজন কৰা হয়।

অসমৰ দুখন ঠাই গুৱাহাটীৰ নৱগ্ৰহ দেৱালয় আৰু গন্ধিয়াৰ নৱগ্ৰহ দেৱালয়ত প্ৰতি বছৰৰ মাঘ-ফাগুন মাহত আড়ম্বৰপূৰ্ণভাৱে কিছু দিনৰ আগ-পিছকৈ আদিত্যাদি নৱগ্ৰহ মহাযজ্ঞ অনুষ্ঠিত হৈ আহিছে। ইয়াৰে গুৱাহাটীৰ নৱগ্ৰহ দেৱালয়ত নৱগ্ৰহৰ মূৰ্তিসমূহ শিলৰ শিৱলিঙ্গাকৃতি ৰূপত প্ৰতিষ্ঠা কৰা হৈছে। কিন্তু গন্ধিয়াত প্ৰতি বছৰ নকৈ মাটিৰ পূৰ্ণাঙ্গ গ্ৰহ মূৰ্তি সাজি প্ৰতিষ্ঠা কৰি যজ্ঞ কৰা হয়। স্মৰ্তব্য যে আদিত্যাদি নৱগ্ৰহ মহাযজ্ঞৰ ধৰ্মীয় পূজা আহুতি আদি কাৰ্যৰ পুৰোহিত হ'ব পাৰে দৈৱজ্ঞ সূৰ্য বিপ্ৰসকলেহে।

গন্ধিয়া গাঁৱত ১৯৮৮ চনত ২৯, ৩০ এপ্ৰিল আৰু ১ মে'ত (১৬, ১৭, ১৮ ব'হাগ ১৩৯৫ শকাব্দ) তিনিদিনীয়াকৈ 'সদৌ অসম ব্ৰাহ্মণ মহাসভা'ৰ প্ৰথম বাৰ্ষিক অধিৱেশনৰ লগত প্ৰথমতে আৰু ১৯৯৩ চনৰ পৰা বৰ্তমানলৈ প্ৰতিবছৰ ফাগুন মাহৰ শুক্লা দশমীৰ পৰা ত্ৰয়োদশীলৈ চাৰিদিনীয়াকৈ আদিত্যাদি নৱগ্ৰহ গ্ৰহ মহাযজ্ঞ অনুষ্ঠিত কৰি অহা হৈছে। বিশ্ব শান্তিৰ বাবে 'আদিত্যাদি শ্ৰীশ্ৰীনৱগ্ৰহ মহাযজ্ঞ'—এয়া হ'ল গন্ধিয়াৰ যজ্ঞৰ বাণী।

আদিত্যাদি নৱগ্ৰহ মহাযজ্ঞৰ মূৰ্তিসমূহ মাটিৰে যজ্ঞ আৰম্ভ হোৱাৰ কিছুদিন আগৰে পৰা কৰা হয়। গ্ৰহসমূহৰ গাৰ ৰং বেলেগ বেলেগ। নৱগ্ৰহ স্তোত্ৰ পঢ়িলে এই গ্ৰহসমূহৰ বৰ্ণৰ কথা জনা যায়। ইয়াতে দিবাকৰ বা ৰবি সম্পৰ্কত থকা স্তোত্ৰটো হ'ল—'ওঁজবাকুসুম সংকাশ কাশ্যপেয়ং মহাদ্যুতিম/ধ্বান্তাৰি সৰ্বপাপঘ্নং দিবাকৰম্।' গতিকে ৰবিৰ ৰং হ'ল 'জবাকুসুম (জবাফুল) অৰ্থাৎ ৰঙা। চন্দ্ৰ সম্পৰ্কত থকা স্তোত্ৰটো হ'ল—'দিব্য শংখ তুষাৰাভং ক্ষীৰোদাৰ্ণৱ সম্ভৱম/নমামি শশী নং ভক্তা শম্ভোৰ্মকুট ভূষণম্।' গতিকে চন্দ্ৰৰ ৰং হ'ল—'দিব্য শংখ তুষাৰাভ' অৰ্থাৎ গৌৰ বা বগা, বৃহস্পতিৰ সম্পৰ্কত থকা উল্লেখ আছে 'কনক সন্নিভম্' বুলি অৰ্থাৎ বৃহস্পতিৰ ৰং গৌৰ বা হালধীয়া, মঙ্গলৰ ৰং ৰক্তগৌৰ (ৰঙা), শুক্ৰৰ ৰং বগা, শনিৰ ৰং নীলা, ৰাহুৰ ৰং নীলা, কেতুৰ ৰং হ'ল ধোঁৱা বৰণীয়া। এই গ্ৰহবোৰক পূজা কৰোতে প্ৰতিটোকে একোটা বিশেষ ৰঙৰ কাপোৰ দিয়া হয়।

এই গ্ৰহবোৰৰ নিজা নিজা বাহন আছে। চন্দ্ৰৰ বাহন দহটা ঘোঁৰাৰ ৰথ। কিন্তু বিকল্প ব্যৱস্থা মতে পদুম ফুলো বাহন; বৃহস্পতিৰ বাহন হাতী বা বিকল্প মতে পদুম ফুল, শুক্ৰৰ ঘোঁৰা বা বিকল্প ব্যৱস্থা মতে পদুম ফুল, শনিৰ বাহন শগুণ, মঙ্গলৰ বাহন ভেড়া ছাগলী, বুধৰ হ'ল—সিংহ, ৰাহুৰ নীলাভ সিংহ, কেতুৰ বাহন শগুণ বা অৰ্ধাংশ সৰ্পাচ্ছাদিত। গ্ৰহবোৰৰ অধিপতি সূৰ্য বা ৰবিৰ ৰথৰ বিৱৰণ দি ক'ব পাৰি সূৰ্যদেৱে বহি থকা ৰথখন সাতোটা ঘোঁৰাই টনা ৰথ। ৰথখনৰ চকা এটা। তেওঁৰ মূৰত এটা

মুকুটো থাকে। দুয়োখন হাতত থাকে দুটা পদুম। দুই কান্ধত দুটা পদুম ফুল থাকে। সূৰ্যদেৱৰ দুয়োকাষে দণ্ডী আৰু পিঙ্গল নামৰ দুজন প্ৰতিহাৰি থাকিব। ব্ৰহ্মা আৰু অন্যান্য দেৱগণ সূৰ্যদেৱৰ কাষত থাকে। ৰবি বা সূৰ্যদেৱৰ ৰথৰ সাৰথি অৰুণ। অসুবিধা কেতবোৰৰ বাবে মূৰ্তি সাজোঁতে সূৰ্যদেৱৰ কাষৰ কিছুমান মূৰ্তি নাইকিয়া কৰা হয়। নৱগ্ৰহ মহাযজ্ঞত উপদেৱতা ব্ৰহ্মা, বিষ্ণু, গণেশ, অগ্নি আৰু শিৱশক্তিৰো পূজা আৰু আহুতি হয়। এই উপদেৱতাসমূহৰ ব্ৰহ্মাৰ ৰঙা, শিৱৰ বগা, অগ্নিৰ ৰঙা, বিষ্ণুৰ শ্যাম আৰু গণেশৰ মূৰ বগা আৰু বাকী অংশ ৰঙা ৰঙৰ। আদিত্যাদি নৱগ্ৰহ মহাযজ্ঞত প্ৰতিটো গ্ৰহৰে অধিদেৱতা, প্ৰত্যধিদেৱতা আৰু অধিষ্ঠাত্ৰী দেৱীৰ পূজা অৰ্চনা হয়।

যজ্ঞৰ অনুষ্ঠানসমূহ : চাৰিদিনীয়াকৈ হোৱা আদিত্যাদি নৱগ্ৰহ মহাযজ্ঞ প্ৰথম দিনাত গন্ধাধিবাস অনুষ্ঠিত কৰা হয়। সেইদিনা মূৰ্তি প্ৰতিষ্ঠা আৰু অন্যান্য পৰ্ব পালিত হয়। মূৰ্তি যজ্ঞ মণ্ডপৰ প্ৰতিষ্ঠা আৰু যজ্ঞৰ অধিবাসৰ নিৰ্দিষ্ট তিথি আছে। সেই তিথি মিলিলেহে এনে পৰ্ব পালিত হয়। শাস্ত্ৰত এই প্ৰতিষ্ঠা আৰু অধিবাসৰ তিথি এনে ধৰণে উল্লেখ আছে—"প্ৰাপ্য পক্ষং শুভং শুক্লমতীতে দক্ষিণায়নে/পঞ্চমী চ দ্বিতীয় চ তৃতীয়া সপ্তমী তথা/দশমী পৌৰ্ণমাসী চ তথা শ্ৰেষ্ঠ ত্ৰয়োদশী/আশু প্ৰতিষ্ঠা বিধিবৎ কৃত্বা বহুফলা ভবেৎ/' অৰ্থাৎ 'দক্ষিণায়ত শুভশুক্ল পক্ষৰ দ্বিতীয়া, তৃতীয়া, পঞ্চমী, সপ্তমী, দশমী, পূৰ্ণিমা তিথিত যজ্ঞানুষ্ঠানৰ অধিবাসাদি যজ্ঞানুষ্ঠান কৰা উচিত।' ইয়াৰে ভিতৰত ক'ব পাৰি শুক্লা ত্ৰয়োদশী তিথি যজ্ঞানুষ্ঠানৰ কাৰণে বিশেষ শুভফল প্ৰদায়ক। সেই মতেই গন্ধিয়াত নৱগ্ৰহ মহাযজ্ঞ শুক্লা দশমীৰ পৰা আৰম্ভ হৈ ত্ৰয়োদশী তিথিত পূৰ্ণাহুতিৰে সামৰণি পৰে।

গন্ধাধিবাসৰ দিনা এজন বিবাহিত লোকে গাঁৱৰ মৃত পূৰ্বপুৰুষসকলৰ শ্ৰাদ্ধ পাতি এটা পৰ্ব কৰে। মৃত পূৰ্বপুৰুষসকলে যাতে যজ্ঞ পৰিচালনা সুকলমে কৰাত আৰু সন্তানসকলৰ শান্তি লাভৰ আশীৰ্বাদ প্ৰদান কৰে তাৰ বাবে এই শ্ৰাদ্ধ কৰ্ম কৰা হয়। তাৰ পাছতে প্ৰতিমা বেদীবোৰত স্থাপন পৰ্ব আৰম্ভ হয়। গ্ৰহ আৰু দেৱতাৰ মূৰ্তি বেলেগ বেলেগ ঠাইত স্থাপন কৰা হয়।

প্ৰতিটো গ্ৰহৰ বেদীত একোখন মণ্ডল আঁকা হয়। তাৰ পাছত মাঙ্গলিক বাদ্য ধ্বনি, উৰুলি-জোকাৰ আদিৰ মাজত মূৰ্তিবোৰ প্ৰতিষ্ঠা কৰা হয়। শাস্ত্ৰত এইদৰে নৱগ্ৰহ মূৰ্তি স্থাপন কৰাৰ উল্লেখ আছে। সেই অনুসৰি গ্ৰহসমূহৰ গৌমাজত ৰবি, দক্ষিণ কোণত মঙ্গল, উত্তৰ দিশত বৃহস্পতি, ঈশান কোণত বুধ, পূব দিশত শুক্ৰ, পশ্চিমত শনি, অগ্নি কোণত চন্দ্ৰ, নৈঋত কোণত ৰাহু আৰু বায়ু কোণত কেতু গ্ৰহক প্ৰতিষ্ঠা কৰিব লাগে। আন উপদেৱতাৰ মূৰ্তিসমূহো বিভিন্ন স্থানত প্ৰতিষ্ঠা কৰা হয়।

তাৰ পাছতে ৰবিৰ সম্মুখত বন্তি জ্বলোৱা হয়। সেইদিনা নৈবেদ্য যাচি গ্ৰহদেৱতাৰ সামান্য পূজা কৰা হয়।

নিশাৰ অন্ত হ'বলৈ ধৰি পোহৰ হ'ব ধৰাৰ মুহূৰ্তত দ্বিতীয় দিনাখন 'উষা কীৰ্তন' কৰা হয়। ভক্তপ্ৰাণ ৰাইজে এখন যানত উঠি খোল-তাল, শংখ-ঘণ্টা, বৰকাঁহ আদি মাঙ্গলিক বাদ্য বজাই হাত চাপৰি মাৰি হৰিগুণ গাই অঞ্চলটো ঘূৰি যজ্ঞৰ বতৰা ৰাইজক দিয়ে। তাৰ পাছতে থাকে 'ধ্বজা উত্তোলন' পৰ্ব। এই ধ্বজা ঈশান কোণত উত্তোলন কৰাটো নিয়ম। নিয়মানুসাৰে ধ্বজাৰ ৰং হ'ব লাগে হালধীয়া বা ৰঙা। যজ্ঞৰ গ্ৰহবোৰক স্নান কৰাবলৈ আৰু সম্মুখৰ ঘটত প্ৰয়োজন হোৱা পানী আয়তী আৰু অকুমাৰী ছোৱালীৰ দ্বাৰা ৰাজহুৱা পুখুৰীৰ পৰা অনা হ'ব লাগে। কেইজনীমান অকুমাৰী ছোৱালীক চাদৰ-মেখেলা পিন্ধাই হাতত একোটা ঘট দি আয়তীসকলে হৰিনাম গাই, ওজাপালিয়ে ঘোষা পদ গাই, ঢুলীয়াই ঢোল কোবাই, তাল বজাই ৰাজহুৱা পুখুৰীৰ পৰা পানী লৈ আহে। নৱগ্ৰহৰ আগৰ বন্তিবোৰ জ্বলোৱাৰ কাৰণে আৰু যজ্ঞকুণ্ডত প্ৰয়োজন হোৱা আহুতিৰ জুই সূৰ্যৰ পৰা লোৱা হয়। ৰ'দ থকা ঠাইত অলপ খেৰ লৈ তাৰ ওপৰত মেগনিফাইং গ্লাছ এখন লৈ সূৰ্যৰ পোহৰ পৰিব দিয়া হয়। গ্লাছখনৰ মাজেৰে যোৱা সূৰ্যৰ পোহৰ খেৰত পৰিলে খেৰবোৰ উত্তপ্ত হৈ কিছু সময় পাছত জ্বলি উঠে। সেই জুই নি বন্তি আৰু কুণ্ডত লগোৱা হয়। এই পৰ্বৰ নাম 'সূৰ্যাগ্নি গ্ৰহণ'। 'সূৰ্যাগ্নি গ্ৰহণ'ৰ সমসাময়িকভাৱে মন্দিৰৰ ওচৰৰ এটা গৃহত থকা বেদীত পুৰোহিতসকলে ফাকু, বেলপাতৰ গুড়ি আদি নানা দ্ৰব্যৰে এখন 'নভোনাভ মণ্ডল' আঁকে।

যজ্ঞৰ কেইদিনত ভক্তপ্ৰাণ ৰাইজে ইয়াৰ ওচৰত বন্তি জ্বলাই সেৱা জনায়। বিশ্বাস অনুসাৰে ইয়াত বন্তি জ্বলালেও গ্ৰহৰ ওচৰত জ্বলোৱাৰ দৰে হয়। গ্ৰহবোৰ আৰু উপদেৱতাসমূহৰ প্ৰত্যেকৰে আগত একোখন নৈবেদ্য পতা হয় আৰু ফুল, তুলসী, বেলপাত, দুবৰিৰে পূজা আৰম্ভ কৰে পুৰোহিতসকলে। লগে লগে ঢোল, খোল, তাল আদিৰে মাঙ্গলিক বাদ্য বাজি উঠে। পূজা শেষ হ'লে কুণ্ডৰ অৰ্চনা পৰ্ব কৰা হয়। 'আদিত্যাদি শ্ৰীশ্ৰীনৱগ্ৰহ মহাযজ্ঞ'ৰ যজ্ঞকুণ্ডৰ নিৰ্ধাৰিত জোখ আছে। আহুতিৰ সংখ্যানুসৰি এই জোখ বিভিন্ন হয়। এই জোখ এক লক্ষ আহুতি হ'লে যজ্ঞকুণ্ডৰ জোখ চাৰি হাত দীঘল, চাৰি হাত বহল আৰু দ চাৰি হাত পৰিমাণ হ'ব লাগে। অযুত আহুতি হ'লে এই জোখ হ'ব লাগে দীঘল দুই হাত, বহলে দুই হাত আৰু দ দুই হাত। অযুত সংখ্যক আহুতিৰ তলত এই জোখ হয় দীঘলে এক হাত, বহলে এক হাত আৰু দ এক হাত পৰিমাণৰ। এই গ্ৰহবোৰৰ প্ৰতিটোকে প্ৰতিটোৰ

প্ৰিয় কাঠেৰে বা সমিধেৰে আহুতি দিয়া হয়। এই সমিধবিলাক গছৰ পৰা কাটি আনোতে গছক সেৱা কৰি 'দায়-দোষ নধৰিবা। তোমাৰ সমিধ গ্ৰহদেৱতাৰ পূজাৰ অৰ্থে নিলো' বুলি সেৱা কৰি আনে। এই কাঠবোৰৰ নাম হ'ল সূৰ্য বা ৰবি গ্ৰহৰ আকন্দ, চন্দ্ৰদেৱৰ পলাশ, মঙ্গলৰ খদিৰ (খৈৰা), বৃহস্পতিৰ আঁহত, শুক্ৰৰ যজ্ঞডিমৰু, বুধৰ অপমাৰ্গ, শনিৰ সমীম, ৰাহুৰ দূবৰি, কেতুৰ কুশ। এই বোৰ হ'ব লাগে আহুতি কৰ্তাৰ হাতেৰে এবেগোত পৰিমাণ। এই সমিধবোৰেৰে প্ৰতিটো গ্ৰহকে এহেজাৰকৈ মুঠ ৩ হেজাৰ আহুতি নৱগ্ৰহক আৰু উপদেৱতাসকলক বিশুদ্ধ ঘি, তিল, কণী সৰিয়হ, যব, ধুনা, গুণগুল, মৌ, ৰক্তপুষ্প আদিৰে এহেজাৰ (সকলো মিলি মুঠ দহ হেজাৰ) আহুতি দিব লাগে যজ্ঞৰ কেইদিনত। যজ্ঞৰ এই আহুতি দ্বিতীয় দিনা শেষ নহয় বাবে তৃতীয় আৰু চতুৰ্থ দিনাও দিয়া হয়। যজ্ঞৰ এইদৰে আহুতি দিওঁতে যি মন্ত্ৰ উচ্চাৰণ কৰে পুৰোহিতে তাক 'নাদধ্বনি' বা 'নাদব্ৰহ্ম' বোলে।

যজ্ঞৰ 'নাদধ্বনি' বা 'নাদব্ৰহ্ম'ৰ তাৎপৰ্য ঃ যজ্ঞত মন্ত্ৰোচ্চাৰণৰ ভূমিকা অন্যতম। পুৰোহিতসকলে মন্ত্ৰবোৰ সুস্পষ্ট আৰু সঠিকভাৱে উচ্চাৰণ কৰাৰ ওপৰতে যজ্ঞৰ সফলতা নিৰ্ভৰ কৰে। সুৰ লগাই মনোগ্ৰাহীকৈ পঢ়িব পৰাটো ইয়াৰ মনোগ্ৰাহিতা। যজ্ঞানুষ্ঠানৰ পুৰোহিতসকলৰ নাদধ্বনি বা মন্ত্ৰোচ্চাৰণৰ মনোগ্ৰাহিতাই সকলো লোকৰ মন আপ্লুত কৰে। যজ্ঞত কৰা মন্ত্ৰোচ্চাৰণক 'নাদ' বুলি কোৱা হয়। এই নাদক 'ব্ৰহ্ম'ৰূপে ধৰি দুয়োটাকে একেলগে 'নাদব্ৰহ্ম' বুলি কোৱা হয়। এই 'নাদব্ৰহ্ম' শব্দটো 'নাদবিন্দু উপনিষদ'ৰ পৰা লোৱা হৈছে। 'নাদব্ৰহ্ম' বা শব্দ হৈছে চিৰ অক্ষয় বা অবিনশ্বৰ। শব্দৰ মৃত্যু নাই। গৰিয়া গাঁৱৰ বিগত এবছৰৰ নৱগ্ৰহ মহাযজ্ঞৰ ধৰ্মসভাত আন্তৰ্জাতিক খ্যাতিসম্পন্ন অসমৰ লেখিকা, গীতিকাৰ ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে কৈছিল—'শব্দ অক্ষয়। পৃথিৱীৰ প্ৰতিটো শব্দ অসীম অনন্ত ঘূৰি ফুৰিছে। পূজা-পাতল, যাগ-যজ্ঞৰ মন্ত্ৰোচ্চাৰণৰ মন্ত্ৰবোৰ মহাশূন্যত উঠি মানুহৰে কল্যাণ সাধন কৰিছে।' এই বিশ্বব্ৰহ্মাণ্ড দেৱতাসকলৰ অধীন আৰু দেৱতাগণ মন্ত্ৰৰ অধীন। পুৰোহিতসকলে সেই মন্ত্ৰবোৰ জানে বাবে তেওঁলোকক দেৱতা বোলে— 'দেৱাধীনাং জগত সৰ্বং মন্ত্ৰাধীনাশ্চ দেৱতাঃ/তন্মন্ত্ৰো ব্ৰাহ্মণৈৰ্জ্ঞাত তস্মাৎ ব্ৰাহ্মণ দেৱতাঃ/' গতিকে পুৰোহিতে মন্ত্ৰ মন্ত্ৰৰ দ্বাৰা দেৱতা গ্ৰহসকলক সন্তুষ্ট কৰি জগতৰ কল্যাণ সাধিব পাৰি। মানুহৰ মনত এই মন্ত্ৰ বা নাদব্ৰহ্মই গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰে। নদ-নদীবোৰে নিজ নামত বৈ থাকে। কিন্তু সাগৰত পৰাৰ পাছত ই সাগৰৰ অংশ হৈ তাৰ নাম হৈ পৰে। তেনেদৰে মনেও নাদধ্বনি বা নাদব্ৰহ্ম আয়ত্ত কৰিলেই সেইজন লোক তাৰেসৈতে লগ লাগি যায়। সেয়ে বীণৰ সুৰ শেষ হ'লে তাৰ [illegible]

সম্মোহিত সৰ্পই পুনৰ সেই সুৰ শুনাৰ বাবে উৎকণ্ঠিত হোৱাৰ দৰে মনেও মন্ত্ৰৰ প্ৰথমৰ পৰা শেষলৈ শুনিব নাপালে উৎকণ্ঠা অনুভৱ কৰে। বাসনা মানুহৰ চিত্তৰ লগত সংযুক্ত। এই সৰ্বসাধাৰণ বাসনা-কামনাবোৰ পৰিত্যাগ কৰি আত্মসংযম আৰু স্থিতপ্ৰজ্ঞ হৈ স্থায়ী সুখ ভোগ কৰিব লাগিলে নাদব্ৰহ্মৰ জ্ঞান আয়ত্ত কৰিব লাগিব।

পুৰোহিত বা দ্বিজৰ গুণ ঃ নৱগ্ৰহ মহাযজ্ঞত গ্ৰহবোৰৰ শান্তিৰ দ্বাৰা মানুহে সুখ-শান্তি ভোগ কৰিবলৈ দ্বিজ বা পুৰোহিতে মন্ত্ৰোচ্চাৰণ কৰে। মন্ত্ৰোচ্চাৰণ বা নাদব্ৰহ্মৰ দ্বাৰা গ্ৰহবোৰক সন্তুষ্ট কৰিবলৈ বা পুৰোহিতসকলে ধৰ্মীয় নৈতিক চৰিত্ৰ সৃষ্টিৰ বাবে নিতৌ স্নান, সন্ধ্যা, জপ, হোম, দেৱতা পূজা আদি নিত্য কৰ্মৰ লগতে অতিথিপৰায়ণ হ'ব লাগে। ইয়াৰ উপৰি তেওঁ কিছুমান সংস্কাৰ কৰিব লাগে। তাৰ ভিতৰত এটা হ'ল উপনয়ন (লগুণ গ্ৰহণ)। এই উপনয়নৰ পাছত নডাল গুণবিশিষ্ট যজ্ঞোপবীত (লগুণ) ধাৰণ কৰিব লাগে। এই নডাল গুণবিশিষ্ট যজ্ঞোপবীত ধাৰণে পুৰোহিতসকলে নপ্ৰকাৰৰ গুণ আৰু পৃথক পৃথক অধিদেৱতাসকলৰ গুণাৱলী একেলগে ধাৰণ কৰাটো বুজায়। পুৰোহিতসকলে এনে গুণবোৰ আয়ত্ত কৰিব পাৰিলেহে পুৰোহিত হোৱাৰ সাৰ্থকতা অৰ্জন কৰে আৰু তেতিয়া তেওঁ কৰা পূজাৰ সেৱা সফল হয়।

যজ্ঞোপবীত বা লগুণৰ দেৱতা হ'ল মুঠ নজন। প্ৰথম দেৱতা হ'ল ওঁকাৰ— অৰ্থাৎ ব্ৰহ্ম বা বেদজ্ঞান। দ্বিজসকলৰ প্ৰত্যেকৰে বেদজ্ঞান থকা উচিত। দ্বিতীয় দেৱতা হ'ল অগ্নি। অৰ্থাৎ অগ্নিৰ দৰে তেজশক্তি সম্পন্ন হ'ব লাগে পুৰোহিতসকল। তৃতীয় দেৱতা হ'ল নাগ অৰ্থাৎ ধৈৰ্য। পুৰোহিতসকল ধৈৰ্যশালী হ'ব লাগে। চতুৰ্থ দেৱতা—চন্দ্ৰ অৰ্থাৎ সৰ্বজনপ্ৰিয়তা। চন্দ্ৰক যেনেদৰে সকলো মানুহে ভাল পায় তেনেদৰে গুণৰ বাবে পুৰোহিত সকলোৰে প্ৰিয়পাত্ৰ হ'ব লাগে। পঞ্চম দেৱতা পিতৃগণ। অৰ্থাৎ স্নেহশীলতা। এওঁলোক আনৰ প্ৰতি স্নেহশীল হ'ব লাগে। ষষ্ঠ দেৱতা প্ৰজাপতি। অৰ্থাৎ প্ৰজা পালন। ৰজাই প্ৰজাসকলৰ প্ৰতি দায়িত্বৱান হোৱাৰ দৰে পুৰোহিতসকলেও মানুহৰ প্ৰতি দায়িত্বশীল হ'ব লাগে। সপ্তম দেৱতা—বসু। অৰ্থাৎ স্বধৰ্মত স্থিতি। অষ্টম দেৱতা-যম অৰ্থাৎ ন্যায়পৰায়ণতা। পুৰোহিতসকল ন্যায়পৰায়ণ হ'ব লাগে। নৱম-দেৱতা শিৱ অৰ্থাৎ বিষয়ত অনাসক্তি। বিষয়, কামনা-বাসনাৰ প্ৰতি অনাসক্ত (আকৰ্ষণহীন) হ'ব লাগে। এই গুণাৱলী দেৱতাসকলৰ ভূষণ স্বৰূপ। পুৰোহিতসকলেও এইবোৰ গুণ আয়ত্ত কৰিবৰ যত্ন কৰিব লাগে। তেওঁলোকে যজ্ঞোপবীত উল্লিখিত নজন দেৱতাক স্মৰণ কৰি সেৱা জনাব লাগে। নৱগ্ৰহ যজ্ঞৰ দ্বিতীয় আৰু তৃতীয় দিনা নৱিকা আবৃত্তি পৰ্ব অনুষ্ঠিত হয়। ব্ৰাহ্মণ বা পুৰোহিতসকলে

এই দুদিনত কৰা ভোজনক বোলা হয় 'ব্ৰহ্মভোজন'।

পূৰ্ণাহুতি ঃ যজ্ঞৰ চতুৰ্থ দিনা বা অন্তিমদিনা নিৰ্ধাৰিত সময়ত পূৰ্ণাহুতি প্ৰদান কাৰ্য আৰম্ভ হয়। ভক্তপ্ৰাণ বাইজে নিজৰ মংগলৰ বাবে উপবাসে থাকি গোটা নাৰিকল এটা আৰু বস্তা কাপোৰ, গয়, ঘিউ আদি সামগ্ৰীৰে পূৰ্ণাহুতি দিবলৈ সাজু হয়। পোনতে পূৰ্ণাহুতি দ্ৰব্যবোৰৰ অৰ্চনা কৰা হয়। তাৰ পাছত পুৰোহিতে যজ্ঞকুণ্ডৰ ওচৰত বৈ মন্ত্ৰোচ্চাৰণ কৰে। ভক্তসকলে হাতত আহুতিৰ সামগ্ৰীবোৰ লৈ যজ্ঞ কুণ্ডৰ ওচৰত সভক্তিৰে বৈ পুৰোহিতে মন্ত্ৰ মতা শেষ হোৱাৰ লগে লগে সেইবোৰ যজ্ঞকুণ্ডত সমৰ্পণ কৰে বা পেলাই দি সেৱা জনায়।

পূৰ্ণাহুতি পৰ্ব শেষ হ'লে পুষ্পাঞ্জলি আৰু শান্তি প্ৰদান কাৰ্য আৰম্ভ হয়। বাইজে মাটিত বহি হাতযোৰকৈ বয়। পুৰোহিতে মন্ত্ৰোচ্চাৰণ কৰি ফুল, তুলসী, দুবৰি, শান্তি জল, চাউল আদি ছটিয়ায়। বাইজে পাছত হোমৰ ছাইৰ ফোঁট আৰু তেলযুক্ত সেন্দুৰৰ ফোট লয়। নিৰ্মালিস্বৰূপে ভক্তসকলে যজ্ঞৰ ধৰ্মীয় কাৰ্যত ব্যৱহৃত ফুল, বেলপাত আদি লয়। তাৰ পাছতে মূল নৈবেদ্য আৰু আনবোৰ নৈবেদ্য ভাঙি বাইজক বিতৰণ কৰা হয়। পৰমান্ন ভোগো বিতৰণ কৰা হয়।

আদিত্যাদি নৱগ্ৰহ মহাযজ্ঞৰ সাংস্কৃতিক ৰূপ ঃ ধৰ্মৰ লগত সংস্কৃতি বিষয়টো ওতপ্ৰোতভাৱে জড়িত। প্ৰকৃততে দুয়োটা একেটা মুদ্ৰাৰে ইপিঠি আৰু সিপিঠি। ভগৱান ঐশ্বৰিক গুণসম্পন্ন হোৱাৰ লগতে শিল্পীও। উদাহৰণস্বৰূপে বিশ্বকৰ্মা হ'ল কাৰিকৰ। ব্ৰহ্মা এই জগতখনৰ সৃষ্টিকাৰক শিল্পীস্বৰূপ। সৰস্বতী বিদ্যা আৰু সাহিত্য দেৱী। ইন্দ্ৰ নৃত্য শাস্ত্ৰ বিশাৰদ। নটৰাজ নাট্য কলাৰ দেৱতা। ধৰ্মৰ একাধিক বিষয় সংস্কৃতিৰ ভিতৰত পৰে। তেনেদৰে ধৰ্মীয় উৎসৱ-পাৰ্বণত সাংস্কৃতিক অনুষ্ঠান যেনে নাগাৰা নাম, ওজাপালি, ঢুলীয়া, ভাওনা, সংকীৰ্তন, আয়তীৰ নাম আদি প্ৰদৰ্শন হয়। এনেবোৰ কাৰণতে অৰ্থাৎ ধৰ্মৰ লগত থকা সংস্কৃতিৰ সম্পৰ্কৰ বাবে আদিত্যাদি শ্ৰীশ্ৰীনৱগ্ৰহ মহাযজ্ঞৰ নানা সাংস্কৃতিক কাৰ্যসূচী পালন কৰা হয়। যজ্ঞৰ প্ৰথম দিনাৰে পৰা শেষৰ দিনালৈ ভাগৱত পাঠ, নাগাৰা নাম, ঢুলীয়া, ওজাপালি, সংকীৰ্তন, আয়তীৰ নাম, ধৰ্মসভা আদি থাকে। দুই বা তিনি দিন 'সাংস্কৃতিক সন্ধিয়া' অনুষ্ঠিত হয়। যাত্ৰাভিনয়, যাদু প্ৰদৰ্শন, বোলছবি প্ৰদৰ্শন, ভ্ৰাম্যমাণ থিয়েটাৰো প্ৰদৰ্শন হয়।

আদিত্যাদি নৱগ্ৰহ মহাযজ্ঞৰ বৈজ্ঞানিক ভিত্তি ঃ অকল ধৰ্ম সংস্কৃতিয়েই নহয় নৱগ্ৰহ বৈজ্ঞানিক ভিত্তিত বিদ্যমান। ভাৰতৰ ঋষি-মুনিসকলে গ্ৰহ-নক্ষত্ৰ সম্পৰ্কে বৈজ্ঞানিক চিন্তা-চৰ্চাৰ ভিত্তিত গ্ৰহ নক্ষত্ৰৰ আকৃতি-প্ৰকৃতি, বৰ্ণ, সংজ্ঞা, জন্ম, মৃত্যু, দৃষ্টি, অস্ত্ৰ, বাহন, উদয়, অস্ত, শয়ন আদিৰ [illegible] অতীততে [illegible] কৰা [illegible]

বৈজ্ঞানিক গৱেষণাৰ ভিত্তিত সত্য প্ৰমাণিত হৈছে। নৱগ্ৰহ স্তোত্ৰৰ অনেক তত্ত্ব এতিয়া সত্য প্ৰমাণিত হৈছে। উদাহৰণস্বৰূপে নৱগ্ৰহ স্তোত্ৰত চন্দ্ৰৰ জন্ম সম্পৰ্কত থকা 'ক্ষীৰোদাৰ্ণৱ সম্ভৱম্' বুলি অৰ্থাৎ ক্ষীৰোদ সাগৰৰ পৰা উদ্ভৱ হোৱা বুলি থকা তথ্য আছে। ক্ষীৰোদ সাগৰ মানে প্ৰশান্ত মহাসাগৰ। ডাৰউইনে প্ৰমাণ কৰিছে যে চন্দ্ৰ এদিন পৃথিৱীৰ লগত সংলগ্ন আছিল আৰু ই পাছত পৃথিৱীৰ পৰা ওলাই গৈ নভোমণ্ডলত বা মহাকাশত থিতাপি লৈছে। যি ঠাইৰ পৰা চন্দ্ৰ ওলাই গৈছিল সেই ঠাইত সৃষ্টি হোৱা গাঁতকেই প্ৰশান্ত মহাসাগৰ বুলি নামকৰণ কৰা হয় পাছত। তেনেদৰে মংগল গ্ৰহও পৃথিৱীৰ পৰা জন্ম পোৱা বুলি নৱগ্ৰহ স্তোত্ৰত উল্লেখ থকা ('ধৰণী সম্ভূতং') বুলি তথ্যৰ উল্লেখ আছে। আজিৰ আমেৰিকাৰ বৈজ্ঞানিকসকলে প্ৰমাণ কৰিছে যে মংগলৰ মাটিৰ লগত পৃথিৱীৰ মাটিৰ সাদৃশ্য আছে। জ্যোতিষ-চৰ্চাকাৰী ব্যক্তিসকলে গ্ৰহদোষ নিবাৰণৰ কাৰণে যি ধাতু বা দ্ৰব্য মূল বা গছৰ শিপা, কাণ্ড দিয়ে তাৰো চিকিৎসাসন্মত গুণ চিকিৎসা বিজ্ঞানীসকলে প্ৰমাণ কৰি ঔষধ আৱিষ্কাৰ কৰিছে। বিদেশৰ বহু বৈজ্ঞানিকে ভাৰতীয় ঋষি-মুনিসকলে কৰা দ্ৰব্য আৱিষ্কাৰৰ ৰহস্য উদ্‌ঘাটন কৰিবলৈ সক্ষম নোহোৱা বাবে আশ্চৰ্য প্ৰকাশ কৰিছে। তেনে এবিধ দ্ৰব্যৰ বিৱৰণ দি ক'ব পাৰি, আয়ুৰ্বেদ শাস্ত্ৰত থকা প্ৰায়বোৰ বেমাৰৰ চিকিৎসাত ব্যৱহৃত 'মকৰধ্বজ' নামৰ মহৌষধটো। বিজ্ঞান শাস্ত্ৰত ইয়াৰ নাম 'মাৰ্কাৰী ছালফাইড'। এই দ্ৰব্যবিধৰ বিষয়ত লেখক ড° জয়কান্ত শৰ্মাই কৈছে—'ওঠৰ শতিকা পৰ্যন্ত মাৰ্কাৰী ছালফাইডৰ উৎপাদনত ভাৰত অদ্বিতীয় আছিল। ৭-১-১৯৭০ তাৰিখৰ 'ৰয়েল ছোচাইটি'ত প্ৰকাশ পোৱা ব্ৰিটিছ বিজ্ঞান বিষয়া এগৰাকীৰ প্ৰতিবেদনটো আছিল এনে ধৰণৰ—'ভাৰতীয়সকলে এটা পৰ্যায়ত মাৰ্কাৰী ছালফাইড প্ৰস্তুত কৰাৰ পদ্ধতিটো মই অনেক চেষ্টা কৰিও আয়ত্ত কৰিব পৰা নাই।.... ভাৰতীয়সকলে আনকি 'মাৰ্কুৰিক ক্ল'ৰাইড' আৰু 'মাৰ্কুৰাচ ক্ল'ৰাইডো' সফলভাৱে উৎপাদন কৰি আছে।' প্ৰাচীন ভাৰতৰ ৰসায়নবিদসকলে ছালফাৰ-ডাই-অক্সাইডৰ কীটনাশক গুণ, বিৰঞ্জন ধৰ্ম সম্পৰ্কে অধ্যয়ন কৰাৰ প্ৰমাণ আছে এই শ্লোকটোত—'গন্ধকচূৰ্ণিতং ক্ষেত্ৰং জলকুণ্ডায়তেন বৈ। নাশ্চয়ং সৰ্বশাকানি সেকাদুপৱনানি চ। গন্ধকৈৰং ধুপেন পুষ্পনাম অন্য বৰ্ণতা।'

নৱগ্ৰহৰ আহুতিত ব্যৱহৃত সমিধ বা কাঠবোৰৰ ঔষধি গুণ আছে। পাশ্চাত্যৰ বৈজ্ঞানিকসকলে ভাৰতৰ ঋষি-মুনিসকলে লিপিবদ্ধ কৰা অনেক শাস্ত্ৰসন্মত তথ্যৰ আলমত বৈজ্ঞানিক আৱিষ্কাৰেৰে মানৱ জাতিৰ কল্যাণ সাধন কৰিছে। আনহাতে বৈজ্ঞানিক চিন্তা-চৰ্চা বা গৱেষণাৰ দ্বাৰা আৱিষ্কৃত বস্তুৰ পৰোক্ষ কু-ক্ৰিয়াৰ ক্ষেত্ৰত

ইয়াক নিবাৰণত বিফল হৈছে পাশ্চাত্য বিজ্ঞানীসকল। এনে কুপ্ৰভাৱৰ দিনৰ কথা চিন্তা কৰিয়ে আমাৰ পূৰ্বপুৰুষ দূৰদৰ্শী ঋষি-মুনিসকলে সৌ তাহানিতে নানা পথৰ সন্ধান দি মানৱ জাতিক বিভিন্ন কুপ্ৰতিক্ৰিয়াৰ পৰা মুক্তিৰ পথ দেখুৱাই গৈছে। উদাহৰণস্বৰূপে যাগ-যজ্ঞৰ কথাটোকে লোৱা যাওক। আধুনিক কল-কাৰখানা, গাড়ী-মটৰৰ পৰা ওলোৱা ধোঁৱা আৰু দূষিত গেছে বায়ুমণ্ডললৈ গৈ বিভিন্ন প্ৰকাৰে তললৈ আহি মানৱ জাতিৰ নানা ৰোগ ব্যাধিৰ সৃষ্টি কৰিছে। ইয়াক ৰোধ অৰ্থাৎ বায়ু প্ৰদূষণ নাশ কৰাৰ বাবে কোনো উপায় বৈজ্ঞানিকসকলে আৱিষ্কাৰ কৰিবলৈ সক্ষম হোৱা নাই। কিন্তু আমাৰ ভাৰতৰ তাহানিৰ ঋষি-মুনিয়ে এনে এটা দিনৰ কথা চিন্তা কৰিয়েই যজ্ঞানুষ্ঠানত হোমৰ ব্যৱস্থা কৰি থৈ গৈছে। হোমত প্ৰদান কৰা ঘিউ, চাউল, সৰিয়হ, তিল, গম, যব, গুলগুল, নানা কাঠ, দূবৰি, তুলসী, বেলপাত, ফুল আদি জুইত পুৰি সৃষ্টি হোৱা ধোঁৱাই বায়ু পৰিশুদ্ধি কৰি বায়ু প্ৰদূষণ নাশ কৰে। এনে ধৰণে বিজ্ঞানৰ অনেক বিষয়ৰ যুগজয়ী আৱিষ্কাৰ তত্ত্বৰ কথা আমাৰ ঋষি-মুনিসকলে লিখি থৈ যোৱা পুথি-পাঁজি, ধৰ্মগ্ৰন্থত আছে। আমি ভাৰতীয়সকলে নিজৰ একো নাই বুলি ভবা হীনমন্যতা এৰি সংস্কৃত ভাষা-চৰ্চাৰ জৰিয়তে এইবোৰ পুথি অধ্যয়ন কৰি তাৰ পৰা লব্ধ জ্ঞানেৰে কৰ্মৰত হৈ ভাৰতক বিশ্বৰ ভিতৰতে শ্ৰেষ্ঠ আৰু আদৰ্শবান্বিত পৰিণত কৰিব পাৰো।

সমন্বয়ৰ উৎসৰ পভিয়াৰ আদিত্যাদি শ্ৰীশ্ৰীনৱগ্ৰহ মহাযজ্ঞ : সূৰ্য বা ৰবিয়ে স্পৃশ্য-অস্পৃশ্যৰ বিচাৰ নকৰি সকলোকে জ্যোতি বিলোৱাৰ দৰে নৱগ্ৰহ যজ্ঞয়ো সকলো জাতিৰ লোক, ধৰ্ম-বৰ্ণ, ভাষাভাষী লোকক শুভফল প্ৰদান কৰে। হিন্দুসকলৰ দৰে ইছলাম ধৰ্মী লোকসকলেও নৱগ্ৰহৰ প্ৰভাৱৰ কথা মানি চলে। নৱজাতকৰ তেওঁলোকে জ্যোতিষীৰ হতুৱাই গৌৰৱী কৰায়। তেনেদৰে গ্ৰহ বিধানৰ অৰ্থে বস্ত্ৰ, গছৰ মূল ধাৰণ কৰে। গ্ৰহশান্তিৰ বাবে নৱগ্ৰহ যজ্ঞত আহুতি প্ৰদান কৰে। তেনেদৰে জৈন ধৰ্মাৱলম্বী লোকসকল আৰু জনজাতীয় লোকসকলেও নৱগ্ৰহ মহাযজ্ঞত পূৰ্ণাহুতি প্ৰদান কৰে। পভিয়া গাঁৱত প্ৰতি বছৰে হোৱা নৱগ্ৰহ মহাযজ্ঞত হিন্দু, ইছলাম আৰু জৈন ধৰ্মাৱলম্বী লোকৰ লগতে জনজাতীয় লোকসকলে পূৰ্ণাহুতি প্ৰদান কৰে। পূৰ্ণাহুতিৰ দিনা অসমৰ নানা ঠাইৰ নানা জাতি ধৰ্ম-বৰ্ণ-ভাষাৰ লোকৰ বাৰ ভৰি পৰে যজ্ঞস্থলী।

দেওধনী নৃত্য

দেওধনী নৃত্য শক্তি পূজাৰ লগত সম্পৰ্কিত এক নৃত্যধৰ্মী অনুষ্ঠান। মনসা বা মাৰৈ পূজাত এইবিধ লোককলা পৰিবেশিত হয়। ধৰ্মীয় দিশৰ লগত গভীৰভাৱে সম্পৰ্কযুক্ত এইবিধ অনুষ্ঠান ওজাপালি আৰু দেওধনীৰূপী তিৰোতাৰ দ্বাৰা সু-সংগঠিত। আকৌ এই অনুষ্ঠানৰ লগত মংগল (ভৱিষ্যতৰ শুভ ফল) চোৱা প্ৰসংগও জড়িত হৈ আছে। জনবিশ্বাস মতে দেওধনী নৃত্য কৰা তিৰোতাজনীৰ গাত দেৱতাই লম্ভে। তেতিয়া তেওঁ ভূত-ভৱিষ্যতৰ কথা ক'ব পাৰে। সেয়েহে মনসা পূজাত ওজাই সোধা সকলো ভূত-ভৱিষ্যতৰ কথা দেওধনীয়ে কৈ দিয়ে। চান্দ সদাগৰৰ কনিষ্ঠ পুত্ৰ লখিন্দাৰৰ মৃত্যুৰ পৰা আৰম্ভ কৰি দেৱপুৰীত বেউলাই লখিন্দাৰক জীয়াই অনালৈ বেউলা-লখিন্দাৰৰ কাহিনীৰ পদবোৰ ওজাপালিয়ে একাদিক্ৰমে গাই শেষ কৰে আৰু তেতিয়া অচেতন হোৱা দেওধনী জাগি উঠে। ৰজনীকান্ত বৰুৱাই 'দৰঙী কলা-কৃষ্টিৰ চমু কথা' শীৰ্ষক গ্ৰন্থত লিখিছে—'উষাই দেৱতাসকলৰ আগত নৃত্য কৰিছিল। সেই উষায়ে পিছৰ জন্মত মনসা কাব্যৰ নায়িকা বেউলা। এই বেউলায়ে তেওঁৰ মৃত স্বামী লখিন্দাৰক জীয়াবৰ বাবে দেৱতাপুৰীত সাত দিন, সাত ৰাতি দেৱতাৰ আগত নৃত্য কৰি দেখুৱাইছিল আৰু মৰা স্বামী লখিন্দাৰক জীয়াই আনিছিল। মাৰৈ পূজাত দেওধনী নৃত্যও বেউলাৰ সেই নৃত্যৰে নামান্তৰ বা প্ৰতিচ্ছবি বুলি ক'ব পাৰি। কাৰণ বেউলা সতী আছিল। সেই কাৰণে দেৱৰ পুৰীক, দেৱতাসকলৰ সকলো কথা জানিছিল আৰু সেইবাবে দেওধনীয়েও সম্পূৰ্ণ ধৰ্মীয় ভাৱেৰে নাচি নাচি দেৱতাৰ ওচৰত উদ্বুদ্ধ হয়। লগে লগে জনসাধাৰণেও দেৱতা লম্ভা বুলি মনসা পূজাৰ প্ৰতি অধিক আকৃষ্ট হয়। গতিকে দেওধনী নৃত্য বেউলাৰ সেই নৃত্যৰ প্ৰতিধ্বনি আৰু প্ৰতিচ্ছবি বুলি ক'ব পৰা যায়।'

দেওধনী নাচৰ প্ৰসংগতে আমি নৃত্যৰ ওপৰত আলোকপাত কৰা প্ৰয়োজন। নৃত্যৰ প্ৰসংগত সুৰেশ চন্দ্ৰ গোস্বামীয়ে লেখা গ্ৰন্থ 'অসমৰ নাট্য নৃত্য কলা'ত আছে—নৃত্যক দুভাগত ভাগ কৰা হৈছে মাৰ্গীয় নৃত্য আৰু দেশী নৃত্য। ৰস, ভাব, অভিনয়, হস্ত, মুদ্ৰা, তাল, লয়, ছন্দ থকা নাচকে নৃত্য বোলে। ওজাপালি, দেওধনী, সূত্ৰধাৰী নৃত্য এই পৰ্যায়ত পৰে। আকৌ তাল, লয় ছন্দযুক্ত নাচকে নৃত্য বোলে।' দেওধনী নৃত্য মাৰ্গীয় নৃত্যত পৰে। মাৰ্গীয় নৃত্যক দুভাগত বিভক্ত কৰা হৈছে—(১)

তাণ্ডৱ আৰু (২) লাস্য। তাণ্ডৱ আকৌ তিনি প্ৰকাৰৰ—চণ্ড, প্ৰচণ্ড, উচণ্ড। লাস্য চাৰি প্ৰকাৰৰ—(ক) লতা (খ) পিণ্ডি (গ) ভেদ্যক (ঘ) শৃংখলা। দেশী নৃত্য বা লোকনৃত্য তিনি প্ৰকাৰৰ—(১) বিকট, (২) বিবস, (৩) লঘু। নৃত্য, নৃত্যাভিনয়ত ৰস, ভাৱ ফুটাই তুলিবলৈ আঠটা ৰসৰ প্ৰয়োজন—(ক) শৃংগাৰ, (খ) হাস্য, (গ) করুণ, (ঘ) ৰৌদ্ৰ, (ঙ) বীৰ, (চ) ভয়ানক, (ছ) বীভৎস, (জ) অদ্ভুত। মনস্তাত্ত্বিক স্থায়ী ভাৱ আঠ প্ৰকাৰৰ—(১) ৰতি, (২) আনন্দ, (৩) শোক, (৪) ক্ৰোধ, (৫) উৎসাহ, (৬) ভয়, (৭) জুগুপ্সা, (৮) বিস্ময়। ইয়াৰ লগত সঞ্চাৰি ভাৱ তেত্ৰিছটা—হতাশা, দুৰ্বলতা, শংকা, ঈৰ্ষা, উত্তেজনা, ক্লান্ত, এলাহ, নিৰাশ, উৎকণ্ঠা, অমনোযোগ, স্মৃতি, সন্তোষ, লাজ, অসংলগ্নতা, স্ফুৰণ, চঞ্চলতা, তন্দ্ৰা, দম্ভ, দুমাহ, অধীৰতা, নিদ্ৰা, মূৰ্চ্ছা, স্বপ্ন, বিলাসিতা, জাগৰণ, উত্তাপ, সন্তাপ, উগ্ৰতা, সংলাপ, ব্যাধি, উন্মাদ, মৃত্যু, ভয়ভ্ৰান্তি, বিতৰ্ক। মনৰ সাত্ত্বিক ভাৱৰ অৱস্থা হ'ল আঠোটা—স্তম্ভ (দেহ বৈকল্য), স্বেদ (ঘাম ওলোৱা), ৰোমাঞ্চ, স্বৰভংগ, বেপথু, বৈবৰ্ণ্য (মুখৰ), ক্ৰন্দন, প্ৰলয়, মোহ মূৰ্চ্ছা।

আঠোটা ৰসৰ প্ৰত্যেকতে অধিষ্ঠাতা দেৱতা আছে—যেনে বিষ্ণু হ'ল শৃংগাৰ ৰসৰ দেৱতা, হাস্য ৰসৰ হ'ল প্ৰমথগণ, ৰৌদ্ৰ ৰসৰ অধিষ্ঠাতা দেৱতা হ'ল ৰুদ্ৰ, যম হ'ল করুণৰ, বীভৎসৰ হ'ল মহাকাল, বীৰ ৰসৰ দেৱতা ইন্দ্ৰ, ভয়ানক ৰসৰ হ'ল কাল, অদ্ভুতৰ হ'ল ব্ৰহ্মা।

দেওধনী নৃত্যৰ দেওধনীৰ সাজ-পাৰ হিচাপে কঁকালত মেখেলা, ফুলুত মেথনি মাৰি আৱশ্যকীয় পৌৰাণিক সাজ-পাৰ পিন্ধে। দেওধনীৰ কঁকালত বন্ধা ফুলাম কাপোৰৰ টঙালি। এইখিনিতে দেওধনীৰ সাজ-পোছাকৰ লগত নৃত্যত আঠোটা ৰসৰ তাৎপৰ্য বিচাৰ কৰিব পাৰি। শৃংগাৰ ৰসৰ প্ৰতীক হ'ল পাতল সেউজীয়া, হাস্য ৰসৰ প্ৰতীক হ'ল গৌৰ, ভয়ানক ৰসৰ প্ৰতীক হ'ল ক'লা। বীভৎস ৰসৰ প্ৰতীক হ'ল নীলা, অদ্ভুত ৰসৰ প্ৰতীক হ'ল হালধীয়া। গতিকে নৃত্যত দেওধনীয়ে আঠোটা ৰস প্ৰকাশৰ লগত নিজৰ সাজ-সজ্জাৰ নিশ্চয় সম্পৰ্ক আছে।

দেওধনীয়ে নিয়ম-শৃংখলাৰ মাজেৰে আনুষ্ঠানিকভাৱে দেৱীৰ অৰ্চনা কৰাৰ নিয়ম আছে। নৃত্যৰ সমাপ্তিশেষে এই অৰ্চনা হয়। তাৰ পাছত এটি [illegible] [illegible] আচৰ নৃত্যৰ পাতনি মেলে। দেওধনী নৃত্যবোৰ শিৰ-নাচন, [illegible]-নাচন, ধৰ্ম-নাচন, ৰণচণ্ডী নাচন, [illegible] নাচন, [illegible] নাচন, কাৰ্তিক নাচন, ভৱানী নাচন, লক্ষ্মী নাচন আদি। এনে ধৰণৰ বিভিন্ন নাচবোৰ [illegible] ভৱিষ্যতে হাতত যথোপযুক্ত [illegible] [illegible]। দেওধনীৰ নৃত্য [illegible] [illegible] [illegible]

তাল-মানত গোৱা গীতত সুৰ আৰু লয়লাসপূৰ্ণ বিভিন্ন ভংগিমাৰ ছেৱত নচা দেওধনীৰ চিত্তাকৰ্ষক নৃত্যৰ দ্বাৰা মানুহৰ মন মুহি সকলোৰে অন্তৰত অনাবিল আনন্দৰ শিহৰণ তুলি এটা সুমধুৰ পৰিবেশৰ মাজত ই শেষ হৈ যায়। নৃত্যৰ আৰম্ভণিতে দেওধনীয়ে পূজাৰ বাবে সজা মঞ্চৰ দক্ষিণফালে এখন আগলতি কলপাতত বহি থাকে। গাত থাকে এখন বগা চাদৰ। ওজাপালিয়ে বন্দনা গীত গায়—'বন্দিবো বন্দিবো—অ'হৰি বন্দো-দেউ বন্দিবো। পদ-ধৰ্ম, কৰ্ম দুৰ পাব, শিৱ-দুৰ্গা দুই পাব, ব্ৰহ্মা-বিষ্ণু দুই পাব, ইন্দ্ৰচন্দ্ৰ দুই পাব।' দিহা—'অ'দেও আইচ অ' হংসৰ বাহনে দেউ নাময়, অ' আ অ' আনন্দ কৰিয়া দেও নাময়। পদ-প্ৰথমতে নামি আহে উলটা নাৰায়ণ/ব্ৰহ্মা-বিষ্ণু নামিলা তিনিজন/ৰাজহংসে চৰি ব্ৰহ্মা কৰিলা গমন/ঐৰাৱতে চৰি আইলা সহস্ৰ লোচন/মহিষৰ বদনে আইলা ৰবিৰ নন্দন/ছাগত বাহন অগ্নি হৰিলে পৱন/গৰুড়ত চৰি আইলা দেৱ নাৰায়ণ/যাৰ যি বাহন আহে দেৱগণ।'

'অসমৰ নাট্য নৃত্য কলা' গ্ৰন্থত সুৰেশ চন্দ্ৰ গোস্বামীয়ে লিখিছে—'দেওধনীৰ সাজ-পোছাক হ'ল—ৰঙা মেখেলা, তাত ভমকা বগা ফুল বছা, বুকুত ৰঙা চোলা, কঁকালত এখন ৰঙা কাপোৰ মেৰিওৱা, গাৰ ওপৰত এখন ৰঙা ৰঙৰ চাদৰ, হাতত গামখাৰু, ডিঙিত ৰঙা গলমণি। মেলা চুলি। সুকন্নানী ওজাপালিৰ লগত দেওধনীয়ে উদ্দাম গতিৰে প্ৰচণ্ড নাচ কৰে। মূৰ চাৰিওফালে ঘূৰাই ঘূৰাই এটা ৰুদ্ৰ আৰু ভয়ানক ৰূপ সৃষ্টি কৰি দুয়োটা ৰস প্ৰকাশ কৰে। সুকন্নানী ওজাপালিৰ দাইনা আৰু পালিয়ে দেওধনী নাচৰ গীত আৰু বাদ্যৰে সহায় কৰে। সদাগৰ চন্দ্ৰধৰ আৰু মনসাৰ জোপ লৈ এই গীতবোৰ ৰচিত আৰু তাকে গোৱা হয়। গীত গাই নৃত্যও কৰা হয়। যেনে—নটী নাচৰ নাচেৰে, উৰ্বশীৰ নাচ, সুন্দৰী নাচে দ্ৰুতলয়ত। শিৱৰ নাচ—অ' শিৱৰণে ৰং পাই ডম্বৰু বজায়, কছাৰী নাচোন—হাতত টাঙোন মূৰত জাপি, মেচাৰ নাচোন—হৰিৰ নাচোন আদি।

দেৱ-দেৱীৰ বন্দনা গীত, আৰু দিহা ওজাপালিয়ে গোৱাৰ পিছত দেওধনীয়ে বহা অৱস্থাত গীতৰ সুৰ আৰু তালৰ ছেৱে ছেৱে মূৰটো কঁপাই কঁপাই উলাহতে সমগ্ৰ শৰীৰত নৃত্যৰ এক শিহৰণ জগাই তোলে। খোপা সুলকি মুক্তকেশী হৈ পৰা দেওধনীয়ে নাচিবলৈ ধৰে। পালিয়ে খুটিতাল এৰি ঢোল বাদক দুজনে জয়ঢোল দুটা প্ৰত্যেকে কান্ধত লৈ আগবাঢ়ি আহে আৰু ঢোলত বাদ্য বাবে। দেওধনীয়ে উঠি দেৱীৰ কালে মুখ কৰি সেই বাদ্যৰ ছেৱত অঙ্গভংগীৰে মুক্ত চুলিকোছা চৌদিশে সঘনে ঘূৰাই নৃত্যৰ পৰিবেশটো মধুৰ কৰে। লগে লগে জয়ঢোলৰ বিভিন্ন বাদ্য ছেৱত

বিভিন্ন নৃত্য পৰিবেশিত হয়। ঢোলবাদকৰ ঢোলৰ বাণীয়ে কৈ দিয়ে দেওধনীয়ে কি নাচ নাচিব। দেওধনীৰ লাস্যময় নৃত্যই ঢোলত কি বাণী মাৰিব লাগিব তাক কয়। জয়ঢোলৰ বাণীবোৰৰ নাম আৰু বৰ্ণনা তলত দিয়া হ'ল—যোগানৰ বাণী-গিৰগিৰ গিন, গি গিন তেই, গিৰি গিৰি গিন তাক, তেই গিন তেই/গিৰগিৰি-গিন তাক, তেই গিন, তাক তেই, খিত তেই, গিন তাক তেই গিন তেই/গিৰিগি-ৰি-গিন গিৰি খিত, তা খিত খত্তি তেই; গিৰি গিৰি গিন-তাক-তা-গিন তেই, (গিৰি-গিৰি-গিগিন গিগিন, গিৰি গিৰি-গিগিন-গিগিন, গিৰি গিৰি গিগিন গিন ইত তেই খিতেই, গিন তেই তা খিত তেই; তাক তেই তেই খিত তেই তা গিন-গিন তেই তা খিত তেই, খেত্ গিৰি গিৰি গিগিন গিগিন গেন গিন। আনবোৰ বাণী হ'ল—দেওবাণী, খৰাবাণী, গোৰবাণী, চাৰিযুৰীয়া বাণী আদি। দেওধনী নৃত্যত সাধাৰণতে দুটা ঢোল আৰু এযোৰ ভোৰতাল বজোৱা হয়। ঢোলৰ বাণীৰ ছেও, সুকনানী ওজাপালিৰ গীত [illegible] আৰু খুঁটি তালৰ ছেৱত দেওধনীয়ে নাচে।

এই সময়ত দেওধনীয়ে বিভিন্ন ভংগীত নাচে। দেওধনীৰ নৃত্যত বিশেষকৈ উগ্ৰ ৰস প্ৰকাশ হয়। ইয়াত ৰসকেইটামানৰ বিভিন্ন দৃষ্টিত কেনেদৰে প্ৰকাশ হয় তাৰ বৰ্ণনা কৰা হ'ল—

ভয়ানক—ভ্ৰূ বহলকৈ মেলি স্থিৰ কৰি চকুৰ মণি উজলাই ঘূৰালেই ভয়ানক দৃষ্টি হ'ব। ভয়ানক ৰস প্ৰকাশ কৰিবলৈ এই দৃষ্টিৰ প্ৰয়োজন। ৰৌদ্ৰ ঃ চকু কটুৱা কৰি ৰঙাকৈ আৰু ডাঙৰকৈ মেলি চকুৰ পতা আৰু ভ্ৰূ কোঁচাই যোপা কৰি চালেই ৰৌদ্ৰী দৃষ্টি প্ৰকাশ হয়। বীৰা ঃ উজ্জ্বল দৃষ্টিৰে চকু মেলি, চঞ্চলতা প্ৰকাশ কৰি গম্ভীৰ হৈ চকু মধ্যত অৱস্থিত কৰি ৰাখিব। বীৰ ৰসত প্ৰকাশ হয় এই দৃষ্টি। অদ্ভুত্য ঃ চকুৰ পতা কোণৰ ফালে প্ৰকাশ কৰি আচৰিত হৈ চকু বহলকৈ মেলি মনোহৰভাৱে ঘূৰালেই অদ্ভুত্য দৃষ্টি হয়। ভয়ান্বিতা ঃ চকু যেনিকৈ মেল খুৱাই চকু দুটা ভাৰত ঘূৰাই চকু মধ্যৰ পৰা আঁতৰি গ'লেই ভয়ান্বিতা হ'ব। হৃষ্টা ঃ চকুৰ পতাৰে চকু অলপ ঢাকি অলপ বেঁকা কৰি চকু অলপ দেখা-নেদেখাকৈ ৰাখি চকুৰ পতা পিতপিত কৰিলেই হৃষ্টা হ'ব। ক্ৰুদ্ধা ঃ চকু অলপ কৰি ৰাখি, চকুৰ পতা স্থিৰ কৰি ভিনু ওপৰলৈ নৈ গ'লে আৰু অসংকুচিত কৰি ক্ৰুদ্ধ ভাৱ দেখুৱালেই ক্ৰুদ্ধা দৃষ্টি হ'ব। শংকিতা ঃ দৃষ্টি ঘূৰাই ৰাখি এবাৰ চকু ঘূৰাই আকৌ স্থিৰভাৱে ৰাখি অলপ চকু তুলি চাই বেঁকাকৈ চকু মেলি ভয় শংকাৰ ভাব প্ৰকাশ কৰিলেই শংকিতা দৃষ্টি হয়। ঢোলৰ বাণীৰ লগে লগে ওজাপালিৰ গতিৰ নতুন মুদ্ৰাসমূহ হ'ল—শিৰ ঃ 'অ' হেৰে [illegible] [illegible] গধূলি হ'ল; হেৰা জটায়ু কাটে কাটে গধূলি হ'ল, দুখৰ [illegible] [illegible] [illegible],

ভিক্ষা মাগিবলৈ গ'ল; ক'তে ক'তে গধূলি হ'ল।' দিহা ঃ বণেৰ ৰণ মাগিবলৈ গ'ল, ক'তে ক'তে গধূলি হ'ল/এত শুনি অসুৰ সব হৈলা শাৰী শাৰী/দেৱগণৰ মাথা মাৰে দুহতীয়া বাৰি/আপুনি ঈশ্বৰ হৰি ভিন্ন ৰূপ ধৰে/বাণ তুলি আনি দিলা পাৰ্বতী শিখৰী /উৰুবাবে বাণদেৱে ওপৰৰ মুখে/পুনৰূপি পৰে যায় অসুৰৰ বুকে/উভাৰিয়া লয় কতো পৰ্বতৰ গাছ/কাটিয়া পেলাও তাক অসুৰৰ সমাজ।'

ভৰদকৰ দিনা উপৰোক্ত নাচবোৰ নাচি নাচি গধূলি দেওধনী অচেতন হৈ পৰে। ইয়াকে দকত পৰা বুলি কোৱা হয়। দকত পৰা অৱস্থাক বিভিন্ন পৰ্যায়ৰ বিভিন্ন ধৰণে নামকৰণ কৰা হয়। সুৰেন ঠাকুৰীয়াই লিখা গ্ৰন্থ—'চম্পকৰ ঐতিহ্য'ত আছে— 'ওজাপালিয়ে বিষহৰিৰ জন্ম কাহিনী আগবঢ়াই নিয়াৰ লগে লগে দেওধনীয়ে দেৱীৰ লগত সাঙোৰ খাই থকা চৰিত্ৰসমূহ, ঢোলৰ, তালৰ ছেৱে ছেৱে নানা অংগি-ভংগি কৰি মুদ্ৰাৰে ৰূপায়ণ কৰে। ভৰ পূজাৰ দিনা পূজাৰ শেষত দেওধনীক ওজাই গীতৰ মাজেৰে চণ্ডীদক, গোসাঁইদক, ছায়াদক আৰু বৰদকত পেলায়।

চণ্ডীদক ঃ মহাদেৱে পদ্মাক কমল বনৰ পৰা কৰণ্ডিত ভৰাই ঘৰলৈ অনাৰ পিছত হঠাতে দেৱ সমাজলৈ যাব লগা হোৱাত সেই কৰণ্ডি হেন্দুলনি ঘৰত অৰ্থাৎ আতালত তুলি থৈ গুচি গ'ল। ইফালে নাৰদৰ কথা মতে চণ্ডীয়ে মনসাক আবিষ্কাৰ কৰি সতিনী বুলি আধামৰা কৰিলে আৰু কংকন মাৰি এটা চকু কণা কৰিলে। মনসাই বিষত ৰ'ব নোৱাৰি সৰ্পৰূপ ধৰি চণ্ডীক দংশন কৰিলে। কিন্তু পিতাকৰ কথা মতে পুনৰ জীয়াই তোলে। ইয়াক চণ্ডীদক বুলি কোৱা হয়। চণ্ডীকাক জীয়াবৰ সময়তে ওজাই গায়—'মন্ত্ৰ উচ্চাৰিত লৈলা চণ্ডীৰ নিশ্বাস আহিলা, গীত গায় বংশীৰ বদন; মন্ত্ৰ উচ্চাৰণ শুনি উঠিয়া বসিলা সতী, জয় জয় তিনি ভুবন'। এইখিনিতে দেওধনী উঠি বহে। গোসাঁইদক ঃ দেৱ-দৈত্য মিলি সাগৰ মন্থন কালত যেতিয়া কালকূট বিষ বাহিৰ হ'ল, তেতিয়া দেৱ-দৈত্যৰ মাজত হাহাকাৰ লাগি পৰিল। শেষত মহাদেৱক কিবা এটা উপায় কৰিব লাগে বুলি কোৱাত তেওঁ সেই বিষ ভক্ষণ কৰি নীলকণ্ঠ হ'ল আৰু অচেতন হৈ পৰিল। ইয়াকে গোসাঁইদক্ বোলা হয়। তেতিয়া ওজাই গায়— 'সাগৰ তীৰতে শিৱে ঢলিয়া পৰিলা/তাকে দেখি গংগা-দুৰ্গাই কান্দিবে লাগিলা/ছায়াদক ঃ লখিন্দাৰৰ বিয়াত কইনা যখন চোতালৰ বতাৰ ওপৰত মনসা দেৱীয়ে চক্ৰান্তত হেজাৰ হেজাৰ বিষাক্ত সৰ্প দেখি নিৰ্ভৰ নিশ্বাস আৰু ধুঁ পৰাত লখিন্দাৰ সেইকালে মূৰ্চ্ছা যায়। ইয়াকে ছায়াদক্ বোলে। সেই সময়ত ওজাই গায়—'পুষ্প দিয়া গাছে লখাই যাবে/উঠিয়া বসিল লখাই সভাৰ বিদিতে।।' বৰদক— বৰদক মানে হ'ল— লখিন্দাৰক দেৱৰত কালীনাগে দংশন কৰি মৰাৰ পিছত বেউলাই ভেলাত তুলি থৈ

জীয়াই অনালেকে এই খণ্ডকে বৰদক বোলে। ওজাপালিয়ে দেওধনীক বৰদকত পেলাই থৈ আন বগা কাপোৰেৰে ঢাকি গোটেই ৰাতি গীত গাই থাকে। শেষত লখিন্দাৰক জীয়াই তোলা পদ গোৱাৰ পিছত দেওধনীও উঠি বহে। লোক প্ৰবাদ মতে দেওধনী জী উঠাৰ পিছত তেওঁ ভূত-ভবিষ্যতৰ কথা ক'ব পাৰে আৰু সেয়ে কথা সুধিবলৈ মানুহৰ হেতা-ওপৰা লাগে।'

ছয়গাঁও অঞ্চলত বিশেষকৈ কুলশী, ভাকুৱাপাৰা, চেঙনপুৰ, কালবাৰুৱা আদি ঠাইত ওজাপালি আৰু দেওধনীৰ ভবিষ্যতে জনজাতীয় লোকসকলে কৰা মাৰৈ পূজাৰ দেওধনীৰ লগত ওজাপালিয়ে ঘট বুৰাবলৈ যাওঁতে গায়—'ধৰ্ম নাম্বিলোকে—ধৰ্ম নাম্বিলোৰে, ধৰ্ম দেও আহি মন্দিৰত দিয়ে ভৰ, তোকে কুলুং মাতে আছিলি/মোৰে বচন ধৰ।' দুৰ্গাদকত গায়—'আন কালতে পইদাৰ গাঁৱতে আছিল বল/যেনে-তেনে কৰি পইদা উঠি মাৰিল লৰ, দাউৰি সৰকিল মাই কুছৰাৰীৰ তল/গোসাঁইদকত গায়—'ক'লা, কাজাল গোম আইমো ভাল/মুখত হাত দিয়া গুণে মনে মন, সৰ্প সৰ্প বুলি গোসাঁই কৰে হাকুৰণ ...।'

দৰঙত মনসা পূজাৰ দেওধনী ছয়ামৰাদকত পৰা অৱস্থাত ভবিষ্যতৰ বিষয়ে সুধিলে তাৰ উত্তৰ দিয়ে। ইয়াকে দেৱীৰ ভবিষ্যতৰ বাণী বুলি গণ্য কৰা হয়। দেওধনী অচেতন অৱস্থাত পৰিলে তেওঁক এখন ধৰ্মীয় বিছনাত শুৱাই থয়। এই অৱস্থাত দেওধনী বাতিটো মণ্ডপত থাকে। ভাটিয়ালী খণ্ডৰ পদ ওজাপালিয়ে খৰতালত গাই শেষ কৰাৰ পিছত দেওধনী চেতন পোৱাৰ ভাও ধৰি উঠি বহে। ইমানতে ওজাপালিৰ গীতপদ শেষ হয়। মনসা পূজাও অন্ত হয়।

দৰঙত মাৰৈ পূজাৰ ভৰদকৰ দিনা কছাৰী পূজাও অনুষ্ঠিত হয়। 'দৰঙী কলা-কৃষ্টিৰ চমু কথা' নামৰ গ্ৰন্থত আছে—'এই কছাৰী পূজাত কছাৰীসকলৰ নিয়ম-নীতিৰ মাজেৰে তেওঁলোকৰ দেৱতাক পূজা কৰা হয়। আনকি কছাৰী ভাইসকলৰ মাত-কথাও ইয়াত পৰিবেশন কৰা হয়। এই কছাৰী পূজাৰ মনসা বা মাৰৈ পূজাৰ লগত বিশেষ কোনো সম্বন্ধ নাই যদিও দৰঙী ৰজাসকলৰ পৃষ্ঠপোষকতাত এই জনজাতীয় কৃষ্টিটো মাৰৈ পূজাৰ লগত সোমাই পৰে। পূৰ্বৰ পৰতৰামৰ কলিয়াসুল ... অভিযানৰ ভয়ত কোঁচ-কছাৰীসকল মেচ কছাৰীসকলৰ মাজত সোমাই আত্মগোপন কৰি থাকোঁতে তেওঁলোকৰ আচাৰ-নীতি আদিও গ্ৰহণ কৰিবলগীয়া হৈছিল পৰৱৰ্তীকালত হয়তো সেইবোৰ কৃষ্টিৰ মাৰৈ পূজাৰ লগত আংশিকভাৱে সংমিশ্ৰণ ঘটিল। সেয়েহে মাৰৈ পূজাৰ ভৰদকৰ দিনা ওজাপালিসকলে দেওধনী নৃত্যৰ লগত মেচ-কছাৰীৰ নৃত্য প্ৰদৰ্শন কৰা দেখা যায়।'

মেচা-মেচেনীৰ ভাও ধৰি পালিসকলৰ দুজনে মাছ মাৰিবলৈ যোৱা ভাও প্ৰদৰ্শন কৰি গায়—আহ' ঐ লগৰী মাছকে যাওঁ, আ-হা-ৰে অ' খালেইতো নৰবৈ, অ' কিনো দৰকিণা মাছ' ঐ আয়াপানী বস্তলে ভাত খাই দালি সানি/আই তই যাগেই যা, দেহী মই নাযাওঁ যা.....।'

আন এটা গীতেৰে কছাৰী পূজাৰ আৰম্ভ কৰা হয়—'হাতত টোকান, মূৰত জাপি, মই ফুৰো জকৰা খান্দি', খাই কাকতা ষায় পাতালপুৰ, গোমা চেলকা ফাই লৈ লৈ...।'

এজন পালিয়ে ঘৰত অসুখ হোৱা কাৰণে ঠিকনা চাই কি হৈছে তাক ক'বলৈ অনুৰোধ কৰাত চোম-চাণ্ডৰ দেৱতাই ধৰা বুলি কয়। এই দেৱতাৰ পূজা কৰিলে বেমাৰ ভাল হ'ব বুলি কৈ পূজাৰ আয়োজন কৰে। পূজাত লগা বস্তুবোৰৰ বিষয়ে সুধিলে তাৰ বৰ্ণনা দিয়ে। কছাৰী পূজাত হোৱা কথোপকথনখিনি সময় আৰু পৰিবেশ সাপেক্ষে দীঘলীয়া কৰে আৰু যিমান পাৰে সিমান হাস্য ৰসেৰে কোমল কৰি তোলে। এই পূজাত বলি-বিধানবো ব্যৱস্থা আছে।

দেওধনী নৃত্যৰ লগত মিল থকা জনজাতীয় নৃত্য

পাথৰি ঃ ডিমাছা কছাৰীসকলৰ মাজত ওজাপালিৰ দেওধনীৰ দৰে পাথৰি নামৰ এটি নাচ প্ৰচলিত আছে। পাথৰি নাচ খাম আৰু মুৰিৰ বাদ্যৰ ওপৰত প্ৰতিষ্ঠিত। পাথৰিয়ে বহুত পৰ নাচ কৰাৰ পাছত তেওঁ দৈৱশক্তি শৰীৰত পায় আৰু তেওঁ দেশৰ, দহৰ, সমাজৰ মংগলা-মংগলৰ বিষয়ে ভৱিষ্যৎবাণী কৰে।

খেৰাই পূজাৰ দেওধনী নৃত্য ঃ বড়োসকলৰ খেৰাই পূজাত দেওধনী নৃত্যৰ ব্যৱস্থা আছে। দেওধনীয়ে এই পূজাৰ মূল বেদীৰ সন্মুখত মাটিত লেপেটা খাই বহে। তেতিয়া তেওঁৰ গাত লক্ষ্মী লক্ষ্মাৰ জ্ঞান কৰি পূজাৰীসকলে আহ্বান মন্ত্ৰ মাতে। তেওঁ নৃত্য আৰম্ভ কৰে। বাইজেও তেওঁৰ লগত নাচে। কিছু সময় নৃত্য কৰাৰ পিছত দেওধনী বাথৌৰ সন্মুখত দুডাল বাঁহত ধৰি অচেতন হৈ পৰি ৰয়। উপস্থিত বাইজে বাথৌ মহাৰাজৰ জয়ধ্বনি দিয়ে আৰু দেওধনীৰ মূৰত শান্তি পানী ছটিয়ায়, তেতিয়া দেওধনীৰ চেতনা ঘূৰি আহে। খেৰাই পূজা শেষ হয়। ওবেন নাৰ্জিয়ে লিখা— 'বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি' শীৰ্ষক গ্ৰন্থত আছে—'খেৰাই পূজাৰ দেৱ-দেৱীক আহ্বান আৰু স্তুতি কৰা মন্ত্ৰৰ বাহিৰে দেওধনীৰ নৃত্যৰ কোনো গীত-পদ নাই। কিন্তু প্ৰত্যেক দেৱ-দেৱীক সন্তুষ্ট কৰিবলৈ আয়োজন কৰা নৃত্যৰ বাবে দেৱ-দেৱীৰ মাহাত্ম্য ভেদে বাঁহীৰ ভিন ভিন সুৰ আছে। বাঁহীৰ সুৰৰ লগে লগে খামৰ বজোৱা

তাল আছে। তালৰ ছেৱে ছেৱে দেওধনীয়ে নৃত্য কৰে। বাধৌ দেৱীৰ সন্মুখত দেওধনীয়ে উত্তৰ মুখ হৈ গমাৰি কাঠৰ পীৰাত বহে। ওজাই তেওঁৰ পিছত আঁঠু লৈ বহে। বাধৌ মহাৰজালে সেৱা জনাই দেৱ-দেৱীৰ আহ্বান কৰা মন্ত্ৰ মাতে। মন্ত্ৰ মতা শেষ হোৱাত দেওধনীৰ গা জিকাৰ খাই উঠাত মন্ত্ৰোচ্চাৰণ বন্ধ কৰে। দেওধনীয়ে জকি উঠি পিছত জগতমাতা আই কামাখ্যা হৈ বড়ো-কছাৰী জাতিক সাৱধানবাণী শুনায়। তাৰ পিছত বাধৌ মহাৰজা দেওধনীৰ গাত লগে। তেতিয়াহে সাৱধানবাণী শুনাই দেওধনীয়ে লাহে লাহে নৃত্য কৰে। সেইবাৰে নৃত্যত যোগদান কৰে। তাৰ পিছত দেওধনীয়ে 'লায়জাম বনায়' অৰ্থাৎ দেৱ-দেৱীসকলক আসন দিয়া, গাত পানি দিয়াবোৰ হৈছে নে নাই তাক চাই নৃত্য কৰি দেখুৱাই দিয়ে।

দেওধনী নৃত্যৰ দৰে গ্ৰীচৰ অলিম্পিয়াচত এসময়ত নৃত্যকাৰীয়ে ভৱিষ্যৎবাণী কৰিছিল। দেওধনী বা দেওধা নৃত্য হস্ত মুদ্ৰাহীন। ই উদ্দাম গতিৰ প্ৰচণ্ড তাণ্ডৱপ্ৰধান নৃত্য। ডঃ পৰমানন্দ ৰাজবংশীয়ে লিখিছে : 'দেওধা বা দেওধনী আৰ্য ভিন্ন প্ৰজাতিৰ বিশেষকৈ মংগোলীয় প্ৰজাতিৰ দান। অসমৰ তীৰৱত বসী জনগোষ্ঠীৰ মাজত দেওধা বা দেওধনীৰ প্ৰসংগ অদ্যাপি গুৰুত্বপূৰ্ণ।' ড° নবীনচন্দ্ৰ শৰ্মাই লিখিছে : 'দেওধনী অনুষ্ঠানৰ লগত দেৱদাসী আৰু খেৰাই নৃত্যৰ আদৰ্শগত আৰু ৰূপগত সাদৃশ্য নথকা নহয়। দেওধনী অনুষ্ঠান আৰ্যেতৰ গোষ্ঠীৰ পৰা গ্ৰহণ কৰি তাক সংস্কৃতকৰণ কৰি লোৱা হৈছে। সুকন্নানী ওজাপালিৰ লগত দেওধনীৰ অবিচ্ছেদ্য সম্পৰ্ক নাই; পিছতহে সম্পৰ্ক স্থাপন কৰা হৈছে।' প্ৰসংগক্ৰমে উল্লেখযোগ্য যে দেওধনীৰ দৰে দেৱদাসী নৃত্যৰ লগতে ধৰ্মৰ প্ৰসংগ জড়িত। নৃত্য-গীতৰ জৰিয়তে দেৱদাসীয়ে শিৱ মন্দিৰৰ বিগ্ৰহৰূপী ভগবান শিৱক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰে। ড° প্ৰণতি শৰ্মা গোস্বামীয়ে লিখিছে : 'গৱেষক পণ্ডিতসকলে আলচ কৰি উলিয়াইছে যে এই নৃত্যত (দেৱদাসী নৃত্য) মন্দিৰৰ ওচৰৰ পুখুৰীত স্নান কৰি, পানীৰ দাপোনত নিজৰ প্ৰতিবিম্ব চাই, সু-সজ্জিত কৰি, কেশ বিন্যাসৰ বিভিন্ন প্ৰসাধন সামগ্ৰী ব্যৱহাৰ কৰি নৃত্যকাৰী হৈ মন্দিৰৰ বিগ্ৰহক পূজা কৰা যেন দেখুওৱা হয়। নৃত্যৰ লগত খোল, তাল, শংখ, ঘন্টা বজাই ব্যৱহাৰ কৰা জনা যায়। খোলৰ বাৱটা বাতৰ সহায়ত নৃত্যৰ বিভিন্ন অংশ পৰিবেশন কৰা হয়। দেওধনী আৰু দেৱদাসী নৃত্যৰ সাংস্কৃতিক দিশত গুৰুত্ব অসীম।

মাঘ বিহুৰ উৎসৱ

অগ্নিপূজা

ভোগালী। পুহৰ জাৰ খেদি আহে মাঘ। হাড় কঁপোৱা জাৰৰ দিন জুইৰ কাষৰ উম। আলস্য আৰু আৰামৰ বাবে ইয়াতকৈ ভাল আৰু কি ব্যৱস্থা হ'ব পাৰে। ওপৰৰ কুঁৱলিৰ আচ্ছাদনৰ ৰঙা আঙঠাৰ তাপে চহা জীৱনৰ সকলো কষ্ট যেন নিমিষতে ধুই নিয়ে। আঙঠাত পুৰি খোৱা ধুঁৱলীয়া আলু, কচু আৰু কত কি। যাৰ সোৱাদ পৃথিৱীৰ কোনো আহাৰৰ সৈতে তুলনা নহয়।

মেজি আৰু অগ্নি

লোক-সংস্কৃতিৰ গৱেষক ড° নবীনচন্দ্ৰ শৰ্মাই লিখিছে : 'মাঘ বিহুত ব্যৱহৃত 'মেজি' শব্দ আহিছে সংস্কৃত 'মেধ্য' শব্দৰ পৰা। তেনেদৰে নামনি অসমত প্ৰচলিত ভেলাঘৰ শব্দটো আহিছে সংস্কৃত মেষ গৃহৰ পৰা।' ড° লীলা গগৈৰ মতে 'মাঘ বিহুৰ ভোজৰ জুইথলীৰ জুইকুৰা প্ৰাচীন আৰু থলুৱা প্ৰয়োজনীয়তাৰ পৰিণতি হ'লেও পৰৱৰ্তী কালত বৈদিক ধাৰণা আৰু মন্ত্ৰ সংযোজিত হৈছে।'

মেজিৰ উৎপত্তিক লৈ জনসমাজত এক কাহিনীভিত্তিক লোকবিশ্বাস জড়িত হৈ আছে। 'অসমীয়া লোক-সংস্কৃতিৰ আভাস' গ্ৰন্থত আছে : অতি পুৰণি কালত 'ভেলা' নামৰ এজন বুঢ়া আছিল। বুঢ়াৰ বুঢ়ীৰ বাহিৰে আপোন বুলিবলৈ কোনোৱেই নাছিল। বুঢ়াই গৰখীয়া ল'ৰাক বৰ মৰম কৰিছিল। এদিন বুঢ়া-বুঢ়ী ঘৰৰ ভিতৰতে মৰি থাকিল। গৰখীয়াইঁতে পুৱা বুঢ়া-বুঢ়ীক নাপাই দুৱাৰ কাটি ঘৰৰ ভিতৰলৈ গ'ল। শেষত ঘৰৰ ভিতৰত বুঢ়া-বুঢ়ীৰ সংস্কাৰ কৰিলে আৰু দুয়োৰে আত্মাৰ সদ্‌গতি কামনা কৰি তেওঁলোকে ভোজ খালে। সেয়েহে এই ভোজৰ নাম ভেলা ভোজ। গৰখীয়াইঁতে ভোজ খোৱা ঘৰটোৰ নাম হ'ল ভেলাঘৰ অৰ্থাৎ ভেলা বুঢ়াৰ ঘৰ। মেজি দুটা ভেলা বুঢ়া-বুঢ়ীৰ প্ৰতীক।

মেজিৰ অগ্নিপূজাৰ বৈদিক তাৎপৰ্য

বৰ দোমাহীৰ দিনা নিচেই পুৱাতে ভেলা পুৰি বা মেজিত অগ্নি সংযোগ কৰি মানুহে অগ্নিক সেৱা কৰে। তাৰ আগতে মেজিত অগ্নি সংযোগ কৰাজনে মেজিৰ আগত নৈবেদ্য, ধূপ, বন্তি আদি দি সেৱা জনায়। বাইজে হৰিধ্বনি দিয়ে। মেজিৰ

প্ৰজ্বলিত অগ্নিক উদ্দেশ্যি সেৱা জনাই মন্ত্ৰ উচ্চাৰণ কৰে—'অগ্নিং প্ৰজ্বলিতং বন্দে চাতুৰ্বৰ্ণ-হুতাশনং/সুবৰ্ণ বৰ্ণমমলং জ্যোতি ৰূপং নমস্তুতে। যতীন্দ্ৰ কুমাৰ বৰগোহাঞিয়ে উপৰিউক্ত মন্ত্ৰৰ উদ্ধৃতিৰে লিখিছে ঃ 'অগ্নিত আহুতি দিয়া বিষয়টো অগ্নিপূজা কৰাসকলৰহে। ই আৰ্যমূলীয় আৰু অনাৰ্যমূলীয় বহু জনগোষ্ঠীৰে পুৰণি পৰম্পৰা।' মেজিৰ জুইত লাৰু, পিঠা আদি দি সেৱা কৰে। এয়া আহুতিৰ সমপৰ্যায়ৰ। মেজিৰ অগ্নিপূজাৰ বৈদিক ভিত্তি লোক-সংস্কৃতি বিষয়ৰ লেখক ড° হৰিনাথ শৰ্মা দলৈৰ গ্ৰন্থ 'ভাৰত কোষ'ত আছেঃ 'হিন্দুধৰ্মী লোকসকলৰ উপাসনাৰ প্ৰয়োজনীয় সামগ্ৰী অগ্নিৰ ৰূপ তিনিটা—স্বৰ্গত সূৰ্য, মধ্যত বিদ্যুৎ আৰু পৃথিৱীত সাধাৰণ জুই। বৈদিক দেৱতাসকলৰ ভিতৰত অগ্নি হ'ল এজন প্ৰধান দেৱতা। অগ্নিৰ বন্দনাৰ দ্বাৰা ঋকবেদ আৰম্ভ আৰু সমাপ্ত হোৱা দেখা যায়। ইয়াত পাৱক, ঘৃতপৃষ্ঠ, নীলপৃষ্ঠ, জ্বালাকেশ, হিৰণ্যকেশ, পিংগল, জ্বালাময়, মধুৰজিহ্ব, সপ্তজিহ্ব, ত্ৰিজিহ্ব আদি অগ্নিৰ গুণবাচক নাম পোৱা যায়। অগ্নি দশদিকপালৰ এজন (অগ্নি কোণৰ অধীশ্বৰ)। অগ্নিৰ আৰু বহু নাম আছে—অনল, বহ্নি, বৈশ্বানৰ, হুতাশন আদি। বেদত তিনি বিধ অগ্নিৰ কথা কোৱা হৈছে—গাৰ্হপত্য, আহৱনীয়, দক্ষিণাগ্নি, তাৰ পিছতো আকৌ বাৰটা নামেৰে অগ্নিক আহ্বান কৰা হৈছে। যেনে—সু-সমিদ্ধ, তনুনপাৎ, নৰাশংস, ইল, বৰ্হি, দেৱীদ্বাৰ, নক্ত আৰু উষা, দৈব্য আৰু হোতৃ, ইলা, সৰস্বতী আৰু মহী, ত্বষ্টা, বনস্পতি আৰু স্বাহা। অগ্নি অধ্বৰ্যু, মুখ্য হোতা আৰু পুৰোহিত। ঋত্বিকৰ সকলো কাৰ্য অগ্নিয়ে জানে। অগ্নি হ'ল ধনদাতা, দেৱগণে ইয়াক দূত ৰূপে নিয়োগ কৰে। অগ্নিৰ দহটা কলা আছে—ধূম্ৰা, অৰ্চি, জ্বলিনী, সূক্ষ্মা, জালিনী, বিস্ফুলিংগিনী, সুশ্ৰী, সুৰূপা, কপিলা, হব্যকব্যবহা। অগ্নিৰ জিহ্বা সাতখন—কালী, কৰালী, মনোজবা, সুলোহিত, সুধূম্ৰবৰ্ণা, স্ফুলিংগিনী আৰু বিশ্বৰূপিণী (মহানিৰ্বাণ)। অগ্নিৰ মন্ত্ৰ পৰিধি হ'ল—কৰালী, ধূম্ৰিনী, শ্বেতা, লোহিতা, নীললোহিতা, পদ্মৰাগা, সুবৰ্ণা, (পৰাশৰ)। ধৰ্মগ্ৰন্থ ঋকবেদত থকা 'দ্যোতিমান' শব্দৰ অৰ্থ হ'ল ধন প্ৰদানকাৰী অগ্নি। ঋকবেদত আছে—'হে সু-সমিদ্ধ (নামৰ) অগ্নি, তুমি হবিষ্মান যজমানৰ কাৰণে দেৱতাসকলক ইয়ালৈ লৈ আহা।' গতিকে বৰ্তমান এই তাৎপৰ্যতে আমি অনুধাৱন কৰিবলৈ লৈ ক'ব পাৰোঁ যে শাস্ত্ৰত অগ্নিয়ে আন দেৱতাসকলক যিহেতু আহ্বান কৰে, গতিকে মেজিৰ অগ্নিপূজাৰ দ্বাৰা আন দেৱতাসকলকো সন্তুষ্ট কৰিব পাৰি। অগ্নিক একেজন শাস্ত্ৰত মেধাবী, ৰোগনাশক, অন্নদাতা, যশস্বী, কল্যাণী, অভীষ্টদায়ী, পুষ্টিবৰ্দ্ধক, ধনদাতা, শত্ৰুনাশক, দুৰ্ভিক্ষনাশক, সংকল্পদাতা, পুত্ৰদাতা আদি এনেকুৱা আকাৰ বুলি স্তুতি কৰা হৈছে। আকৌ সূৰ্য বৰ্ষণৰে পৃথিৱীত নিজক লোকৰ হিত কৰে।

আন এটি অৰ্থত ৰাতিৰ অন্ধকাৰ স্বৰূপত অজ্ঞানতা, কলুষতা আদি আঁতৰ কৰাৰ দেৱতা আৰু দিনত দীপ্তিময় সূৰ্যৰ প্ৰকাশময় স্বৰূপত জ্ঞান, ধৃতি প্ৰদানকৰ্তা দেৱতা আৰু দিনত অগ্নিক ধৰিব পাৰোঁ। মেজিৰ অগ্নিপূজাৰ দ্বাৰা এইবোৰ ফল পাব পাৰি।

হৰিশ্চন্দ্ৰ ভট্টাচাৰ্যই লেখিছে ঃ 'শীতৰ পৰা মুক্তি পাবৰ বাবে বৈদিক যুগত মহাব্ৰত নামেৰে এবিধ যজ্ঞ কৰাৰ কথা পোৱা যায়। এই যজ্ঞত অগ্নিৰ কেউপিনে (চৌপাশে) তিৰোতাসকলে ঘূৰি-ফুৰি আনন্দ-উৎসৱ কৰাৰ উল্লেখো আছে। প্ৰাচীন অসমভূমি আৰ্য-অনাৰ্য উভয়ৰে বসতিৰ স্থান বুলি ইতিহাসে কয়। সেইদেখি আৰ্য জাতিৰ ৰীতি-নীতি, চাল-চলনৰ যিবোৰ সজ্জিত আভাস অসমীয়া সমাজত সিঁচৰতি হৈ পৰি আছে, এই অগ্নি সেৱাও সেইবোৰৰ অন্যতম হ'ব পাৰে। পুহ আৰু মাঘৰ সংক্ৰান্তিৰ দিনটো সকলো ঠাইতে হিন্দুমাত্ৰেই কম-বেছি পৰিমাণে পালন কৰে। কিন্তু ভেলাপুঁজি, ভেলাঘৰ, খেৰ আদিৰ লগত কলচোঁচনি বাঁহৰ ওপৰত মেৰিয়ায়ো তৈয়াৰ কৰে। আকৌ ঠাইবিশেষে কাঠৰ দ্বাৰত মেজি তৈয়াৰ কৰা হয়। 'প্ৰবন্ধ প্ৰদীপিকা' নামৰ গ্ৰন্থত আছে ঃ 'কাঠ খৰিৰ দ'ম কৰি অগ্নি সেৱা প্ৰচলনৰ ৰীতি সম্পৰ্কে পদ্ম পুৰাণত এনেদৰে কোৱা আছে যে যিসকল বিপ্ৰ পুহ-মাঘমহীয়া গা ধুই উঠি জাৰত কঁপি থাকে, তেওঁলোকে অগ্নি সেৱনৰ বাবে কাঠ খৰিৰ দ'মত জুই লগায়। তেওঁলোকে ফুৰাব পৰাকৈ যতনাই দিব লাগে, নহ'লে পাপ হয়—অগ্নিং প্ৰজ্বাল্য কাঠৌয়ৈঃ স্নাতানাং পৌষমাঘয়োঃ। শীতত্ৰাণ্ড বিপ্ৰাণেন কৃতো জাত্যবিগ্ৰহঃ। বিপ্ৰগণক অগ্নি সেৱা কৰিবলৈ দিব লাগে মানে এইটো নুবুজায় যে অইনক দিব নালাগে। বিপ্ৰ সেৱাৰ ঠেক গণ্ডীৰ পৰা উলিয়াই আনি কথাবাৰ যুক্তিৰ মাপকাঠিৰে জুখি চালেই স্পষ্ট হৈ পৰে যে আৰ্তজনক সহায় কৰা মানুহ মাত্ৰৰে কৰ্তব্য, তেহেলে সি শীতাৰ্তই হওক বা অইন কিহবাৰ দ্বাৰাই আৰ্ত হওক। একেখন পুৰাণতে এনেদৰেও কোৱা আছে যে পৰৰ অগ্নি সেৱা কৰিব নালাগে—পৰন্যাগ্নি ন সেৱা অৰ্থাৎ অগ্নি সেৱা নিজে কৰিব লাগে। এইদৰে গাঁইগুটীয়াভাৱে কৰা পদ্ধতিটোৱে সমূহীয়াভাৱে সেৱা কৰাত পৰিণত হ'ব পাৰে। এইদৰে ব্যক্তিগত কাৰ্য একোটা সমষ্টিগত কাৰ্য বা অনুষ্ঠানত পৰিণত হোৱাৰ উদাহৰণ অনেক।

মেজিৰ অগ্নি আৰু লোকবিশ্বাস

মাঘ বিহু-মেজিৰ লগত প্ৰজনন কৃত্যৰ প্ৰভাৱ জড়িত হৈ আছে। মাঘ বিহুৰ মেজিৰ পোৰা-খাহ গছৰ গুৰিত দিয়া হয়। এনে কৰিলে গছৰ ফল বেছিকৈ ধৰে বুলি বিশ্বাস প্ৰচলিত আছে। মাঘ বিহুত খাইতে সমূহীয়াভাৱে খবে। পুৰা মেজি জ্বলোৱাৰ

পিছত বাইজে এনেদৰে মাছ ধৰে। মেজিত লাৰু, পিঠাবে আহুতি দিয়াৰ লগতো জনবিশ্বাস জড়িত হৈ আছে। 'অসমৰ উৎসৱ আৰু পূজা' শীৰ্ষক গ্ৰন্থত আছে : 'কৃষিত আহুতিৰ প্ৰয়োজনীয়তা সদায় আছেই। কৃষি উৎপাদন বৃদ্ধিৰ বাবে অগ্নিত কৃষিজাত সামগ্ৰী আহুতি দিয়াটো আদিম যুগৰ পৰা চলি আহিছে।' মেজিৰ জুইত তিল, মাহ কৰাই, চাউল, কুঁহিয়াৰ বসৰ পৰা তৈয়াৰ কৰা গুড়, চেনিৰে প্ৰস্তুত কৰা পিঠা, লাৰু আদিৰ আহুতি দিয়া হয়।

ড° প্ৰশান্ত কুমাৰ গোস্বামী আৰু ড° কল্পনা তালুকদাৰে লিখিছে : 'অগ্নি দেৱতাই যাতে গোটেই বছৰটোত কাৰো ক'তো একো বিঘিনি নকৰে, সেই লোকবিশ্বাসেৰে মাঘ বিহুৰ মেজি দাহন প্ৰথা চলি আহিছে। এই মেজিৰ জুইত ঠাইবিশেষে কিছুমানে খোলা আলু, কাঠ আলু, বন্তা আলু আদি পুৰি খায়। পোৰা আলু নাখালে পিছৰ জনমত গাহৰি হয় বুলি এক লোকবিশ্বাস প্ৰচলিত আছে। মাঘ বিহুৰ লগত অগ্নি বা জুইৰ সম্পৰ্কও অতি ঘনিষ্ঠ। শাস্ত্ৰীয় মতানুবাদত অগ্নিক জাতবেদ বুলি গণ্য কৰা হয়। ইয়াৰ অৰ্থ হ'ল ই সকলো সৃষ্ট বস্তুৰ মাজত থাকি সকলোতে প্ৰকাশিত হয়। সেয়ে হিন্দু ধৰ্মৰ বিভিন্ন ধৰ্মীয় কাম-কাজত অগ্নি বা হোমক পূজা কৰা হয়। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে মাঘ মাহটোক অতি পবিত্ৰ বুলি গণ্য কৰি এই মাহত অনেক পূজা, পাতল, উৎসৱ, যজ্ঞ, হোমাগ্নিৰ ব্যৱস্থা কৰা হয়—য'ত কুণ্ড, হোমৰ অগ্নিক পূজা-সেৱা পবিত্ৰ আহুতিৰে কৰা হয়। গতিকে মাঘ মাহৰ আৰম্ভৰ প্ৰাক্ মুহূৰ্তত মেজিৰ অগ্নিৰ পূজা কৰি মাহটোৰ বাবে অগ্নি সেৱাৰ আৰম্ভ বা সূচনা কৰা হয় বুলিব পাৰি। আকৌ স্বৰ্গত অগ্নিক সূৰ্য ৰূপত প্ৰকাশময় স্বৰূপৰ (উক্ত বৰ্ণনাত উল্লিখিত) প্ৰসংগত ক'ব পাৰি যে পুহ মাহৰ শেষৰ দিনা অগ্নি সেৱাৰ ফলত শীতাৰ্দ্ৰতা আঁতৰাই এই পৃথিৱীখনত উষ্ণ শক্তি প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। কাৰণ মাঘৰ এক তাৰিখৰ পৰা ক্ৰমে সূৰ্যৰ উষ্ণতা বৃদ্ধি পায়।

মেজিৰ লগত বিয়াৰ সম্পৰ্ক

দক্ষিণ কামৰূপৰ ঠাইবিশেষে মাঘ বিহুত নিশা গাভৰু জীয়াৰীসকলে নিজৰ মনোমত দৰা লাভৰ অৰ্থে জালিপুতুলীৰ বিয়া পাতে। দৰাচলতে ইয়াক ছদ্ম বিয়া বুলিব পাৰি। শস্য চপোৱাৰ শেষত আনন্দ-বিনোদনৰ লগতে বিয়াৰ অনুকূল পৰিবেশো আহি পৰে। সেয়েহে গাভৰুসকলে বিয়াৰ আশাৰে নিজৰ প্ৰথম দিনাই ছদ্ম বিয়াৰ আয়োজন কৰে—য'ত ভেলাঘৰৰ আধাপোৰা বাঁহেৰে বজা সজা হয়। আধা পোৰা বাঁহেৰে বজা সাজিলে বিয়া [illegible] বুলি লোকবিশ্বাস প্ৰচলিত আছে। (প্ৰসংগ গ্ৰন্থ : অসমীয়া সংস্কৃতিৰ কণিকা।

অগ্নিপূজাৰ বিশ্বব্যাপ্তি

শেষত মেজিৰ অগ্নিপূজাৰ দৰে সমগ্ৰ বিশ্বতে হোৱা অগ্নিপূজাৰ ওপৰত চমু আলোকপাত কৰা হ'ল। অসমৰ জনজাতিসকলৰ মাজত মাঘ বিহু মেজিৰ অগ্নি সেৱাৰে আয়োজন কৰে। প্ৰবন্ধ প্ৰদীপিকা গ্ৰন্থৰ আধাৰত ক'ব পাৰি যে ভাগৱতী বৈষ্ণৱ ধৰ্মত নাম-কীৰ্তন কৰা, থাপনাৰ সন্মুখত বন্তি জ্বলাই ৰখা হয়। পাৰ্চীবিলাকৰ মাজতো অগ্নি সেৱাৰ প্ৰথা আছে। এওঁলোক জৰথুস্ত্ৰীয় ধৰ্মৰ। এই নৱ-প্ৰচলিত ধৰ্ম মতে অগ্নি হ'ল ভগৱানৰ (অহুৰ মজদা) বাহ্যিক ৰূপ বা দৃশ্য প্ৰতীক আৰু অগ্নিৰ যোগেদি ভগৱানক সেৱা কৰা বুজায়। পাশ্চাত্য সভ্যতাৰ পৰা আহি ভাৰতত ব্যাপক হোৱা স্কাউট আৰু স্কাউটিং নামৰ অনুষ্ঠানবোৰতো অগ্নি সেৱাৰ উদাহৰণ আছে। শিবিৰত অগ্নি সেৱা (ফায়াৰ কেম্প) ইয়াৰ কাৰ্য-তালিকাৰ অন্যতম বিশিষ্ট অংগ। ইয়াৰ খৰিৰ দ'মত জুই লগাই স্কাউটসকলে চৌপাশে ৰং-তামাছা কৰে। স্কাউটিং এটা আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠান—য'ত জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৱে ভাগ লয়। এনে নানা তাৎপৰ্যৰে মেজিৰ অগ্নিপূজা অতি গুৰুত্বপূৰ্ণ।

কামৰূপীয়া ঢুলীয়া

বহুবালি ভৰা অভিনয়, নৃত্য-গীত আদিৰ দ্বাৰা দৰ্শকক বিমল আনন্দ দিয়াৰ লগতে হাস্যৰস যোগোৱা এক জনপ্ৰিয় অনুষ্ঠান হ'ল 'কামৰূপীয়া ঢুলীয়া'। এই অনুষ্ঠানৰ কলা-কুশলীসকলে অভিনয় বচনৰ দ্বাৰা বুদ্ধিদীপ্ত হাস্যৰসো যোগান ধৰে। এই বুদ্ধিদীপ্ত কথাই দৰাচলতে সামাজিক বিকাশত প্ৰভূত অবিহণা যোগায়। কিন্তু অকল অভিনয়ে নহয়, ইয়াত প্ৰদৰ্শিত কুস্তি বা খেল-ধেমালিবোৰে দৰ্শকক কৰি তোলে আশ্চৰ্যান্বিত। ঢোলৰ বাজনা আৰু তালৰ শব্দই অনুষ্ঠানটোক উৎসৱমুখৰ ৰূপ দান কৰে যদিও এক ধৰ্মীয় গাম্ভীৰ্যতাও আনি দিয়ে। কিয়নো অসমৰ মঠ-মন্দিৰসমূহত অতীতত দেৱ-দেৱীৰ পূজা-উপাসনাৰ সময়ত অন্যান্য বাদ্যৰ লগতে মুখ্য বাদ্য ঢোলো ব্যৱহাৰ কৰা হৈছিল। তালো ব্যৱহাৰ হৈছিল। আন অনুষ্ঠানতো এই দুই বিধ বাদ্য ব্যৱহাৰ হৈছিল। কালক্ৰমত এয়া এক সুকীয়া অনুষ্ঠানতে পৰিণত হয়। বৰ্তমান সময়তো মন্দিৰত দেৱতা বন্দনাৰ সময়ত ঢোল-তাল বজোৱা হয়। কামৰূপীয়া ঢুলীয়া অনুষ্ঠানত প্ৰথমৰ পৰা শেষলৈ ঢোলৰ ভূমিকা অপৰিসীম আৰু এই অনুষ্ঠানটোৰ জন্মস্থান বৰ্তমানৰ নলবাৰী, বাগছা, কামৰূপ জিলাক সামৰি আগৰ অবিভক্ত কামৰূপ জিলা কাৰণে ইয়াৰ নাম 'কামৰূপীয়া ঢুলীয়া':

গিয়াছউদ্দিন আমেদে লিখিছে : 'সাধুকথা, ইতিহাস, জনশ্ৰুতি, বাস্তৱ বিনোদন কাহিনী আদিক লোকনাট্যৰ বিষয়-বস্তু হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। অসমৰ লোকনাট্যৰ সাংযুতিক এককবোৰ হ'ল—বান্দ্য, পালা, প্ৰস্তাৱনা, অভিনয়, গীত, নৃত্য, বাদ্য, সংলাপ আদি। এই সকলো বৈশিষ্ট্যৰে বৈচিত্ৰ্যময় কামৰূপীয়া ঢুলীয়াই ধৰ্মীয় আৰু সামাজিক উৎসৱ-পাৰ্বণত মানুহক আনন্দ যোগাই আহিছে। কামৰূপীয়া ঢুলীয়াই প্ৰথমতে ঢোল বজায়। তাৰ পাছত ঢোল আৰু তালৰ ছেৱে ছেৱে নৃত্য কৰি গীত-পদ গায়। ইয়াৰ পাছত ঢুলীয়াসকলে পৌৰাণিক নাইবা সামাজিক নাইবা অৰ্থনৈতিক ঘটনাৱলীৰ ওপৰত নিৰ্ভৰ কৰি নাইজৰ আগত নাট পৰিবেশন কৰে। কামৰূপীয়া ঢুলীয়াসমূহক সাধাৰণতে বিয়া গোৱা ঢুলীয়া, সভা গোৱা ঢুলীয়া আৰু পূজা গোৱা ঢুলীয়া এই তিনি ভাগত ভাগ কৰা হৈছে। সভা গোৱা ঢুলীয়াই সভা, ভটৌলি আদিত ঢুলীয়া অনুষ্ঠান (নৃত্য-গীত, অভিনয়, চাৰ্কাছ আদি) পৰিবেশন কৰে। বিয়া গোৱা ঢুলীয়াই বিয়াত ঢোল, তাল, কালীয়া পৰিবেশন কৰে। পূজা গোৱা

ঢুলীয়াই পূজা-পাৰ্বণত ঢোল, তাল, কালীয়া পৰিবেশন কৰে। এই তিনিওবিধ ঢুলীয়া অনুষ্ঠানতে পাতিঢোল, বৰঢোল বজালেও বৰঢোলৰ প্ৰাধান্য উক্ত তিনিটা অনুষ্ঠানত বেছি। ঢুলীয়া দলত এজন মুখ্য ভাৰবীয়া থকাৰ উপৰি কেইজনমান আন ভাৰবীয়া থাকে।'

কামৰূপীয়া ঢুলীয়া অনুষ্ঠানৰ মুখ্য বাদ্য ঢোল

অসমৰ ঢোল মহাদেৱৰ দান বুলি জনবিশ্বাস প্ৰচলিত আছে। মহাদেৱে প্ৰথমতে তাণ্ডৱ নৃত্য কৰোতে হেনো নৃত্যৰ কোনো তাল নাছিল। তাকে দেখি পাৰ্বতীয়ে কঁকাল ভাঙি নাচি সেই নৃত্য নিয়ন্ত্ৰণ কৰে। সেই তাণ্ডৱৰ 'তা' আৰু লয়লাসৰ 'ল'ৰ পৰা 'তাল' হ'ল। এই নটৰাজ ডাম্বৰুধৰ মহাদেৱে ঢোল আৰু ইয়াক কোবোৱা মাৰিডালবো (তেমেকা) সৃষ্টিকৰ্তা বুলি জনবিশ্বাস প্ৰচলিত আছে। অসমৰ দৰে পৃথিবীৰ নানা ঠাইত নানা ধৰণৰ ঢোলৰ প্ৰচলন আছে। ঢোল হ'ল ঘটযন্ত্ৰীয় বাদ্য। অসমৰ অবিভক্ত কামৰূপ জিলাৰ ঢুলীয়া অনুষ্ঠানত ব্যৱহৃত ঢোলবোৰ পৃথিবীৰ বহু ঠাইত ব্যৱহৃত ঢোলতকৈ ব্যতিক্ৰম। এইবোৰ বিহু ঢোলৰ আকৃতিৰ নিচিনা যদিও যথেষ্ট ডাঙৰ। ইয়াৰ বাজনাও সুকীয়া পদ্ধতিৰ। ধীৰেন ভৰালীয়ে লিখিছে : 'ঢুলীয়া দলত তিনি প্ৰকাৰৰ ঢোলৰ প্ৰচলন আছে—(ক) বৰঢোল বা গুৰিঢোল বা ঘাইঢোল—ইয়াৰ দৈৰ্ঘ্য পাঁচ ফুট, বেৰ পাঁচ ইঞ্চিৰ পৰা ছয় ইঞ্চিৰ ভিতৰত (খ) আগঢোল বা চানী ঢোল বা সৰু ঢোল বা পাতি ঢোল—দৈৰ্ঘ্য তিনি ফুট, বেৰ তিনি ইঞ্চিৰ পৰা পাঁচ ইঞ্চিৰ ভিতৰত (গ) ঢেপা ঢোল—এইবিধ ঢোলত পানী ভৰাই বজোৱা হয়। ইয়াক দৰঙী ঢুলীয়াই ব্যৱহাৰ কৰে।

কামৰূপীয়া ঢুলীয়া অনুষ্ঠানৰ ঐতিহ্য

কামৰূপীয়া ঢুলীয়া অনুষ্ঠান সুপ্ৰাচীন অনুষ্ঠান। নানা গ্ৰন্থত ইয়াৰ উল্লেখ আছে। উপন্যাসসম্ৰাট ৰজনীকান্ত বৰদলৈয়ে 'দন্দুৱা দ্ৰোহ'ত লিখিছে : ৰভাৰৰ লোকে লোকাৰণ্য হ'ল, মাধপুৰীয়া ঢুলীয়াবোৰ আহি উপস্থিত হ'ল। সিহঁতৰ দলটোত চাৰিকুৰি কি এশ মানুহ। ঢোল ৫০টা। সেই অনুসৰি তাল আৰু নানা সৰঞ্জাম। ঢুলীয়াইতে জামা পিন্ধি ঢোল বজাব ধৰিলে। ঢোলৰ হেও যে কত ৰকমৰ তাক বৰ্ণোৱা টান। যেতেকে নিশা গহীন হ'ল তেতেকে হেও গহীন হ'ল। ঢোলৰ হেৱে হেৱে যে কত ৰকমৰ নাচিলে তাকো কই অটাব নোৱাৰি। মুঠতে কামৰূপীয়া ঢুলীয়াৰ ভাও সম্পৰ্কে আজিও ভাটি ক'ব পাৰো যে ঢুলীয়া ভাৱতে চাৰ্কাছ, অভিনয়, ধেমালি, নৃত্য-গীত সমস্তে একাধাৰে বৰ্তমান আছে।' ঐতিহাসিক উপন্যাসত 'দন্দুৱা দ্ৰোহ'ত উল্লেখ থকাৰে চাই কামৰূপীয়া ঢুলীয়া যে প্ৰাচীন তাক ক'ব পাৰি।

কামৰূপীয়া ঢুলীয়া অনুষ্ঠানৰ আংগিক

কামৰূপীয়া ঢুলীয়া অনুষ্ঠানৰ দলবোৰৰ ঢুলীয়াসকল গাঁৱলীয়া সমাজৰ খাটি খোৱা লোক। খেতিয়ক, শ্ৰমজীৱীসকলে দৈনন্দিন কৰ্ম কাঠিন্যৰ মাজৰ পৰা ওলাই বিভিন্ন ঠাইত ঢুলীয়া অনুষ্ঠান পৰিবেশন কৰি আনন্দ-ধেমালি কৰে। অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থ 'বিশ্বকোষ'ৰ অষ্টম খণ্ডত আছে : 'এটা ঢুলীয়া দলত সাধাৰণতে পাঁচজনৰ পৰা ২০ জনৰ ভিতৰত ভাৱৰীয়া থাকে। এই দলক প্ৰশিক্ষণ আৰু নেতৃত্ব দিয়ে একোজন অভিজ্ঞ ওজাই। অনুষ্ঠান পৰিবেশনৰ পূৰ্বে প্ৰতিটো দলে বহুদিন আখৰা কৰে। ঢুলীয়াসকলৰ ধেমেলীয়া অভিনয়ৰ নেতৃত্ব প্ৰদান কৰে প্ৰধান ভাৱৰীয়াই। তেওঁ ভাওনাৰ পৰিচালক আৰু সূত্ৰধাৰৰ ভূমিকা পালন কৰে। ভাৱৰীয়াসকলে লিখিত নাট অবিহনে নাট পৰিবেশন কৰে। সেইবাবে ক'ব পাৰি ঢুলীয়া ভাওনা এক সম্পূৰ্ণৰূপে মৌখিক বা বাচিক পৰিবেশন। মহাকাব্যৰ মৌখিক পৰিবেশন, দীঘলীয়া কাহিনীগীত (বেলাড) পৰিবেশন আৰু সাধুকথাৰ মৌখিক পৰিবেশনৰ সফলতা সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰে তেওঁলোকৰ বাকপটুতা, স্মৃতি আৰু প্ৰত্যুৎপন্নমতিতাৰ ওপৰত। ভাৱৰীয়াসকলে সাধাৰণতে সমাজ জীৱনত ঘটি থকা সমসাময়িক ঘটনাক ব্যংগ, ৰস ভৰা বচন, খুহুটীয়া মাত-কথা তথা অংগি-ভংগিৰে প্ৰদৰ্শন কৰে। ইয়াৰ চৰিত্ৰসমূহো গাঁৱলীয়া জীৱনত অতি চিনাকি চৰিত্ৰ। কেতিয়াবা ৰাজনৈতিক নেতা, বিষয়া, মন্ত্ৰী আদিও ভাৱৰীয়া চৰিত্ৰৰূপে অৱতীৰ্ণ হোৱা দেখা যায়। এনে ধৰণৰ ৰাজনৈতিক নেতাৰ সমাগমে ঢুলীয়া ভাওনাক সামাজিক ব্যংগৰ এক শক্তিশালী মাধ্যমৰূপে উপস্থাপন কৰিব পাৰে। ইয়াৰ দ্বাৰা সমাজ সংস্কাৰো হয়। বাগিয়াল বস্তু ব্যৱহাৰৰ কুফল প্ৰচাৰ কৰা হয় ঢুলীয়া অনুষ্ঠানৰ মাজেৰে। ভাৰতৰ স্বাধীনতা আন্দোলনক শক্তিশালী কৰিবলৈ অসমত এই ঢুলীয়া অনুষ্ঠানৰ জৰিয়তে প্ৰচাৰ কৰা হৈছিল। ইয়াৰ ফলত ব্ৰিটিছ চৰকাৰৰ বোৰত পৰি কাৰাবাসৰ লগতে আন শাস্তিও ঢুলীয়া শিল্পীসকলে ভোগ কৰিব লগা হৈছিল।

কামৰূপীয়া ঢুলীয়াৰ সাজ-সজ্জা

কামৰূপীয়া ঢুলীয়াসকলে নিজৰ গাত কঁকালৰ পৰা তলৰ অংশত বগৰীয়া জামা, গাত চুটি হাতৰ বগা গেঞ্জী, কঁকালত গামোচা, কাণত কেৰু, গলত মণি, মূৰত চাউলৰ গুড়ি ঘঁহে আৰু কপালত বগা ফোঁট লয়। ড° প্ৰফুল্ল দত্ত গোস্বামীয়ে লিখিছে : 'চকুত কজল মানুহে ধুতিখন প্ৰাচীন দৰে কৰি টপ আৰু মোচ কাটিলেও হাতেৰে ভঙ্গি তিৰোতাৰ স্থান পূৰণ কৰিছিল। মাতটোও সামান্য সৰু কৰি উলিয়াইছিল।' বৰ্তমান ঢুলীয়া অনুষ্ঠানত ছোৱালীয়েও ভাগ লয়।

কামৰূপীয়া ঢুলীয়া অনুষ্ঠানৰ কাৰ্যসূচীবোৰ

কামৰূপীয়া ঢুলীয়া অনুষ্ঠানৰ প্ৰথম কাৰ্যসূচী হ'ল গুৰীঢোল বা বৰঢোলৰ দ্বাৰা জাগেনী দিয়া। ইয়াৰ পাছত পাতিঢোল বজোৱা হয়। এই ঢোলবোৰ সাধাৰণতে ঢুলীয়াসকলে নাচি নাচি বজায়। বৰঢোল বা ঘাইঢোল বজোৱা ঢুলীয়াজনক ঘাই ঢুলীয়া বুলি কোৱা হয়। পাতিঢোল বজোৱা ঢুলীয়াজনক পাতি ঢুলীয়া বুলি কোৱা হয়। ঢোল বজাওঁতে ঢুলীয়াসকলে আওৰোৱা দিহাপদৰ কিয়দংশ তলত উল্লেখ কৰা হ'ল ঃ

কামৰূপীয়া ঢুলীয়া অনুষ্ঠানৰ ঘাই ঢুলীয়াৰ পদ ঃ দিহা—'হায় মোৰ দেহী অ'/সকতে সৰু দাদী (ককাইদেউ)/জাখে (জাখৈ) বুই দিছলা (দিছিলা)/হায় মোৰ দেহী অ'/পুবান মাছ মাৰিবাক লাগন//......' পাতিঢোলৰ ঢুলীয়াৰ গীতৰ কিয়দংশ হ'ল ঃ 'ওহে ভাণ্ডুৰা/এনে ক'তো দেখা নাই/গ'লে মুণ্ড মালা/পিন্ধিছে ভাণ্ডুৰাই/ডুম ডুম ডম্বৰু বজায়//.....' ঢোলত উঠোৱা বোলবোৰ হ'ল ঃ 'হো হো গেন্‌টো/হো হো গেন্ টো/গেন্ গে/টো টো গেন/.....' এইদৰে বিভিন্ন গীত গোৱা, বাদ্য বজোৱা আদিক গুৰুঘাত বোলে। গুৰুঘাতৰ পাছত আৰম্ভ হয় লৌকিক অনুষ্ঠানসমূহ।

গুৰুঘাতৰ পাছতে বৰ্ণেনী বা বৈস্নেনী নামৰ এক আকৰ্ষণীয় অনুষ্ঠান পৰিবেশন কৰে। ধীৰেন ভৰালীয়ে লিখিছে ঃ 'বৈস্নেনীবোৰৰ বচনভংগী, কোৱাৰ ৰীতি-নীতি দলভেদে বেলেগ বেলেগ। এই বৈস্নেনীৰ জৰিয়তে ঢুলীয়া দলৰ মূল বস্তু ঢোল আৰু তালৰ জন্ম কথা আৰু সভা পাতনিৰ কথা থূলমূলভাবে দৰ্শকক বুজাবলৈ চেষ্টা কৰে। বৈস্নেনীৰ চৰিত্ৰবোৰৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰা হয়। চৰিত্ৰবোৰ সুন্দৰভাৱে ফুটাই তুলিবলৈ নিজাববীয়া পৰিবেশ গঢ়ি তুলি নানা ধৰণৰ ধেমেলীয়া বচন মাতি দেহৰ অংগি-ভংগি প্ৰদৰ্শন কৰে।' বৈস্নেনীখন কামৰূপীয়া ঢুলীয়া অনুষ্ঠানৰ সাধক মোহন চন্দ্ৰ বৰ্মনৰ সৃষ্টি বুলি শুনা যায়।

কামৰূপীয়া ঢুলীয়া অনুষ্ঠানৰ আশ্চৰ্যজনক খেল

বৈস্নেনীৰ পাছতে কামৰূপীয়া ঢুলীয়াই খোলাত প্ৰদৰ্শন কৰে আশ্চৰ্যজনক খেলবোৰ। এইবোৰ চাৰ্কাছধৰ্মী। এইবোৰক 'খোট দিয়া' বা 'খৰ দিয়া' বা 'কুস্তি' বোলে। এনেবোৰ খোট দিয়া বা খৰ দিয়া বা কুস্তিৰ কিছুমান হ'ল—এজন মানুহৰ কান্ধত দুজন উঠে। সেই দুজনৰ ওপৰত আৰু দুজন উঠে। ওপৰৰ দুজনে এজন সৰু ল'ৰাক বা ছোৱালীক ওপৰতে ধৰে। একেবাৰে তলত থকাজনে নিজে প্ৰচণ্ড গতিত ঘূৰি আটাইকেইজনকে ঘূৰায়। আন এটা হ'ল এজন মানুহৰ কঁকাল আৰু বুকুত উঠি

আন খেলুৱৈয়ে খেল প্ৰদৰ্শন কৰে। এই খোট দিয়া, খৰ দিয়াবোৰক ব্যায়াম বা শৰীৰ-চৰ্চাৰ কৌশল বোলে কিছুমানে। ড° প্ৰবীণ চন্দ্ৰ দাসে এক প্ৰবন্ধত এই সম্পৰ্কে লিখিছে : 'শৰীৰ-চৰ্চাৰ কৌশল প্ৰদৰ্শনো কামৰূপীয়া ঢুলীয়াৰ অন্যতম অনুষ্ঠান। আজিকালি চিত্ত বিনোদনৰ ক্ষেত্ৰত চাৰ্কাছ দলৰ যি ভূমিকা একসময়ত ঢুলীয়া দলবোৰে সেই স্থান লাভ কৰিছিল। একোজন ওস্তা ঢুলীয়াই প্ৰদৰ্শন কৰা আচৰিত শৰীৰ-চৰ্চাৰ কৌশলৰ কাৰণে আজিও জনসমাজত কিংবদন্তি স্বৰূপ হৈ আছে। ঢুলীয়া দলৰ শাৰীৰিক কৌশল প্ৰদৰ্শনত 'খোট দিয়া' বা 'খৰ দিয়া' এটা চমকপ্ৰদ অনুষ্ঠান। 'খোট' বা 'খৰ'ৰ বেলেগ বেলেগ নাম আছে—পোন খৰ, ওলোটা খৰ, আলাগুতে দিয়া খৰ, তমাল মোচৰা খৰ, থিয় খোট, লৰা খোট ইত্যাদি। শাৰীৰিক ঢুলীয়া কলা-কৌশল প্ৰদৰ্শনৰ কাৰণে আজিকালি কোনো কোনো ঠাইত ঢুলীয়া অনুষ্ঠানক 'ঢুলীয়া চাৰ্কাছ' বোলাও দেখা যায়।' তামুলপুৰ অঞ্চলত এনে এটি ঢুলীয়া চাৰ্কাছ দল আছে। ঢুলীয়া দলৰ খেলবোৰৰ ভিতৰত এজন ঢুলীয়াৰ দেহৰ ওপৰত ১০-১২ জন ঢুলীয়াই উঠি শূন্যতে খেল প্ৰদৰ্শন, মূৰত নাৰিকল ৰাখি কোৰাই ভঙা, এডাল লোৰ ভকা দেহাৰে সৰকি যাব দিয়া আদি হ'ল ঢুলীয়া দলৰ আশ্চৰ্যজনক খেল বা কুস্তি। কুস্তি মাতা সময়ত পূৰ্ণগতিত ঢুলীয়াই মাটিত বহি ঢোল বজাই থাকে। এই সময়ত ঢুলীয়াই তলত দিয়া ছেওবোৰ তোলে : 'খিন্‌তেই খিন্‌তেই খিন খিন তেই/খিত্‌তেত খিত্‌তেই খিত/ 'কামৰূপীয়া ঢুলীয়া' শীৰ্ষক গ্ৰন্থত আছে : 'ঢুলীয়া দলৰ খট বা কুস্তিবোৰ প্ৰদৰ্শন কৰোতে ঢোলৰ বাজনাৰ প্ৰয়োজন খুব বেছি। মাটিৰ ওপৰত অন্য কোনো সতৰ্কতামূলক ব্যৱস্থা নোলোৱাকৈ চকুৰ পচাৰতে খুইদাকসকলে কৰা কুস্তি বা চাৰ্কাছবোৰ একমাত্ৰ ঢোলৰ বাজনাৰ বাবে সম্ভৱপৰ হৈ উঠে।'

ঘটনাৰ লগত সংগতি ৰাখি ঢুলীয়াই খলাত পৰিবেশন কৰা একোটা অনুষ্ঠানক চং বোলে। এনে কিছুমান চঙৰ নাম হ'ল—ভোট দিয়া চং, ভোটি দিয়া চং, বৈৰাগী চং, ফলাংগী চং আদি। গিৰীন্দ্ৰ নাৰায়ণ গোস্বামীয়ে লিখিছে : 'ঢুলীয়া লোকনাট্য অনুষ্ঠান অতি প্ৰাচীন। সত্ৰীয়া সংস্কৃতিতকৈও ই পুৰণি। ইয়াৰ চঙে বিভিন্ন ঠাইত হোৱা সভা, উৎসৱ-পাৰ্বণত দৰ্শকক নিৰ্মল আনন্দ দিয়ে। চঙবোৰ গীত-নৃত্য-অভিনয়েৰে কৰাল এক জনপ্ৰিয় অনুষ্ঠান। এইবোৰৰ মাজত দৰ্শকে দেখা যুক্তসংগত বুদ্ধিদীপ্ত হাস্যৰস বুলিব পাৰি, কিয়নো অনুষ্ঠানৰ হাস্যব্যঞ্জক কথাবোৰৰ মাজত থাকে সমাজ সংস্কাৰৰ ইংগিত। তলত এখন চঙৰ বিষয়ে উল্লেখ কৰা হ'ল। এই চংখনৰ নাম হ'ল 'পণ্ডিতৰ চং'।

চৰিত্ৰাৱলী : পণ্ডিত—এজন [illegible] লোক। নিজক [illegible]।

হাতত আৰু চকুত ক্রমে নাৰিকলৰ পাতৰ ঘড়ী আৰু চছমা। প্রথম আৰু দ্বিতীয় ভাৱৰীয়া আৰু বায়নে বৈষ্ণেৱীৰ পোছাক পৰিধান কৰিব। পণ্ডিত, প্রথম ভাৱৰীয়া আৰু দ্বিতীয় ভাৱৰীয়াই খলালে আহিয়ে এটা ঘোষা আৰম্ভ কৰিব—'মুক্তিত নিস্পৃহ যিটো, সেহি ভকতকো নমো/' ৰসময়ী মাগোহো ভকতি/সমস্ত মস্তক মণি, নিজ ভকতৰ বৈশ্য/ভজো হেন দেব যদুপতি//' প্রথম ভাৱৰীয়া—'হৰে কৃষ্ণ, হৰে কৃষ্ণ, জয় জগন্নাথ চলতি (চলাই নিয়া) মাধৱ।' দ্বিতীয় ভাৱৰীয়া—জয় ঝকৰা ভাত। জয় ঝকৰা ভাত। জয় ৰঙা লাউ। উলটি (ওলোটা) মাধৱ'। প্রথম ভাৱৰীয়া (দ্বিতীয় ভাৱৰীয়াক উদ্দেশ্যি)—তুমাৰ এই খাৰ খ (খোৱা) জিভা খানোত একো শুদ্ধকে নাহে নেকিহা? দ্বিতীয় ভাৱৰীয়া—অ হা। খাৰ খাই খাই জিভাখান একেবাৰে ভোটা হৈ গেইছি। (বায়নৰ প্রবেশ) বায়ন—আপনা আহাকতো দেখাত একো একোজন মস্তো ভদ্রলোক যেন হান লাগে হে। বাৰু ককচোন, কুনি ক'ত থাকে? পণ্ডিত—আমি বৈকুণ্ঠত থাকো। এওঁৰ নাম খণ্ড, তেউৰ নাম লণ্ড আৰু মোৰ নাম মাৰ্কো। আমি স্বৰ্গৰ পৰা আইচু। .... বায়ন—আপোনালোককতো বহুত দৰমহা দিবা লাগবো। মৰতোৰ এই খাবা নাপা দেশখনে ইমান দৰমহা দিউ ক'ৰ পৰা। পণ্ডিত—একো ভয় নাই। আমাক ৰজাই পঠৈইছি যেইতা ৰজাই দিবো দৰমহা। মাত্র আপোনালোকে আমাক খাউদাতো দিলেই হ'ব। বায়ন—খাউদা (ভোজন) কি কি দিলে হ'ব? পণ্ডিত—এ আমাৰ খাউদা একেবাৰে কম। আমি নাওফাউ বুলিয়ে ধৰক। প্রথম ভাৱৰীয়া—যিথিনি খাউ (খাওঁ) সেইথিনিও আকৌ আমাৰ হাতত দি পঠ ব্যৱস্থা মতেহে খাউ। বায়ন—তেইতা হ'লে ককচুন ব্যৱস্থাত কি কি লিখা আছে? পণ্ডিত—আমাৰ ব্যৱস্থাত থাকয়ং (থাকিব) প্রতি সাজত চাউল ১৫ বস্তা লাগয়ং। গাখীৰ-চাখীৰ থাকয়ং আৰু দুই বস্তা লাগয়ং। বায়ন—(আচৰিত হৈ) আপোনালোকে নাখায়ো প্রতি সাঁজত পোন্ধৰ বস্তা চাউল লাগে। দ্বিতীয় ভাৱৰীয়া—আমি কিবা নিজে কইচু নেকি। আমাৰ ব্যৱস্থাতে আছে ....' চণ্ডৰ এই কিয়দংশৰ পৰা আনক দেখুৱাই সুবিধা আদায় কৰা (প্রসংগ—আমি কিবা নিজে কইচু নেকি আমাৰ ব্যৱস্থাতে আছে) ছবি ফুটি উঠিছে। আনহাতে, সমাজত পৰম্পৰৰ প্রতি থকা মৰম-চেনেহ, দয়া, দায়বদ্ধতা ফুটি উঠিছে 'চোৰৰ চং' নামৰ চংখনত : সদাগৰ (গাঁওবুঢ়াক উদ্দেশ্যি) : আমি আপোনাৰ ঘৰত থাকবা আইচু। গাঁওবুঢ়া—(আচৰিত হৈ) আমাৰ ঘৰত থাকবা খুজা। থাকবাৰ দেখুন ঘৰ নাইয়েই। (দুখ কৰি) বাহিৰ মানুহ খেদবাও নক। থাকবিদে থাকবি। আনহাতে, কামৰূপীয়া ঢুলীয়া লোককলাই সাহিত্য-সংস্কৃতিৰ ভঁৰালো চহকী কৰিছে, কিয়নো এইবিধ লোককলাত ৰচনীত, নাওখেলৰ গীত আদিও আছে। আকৌ ফকৰা যোজনাও আছে।

কামৰূপীয়া ঢুলীয়া পৰিৱেশন স্থলীৰ বিভিন্ন অংশ

খোলা ঃ কামৰূপীয়া ঢুলীয়াৰ লগত খোলা সম্পৰ্কত লিখা এক প্ৰবন্ধত আছে—ঢুলীয়া ভাওনা পৰিৱেশন কৰা খলাখনৰ চাৰিওপিনে মুক্ত অৱস্থাত কৰা হয় যাতে দৰ্শকে ইয়াৰ চাৰিওপিনে চকি, কাঠ, বেঞ্চ আদি পাৰি বহিব পাৰে। সাধাৰণতে খলা এখনৰ দীঘ-মিটাৰত ২০-২৫ আৰু বহল ১৫-২০ মিটাৰ হ'বা হয়। ঢুলীয়া অনুষ্ঠানৰ এই খোলাখনৰ বিষয়ে এক ৰসাল মন্তব্য পোৱা যায়—'চাৰি খুটিলাই কদলিৰে খুন্টা/তাৰে উপৰে পাৰি দিলাক মাকলাৰে জুন্টা/উপৰে দিলাক চাইনমালা খান/তলে দিছি কৰধানৰ নাউৰা//' কামৰূপীয়া ঢুলীয়াই উৎসৱ-পাৰ্বণত মুকলি ঠাইত কোনো মঞ্চ-সজ্জাৰ ব্যৱস্থা নকৰাকৈ অনুষ্ঠান পৰিৱেশন কৰিছিল যদিও বৰ্তমান মঞ্চতো কৰিবলৈ লৈছে।

পোহৰ ঃ অতীতত নিশা খোলাখন পোহৰাবলৈ বোকা কোমোৰাৰ ভিতৰখন খুলি তাক শুকাই লোৱা হৈছিল। সেই অংশত সৰিয়হৰ তেল ভৰাই তাত সূতাৰ শলিতা দি জ্বলাই পোহৰৰ ব্যৱস্থা কৰা হৈছিল। তাৰ পাছত কাৰবাইড আৰু হেঁচাক লাইটৰ ব্যৱস্থা কৰা হৈছিল। বৰ্তমান বিজুলী বাতিৰ পোহৰৰ ব্যৱস্থা কৰা হৈছে।

মেক আপ ঃ ঢুলীয়াসকলে মুখত পিঠাগুড়ি আৰু আটা-ময়দা লগায়। কপালত লগায় সেন্দূৰৰ তিলক। চুলিত লগায় শুকান মেটেকাৰ শিপা বা কেঁহেৰাজৰ ৰং। মূৰত মাৰে পাগুৰি। মুখাৰ ব্যৱহাৰো কৰে। ডাড়িত মেটেকাৰ শিপা বা ক'লা ৰং লগোৱা মৰাপাট ব্যৱহাৰ কৰে। যিহেতু ই হাস্যৰসাত্মক অনুষ্ঠান সেয়ে দৰ্শকক হঁহুৱাবলৈ ফটা-ছিটা কাপোৰ চকৰ শিল্পীসকলে পৰিধান কৰে। প্ৰয়োজন সাপেক্ষে কলটোচনি, ফটা সাজ-বাচনো ব্যৱহাৰ কৰে শিল্পীসকলে।

ভাষা ঃ কামৰূপীয়া ঢুলীয়া অনুষ্ঠানৰ ভাষা হ'ল অবিভক্ত কামৰূপৰ মানুহৰ মুখৰ কথিত ভাষা।

গ্ৰীণ ৰুম ঃ কামৰূপীয়া ঢুলীয়া অনুষ্ঠান পৰিৱেশনস্থলীৰ পিছপিনে বাঁহ-কাপোৰ এখন আঁৰি তাত শিল্পীসকলে মেকআপ কৰে। তাতে শিল্পীসকলে জিৰণি লৈ খোলাত পৰিবেশিত অনুষ্ঠানত নিজৰ ভূমিকাত অংশগ্ৰহণ কৰে। ইয়াতে অনুষ্ঠানত লগা বস্তুসমূহো জমা কৰা হয়। খোলাত পৰিবেশিত অনুষ্ঠানত শিল্পীসকলে প্ৰয়োজন সাপেক্ষে বস্তুসমূহ (তৰোৱাল, জাপি আদি) নি ব্যৱহাৰ কৰে।

বৰ্তমান ঢুলীয়া দলৰ কিছুমানে আধুনিক ৰূপত মঞ্চত অনুষ্ঠান পৰিৱেশন কৰিবলৈ লৈছে। এওঁলোকে সাজ-সজ্জা, যুক্তি, চং আদিত নতুন আঙিক প্ৰয়োগ কৰি আকৰ্ষণীয় ৰূপত মনোৰঞ্জক শক্তি ভৰাইছে।

কামৰূপীয়া ঢুলীয়া অনুষ্ঠানৰ এজন মহান সাধক হ'ল কৈহাটীৰ মোহন চন্দ্ৰ বৰ্মন। 'মোহন ভাইৰা' নামেৰে খ্যাত মোহন চন্দ্ৰ বৰ্মনে ঢুলীয়া দলত নতুন কলা-কৌশল প্ৰয়োগেৰে কামৰূপীয়া ঢুলীয়া অনুষ্ঠানক অধিক আকৰ্ষণীয় কৰি তোলে। ঢুলীয়া অনুষ্ঠানৰ কাৰণে কৰা জীৱনজোৰা সাধনাৰ কাৰণে মোহন চন্দ্ৰ বৰ্মনক ১৯৮৬ত 'সংগীত নাটক একাডেমী বঁটা' ভাৰত চৰকাৰে প্ৰদান কৰে। কেইটামান বিখ্যাত কামৰূপীয়া ঢুলীয়া দল হ'ল—কৈহাটীৰ ঢুলীয়া দল, বৰ্ণিৰ ঢুলীয়া দল, অগ্নিশালাৰ ঢুলীয়া দল, মাধপুৰীয়া ঢুলীয়া দল, বালিলোচাৰ ঢুলীয়া দল, বৌমাৰীৰ ঢুলীয়া দল। কামৰূপীয়া ঢুলীয়াৰ ওপৰত 'কৈহাটীৰ ঢুলীয়া' নামৰ তথ্যচিত্ৰ আৰু অলপতে 'নীলকণ্ঠ' নামৰ এখন চলচিত্ৰ নিৰ্মাণ হৈছে।

বেণ্ডপাৰ্টি

অসমীয়া বিয়া অনুষ্ঠানত ইয়াৰ বৈদিক কৰ্মসমূহৰ দ'ৰে মাঙ্গলিক বাদ্য বেণ্ডপাৰ্টিৰ প্ৰয়োজন অপৰিহাৰ্য। শৈশৱ বয়সত ডেকা-গাভৰুৰ মাজত বিয়া পাতি দি এখন সুখ-সমৃদ্ধিৰে ভৰা সংসাৰৰ সেন্দূৰীয়া গতিপথত আগবঢ়াত পৰিয়াল-পৰিজন আৰু সমাজৰ লোকে বেণ্ডপাৰ্টিৰ দৰে এক মাঙ্গলিক বাদ্যৰে বিয়াঘৰত এক সু-শ্ৰাব্য, আনন্দময় পৰিৱেশৰ সৃষ্টি কৰি দৰা-কইনাৰ অনুভূতি আৰু চেতনাক জাগ্ৰত কৰি নান্দনিক আনন্দেৰে জীৱন ভৰাই তোলাৰ হেতু উৎসাহ প্ৰদান কৰে। মানুহ এজন মানৱীয় আবেদনযুক্ত, সৃষ্টিশীল হোৱাৰ যি বুনিয়াদ সেয়া সৃষ্টিত বেণ্ডপাৰ্টিৰ দৰে সুৰাশ্ৰয়ী মাঙ্গলিক বাদ্যই হাতিয়াৰ হৈ সুগভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰে।

এনে গভীৰ অৰ্থ নিহিত বাদ্যৰ মাধ্যমৰ সুৰাশ্ৰয়ী পৰিৱেশ্য কলা বেণ্ডপাৰ্টিৰ তাৎপৰ্য আন কেতবোৰ দিশৰ পৰাও গুৰুত্বপূৰ্ণ। এইবিধ পৰিৱেশ্য কলাত লোকনাট্যৰ উপাদান বিদ্যমান। সংগীত, বাদ্য, নৃত্য, অভিনয় লোকনাট্যৰ এই উপাদানবোৰৰ প্ৰথম দুটা বেণ্ডপাৰ্টিত বিদ্যমান। গীতৰ কথাংশযুক্ত সুৰ ধ্বনিক বাঁহী পেঁপাৰ দ্বাৰা সুৰ ৰূপে বজাই গীতটোৰ বাদ্যাংশক তাল, জুনুকা, হৰনেট, ক্লাৰনেট, কৰ্ণেট, ড্ৰাকেট আদিৰ দ্বাৰা বজোৱা পৰিৱেশ্য কলাবিধক বেণ্ডপাৰ্টি বোলে। এই বাদ্যত গীতৰ সুৰৰ প্ৰভাৱ গভীৰ কাৰণে ইয়াক সুৰাশ্ৰয়ী বাদ্য বুলিব পাৰি। দেৱ-দেৱীৰ পূজা অনুষ্ঠানতো মাঙ্গলিক বাদ্য ৰূপত বেণ্ডপাৰ্টি বজোৱা হয়।

বেণ্ডপাৰ্টিৰ অতীত : ড° পৰমানন্দ ৰাজবংশীৰ ভাষাত : 'ঋগবেদৰ পৰা কথা, 'সামবেদ'ৰ পৰা সংগীত, 'যজুৰ্বেদ'ৰ পৰা মুদ্ৰা আৰু 'অথৰ্ববেদ'ৰ পৰা অভিব্যক্তি মানসিক অৱস্থাসমূহ লৈ ভৰত মুনিয়ে নাট্য-শাস্ত্ৰ প্ৰণয়ন কৰাৰ পৰা আমি সহজে ভাৰতবৰ্ষত প্ৰাক্ বৈদিক যুগৰ পৰা পৰিৱেশ্য কলাসমূহৰ অস্তিত্ব সম্পৰ্কে অনুধাৱন কৰিব পাৰো।' পৌৰাণিক যুগত দেৱ-দেৱীৰ বিবাহ উৎসৱ, ৰজা-মহাৰজাৰ বিবাহ উৎসৱত বেণ্ডপাৰ্টিৰ দৰে মাঙ্গলিক বাদ্য বজোৱা হৈছিল। আহোম ৰজা, কোচ ৰজাসকলৰ দিনতো বিবাহ উৎসৱত পৰিৱেশ্য কলা বেণ্ডপাৰ্টিৰ কেতবোৰ বাদ্য বজোৱা হৈছিল।

'বেণ্ডপাৰ্টিৰ উদ্ভাৱক ইংৰাজসকল বুলি জনা যায় যদিও অসমীয়া এই বিধ লোককলা বৰ্তমান মাটিৰ গোন্ধ ধৰা।' অসমীয়া সাহিত্যৰ লেখক [illegible]

প্ৰকৃততে বেণ্ডপাৰ্টিৰ উৎপত্তিৰ লগত অসমৰ অতীতৰ যাত্ৰা দল বা অপেৰা পাৰ্টিৰ ইতিহাস জড়িত হৈ আছে। এই তথ্যৰ সম্ভেদ দি লেখক বাদল চৌধুৰীয়ে তেওঁৰ 'অসমীয়া নাট্য সংস্কৃতিৰ এছোৱা ঃ প্ৰত্যয় আৰু প্ৰতিচ্ছবি' গ্ৰন্থত 'যাত্ৰাভিনয়' শীৰ্ষক নাতিদীৰ্ঘ প্ৰবন্ধত কৈছে ঃ 'বিয়াৰ আগদিনাখন (জোৰণৰ দিনাখন) ৰভাতলীত নিশা গোৱা গীতৰ মজলিছকে 'বৈঠকী' কোৱা হয়। ভাৰতৰ স্বাধীনতা আন্দোলনৰ জুই একুৰা মনত লৈ বংগদেশৰ পৰা মুকুন্দ দাস নামৰ এগৰাকী গায়ক-শিল্পী প্ৰায় ১৯২১ চনত ভাটিৰ ফালেদি নাৱেৰে কামৰূপ অঞ্চললৈ আহিছিল। তেওঁ লগত আনিছিল এটা সৰু গায়কৰ দল। বৰপেটাতে তেওঁলোকে 'বঙালী সংকীৰ্তন' আৰু 'বাউল গীত' গাই ফুৰিছিল। বাউল শব্দৰ উৎপত্তি সংস্কৃত শব্দ 'বাতুল'ৰ পৰা উদ্ভৱ হয় বুলি কোৱা হয়। অৰ্থ হৈছে 'পগলা' বা 'বতাহৰ দ্বাৰা প্ৰভাৱিত হোৱা।' আচলতে বাউল গীত গাই ফুৰা শিল্পীসকলে অস্থিৰ মানসিকতাৰে জীৱন-যাপন কৰি যাযাবৰৰ দৰে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ ভ্ৰমণ কৰি গীত গাই ফুৰে। তেওঁলোকৰ এই গীতৰ প্ৰতি স্বাভাৱিকতে বৰপেটাৰ চহা শিল্পপ্ৰাণ ব্যক্তিসকল বাৰুকৈ আকৰ্ষিত হৈছিল। মুকুন্দ দাসে ডিঙিত বিভিন্ন ফুলৰ মালা আঁৰি লৈ সূত্ৰধাৰ (মূল গায়ক) হৈ বৃত্তাকাৰে বহি সংকীৰ্তন আৰু বাউল গীত গাইছিল। এই দলটোৰে প্ৰভাৱিত হৈ আৰু প্ৰায় হাতত ধৰাধৰিকৈয়ে বৰপেটাত 'বৈঠকী' গাই ফুৰা দাবানল পাৰ্টি এটা সৃষ্টি হৈছিল। জানিব পৰা মতে এই 'দাবানল পাৰ্টিৰ প্ৰথমজন সূত্ৰধাৰ আছিল ফাটাহাটীৰ গেঠু বুঢ়া নামৰ এগৰাকী গায়ক শিল্পী। বৃন্দাবনহাটীৰ এই কাষৰ হাটীখনতে দাবানল পাৰ্টিৰ আখৰা হৈছিল। বিশেষকৈ ইয়াৰ গুৰি ধৰিছিল দামোদৰ পাঠকে। আচলতে অসমৰ নাম কীৰ্তনৰ জৰিয়তে কৰা 'নাম ভাওনা' আৰু ঝুনা গীতৰ আকাৰ আৰু ৰূপৰ লগত ইয়াক তুলনা কৰিব পৰা যায়। বৈঠকীত প্ৰথমতে বঙালী গীতৰ প্ৰচলন বেছি আছিল, বঙালী কীৰ্তনৰ সুৰত এই গীত গাইছিল। পাছলৈ অৱশ্যে লোক সংগীত, জাতীয় গীত আৰু আধুনিক গীতো গাবলৈ ধৰে। আচলতে এয়া প্ৰথমতে বিশিষ্ট লোকৰ বিয়া-সবাহত অনুষ্ঠিত কৰা এটা দস্তুৰ আছিল। এই পৰম্পৰা অসমৰ বিভিন্ন ঠাইত প্ৰচলিত আছিল আৰু লিখিত যাত্ৰাগান কৰাৰ পূৰ্বে বিয়াঘৰ কিছুমানত আজৰি সময়ত বিয়াঘৰীয়া মানুহক মনোৰঞ্জন দিবৰ বাবে হাতে হাতে ধেনু-কাঁড় লৈ অভিনয়সুলভ ভাওনা পাতিছিল। জানিব পৰা মতে, প্ৰায় ১৮৪০ খ্ৰীষ্টাব্দত জখলাবন্ধা সত্ৰৰ গোসাঁই চন্দ্ৰকান্ত অধিকাৰীৰ ঘৰত হেনো হৈছিল। অসমৰ কামৰূপ অঞ্চলতো কন্যা সম্প্ৰদায়ৰ লগত দৰাঘৰীয়া লোকক নাট্যাভিনয় দেখুৱাই আপ্যায়িত কৰা এটা প্ৰথা আছিল। অসমৰ মৰ্যাদাসম্পন্ন ব্যক্তিৰ ঘৰত বিয়া-সবাহ আৰু তিথিসমূহত বৰ

ধেমালি, নাট ধেমালি কৰা প্ৰথা আছিল বুলি জনা যায়। ঠিক সেইদৰে বৰপেটাৰ বিয়াঘৰত যাত্ৰাগান (কিছু আধুনিক থিয়েটাৰসুলভ) প্ৰচলিত আছিল। ১৯২৩ চনত দহাটীৰ স্বৰ্গীয় গিৰীশ চন্দ্ৰ চৌধুৰীৰ ভায়েকৰ বিয়াত এখন উল্লেখযোগ্য নাট্যাভিনয় হৈছিল। সেয়া আছিল 'দেৱলাদেৱীৰ' নাট্যাভিনয়। এনেকৈয়ে বৰপেটাৰ বিশিষ্ট লোকৰ ঘৰৰ চোতালৰ পৰা বাগৰি আহি অপ্ৰত্যাশিতভাৱে বাওনাৰ লগত তাল মিলোৱাৰ নিচিনাকৈ 'যাত্ৰা থিয়েটাৰ' আৰু 'বৈঠকী নিয় মধ্যবিত্তৰ ঘৰৰ বিয়া-সবাহৰ চোতালতো শোভা পাইছিল। কিন্তু এইটো ঠিক যে বৈঠকীৰ গীতবোৰৰ মাজেৰে নিভাঁজ জন-জীৱনৰ প্ৰতিচ্ছবি ফুটি উঠিছিল আৰু সংগীতৰ প্ৰতিও মানুহৰ অনুৰাগ বঢ়াইছিল। ... যাত্ৰা গানৰ আৱহ সংগীত বা কনছাৰ্ট সংগীতত হিন্দুস্তানী সংগীতৰ ৰাগৰ ভিত্তিত জনপ্ৰিয় গীতৰ স্বৰ বজায়। সেয়ে থলুৱা বাদ্য-যন্ত্ৰৰ লগত ইয়াৰ ব্যৱহাৰ দেখা যায় হাৰমনিয়াম, বিকুল, কাৰক্কা, ডাম্বা ঢোল, ক্লেৰিওনেট আদিৰ। বৰপেটা সত্ৰত যাত্ৰাভিনয়ৰ আৱহ সংগীতত বাদ্য ব্যৱহাৰ হয়—খোল, তাল, নাগেৰা (নাগাৰা)। কিন্তু পৰৱৰ্তী কালত হাৰমনিয়াম, তবলা, ঢোলক ব্যৱহাৰ কৰা দেখা যায়। সত্ৰীয়া পৰম্পৰাৰ বাহিৰত থকা যাত্ৰাগানত দেখিবলৈ পোৱা গৈছিল ছোকৰা গীত আৰু নৃত্য। তেনে ছোকৰা গীত বিয়া-সবাহৰ বৈঠকী অনুষ্ঠানত পৰিৱেশিত হৈছিল। তেনে এটি ছোকৰা গীতৰ কিয়দংশ হ'ল—'হুকা চিলিম যোঁৱা/গাজাকুতা পীৱা যতেনে ৰাখিবি দে//শাৰী চেমেজ চোলা//মলিয়া পৰিয়ে/নিকাই আনবি দে/ধেৎতেৰিকা ধেৎতেৰিকা/ধেৎতেৰিকা ধেৎতেৰিকা/' যাত্ৰা দলত কনচাৰ্ট পাৰ্টিৰ যি পৰোভৰ সিয়ে বিয়া-সবাহতো পৰিৱেশিত হৈছিল বুলি শুনা যায়। বিয়া-সবাহত বৈঠকীত গোৱা গীত-মাতৰ অনুষ্ঠান বৰ্তমান সময়তো অসমৰ নগৰসমূহত গা কৰি উঠিব ধৰিছে। সি যি কি নহওক অতীতৰ বৈঠকী, দাবানল পাৰ্টি, কনচাৰ্ট পাৰ্টিৰ দ্বাৰা প্ৰভাবান্বিত হৈ বেণ্ডপাৰ্টি পৰিৱেশ্য কলাবিধ গঢ়ি উঠে। আমাৰ অসমত অভিনয়াচাৰ্য ব্ৰজনাথ শৰ্মাই পোন প্ৰথমে যাত্ৰাপাৰ্টিৰ বাবে বেণ্ডপাৰ্টিৰ বাদ্য নাটকত ব্যৱহাৰ কৰিছিল বুলি কিছুমান পণ্ডিতে কয়। লেখক যাদৱসেন ভেকাই কৈছে ঃ 'পোনপ্ৰথমে অসমত বঙালীসকলে দুৰ্গা পূজাৰ উৎসৱত বেণ্ডপাৰ্টিৰ ব্যৱহাৰ কৰিছিল। অসমৰ আঢ্যৱন্ত লোকসকলেও বিয়া-সবাহ, উৎসৱ আদিত বেণ্ডপাৰ্টি মাতি নিজৰ প্ৰতিপত্তি দেখুৱাইছিল। দুখীয়া মানুহে ঢোলহে ব্যৱহাৰ কৰিছিল। জানিব পৰা মতে ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ পাছৰ পৰাই অসমত নাট্য আন্দোলন হয় আৰু তেতিয়াই বেণ্ডপাৰ্টিৰ প্ৰচলন হয়।' সকলোবোৰ মতৰ চালিজাৰি চাই ক'ব পাৰি বেণ্ডপাৰ্টি পৰিৱেশ্য কলাবিধ নাটকৰ পৰা অহা।

বেণ্ডপাৰ্টিৰ বাদ্যসমূহ ঃ আগৰ অৰ্থাৎ, ১৯৯০ চনলৈ বেণ্ডপাৰ্টিসমূহত বাদ্যৰূপে—হৰনেট, কাৰনেট, বাঁহী, জুনুকা, তাল, সৰু ড্ৰাম, ডাঙৰ ড্ৰাম, কৰ্ণেট আদি বজাইছিল আৰু বৰ্তমান দলবোৰে ড্ৰামচেট, কেচিঅ', বাস্কেট, মণ্ডুৰা, ফ্লেট আদি বজাবলৈ লৈছে।

হৰনেট ঃ হৰনেটবিলাক দীঘলে প্ৰায় ডেৰহাতমান আৰু বহলে এহাততকৈ অলপ কম। পিতল আৰু বৰ্তমান ষ্টিলেৰে সজা এই হৰনেটবিলাকৰ গাটোত কেইবাটাও পেচ আছে। কেইবাটাও ফুটা থাকে। তাত আঙুলি ফুৰাই ইয়াৰ শেষত সৰু অংশ ফু দি মাত উলিওৱা হয়। এই হৰনেটটোত পেচবোৰৰ কাৰণেই সম্ভৱতঃ ইয়াক বজাবলৈ বজাওঁতাজনে ডিঙিটো ফুলাই অত্যধিক বল দি বজাব লাগে। কষ্টকৰ এই কামৰ বাবে আগৰ দিনত বেণ্ডপাৰ্টিৰ এইবিধ বাদ্য বজোৱাৰ কাৰণে দলটোক পাৰ এযোৰ আৰু অন্যান্য খাদ্যৰে সিধা দিব লাগিছিল। হৰনেট নোহোৱাকৈও কিছুমান বেণ্ডপাৰ্টিয়ে বাজনা বজায় যদিও ইয়াক শুনিবলৈ ভাল নালাগে।

ক্লাৰনেট ঃ ক্লাৰনেটবিলাক দুই-আঢ়ৈ হাতমান দীঘল। ইয়াৰ গাৰ বং ক'লা। ফুটা ১৯ টা মান থাকে। ইয়াৰ শেষত মুখেৰে বজোৱা অংশ মাছৰ ফিচাৰ দৰে চেপেটা, আগৰ অংশ পাঁচ ইঞ্চি বৰ্গ জোখৰ ঘূৰণীয়া। ক্লাৰনেট আৰু হৰনেটৰে গানৰ সুৰ তোলা হয়।

বাঁহী ঃ সাংগীতিক সুৰ সৃষ্টি কৰিবলৈ বেণ্ডপাৰ্টিত ব্যৱহৃত বাঁহী সৰু-ডাঙৰ আকৃতিৰ দুই-তিনিটামান থাকে।

তাল ঃ বৰতাল (ভোৰতাল) পাতি তাল আৰু খুঁটি তালত এই তিনি বিধ তালৰ শেষৰবিধ বেণ্ডপাৰ্টিত হাতেৰে বজোৱা হয়। ইয়াৰ উপৰি এডাল বাঁহৰ কাঠিৰ ওপৰত ওলোমাই ৰখা এখন বহল আকৃতিৰ পাতল তালত বাঁহেৰে কোবাই জন্‌জননি শব্দৰে মধুৰ বাদ্য ধ্বনি তোলা হয়।

জুনুকা ঃ বাকলি গুচোৱা নাৰিকলৰ খোলাটোৰ দৰে দেখিবলৈ টিন, চিটলেৰে নিৰ্মিত খোলা এটাৰ ভিতৰত শিলগুটি (সৰু সৰু) ভৰাই তাত (খোলাটোত) এডাল নাল লগাই দি তাত ধৰি এক লয়ত জোকাৰি 'জুনুক', 'জুনুক' শব্দ কৰা হয়। এনে জুনুকা দুটা থাকে বাদকৰ দুয়োখন হাতত।

ড্ৰাম ঃ বেণ্ডপাৰ্টিৰ মুখ্য বাদ্য ড্ৰাম। পিতল, কাঠেৰে তৈয়াৰী ড্ৰামৰ দুই মূৰে জন্তুৰ ছালেৰে মোৱা। ইয়াক কাঠৰ টেমেকাৰে একাৰে কোবাই আনকালে হাতৰ আঙুলিৰে শব্দ কৰি বজোৱা হয়। বেণ্ডপাৰ্টিৰ সৰু-ডাঙৰ আকৃতিৰ দুটা ড্ৰাম থাকে।

আগতে বেণ্ডপাৰ্টিৰ দলবোৰে সাধাৰণ পোছাক পিন্ধি বাদ্যবোৰ বিয়াবৰত

পৰিবেশন কৰিছিল যদিও বৰ্তমান নিজাকৈ সকলো কেইজন বাদ্য শিল্পীৰ বাবে বিশেষ ধৰণে তৈয়াৰ কৰা ইউনিফৰ্ম পৰিধান কৰে। গাঁৱৰ বেণ্ডপাৰ্টিৰ দলবোৰৰ তুলনাত নগৰৰ বেণ্ডপাৰ্টিৰ দলবোৰে অত্যাধুনিক বাদ্য যেনে—কেচিঅ', বাস্কেট আদি নানা বাদ্য পৰিবেশন কৰে।

বেণ্ডপাৰ্টিৰ সাংগীতিক দিশ : সংগীতৰ সপ্ত সুৰ 'সা-ৰে-গা-মা-পা-ধা-নি' আছে। পূৰ্বে ব্ৰহ্মাই শিৱক সংগীত শিকাইছিল। পাছত শিৱই সৰস্বতীক শিকাইছিল, সৰস্বতীয়ে নাৰদক শিকালে। নাৰদে স্বৰ্গৰ গন্ধৰ্ব, অপসৰাসকলক শিকায়। পাছত নাৰদে, ভৰত আদি ঋষিয়ে এই জ্ঞান লাভ কৰি পৃথিৱীত প্ৰচাৰ কৰে। যাহওক পূৰ্বতে দেৱৰ্ষি নাৰদে সপ্তসুৰৰ প্ৰতি লক্ষ্য নাৰাখি নিজৰ বীণত পঞ্চ সুৰতহে ৰাগ গোৱাত ৰাগবোৰ বিকলাঙ্গ হ'ল। তেতিয়া নাৰদে উপায় নাপাই শিৱৰ ওচৰলৈ গৈ পৰামৰ্শ সোধে। শিৱই নাৰদক সপ্ত সুৰ সংগতিপূৰ্ণভাৱে গাবলৈ পৰামৰ্শ দিয়ে। তেতিয়া নাৰদে তেনেকৈ সপ্ত সুৰ মিলাই ৰাগ গোৱাত ই সংগীতপূৰ্ণ হৈ পূৰ্ণাঙ্গ হয়। এই সপ্তসুৰৰ মিলন, সংমিশ্ৰণ আৰু সংগঠন হৈ বৰ্তমানলৈ গীত আৰু বাদ্যৰ ৰূপত প্ৰচলন হৈ আছে। বেণ্ডপাৰ্টিৰ ক্ষেত্ৰতো উক্ত কথাখিনিয়ে প্ৰযোজ্য হয়। সাংগীতিক বা গীতৰ সুৰ নোহোৱাকৈ অকল বাজনাবোৰেৰে এইবিধ পৰিবেশ্য কলাৰ কোনো মনোগ্ৰাহী গুণ নাই। এক কথাত গীতৰ সুৰেহে বেণ্ডপাৰ্টিক সুশ্ৰাব্য কৰি তোলে। সেই কাৰণে বাজনাৰ কলা হ'লেও বেণ্ডপাৰ্টিত থকা সাংগীতিক দিশটোৰ আলোচনা হোৱা উচিত।

দেৱ-দেৱীসকলৰ দ্বাৰা উপৰোক্ত ধৰণে সংগীত সৃষ্টিৰ ক্ষেত্ৰত থকা মতৰ সলনি কিছুমান পণ্ডিতৰ মতে পশু-পক্ষীৰ মাতৰ পৰাহে সংগীতৰ উৎপত্তি হয়। যেনে—(১) ম'ৰা চৰাইৰ মাতৰ পৰা—ষড়জ-সা; (২) 'চাক'ৰ মাতৰ পৰা—ঋষভ-ৰে; (৩) ছাগলীৰ মাতৰ পৰা-গান্ধাৰ-গা; (৪) কাউৰীৰ মাতৰ পৰা-মধ্যম-মা, (৫) কুলিৰ মাতৰ পৰা—পঞ্চম-পা; (৬) ভেকুলীৰ মাতৰ পৰা—ধৈৱত-ধা; (৭) হাতীৰ মাতৰ পৰা—নিষাদ-নি। এই সপ্তসুৰ যি কোনো সংগীতত্তে বৰ্তি থাকে।

ৰাগ : উপৰোক্ত সপ্তসুৰৰ সংমিশ্ৰণ আৰু সংগঠনত সৃষ্টি হয় ৰাগৰ। ৰাগৰ ওপৰত মন্তব্য দি লেখক ৰজনীকান্ত কলবাই কৈছে : "কোনো কোনো সংগীতজ্ঞৰ মতে, 'পৃথিৱীত ৰাগৰ সংখ্যা মুঠ ৩৫০০০ টা। কিন্তু বৰ্তমান যুগত ইয়াৰ প্ৰায় ১৫০-২০০ টাহে ব্যৱহাৰ হয়। ইয়াৰ কাৰণ এই যে সপ্তসুৰৰ যিবিলাক মিলনহে সংমিশ্ৰণ অতিপ্ৰকৃতি মধুৰ, আনন্দদায়ক, সংগীতসুখীয়া আৰু যিবিলাকে মানুহৰ মনত সৌন্দৰ্যবোধ জগাই ৰাগ ৰূপ সৃষ্টি কৰিব পাৰে সেই মিলন বা সংমিশ্ৰণসমূহ আচলতে সংগীত

জগতৰ ৰাগ হিচাপে আগশাৰীত স্থান পাই আহিছে। উত্তৰ ভাৰতৰ বিখ্যাত সংগীতজ্ঞ স্বৰ্গীয় বিষ্ণু নাৰায়ণ ভাটখাণ্ডে তলত দিয়া ধৰণেৰে ৰাগবোৰক দহ ভাগত ভাগ কৰিছে। 'বিলাৱল'—ইয়াৰ ভিতৰত বিলাৱল, বিহাগ, কুকুভ, দেশকাৰ দুৰ্গা ৰাগ ৰাগিণী অন্তৰ্ভুক্ত। তেনেদৰে 'ইমন'ৰ হামিৰ, কেদাৰ, কামোদ, শ্যামা, 'খামাজ'ৰ অন্তৰ্গত ঝিন্‌ঝিত, তিলং, খাম্বাৱতী, তিলক, কামোদ, জয় জয়ন্তী ৰাগ ৰাগিণী, 'ভৈৰব'ৰ অন্তৰ্গত ভৈৰব ছালগড়া, মেঘঞ্জনী, চোৰাষ্ট্ৰী, যোগীয়া, ৰামকেলী আদি ৰাগ ৰাগিণী; 'পূৰবী'ৰ অন্তৰ্গত শ্ৰীজতশ্ৰী, টংকী, পুৰীয়া, ধনশ্ৰী, মালৱী, গৌৰী ৰাগ-ৰাগিণী; 'মাতৱা'ৰ অন্তৰ্গত হিন্দোল, পুৰীয়া, পঞ্চম, পৌৰপঞ্চম ৰাগ-ৰাগিণী কাফিৰ অন্তৰ্গত পিলু, ধনশ্ৰী, ৰাগেশ্ৰী, চুহা, সাৰঙ্গ, ভীম পলশ্ৰী, ৰাগ-ৰাগিণী, 'আশোবাৰ'ৰ অন্তৰ্গত—গান্ধাৰী, জৌনপুৰী, দেশী ৰাগ-ৰাগিণী, 'ভৈৰবীৰ' অন্তৰ্গত, ভূপালী, জণ্ডিলা, মুখাৰী, আশাৱৰী, ধনশ্ৰী, মালকোষ, 'তোড়ী'ৰ অন্তৰ্গত গুৰজাৰী, মুলতানী ৰাগ-ৰাগিণী। শাস্ত্ৰীয় ৰাগ-ৰাগিণীবোৰৰ প্ৰত্যেকৰে নিৰ্দিষ্ট অৰ্থ আছে। আচলতে, শাস্ত্ৰমতে ৰাগ ছটা। যেনে—ভৈৰব, মাল্লৰ, সাৰঙ্গ, হিন্দোল, দীপক, মেঘ। ইয়াৰ প্ৰত্যেকৰে ছটাকৈ মুঠ ৩৬ টা ৰাগিণী আছে। তদুপৰি উপৰাগ আৰু পইত্ৰিছটা উপৰাগিণীক লৈ সৰ্বমুঠ ৮৪ টা ৰাগ-ৰাগিণী পোৱা যায়।'

ৰাগ মালিতা ঃ সাৰপুত, সুহাই, কল্যাণ, ৰামগিৰি, বৰাৰী, ধনশ্ৰী, কাৰুণ্য, বসন্ত, শ্ৰীগান্ধাৰ, মালাৰী, ভাটিয়ালী, অহিৰ, পাহাৰী, চালান আদি ৰাগ মালিতা। ইয়াৰে ভাটিয়ালী ৰাগ মালিতা এটি দিয়া হ'ল—'নানা বিধ পুষ্পে বিকশিত বৃন্দাৱনে/তাতে চন্দ্ৰ ৰশ্মি অতি শোভে বিতোপন/মুৰুলী বজাৱে কানাই কদম ডালে বসি/কদম্বৰ পুষ্প মাথে পৰে খসি খসি। ৰাধিকাৰ সঙ্গে কানাই কৰন্তে ধেমালি/মুৰুলীৰ সুৰে ৰাগ দিলা ভাটিয়ালী।

তাল ঃ সংগীতৰ সুৰত থকা তাল কেইবাবিধ—একতাল, ত্ৰিতাল, ঝাপতাল, চৌতাল, খেমতা আদি। ১৬ মাত্ৰাৰ ত্ৰিতাল হ'ল—'ধা-ধিন-ধিন ধা/ধা-ধিন্-ধিন্-ধা/না-তিন্-তিন্-তা/তেতে-ধিন্-ধিন্-ধা।'

বানা ঃ নাৰদে সপ্তসুৰেৰে বীণাত ৰাগবোৰ সংগতি লগাই গাইছিল কাৰণে বীণাৰ পৰা 'বেনা' আৰু তাৰ পাছত 'বানা'লৈ ৰূপান্তৰিত হয়। শাস্ত্ৰীয় ৰাগবোৰৰ সমন্বয় আৰু প্ৰকাশভংগীক বানা নামে নামকৰণ কৰিব পাৰি।

বেণ্ডপাৰ্টিৰ প্ৰচলনৰ আগতে অসমত ঢুলীয়া বাদনৰ ব্যৱস্থা আছিল। এতিয়াও ইয়াৰ সীমিত ৰূপত পৰিবেশিত হৈ আছে। এই ঢুলীয়া বাদন লোককলাত ঢোল, ভোৰ তাল, কালীয়া বজোৱা হয়। এই বিধ লোক কলাত কামৰূপীয়া ঢুলীয়া

অনুষ্ঠানৰ দৰে কুস্তি, অভিনয় ভাইৱামী আদি থকাৰ সমানি মাথোঁ বাদ্যহে বজায়।

ঢোল ঃ কামৰূপী ঢুলীয়াত ব্যৱহৃত ঢোলতকৈ বিয়াৰ ঢুলীয়া বাদনত ব্যৱহৃত হয়। এই ঢুলীয়া দলত দুটা ঢোল (এটা সৰু, এটা ডাঙৰ আকৃতিৰ) ব্যৱহৃত হয়।

ডোবতাল ঃ বিয়াৰ ঢুলীয়া বাদ্য লোকদলত এযোৰ ডোবতাল ব্যৱহৃত হয়।

কালীয়া ঃ কালি বা কালীয়াটো দীঘলে প্ৰায় এহাত। ইয়াৰ মুখখন বহল; পেঁপাৰ দৰে ইয়াৰ গাত কেইবাটাও ফুটা থাকে। বজাবৰ সময়ত কালীটোৰ ওপৰ ভাগৰ মূৰত এটা সৰু ধুনীয়া পেঁপা খুৱাই লয়। ইয়াত মুখেৰে ফুৱাই ফুটাবোৰত আঙুলি ফুৱাই কালী বজাওঁতে বাদকে আৰম্ভৰ পৰা শেষলৈ কোনো বিৰতি নোহোৱাকৈ বাদনৰ ভিতৰত নিজৰ উশাহ ফুৱাই একেলেথাৰিয়ে বজাই যাব পৰাটো কষ্টকৰ। 'কালী' মঙ্গলদৈৰ এক ঐতিহ্যপূৰ্ণ বাদ্য। ইয়াক বজোৱা মানুহজনক কালীয়া বোলে। কালীক কালীয়াও বোলে। পৰিবেশনত ইয়াৰ করুণ সুৰে নকন্দা কইনা আৰু বিয়া ঘৰত গোট খোৱা লোকসকলক কন্দুৱাই পেলায়। এসময়ত কালীয়াৰ মাত শুনিবলৈ বিয়া ঘৰলৈ নমতা মানুহো যোৱাটোৱে ইয়াৰ জনপ্ৰিয়তাকে সূচায়। এতিয়াও দুই-এঠাইত কালীয়াৰ এনে জনপ্ৰিয়তা লক্ষ্য কৰা যায়। কালীয়া যে বিয়াতহে বজোৱা হয় এনে নহয়। পূৰণি কালত ৰজা কিম্বা ডা-ডাঙৰীয়াসকলে ক'ৰবালৈ যাত্ৰা কৰিব ওলালে কালীয়া বজোৱা হৈছিল। কোঁচ ৰজা বিশ্বসিংহৰ ৰাজ অভিষেকত অন্যান্য বাদ্যৰ লগতে কালীয়াও বজোৱা হৈছিল। ঢুলীয়া বাদন দলত কালীয়া অবিহনে বাদনৰ কোনো মনোগ্ৰাহিতা নাই।

বেণ্ডপাৰ্টি আৰু ঢুলীয়া বাদন বিয়া ঘৰত বিয়াৰ দিনা পুৱতি নিশাৰ পৰা পিছদিনা ৰাতিপুৱালৈ চলে। আহিয়েই বিয়াঘৰত দুয়ো দলে 'আগমন' নামৰ এবিধ বাদ্য বজায়। তাৰ পাছতে মূল বাদন আৰম্ভ কৰে। এই দুয়ো দলৰ প্ৰতি দলৰ বাদ্য বজাওঁতাসকলে একোটা বাদ্য বজায়। পাঁচ মিনিট বা দহ মিনিটৰ অন্তৰে অন্তৰে একোটা জনপ্ৰিয় গীতৰ সুৰত বাদ্য বজাই দল দুটাই বিয়াঘৰীয়া লোকসকলক বাদ্য পৰিবেশন কৰা ঠাইত গোট খুৱাই ৰাখে। পানী তুলিবলৈ যোৱা আয়তীসকলৰ লগত আৰু দৰাৰ বিয়াত দৰাৰ লগত কইনাঘৰলৈ বাদ্য পৰিবেশনৰ বাবে যায়। দৰাঘৰ বা কইনা ঘৰীয়াৰ বিয়াত নিশা দৰা অহাৰ সময়ত বাদ্য পৰিবেশন কৰিবলৈ নতুন লোৱা বন্দবস্ত কৰাৰ সময়তে দলবোৰে গৃহস্থৰ লগতে চুক্তি কৰি লয়। আগতে এনে চুক্তি মুখেৰেই চলিছিল যদিও আজিকালি হ'লে চুক্তি-পত্ৰত লেখা চুক্তি কৰে অধিক দলে। দুপৰীয়া বিয়াঘৰীয়াৰ আচাৰ্য্য কৰাজনে পিত নাতি উলিয়াবলৈ যাওঁতে আৰু সন্ধিয়া দৰা-কইনাৰ মাকে সুৱাগ তুলিবলৈ যাওঁতে লগত যায় দলবোৰে।

বেণ্ডপাৰ্টিৰ আদৰ্শাত্মক দিশ : বেণ্ডপাৰ্টিৰ বাদ্যসমূহৰ সমন্বিত মাতে মানুহৰ মনত এক সৌন্দৰ্য চেতনাৰ জন্ম দিয়ে। মগজুত সূক্ষ্ম ভাব অনুভূতি সৃষ্টিত ইয়াৰ সুমধুৰ বাদ্যসমূহৰ মাতৰ ভূমিকা অন্যতম।

সুশৃংখলিত জীৱন আৰু সুসংঘবদ্ধ উন্নত সমাজ এখন গঢ়াত এনে ভাব, অনুভূতি, চিন্তাৰ প্ৰয়োজন আছে।

বিজ্ঞানসন্মত দিশ : শৰীৰ তন্ত্ৰসমূহৰ ওপৰত তন্তু আৰু মস্তিষ্কত নিয়ন্ত্ৰণ আছে। দেহৰ নানা ৰোগৰ সৈতে এক নিবিড় সম্পৰ্ক আছে তন্তু স্পন্দনৰ। স্পন্দনক বিভিন্ন স্বৰ লহৰে পৃথক পৃথকভাৱে প্ৰভাৱিত কৰে। ধ্বনিৰ এনে প্ৰভাৱে শৰীৰৰ বিভিন্ন প্ৰতিক্ৰিয়াক প্ৰভাৱিত কৰে। আয়ুৰ্বেদ শাস্ত্ৰৰ মতে, দোষ আৰু ধাতুৰ ভাৰসাম্যহীনতাৰ ফলত মানৱ শৰীৰত বিভিন্ন ৰোগৰ সৃষ্টি হয়। এই ৰোগ শৰীৰ আৰু মস্তিষ্কৰ ভাৰসাম্য বজাই ৰাখি নিৰাময় নোহোৱাকৈ ৰাখিব পাৰি। এনে ধ্বণৰ ভাৰসাম্যৰ ওপৰত সংগীতৰ সপ্তসুৰ সা-ৰে-গা-মা-পা-ধা-নি'য়ে গভীৰ প্ৰভাৱ বিস্তাৰ কৰে। ভাৰতীয় শাস্ত্ৰীয় সংগীত বা বাদ্য (অন্যান্য সংগীত বাদ্যত) সম্পূৰ্ণৰূপে মানসিক ধ্যান-ধাৰণাৰ সৈতে সম্পৰ্কিত। মানসিক চিন্তা আৰু হৃদয়ত শান্তিৰ সৃষ্টি কৰা ৰাগে মানুহক মানসিক শুদ্ধতা আৰু একাগ্ৰতাত অৱতীৰ্ণ কৰায়। সপ্তসুৰৰ প্ৰত্যেক সুৰ শৰীৰৰ একো একোটা বিশিষ্ট স্থলৰ পৰা সৃষ্টি হয়। যেনে—ষড়জ ('সা'ৰ) উৎপত্তি স্থল জিভা, কণ্ঠ, তালু, নাসৰন্ধ্ৰ আৰু দাঁত। সপ্তসুৰৰ এনে উৎপত্তিস্থলৰ ৰোগ নিৰাময়ত উক্ত স্বৰসমূহৰ ভূমিকা গুৰুত্বপূৰ্ণ। এজন পণ্ডিতৰ মতে, 'মানুহৰ' শৰীৰৰ সাতোটা ধাতুৰ সমন্বয়ত গঢ়ি উঠা এক বিশিষ্ট ধাতু ভৌতিক ৰচনা। এই ধাতুবোৰ হ'ল—ৰস, ৰক্ত, মাংস, মেদ, অস্থি, মজ্জা, শুক্ৰ তথা বীৰ্য। এই সাত ধাতুৰ ওপৰত প্ৰকৃতিৰ মুখ্য দুটা উপাদান পোহৰ আৰু শব্দই নিয়মিতভাৱে ক্ৰিয়া কৰি থাকে। দাৰ্শনিক হীৰেন বসুৰ ব্যাখ্যা অনুসৰি মানুহৰ শৰীৰত সুস্থ টিচু আৰু পানীৰ লগতে এলবুমেন, ফ্ৰাইব্ৰান সুকাচ, মেক আদি জৈৱ উপাদান থাকে। আনহাতে, কেতবোৰ অজৈৱ পদাৰ্থ চুণ, লো আদি টিচুসমূহ সক্ৰিয় হৈ থাকে। এই জৈৱ উপাদানসমূহ হ'ল দেহৰ মূল চালিকা শক্তি। এই উপাদানসমূহৰ তাৰতম্য বা বিচ্যুতি ঘটিলে আমি অজৈৱ লৱণ সেৱন কৰি কোষসমূহৰ সু-অৱস্থা পুনৰ উদ্ধাৰ কৰো।

সভা মহোৎসৱ

সম্প্ৰীতি, উদাৰতা, বিশালতা আৰু সৌন্দৰ্যবোধৰ উৎসৱ 'সভা মহোৎসৱ'। আধুনিক যুগৰ তথাকথিত কৃত্ৰিমতাৰ পৰা সদায় আঁতৰত অৱস্থান কৰা গঞাৰ সহজ-সৰল আৰু প্ৰাণৱন্ত ৰূপৰ প্ৰকাশ সভা মহোৎসৱ। নামনি অসমৰ গণসংস্কৃতি এই সভা মহোৎসৱ। বেছি সংখ্যক সভা উদ্‌যাপিত হয় নামনি অসমৰ নলবাৰী জিলাত। এই জিলাখনৰ প্ৰায় প্ৰতিখন গাঁৱতে সভা মহোৎসৱ মহা ধুমধামেৰে উদ্‌যাপিত হয়।

'সভা' শব্দৰ অৰ্থ হৈছে সমাজ। একেখন ঠাইতে বা য'ত নানা জাতি, বৰ্ণ, সম্প্ৰদায়, ভাষা-ভাষী লোকৰ সমাগম ঘটে, হৰি নাম কীৰ্তন, পূজা-অৰ্চনা, হোমযজ্ঞৰ আনুষ্ঠানিকতা চলে, য'ত নানা সাংস্কৃতিক, ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত হয়, নানা ব্যৱসায়িক প্ৰতিষ্ঠানেৰে মেলামুখৰ পৰিবেশৰ সৃষ্টি হয় সেয়াই হৈছে সভা মহোৎসৱ।

ধৰ্মীয় উদ্দেশ্যক আগস্থান দি পতা হয় যদিও সভাৰ সম্প্ৰীতি ৰক্ষা কৰি সমাজৰ গাঁথনি দৃঢ়কৰণৰ দিশটো আচলতে গুৰুত্বপূৰ্ণ। আধ্যাত্মিক বা ধৰ্মীয় ভাৱ অৰ্থাৎ পূজা-পাতলৰ জৰিয়তে, ভক্তি আৰু বিশ্বাসৰ জৰিয়তে মানুহৰ মাজত থকা বিশ্বাস, সংহতি প্ৰেম-প্ৰীতি আদি মানৱীয় গুণৰাজি অধিক সজীৱ কৰি তোলাটোৱে সভা পালনৰ মূল লক্ষ্য।

গাঁৱলীয়া ৰাইজৰ মনত সভা মহোৎসৱৰ তাৎপৰ্য অপৰিসীম। সকলোৱে আৰাধ্য দেৱ-দেৱীলৈ বা পূজ্য মহাপুৰুষলৈ পূজা-সেৱা আগবঢ়াই হিয়া উবুৰিয়াই আনন্দ ৰং-ধেমালিৰে সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাৰ ৰাইজক আলোড়নমুখৰ কৰা নানা অনুষ্ঠানৰ বাৰে-বৰণীয়া ৰূপটোৰ বাবেই প্ৰতিখন সভা শেষ হোৱাৰ পাছতে গঞা ৰাইজে অসীম আগ্ৰহেৰে বাট চাই ৰয় পাছৰ বছৰৰ সভাখনলৈ।

সভা মহোৎসৱ ক'ত, কেনেকৈ আৰু কি উদ্দেশ্যত প্ৰথমে উদ্‌যাপিত হৈছিল তাৰ সঠিক ইতিহাস পোৱা নাযায়। মাথোঁ অনুমান কৰিব পাৰি অসমৰ কৃষিজীৱী গঞাই শালি খেতিৰ ভাগৰ পলুৱাবলৈ জিৰণি লোৱা সময়খিনিৰ ভিতৰতে, সমগ্ৰ অঞ্চলটোৰ লোকসকলৰ লগত ৰং-ৰহইচ কৰাৰ উদ্দেশ্যে সভা মহোৎসৱ পালন কৰা হৈছিল। হ'লেও ওপৰত উল্লেখ কৰাৰ দৰে ধৰ্মীয় দিশটোৰ তাৎপৰ্য অপৰিসীম। ভগৱানৰ সেৱা-পূজা-অৰ্চনাৰ অৰ্থে নিৰ্দিষ্ট তিথিত পতাৰ উপৰি মহাপুৰুষ, বিশিষ্ট

ব্যক্তিৰ আৱিৰ্ভাৱ বা তিৰোভাব অথবা জন্ম বা মৃত্যুৰ তিথিত পূজা-সেৱাৰে স্মৃতি চাৰণৰ উদ্দেশ্যে পাতে সভা মহোৎসৱ। সাধাৰণতে সভা মহোৎসৱ পুহ মাহৰ মাজ ভাগৰ পৰা আৰম্ভ হৈ চ'ত মাহৰ শেষৰ দিনলৈ উদ্‌যাপিত হয়। আগতে সভা মহোৎসৱ মাত্ৰ কেইখনমান গাঁৱতহে পতা হৈছিল যদিও সম্প্ৰতি ইয়াৰ সংখ্যা অধিক বৃদ্ধি পাইছে। এই সভা মহোৎসৱ ঠাই-বিশেষে এদিনীয়া, দুদিনীয়া, তিনি দিনীয়া, চাৰি দিনীয়া আৰু পাঁচ দিনীয়াকৈ উদ্‌যাপিত হয়। এই উৎসৱত হিন্দুসকলৰ লগতে মুছলমানসকলেও সমানে অংশগ্ৰহণ কৰে।

সভা মহোৎসৱৰ বৈশিষ্ট্যসমূহ ঃ

সভা মহোৎসৱৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰিবলৈ গ'লেই প্ৰোনতে আলোকপাত কৰিব লাগিব গাঁৱৰ পটভূমি বা প্ৰেক্ষাপটৰ ওপৰত। এই কথা স্বতঃসিদ্ধ যে দেশ এখন যিমানে উন্নতিৰ দিশত অগ্ৰসৰ নহওক লাগিলে সেই সফলতাৰ মূল অংশীদাৰ গাঁওসমূহ। কাৰণ মানুহৰ মৌলিক প্ৰয়োজনৰ প্ৰধান আৰু প্ৰথম প্ৰয়োজন 'অন্ন'ৰ সমগ্ৰ দেশখনৰে চাহিদা পূৰায় গাঁওসমূহত উৎপাদিত খাদ্য সামগ্ৰীয়ে। আকৌ গাঁৱৰ জকাইচুক পৰিবেশতো জন্ম হয় সেই যুগপুৰুষ বা নাৰীৰ যাৰ চকুত থাকে নিজৰ গাঁও বা দেশৰ নহয় সমগ্ৰ বিশ্বকে প্ৰগতিৰ উচ্চ শিখৰত আৰোহণ কৰোৱাৰ সপোন আৰু তাৰ কাৰ্যকৰী প্ৰচেষ্টা। লগতে এইটোও চিৰসত্য যে নানা উন্নয়নমূলক কামৰ স্থলী চহৰাঞ্চলৰ সকলো বাসিন্দা প্ৰত্যক্ষ বা পৰোক্ষভাৱে গাঁৱৰে সন্তান। হয়তো কোনোবাজন নিজে, হয়তো গাঁৱৰ পৰা নিজৰ প্ৰয়োজন পূৰণৰ সুবিধাৰ হেতু চহৰলৈ আহিছে। কাৰোবাৰ দেউতাক হয়তো গাঁৱৰ বাসিন্দা আছিল, কাৰোবাৰ আকৌ ককাক-আইতাক বা আজো-ককাক, আজো-আইতাক গাঁৱৰ লোক যিয়ে উপৰোক্ত ধৰণে একে উদ্দেশ্য পূৰণৰ হেতু আহি চহৰত থিতাপি লৈছে।

গাঁৱৰ পৰিবেশত মানুহে এনেদৰে বাস কৰে যেন সকলো লোক একেটা পৰিয়ালৰে সদস্য। ইজনে সিজনৰ যেনেকৈ সুখৰ দিনৰ লগৰী তেনেদৰে দুখৰ দিনতো সমভাগী। ইজনে সিজনৰ বিপদৰ সময়ত শত্ৰুতা বা অহংভাব পৰিত্যাগ কৰি সেই ব্যক্তিজনক বিপদৰ সময়ত উদ্ধাৰৰ চেষ্টা কৰে। বিপদৰ সময়ত গাঁৱৰ এমূৰত এজনে এটা চিং মাৰিলেই গাঁৱৰ সকলো মানুহ তৎকালীনভাৱে গৈ সেই ব্যক্তিজনৰ ঘৰত উপস্থিত হয়। ঐক্য-সম্প্ৰীতিৰ ক্ষেত্ৰত এক সুন্দৰ দৃশ্য পৰিস্ফুট হয় যেতিয়া কাৰ্যত। গাঁৱৰ কোনো দুখীয়া বা অভাৱগ্ৰস্ত যেতিয়াকৈ খেতি আৰম্ভ কৰিব নোৱাৰিলে গাঁৱৰ মানুহ লগ লাগি শাৰীৰিক পৰিশ্ৰমেৰে খেতি পথাৰৰ নানা

কামত সহায় কৰি দিয়ে। গাঁৱৰ বাইজে সমূহীয়াভাৱে খেতি-পথাৰত ধান দাই দিয়া বা 'সাহুৰি দিয়া' বোলে। গৃহস্থই বাইজৰ সেই সহায়-সহযোগৰ কৃতজ্ঞতাৰ চিনস্বৰূপে বাইজক এসাঁজ ভাত খুৱাই সন্তুষ্টি লভে।

গাঁৱলীয়া বাইজৰ এই পাৰস্পৰিক সহায়-সহযোগিতা, সহমৰ্মিতাৰে এক ৰূপ হ'ল সভা মহোৎসৱৰ ব্যৱস্থা। নানা ঠাইত উদ্‌যাপিত এই সভা মহোৎসৱৰ বয়স শতাধিক বৰ্ষৰ সীমা চুইছেগৈ।

সভা মহোৎসৱৰ বিৱৰণ : সভা মহোৎসৱ উদ্‌যাপনৰ হেতু প্ৰতি বছৰে গাঁৱৰ ৰাজহুৱা স্থান বা অনুষ্ঠানত বাইজৰ সভা বহে। সভা-মহোৎসৱ গাঁও উন্নয়ন কমিটি বা পৰিচালনা সমিতিৰ দ্বাৰা উদ্‌যাপিত হয়। দ্বিতীয়টো পদ্ধতিত উদ্‌যাপিত হ'লে সেই সভাতে সভা পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলক মনোনীত কৰে। তাৰ পাছতে সভাৰ বাবে তোলা গাঁৱৰ লোকসকলৰ বাধ্যতামূলক বৰঙণি নিৰ্ধাৰিত হয়। সাধাৰণতে প্ৰতিখন সভাতে নিৰ্ধাৰিত ধনৰ উপৰি বাঁহ আৰু চাউল প্ৰতিঘৰৰ পৰা তোলা হয়। সকলোৰে পৰা পোৱা নিৰ্ধাৰিত ধনেৰে সভাৰ ধৰ্মীয় বা নানা অনুষ্ঠান যেনে ওজাপালি, অপেৰা পাৰ্টি আদিৰ মাননিৰ ধন দিয়া হয়। বাঁহেৰে অস্থায়ী মন্দিৰৰ কাম, মঞ্চ আৰু ৰভাৰ কাম কৰা হয়। চাউলেৰে আমন্ত্ৰিত অতিথিসকলক সিধা দিয়াৰ উপৰি ঢুলীয়া, ওজাপালি, অপেৰা পাৰ্টিৰ শিল্পীসকলৰ খোৱাৰ ব্যৱস্থা কৰা হয়। সভাৰ ৰন্ধা-বঢ়া কাৰ্যৰ বাবে প্ৰয়োজনীয় খৰিৰ অভাৱ গাঁৱৰ ৰাজহুৱা স্থানত থকা গছৰ ডাল বা গছ কাটি তাৰ খৰিৰে পূৰোৱা হয়। সেই সভাতে গাঁৱৰ কোন ঠাইৰ গছ কাটিব তাক থিৰাং কৰে। সেই সভাতে সভা মহোৎসৱত গধূৰ লোকৰ যিসকলে দান-বৰঙণি, যেনে ঢুলীয়া, অপেৰা পাৰ্টি, পুতলা নাচ, ওজাপালি, নাগাৰা নাম আদিৰ মাননি আৰু আনুষঙ্গিক খৰচ, হোমৰ ঘিউ আদি দিব বিচাৰে তাক উল্লেখ কৰে।

গাঁও উন্নয়ন সমিতি বা সভা মহোৎসৱ পৰিচালনা সমিতিয়ে গাঁৱৰ প্ৰতিটো চুবুৰিৰ যুৱকসকলক বাঁহ আৰু নিৰ্ধাৰিত ধন তোলাৰ ভাৰ দিয়ে। সভাৰ মঞ্চত হোৱা অনুষ্ঠান তাৰ সন্মুখত বহি উপভোগ কৰিবলৈ ৰভাত ধানৰ নৰা পাৰি দিয়া হয়। গাঁৱৰ বাইজে সভাৰ আগতে গৈ পথাৰৰ পৰা সেই নৰা সংগ্ৰহ কৰে।

সভাস্থলীৰ অস্থায়ী মন্দিৰ, মঞ্চ আৰু ৰভাৰ কাম সভাৰ কেইদিনমান আগৰে পৰা গাঁৱৰ বাইজে কৰি সোনা সম্পূৰ্ণ কৰে। কিছুমান ঠাইত অৱশ্যে মজিৰ স্থায়ী মঞ্চও থাকে।

সভাৰ আগনিশা 'গন্ধ' খুলি কোৱা হয়। কিছু অঞ্চলত ইয়াক 'গোন্ধ' বা 'দল'

বুলিও কয়। সাধাৰণ অৰ্থত 'গোন্ধ' মানে ঘ্ৰাণ। এই 'ঘ্ৰাণ' শব্দৰ অৰ্থবহতাৰে তাৎপৰ্যপূৰ্ণ সভা মহোৎসবৰ 'গন্ধ' পৰ্ব। সভাৰ বিষয়ে ৰাইজক গোন্ধ অৰ্থাৎ জনাবলৈ কৰা নাম-কীৰ্তন, শোভাযাত্ৰা আদি ব্যৱস্থাৰ বাবে সেই দিনটোক সেয়ে গোন্ধ বোলে। আন এক অৰ্থত 'গন্ধ' মানে লবোৱা কাৰ্য। সভাৰ আগদিনা মন্দিৰৰ মণিকূট বিগ্ৰহ বা থাপনা উলিয়াই ৰভাঘৰত স্থাপন কৰা হয় বাবেই সেইদিনাৰ দিনটোক 'গন্ধ' বোলে। আকৌ আন এক অৰ্থত 'গণ' মানে হ'ল সমূহ বা জাক। সভা উপভোগ কৰিবলৈ বিভিন্ন ঠাইৰ পৰা নানা জাতি, ধৰ্ম, বৰ্ণৰ লোকৰ সমাগম আৰু তাতে বাহৰ পাতি থকা বাবেও সেই দিনটোক 'গণ' বোলে।

সভাৰ গন্ধৰদিনা গাঁৱৰ ৰাইজৰ মাজত ৰাতিপুৱাৰে পৰা উৎসৱৰ বা লাগে। প্ৰতি ঘৰে ঘৰ-দুৱাৰ চাফ-চিকুণ আৰু লাৰু, পিঠা কৰি আলহী-অতিথিক আপ্যায়ন কৰিবলৈ প্ৰস্তুত হৈ ৰয়।

সন্ধিয়া হোৱাৰ লগে লগে ঢুলীয়াই ঢোলত কোবাই 'গন্ধ'ৰ আনুষ্ঠানিক কাৰ্য আৰম্ভ হোৱাৰ ইংগিত দিয়ে। ৰাইজৰে কিছুমানে মন্দিৰৰ মণিকূটত থকা বিগ্ৰহ বা থাপনাত সেৱা সৎকাৰ কৰি উলিয়াই আনি ঢোল, খোল, তাল শংখ, বৰকাঁহ বজাই নাম-কীৰ্তন কৰি গোটেই গাঁওখন ঘূৰাই পুনৰ আহি ৰভাঘৰত থয়। গাঁৱৰ আন লোকসকলে সভাস্থলীলৈ যাত্ৰা কৰে। আয়তী আৰু গাভৰুসকলে পাঁচ-ছয়জনীৰে একোটা দল হৈ লগত বুটমাহ, উপকৰণৰ ফল, কমলা, কুঁহিয়াৰ, ধূপ-ধূনা তেল আদি লৈ গৈ মন্দিৰত উপস্থিত হয়। বুটমাহ, ফল-মূল, ধূপ-ধূনা আদি পাছদিনাৰ সভাৰ ধৰ্মীয় কাৰ্যৰ বাবে আগবঢ়াই তেল, লগত নিয়া মাটিৰ চাকিত ঢালি সেই বন্তিৰে মন্দিৰৰ চৌদিশে আলোকমণ্ডিত কৰি তোলে। তাৰ পাছত দেৱ-দেৱীৰ বিগ্ৰহ বা পূজ্য ব্যক্তিজনাৰ বিগ্ৰহক সেৱা কৰে। ইফালে মন্দিৰৰ আগত আতচবাজিৰ চমকপ্ৰদ প্ৰদৰ্শন আৰম্ভ হয়। সেয়া শেষ হ'লে ওজাপালি, নাগাৰা নাম, ঢুলীয়া আদি আৰম্ভ হয়। ৰাতি প্ৰায় বাৰমান বজালৈ সেইবোৰ অনুষ্ঠান চলে। বাৰ বজাৰ পাছৰ পৰা গাঁৱৰ উৎসাহী যুৱক-যুৱতীৰ দ্বাৰা পৰিচালিত নাট্যাভিনয়, বিচিত্ৰানুষ্ঠান আদি আৰম্ভ হয়। ঠাই বিশেষে অপেৰা পাৰ্টিৰ নাটো মঞ্চস্থ হয়। ৰাতিপুৱাহে সেই অনুষ্ঠানৰ অন্ত পৰে।

পাছদিনা মূল বা প্ৰথম সভা। সেইদিনা ভগৱানৰ বিগ্ৰহক বা পূজ্য ব্যক্তিৰ বিগ্ৰহক পুৰোহিতে পূজা কৰি হোমযজ্ঞ কৰে। ভক্তপ্ৰাণ ৰাইজে সেই স্থানৰ আগত আঁঠু লৈ প্ৰণাম কৰে। পুৰোহিত বা তেওঁৰ সহায়কাৰীয়ে নিৰ্মালিৰূপে পূজা কৰা ফুল আৰু হোমৰ ছাইৰ ফোঁট দিয়ে। ধৰ্মীয় কাৰ্য চলি থকাৰ মাজতে নানা মাংগলিক

অনুষ্ঠান যেনে—ওজাপালি, ঢুলীয়া, নাগাৰা নাম আদি চলি থাকে। এইবোৰ অনুষ্ঠান উপভোগ কৰিবলৈ নানা ঠাইৰ পৰা নানা জাতি, ধৰ্ম, বৰ্ণ, ভাষা-ভাষী লোকৰ সমাগম ঘটে। সকলোৱে অনুষ্ঠান উপভোগৰ মাজতে ইজনে সিজনৰ সুখ-দুখৰ বাতৰি লয়। ৰাতি আগৰদিনৰ দৰে গাঁৱৰ নাট প্ৰদৰ্শন বা অপেৰা পাৰ্টিৰ নাট প্ৰদৰ্শন হয়।

দ্বিতীয় দিনাৰ সভাক দ্বিতীয় সভা, তৃতীয় দিনাৰ সভাক ভৰ সভা, চতুৰ্থ দিনৰ সভাক চেৰা সভা আৰু পঞ্চম দিনৰ সভাক ভঙা সভা কয়। এই আঠাইকেইদিনতে বিগ্ৰহক গা ধুওৱাৰ লগতে পূজা-অৰ্চনা কৰা হয়। আঠাইকেইদিনতে নাম-কীৰ্তন, ঢুলীয়া, ওজাপালি যাত্ৰাভিনয় আদি হয়। শেষৰ দিনা আইসকল আৰু ভকতসকল একগোট হৈ নাম-প্ৰসঙ্গৰে সভা উৎসৱৰ সামৰণি মাৰে। সেইদিনাই সজ্জিয়া ভক্তগণে বিগ্ৰহ বা থাপনা নি মণিকূটৰ বেদীত প্ৰতিষ্ঠা কৰে।

সভা উৎসৱৰ সভাস্থলীত এক বাণিজ্যিক কেন্দ্ৰ গঢ়ি উঠে। অসম ৰাজ্য বা ভাৰতবৰ্ষৰে নহয় আন নানা দেশ বিশেষকৈ কাষৰীয়া দেশৰ পৰা ব্যৱসায়ীসকলৰ ইয়ালৈ আগমন ঘটে। নানা ধৰণৰ দোকানেৰে এক মেলামুখৰ পৰিবেশৰ সৃষ্টি হয়। ইয়াত পোৱা বস্তুবোৰ হ'ল নানা ধৰণৰ কাপোৰ, কাঁহ-পিতল আৰু টীনৰ সাজ-বাচন, লোহাৰ অস্ত্ৰ, মিঠাই, প্ৰসাধন আৰু নানা আ-অলংকাৰ, জাত্ৰাং, লা নানা ফলমূল আদি।

সভা মহোৎসৱৰ মিল থকা বিষয়সমূহ ঃ

ঃ খেতি উঠাৰ পাছত উদ্‌যাপন হয়।

ঃ প্ৰতিখন সভাতে ৰাইজৰ পৰা নিৰ্ধাৰিত ধন, বাঁহ আৰু চাউল তোলা হয়।

ঃ ৰাইজে স্বতঃস্ফূৰ্তভাৱে যোগদান কৰে।

ঃ গাঁৱলীয়া বস্তু সামগ্ৰীৰে, যেনে বাঁহ, খেৰ, ধানৰ নৰা আদিৰে সভা মহোৎসৱৰ নানা অনুষ্ঠানৰ কাৰ্য সম্পাদিত হয়।

ঃ প্ৰতিখন সভাতে ইতিহাসৰ অনাদি কালৰ পৰা ঢুলীয়াৰ অনুষ্ঠান প্ৰদৰ্শন আৰু অপেৰা পাৰ্টিৰ দ্বাৰা নাট মঞ্চস্থ হয়।

ঃ মেলামুখৰ পৰিবেশ আৰু ব্যৱসায়ৰ অৰ্থাৎ দোকান-পোহাৰৰ অধিক পয়োজন হয়। আন উৎসৱৰ তুলনাত এয়া ব্যতিক্ৰম।

ঃ সকলোৰে হৃদয়ৰ উদাৰতা বা বিশালতাৰ ভেটিত গঢ়ি উঠে সম্প্ৰীতিৰ সোণোৱালী ঘৰ। সেই ঘৰৰে হৈ পৰে সকলো বাসিন্দা।

ঃ সভাবোৰৰ উৎপত্তিৰ সৈতে গাঁওবোৰৰ নাম বা প্ৰাচীনত্ব জড়িত হৈ থাকে।

নামনি অসমৰ সত্ৰ

গন্ধিয়াৰ শ্ৰীশ্ৰী কান্দেনী আইৰ মন্দিৰৰ সভা মহোৎসৱ

ৰসায়নবিজ্ঞানৰ যুগজয়ী আবিষ্কাৰেৰে চমক লগোৱা আমেৰিকাস্থ বিজ্ঞানী ড° প্ৰমোদলাল শৰ্মাৰ জন্মস্থান এই গন্ধিয়া গাঁও। আনহাতে জ্যোতিষ-চৰ্চাৰো প্ৰাণকেন্দ্ৰ এই গন্ধিয়া গাঁও। আদিতে ইয়াৰে বিখ্যাত জ্যোতিষী আছিল প্ৰয়াত আদ্যনাথ ভট্টাচাৰ্য আৰু তেওঁৰ পুত্ৰ পুৰুষোত্তম ভট্টাচাৰ্য। এই গাঁৱৰে বৰ্তমান সময়ৰ এজন বিশিষ্ট জ্যোতিষী হ'ল ৰবীন্দ্ৰনাথ শৰ্মা। নিজৰ জ্যোতিষ শাস্ত্ৰৰ অগাধ পাণ্ডিত্যৰ বাবে আন্তৰ্জাতিকভাৱে ডক্টৰেট ডিগ্ৰী পোৱাৰ উপৰি আন বিষয়তো সফল জ্যোতিষীৰূপে নিজক প্ৰমাণ কৰিবলৈ সক্ষম হোৱা ৰবীন্দ্ৰনাথ শৰ্মা কালপুৰুষ পূৰ্ণাঙ্গ পঞ্জিকাৰ সম্পাদক।

স্বৰ্গীয় কান্দেনী আইৰ সভা মহোৎসৱৰ বিষয়ে আলোচনা কৰিবলৈ ল'লেই গাঁওখনৰ ইতিহাসৰ ওপৰত সংক্ষিপ্ত আলোকপাতৰ প্ৰয়োজন হয়।

এই গাঁওখন আদিতে বেলশৰৰ 'বিল্বেশ্বৰ দেবালয়'ৰ পূজা-অৰ্চনাৰ বাবে প্ৰয়োজন হোৱা ফুলৰ বাগিচা আছিল। সেই বাগিচাৰ ফুলৰ গোন্ধেৰে আমোল-মোলাই থকা বাবেই এই গাঁওখনৰ নাম 'গন্ধিয়া' হয়।

পৌৰাণিক যুগত কাশ্যপ বংশৰ সন্তানসকলে শুক্ৰেশ্বৰ দেবালয়ত বাস কৰিছিল। এই কাশ্যপ বংশৰ মণিভদ্ৰ নামৰ শাস্ত্ৰজ্ঞ, গণিতজ্ঞ পণ্ডিত এজনৰ বংশধৰ হ'ল শ্ৰীধৰ। শ্ৰীধৰো জ্যোতিষ শাস্ত্ৰত অসীম পাৰদৰ্শী আছিল। কোচবিহাৰৰ ৰজা নৰনাৰায়ণে তেওঁক নিৰ্দেশ দিছিল 'শুনিয়ো শ্ৰীধৰ, তুমি মোৰ বাক্য ধৰ। জ্যোতিষক ভাঙ্গি তুমি খণ্ড সাধ্য কৰ।'

এই শ্ৰীধৰ পণ্ডিতৰে পুত্ৰ ভীমসেন ব্ৰাহ্মণক কামৰূপ শাসনাধিপতি নাগাক্ষ ৰজাই বিল্বেশ্বৰ দেবালয়ৰ পূজা-অৰ্চনাদিৰ কাম-কাজ পৰিচালনাৰ বাবে 'তিথিকৰ' আৰু 'বৰদেউৰী'ৰ বাব দি গন্ধিয়াত আবাসভূমি পাতি দিয়ে। গন্ধিয়াৰ সূৰ্য বিপ্ৰসকল এইজন ভীমসেন ব্ৰাহ্মণৰে সতি-সন্ততি বা বংশধৰ।

ভীমসেন বাস কৰিছিল গাঁৱৰ মাজত বৰ্তমানৰ অজাপাৰাৰ পূব দিশত। তেওঁ যি ঠাইত কাম কৰিছিল সেই ঠাইতে বাইজে পৰৱৰ্তী সময়ত আদি পুৰুষজনাৰ স্মৃতি ৰক্ষাৰ্থে স্বৰ্গীয় কান্দেনী আইৰ মন্দিৰ স্থাপন কৰে।

বৈষ্ণৱ ধৰ্মৰে আন এটা ৰূপ চৈতন্য ধৰ্ম। এই ধৰ্মৰ প্ৰচলন কৰে নৱদ্বীপৰ মহাপ্ৰভু চৈতন্যদেৱে। তেওঁ আৰু তেওঁৰ বংশধৰসকলে ভাৰতবৰ্ষৰ নানা ঠাইত সত্ৰ

পাতি ধৰ্ম প্ৰচাৰ কৰাৰ দৰে অসমৰো নানা ঠাইত সত্ৰ পাতি ধৰ্মপ্ৰচাৰ কৰে। এই ধৰ্মপ্ৰচাৰৰ ক্ষেত্ৰত দায়িত্ব লৈ চৈতন্যদেৱৰ প্ৰিয় শিষ্য বীৰচন্দ্ৰ মহাপ্ৰভুৱে ষোড়শ শতিকাত বংগদেশৰ বীৰভূম জিলাৰ পৰা পুত্ৰ চিন্তামণি মহাপ্ৰভুৰ সৈতে আহে। তেওঁ শ্ৰীহট্ট জিলাৰে কামৰূপলৈ আহি অসমত ধৰ্মপ্ৰচাৰ কৰিবলৈ লয়। ১৫৮১ চনত তেওঁৰ পুত্ৰ চিন্তামণি মহাপ্ৰভুৱে পাঁচজন শিষ্য আৰু সহধৰ্মিণীৰ সৈতে আহি কামৰূপৰ বাণী অঞ্চলত সোমাই ধৰ্মপ্ৰচাৰ কৰিবলৈ লয়। তাৰ পাছত তেওঁ সহধৰ্মিণীসহ ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ দিশলৈ আহি বৰ্তমানৰ পশ্চিম নলবাৰীৰ কৰৰা আৰু বৌমাৰীত সত্ৰ প্ৰতিষ্ঠা কৰি ধৰ্ম প্ৰচাৰ কৰিবলৈ লয়।

তেওঁৰ গুণ-গৰিমাত মুগ্ধ হৈ মহাৰাজ ধৰ্মসিংহেই ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ বেলশৰ গাঁৱৰ মূৰত গড়িয়াত তেওঁৰ নামত এটুকুৰা ভূমি দান কৰি সত্ৰ পাতি দিয়ে। তাতে থাকি তেওঁ ধৰ্মপ্ৰচাৰ কৰিবলৈ লয়। কিছুদিন এইদৰে ধৰ্ম প্ৰচাৰ কৰি তেওঁ পত্নী-ধৰ্মেশ্বৰী দেৱীক তাতে অৰ্থাৎ আক্ৰিবাৰী সত্ৰত এৰি পুনৰ নৱদ্বীপলৈ গুচি যায়। তেওঁ আৰু ইয়ালৈ ঘূৰি আহিব নোৱাৰিলে। নৱদ্বীপতে তেওঁৰ মহাপ্ৰয়াণ ঘটে। এই খবৰ পাই তেওঁৰ পতিব্ৰতা পত্নী ধৰ্মেশ্বৰী দেৱীয়ে কান্দি কান্দি প্ৰাণত্যাগ কৰে। কান্দি কান্দি পৰলোক গমন কৰা বাবেই তেওঁৰ আন এটা নাম কান্দেনী আই হয়।

চিন্তামণি মহাপ্ৰভুৰ স্মৃতি ৰক্ষাৰ বাবে আঞ্চলিক ৰাইজে তেওঁৰ স্মৃতিত বেলশৰ গাঁৱৰ মধ্যস্থানত • শ্ৰীশ্ৰীচিন্তামণি মন্দিৰ সাজি তাত হৰিৰ থাপনা পাতি পূজা-অৰ্চনা কৰি আহিছে। চিন্তামণি মহাপ্ৰভুৰ তিৰোভাৱ তিথি মাঘ মাহৰ শুক্লা চতুৰ্থীত তাত প্ৰতি বছৰে সভা পাতি ৰাইজে হৰিগুণ গাই নাম প্ৰসংগ কৰি আহিছে।

তেওঁৰ পত্নী স্বৰ্গীয় ধৰ্মেশ্বৰী বা কান্দেনী আইৰ স্মৃতি ৰক্ষাৰ্থে গড়িয়াৰ ৰাইজে গাঁৱৰ মাজত আদি পুৰুষ ভীমসেন ব্ৰাহ্মণ থকা ঠাইত মন্দিৰ এটা সাজি মণিকূট গৃহত ঐশ্বৰিক মূৰ্তিৰ থাপনা পাতে।

এদিন এই গাঁৱৰে ব্ৰাহ্মণ এজনে সপোন দেখে—গাঁৱৰ দক্ষিণ দিশত থকা ঠাইত দুটা শিলত কটা মূৰ্তি আছে। মূৰ্তিৰে সৈতে শিল দুটা আনি মন্দিৰৰ মণিকূটত প্ৰতিষ্ঠা কৰিব লাগে। পিছদিনা সেই কথা গাঁৱৰ ৰাইজক তেওঁ কোৱাত সকলোৱে গৈ তাত উপস্থিত হয় আৰু সেই ঠাই খান্দি তাত থকা মূৰ্তিৰে সৈতে শিল দুটা উদ্ধাৰ কৰে। এই শিল দুটাৰ এটাত কৃষ্ণ, বলৰাম, সুভদ্ৰা আৰু আনটোত দুৰ্গাৰ মূৰ্তি আছে। আনহাতে আন এটা প্ৰবাদ মতে গড়িয়াৰ বিখ্যাত জ্যোতিষী পণ্ডিতৰ অধ্যাপকে কোনোবা জমিদাৰৰ ঘৰৰ পৰা আনি মূৰ্তিৰে সৈতে শিল দুটা মণিকূটত স্থাপন কৰে।

এই মন্দিৰত নিতৌ পূজা-সেৱা, নাম-প্ৰসঙ্গ হোৱাৰ লগতে কান্দেনী আইৰ মৃত্যু তিথিত মাঘ মাহৰ কৃষ্ণা পঞ্চমীত দুদিনীয়াকৈ সভা মহোৎসৱ উদ্‌যাপন কৰিবলৈ লয়।

এই সভাৰ 'গন্ধ'ৰ দিনা মণিকূট গৃহৰ পৰা থাপনা উলিয়াই নাম কীৰ্তন কৰি সমগ্ৰ গাঁও ঘূৰাই মন্দিৰলৈ আনি ৰভাঘৰত ৰাখে। সেইদিনাই আয়তীসকলে মন্দিৰৰ সকলো ঠাইতে বন্তি জ্বলাই আলোকমণ্ডিত কৰি তোলে। সভাৰ গন্ধৰ দিনা ৰাতি অপেৰা পাৰ্টিৰ দ্বাৰা নাট মঞ্চস্থ হয়।

মূল সভাৰ দিনা হোম পূৰি আইৰ আশিস কামনা কৰা হয়। ওপৰত উল্লেখ কৰাৰ দৰে সেইদিনা নানা অনুষ্ঠান যেনে ঢুলীয়া, ওজাপালি আদি কাৰ্যসূচী থাকে।

এই মন্দিৰত উদ্‌যাপিত আনবোৰ পৰ্ব হ'ল পালনাম, কৃষ্ণৰ জন্মাষ্টমী, ধৰ্মসভা আদি। মন্দিৰৰ মাহাত্ম্য হিছাপে জনবিশ্বাস আছে কোনো কেঁচুৱাই অনবৰতে কান্দি থাকিলে মন্দিৰলৈ আহি আইক সেৱা কৰি নৈবেদ্য আগবঢ়ালে সেই কান্দোন বন্ধ হয়।

মাখিবাহাৰ সভা মহোৎসৱ

ভ্ৰাম্যমাণ থিয়েটাৰৰ সংঘাতপূৰ্ণ মুহূৰ্ততো নিজৰ বলিষ্ঠ নাট প্ৰদৰ্শনেৰে নিজৰ লগতে ভ্ৰাম্যমাণ থিয়েটাৰৰ ক্ষেত্ৰলৈ সুদিন কঢ়িয়াই অনাৰ অংশীদাৰ 'মুকুন্দ থিয়েটাৰ'ৰ স্বত্বাধিকাৰী মাখিবাহাৰ প্ৰয়াত মৃগেন ভট্টাচাৰ্যৰ ঘৰখনেই আখৰাস্থলী। এই গাঁৱৰে প্ৰতি বছৰ উদ্‌যাপিত হোৱা সভা মহোৎসৱে এশ বছৰৰো বেছি সময় সম্পূৰ্ণ কৰিলে। এইখন সভা মহোৎসৱ অসমৰ ভিতৰতে জনাজাত বা বিখ্যাত।

১৩৮৫ খ্ৰীষ্টাব্দৰ পৰা ১৪০০ খ্ৰীষ্টাব্দৰ ভিতৰত এই গাঁওখন চণ্ডীবৰ শিৰোমণি ভূঞাৰ পুত্ৰ গদাধৰগিৰি বৰভূঞাদেৱে প্ৰতিষ্ঠা কৰে। সেই সময়ত এই অঞ্চলত খাগৰী, নানা গছ-গছনিৰে ভৰি আছিল। তাত বহুতো মৌৰ বাহ আছিল বাবে গাঁওখনৰ নাম 'মাখিবাহা' হয়।

মাখিবাহা গাঁওখন নানা জাতি-জনজাতি যেনে ব্ৰাহ্মণ, সূৰ্যবিপ্ৰ, কলিতা, কেওঁট, কোঁচ, শালৈ থলুৱা ধোবা, থলুৱা নাপিত, কৈবৰ্ত, কমাৰ, স্বৰ্ণকাৰ, বড়ো-কছাৰী, মুছলমান সম্প্ৰদায়ে বাস কৰে। সমন্বয়ৰ ক্ষেত্ৰ এই মাখিবাহা শিক্ষা, সাহিত্য, সংস্কৃতিৰে এখন চহকী গাঁও।

এই গাঁৱৰ হৰি মন্দিৰৰ ঐতিহ্যমণ্ডিত সভা মহোৎসৱৰ কথা আলোচনা কৰিবলৈ গ'লে ইয়াৰ ইতিহাসৰ ওপৰত আলোকপাত কৰিব লাগিব।

এই সম্পৰ্কত গাঁৱৰে কৃতী শিক্ষক, সমাজকৰ্মী আৰু গাঁও উন্নয়ন সমিতিৰ প্ৰাক্তন সভাপতি মাননীয় যোগেশ চন্দ্ৰ শৰ্মা আৰু সমাজকৰ্মী সৰ্বেশ্বৰ হাজৰিকাই জনায়—'মাখিবাহা গাঁও প্ৰতিষ্ঠাতা গদাধৰগিৰি ৰৰুৱাপ্ৰদেৱে কমতা ৰজাৰ অধীনত শাসন কাৰ্য চলাইছিল। কোঁচ ৰজা বিশ্বসিংহই ১২৯৮ খ্ৰীঃত বাসুদেৱ নামৰ এজন লোকক বৰভাগ পৰগণাৰ শাসনকৰ্তা পাতে। তেতিয়া এই মাখিবাহা বৰভাগ পৰাগণাৰ অন্তৰ্গত আছিল। আহোম স্বৰ্গদেউ লক্ষ্মী সিংহই ১৭৭০ খ্ৰীষ্টাব্দত ভোগ নাৰায়ণক বৰভাগৰ চৌধুৰী পাতি তাম্ৰপত্ৰ আৰু ধৰ্মোত্তৰ ভূমি দান কৰে। স্বৰ্গদেউ প্ৰমত্ত সিংহই ৰামাচাৰ্য উপাধ্যায়ক ১৬৬১ শকত তাম্ৰৰ ফলি প্ৰদান কৰে। ১৮৩৮ খ্ৰীঃত গৌৰী নাৰায়ণ নামৰৰ পৰগণাৰ চৌধুৰী পদত অধিষ্ঠিত হয়। তেওঁ ভোগনাৰায়ণৰ নাতি আছিল।

এই গৌৰী নাৰায়ণ চৌধুৰীয়ে তেওঁৰ পিতৃৰ মৃত্যু তিথিত ১৮৩৫ খ্ৰীঃৰ পৰা সভা চলাবলৈ লয়। কিছুমানে এই সভা প্ৰচলনৰ আদি সময় ১৮৩৮ বা ১৮৪৮ বুলি ক'ব খোজে। চৌধুৰী পৰিয়ালে বহু বছৰ ধৰি এনিদীয়াকৈ সভা মহোৎসৱ চলাইছিল। পাছলৈ তেওঁলোকে বাস কৰা চৌধুৰীপাৰাবাসীৰ তত্ত্বাৱধানত চলিছিল। কুৰি শতিকাৰ পঞ্চম দশকত উক্ত চৌধুৰীপাৰাবাসীয়ে সভাৰ পৰিচালনাৰ দায়িত্ব মাখিবাহৰ ৰাইজক প্ৰদান কৰে। তেতিয়াৰে পৰা এতিয়ালৈ সভা মহোৎসৱ ৰাইজৰ দ্বাৰাই আগতে পাঁচ দিন আৰু পাছত সাত দিন ধৰি উদ্‌যাপিত হৈ আহিছে।

বৰ্তমান সভা মহোৎসৱ ফাগুন মাহৰ অমাৱস্যাৰ দিনাৰ পৰা সাত দিন ধৰি উদ্‌যাপিত হয় যদিও মাখিবাহাৰ এই সভা মহোৎসৱ প্ৰথমতে বা আগতে প্ৰতি বছৰে লক্ষ্মীনাৰায়ণ চৌধুৰীৰ স্মৃতি দিবস ফাগুন মাহৰ শুক্লা প্ৰতিপদ তিথিত কৰা হৈছিল। মাখিবাহাৰ সভাত প্ৰতি চুবুৰি বা খেলৰ পৰা থাপনা বা বিগ্ৰহ অনাৰ নিয়ম প্ৰচলিত হৈ আছে। সভাৰ প্ৰথম দিনা লক্ষ্মীনাৰায়ণ চৌধুৰীৰ স্মৃতিত তেওঁৰ পৰিয়াল, বংশধৰ বা আত্মীয়সকলে তেওঁৰ পৰলোকগামী আত্মাৰ চিৰশান্তিৰ বাবে হোম যজ্ঞ, শ্ৰাদ্ধ আদি কৰে। লগতে কুলদেৱতা বাসুদেৱৰ বিগ্ৰহৰ আগতো হোম যজ্ঞাদিৰ আয়োজন কৰে। সভাৰ প্ৰতিদিনৰ ধৰ্মীয় কাৰ্যসূচীৰ লগতে নানা ধৰণৰ সাংস্কৃতিক অনুষ্ঠানো হয়। এই সভা উৎসৱ শেষ হোৱাৰ এসপ্তাহ পাছতহে দৌল উৎসৱত বাসুদেৱৰ বিগ্ৰহ পুনৰ আগৰ ঠাইলৈ সসন্মানে নিয়া হয়। মাখিবাহাৰ সভা মহোৎসৱৰ তাৎপৰ্যপূৰ্ণ দিশটো হ'ল সভাৰ কেইদিন মাখিবাহাৰ সভাস্থলী জন-অৰণ্যলৈ ৰূপান্তৰিত হোৱাৰ লগতে অসম বাহিৰৰ বা ভাৰতবৰ্ষৰ বিভিন্ন ঠাই আৰু ইৰাণ, ভুটান আদিৰ পৰা ব্যৱসায়ী লোকৰ আগমন হয়। এওঁলোক নিজৰ দেশৰ পৰা অনা সামগ্ৰী বিক্ৰীৰ

লগতে দেশলৈ যাওঁতে অসমৰ সামগ্ৰী ক্ৰয় কৰি নিয়ে। অৱশ্যে বৰ্তমান এওঁলোকৰ আগমন বন্ধ হৈছে।

কাঁহশিল্প নগৰী সৰ্থেবাৰীৰ সভা মহোৎসৱ ঃ

কাঁহশিল্পৰ বাবে সৰ্থেবাৰী বিখ্যাত। এই গাঁওখনত উৎপাদিত কাঁহৰ সামগ্ৰী অসমৰ সকলো ঠাই বা ভাৰতবৰ্ষৰ নানা ঠাইলৈ ৰপ্তানি হোৱাৰ উপৰি বিদেশলৈও যায়।

সৰ্থেবাৰী নামটো লোকবিশ্বাস, জনশ্ৰুতি আৰু প্ৰাকৃতিক বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি উৎপত্তি হোৱা বুলি ভাবিব পাৰি। এই নামটোৰ উৎপত্তিৰ লগত ঐতিহাসিক কাহিনী কেইবাটাও প্ৰচলিত হৈ আছে। তেনে দুটি কাহিনী হ'ল— আদিতে এই ঠাইত এজন পৰম ধাৰ্মিক আৰু দয়ালু লোকে বাস কৰিছিল। গাঁও বা পৰিয়ালৰ কিবা অপায়-অমঙ্গল হ'লে তেওঁ ভগৱানৰ নামত পূজাৰ বস্তু আগবঢ়োৱাৰ মনস্থ কৰে আৰু বিপদ আঁতৰিলে সেয়া নিজেই অৰ্থাৎ নিজা খৰচত আগবঢ়ায়। সেই পৰোপকাৰী লোকজনৰ নাম আছিল সথাথোৱা। ওচৰৰ গাঁৱৰ মানুহবিলাকে তেওঁ থকা ঠাইখনক 'সথাথোৱা থেৰ বাৰী' বুলি ক'বলৈ ধৰিলে। এই শব্দটিৰ পৰাই পৰৱৰ্তী সময়ত 'সৰ্থেবাৰী' হয়।

আন এটা জনপ্ৰবাদ মতে শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ শিষ্য মাধৱদেৱ, দামোদৰ দেৱ, হৰিদেৱৰ সৈতে নৱবৈষ্ণৱ ধৰ্মপ্ৰচাৰৰ হেতু আহি ইয়াতে সথিছিল (বৈছিল বা জিৰণি লৈছিল) বাবে এই গাঁওখনৰ নাম 'সৰ্থেবাৰী' হয়। চাৰিওজনা মহাপুৰুষৰ ইয়ালৈ হোৱা আগমনৰ স্বাক্ষৰ বহন কৰি আছে 'কথাগুৰু চৰিতে', আলপা নদীৰ পাৰৰ হৰিদেৱৰ থান, গোমূৰা সত্ৰ (মাধৱদেৱ প্ৰতিষ্ঠিত), নামশালা, ৰাউলী আদি গাঁৱত দামোদৰদেৱৰ সত্ৰই।

সৰ্থেবাৰীৰ সভা মহোৎসৱ সম্পৰ্কে লেখক নবীনচন্দ্ৰ ডেকা আৰু কেইজনমান স্থানীয় লোকৰ মত অনুসৰি তলৰ কথাখিনি উল্লেখ কৰা হ'ল ঃ সৰ্থেবাৰীৰ সভা মহোৎসৱৰ মূলতে আছে ব্ৰিটিছ ৰাজত্ব কালত হোৱা এটা আৰ্থ সামাজিক বিক্ষোভ-বিদ্ৰোহ। এই বিদ্ৰোহৰ ফলত ৰাইজে পুলিচ আৰু মৌজাদাৰৰ হাৰাশাস্তিৰ পৰা ৰেহাই পাবলৈ ভদ্ৰা কালীৰ পূজা পাতে। ৰাইজে আশা কৰা ধৰণে পূজাৰ পাছত বিপদ আঁতৰি যোৱাত মনত দেৱীৰ পূজা-অৰ্চনাৰ প্ৰতি আগ্ৰহ বাঢ়িল। ৰাইজে প্ৰতি বছৰে পূজা পাতিবলৈ ধৰিলে। গাঁৱত থকা বৈষ্ণৱসকলৰ লগতে হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ সমন্বয়ত লাহে লাহে এটা উৎসৱৰ প্ৰয়োজন অনুভৱ কৰিবলৈ ধৰিলে। ইয়াৰ ফলত সমন্বয়ত এটা উৎসৱৰূপে এসময়ৰ পৰা তাত প্ৰচলিত হ'ল জগন্নাথদেৱৰ সভা।

সৰ্বেশ্বৰীৰ এই সভা উদ্‌যাপিত হয় মাঘী পূৰ্ণিমাৰ দিনা। মানুহৰ বিশ্বাস সেই দিনটোতে কলি যুগৰ আৰম্ভ হৈছে আৰু সেই একে দিনটোতে ভৱিষ্যতত সত্যযুগ আৰম্ভ হ'ব। গতিকে পবিত্ৰ নাম, হোম যজ্ঞ আদি অনুষ্ঠিত কৰি কালপুৰুষ হিচাবেৰে জগন্নাথক অৰ্চনা কৰিব লাগে।

আদিতে সৰ্বেশ্বৰীৰ এই সভাত গোমুৰা, হেলচা, কাটিমা, ব্যাসকুছি আদিৰ ব্ৰাহ্মণসকলেও সহযোগ কৰিছিল। অন্যান্যসকলে পূজা-অৰ্চনাৰ দায়িত্ব লৈছিল। ব্যাসকুছিৰ জনৈক গোস্বামীৰ ওপৰত পৰে ভাগৱত পাঠৰ দায়িত্ব। সভাৰ অন্যান্য কাৰ্য পৰিচালনাৰ বাবে গাঁৱৰ সমূহ ৰাইজক পৃথকে পৃথকে কামৰ দায়িত্ব দিয়ে।

পূৰ্ণিমাৰ আগৰদিনা সভাৰ গন্ধ। সেইদিনা বিভিন্ন খেলৰ বিগ্ৰহবোৰ আনি সভাঘৰত ৰখা হয়। ইয়াকে 'গোসাঁই উলিওৱা' বোলে। এই বিগ্ৰহবোৰ ভিন ভিন ঠাইৰ। নামবোৰো সেই ঠাইৰ নাম অনুসৰি হয়। যেনে—আতাখেৰ খেলৰ বিগ্ৰহৰ নাম কলীয়া ঠাকুৰ, চৌধুৰীখেৰ শ্যামৰাই, তালুকদাৰখেৰ মদন খেলৰ গোসাঁই আদি। ব্ৰাহ্মণসকলে অহৰ্নিশে গোসাঁইঘৰত থাকি বিগ্ৰহ ধুওৱা, বস্ত্ৰ সলোৱা, পূজা-পাতল আদি কাৰ্য কৰে।

পূৰ্ণিমাৰ দিনা হোম যজ্ঞ হয়। বিগ্ৰহৰ আগত বৰপাঠকে দশম, ৰত্নাৱলী, সৌকালে পণ্ডিত গোস্বামীয়ে ভাগৱত ব্যাখ্যা কৰে আৰু বিভিন্ন ঠাইত ব্ৰাহ্মণসকলে বহি তুলসী পাঠ, বটুকপাঠ আদি কৰে। এনে ব্ৰাহ্মণৰ সংখ্যা প্ৰায় ১০৮ জন। এই ধৰ্মপুথিবোৰ পাঠৰ সময়তে প্ৰায় ডেৰকুৰি পালি-পাঠকে তাল লৈ সেয়া বজাই নাম কীৰ্তন কৰে। পাঁচ দিনীয়াকৈ উদ্‌যাপিত এই সভামহোৎসৱৰ নানা কাৰ্যসূচী থাকে। শেষৰ দিনটোত ভকত-ভকতনীৰ ডাঙৰ নাম হয়। ভকতসকলে খিয় মাৰো পাতে, তাৰ পাছত বিগ্ৰহবোৰ খেলৰ থানে থানে নিয়ে।

সভাৰ আনবোৰ বিষয় যেনে—কাৰ্যসূচী, দোকান-পোহাৰ, ইয়াৰ সা-সামগ্ৰী, মানুহৰ উপস্থিতি আদি মাখিৰাহ্যৰ সভাৰ সৈতে একেই।

ভগৱান শ্ৰীকৃষ্ণৰ স্মৃতি বিজড়িত হাবিজানাৰ সভা মহোৎসৱ ঃ

নলবাৰী জিলাৰ হাবিজান এখন উন্নত গাঁও। এই গাঁওখনৰ নামৰ উৎপত্তি বা তাৎপৰ্য বিচাৰ কৰিলে পোৱা যায় ইয়াতে বাণৰ যুদ্ধত শ্ৰীকৃষ্ণ আৰু বাণাসুৰৰ মাজত যুদ্ধ হৈছিল। সেই যুদ্ধত শ্ৰীকৃষ্ণ হাবি পশাই কাজল পিছিল কাৰণে ঠাইখনৰ নাম হাবিতংশ আৰু পাছত 'হাবিজান' হয়।

এই গাঁৱতে অৱস্থিত কলীয়া গোসাঁই থানৰ প্ৰাঙ্গণত প্ৰতি বছৰে মাঘী পূৰ্ণিমাৰ

পাছত কৃষ্ণা সপ্তমী তিথিৰ পৰা ৫ দিনলৈ সভা মহোৎসব উদ্‌যাপিত হয়। এই সভা সম্পৰ্কত, ফুকন চন্দ্ৰ শৰ্মা (লেখক), ভুবনেশ্বৰ কলিতা, (কৃতী শিক্ষক আৰু বিশিষ্ট সমাজকৰ্মী) আৰু গাঁও কমিটিৰ সম্পাদকে কয়, 'উৰিষ্যাৰ পুৰীৰ জগন্নাথদেৱৰ মন্দিৰৰ ভগবানৰ মূৰ্তিৰ ষোল্ল অংশৰ ক'লা অংশটি আহি ইয়াত মূৰ্তিৰ আকাৰ লয় বাবে এই মূৰ্তিৰ নাম 'কলীয়া গোসাঁই।' এই মূৰ্তি থকা কলীয়া গোসাঁইৰ থানৰ সঠিক ইতিহাস নাপালেও জনা যায় ১৭১৪-১৬ খ্ৰীষ্টাব্দত সেই সময়ৰ আহোম ৰজা শিৱ সিংহৰ ৰাজত্ব কালৰ ভিতৰত এই মন্দিৰ হয়। এই মন্দিৰৰ নামত ৰজা জনাই দিয়া চাৰি পূৰা মাটিৰ আয়ৰ দ্বাৰা থানৰ যাৱতীয় খৰচ যোগাৰ কৰা হয়। সম্প্ৰতি স্থানীয় আৰু আন নানা ঠাইৰ ভক্তপ্ৰাণ ৰাইজৰ আৰ্থিক সহায়ত মন্দিৰটো সজা সম্পূৰ্ণ হৈছে।

কলীয়া গোসাঁইৰ সভা মহোৎসব গাঁও উন্নয়ন সমিতিয়ে পৰিচালনা কৰে। এই গাঁও কমিটিয়ে প্ৰাৰম্ভণিতে প্ৰয়োজন হোৱা খৰচ মুষ্টি ভিক্ষাৰে সংগ্ৰহ কৰিছিল।

মাঘী পূৰ্ণিমাৰ পাছৰ কৃষ্ণা সপ্তমীত ৫ দিনীয়াকৈ পালন কৰা এই সভা মহোৎসৱৰ খৰচৰ বাবে ডেৰশ বিঘা ৰাজহুৱা মাটিৰ উৎপাদিত ফচল বিক্ৰী কৰি পোৱা ধনৰ লগতে বৰঙণি (গাঁৱৰ প্ৰতিঘৰৰ) তোলা হয়। আগতে এই বৰঙণি ১ টকা আছিল। এতিয়া বিশ টকা কৰা হৈছে।

এই কলীয়া গোসাঁইৰ সভাৰ কিছুদিন আগতে মন্দিৰৰ বিগ্ৰহৰ থাপনা উলিয়াই ৰাইজে সংকীৰ্তন কৰি শোভাযাত্ৰাৰে গাঁওখন পৰিক্ৰমণ কৰে। তাৰ পাছত বিগ্ৰহ আনি ৰভাঘৰত ৰাখি তাত প্ৰতিদিনে দুপৰীয়া আৰু সন্ধিয়া পুৰোহিতে নৈবেদ্য আগবঢ়াই, ধূপ-ধূনাৰে পূজা কৰে। মন্দিৰটোত ওৰেটো বছৰে প্ৰতিদিনে আয়তীৰ নাম প্ৰসঙ্গ, ভাগৱত, কীৰ্তন পাঠ আদি চলি থাকে। সভাৰ কেইদিনতো আয়তীৰ নাম প্ৰসঙ্গ, ভাগৱত, কীৰ্তন পাঠ আদিৰে উৎসৱমুখৰ পৰিবেশৰ মাজত হেজাৰ হেজাৰ ভক্তৰ সমাগমেৰে মন্দিৰটো হৈ পৰে প্ৰখ্যাত তীৰ্থস্থান স্বৰূপ।

চামতাৰ জামবুতল পাঠকপাৰাৰ সভা মহোৎসৱ

পশ্চিম নলবাৰীৰ ৰাজধানী স্বৰূপ চামতাৰ ৰূপৰ তুলনা নাই। এটা সময় আছিল য'ত নলবাৰী আৰু বৰপেটাৰ হেজাৰ হেজাৰ ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ বাবে এই অঞ্চলৰ একমাত্ৰ শিক্ষা প্ৰতিষ্ঠান কামৰূপ মহাবিদ্যালয়লৈ ঢাপলি মেলিছিল। ভ্ৰাম্যমাণ থিয়েটাৰৰ ক্ষেত্ৰতো কলাগুৰু বিষ্ণুপ্ৰসাদৰ লগৰীয়া ধৰণী বৰ্মনে সুৰদেৱী আৰু বংশৰ থিয়েটাৰৰ জৰিয়তে ভ্ৰাম্যমাণৰ ক্ষেত্ৰত নতুন যুগৰ সৃষ্টি কৰিছিল।

সুৰদেৱী থিয়েটাৰত বিষ্ণুপ্ৰসাদ ৰাভায়ো নাটকত অভিনয় কৰিছিল বুলি শুনা যায়। বৰ্তমান এই গাঁৱৰে চামতা আঞ্চলিক ক্ৰীড়া সংঘ, শ্ৰীমন্ত কলা নিকেতন, ৰূপকোঁৱৰ কলা পৰিষদৰ জৰিয়তে ৰাজ্যিক পৰ্যায়ত খেল-ধেমালি প্ৰতিযোগিতা, নাটক প্ৰতিযোগিতা হোৱাৰ লগতে অনুষ্ঠানবোৰে নিজাকৈও নাট প্ৰদৰ্শন কৰিছে। চামতাবাসীৰ উদাৰতাৰ ফলতে এইবোৰ অনুষ্ঠানৰ সভ্য হৈ অনেক প্ৰতিভাবান যুৱক-যুৱতীয়ে নানা খেল-ধেমালি, সাহিত্য, গীত-নৃত্য আদিত সফলৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে চামতাৰ মটৰ ষ্টেণ্ড এক ব্যৱসায়িক ঘাইকেন্দ্ৰ। মানুহৰ প্ৰয়োজনীয় সৰহসংখ্যক বস্তুৰ বিপণীসমূহৰ জৰিয়তে কেৱল চামতাবাসীয়ে নহয় সমগ্ৰ পশ্চিম নলবাৰী আৰু বৰপেটা জিলাৰ কিছুসংখ্যক লোকে জীৱন নিৰ্বাহ কৰিবলৈ সক্ষম হৈছে।

চামতা বাহ্ ষ্টেণ্ডৰ ওচৰতে জামবতল পাঠকপাৰা নামঘৰ আছে। ইয়াতে প্ৰতি বছৰে মাঘ মাহৰ কৃষ্ণা দশমী তিথিৰ পৰা তিনি দিন ধৰি সভা মহোৎসৱ উদ্‌যাপিত হয়। আনবোৰ সভাৰ লগতে ইয়াৰ ধৰ্মীয় সাংস্কৃতিক অনুষ্ঠানসমূহৰ মিল আছে। এই বৈশিষ্ট্যবোৰৰ ভিতৰত উল্লেখযোগ্য বৈশিষ্ট্যটো হ'ল মন্দিৰৰ থাপনা লৈ কৰা শোভাযাত্ৰা, য'ত অঞ্চলটোৰ অনেক লোকে অংশগ্ৰহণ কৰি আনন্দ উৎসৱ কৰে।

এইকেইখন সভাৰ বাহিৰেও উদ্‌যাপিত হোৱা আনবোৰ সভা হ'ল ঃ

*১৮৮৪ চনৰ পৰা মাঘ মাহৰ শুক্লা একাদশী তিথিত স্বৰ্গীয় নৰেশ্বৰ বমাবুঢ়াৰ স্মৃতিত উদ্‌যাপিত হয় বৰবামা খাটৰ বগাবুঢ়াৰ সভা। *বজালীৰ উজুৰাত ভোগী গোসাঁইৰ সভা আৰু নলবাৰীৰ কালাগত শ্যাম ৰাই গোসাঁইৰ সভা, মাঘ মাহৰ শুক্লা সপ্তমী তিথিত। *১৮৯৯ চনৰ পৰা মাঘ মাহৰ কৃষ্ণা একাদশী তিথিত মুগুৰীয়াৰ কালীঘাটত শ্ৰীশ্ৰীহৰিদাস কাকতি কায়েথ বুঢ়াৰ সংৰক্ষিণী সভা উদ্‌যাপিত হয়। *বৰনগৰ মাদুলঝাৰত শ্ৰীশ্ৰীজগন্নাথ দেৱৰ সভা অনুষ্ঠিত হয় মাঘ মাহৰ শুক্লাষ্টমী তিথিত। ১৯০৪ চনৰ পৰা বৰপেটা জিলাৰ বজালীৰ পত্তাপাৰা সভা মাঘ মাহৰ শুক্লা তৃতীয়া তিথিত উদ্‌যাপিত হয়। ১৯০১ চনৰ পৰা বৰপেটাৰ পাঠশালাৰ কণ্ঠীৰত মাঘ মাহৰ ভীষ্মাষ্টমী তিথিত জগন্নাথ দেৱৰ সভা, মাঘ মাহৰ ভীম একাদশীত বজালীৰ কণিমাৰাত শ্ৰীশ্ৰীগোপালদেৱৰ সভা, চ'ত মাহৰ শুক্লা দ্বিতীয়া তিথিৰ পৰা শ্ৰীশ্ৰীৰামচৰণদেৱ মিশ্ৰৰ স্মৃতিত বজালীৰ পাটাৰ সভা উদ্‌যাপিত হয়। আন আন সভা মহোৎসৱ উদ্‌যাপিত হোৱা ঠাইবোৰৰ নাম হ'ল ঃ চেঙা (বৰপেটা জিলা), ভোজকুছি (নলবাৰী জিলা), কঁঠালমুৰা (নলবাৰী জিলা), গেৰুৱাদল (নলবাৰী জিলা), জাপাৰা (নলবাৰী জিলা), পিপলীবাৰী (নলবাৰী জিলা), বাৰ্নিহৰ (নলবাৰী

জিলা), কমাৰকুছি (নলবাৰী জিলা), বাবাৰ থান (পশ্চিম নলবাৰী), বৰি (নলবাৰী জিলা), বালিলেচা (নলবাৰী জিলা), কমাৰকুছি (নলবাৰী জিলা), গোবেশ্বৰৰ গুচৰৰ পানাৰা গাঁৱত দৌলাশাল (বৰপেটা জিলা), জেবা কহ্‌ৰা (কামৰূপ), ককয়া (নলবাৰী), ফুলগুৰি, চান্দকুছি (নলবাৰী), পূব নামবৰভাগ, গোপাল থান, শিলগোসাঁনী, কহ্‌ৰা, হালোগাঁও, বামুন্দি, বৰলাহু, বৰদধি সত্ৰ, বামাখাটা, পশ্চিম খাগ্ৰাবাৰীৰ বুঢ়া গোসাঁই কীৰ্তন ঘৰ, বজালীৰ কালজিৰা পাৰা, কৰিপাৰা, সৰ্বজয় আশ্ৰম, কণিমাৰা চামাৰমুখ, মা বসুন্ধৰী আইৰ থান, তামুলপুৰৰ বেলবাৰী গাঁও, মধ্য বাস্কাৰ আংগাৰধোৱা গাঁও (নলবাৰী), বাঘমাৰী, শালদৰ ইত্যাদি।

সময়ৰ গতিত সভা মহোৎসৱৰ অনুষ্ঠানত কাৰ্যসূচীৰ অনেক পৰিৱৰ্তন হৈছে যদিও পূৰ্বৰ স্বকীয় বৈশিষ্ট্য বিশেষ ম্লান পৰা নাই। শেষত ক'ব পাৰি নানা জাতি, ধৰ্ম, বৰ্ণ, সম্প্ৰদায়, ভাষা-ভাষী লোকৰ মাজত সম্প্ৰীতি ৰক্ষাৰ ক্ষেত্ৰত সভা মহোৎসৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

লোককৃষ্টি, লোকনাট্যৰে উৰ্বৰ ঠাই

ধুবুৰী-গোৱালপাৰা

ধুবুৰী আৰু গোৱালপাৰা জিলা দুখন অনেক উৎসৱ-পৰ্ব, লোককৃষ্টি, বাদ্য, গীত, নৃত্য আদিৰে প্ৰাণময়। এই অঞ্চল দুটাত কিছুমান স্বকীয় উৎসৱ-পৰ্ব, লোককৃষ্টি আদিৰ প্ৰচলন আছে। এইবোৰে অঞ্চল দুটাৰে নহয়, সমগ্ৰ অসম, ভাৰতবৰ্ষ বা মানৱ জাতিৰ সুখ-দুখ, হাঁহি-কান্দোন, আশা-আকাংক্ষাৰ নানা চিত্ৰ, সুৰ দাঙি ধৰিছে। আকৌ অসমীয়া লোক-সাহিত্যৰ ভঁৰালো উপৰিউক্ত অনুষ্ঠানবোৰৰ জৰিয়তে প্ৰভূত ৰবঙণি যোগাইছে তাক উল্লেখৰ প্ৰয়োজন নাই। তলত ধুবুৰী আৰু গোৱালপাৰাত প্ৰচলিত উৎসৱ-পৰ্ব, লোককৃষ্টি, গীত-নৃত্য, লোকনাট্য আদি কিছুমানৰ সংক্ষিপ্ত বৰ্ণনা দিয়া হ'ল।

কাতি পূজা : কাতি পূজা গোৱালপাৰা আৰু কোচবিহাৰত কাতি মাহৰ সংক্ৰান্তিৰ দিনা অনুষ্ঠিত হয়। কাতি পূজাৰ মূল 'স্কন্দ পুৰাণোক্ত' কাৰ্তিক পূজা যদিও শাস্ত্ৰীয় আচাৰ-নীতিৰ প্ৰভাৱ প্ৰায় শূন্য আৰু লৌকিক আচাৰ-নীতিহে প্ৰাধান্য পৰিলক্ষিত হয়। বংশবৃদ্ধি আৰু শস্য উৎপাদনৰ ঐকান্তিক কামনাৰে এই অনুষ্ঠানৰ আয়োজন কৰে তিৰোতাসকলে। ড° বীৰেন্দ্ৰনাথ দত্তই লিখিছে : 'কাতি পূজাৰ কাতি দেৱতা শিৱ-চণ্ডীৰ পুত্ৰ যদিও তেওঁ শাস্ত্ৰোক্ত দেৱ সেনাপতি নহয়। প্ৰকৃততে তেওঁ পুত্ৰদাতা আৰু শস্যদাতা লোক-দেৱতাহে। তিৰোতাসকলৰ এই অনুষ্ঠানত ব্ৰাহ্মণ আৰু ঢাকুৱাৰ (ঢাক বজাওঁতা) বাহিৰে অন্য পুৰুষৰ যোগদান নিষিদ্ধ।' 'টিস্তুং গুংগাং' গ্ৰন্থত আছে : 'হাজংসকলৰ কাৰ্তিক পূজাত কেৱল তিৰোতাসকলেহে অংশগ্ৰহণ কৰিব পাৰে যদিও পুৰুষসকলে সংযতভাৱে দৰ্শক হৈ চাই থকাত কোনো বাধা নাই।' চাৰিটা কলপুলি পুতি মাজত ময়ূৰৰ ওপৰত সমাসীন কাৰ্তিকৰ মূৰ্তি স্থাপন কৰি পূজামণ্ডপ তথা আন নানা ধৰণৰ বস্তু নৈবেদ্যৰ বাবে সজোৱা হয়। সন্ধ্যাতে পঁচ ওড়িৰ আজনা বাঁকাৰ মগতে সূতাৰে পুৰণ চিনদুপ কৰি কলপুলি চাৰিটাৰ [illegible] বন্ধ কৰি দিয়া হয়। মণ্ডপত ঘট, তামোল-পাণ, ধানৰ শীহ, চাৰিটা কলপুলিত চাৰিডাল ধনু-কাঁড় বান্ধি থোৱা হয়। কাতিৰ মূৰ্তি মণ্ডপত ৰাখি তলত চক্ৰজাল আঁকা হয়। ড° নাৰায়ণ দাসে লিখিছে : 'শিৱ পাৰ্বতী চণ্ডীৰ বিয়াৰ কাহিনীৰ বৰ্ণনাৰে গীত গাই কাতি [illegible] পৰ আৰম্ভ হয়। ইয়াত সন্ধ্যাকৰণী তিৰোতা

এজনীক কাতিৰ মাক সজাই এযোৰ কল আৰু এযোৰ তামোল-পাণ কোলাত দি কাপোৰৰ দ্বাৰা ঢাকি দিব লাগে। তিৰোতাসকলে কাতিৰ জন্মৰ পিছত গায় অশৌচ খেদোৱা বৰ্ণনাৰ গীত।

সোণাৰায় পূজা ঃ সোণাৰায় ব্যাঘ্ৰ দেৱতা। মানুহৰ মাজত বিশ্বাস প্ৰচলিত আছে যে সোণাৰায়ক পূজা কৰিলে গৰু-গাই নিৰাপদে থকাৰ উপৰি গৃহস্থৰ কুশল-মংগল হয়। সাধাৰণতে সোণাৰায়ৰ পূজা মাঘৰ দোমাহীৰ সময়ত হয়। গোটেই পুহ মাহ ধৰি গৰখীয়া ল'ৰাইতে সোণাৰায়ৰ দৰ (দণ্ড) লৈ ঘৰে ঘৰে গৈ গীত গাই দক্ষিণা সংগ্ৰহ কৰে। দক্ষিণা দিবলৈ অহা গৃহস্থক গৰখীয়া ল'ৰাইতে ধান আৰু বংশবৃদ্ধিৰ অৰ্থে আশীৰ্বাদ দি গায়— 'সত্য ঠাকুৰ সোণাৰায় গাই বক্সক দে তুই ধৰ/ধানে বংশে বাড়ুক গিৰি চন্দ্ৰ দিবাকৰ।' ড° নবীনচন্দ্ৰ শৰ্মাই লিখিছে ঃ 'পুহ মাহৰ শেষৰ দিনা ৰাতি পথাৰত বা নদীৰ পাৰত সোণাৰায় পূজা অনুষ্ঠিত হয়। খেৰ আৰু বাঁহেৰে নিৰ্মাণ কৰা ঘৰ এটিৰ ভিতৰত বেদী নিৰ্মাণ কৰি সেই বেদীৰ ওপৰত সোণাৰায়ৰ মূৰ্ত্তি প্ৰতিষ্ঠা কৰি ফুল, বেলপাত, তুলসী, ধূপ-দীপ, ফল-মূল আদিৰে ব্ৰাহ্মণ পূজাৰীয়ে সোণাৰায়ৰ পূজা কৰে। পূজাৰ শেষত প্ৰাৰ্থনা গীত গাই সোণাৰায়ক বন্দনা কৰা দেখা যায়। পূজাৰ শেষত প্ৰসাদ গ্ৰহণ কৰে আৰু সকলোৱে মিলি প্ৰীতিভোজ খায়। সোণাৰায়ৰ মূৰ্তি পূজাৰ পিছত বিসৰ্জন দিয়াৰ সলনি অস্থায়ী ঘৰটোতে ৰখা দেখা যায়।' ড° বীৰেন্দ্ৰনাথ দত্তৰ দ্বাৰা সম্পাদিত আৰু সংকলিত গ্ৰন্থ 'গোৱালপৰীয়া লোকগীত সংগ্ৰহ'ত আছে 'সোণাৰায়েৰ গান' বুলি এটি দীঘলীয়া আখ্যানমূলক গীত। সোণাৰায় পূজাত এই আখ্যানমূলক গীত কেতিয়াও সম্পূৰ্ণকৈ গোৱা শুনা নাযায়। সোণাৰায়ৰ গীতৰ সুৰ অতি সৰল আৰু পুনৰাবৃত্তিমূলক। সাধাৰণতে খোল, তাল আদি গীতৰ লগত সংগত কৰা হয়।

খালি মাটিৰ গান ঃ আধ্যাত্মিক বা ভক্তিৰসযুক্ত বা ধৰ্মীয় ভাবযুক্ত গীতৰ প্ৰচলন অসমৰ আন ঠাইত থকাৰ দৰে গোৱালপাৰা জিলাতো আছে। কোনো বিশেষ ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ লগত প্ৰত্যক্ষভাৱে জড়িত নাথাকিলেও ভক্তিৰস আৰু আধ্যাত্মিক ভাৱেৰে পৰিপুষ্ট আন বহুতো গীত গোৱালপৰীয়া সমাজত ব্যাপকভাৱে প্ৰচলিত। গোৱালপাৰা, ধুবুৰী অঞ্চলত প্ৰচলিত এনেবোৰ গীতক দুভাগত ভগাব পাৰি— (১) খালি মাটিৰ গীত আৰু (২) দেহ বিচাৰৰ গীত। 'খালি' নামৰ এবিধ বিশেষ তাল আৰু 'মাটি' নামৰ এবিধ বিশেষ খোলৰ সহায়ত গোৱা হয় কাৰণে এই গীতবোৰক 'খালি মাটিৰ গীত' বোলে। ড° বীৰেন্দ্ৰনাথ দত্তই লিখিছে ঃ 'সুৰ আৰু পৰিবেশন ৰীতিত খালি মাটি গীতৰ স্বকীয় বৈশিষ্ট্য আছে। বিষয়বস্তুৰ দিশৰ পৰা

কালি মাটিৰ গীতবোৰ পহতীয়া (প্ৰভাতী) গোঁৰ, ৰাধেৰ বিলাপ, গুৰু পৰিচয়, দেহা বিচাৰি, শ্মশান চলিয়া আদি ভাগত বিভক্ত। কিছুমান গীতৰ লগত কামৰূপ অঞ্চলৰ এক শ্ৰেণীৰ ভক্তিমূলক গীতৰ শাৰীৰ সাদৃশ্য চকুত পৰে। ৰাধেৰ বিলাপ গতৰ ভালেমান গীতত ৰাধা-কৃষ্ণৰ প্ৰেমৰ বিষয়টোক কেন্দ্ৰ কৰি গ্ৰাম্যভাৱে আৰু দুই-এঠাইত উন্মুক্তভাৱে আদিৰসে প্ৰাধান্য লাভ কৰিছে। জিলা দুখনৰ কিছুমান অঞ্চলত শ্মশানযাত্ৰা আৰু শ্ৰাদ্ধাদি উপলক্ষে একে জাতীয় কিছুমান গীত গোৱা হয়। কিন্তু কালি মাটিৰ বুলি বিবেচনা নকৰি এই গীতবোৰক সাধাৰণভাৱে কীৰ্তন বুলিয়েই কোৱা হয়।' গোটেই ভাৰতবৰ্ষতে এসময়ত গা কৰি উঠা বৈষ্ণৱ ধৰ্ম বংগদেশ আৰু অসমতো গঢ়ি উঠিছিল। বংগদেশত চৈতন্যদেৱ আৰু অসমত শংকৰদেৱে বৈষ্ণৱ আন্দোলনৰ যে গুৰি ধৰিছিল তাৰ উল্লেখৰ প্ৰয়োজন নাই। অসমত বৈষ্ণৱ ধাৰাৰ অনেক গীত-পদ প্ৰচলিত আছে।

কুশান গান-খাবাতাল আৰু সত্যপীৰ ঃ গোৱালপাৰা-ধুবুৰীত তিনিটা নাট্যগুণবিশিষ্ট অনুষ্ঠানৰ দ্বাৰা গীতি-নাট্য পৰিবেশন কৰা হয়— কুশান গান, খাবা তাল আৰু সত্যপীৰ। বিজেন্দ্ৰ নাথৰ 'গোৱালপৰীয়া লোক সাহিত্য'ত আছে ঃ 'জনপ্ৰিয়তাৰ ফালৰ পৰা বিচাৰ কৰিলে এই তিনিটা নাট্যানুষ্ঠানক ব্ৰজধামৰ কৃষ্ণলীলা, ৰামলীলা, ৰাসলীলা, ভগত বা নৌটংকৰ লগত তুলনা কৰিব পাৰি। সেইদৰে তুলনা কৰিব পাৰি তামিল, অন্ধ্ৰ আৰু কৰ্ণাটকত প্ৰচলিত যক্ষগানৰ লগত। কুশান গান খাবাতাল আৰু সত্যপীৰত যিবোৰ কাহিনী পৰিবেশন কৰা হয় সেইবোৰ গীতি-নাট্য। গীত-নৃত্য-মুদ্ৰা-সংলাপ-বাদ্য এইবোৰত আছে।' এই তিনিটা নাট্যানুষ্ঠানত লোকৰ নিচিনা কিছুমান কথা পৰিবেশন হয়। প্ৰয়োজন অনুসৰি মুখা ব্যৱহাৰ হয়। সৰস্বতী আৰু বাইজৰ বন্দনাৰে মংগলাচৰণ কৰা হয়। এই তিনিওটি নাট্যানুষ্ঠানে সাধাৰণতে একোখনকৈ গীতি-নাট্য পৰিবেশন কৰে। বিষয়-বস্তুৰ দিশৰ পৰা কাহিনীভাগ তিনি ভাগত বিভক্ত—পৌৰাণিক আৰু লৌকিক। পৰিবেশনৰ সময়ত মুকলি মঞ্চত ওজাপালিৰ দৰে এটা দলে অংশগ্ৰহণ কৰে। দলৰ কলাকুশলীসকল হ'ল—এজন গীতাল (মূল), এজন দোহাৰী (দোহাৰী), নৃত্য পৰিবেশনকাৰী ছেইজনমান ছোকৰা (ছুকুৰী), দুজনকৈ বায়ন, দুজনকৈ তালী (তাল বজোৱা মানুহ), এজন পালি। পৰিবেশনৰ সময়ত পালিৰ দলটো এঠাইত বহি লয়। দোহাৰী, গীতাল, ছুকুৰী আদিয়ে গীত, নৃত্য, মুদ্ৰা, সংলাপ আদিৰে পৰিবেশনৰ মাজে মাজে চৰিত্ৰৰূপে ঘূৰি ঘূৰি কাহিনীভাগ আগবঢ়াই লৈ যাওঁতে ছুকুৰী আৰু দোহাৰীয়ে অভিনয়ো কৰে। পালিৰ দলটোৱে গীতৰ দোহা ধৰে। বাদ্যযন্ত্ৰ বজোৱা হয়। গীতালৰ হাতত

দোৱাৰীয়ে আৰু কেতিয়াবা পালিৰ স'তে নানা ভাও (চং) দেখুৱায়। কিছুদূৰ কাহিনীভাগ আগবঢ়াই নিয়াৰ পিছত ৰখা জিৰণিৰ সময়ত সাধাৰণতে তিনিটা কাৰ্য সমাধা কৰা হয়— (ক) দোৱাৰী আৰু গীতালৰ মাজত অন্তৰংগ বা বহিৰংগ, নানা প্ৰশ্ন সোধা আৰু উত্তৰ দিয়া পৰ্ব, (খ) কাহিনীৰ লগত সংগতি নথকা ব্যংগনাট্যও দাঙি ধৰা হয়, (গ) গীতাল, দোৱাৰী আৰু চুকুৰীৰ দ্বাৰা দীৰ্ঘ বিৰতিৰ সময়ত মূল কাহিনীৰ দৃশ্যবিশেষৰ অভিনয় পৰিবেশন।

হুদুম পূজা : হুদুম দেৱতা বৃষ্টিদানৰ দেৱতা। এই পূজা কৰি নাচিলে অনাবৃষ্টিৰ সময়ত ধাৰাসাৰে বৰষুণ হয় বুলি বিশ্বাস প্ৰচলিত আছে। ড° নাৰায়ণ দাসে 'অসমীয়া সংস্কৃতিৰ কণিকা' গ্ৰন্থত লিখিছে : 'বহুদিন অনাবৃষ্টিৰ ফলত খেতিপথাৰ ছিৰাল-ফটা দিলে বৰষুণৰ ঐকান্তিক কামনাৰে আঁউসীৰ এন্ধাৰ ৰাতি হুদু চৰাই এটা ধৰি আনি জনসমাগমহীন পথাৰত এটা খুঁটি পুতি তাতে সেইটো বান্ধি থৈ গাঁৱৰ তিৰোতাসকলে তিমিৰাসন্ন নিশা খুঁটিৰ চৌদিশে উলংগ হৈ নৃত্য-গীতৰ পোহাৰ মেলিছিল। এনে নৃত্য আৰু আকুল প্ৰাৰ্থনাত ইন্দ্ৰ দেৱতাই ধৰাত বৰষুণ নমাই দিয়ে—এই বিশ্বাসৰ খাতিৰতে হুদুমদেও পূজাই আত্মপ্ৰকাশ কৰিছিল। আজিকালি অৱশ্যে হুদু বন্ধাৰ নিয়ম নাই। এডাল কল ৰোপণ কৰিয়েই অনুষ্ঠানটি অনুষ্ঠিত কৰা হয়। কলপুলিটো 'হুদুম খুঁটি' নামে জনা যায়। খুঁটি পোতাৰ সাত দিনমান আগৰে পৰা অকুমাৰী ছোৱালীয়ে গাঁৱৰ সাত ঘৰ লোকৰ পৰা ঘটিৰে আনি জমাই থোৱা পানী পূজাস্থলীত ছটিয়াই তিৰোতাসকলে হালোৱা আৰু গৰুৰ ভূমিকা লৈ নাঙল এটাৰে মাটি চহোৱা বাঞ্ছনীয়। লোকবিশ্বাস মতে, হুদুম খুঁটি পোতাৰ লগে লগে তিনি দিনৰ ভিতৰত বৰষুণ হয়। নহ'লে তিৰোতাসকলে আৰম্ভ কৰে হুদুমদেওৰ পূজা-অৰ্চনা। ইয়াত পুৰোহিতৰ স্থান নাই। চকুত কাপোৰ বান্ধি মাথোন ঢাকুৱাই ঢাক বজাই থাকে। তিৰোতাসকলে উলংগ হৈ শ্লীল-অশ্লীল গীত গাই হুদুম খুঁটিৰ চাৰিওফালে নৃত্যৰ পদুম ফুলায়।'

নয়নশৰী : নৃত্য-গীত, লোকনাট্য, উৎসৱ-পাৰ্বণৰ স্বকীয়তাৰে বৰ্ণাঢ্য গোৱালপাৰা, ধুবুৰী অঞ্চলৰ এক নাট্যানুষ্ঠান হ'ল 'নয়নশৰী'। এই অনুষ্ঠানত কাহিনী গীত বা গীতি-নাট্যখনৰ নামেৰে অনুষ্ঠানটোৰ নাম 'নয়নাশৰী' দিয়া হৈছে। ইয়াৰ গীতি-নাট্যখন মূলতঃ এখন উচ্চমানবিশিষ্ট এক অংকীয়া নাট, যিখন কাহিনী, চৰিত্ৰ, সংলাপ, গীত, শ্লোক নাটকৰ এই আটাইবোৰ উপাদানৰ সমষ্টি। দ্বিজেন নাথে লিখিছে : 'নয়নাশৰীৰ কাহিনীভাগত একাধিক দৃশ্যৰ সমাবেশ নাই; এটা দৃশ্যতে কাহিনীৰ আৱৰ্তণি আৰু পৰিসমাপ্তি ঘটোৱা হৈছে। স্তুতিমূলক বন্দনানুষ্ঠানেৰে

কাহিনীৰ পাতনি মেলা হৈছে। নাটখনিত পাঁচোটা চৰিত্ৰৰ সমাৱেশ ঘটিছে। সংলাপ দুই ধৰণৰ—কথা আৰু গীত। সংলাপ কেতিয়াবা চুটি, কেতিয়াবা দীঘলীয়া। সংলাপসমূহত ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ পৰা কিছুমান দৃষ্টান্ত যুক্তি-তৰ্কৰ খাতিৰত দাঙি ধৰা হৈছে। ঘৰুৱা যোজনা-পটন্তৰ আদিও প্ৰসংগক্ৰমে দাঙি ধৰা হৈছে। এক কথাত সংলাপখিনি মাথোঁ প্ৰশ্ন আৰু উত্তৰৰ সমষ্টি। উল্লেখ্য যে এই নাটত সূত্ৰধাৰ বা তেনে কোনো চৰিত্ৰৰ সমাৱেশ নাই। নাটখনত যিবোৰ গীত ব্যৱহাৰ কৰা হৈছে সেইবোৰক বহিৰংগ বা অন্তৰংগ কোনো শ্ৰেণীৰ গীততে স্থান দিব নোৱাৰি। অংকীয়া নাটত একেটা কথাকে শ্লোক, গীতেৰে দাঙি ধৰা আৰু বিভিন্ন ৰসৰ সমাৱেশ ঘটোৱাৰ দৰে অনুৰূপ ব্যৱস্থা নয়নাশ্বৰী নাটতো লক্ষ্য কৰিব পাৰি। আকৌ নয়নাশ্বৰী নাটত জনাকবিৰ জীৱন দৰ্শনৰ প্ৰতিফলন, গ্ৰাম্য জীৱনৰ ছাপ, ধৰ্মীয় আচাৰ, অন্ধবিশ্বাস আদিৰ চিত্ৰও ভালদৰে ফুটি উঠিছে।

ভাৱাইয়া আৰু চট্‌কা ঃ গোৱালপাৰাত প্ৰেম আৰু আসক্তিৰ লোকগীতখিনিক ভাব আৰু সাংগীতিক গাঁথনিৰ দিশৰ পৰা 'ভাৱাইয়া' আৰু 'চট্‌কা' এই দুটা শ্ৰেণীত বিভক্ত কৰিব পাৰি। ড° বীৰেন্দ্ৰনাথ দত্তই লিখিছে ঃ 'দোতাৰাৰ সহযোগত একক পৰিবেশনৰ উপযোগী হ'ল ভাৱাইয়া আৰু চট্‌কা গীতবোৰ। ভাৱাইয়া গীতৰ মূল ৰস কৰুণ আৰু এইবোৰৰ সৰহভাগতে প্ৰতিধ্বনিত হৈছে বিবাহিতা নাৰীৰ অপূৰ্ণ কামনা আৰু বঞ্চিতজনৰ সংগ লাভৰ প্ৰতি অদম্য বাসনা। কিছুমানত আছে স্বামীৰ প্ৰতি স্ত্ৰীৰ আসক্তিৰ প্ৰতিফলন; আন আন কিছুমান ব্যক্ত হৈছে পুৰুষসংগ লাভৰ বাবে মদনপীড়িতা অবিবাহিতা বা অকাল বিধৱা যুৱতী-নাৰীৰ অন্তৰৰ আকুতি। বহু গীতত আকৌ দেওৰা-ভাউজী, অৰ্থাৎ দেওৰেক-নবৌৰেকৰ মাজত সহজ অথবা গুপ্ত আসক্তিজনিত অনুৰাগ জড়িত হৈ উঠিছে। চট্‌কা গীতবো সৰহভাগৰেই বিষয়বস্তু যদিও প্ৰেম আৰু প্ৰেমজনিত আকৰ্ষণ, এই শ্ৰেণীৰ গীতৰ বৈশিষ্ট্য হ'ল চপলতা আৰু কৌতুকপূৰ্ণতা।। সাংগীতিক গাঁথনিৰ দিশৰ পৰাও ভাৱাইয়া আৰু চট্‌কাৰ নিজা বৈশিষ্ট্য আছে। ভাবৰ লগত সামঞ্জস্য থকাকৈ ভাৱাইয়াৰ সুৰো গহীন আৰু কৰুণ। দীঘলীয়াকৈ সুৰ টানি টানি গোৱা এই গীতৰ সুৰৰ এটা উদাস কৰিব পৰা গুণ আছে। আনহাতে চট্‌কা গীতৰ সুৰৰ ছন্দ দ্ৰুত লয়ৰ আৰু চঞ্চল। গোৱালপাৰাৰ সমাজ জীৱনত প্ৰচলিত মৈষাল আৰু মাহুতৰ গীতবোৰকো ভাৱাইয়া আৰু চট্‌কাত পেলাব পাৰি। মৈষাল আৰু মাহুতৰ গীতখিনিৰ কেন্দ্ৰবিন্দু হৈছে প্ৰেম আৰু আসক্তি।

খাৰাপুৰাণ ঃ 'গোৱালপৰীয়া লোক-সাহিত্যত দৃষ্টিপাত' শীৰ্ষক প্ৰবন্ধত আছে ঃ

খাৰাপুৰাণ সংগীতানুষ্ঠানতো খাৰাতাল-কুশানৰ দৰে গীতাল-দোৱাৰী আদি থাকে আৰু মুকলি মঞ্চত গীতাল-দোৱাৰী, পালি, বাঁহীবাদক সকলোৱে খাৰা হৈ (থিয় হৈ) কাহিনীভাগ গীত-পদৰ মাজেৰে দাঙি ধৰে। গীতৰ লগে লগে চুকুৰীবেশী ল'ৰাকেইজনে নৃত্য পৰিবেশন কৰে আৰু পালিকাসকলেও বেলেগ এবিধ নৃত্য পৰিবেশন কৰি গীত গাই থাকে। উল্লেখ্য যে গীত গোৱা গীতালৰ হাতত চোঁৱৰ থাকে। কাহিনীভাগ ছন্দোবদ্ধ। সংলাপ, গীত, নৃত্য, অভিনয়ে এই অনুষ্ঠানক নতুন ৰূপত ৰূপায়িত কৰে। এই অনুষ্ঠানত দোৱাৰীয়ে কৌতুকপূৰ্ণ অভিনয়ো কৰে।

গোৱালনী যাত্ৰা ঃ গোৱালনী যাত্ৰা বা গোৱালিনী যাত্ৰা মুখ্যৰ ব্যৱহাৰ থকা অবিভক্ত গোৱালপাৰা জিলাৰ এক জনপ্ৰিয় নাট্যানুষ্ঠান। এই যাত্ৰাত সংলাপ নিৰ্ধাৰিত নহয় যদিও ভাৱৰীয়াসকলে ৰংগথলীতে বুজাবুজিৰে বিভিন্ন সংলাপ আৰু ভংগী ব্যৱহাৰ কৰে। ড° নাৰায়ণ দাসে লিখিছে ঃ 'এজনী গোৱালিনীক কেন্দ্ৰ কৰিয়েই কিছুমান বিক্ষিপ্ত ঘটনাৰ সংযোজনাৰে দৰ্শকৰ মনোৰঞ্জন কৰাই এই যাত্ৰাৰ মূল কথা। যেনে, এটা দৃশ্য—বিয়া বলিয়া ভেৰাকান্ত। বহু কষ্টেৰে সি বিয়া কৰালে। ঘৰলৈ কইনাক আনি ওৰণি দাঙি দেখে যে সেয়া কইনা নহয়— ল'ৰাহে। গোৱালনী যাত্ৰাত থকা চৰিত্ৰসমূহৰ ভিতৰত গোৱালনী, ম'হ গুৱাল ৰৰকান্দাজ, মাছ পোহাৰী, বাঘ, ভালুক, ম'হ গুৱাল আদি হ'ল প্ৰধান।' গোৱালনী যাত্ৰাত দোতাৰাৰ সহায়ত মৈষালী গীতো গায়।

এইবোৰৰ উপৰি ধুবুৰী-গোৱালপাৰাৰ সমাজ জীৱনত মনাইযাত্ৰা, অ'ৰি গীত, মইনামতী, মাৰৈ পূজা, চড়ক পূজা, কাতি দোল অনুষ্ঠান, আইনামতী, পালাগান, কামদেৱ পূজা, বাঁশ পূজা, জয় ঢুলীয়াৰ গীত আদিৰ প্ৰচলন আছে।

গোষ্ঠাষ্টমী

গোষ্ঠাষ্টমীৰ জৰিয়তে মানৱ জাতিৰ কল্যাণৰ বাবে বৃন্দাবনৰ মনোৰম পৰিবেশ সৃষ্টিৰে ভগৱানৰ উপাসনাৰ মন্দিৰত গো-মাতৃ আৰু গোপাল কৃষ্ণৰ পূজা-অৰ্চনা কৰা হয়। কৃষি আৰু মানুহৰ প্ৰাত্যহিক জীৱনৰ নানা কাৰ্যত বিভিন্ন ধৰণে সহায় কৰা গৰুক পূজা-অৰ্চনাৰ দ্বাৰা মানুহৰ প্ৰতি আগবঢ়োৱা অৱদানৰ গোষ্ঠাষ্টমীৰ দ্বাৰা শলাগ লোৱাৰ গভীৰ তাৎপৰ্য নিহিত হৈ আছে এই পৰ্বটি পালনৰ মাজত। গোষ্ঠাষ্টমীক গোপাষ্টমী বা গো-পূজাও বোলা হয়।

'গো' শব্দৰ অৰ্থ হৈছে গৰু বা বেদ। গাই গৰুক বেদৰ লগত তুলনা কৰা হয়। বেদৰ অংশবিশেষ উপনিষদত ইয়াৰ উল্লেখ আছে— 'সৰ্বোপনিষদ গাব.....' বুলি। বৈদিক যুগৰ পৰা বৰ্তমানলৈ মানুহে শ্ৰদ্ধা-ভক্তিসহকাৰে গো-সেৱা কৰি আহিছে। প্ৰাচীনকালত গুৰুগৃহত বেদ অধ্যয়নৰত শিষ্যসকলে গো-সেৱাৰ জৰিয়তে গুৰুক মাননি দিয়াৰ নিয়ম প্ৰচলিত আছিল। (অৱশ্যে কিছুমান পণ্ডিতে গৰুৰ লগত সম্পৰ্কিত যজ্ঞৰ অশ্বমেধ যজ্ঞৰ আগতে বা প্ৰাক বৈদিক যুগত প্ৰচলিত আছিল বুলি কয়।) 'গো' শব্দই অকল গৰুকে নুবুজায়, ইয়াৰ অন্য এটা অৰ্থ হ'ল বেদ। বৈদিক কাৰ্যতে গৰুৰ পৰা পোৱা সকলোবোৰ দ্ৰব্য-গাখীৰ, দৈ, ঘিউ, গোবৰ, মূত্ৰ ব্যৱহাৰ হয়। এই পাঁচ বিধ দ্ৰব্যক একেলগে পঞ্চগব্য বোলে।

'শব্দকল্পদ্ৰুম' গ্ৰন্থত গোষ্ঠাষ্টমীৰ বিষয়ত উল্লেখ আছে—শুক্লাষ্টমী কাৰ্তিকে তু স্মৃতা গোপাষ্টমী বুধৈঃ/তদ্দিনে বাসুদেৱোঽভূদ গোপঃপূৰ্বন্তু বৎসপঃ/তত্ৰ কুৰ্যাৎ গোপং পূজা/গো-গ্ৰাসংগো প্ৰদক্ষিণম/অৰ্থাৎ কাতি মাহৰ শুক্লাষ্টমীৰ দিনা ভগৱান শ্ৰীকৃষ্ণই নিজ হাতেৰে গৰুক ঘাঁহ খুৱাই, গো-প্ৰদক্ষিণ কৰি, গো-মাতৃলৈ পূজা আগবঢ়াইছে। গো-মাতৃ বা গৰুক ভগৱান শ্ৰীকৃষ্ণই জননীৰূপে শ্ৰদ্ধাভক্তি কৰাৰ কথা পুৰাণত উল্লিখিত হৈছে—ভগৱান শ্ৰীকৃষ্ণ মনুষ্যায়াং বাসুদেৱ ঔৰসে দৈৱকী গৰ্ভে আবিৰ্ভূতো ভৱেৎ/পৰন্তু মাতৃ দুগ্ধপানয় কৰ্তুম সমৰ্থাৰ্থং ভূত্বা বৃন্দাবনে বিভিন্ন বৰ্ণাঃ গাবঃ চৰন্তি//— অৰ্থাৎ ভগৱান শ্ৰীকৃষ্ণই বৃন্দাবনৰ যমুনাৰ তীৰত বিভিন্ন ৰঙৰ গৰু চৰাই ফুৰা কাৰ্যই গৰুক সন্মান কৰাকে সূচাইছে।

দ্বাপৰ যুগৰ পৰা বৰ্তমানলৈ গৰুক দেৱতাৰূপে পূজা কৰা হৈ আহিছে। কৃষ্ণই দ্বাপৰ যুগত কৰা গোষ্ঠ বিহাৰৰ পৰা লোক সমাজত গো-পূজাৰ প্ৰচলন হয়।

সেই কাহিনীৰ আঁত ধৰি ক'ব পাৰি ঃ

কৃষ্ণই গোপ বালকসকলৰ লগত এদিন গোষ্ঠবিহাৰৰ উদ্দেশ্যে ব্ৰজধামৰ পৰা বৃন্দাবনলৈ যায়। লগত বহুতো গাই-বলধ গৰু। বৃন্দাবন কৃষ্ণৰ শৈশৱৰ লীলাভূমি। বৃন্দাসতীয়ে ইয়াতে দেহত্যাগ কৰে বাবে নাম হয় ইয়াৰ বৃন্দাবন। গৰুবোৰে বৃন্দাবনৰ কোমল ঘাঁহ খাবলৈ ধৰিলে। কৃষ্ণই কিছু গোপ বালকক লৈ কদম গছত উঠি তেওঁৰ মোহন বাঁহী মুৰুলী বজাবলৈ ধৰিলে। বাঁহীৰ মনোৰম সুৰধ্বনিত কিছুমান গোপ বালক টোপনি গ'ল, কিছুমানে মন-প্ৰাণ জুৰাই সম্মোহিত হ'ল। গাই গৰু আৰু বলধ গৰুবোৰে বাঁহীৰ সুমধুৰ সুৰধ্বনিত মোহিত হৈ ঘাঁহ খাব এৰি ওপৰলৈ মুখ কৰি থাকিল। দূৰত চৰি থকা গৰুবোৰ আহি কৃষ্ণৰ ওচৰ পালে। গোপশিশুসকলে বনফুল ছিঙি মালা গাঁথি সভক্তিৰে কৃষ্ণক নিবেদিলে। কিছুমানে গাই গৰুবোৰ খীৰাই গাখীৰ আনি কৃষ্ণক খাবলৈ দিলে। কোনোৱে খেলিছে, কোনোৱে আনন্দ কৰিছে। মুঠতে সেই সময়ত বৃন্দাবনত গৰু গাইক লৈ কৃষ্ণসহিতে গোপ বালকৰ আনন্দৰ সীমা নাই। তেনে সময়তে দুৰ্গাই সিংহৰ ওপৰত উঠি আহি বৃন্দাবন পালে। কৃষ্ণৰ আগত বিবিধ স্তোত্ৰ পাঠ কৰিব ধৰিলে। তেনেতে বৃষভৰ পিঠিত উঠি আহি শিৱ সেই স্থান পালে। তেনে সময়তে ব্ৰহ্মায়ো আহি তাত উপস্থিত হ'ল। শ্ৰীহৰিয়ে দুৰ্গাৰ প্ৰতি সংকেত দিলে। তেতিয়া বৃন্দাবনৰ মাজত দেৱী অন্নপূৰ্ণাৰ আবিৰ্ভাৱ হ'ল। সৰস্বতী, লক্ষ্মী, সাবিত্ৰী, বিমলা আদিও আহি সেই স্থানত উপস্থিত হ'ল। হৰিয়ে বিবিধ সুমিষ্ট আহাৰেৰে গোপ বালকসকলক ভোজন কৰোৱাই তেওঁলোকৰ ক্ষুধা নিবাৰণ কৰিলে। হাতত স্বৰ্ণফল লৈ হৰজায়াই সকলোকে নিবেদিলে। দধি, দুগ্ধ, ঘৃত, মধু, ক্ষীৰ, পৰমান্ন আদি নানা সুমিষ্ট খাদ্যৰে তাত উপস্থিত হোৱা দেৱ-দেৱীসকলে মহা আনন্দেৰে বনভোজ খালে। গাই গৰুবোৰ আৰু বলধ গৰুবোৰক কৃষ্ণই নানা তৰু-তৃণ খাবলৈ দিলে। মুঠতে বৃন্দাবনত সেই সময়ত বিৰাজ কৰিছিল আনন্দৰ স্বৰ্গীয় পৰিবেশ। বেলি পৰাত দেৱ-দেৱীসকল স্ব-স্থানে প্ৰস্থান কৰিলে। কৃষ্ণই মনোৰম সুৰেৰে পুনৰ মুৰুলী বজাবলৈ ধৰাত গৰুবোৰ আহি ঘৰ অভিমুখে যাবলৈ প্ৰস্তুত হ'ল। তেতিয়া গোপবালকসকলে মালতী ফুলৰ মালাৰে গোমাতাসকলক সুশোভিত কৰিলে। এইদৰে কৃষ্ণই গোষ্ঠবিহাৰত গো-মাতৃসকলক ঘাঁহ-বন আগবঢ়াই খাব দি কৰা পূজা-অৰ্চনাৰ দ্বাৰা গো-পূজাৰ যি আদৰ্শ দেখুৱালে সেয়াই মানুহে পালন কৰিব ধৰিলে। কৃষ্ণই গোষ্ঠবিহাৰ পাতিছিল কাতি মাহৰ শুক্লা অষ্টমী তিথিত। এই তিথিটোতে সুদূৰ অতীতৰে পৰা বৰ্তমানলৈ গোষ্ঠাষ্টমী বা গো-পূজা পাতি অহা-হৈছে।

লেখক মুনীন্দ্র ভট্টাচাৰ্যই গো-পূজা সম্পৰ্কত লিখিছে : 'শ্ৰীকৃষ্ণই গোষ্ঠবিহাৰত লগৰীয়া গোপকুমাৰসকলক গোষ্ঠবিহাৰৰ তাৎপৰ্য ব্যাখ্যা কৰে। তেওঁ কয় যে গৰুবোৰ মানুহৰ পিতৃ-মাতৃস্বৰূপ। কাৰণ মানুহে বাল্যকালৰ মাত্ৰ কেইবছৰমানহে মাতৃদুগ্ধ খায়। কিন্তু ওৰেটো জীৱন মানুহে গাই গৰুৰ গাখীৰ খাই পৰিপুষ্টি লাভ কৰে। আনহাতে, বলধ গৰুবোৰে মানুহক আজীৱন কৃষিকৰ্মত সহায় কৰে। গতিকে গৰুৰ পৰা পোৱা উপকাৰ পিতৃ-মাতৃৰ সমান বুলিব পাৰি। সেইবাবে গো-জাতি মানুহৰ পিতৃ-মাতৃ বুলি নিশ্চিতভাৱে ক'ব পাৰো। যদি সেয়ে হয় তেন্তে পিতৃ-মাতৃৰ দৰে গৰুৰ প্ৰতিও আমি শ্ৰদ্ধাশীল হোৱা বাঞ্ছনীয়। ষাঁড় বা বলধ গৰুবোৰ মানুহৰ পিতৃস্বৰূপ আৰু গাই গৰুবোৰ মাতৃস্বৰূপ। গোপালেই (কৃষ্ণ) স্বয়ং গো-পালক, গো-ৰক্ষক, গো-পূজক, তেওঁ নিজেই বৃন্দাবনত গো জাতিক পূজা কৰাৰ আদৰ্শ দেখুৱাইছে।

বৃন্দাবনৰ গোষ্ঠবিহাৰৰ কেন্দ্ৰবিন্দু আছিল গোপাল। যমুনাৰ অবিৰাম গতি, বৃন্দাবনৰ মনোৰম প্ৰকৃতিৰ শোভা, মৃদু সমীৰণৰ কোমল পৰশ, চৰাই-চিৰিকটিৰ সুললিত সুৰ, পৰিতৃপ্ত গৰুবোৰৰ মুক্ত বিচৰণ, দামুৰিবোৰৰ হেম্বেলনিত আকুল আহ্বান, গোপকুমাৰসকলৰ আনন্দ উৎসাহ—এই সকলোবোৰত যেন একেটি সুৰ, একেটি স্পন্দন। সেই সুৰ, স্পন্দন গোপাল দেৱৰেই। গোপাল দেৱেই গো-গোপ, গো-পালক, গো-ৰক্ষক, গোবিন্দ অৰ্থাৎ গোপালৰ বাহিৰে অইন ক'তো একো পাবলৈ নাই। গো-পূজাৰ মূলতত্ত্ব এয়ে আৰু গো-পূজাৰ মূল দেৱতা শ্ৰীশ্ৰী গোপালক এইভাৱে পূজা কৰাৰ প্ৰচলিত বিধি আছে।

গো-পূজা বা গোষ্ঠাষ্টমী বা গোপাষ্টমী কেইবাদিনো ধৰি উদ্‌যাপিত হয়। যেনে—গুৱাহাটীৰ গোশালাত (আঠগাঁৱত) ২ দিন, চামতাৰ গোপীনাথ প্ৰাঙ্গণত আৰু পশ্চিম চামতাত (প্ৰাচীন ধৰ্মপুৰ) গো-পূজা ৫ দিন ধৰি উদ্‌যাপিত হয়।

গো-পূজাৰ পূজা ক্ৰম

পূজাৰ আগনিশাই বেদীৰ ওপৰত অংকিত মণ্ডলৰ ওপৰত সজ্জিয়াপৰত প্ৰতিমা স্থাপন কৰিব লাগে। এই পৰ্বৰ পাছতে অধিবাস কাৰ্য সম্পাদন কৰা হয়। গো-পূজাৰ ক্ৰম হ'ল এনেকুৱা—প্ৰথমতে গণেশাদি পঞ্চ দেৱতাৰ পূজা। তাৰ পাছত ক্ৰমান্বয়ে ঘট স্থাপন, সংকল্প, অৰ্ঘ্য, গণেশপূজা আৰু ধ্যান, নিৰ্বাচন ন্যাস, প্ৰাণায়াম, ব্যাপক ন্যাস, সামান্যাৰ্ঘ্য, মূল দেৱতা গোপালৰ ধ্যান, ষোড়শোপচাৰে পূজা, পুনঃধ্যান, প্ৰাণ প্ৰতিষ্ঠা, চক্ষুদান, আৱাহন, মূল পূজা, বিশেষাৰ্ঘ্য স্থাপন, পীঠ ন্যাস,

ষড়াংগ পূজা, হোম, গো-পূজা, শান্তি পুষ্পাঞ্জলি, দক্ষিণায়ন আৰু সূৰ্যাৰ্ঘ্য। এই পূজাৰ সৈতে গোপালৰ সহস্ৰ নাম পাঠ কৰিব লাগে।

গোষ্ঠাষ্টমীৰ লগত মিল থকা আন কেতবোৰ পৰ্ব

গোষ্ঠাষ্টমীৰ লগত মিল থকা অনেক উৎসৱ-পাৰ্বণ আছে। এনে এটি অনুষ্ঠান হ'ল গ'লি বা গোহালিৰ নাম। বৰপেটা জিলাৰ বজালী অঞ্চলত প্ৰচলিত এই অনুষ্ঠানটো সম্পৰ্কত ড° প্ৰণতি শৰ্মা গোস্বামীয়ে কয় ঃ গো-লক্ষ্মীক পূজা কৰাই গলিৰ নামৰ মূল উদ্দেশ্য। এই নামৰ গোসাঁই গো বালক। নামনি অসমত এওঁকেই 'গইৰ্খা গহে' বা 'গইৰ্খা গঁহয়' বোলা হয়। বাৰিষা কালত হোৱা গৰুৰ বেমাৰ-আজাৰক বাধা দিবলৈ এই নামৰ আয়োজন কৰা হয়। কোনো কোনোৱে কেঁচাগুড়াৰ লাৰুও বনায়। নামত ওচৰ-চুবুৰীয়াক মাতি নামগোৱা, পুথিপাঠ কৰা আৰু হৰিধ্বনি দিয়া হয়। তাৰ পাছত গৰুক নতুন গলিত চাং ঘৰত স্থাপন কৰা হয়। গ'লিৰ নামৰ জৰিয়তে গওঁৱা ৰাইজে গো-লক্ষ্মী আৰু গৰখীয়া গোসাঁইক সেৱা-সন্মান আৰু পূজা কৰাৰ জৰিয়তে গৰু-ম'হক শ্ৰদ্ধা-ভক্তি কৰি কৃষিৰ উৎপাদন বৃদ্ধিত গুৰুত্ব দি আহিছে। গো-পূজাৰ লগত নলবাৰী জিলাত প্ৰচলিত গোপালৰ নামৰ মিল আছে। গাঁৱৰ কোনো লোকৰ ঘৰত গৰুৰ পোৱালি জন্মিলে এমাহ পাছত 'আচ্ছ' বা 'অশুচি' যোৱাত এই পৰ্ব পতা হয়। গৃহস্থৰ ঘৰত বা মন্দিৰত পতা এই পৰ্বত সন্ধিয়া বুট-মগু, ফল-মূল, গুৰ, কল, চাউলৰ গুড়ি, পানীৰে কেঁচা ভোগ কৰি নৈবেদ্য আগবঢ়ায়। সৰু ল'ৰা বা গৰখীয়া ল'ৰাক এই পৰ্বলৈ নিমন্ত্ৰণ কৰি হৰিধ্বনি দি গৃহস্থই আশীৰ্বাদ লৈ পূজা সমাপ্ত কৰে। ইয়াৰ উপৰি 'গৰখীয়া সেৱা', 'মহোহো উৎসৱ', 'বাঘোলপিতা উৎসৱ', গোৱালপাৰা জিলাৰ ৰাখাল পূজা, উজনি অসমৰ গৰখীয়া সবাহ আদিৰ গোষ্ঠাষ্টমীৰ লগত অনেক বিষয়ত মিল পৰিলক্ষিত হয়।

প্ৰাচীন ধৰ্মপুৰ গো-পূজা সমিতিৰ গোষ্ঠাষ্টমীৰ মনোৰম ৰূপ

নলবাৰী জিলাৰ প্ৰাচীন ধৰ্মপুৰ মৌজা ব্ৰিটিছ শাসন কালত কামৰূপ জিলাৰ নলবাৰী মহকুমাৰ পশ্চিম প্ৰান্তৰ ৩৭ খন গাঁৱৰে গঠিত।

চামতাৰ গোপীনাথ প্ৰাঙ্গণত হোৱা গো-পূজাই সম্প্ৰতি ৮৪ বছৰত ভৰি দিছে। ১৯২০ চনৰ কাতি মাহৰ শুক্লা অষ্টমী তিথিত পোনপ্ৰথমতে এই পৰ্বটি প্ৰাচীন ধৰ্মপুৰবাসী ৰাইজৰ মাজত ধৰ্মীয় ঐক্য-শান্তি প্ৰতিষ্ঠাৰ উদ্দেশ্য আগত ৰাখি অবিভক্ত ধৰ্মপুৰ মৌজাৰ মৌজাদাৰ গৃহগোপী প্ৰয়াত ৰখীধৰ চৌধুৰীদেৱৰ উদ্যোগত আৰম্ভ কৰা হয়। প্ৰথম বছৰ এই পৰ্ব চামতা গাঁৱৰ পশ্চিম দিশত থকা প্ৰয়াত দেৱী

দলৈ দেৱৰ ঘৰৰ ওচৰৰ মুকলি পথাৰত আৰম্ভ কৰিছিল। ১৯৩৫ চনৰ পৰা বৰ্তমানলৈ এই গো-পূজা চামতাৰ ৰবক্ষেত্ৰাপাৰা চুবাৰ গোপীনাথ প্ৰাঙ্গণত উদ্‌যাপিত হৈ আহিছে। একেটা চনৰ পৰা মূৰ্তি সাজি পূজা কৰাৰ ব্যৱস্থা হয়। ১৯৯১ চনৰ পৰা বৰ্তমানলৈ এই উৎসৱ পাঁচ দিনীয়াকৈ পালিত হৈ আহিছে। পশ্চিম চামতাৰ 'পশ্চিম চামতা উচ্চ মাধ্যমিক বিদ্যালয়'ৰ ওচৰতো গো-পূজা আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপিত হয়। দুয়ো ঠাইৰ গো-পূজাতে বৰ্তমান মন্দিৰত বৃন্দাবনত কৃষ্ণই গোপবালকৰ সৈতে গৰু চৰোৱা দৃশ্য, শ্ৰীকৃষ্ণৰ বাল্য লীলাৰ নানা ক্ৰীড়া, বলোৰাম কৃষ্ণৰ মূৰ্তি মন্দিৰৰ বিভিন্ন নৈসৰ্গিক দৃশ্য, ৰাজপ্ৰাসাদৰ দৃশ্য আঁকি দেখিৱলৈ মনোৰম কৰা হয়। আজি প্ৰায় ৫ বছৰমান আগৰ পৰা ৰাস মহোৎসৱৰ দৰে মন্দিৰৰ কাষৰ পৰা কিছুদূৰ ব্যাপী সৰু সৰু ঘৰ সাজি তাৰ বেৰত নানা নৈসৰ্গিক, ৰাজপ্ৰাসাদ লগুৱা-লিকচৌ আদিৰ ছবি আঁকি গছৰ ঠাল-ঠেঙুলি ৰাখি তাত পৌৰাণিক নানা ঘটনা প্ৰকাশ কৰিবলৈ মূৰ্তি ৰাখে। উৎসৱৰ কেইদিনত সাংস্কৃতিক অনুষ্ঠান নাগাৰা নাম, জুনা নাম, তুলীড়া প্ৰদৰ্শন, ওজাপালি, পুতলা নাচ, চাৰ্কাছ প্ৰদৰ্শন, যাত্ৰা পাৰ্টিৰ নাট্য প্ৰদৰ্শন, ভ্ৰাম্যমাণ থিয়েটাৰ প্ৰদৰ্শন, বোলছবি প্ৰদৰ্শন, সাংস্কৃতিক সন্ধিয়া আদি উপভোগ কৰিবলৈ উৎসৱস্থলী দুখনলৈ প্ৰতি বছৰ হেজাৰ হেজাৰ লোকৰ আগমন হয়। গোপীনাথ প্ৰাঙ্গণত প্ৰতি বছৰে হোৱা নাগাৰা নামৰ প্ৰতিযোগিতাও মানুহৰ আকৰ্ষণৰ এক অনুষ্ঠান।

এই দুখন ঠাইৰ উপৰি ধৰ্মপুৰ মৌজাৰ কেন্দুবাৰীত গো-পূজা হোৱাৰ উপৰি চান্দকুছিৰ গোপাল থান, গুৱাহাটীৰ গোশালাত (আঠগাঁৱৰ), বৌমাৰী, কালাদি গোপাল মন্দিৰ থান, গমাৰীমূৰী, পিপলীবাৰী আদিত গো-পূজা উদ্‌যাপিত হয়।

চান্দ্ৰায়ণ

নিজকে পৰিশুদ্ধ কৰাৰ এক ব্ৰতাচৰণ হ'ল— 'চান্দ্ৰায়ণ'। এই ব্ৰত পালনৰ নিয়মৰ লগত চন্দ্ৰ উপাখ্যান জড়িত কাৰণে ইয়াক সম্ভৱতঃ চান্দ্ৰায়ণ ব্ৰত বোলে। এই ব্ৰতৰ শাস্ত্ৰনিৰ্দিষ্ট পৰ্বৰ বাহিৰেও বিশেষভাৱে গুৰুত্ব দিয়া হয় নিয়মৰ আধাৰত পালিত ভোজনৰ ওপৰত। মনুসংহিতা, পৰাশৰ সংহিতা আদি শাস্ত্ৰত এই ব্ৰতৰ কথা আছে। চান্দ্ৰায়ণ ব্ৰত কোনো এক ডাঙৰ পাপ নাশৰ কাৰণে উদ্‌যাপন কৰা হয়। মনুস্মৃতিত চান্দ্ৰায়ণ ব্ৰত কেনে ধৰণৰ পাপ নাশৰ অৰ্থে পালন কৰা উচিত তাৰ বৰ্ণনা আছে। প্ৰসংগক্ৰমে উল্লেখ্য যে সুস্থ-সবল, নৈতিক ভাবাদৰ্শেৰে আৰু সুচিন্তা, সু-কৰ্মৰে জীৱন অতিবাহিত কৰাৰ মহান আহ্বান ঘোষিত হৈছে মনুস্মৃতিত। ইয়াৰ বাবে বৈদিক কৰ্মৰ (পূজা উপাসনা) লগতে মানুহে পালন কৰিবলগীয়া নৈতিক কৰ্মবো, নিৰ্দেশ দিছে শাস্ত্ৰখনে। ইয়াত আনৰ অনিষ্টকাৰী কিছুমান কাৰ্যক পাপ হিচাপে গণ্য কৰি সেয়া ব্ৰত, পূজা আদিৰ দ্বাৰা নাশৰ উপদেশ দিছে। যেনে— 'শুষ্কানি ভুক্তা মাংসানি ভৌমানি কব্‌জানি চ/অজ্ঞাতঞ্চৈৱ সুনাস্থমেতদেৱ ব্ৰতং চৰেৎ।" অৰ্থাৎ— 'শুকান মাংস, মাটিত বা গছত হোৱা বেংছাতি, অজ্ঞাত (অৰ্থাৎ হৰিণৰ নে কিহৰ নজনাকৈ কোনো) মাংস আৰু কচাইখানাৰ পৰা অনা মাংস খালে চান্দ্ৰায়ণ ব্ৰত পালন কৰিব।' এই শ্লোকটোত উল্লেখ থকা বস্তুসমূহ কি কাৰণত খোৱা শাস্ত্ৰবিৰুদ্ধ তাৰ বৈদিক ভিত্তি নাজানিলেও সাধাৰণভাৱে চাবলৈ গ'লে এইবোৰ খোৱা যে অপকাৰী তাক ধৰিব পাৰি। সকলোৰে বোধগম্য যে জীৱ-জন্তুৰ শুকান মাংস বহুদিন থকাৰ পিছত তাত নানা ৰোগৰ বীজাণু সৃষ্টি হ'ব পাৰে; মাটি বা গছত হোৱা বেংছাতি বিষাক্ত। আকৌ কি জীৱ-জন্তুৰ মাংস সেয়া নজনাকৈ খোৱাটো অনুচিত। কাৰণ যি কোনো ধৰ্মতে খাদ্যৰ বাছ-বিচাৰ আছে। জীৱ-জন্তুৰ মাংসৰ ক্ষেত্ৰতো আছে। মনুস্মৃতি বা মনুসংহিতাৰ ব্যাখ্যা অনুসৰি উপৰিউক্ত বস্তুবোৰ খালে মানুহৰ পাপ বা অপবিত্ৰ হয় আৰু তেতিয়া পাপ নাশিবলৈ বা পবিত্ৰ কৰিবলৈ চান্দ্ৰায়ণ ব্ৰত পালন কৰিব লাগে। জীৱ-জন্তুৰ মল-মূত্ৰ বিষাক্ত। এইবোৰ অপবিত্ৰও। কিবা কাৰণত অসাৱধানবশতঃ এইবোৰ খালে চান্দ্ৰায়ণ ব্ৰত পালন কৰিব লাগে। মনুসংহিতাৰ এঘাৰ অধ্যায়ৰ ১৫৫ নং শ্লোক অনুসৰি জংঘলী গাহৰি, গাধ, উট, শিয়াল, বান্দৰ বা কাউৰীৰ মল-মূত্ৰ খালে চান্দ্ৰায়ণ ব্ৰত পালন কৰিব। চুৰি কাৰ্যৰ চান্দ্ৰায়ণ ব্ৰতৰ দ্বাৰা

প্ৰায়শ্চিত্ত কৰাৰ নিৰ্দেশ মনুসংহিতাত এনেদৰে আছে : 'মানুহ, স্ত্ৰী, খেতি, ঘৰ, কুঁৱা, পুখুৰীৰ পানী চুৰ কৰিলে চান্দ্ৰায়ণ ব্ৰতৰ দ্বাৰা শুদ্ধ হ'ব।' পাপীয়ে পাপ কাৰ্য আনৰ আগত ব্যক্ত কৰিব লাগে। তেওঁৰ মনে যিমানে সেই পাপ কাৰ্যক নিন্দা কৰিব সিমানে পাপৰ পৰা মুক্ত হ'ব। অনুতাপ কৰিলেও মুক্ত হয়। দুনাই এনে কাৰ্য নকৰাৰ সংকল্পবদ্ধ হৈ পাপ কাৰ্য পৰিহাৰ কৰি পবিত্ৰ হয়। ব্ৰত-প্ৰায়শ্চিত্ত আদি কৰাৰ পিছত পাপীজনৰ মনত যেতিয়ালৈকে মোৰ পাপ দূৰ হৈছে বুলি আত্মপ্ৰত্যয় নজন্মে তেতিয়ালৈকে ব্ৰত, প্ৰায়শ্চিত্যাদি পালন কৰি থাকিব লাগে।

চান্দ্ৰায়ণ ব্ৰত : ড° হৰিনাথ শৰ্মা দলৈয়ে 'ভাৰত কোষ' গ্ৰন্থত লিখিছে : 'চান্দ্ৰায়ণ ব্ৰত পালনকাৰীয়ে শুক্লা প্ৰতিপদ তিথিত এগৰাহ মাত্ৰ ভাত খাব। তাৰ পিছত পূৰ্ণিমালৈ ক্ৰমে দিনে একো গৰাহকৈ বঢ়াই নিব। কৃষ্ণ প্ৰতিপদৰ পৰা আকৌ দিনে একো গৰাহকৈ কমাই নি অমাবস্যাৰ দিনা একোকে নাখাব। উল্লেখ্য যে— বৈদিক দেৱতা চন্দ্ৰৰ আখ্যানৰ একাংশৰ লগত উপৰিউক্ত ব্যৱস্থা পালনৰ তাৎপৰ্য নিহিত হৈ থকা যেন লাগে। চন্দ্ৰৰ এই উপাখ্যানটো হ'ল—চন্দ্ৰই দক্ষ ৰজাৰ ২৭ গৰাকী কন্যাক বিয়া কৰায়। তেওঁলোকৰ ভিতৰত চন্দ্ৰই ৰোহিণীক বেছি ভাল পায় বাবে সেই অপৰাধত শহুৰেক দক্ষই তেওঁক ক্ষয় ৰোগাক্ৰান্ত হ'ব বুলি অভিশাপ দিয়ে। পিছত সেই ৰোগ নিবৃত্তিৰ বাবে চন্দ্ৰই ব্ৰহ্মাৰ পৰামৰ্শ মতে শিৱক আৰাধনা কৰে। তপস্যাত সন্তুষ্ট হৈ শেষত শিৱে কয়— 'কৃষ্ণপক্ষত চন্দ্ৰৰ কলা প্ৰতিদিনে ক্ষয় হ'ব। কিন্তু শুক্লপক্ষত সেই কলা নিৰন্তৰ বৃদ্ধি হ'ব। চন্দ্ৰৰ এই আখ্যানৰ ওপৰত গুৰুত্ব দিয়েই সম্ভৱতঃ পাপ নাশৰ অৰ্থে চান্দ্ৰায়ণ ব্ৰতীয়ে পূৰ্ণিমালৈ ভাত বঢ়াই নি কৃষ্ণপক্ষত কমাই খায়।

মনুস্মৃতিত আছে : 'পুৱা, দুপৰীয়া আৰু সন্ধিয়া এই তিনিওটা সময়ত কৃষ্ণপক্ষত প্ৰতিদিন মাত্ৰ এগৰাহ ভোজন কৰা তথা শুক্লপক্ষত প্ৰতিদিন এগৰাহকৈ ভোজন বঢ়াই গৈ থকাকে চান্দ্ৰায়ণ ব্ৰত বোলা হয়।' চান্দ্ৰায়ণ ব্ৰতৰ বিভিন্ন প্ৰকাৰ বৰ্ণনাও একেখন শাস্ত্ৰতে আছে—এবিধৰ নাম হ'ল 'যৱ মধ্যম চান্দ্ৰায়ণ ব্ৰত', আন এবিধৰ নাম হ'ল 'যতি চান্দ্ৰায়ণ ব্ৰত।' এই ব্ৰত পালন কৰা ব্ৰতীয়ে শুক্লপক্ষ বা কৃষ্ণপক্ষৰ পৰা আৰম্ভ কৰি এমাহলৈ প্ৰতিদিনে দুপৰীয়া আঠগৰাহকৈ হৱিচ কৰিব। আকৌ যি কোনো এটা প্ৰতিপদত আৰম্ভ কৰি এমাহলৈ সমাহিত চিত্তেৰে প্ৰতিদিনে পুৱা সময়ত চাৰিগৰাহ আৰু সূৰ্যাস্তৰ পিছত চাৰিগৰাহ ভোজন কৰাকে 'শিশু চান্দ্ৰায়ণ ব্ৰত' বোলা হয়। এমাহলৈ সংযতভাৱে কোনোদিন পাঁচগৰাহ, কোনো দিন দহগৰাহ, কোনোদিন উপবাস এই ধৰণে এমাহত দুশ চল্লিছগৰাহ ভোজন কৰা

ব্ৰতীজনে চন্দ্ৰলোক পায়। চান্দ্ৰায়ণ ব্ৰত পালন কৰা সময়ত ব্ৰতীজনৰ কাৰ্যৰ বৰ্ণনা এনে ধৰণেৰে আছে মনুসংহিতাত : পিপিলিকাম্য আৰু 'যৱমঠ' নামৰ চান্দ্ৰায়ণ ব্ৰত পালন কৰি দিনত আৰু ৰাতি পিন্ধি থকা কাপোৰৰ সৈতে গা ধুব আৰু ব্ৰত সম্পূৰ্ণ নোহোৱালৈকে দুই শ্ৰেণীৰ মানুহৰ লগতে পতিতাৰ সৈতে কথা-বতৰা নাপাতিব। অহিংসা, দয়া, সত্য ভাষণ, ক্ৰোধ ত্যাগ, সৰল আচৰণ, সাধু বাক্য, সংযত আচৰণ আদি গুণেৰে মানুহে জীৱন অতিবাহিত কৰিব লাগে। প্ৰতিদিন 'ভূঃভূৱ-স্বঃ' এই মন্ত্ৰৰ দ্বাৰা ঘিউৰ আহুতি দিব লাগে। গৃহস্থই প্ৰতিদিন নিজ গৃহত হোমাহুতিৰ আয়োজন কৰিব লাগে। ইয়াক অগ্নিহোত্ৰ বোলে। বৈদিক যুগত ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্যই সদায় এই হোম কাৰ্য কৰিব লাগিছিল। বিশেষকৈ ব্ৰাহ্মণৰ কাৰণে এই হোম নিত্য আৰু অপৰিহাৰ্য। পুৱা আৰু সন্ধিয়া সময়ত এই হোম কৰিব লাগে। দধি, দুগ্ধ, যৱ, ঘৃত, ওদন, তণ্ডুল, সোমৰস, মাংস, তৈল আৰু মাছ এই দহ বিধ দ্ৰব্য এই হোমত লাগে। অগ্নিহোত্ৰীয়ে হোম নকৰাটো মহাপাপ আৰু ইয়াক নাশ কৰিবলৈ চান্দ্ৰায়ণ ব্ৰত পালন কৰিব লাগে।

চান্দ্ৰায়ণ ব্ৰতৰ মাজত শাস্ত্ৰ নিৰ্দিষ্ট আন কৰণীয় কাৰ্যও আছে। হৃদয়ত সৎ আৰু ভগৱৎপ্ৰেমৰ ভাব আৰোপ কৰি এইবোৰ পালন কৰিব লাগে।

বৈদিক দেৱতা ইন্দ্ৰ আৰু ইন্দ্ৰধ্বজ পূজা

ৰজাই প্ৰজাৰ মংগলৰ কাৰণে তাহানিতে কৰা এক উৎসৱ আছিল ইন্দ্ৰধ্বজ পূজা। ইন্দ্ৰধ্বজ উৎসৱত তাহানিৰ ৰজা-মহাৰজাই ধ্বজা পুতি আড়ম্বৰপূৰ্ণভাৱে নানা পৰ্বৰ আয়োজনেৰে ইন্দ্ৰ দেৱতাৰ পূজা কৰিছিল। দৰাচলতে বৈদিক ব্যাখ্যাৰে ইন্দ্ৰ দেৱতাৰ বৰ্ণনা দিবলৈ ওলালেহে ইয়াৰ মাজতে ইন্দ্ৰধ্বজ পূজাৰ তাৎপৰ্যৰ মহান দিশটো পৰিলক্ষিত হয়।

ড° হৰিনাথ শৰ্মা দলৈয়ে 'ভাৰত কোষ' গ্ৰন্থত লিখিছে : 'বৈদিক দেৱতা ইন্দ্ৰ হ'ল আকাশ বা স্বৰ্গৰ অধিপতি। তেওঁৰ কাৰ্যাৱলী মানৱ জাতিৰ কাৰণে উপকাৰী। সেয়েহে বেদৰ ভালেমান উপাসনা-মন্ত্ৰত তেওঁক আন সকলোতকৈ বেছি স্তুতি কৰা হৈছে। ঋক্‌বেদৰ দুটা সূক্তত ইন্দ্ৰৰ জন্ম বিবৰণ পোৱা যায়। অদিতি তেওঁৰ মাতৃ বুলি জনা যায়। ঋক্‌বেদৰ পুৰুষ সূক্ত মতে ইন্দ্ৰ আৰু অগ্নিৰ জন্ম পুৰুষৰ মুখৰ পৰা হৈছে।

ঋক্‌বেদৰ অষ্টম মণ্ডলত আছে— '(হে উদ্‌গাতাসকল) মেধাৱী, মহৎ, কৰ্মকৰ্তা, বিদ্বান, স্তুতি ইচ্ছা কৰা ইন্দ্ৰলৈ বৃহৎ সোমদান কৰা। হে ইন্দ্ৰদেৱ, তুমি (শত্ৰুৰ) অভিভৱিতা। তুমি সূৰ্যক দীপ্ত কৰিলা। তুমি সকলো কৰ্ম, সকলো দেৱতা স্বৰূপ। তুমি মহান ।।২।। এক কথাত ঋক্‌বেদত ইন্দ্ৰৰ অনেক প্ৰশস্তিৰে তেওঁৰ উদ্দেশ্যে যজ্ঞ, পূজা আগবঢ়াই মংগল, ধন-ঐশ্বৰ্য, সুখ-শান্তি কামনা কৰা হৈছে।

ইন্দ্ৰ হ'ল প্ৰাকৃতিক ঘটনাক্ৰমৰ অধিষ্ঠাতা দেৱতা আৰু অন্তৰীক্ষৰ প্ৰধান দেৱতা। এই জগতত বাস কৰা প্ৰাণী আৰু মানৱ জাতিক সৰ্বতোপ্ৰকাৰে উপকাৰ কৰে। পৃথিৱীত জীৱজগত, খেতি-বাতি আদিৰ প্ৰধান চালিকাশক্তি পানী। খেতি-বাতিৰ পৰা উৎপাদিত ফচলেৰে মানুহ জীয়াই থাকে। পানীয়ে তৃষ্ণা দূৰ কৰাই নহয়, আন নানা ধৰণৰ প্ৰয়োজন পূৰণৰ অৰ্থেও পানীৰ ব্যৱহাৰ অপৰিহাৰ্য। এই পানী দান কৰে ইন্দ্ৰদেৱে। শাস্ত্ৰত আছে : 'ইন্দ্ৰই অনাবৃষ্টি দূৰ কৰে। জলক (পানী) তেওঁ প্ৰমুক্ত কৰে। তেওঁ বৃষ্টি বৰ্ষণকাৰী দেৱতা।' ইন্দ্ৰই অন্ধকাৰকাৰী অসুৰক বিনাশ কৰে। অসুৰবোৰ হৈছে অপশক্তি, অপসংস্কৃতিৰ প্ৰতীক। নানা দুষ্কাৰ্যৰে স্বৰ্গৰ দেৱতাসকলক আৰু পৃথিৱীৰ মানৱ জাতিক সৰ্বতোপ্ৰকাৰে বিপৰ্যস্ত কৰি দুখ-দুৰ্গতি প্ৰদান কৰিছিল। সিহঁতৰ আক্ৰমণত বিপৰ্যস্ত হৈ ইন্দ্ৰদেৱে স্বৰ্গৰ আন দেৱতাসকলৰ

স'তে ভগবান শিব, ব্ৰহ্মা, বিষ্ণু আদিক জনায়। তেতিয়া একো-একোটা শক্তি সৃষ্টিৰে সন্মুখ সমৰত অসুৰসকলক দমন কৰে ইন্দ্ৰই। কেতিয়াবা দেৱতাসকলৰ সহায়ত অসুৰক বিনাশো কৰি স্বৰ্গ আৰু পৃথিৱীলৈ শান্তি-সুখ ঘূৰাই আনিছিল। সৌন্দৰ্য সৃষ্টিৰ ক্ষেত্ৰতো তেওঁৰ প্ৰভাৱ অভিনৱ। পৰ্বত, সমুদ্ৰ, নদী, আকাশ আদিৰ ওপৰত তেওঁৰ আধিপত্য। এইবোৰ প্ৰাকৃতিক দৃশ্যৰ অৱলম্বনতে পৃথিৱীৰ নৈসৰ্গিক শোভা অপৰূপ হৈ পৰিছে। তেওঁ প্ৰজ্ঞা, ধৃতি, বুদ্ধি, জ্ঞানৰ ওপৰতো প্ৰভুত্ব বিস্তাৰ কৰে। মানৱক এইবোৰৰ দ্বাৰা চৰিত্ৰৱান কৰি মানৱ জাতিক সুসভ্য, সংস্কৃতিৱান, জ্ঞানান্বেষী, বুদ্ধিদীপ্ত, সত্যশীল, ন্যায়পৰায়ণৰূপে গঢ়ি তুলিব পাৰে ইন্দ্ৰই। তেওঁ মানুহৰ অভীষ্টদাতা দেৱতা। পবিত্ৰ মনেৰে ভক্তিভাৱে ইন্দ্ৰৰ আৱাহন, পূজা-পাতলেৰে সন্তুষ্ট কৰি মনৰ সৎকামনা সিদ্ধ কৰিব পাৰে মানুহে। তেওঁক পূজা-উপাসনা কৰি মানুহে শত্ৰু নাশ কৰিব পাৰে। সৎ লোকৰ সৎ মনৰ অধিকাৰী তেওঁ। এনে লোকৰ মন সু-সংস্কৃতিৰ কৰ্মময় পথত ধাৱিত কৰি স্বৰ্গীয় আনন্দৰ সুষমাৰে মানৱ জীৱন আৰু জগত মধুৰ কৰে ইন্দ্ৰই। কোমল আৰু কঠোৰতাৰ সংমিশ্ৰণৰে বৈচিত্ৰ্যময় ইন্দ্ৰদেৱৰ চৰিত্ৰ। ঋক্‌বেদত তেওঁক ভীম আৰু উগ্ৰ বুলিছে। দুষ্টক দমন কৰিবলৈ, অসুৰ বধ কৰিবলৈ (দুষ্টক দমন) তেওঁ উগ্ৰ স্বভাৱ লয়। ইন্দ্ৰক পূজা-উপাসনাৰে জয় কৰি (সন্তুষ্ট কৰি) নানা কাৰ্যত সফল হ'ব পাৰি। ঋক্‌বেদত আছে ঃ 'হে বীৰ ইন্দ্ৰ, পুৰোডাশ অন্ন গ্ৰহণ কৰি শত-সহস্ৰ গৰু আমাক দিয়া।।১।। হে ইন্দ্ৰ, আমাক আজ্ঞা, গৰু, ঘোঁৰা, তেল, মনোহৰ সোণৰ অলংকাৰৰ সৈতে দিয়া হওক।।২।। আকৌ ইন্দ্ৰক বায়ু-অগ্নিৰ সৈতে সংযোগ কৰি প্ৰশস্তি কৰা হৈছে একেখন বেদশাস্ত্ৰত। ইন্দ্ৰাগ্নি ৰূপেৰে এই দেৱতা দুজন, অৰ্থাৎ ইন্দ্ৰ আৰু অগ্নিক কবিসকলে কবিত্ব শক্তিৰে বিচাৰে বুলি দেৱতা দুজনৰ মাজত থকা কবিত্ব শক্তিৰ উল্লেখ কৰিছে।

ইন্দ্ৰধ্বজ উৎসৱ ঃ ইন্দ্ৰধ্বজ পূজা বা উৎসৱৰ প্ৰচলন সম্পৰ্কে শাস্ত্ৰত পোৱা যায়। সেই অনুসাৰে চেদী ৰাজ্যৰ ৰজা, পুৰুৰৱ বংশধৰ আছিল উপৰিচৰ। উপৰিচৰৰ আচল পত্নীৰ পৰা পাঁচজন পুত্ৰ ওপজে। উপৰিচৰ ইন্দ্ৰৰ বন্ধু আছিল। বন্ধুৰ মৰমত দেৱৰাজে উপৰিচৰক স্ফটিকময় বিমান বৈজয়ন্তীমালা আৰু যষ্টি (লাঠি) এডাল উপহাৰ দিছিল। তেওঁ ইন্দ্ৰই দিয়া বিমানত উঠি আকাশত বিচৰণ কৰিছিল। সেইবাবে তেওঁৰ নাম হয় উপৰিচৰ। এই উপৰিচৰ শব্দটো গঠিত হৈছে উপৰি + চৰ = উপৰিচৰ। উপৰি মানে ওপৰ বা আকাশ আৰু চৰ মানে হ'ল চৰচৰ (গতি) কৰা। আকাশত যি বিচৰণ কৰে তেৱেঁ উপৰিচৰ। বন্ধুত্বৰ প্ৰতি সন্মান জনাই উপৰিচৰে ভক্তি-উপাসনাৰ আয়োজনেৰে ইন্দ্ৰৰ পূজাৰ আয়োজন কৰে। আয়োগ

মাহত ইন্দ্ৰদত্ত যষ্টি ৰাজপুৰীলৈ আনি তেওঁ ইন্দ্ৰপূজা কৰে আৰু পিছদিনা ইন্দ্ৰধ্বজা উত্তোলন কৰে। তেতিয়াৰ পৰা এই উৎসৱৰ প্ৰচলন হয়। যি ৰজাই তেওঁৰ ৰাজ্যত ইন্দ্ৰধ্বজ পূজা কৰে তেওঁৰ ৰাজ্যত শস্য বাঢ়ে, প্ৰজা বৃদ্ধি হয় আৰু ৰোগ নাশ হয়। ঋক্‌বেদৰ সূক্তত ইন্দ্ৰক শতযজ্ঞকাৰী বুলিও কৈছে।

উল্লেখ্য যে শাৰদীয় লক্ষ্মী পূজাৰ দিনাও ইন্দ্ৰ পূজা কৰা হয়। ইয়াৰ লগত ইন্দ্ৰধ্বজ পূজাৰ তাৎপৰ্যৰ মিল চকুত পৰা। লক্ষ্মী দেৱী হ'ল ধন ঐশ্বৰ্যৰ অধিষ্ঠাত্ৰী দেৱী। লক্ষ্মী দেৱীক পূজা-অৰ্চনাৰ দ্বাৰা মানুহে ধন-দৌলত, সুখ-শান্তি, সমৃদ্ধি আদি লাভ কৰে। তেওঁ শস্যৰো অধিষ্ঠাত্ৰী দেৱী। লক্ষ্মী পূজাৰ উপৰি খেতিৰ সময়ত শস্যৰ সুবৃদ্ধি কামনা কৰি দেৱীক নানা ধৰণৰ পূজা-উপাসনাৰ ব্যৱস্থা কৰে। ইন্দ্ৰও হ'ল ধন-সম্পদ, শস্য, অন্ন, সুখ-শান্তি আদিৰ দেৱতা। শাৰদীয় লক্ষ্মী পূজাত দেৱীৰ লগতে ইন্দ্ৰকো পূজা কৰা হয়। তেওঁক দশোপচাৰেৰে পূজা কৰা হয়। দশোপচাৰ হ'ল—পাদ্য, অৰ্ঘ্য, আচমনীয়, স্নানীয়, ঘৃতাহুতি, গন্ধ, পুষ্প, ধূপ, দীপ, নৈবেদ্য।

বৈদিক দৃষ্টিৰে আঘোণ মাহত ইন্দ্ৰধ্বজ পূজা কৰাৰ এক সুগভীৰ উদ্দেশ্য পৰিলক্ষিত হয়। সুপ্ৰাচীন ধৰ্মগ্ৰন্থ 'শুক্ল যজুৰ্বেদ'ত বছৰৰ বাৰটা মাহত বিভিন্ন শক্তি বৃদ্ধিৰ কামনাৰে যজ্ঞৰ আহুতি দিয়াৰ কথা ঘোষিত হৈছে। 'কিনাশৰ প্ৰিত অন্তত স্থিত আঘোণ মাহৰ প্ৰতি, সমগ্ৰ ভুৱনৰ পুষ্টিদাতা পুহ মাহৰ প্ৰতি আহুতি দিয়া হওক।' আঘোণ মাহত ভৰি পৰা শস্যক্ষেত্ৰৰ পৰা ধান আনি ভঁৰাল ভৰোৱা হয়। সেই ধানৰ চাউলৰ দ্বাৰা পৃথিৱীত মানৱ জাতিৰ ক্ষুধা নিবাৰণ হয়। গতিকে অন্নদাতা ইন্দ্ৰক আঘোণত ধ্বজা উত্তোলনেৰে পূজা কৰি শইচেৰে ভঁৰাল ভৰাৰ কামনা কৰা হয়।

সুসন্তান কামনাৰ অনুষ্ঠান
পোহন বিয়া

বৈদিক দৃষ্টিকোণৰ ভিত্তিত অতীত সমাজত প্ৰচলিত পুংসাৱন বা পোহন বিয়াৰ উপযুক্ত মানৱ সম্পদ সৃষ্টিত ভূমিকা অন্যতম আছিল। সামাজিক অনুষ্ঠান এই পুংসাৱন বা পোহন বিয়া বৈজ্ঞানিক যুক্তিনিষ্ঠও। প্ৰখৰ বুদ্ধিবৃত্তিসম্পন্ন, দূৰদৃষ্টি, বৈজ্ঞানিক জ্ঞানগৰ্ভসম্পন্ন, আধ্যাত্মিক ভাবাপন্ন ভাৰতবৰ্ষৰ অতীতকালৰ ঋষি-মুনিসকলে এই জগতৰ মানৱ জাতিৰ মাজত সুখ-শান্তি বৃদ্ধি, বৌদ্ধিক উন্নতি, শাৰীৰিক বিকাশ তথা মানসিক উৎকৰ্ষ সাধনৰ জৰিয়তে জগতখনক এক সুখ-সমৃদ্ধিৰ স্বৰ্গ ৰাজ্যত পৰিণত কৰাৰ বাবে শাস্ত্ৰত নানা বিধান দি গৈছে। পুংসাৱন বা পোহন বিয়াও এই উদ্দেশ্যত পতা এক অনুষ্ঠান। সন্তান মাতৃগৰ্ভত থাকোতে শাৰীৰিক তথা মানসিক উৎকৰ্ষ সাধনৰ হেতুকে যে এই অনুষ্ঠান পতা হয় এনে নহয়; ইয়াৰ দ্বাৰা পতি-পত্নীৰ পৰস্পৰৰ প্ৰতি থকা প্ৰেম গভীৰৰ পৰা গভীৰতৰ হয়, দুয়োৰে সমাজৰ প্ৰতি থকা দায়বদ্ধতাও বৃদ্ধি পায়।

ব্ৰাহ্মণ সমাজত গৰ্ভধাৰণৰ পৰা বিবাহলৈ মানুহৰ এই সময়খিনিত দহ ৰকমৰ সংস্কাৰ পালন কৰিব লগা হয়। ইয়াকে 'দশ সংস্কাৰ' বোলে। এই দশসংস্কাৰ হ'ল ঃ ১। গৰ্ভধান, ২। পুংসাৱন, ৩। সীমান্ত উন্নয়ন, ৪। জাতকৰ্ম, ৫। নামকৰণ, ৬। অন্ন প্ৰাসন, ৭। চূড়াকৰণ, ৮। উপনয়ন, ৯। সমাবৰ্তন আৰু ১০। বিবাহ। এই দশ সংস্কাৰক আকৌ থূলমূলভাৱে চাৰি ভাগত ভগাব পাৰি— (ক) গৰ্ভ সংস্কাৰ, (খ) শৈশৱ সংস্কাৰ, (গ) কৈশোৰ সংস্কাৰ, (ঘ) যৌৱন সংস্কাৰ। যি কি নহওক গৰ্ভধাৰণৰ পাছৰ সংস্কাৰ হ'ল পুংসাৱন। ইয়াৰ অৰ্থ হ'ল পুত্ৰ সন্তান কামনা কৰা। অৱশ্যে ইয়াত 'পুত্ৰ' মানে অকল ল'ৰাকে নুবুজায়, বুজায় পৌৰুষত্বযুক্ত গুণকহে। পৌৰুষত্বৰ অৰ্থ হৈছে হৃষ্টপুষ্ট, স্থিত-প্ৰজ্ঞ, জ্ঞানশীল, বুদ্ধি-বৃত্তিসম্পন্ন, দয়াশীল, সহানুভূতিশীল, সামাজিক দায়বদ্ধ, মহানুভৱ, বিচক্ষণ আদি গুণ। এনে গুণযুক্ত জাতক কামনাৰ অৰ্থে পুংসাৱন পতা হয় গৰ্ভধাৰণৰ তৃতীয় মাহৰ দশম দিনত। অসমীয়া মানুহে এই পুংসাৱন পাতে পোহন বিয়া নামেৰে প্ৰথম গৰ্ভধাৰণৰ অষ্টম মাহত।

সু-সন্তান সৃষ্টিত পোহন বিয়াৰ ভূমিকা

মাতৃগৰ্ভত থকা সন্তান পিতৃ-মাতৃৰ বিশেষকৈ মাতৃৰ চিন্তা-চৰ্চা, চৰিত্ৰ অনুসৰি

গঢ় লয়। মাতৃৰ গৰ্ভৱতী অৱস্থাৰ সুখ-দুখ, আনন্দ-বিষাদ আদিৰ লগতে এই সময়ত প্ৰত্যক্ষ কৰা ঘটনা বা দৃশ্যৰ প্ৰভাৱেও সন্তানৰ চৰিত্ৰ সৃষ্টি, শাৰীৰিক গঠনত প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে মহাভাৰতৰ অভিমন্যুৰ কথাকে ক'ব পাৰি। অভিমন্যুৰ জন্মৰ আগৰ কথা। তেওঁ গৰ্ভত থকা অৱস্থাত মাতৃ সুভদ্ৰাই এদিন নিশা চোতালত জোনাকত বহি পতিদেৱ অৰ্জুনৰ সৈতে নানা কথা পাতি আছিল। প্ৰসংগক্ৰমে ওলাই পৰে যুদ্ধত চক্ৰবেহুত যোদ্ধাই যুদ্ধ কৰাৰ পদ্ধতিৰ কথা। অৰ্জুনে সুভদ্ৰাক কৈ যায় যোদ্ধাই কেনেদৰে চক্ৰবেহুত প্ৰৱেশ কৰি যুদ্ধ কৰে। এইখিনিলৈকে কওঁতেই সুভদ্ৰাৰ টোপনি আহে আৰু গভীৰ নিদ্ৰাত নিমগ্ন হয়। সেইবাবে অৰ্জুনে কোৱা চক্ৰবেহুৰ পৰা যোদ্ধাই ওলোৱাৰ পদ্ধতিৰ কথা শুনিবলৈ নাপায়। অৰ্জুনে কোৱা চক্ৰবেহুত সোমাই ইয়াৰ ভিতৰত যুদ্ধ কৰা পদ্ধতি সুভদ্ৰাৰ গৰ্ভত থকা সন্তানটিয়েও শুনি আছিল। কিন্তু মাজতে টোপনি অহা বাবে চক্ৰবেহুৰ পৰা ওলোৱাৰ পদ্ধতি শুনিব নাপায়। সেই সন্তান এদিন ভূমিষ্ঠ হয়। নাম ৰাখে তেওঁৰ 'অভিমন্যু।' অভিমন্যু যৌৱনপ্ৰাপ্ত হওতেই আৰম্ভ হয় কুৰুক্ষেত্ৰৰ যুদ্ধ। যুদ্ধত অভিমন্যুই ৰণ কৰিবলৈ ওলায়। দ্ৰোণাচাৰ্য, কৃপাচাৰ্য, ভীষ্ম আদি বীৰে পতা চক্ৰবেহুত মাতৃগৰ্ভতে লোৱা শিক্ষা মতে প্ৰৱেশ কৰি অসীম বীৰত্বৰে যুঁজে। কিন্তু তাৰ পৰা ওলোৱা পদ্ধতি মাতৃগৰ্ভত নিশিকা বাবে ওলাব নোৱাৰে। ইয়াৰে সুবিধাত চক্ৰবেহু পতা যোদ্ধাসকলে তেওঁক বধ কৰে। অকল বৈদিক দৃষ্টিকোণৰ পৰাই নহয় বৈজ্ঞানিক দৃষ্টিকোণৰ পৰাও সন্তানৰ সুস্বাস্থ্য আৰু মানসিক উৎকৰ্ষ সাধনত মাতৃৰ ভূমিকা গৰ্ভধাৰণৰ সময়ত অনস্বীকাৰ্য বুলি প্ৰমাণ হৈছে। গৰ্ভাৱস্থাত মাতৃ আৰু গৰ্ভস্থ শিশুৰ সু-স্বাস্থ্যৰ বাবে চিকিৎসকে পুষ্টিকৰ খাদ্য খাবলৈ দিয়ে। শাৰীৰিক বা মানসিক পৰিশ্ৰম কৰিব বাধা দিয়ে। লগতে এই অৱস্থাত মাতৃগৰাকীয়ে যাতে খং, ৰাগ, ঘৃণা, বিদ্বেষ, অহংকাৰ, পৰশ্ৰীকাতৰতা, ভয়, হিংসা আদি দুৰ্গুণ বা ভাৱসমূহ আঁতৰাই সদায় সুচিন্তা কৰে, নৈতিকতাপূৰ্ণ, জ্ঞানগৰ্ভ কথা শুনে তাৰ বাবেও উপদেশ দিয়ে। ভয়ানক দৃশ্য প্ৰত্যক্ষ কৰাৰ পৰা সদায় বিৰত ৰাখিব লাগে। গৰ্ভৱতী নাৰীগৰাকীক গৃহস্থ বা পতি, শাহু-শহুৰ, দেওৰ, ননদে টান কথা শুনাব নালাগে। স্বামী আৰু শাহুৱে এই সময়ত নাৰীগৰাকীক নৈতিকতাৰ শিক্ষা দিয়া উচিত। এই সকলোবোৰ ব্যৱস্থাই গৰ্ভৱতী নাৰীগৰাকীৰ গৰ্ভস্থ সন্তানটোৰ সুমংগলৰ বাবেই কৰা হয় যাতে সন্তানটোৱে মাতৃগৰ্ভতে পৰিপুষ্টি লভাৰ লগতে নৈতিক শিক্ষা লৈ সুসন্তানৰূপে জন্ম লাভ কৰি পৰিয়াল আৰু জগতৰ কল্যাণ কৰে। পুৰোহিত বা পোহুন বিয়াৰ লগত সুসন্তান সৃষ্টিৰ এনে প্ৰক্ৰিয়াৰ অনেক দিশ জড়িত হৈ আছে।

পোহন বিয়াৰ পদ্ধতি

আৰ্য সমাজৰ প্ৰতিষ্ঠাতা, ঋষি, ধৰ্ম আৰু সমাজ সংস্কাৰক স্বামী দয়ানন্দ সৰস্বতীয়ে পুংসাৱনৰ বিভিন্ন দিশৰ কথা তেওঁৰ দ্বাৰা ৰচিত 'আশ্বলায়ন গৃহ্যসূত্ৰ'ত কৈছে। অৱশ্যে আমাৰ এই আলোচনাত স্বামী দয়ানন্দ সৰস্বতীৰ লগতে আমি ব্যক্তিগতভাৱে লগ কৰা পোহন বিয়াৰ কৰ্মকৰ্তা কেইবাজনো পুৰোহিতৰ পৰা পোৱা তথ্যৰ ভিত্তিত এই বিয়াৰ পদ্ধতি আৰু অন্যান্য দিশত আলোচনা কৰিবলৈ লৈছো। পোহন বিয়া অকল ধৰ্মীয় বিধি ব্যৱস্থাৰে পালন কৰাই নহয় নানা বনৌষধি (বৈজ্ঞানিক চিকিৎসাৰ ঔষধি গুণসম্পন্ন)ৰ দ্বাৰা অনেক কাৰ্য সম্পাদন কৰি মাতৃ গৰ্ভস্থ সন্তান আৰু মাতৃৰ কল্যাণ সাধন কৰা হয়। এই পোহন বিয়াত পুৰোহিত, দৰা-কইনাৰূপী স্বামী-স্ত্ৰীৰ দ্বাৰা উচ্চাৰিত মন্ত্ৰৰ দ্বাৰা স্বামী-স্ত্ৰীৰ পৰস্পৰৰ প্ৰতি আৰু সমাজৰ প্ৰতি দায়বদ্ধতা প্ৰকাশ পায়।

গৰ্ভস্থ সন্তানে দহোটা চান্দ্ৰমাহৰ মূৰত অৰ্থাৎ ২৮০ দিনৰ মূৰত জন্মগ্ৰহণ কৰে। চান্দ্ৰমাহ ২৮ দিনীয়া। ইয়াৰে তৃতীয় আৰু অষ্টম মাহ মাতৃ আৰু গৰ্ভস্থ সন্তানৰ কাৰণে বিপজ্জনক বাবে এই দুই মাহত পুংসাৱন বা পোহন বিয়া পাতি বিপদ আঁতৰাব লাগে। পোহন বিয়াৰ বৈদিক কৰ্মৰ বৰ্ণনা দি নলবাৰী জিলাৰ বেলশৰ গাঁৱৰ পুৰোহিত দীপক মিশ্ৰই কয়, পোহন বিয়াৰ কৰ্মসমূহ তিনিদিন আগৰ পৰা আৰম্ভ হয়। পোহন বিয়াৰ আগদিনাক 'অধিবাস' বোলে। তাৰ আগদিনা আগতে পোহন বিয়া হোৱা দম্পতীৰ প্ৰথম ল'ৰা সন্তান এজনে বা পোহন বিয়া পতাৰ আয়োজন কৰা দৰাজনে তামোল-পাণ এযোৰ লৈ গাঁৱৰ ৰাজহুৱা ঠাইৰ বিয়া হোৱা বটগছ আৰু আঁহত গছদ্বয়ৰ বটক লগত নিয়া তামোল-পাণ দি সেৱা কৰি পিছদিনা 'এটি ঠেঙুলি কাটি নিম' বুলি মানস কৰি ঘৰলৈ আহে। পিছদিনা এটা ঠেঙুলিত দুটা ৰঙচুৱা পাতল আৱৰণেৰে ঢাক খোৱা পাত ওলায়। সেই ঠেঙুলিটোৰ সেই পাত দুটা দৰা-কইনাৰ প্ৰতীক। ঠেঙুলিটো কাটি তাত ৰঙা বা বগা ৰঙৰ কাপোৰ এখন মেৰিয়াই বিয়া ঘৰলৈ সেই ল'ৰাজন বা দৰাই আনে। বিয়াঘৰৰ চোতালত এটা মাটিৰ বেদী সাজি তাত চাৰিও কোণত চাৰিটা কলপুলি পুতি তাত ৰঙা সূতা লগোৱা হয়। ল'ৰাজনে হাতত লোৱা অৱস্থাত ঠেঙুলিটো চোৱাবেৰে পদুলিৰ বেলগছৰ তলৰ পৰা আদৰি অনা হয়। নানা দ্ৰব্যৰ গুৰিৰে বেদীত মণ্ডল এখন আঁকা হয়। মণ্ডলৰ ওপৰত কলহ এটা ৰাখি তাৰ ভিতৰত বটৰ ঠেঙুলিটো ৰাখি বন্ধ কৰা হয় ঢাকনিৰে। তাৰ ওচৰত নানা দ্ৰব্যৰ উপকৰণৰে নৈবেদ্য পতা হয়। চাকি-ধূপ জ্বলাই পঞ্চদেৱতাৰ পূজা দৰাই পুৰোহিতৰ সহযোগত কৰে। এই পূজাৰ পিছতে পোহন বিয়াৰ অধিবাস পৰ্বৰ অন্ত পৰে। পোহন

বিয়াৰ দিনা প্ৰথমতে বেদীত কলপুলি পুতি মণ্ডল আঁকি পঞ্চদেৱতাৰ পূজা কৰা হয়। বেদীত বটগছৰ ঠেঙুলিটো এডাল মাৰিৰ ওপৰত ৰাখি পোতা হয়। মাৰিডালত থকা ডিমৰু এযোৰা আৰু আন এবিধ দ্ৰব্যও ৰখা হয়। বেদীৰ ওচৰত মাটিৰ কলহ এটা ৰাখি তাত চাউল, দাইল, আলু আদি কইনাৰ মাকহঁতৰ ঘৰৰ পৰা আনি ৰখা হয়। কলহৰ ওচৰত আন এটা পাত্ৰত এযোৰ (মতা-মাইকী) মাগুৰ মাছ ৰখা হয়। এই মাছহাল প্ৰজননৰ প্ৰতীক। পাত্ৰ দুটাৰ কাষত এখন কাঠৰ পীৰা ৰাখি তাত বিষ্ণু শংখ, চক্ৰ, গদা, পদ্ম আৰু পাদুকা আঁকা হয়। তাৰ ওপৰত এখন অনাকটা কাপোৰ ৰখা হয়। এই অনাকটা কাপোৰৰ বৈশিষ্ট্য সম্পৰ্কত লোক-সংস্কৃতিৰ লেখক ড° নাৰায়ণ দাসে কৈছে : 'কোনো অস্ত্ৰ-শস্ত্ৰেৰে নকটাকৈ তাঁত-শালৰ পৰা উলিয়াই অনা কাপোৰকে 'আনাকাটা' বা 'অনাকটা কাপোৰ' বোলে। এই কা.পাৰ এবাৰত তাঁত-শালত মাত্ৰ এখনেই বোৱাটো উল্লেখযোগ্য। সাধাৰণতে কাতি, পুহ, চ'তৰ মাহত মঙল, শনি আৰু দেওবাৰে অমাবস্যা তিথিত এই কাপোৰ বাতি াকাচে, কাপোৰো নবয়। অন্যদিনতহে বয়। উকা আৰু ফুলাম দুয়োবিধ কাপোৰৰ প্ৰচলন আছে যদিও ফুলাম অনাকটাৰ প্ৰায়োগ প্ৰচুৰ। বোৱা হোৱাৰ পাছত চাৰি বাটি (জাকি) 'ব' সূতা নকটাকৈ শালৰ ওপৰতে উঘা অথবা চেৰেকীত লৈ কাপোৰখন উলিয়াই আনি দুফালৰ ওলমি থকা দহিবোৰ চালে চকুৱোৱাকৈ জালৰ দৰে গাঁঠি পেলায়। অসমীয়া সংস্কৃতিত অনাকটা কাপোৰৰ স্থান বিশিষ্ট। বিয়াৰ দিনা দৰা-কইনাই 'অনাকটা তেলপাতনি' বস্ত্ৰ পৰিধান কৰাটো এটা সাধাৰণ দস্তুৰ।... নান্দীমুখ শ্ৰাদ্ধৰ কালত চাৰিটা কলপুলি পুতি তাত এখন অনাকটা ফুলাম চাদৰ মেৰিয়াই দিয়া নিয়ম। দৰা বৰণ আৰু লগুণ গাঁঠি বন্ধা কামতো অনাকটা গামোচা ব্যৱহাৰ হয়।........' মণ্ডপৰ সন্মুখত দৰা বহি পুৰোহিতৰ সহযোগত নান্দীমুখ শ্ৰাদ্ধৰ কাম সমাপ্ত কৰে। এই বিয়াত কইনাঘৰীয়া লোকৰ উপস্থিতি একান্ত প্ৰয়োজন। বিয়াৰ মণ্ডপৰ ওচৰত হোৱা কৰ্মত কইনাৰ পিতৃ বা জ্যেষ্ঠ লোক এজনে ভাগ লয়। কইনাৰ ডিঙিত চক্ৰ, পৰশু কুঠাৰ, জাইফল গাঁঠি এডাল মালা কৰি আঁৰি দি অনাকটা কাপোৰ পাৰি থোৱা পীৰাখনত বহিবলৈ দিয়া হয়। পাছত পতিয়ে বা দৰাই পত্নী বা কইনাৰ পাছত থিয় দি সোঁহাতেৰে নাভিদেহ স্পৰ্শ কৰি পুৰোহিতে কোৱা মতে মন্ত্ৰ মাতে : 'প্ৰজাপতি ঋষিৰ নুষ্ট ছন্দো মিত্ৰাবৰুণা শ্যশ্বিবায়বো দেৱতা পুংসাৱনে বিনিয়োগঃ/ওঁ পুমাংসৌ মিত্ৰাবৰুনৌ পুমাং সাৱশ্বিনাবভৌ পুমানগ্নিশ্চ বায়ুশ্চ পুমান্ গৰ্ভস্তবোদৰে//' অৰ্থাৎ— 'সূৰ্য, বৰুণ, অশ্বিনীকুমাৰ', অগ্নি, বায়ু মিলবে পুৰুষ, তোমাৰ গৰ্ভতো তেনেকুৱা পুৰুষৰে আবিৰ্ভাৱ হওক।'

পুংসাৱনত চাৰিবাৰ আধাৰ বাহ্যাহুতি, চাৰিবাৰ ব্যাহৃতি আহুতি আৰু এবাৰ স্বিষ্টকৃত আহুতি দিয়াৰ পাছত দুবাৰ আহুতি দিয়াৰ নিয়ম আছে। প্ৰথমবাৰ আহুতি মন্ত্ৰ মাতি দিয়াৰ পাছত দ্বিতীয়বাৰ আহুতি মন্ত্ৰ আশ্বলায়ন গৃহ্যসূত্ৰ মতে হ'ল— ওঁ আগ্নিৰৈতু প্ৰথমো দেবতানাং/সাহস্যে প্ৰজাংমুঞ্চতু মৃত্যুপাশাৎ//তদয়ং ৰাজা ৰৰুণোঽমান্যতাং/য়থেয়ং স্ত্ৰী পৌত্ৰমঘং ন ৰোদাৎ স্বাহা//' এই মন্ত্ৰটোত দেশৰ ৰজাক 'বৰুণ' বুলি আখ্যা দিয়া হৈছে। 'বৰুণ' শব্দৰ অৰ্থ হৈছে, যাক বৰণ কৰা হয়, যাক সকলোৱে মত দান কৰি নিৰ্বাচিত কৰিছে। এনে ৰজাৰ কৰ্তব্য হৈছে, যাতে তেওঁ প্ৰজাৰ সুখ-সুবিধাৰ বাবে সকলো প্ৰকাৰৰ যত্ন কৰে, দেশত যাতে কোনো উপাদানৰ অভাৱত কোনো স্ত্ৰীৰ গৰ্ভ নষ্ট নহয়, দহ মাহৰ আগতে যাতে জন্ম নহয় তাৰ ব্যৱস্থা গ্ৰহণ কৰে। 'অগ্নি' শব্দটো প্ৰয়োগ হৈছে জাৰত যাতে কোনো নমৰে সেই অৰ্থত।

তৃতীয়বাৰ আহুতিৰ সময়ত দৰাই কইনাৰ হৃদয়ত বা বুকুত হাত দি মন্ত্ৰ মাতিব— 'ওঁয়ণ্ডে সুসীমে হৃদয়ে হিতবন্ত প্ৰজাপতৌ। মন্যেঽহং তদ্বিদ্বাংসং মাহং পৌত্ৰময়ং নিয়াম//' (আশ্বলায়ন গৃহ্যসূত্ৰ) অৰ্থাৎ ইয়াত স্বামীয়ে কৈছে যে তেওঁৰ ফালৰ পৰা পুত্ৰ বিনাশৰ ফলত দুখিত হ'বলগীয়া কোনো কাৰ্য নহ'ব। সন্তান নাশৰ তিনিটা কাৰণ হ'ব পাৰে— 'স্ত্ৰী নিজে, তেওঁৰ স্বামী আৰু ৰাজ্যৰ কুব্যৱস্থা। এই তিনিওফালৰ পৰা সন্তান পালনৰ উপযুক্ত ব্যৱস্থা লোৱা হ'ব। হোমৰ মাজতে বটগছৰ আগটো কুঁহিপাতৰ আদৰণী দুটাৰে বত্তি তাৰ গোন্ধ কইনাক ল'বলৈ দিয়া হয়। মাগুৰ মাছ থকা পাত্ৰটো কইনাক চুবলৈ দিয়া হয়। এই শ্ৰাদ্ধ হোমৰ সময়তে দৰাই অন্ন ভোগ ৰান্ধি নৈবেদ্যৰূপে আগবঢ়ায়। বিয়া হৈ যোৱাৰ পিছত মাগুৰ মাছহালক পুখুৰীত বংশ বিস্তাৰৰ বাবে এৰি দিয়া হয়। জনবিশ্বাস অনুসাৰে মাগুৰ মাছহালৰ বংশ বিস্তাৰ হোৱাৰ দৰে সন্তি-সন্ততিৰে দৰা-কইনাৰো বংশ বিস্তাৰ হ'ব।

বিয়াৰ পাছত সেইদিনাই নিশা চাউল, আলু, দাইলেৰে কইনাই অন্ন গ্ৰহণ কৰিব লাগে। ইয়াকে 'হবিচ কৰা' বুলি কয়। বিয়াৰ পাছত তিনি দিন ধৰি ৰাতি এনেদৰে হবিচ কৰিব লাগে আৰু ব্ৰত পালন কৰি দিনটো উপবাসে বা লঘোনে থাকিব লাগে। চতুৰ্থদিনা ব্ৰত ভাঙি স্নান কৰি সু-চিন্তাৰে কইনাই ঘৰৰ কামত ধৰিব লাগে।

পোহন বিয়াৰ কৰ্ম সম্পৰ্কত লোক-সংস্কৃতিৰ লেখিকা ড° প্ৰণতি শৰ্মা গোস্বামীয়ে কয় : 'পোহন বিয়াত হ'ব খোজা (সন্তানসম্ভৱা) পিতৃ-মাতৃক বৰ বিয়াৰ নিচিনাকৈ মাহ-হালধি সানি বিয়া নাম গাই ঘটত ভুলি অনা পানীৰে বেইৰ তলত গা ধুওৱা হয়। অশুচি গাৰে নোওৱা খুৰ-কটাৰি, দা আদি একো নলগোৱা অনাকটা কাপোৰ একোখন অইন নতুন সাজৰ লগত পিন্ধোৱা হয়। গা ধুওৱাৰ পাছত দৰা-

কইনাক ৰভাতলীলৈ অনা হয়। এগৰাকী লগুণধাৰী ব্যক্তিয়ে বটগছৰ ঠানি এডাল লৈ দৰা-কইনাৰ কাপোৰত ধৰি আছে। তেনে অবস্থাত ব্ৰাহ্মণ পুৰোহিত এগৰাকীয়ে তেওঁলোকক ৰভাতলীলৈ আৰু সমজুৱাৰ আগলৈ আদৰি আনে। কোনো কোনোৰ মতে বটগছৰ ঠানি লৈ অহা ব্যক্তিগৰাকী মাক-দেউতাকৰ প্ৰথম সন্তান হোৱাটো বাঞ্ছনীয়। বিয়াৰ সময়ত এটা ঘটত দশাৱতাৰৰ চিত্ৰ আঁকি ৰভাতলীত থৈ দিয়া হয়। সাত পুৰুষৰ শ্ৰাদ্ধ কৰাৰ পাছত হোম পুৰি দৰা-কইনাক আকৌ এবাৰ বিয়া পাতি দিয়া হয়। বিয়াত বহিবলৈ তেওঁলোকক কঁঠাল বা ডিমৰু গছৰ পীৰাত এখন অনাকটা গামোচা পাৰি দিয়া হয়। কইনাই পিন্ধা অনাকটা শাৰীখনত ঠিক নাভিৰ তলত পৰা অংশখিনিত পুৰোহিতে এযোৰ খৰমৰ ছবি আৰু গোপন মন্ত্ৰ লিখি দিয়ে। এই মন্ত্ৰ সন্তানৰ গালৈ বাগৰি যায় বুলি এটা বিশ্বাস প্ৰচলিত আছে। বিয়াৰ সময়ত হোমৰ আগত থকা পাত্ৰৰ মাগুৰ মাছ হালে লৰচৰ নকৰিলে ল'ৰা সন্তান হয় বুলি এটা জনবিশ্বাস আছে। .. সাধাৰণতে আগৰ দিনত সন্তানসম্ভৱা মাতৃগৰাকীয়ে আঠ মাহত ভৰি দিয়াৰ পাছত ডাঙৰক বা মান্যজনক পানী এটুপিও দিয়াত বাধা আছিল। কিন্তু পুংসাবন বা পোহন বিয়া হৈ যোৱাৰ পাছত এই নিষেধ আঁতৰি যায় বুলি ধৰি লোৱা হৈছিল। কইনাই ব্ৰতত থকা দিনকেইটাত এখন সৰু গামোচাত পজনলীয়া কটাৰি এখন, ডালিম, জাইফল আদিৰে এটা টোপোলা কৰি সদায় লগত ৰাখিব লাগে। চাৰি দিনৰ অন্তত ব্ৰত ভঙাৰ পাছত টোপোলাটো পানীত দলিয়াই দিয়া প্ৰয়োজন।'

পোহন বিয়াৰ জৰিয়তে গঢ়ি উঠা পতি-পত্নীৰ সুগভীৰ প্ৰেম

হৃদয় হৈছে অনুভৱৰ স্থান। পতি-পত্নীৰ মাজত হৃদয়ৰ ঐক্য বা প্ৰেম অতি সুগভীৰভাৱে গঢ়ি উঠিলেহে সাংসাৰিক জীৱন সুখৰ হয়। এই ভাব প্ৰকাশ কৰিবলৈ পতিয়ে মন্ত্ৰৰ জৰিয়তে হৃদয়ত (বুকুত) হাত দিয়ে বা স্পৰ্শ কৰে। এইদৰে আত্মীয়-স্বজন, মিত্ৰ-কুটুম্বৰ তথা সমাজৰ আগত পতিয়ে পত্নীৰ হৃদয় স্পৰ্শ কৰাটো পতিৰ ফালৰ পৰা এই কথা প্ৰকাশ্যে ঘোষণা হয় যে তেওঁ তেওঁৰ পত্নীক হৃদয়েৰে ভাল পায়। পতিৰ ফালৰ পৰা পত্নীৰ হৃদয়ত আঘাত দিব পৰা কোনো কাম কৰাৰ পৰা পতি বিৰত থকাৰ প্ৰতিজ্ঞা এই পৰ্বৰ দ্বাৰা কৰাৰ লগতে পত্নীয়েও পতিৰ মনত কষ্ট দিব পৰা কোনো কাম নকৰা আৰু পতিৰ অবাধ্য নোহোৱাৰ প্ৰতিজ্ঞা পত্নীয়ে অন্তৰত মনে মনে কৰে। এইদৰে পৰস্পৰে পতি-পত্নীয়ে প্ৰেমৰ প্ৰকাশ্য ঘোষণা আৰু প্ৰতিজ্ঞা কৰাৰ লগতে ভৱিষ্যতে তেওঁলোকৰ সন্তানৰ সুখ-সুবিধা, লালন-পালনৰ চেষ্টাত তেওঁলোকে যাতে অকণো ক্ৰটি কৰিবলৈ নিদিয়ে তাৰ বাবে প্ৰতিজ্ঞাত দুয়ো

আবদ্ধ হয়। পত্নীয়ে 'পৌত্র মঘা' আৰু পতিয়ে 'পৌত্ৰমঘ' হ'বলগীয়া কোনো কাম নকৰাৰ প্ৰতিজ্ঞা কৰে। ইয়াৰ 'পৌত্ৰ'ৰ অৰ্থ পুত্ৰ সম্বন্ধীয় আৰু 'অঘ'ৰ অৰ্থ নাশ বা দুখ। এনেদৰে সন্তানৰ বিপদ-আপদ নাশ কৰাৰ শপত গ্ৰহণেৰে ভৱিষ্যতে উন্নতিৰ ক্ষেত্ৰত ল'বলগা পদক্ষেপৰ সূত্ৰ ৰচিত হয়। আকৌ হোমাহুতিৰ লগত প্ৰথমবাৰ মন্ত্ৰত পতিয়ে পত্নীৰ নাভিদেশ স্পৰ্শৰে তেওঁৰ গৰ্ভত সূৰ্য, বায়ু, বৰুণ সমপুত্ৰ জন্মৰ কামনা কৰাৰ দ্বাৰা পত্নীৰ হৃদয়ত আনন্দ সৃষ্টি হয়। এই আনন্দৰ আতিশয্যত গৰ্ভাৱস্থাৰ এলাহ, অৱসাদ, বমিভাব আদি দূৰ হয় আৰু শৰীৰ তথা মনত এক শক্তিৰ সৃষ্টি হয়।

গৰ্ভ ৰক্ষাৰ উপায়

পুংসাৱন বা পোহন বিয়াৰ মাতৃ গৰ্ভস্থ সন্তানক ৰক্ষা কৰাৰ হেতু এই সময়ত এনে উপায় অৱলম্বনৰ নিৰ্দেশ আছে যাতে গৰ্ভ নষ্ট নহয়। গৰ্ভস্থ সন্তানৰ দুই প্ৰকাৰে অনিষ্ট হয়— (ক) মাতৃৰ অসাৱধানতাৰ কাৰণে গৰ্ভপাত আৰু (খ) গৰ্ভ সুৰক্ষিত হ'লেও মাতৃয়ে স্বাস্থ্য ৰক্ষাৰ নিয়মসমূহ যথাযথভাৱে পালন নকৰাৰ ফলত সন্তানৰ শৰীৰ ঠিকমতে বিকশিত আৰু পৰিপূৰ্ণ হোৱাত বাধা। এই দুটি বিসঙ্গতি সৃষ্টিৰ ফলত হ'ব পৰা অন্যায় পুংসাৱন বা পোহন বিয়াৰ জৰিয়তে আঁতৰ কৰিব পাৰি। পোহন বিয়াত কইনাক যি বটবৃক্ষৰ কুঁহিপাত বতি তাৰ গোন্ধ ল'বলৈ দিয়া হয় তাৰ গৰ্ভৱতী নাৰীৰ আৰু সন্তানৰ পুষ্টিকাৰিতা আৰু ৰোগনাশক গুণ আছে। বটগছৰ গুণ হ'ল ই ব্ৰণ নাশক, ই হাড় ভাঙিলে জোৰা লগায়, ৰক্তপিত্ত নাশক, তিৰোতাসকলৰ যোনি দোষ নাশক আৰু গৰ্ভৰ পুষ্টিসাধক। পুংসাৱন বা পোহন বিয়া প্ৰসংগত স্বামী দয়ানন্দ সৰস্বতীয়ে তেওঁৰ আশ্বলায়ন গৃহ্যসূত্ৰত গৰ্ভৱতী অৱস্থাত দ্বিতীয় বা তৃতীয় মাহত বটবৃক্ষৰ জঁটা বা তাৰ পাত লৈ গৰ্ভিনীক সোঁকাণেৰে শুঙাব আৰু অন্য পুষ্টিকৰ দ্ৰব্যৰূপে শগুনীলতা বা ব্ৰাহ্মী শাক খুওৱাৰ কথা কৈছে। শগুনীলতাই জ্বৰ, কফ, বমন, তৃষ্ণা, পিত্ত, অৰুচি কৌষ্ঠ কাঠিন্য আদি দূৰ কৰে। গৰ্ভাৱস্থাৰ উপসৰ্গবোৰ আঁতৰোৱাৰ কাৰণে শগুনীলতা এবিধ অব্যৰ্থ ঔষধ। একেদৰে ভেষজৰত্ন শ্ৰীঅত্ৰিদেৱে তেওঁৰ 'সংস্কাৰ বিধি বিমৰ্ষ'ত গৰ্ভ সুৰক্ষিত কৰিবলৈ নিম্নোক্ত ব্যৱস্থাসমূহ গ্ৰহণৰ পৰামৰ্শ দিছে— (ক) লক্ষ্মণা বটশুংগা সহদেৱী আৰু বিশ্বদেৱী এইবোৰৰ ভিতৰত যি কোনো, এবিধ গাখীৰত মিহিকৈ বতি তাৰ ৰস সন্তানসম্ভৱা তিৰোতাৰ সোঁকাণত ৩/৪ টোপাল দিব। (খ) একেদৰে বগা কণ্টকৰীৰ শিপা বতি তাৰ ৰস নাকত দিব। (গ) নীলা পদুমৰ পাত লাডু বটশুংগাৰ গোন্ধ ল'ব লাগে (ঘ) শালি ধানৰ চাউল বতি লাক সাজি সিজাব সিজোৱাৰ সময়ত যি ভাপ ওলাব তাক নাকেৰে টানি দেহৰ

ভিতৰলৈ নিব। এই আটাইবোৰ ব্যৱস্থা লোৱাৰ আগতে অৱশ্যে অভিজ্ঞ ডাক্তৰৰ পৰামৰ্শ ল'ব লাগে।

বিয়া গীত

বৰ বিয়াৰ দৰে পোহন বিয়াতো আয়তীসকলে বিয়া গীত গায়। এই বিয়াগীত প্ৰধানতঃ দৰা-কইনাক উদ্দেশ্য কৰি গোৱা হয়। পোহন বিয়াত গোৱা তেনে এটি গীত হ'ল— 'আজি ৰাধাই হাঁহে, মাতে/কালি ৰাধাৰ বিয়া/মাগুৰ মাছে খেলা খেলে/ৰাধাৰ পোহন বিয়া.......।'

মাগুৰ মাছ স্পৰ্শ কৰাৰ তাৎপৰ্য

পোহন বিয়াত মাগুৰ মাছ কইনাই স্পৰ্শ কৰাৰ তাৎপৰ্য প্ৰজনন বা উৰ্বৰা বিশ্বাসৰ লগত জড়িত। মাগুৰ মাছ দুটা মতা-মাইকী হোৱা উচিত। এই মাছহালক দৰা-কইনাৰূপে গণ্য কৰা হয়। বিয়াৰ শেষত মাগুৰ মাছ দুটা নৈ বা পুখুৰীত এৰি দিয়া হয়। যেনেদৰে এই মাগুৰ মাছহালৰ ভৱিষ্যতে পোনা হৈ বংশ বিস্তাৰ হ'ব তেনেদৰে পোহন বিয়াৰ পাছতো যাতে দৰা-কইনাৰ বংশ বিস্তাৰ হয় তাৰ কামনা কৰা হয়। তেনেদৰে এই বিয়াত কইনাৰ গালৈ শ্ৰাদ্ধৰ সময়ত চাউল দলিওৱা; দুবৰিৰে পানী দলিওৱা আদি পুৰোহিতৰ কাৰ্যৰ লগত উৰ্বৰা বিশ্বাস জড়িত হৈ থাকে বুলি জনা যায়।

সেন্দূৰৰ তাৎপৰ্য

তিৰোতাৰ শিৰৰ সেন্দূৰ আৰু কপালৰ ফোট হিন্দুৰ বাবে সধবা (স্বামী থকা)ৰ লক্ষণ। জোৰণৰ দিনা দৰা অথবা দৰাৰ নিকট আত্মীয়ই কইনাৰ শিৰত আৰু কপালত ফোট দিয়াৰ লগতে পোহন বিয়াৰ দিনা কইনাই স্বামীক সেৱা সৎকাৰ কৰি বিশেষভাৱে সেন্দূৰ শিৰত লয় আৰু কপালত ফোট লয়। এই সেন্দূৰ লোৱা ব্যৱস্থাটো লৌকিক আচাৰৰ অন্তৰ্ভুক্ত। সেন্দূৰৰ ৰঙা বং উদিত সূৰ্যৰ প্ৰতীক। সূৰ্যক উপাসনা কৰা কোনো আদিম জনগোষ্ঠীৰ বিয়াৰ সময়ত ৰঙা বং বিশেষভাৱে ব্যৱহাৰ হোৱাৰ দৰে অসমীয়া সমাজতো ৰঙা সেন্দূৰৰ প্ৰচলন হয়। সূৰ্য হৈছে শক্তি আৰু উৰ্বৰতাৰ প্ৰতীক। সূৰ্যৰ সেই তেজ শক্তি ভূমি আৰু নাৰী উভয়ৰ ওপৰত প্ৰযোজ্য বুলি অতীতত জ্ঞান কৰি ৰঙা বং আৰু সেন্দূৰ কইনাৰ শিৰত আৰু কপালত ব্যৱহাৰ হৈছিল। সেইবাবে দৰাই কইনাৰ ৰঙা সেন্দূৰৰ ফোট আৰু শিৰত সেন্দূৰ দিয়াৰ অন্তৰালত অমিত তেজ তেওঁৰ (কইনা) দেহ-মনৰ প্ৰবিষ্ট কৰাই দিয়াৰ উদগ্ৰ বাসনা প্ৰকটিত হয়। বৰ বিয়াত কইনাই জোৰণৰ দৰাঘৰীয়াই বিশেষভাৱে কপালত দিয়াৰ

দৰে পোহন বিয়াত কইনাই দৰাৰ ওচৰত সেন্দূৰ লোৱাৰ গভীৰ অৰ্থ আছে। কপালত আৰু শিৰত জীৱনৰ শেষ মুহূৰ্তলৈ সেন্দূৰ ল'ব পৰাটো তাহানিৰ পৰা বৰ্তমানলৈ হিন্দু নাৰীয়ে সৌভাগ্য বুলি গণ্য কৰি আহিছে। অন্যান্য পৰ্বৰ দৰে পোহন বিয়াতো ধৰ্মীয় কৰ্মত সেন্দূৰ ব্যৱহাৰ হয়। এই 'সেন্দূৰ' শব্দটো আহিছে 'সান্দ্য' শব্দৰ পৰা।

শ্ৰাদ্ধৰ তাৎপৰ্য ঃ বিয়া, উপনয়ন আদিত কৰাৰ দৰে পোহন বিয়াতো শ্ৰাদ্ধ কৰাৰ তাৎপৰ্য হ'ল উপৰিপুৰুষসকলক (যিসকলৰ ইতিমধ্যে মৃত্যু হৈছে, তেওঁলোকক) স্মৰণ কৰা। শ্ৰাদ্ধৰ পাছত নৈৰ বা পুখুৰীৰ ঘাটত পূৰ্বপুৰুষসকলক পিণ্ড দিয়া হয়। উপৰিপুৰুষসকলে স্বৰ্গৰ পৰা আত্মা ৰূপেৰে ধৰালৈ নামি আহি সেই পিণ্ড খাই দৰা-কইনাক আশীৰ্বাদ প্ৰদান কৰে বুলি জনবিশ্বাস প্ৰচলিত আছে। শ্ৰাদ্ধৰ সময়ত দৰা-কইনাই সেৱা কৰি পূৰ্বপুৰুষসকলৰ সতি-সন্ততি বিস্তাৰৰ দৰে তেওঁলোকৰো সন্তান বিস্তাৰৰ কামনা কৰে।

হোমৰ তাৎপৰ্য ঃ হিন্দুসকলৰ সংস্কাৰ কাৰ্যত হোম অপৰিহাৰ্য। জুইত ঘিউৰ লগতে চাউল, সৰিয়হ, দুৱৰি, তুলসী, বেলপাত আদি দি বিভিন্ন মন্ত্ৰ মাতি হোম সম্পন্ন কৰা হয়। বৈজ্ঞানিক দৃষ্টিকোণত, কাঠ, ঘিউ আৰু অন্যান্য প্ৰকৃতিজাত বস্তুৰ প্ৰজ্বলনে বায়ুমণ্ডল প্ৰদূষণমুক্ত কৰে। বৰ বিয়াত হোমৰ অগ্নি আৰু সূৰ্যচন্দ্ৰক সাক্ষী কৰি যুৰীয়া জীৱনৰ সুখ-দুখৰ সংগী হোৱাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হোৱাৰ লগতে ভৱিষ্যৎ হ'বলগা সন্তানৰ সুখৰ বাবে দায়বদ্ধ হোৱাৰ প্ৰতিজ্ঞা কৰে। আনহাতে অন্য পৰ্বৰ লগতে পোহন বিয়াৰ ক্ষেত্ৰতো হোমৰ জৰিয়তে অগ্নি পূজাও কৰা হয়। সৌৰজগতৰ নিয়ন্ত্ৰণ শক্তি সূৰ্য। সূৰ্য অবিহনে উদ্ভিদ আৰু প্ৰাণী জগতৰ উৎপত্তি সম্ভৱ নহ'লহেঁতেন। পোহন বিয়া বা অন্যান্য পৰ্ব হোমৰ অগ্নি পূজা, ইয়াত উচ্চাৰিত গায়ত্ৰী মন্ত্ৰৰ তাৎপৰ্য সম্পৰ্কত লেখক উপেন্দ্ৰনাথ শৰ্মাই, কৈছে ঃ 'ঋগবেদৰ পৰা আহৰণ কৰা হিন্দুসকলৰ বীজমন্ত্ৰ গায়ত্ৰী সূৰ্য দেৱতাৰ স্তুতিহে মাত্ৰ। পৰম দিপ্তীময় ব্ৰহ্মৰ উপসনাই যদি গায়ত্ৰী জপ অথবা অগ্নি পূজাৰ লক্ষ্য হয় তেতিয়াহ'লে ব্ৰহ্ম আৰু সূৰ্য দেৱতাৰ ব্যৱধান নাইকিয়া হৈ পৰে।'

বটগছৰ তাৎপৰ্য ঃ সাধাৰণতে পোহন বিয়াত যিজোপা বটগছৰ ঠেঙুলিৰ কুঁহিপাত ব্যৱহাৰ হয় সেই গছজোপা বিয়া হোৱা বটগছ হ'ব লাগে। নিঃসন্তান দম্পতী, সংসাৰত কেওকিছু নোহোৱা ব্যক্তিয়ে মৃত্যুৰ আগতে পুণ্য অৰ্জন আৰু নিজৰ অতীতলৈ স্মৃতি ৰক্ষাৰ্থে আঁহত আৰু বটগছৰ মাজত বিয়া পাতি দিছিল। পুলি অৱস্থাত ৰাজহুৱা স্থানত বট আৰু আঁহত গছ ৰুই উপনয়ন পাতি পাছত মানুহৰ

বৈদিক বিবাহ পদ্ধতি অনুসাৰে বিয়া সম্পন্ন কৰে। আঁহত আৰু বটৰ গছ দুডালৰ এডাল দৰা আৰু আনডাল কইনা ৰূপত গণ্য কৰা হয়। বিয়াৰ পাছত সময়ে সময়ে ৰঙা বা বগা কাপোৰ মেৰিয়াই 'বস্ত্ৰদান' আৰু প্ৰতিদিনে গছ দুডালৰ গুৰিত পানী ঢালি 'জলদান' কৰিব লাগে। দুডাল পৃথক ৰূপত থকা গছ বিয়াৰ পাছত ইডালে-সিডালৰ ঠাল-ঠেঙুলিৰ লগত মেৰ খাই এক যুগল মূৰ্ত্তিত পৰিণত হয়। জনবিশ্বাস অনুসৰি সন্তানসম্ভৱা তিৰোতাই বিয়া হোৱা বটৰ ঠেঙুলিৰ গোন্ধ পোহন বিয়াত ল'লেহে গৰ্ভত থকা সন্তানৰ লিঙ্গ নিৰ্ণয় হয়। অতীত অসমত বৃক্ষ বিবাহ বা গছ বিয়াৰ ব্যাপক প্ৰচলন আছিল। প্ৰখ্যাত জ্যোতিষী আৰু পুৰোহিত গজাদেৱ শাস্ত্ৰীৰ মতে পোহন বিয়াত বিয়া হোৱা বটৰ ঠেঙুলিৰ ব্যৱহাৰে দৰা-কইনাক যুগল আঁহত বট বৃক্ষদ্বয়ৰ দৰে প্ৰেমত এক আত্মাত পৰিণত কৰে।

পুংসাৱন বা পোহন বিয়াৰ বৈজ্ঞানিক ভিত্তি ঃ গৰ্ভাৱস্থাত চিকিৎসকে নাৰীগৰাকীক নানা পুষ্টিকৰ দ্ৰব্যৰ লগতে শক্তিদায়ক আৰু ৰোগ উপশমৰ হেতু ঔষধ খাবলৈ দিয়ে যাতে নাৰীগৰাকীৰ স্বাস্থ্য অটুট থকাৰ লগতে গৰ্ভস্থ সন্তানটোৱে পুষ্টি লাভ কৰি শাৰীৰিক তথা মানসিকভাৱে সুস্থ-সবল হৈ জন্ম লাভ কৰে। তেনেদৰে পুংসাৱন বা পোহন বিয়াতো বটগছৰ গোন্ধ ল'বলৈ দিয়া হয় বা কিছুমান ঠাইত পুংসাৱনৰ ফলদ্বয় যুক্ত বটসংগা, মাটিমাহ, যৱৰ লগত গৰ্ভিনীক নাকেৰে শুঙাই সেই গন্ধ দেহৰ ভিতৰলৈ নিবলৈ দিয়া হয়, তাৰ ফলত উপৰোক্ত ধৰণে মাক তথা সন্তানৰ স্বাস্থ্য আৰু মানসিক দিশৰ উৎকৰ্ষ সাধন হয়। তদুপৰি পুংসাৱন পাতিব খোজা দম্পতীৰ নাৰীজনীয়ে গৰ্ভধাৰণৰ পাছত শতৰীলতা, ব্ৰাহ্মী শাক খোৱাৰ লগতে, বগা কণ্টকাৰীৰ শিপা বতি তাৰ ৰস উলিয়াই নাকত লোৱা বা পদুমৰ পাতৰ গোন্ধ লোৱা ব্যৱস্থাৰে স্বাস্থ্য আৰু মানসিক উৎকৰ্ষ সাধন হয়। আয়ুৰ্বেদিক চিকিৎসা শাস্ত্ৰ বা ব্যৱস্থাত এনে বনৌষধিৰ ব্যাপক প্ৰয়োগ হোৱাৰ লগতে এলোপেথিক চিকিৎসা ব্যৱস্থাতো এনে বনৌষধিৰ পৰা ৰোগ নিবাৰণৰ নানা ঔষধ তৈয়াৰ হয়। তদুপৰি পোহন বিয়া হোৱাৰ পাছত কইনাই দিনত লঘোনে থাকি ৰাতি আলু, ভাতেৰে নিৰামিষ ভোজন কৰাৰ ব্ৰত পালন কৰা ব্যৱস্থাৰ দ্বাৰা গৰ্ভস্থ সন্তানৰ চৰিত্ৰ সৃষ্টিত সহায় হয়। কাৰণ এইটো বিজ্ঞানসন্মত গৱেষণাৰ দ্বাৰা প্ৰমাণ হৈছে যে নিৰামিষ ভোজনে ব্যক্তিৰ চৰিত্ৰৰ শান্ত, বুদ্ধিদীপ্ত প্ৰজ্ঞা লাভ, ৰিপু দমনকাৰী ক্ষমতা প্ৰদান কৰে।

পোহন বিয়াৰ বৰ্তমানৰ অন্য ৰূপ ঃ বৰ্তমান অসমীয়া সমাজত পোহন বিয়াৰ গুৰুত্ব হ্ৰাস পাই লুপ্ত পথত আগবাঢ়িছে। তাৰ সলনি সামাজিকভাৱে গৰ্ভৱতী নাৰীক

পঞ্চামৃত আৰু জেউৰা (জীৱ-পূৰ-জেউৰা) খুওৱা প্ৰথা প্ৰচলন হৈছে। গৰ্ভধাৰণৰ পাঁচ মাহত নাৰীগৰাকীক পঞ্চামৃত খুওৱা হয়। নহ'লে সেইদিনা এবাঁ গাখীৰ, দৈ গাখীৰ, পিঠাগুড়ি, চেনি, গুৰ, ঘিউ, মৌ আদিৰ ভোগৰ লগতে বুট, মুগ, নানা ফলৰ উপকৰণেৰে ভগৱানৰ ওচৰত নৈবেদ্য আগবঢ়াই আয়তীসকলে নাম গায়। নামৰ শেষত গৰ্ভৱতী নাৰীগৰাকীৰ কোলাত এখন গামোচা, এটা হাঁহ কণী দি অনাকটা কাপোৰ এখনত বান্ধি নাৰীগৰাকী আৰু গিৰিয়েকক সেৱা কৰিবলৈ দিয়া হয়। সম্বন্ধীয় লোক মাক, শাহুৱেক আদিয়ে তেওঁলোকৰ গাত কাপোৰ, টকা-পইছা আদি দিয়ে। তেওঁলোকৰ পাছত ঘৰৰ আন মানুহবোৰে আঁঠু লৈ ভগৱানক সেৱা কৰে। তাৰ পাছতে সকলোৰে মাজত প্ৰসাদ বিতৰণ কৰি অনুষ্ঠানটোৰ সামৰণি মাৰে। বিয়াৰ পাছত গৰ্ভৱতী হোৱাৰ সাত মাহত (কোনো কোনোৰ মতে আঠ মাহত) নাৰীগৰাকীক পায়স, পৰমান্ন, সান্দহ, লাড়ু পিঠাৰে জেউৰা খুওৱা হয়। নমাহত মাছ-মাংস, মিঠাই আদি খুৱায়। তেওঁলোক দুয়োৰে লগতে ওচৰ-চুবুৰীয়া আৰু সম্বন্ধীয় লোককো এনে খাদ্য খুৱায়। এই জেউৰাৰ বস্তুসমূহ পাল পাতি এবাৰ এবাৰকৈ কইনাৰ মাকহঁত, বায়েক-ভিনিদেৱেকহঁত, মোমায়েকহঁত, খুৰাকহঁতে খুৱায়। প্ৰথমটো বা দ্বিতীয়টো সন্তান হোৱাৰ পাছতো পুনৰ হোৱা গৰ্ভাৱস্থাত জেউৰা খুওৱা নিয়ম প্ৰচলিত আছে।

পোহন বিয়াৰ আন এটা আনুষঙ্গিক পৰ্ব হ'ল দৰা-কইনাৰ পাতত ভাত দিয়া। বিয়াৰ পিছদিনা দৰা-কইনাক ৰাইজৰ আশীৰ্বাদ লাভৰ অৰ্থে দিনত বা ৰাতি মাছ-মাংসৰে ভাত খুৱায়। ভাত খাই থকা অৱস্থাত ৰাইজক দৰা-কইনাই তামোল-পাণ আগবঢ়াই সেৱা কৰে। এজনী কইনাঘৰীয়া বা দৰাঘৰীয়া ছোৱালীৰ সহযোগত কইনাই এখন প্লেটত আদাৰ টুকুৰা লৈ তাৰ এচকল, দুচকলকৈ প্ৰত্যেকৰে পাতত দিয়ে। এইদৰে আদা দিয়াৰ উদ্দেশ্য হ'ল কইনাজনী বোৱাৰী ৰূপেৰে ন-ঘৰখনৰ কামত চোকা বা পটু হোৱাৰ লগতে ভৱিষ্যৎ তেওঁৰ গৰ্ভৰ পৰা জন্ম হোৱা সন্তানসকলো যাতে কৰ্মপটু হয়। ৰাইজে সেই অৱস্থাত কইনাৰ মুখ চায়।

সদৌশেষত সু-মানৱ সম্পদ সৃষ্টিত পুংসাৱন বা পোহন বিয়াৰ যে প্ৰতিটো পৰ্বৰে তাৎপৰ্য অপৰিসীম তাক ওলাই পৰে। সেয়ে ধৰ্মীয়, সাংস্কৃতিক, বৈজ্ঞানিক, সামাজিক দায়বদ্ধ গুণসমৃদ্ধ পোহন বিয়া প্ৰণোজ্জ্বল হোৱা উচিত মানৱ জাতিৰ বৃহৎ স্বাৰ্থৰ খাতিৰতে।

ছোঁ-মুখা

নাট্য নৃত্যকলাৰ গ্ৰন্থ ভৰত মুনি প্ৰণীত নাট্যশাস্ত্ৰত অভিনয়ৰ বিভিন্ন প্ৰকাৰৰ পুস্তৰ নামোল্লেখ আছে। ভৰত মুনিৰ মতে পৰ্বত, জান, বিমান, ঢাল, বৰ্ম, পতাকা, হাতী প্ৰভৃতি যি নাট্যত নিৰ্মিত হয় সেয়ে হ'ল পুস্ত। সত্ৰীয়া ভাষাত ইয়াক কোৱা হয় ছোঁ-মুখা। ছোঁ-মুখাৰ বিষয়ে চৰিত পুথিত আছে : 'ভাওনাৰ ছোঁ সভাঘৰে নিল/আঁৰ বস্ত্ৰ দিয়া থাকে তৈত ঢাকি থৈল//' দৈত্যাৰি ঠাকুৰে ৰামবিজয় নাটক অভিনয় কৰা সন্দৰ্ভত লিখিছে 'কাহাকো নানান ছোঁ সাজিবাক দিলা//ৰাম যাত্ৰাৰ গীত আপুনি কৰিলা//' ড° নাৰায়ণ দাসে লিখিছে : 'মহাপুৰুষে সদৰীৰ ওচৰৰ ৰভাখলাত গোপ-গোপী, গাই-দামুৰিৰ উপৰি কৃত্ৰিমকৈ গোবৰ্ধন পৰ্বত সাজি তাতে গোবৰ্ধন যাত্ৰা কৰাৰ কথা 'কথাগুৰু চৰিত'ত আছে। ৰবিবিষ্ণু আতাৰ অনুৰোধ মৰ্মে মহাপুৰুষে মালতাত নৃসিংহ যাত্ৰা ভাওনা কৰা কালত ধৰবিষ্ণু আতাৰ স'তে নাৰায়ণ দাস ঠাকুৰে লগ লাগি ছোঁ সজাৰ কথাও 'কথা গুৰুচৰিতে'ই সদৰী কৰাটো উল্লেখযোগ্য।' চিহ্নযাত্ৰাত মণ্ডৰা দলৈয়ে ব্ৰহ্মাৰ আৰু সৰ্বজয় আতৈয়ে গড়ুৰৰ মুখা, হীৰা দলৈয়ে বুকুত পিন্ধা চোলাৰ তলত 'পুৰৈ ফেচুকাৰে' বোলোৱা নাড়ী-ভুঁৰুৰ আকৃতিৰ নৃসিংহৰূপী মাধৱদেৱে মুখত মেৰিয়াই লোৱা দেখি দৰ্শকে মহাজনে মানুহ মাইলৈ বুলি ভয়ত ভাওনাথলী এৰি পলোৱাৰ কথা একাধিক চৰিতত আছে।' 'তুংখুঙীয়া বুৰঞ্জী'ত আছে 'কমলেশ্বৰ সিংহৰ ৰাজসভাত ১৭২৭ শকৰ ২৮ ফাগুনত যি ৰুক্মিণী হৰণ ভাওনা চলিহা বাচৰ ঘৰ সত্ৰৰ ফালৰ পৰা অনুষ্ঠিত হৈছিল সেই ভাওনাত কালীসাপ, ভালুক, হাতী দেখুওৱা হৈছিল আৰু আৱশ্যকীয় স্থানত ছোঁৰ প্ৰয়োগ কৰা হৈছিল।' সাৰদানন্দ দেৱ গোস্বামীয়ে লিখিছে : 'ছোঁসমূহ সাধাৰণতে তিনিটা বিশেষ পদ্ধতিৰে নিৰ্মাণ কৰা হয়। যথা সজিম অৰ্থাৎ ছোঁবোৰৰ বিবিধ অংগ-প্ৰত্যংগ বেলেগে সাজি লৈ যিবোৰ উপযুক্ত স্থানত জোৰা লগাই দিয়ে। ব্যাজিম পদ্ধতিত বিবিধ কল-কজাৰ মাধ্যমেৰে ছোঁবোৰ ৰংগস্থলীত প্ৰৱেশ কৰোৱা হয়। চোষ্টিম পদ্ধতিত ছোঁবোৰ ভিতি-সূৰ লৰচৰ কৰিব পৰা কৌশলৰ দ্বাৰা নিৰ্মাণ কৰা হয়। সিংহ, বাঘ, হাতী আদি ছোঁবোৰৰ ঠেংত চকা লগাই যত্নসে অনাৰ উপৰি কোনো কোনো ক্ষেত্ৰত এনে ছোঁৰ পাছফালৰপৰা খোলা ৰাখি, তাত মানুহ সোমাই হাত-ভৰিৰ সহায়েৰে ছোঁটো লৰাই ভাওনাথলীত প্ৰৱেশ কৰোৱায়। ছোঁৰ ভিতৰত

সোমোৱা কৌশলেৰে হংসযান, অক্ৰুৰ, কংস, ৰাৱণৰ ৰথ আদিও ৰচিৰ সহায়ত বিশেষ কৌশলেৰে মঞ্চলৈ অনা হয়। বান্দৰ, ভালুক আদি চৰিত্ৰৰ বাবে জলমৰ ব্যৱহাৰ অংকীয়া ভাওনাত বৰ্তমান স্থান বিশেষে নাথাকিলেও যোৱা শতিকাৰ পঞ্চম-ষষ্ঠ দশক পৰ্যন্ত সকলোতে আছিল।' জলম তৈয়াৰৰ বিশেষ পদ্ধতি আছে—মানুহৰ জোখাৰে জাল এখন কাটি সী লৈ তাত মৰাপাটৰ আঁহ গাঁঠি দি জলম প্ৰস্তুত কৰা হয়। মুখাৰ ক্ষেত্ৰত অভিনৱ কলা-কৌশল প্ৰয়োগ কৰা হয়। কিছুমান মুখা বাঁহৰ কাঠি, কাঠ বা কুহিলা আদিৰ দ্বাৰা নিৰ্মাণ কৰা হয়, যিবোৰত আগলৈ, পাছলৈ, চোৱা, মুখ মেলা-জপোৱা আদি কৌশল প্ৰয়োগ কৰা হয়। গৰুড় পক্ষী, জটায়ু, হংস আদি ছোঁৰ ভিতৰত মানুহ সোমাই একোটা বিশেষ ভংগীত হাত দুখনেৰে ডেউকা কোবাই ভাওনাথলীত প্ৰৱেশ কৰে। কলা-কৌশল প্ৰয়োগত এনেদৰে একো একোটা জীৱন্ত প্ৰাণী হৈ পৰে।

ছোঁ-মুখা নিৰ্মাণৰ ক্ষেত্ৰত বাঁহ আৰু কাগজক আগস্থান দিয়া হয়। কাঠৰ ছোঁ-মুখা থাকিলেও ওজন বেছি হোৱা বাবে তাৰ প্ৰচলন কম। বাঁহৰ কাঠি কৰি মূৰ আৰু গাৰ জোখাৰে একোটা সজা সজাই লৈ পূৰ্ণ অৱয়ৱ ফুটাই তুলিবলৈ তাৰ ওপৰত গোবৰ মাটি বা কুমাৰৰ মাটি লিপি চকু, মুখ, নাক, কাণ আদি সুন্দৰকৈ গঢ় দিয়া হয়। তাৰ ওপৰত টুকুৰা কাপোৰত এঠা লগাই মাটিৰ ওপৰত মাৰি ৰ'দত শুকুৱাই লেখনিৰ দ্বাৰা হেঙুল, হাইতাল, নীল, ধলমাটি, বালিচন্দা লগাই ছোঁ-মুখাবোৰ দেখিবলৈ সুন্দৰ কৰা হয়। 'অসমীয়া সংস্কৃতিৰ কণিকা' গ্ৰন্থত আছে ঃ 'কেঁচা মাটিৰ টুকুৰা এটাত মুখৰ সাঁচ এটা কৰি লৈ কেন্দু গুটিৰ এঠা উলিয়াই টুকুৰা কাগজত লগাই তাক সাঁচটোত লগাব লাগে। সাঁচটোত তিনি জাপমান কাগজ মাৰি ৰ'দত শুকুৱাই পাছত মাটিবোৰ উলিয়াই পেলোৱা প্ৰয়োজন। তাৰ পাছত মুখাৰ ওপৰত হেঙুল-হাইতাল, নীল প্ৰভৃতি ৰং দিব লাগে। কাগজৰ দ্বাৰা পিছে মানুহৰ শিৰোভাগৰহে মুখা সাজিব পাৰি আন অংগ-প্ৰত্যংগৰ নোৱাৰি।' সাঁপ, নেউল আদিৰ ছোঁ প্ৰস্তুতৰ ক্ষেত্ৰত প্ৰথমে কাপোৰ বা থৈলাৰে ইয়াৰ আকৃতিটো কৰি তাত তুঁহ গুড়ি ভৰাই প্ৰয়োজনীয় ৰং ৰৰণ সানি জীৱন্ত যেন কৰি তোলে। ভাওনাথলীত এইবোৰ চলাই লৈ ফুৰিবলৈ কৌশল অৱলম্বন কৰা হয়। ভাওনাঘৰৰ মাজে মাজে খুঁটা পুতি তাত ক'লাৰঙৰ ৰচি বান্ধি এজনে কৌশলৰ দ্বাৰা মকৰ ইমূৰৰ পৰা সিমূৰলৈ চলাই লৈ ফুৰে। বাঁহৰ কাঠিৰে সম্পূৰ্ণ মানুহৰ মুখা সাজিব পাৰি। চকুৰ পোনে পোনে ভাওৰীয়াই দেখাকৈ দুটা ফুটা ৰখা দৰকাৰ।

ভাওনাৰ চোঁ-মুখাবোৰ সাজি উলিয়াইছিল খনিকৰসকলে। খনিকৰসকল বহুবিদ্যা আৰু কলাত কুশলী লোক। তেওঁলোক নাট্যশাস্ত্ৰতো পাৰদৰ্শী হোৱা প্ৰয়োজন। চোঁ-মুখাবোৰত বিভিন্ন আংগিক প্ৰযোগ, ৰঙৰ ব্যৱহাৰ আদিত পাৰদৰ্শী হ'লেহে এইবোৰ দেখিবলৈ সুন্দৰ হয়। মহাপুৰুষ শংকৰদেৱ আছিল খনিকৰী বিদ্যাত পাৰদৰ্শী লোক। খনিকৰসকলৰ পৌত্ৰ-পৌত্ৰাদিক্ৰমে খনিকৰী বিদ্যা অক্ষুণ্ণ ৰাখি আহিছে।

ম'হ যুঁজ

মাঘ বিহুৰ উৰুকাৰ পাছদিনা বিহুৰ প্ৰথমদিনা (পুহৰ ৩০ তাৰিখ) অসমৰ কোনো কোনো ঠাইত ম'হ যুঁজ অনুষ্ঠিত হয়। এই ম'হ যুঁজৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ আগতে অসমীয়াৰ খেতি-বাতি, পূজা-পাতল, উৎসৱ-পাৰ্বণ, গীত-মাত, বাদ্যযন্ত্ৰ, লোকবিশ্বাস আদিত ইয়াৰ ভূমিকাৰ বিষয়ে আলোচনা কৰা হ'ল চমুকৈ।

ম'হৰ দ্বাৰা খেতিৰ কাম যেনে হালবোৱা, গাড়ী টনা, মৰণা মৰা আদি কাৰ্য কৰা হয়। ম'হক বলিৰূপে শক্তিস্বৰূপ অনেক দেৱীলৈ (যেনে— দুৰ্গা, কালী, মনসা আদিলৈ) আগবঢ়োৱা হয়। আনহাতে ম'হৰ প্ৰকোপৰ পৰা ৰক্ষা পৰিবলৈ নামনি অসমৰ নলবাৰী আৰু কেতবোৰ ঠাইত ম'হ উৎসৱ পালন কৰাৰ দৰে পূৰ্ববংগত খেতি-পথাৰলৈ আহি বনৰীয়া ম'হে (জন্তু) খেতিৰ শস্য খাই নষ্ট কৰা অনিষ্ট ৰোধ কৰিবলৈ অৰ্থাৎ ম'হ (জন্তু) খেদিবলৈ 'ভাল্লা-ভুলা' উৎসৱ পাতে। অসমীয়াৰ অনেক গীত-পদতো ম'হৰ উল্লেখ পোৱা যায়। ৰঙালী বিহুৰ বিহুগীতত পোৱা দুটি কলি উল্লেখ কৰা হ'ল ঃ

'ম'হৰ শিঙৰ পেঁপাটি
সজাই দিয়া ককাইটি
বিহু মাৰিবলৈ যাওঁ......।।

আৰু 'ম'হৰ শিঙৰ পেঁপাটি নবজাবা ককাইটি মোৰে মন উৰুঙা কৰে, পেঁপাৰ মাতে শুনি ৰ'বকে নোৱাৰো হাতৰ বাচন সৰি পৰে।'

'চেনাইৰ ম'হৰ শিঙৰ পেঁপাৰ মাত শুনি মাকো ফুৰাই থকা নাচনীয়ে 'গচকত যঁতৰ' ভাঙি বিহুতলীলৈ লৰ মাৰে। ঢোল-পেঁপাৰ তালে তালে নাচে কঁকাল ভাঙি। চেনাইলৈ চাই মাৰে মিঠা হাঁহি।' ম'হৰ শিঙৰ পৰা অকল পেঁপাই নহয় শিঙাও তৈয়াৰ কৰা হয়। ম'হৰ শিঙৰ আগভাগ কাটি আনি তাৰ শীৰ্ষাংশত অলপ কাটি খাগৰি বা নলেৰে জিভা এখন লগাই ফুটাটোত সৰু বাঁহী এটা সংযোগ কৰিলেই সি হয় পেঁপা। বাঁহীটোত খোলা থকা মুখটোত মুখেৰে ফুৰাই বাঁহীৰ ফুটাবোৰত আঙুলি ফুৰাই পেঁপা বজোৱা হয়। আনহাতে, ম'হৰ শিঙৰ আগ অংশ কাটি তাত ফুৰালেই শিঙাৰ মাত ওলায়। পেঁপা ব্যৱহাৰ হয় বিহুগীতত। আনহাতে, শিঙা ব্যৱহাৰ হয়

ৰাতি গাঁৱত চোৰ-ডকাইতৰ পৰা মানুহৰ জীৱন আৰু সম্পত্তি ৰক্ষা কৰিবলৈ কৰা ব্যৱস্থাৰ পহৰাদাৰী দলৰ পহৰা ৰখা কাৰ্যত। পহৰাদাৰী দলে সেয়া ঘূৰাই পৰ্ক কৰি গাঁওখনত ইমূৰৰ পৰা সিমূৰলৈ সকলো ঠাই ঘূৰি ফুৰে। ম'হৰ সেহৰ ছালৰ পৰা নানা বাদ্য-যন্ত্র যেনে নাগাৰা, ঢোল আদি সজাৰ লগতে বেগ, চেণ্ডেল, জোতা আদিও তৈয়াৰ কৰা হয়। ম'হক লৈ অনেক জনবিশ্বাসো গঢ়ি উঠিছে। অৱশ্যে অকল ম'হক লৈয়ে নহয় ভোগালী উৎসৱৰ সকলো অনুষ্ঠানৰ মূলতে জনবিশ্বাস। উৰুকাৰ আগতে পথাৰৰ পৰা ধান আনি ভঁৰালত ভৰাব লাগিব। কাৰণ মাঘ মাহত ধান দাব নোৱাৰি। পথাৰত লখিমী আছি অন্ততঃ এমাহ ভঁৰালত জিৰণি ল'ব লাগিব। গৰখীয়া ল'ৰাইতে মেজি সাজি তাৰ ওচৰত ভেলাঘৰ বান্ধি ৰাতি ঠাণ্ডা আঁতৰাবলৈ মানুহৰ ঘৰৰ পৰা খৰি চুৰ কৰি অনা ব্যৱস্থাত জনবিশ্বাস প্ৰচলিত হৈ আছে। ম'হ যুঁজক লৈও অনেক জনবিশ্বাস আছে তাৰে এটি হ'ল ম'হ যুঁজ চালে মানুহৰ মূৰ ঘূৰণি নহয়।

অকল ম'হ যুঁজতে নহয় আন উৎসৱ-পাৰ্বণতো ম'হৰ ভূমিকা গুৰুত্বপূৰ্ণ। ৰঙালী বিহুত হাতীগুঁৰীয়া, তৰাগছ, দীঘলতি, বিহগছ আদিৰে সজিয়া 'থুপা' এটা কৰি তাত জুই দি সেই 'থুপাৰ' ধোঁৱা বিচনীৰে ম'হ, গৰু থকা গোহালিলৈ বিচি দি সেইদিনাৰ পৰা বিচনীৰ ব্যৱহাৰ কৰা হয়।

মাঘ মাহৰ ম'হ যুঁজ প্ৰথা মঙ্গলীয় সংস্কৃতিৰ পৰা আহিছে। এই ম'হ যুঁজ অনুষ্ঠিত হয় পুহ মাহৰ শেষৰ দিনা। অৱশ্যে সেইদিনাৰ পৰা কেইবাদিনলৈও এখন ঠাইত বা আন নানা ঠাইত এই ম'হ যুঁজ অনুষ্ঠান হ'ব পাৰে। ম'হ যুঁজ বাহিৰে উজনি অসমৰ নগাঁও আৰু মৰিগাঁও জিলাৰ আঁহতগুৰি, ধিং, বাৰপূজীয়া, তেলাহী, মৰিগাঁও, দমাল, কাছধৰা, ৰৰশিবজ্যা, মিকিৰভেটা, তৈতেলিসৰা, ৰজাগাঁও, হাতীগড়ৰ উপৰি শিৱসাগৰ, গোলাঘাট আদি জিলাৰ নানা ঠাইত অনুষ্ঠিত হয়। এই যুঁজৰ তাৎপৰ্য হ'ল দৈহিক শক্তিৰ প্ৰদৰ্শন কৰা।

পুহ মাহত ধান দাই ঘৰলৈ অনাৰ অন্তত খেতি-পথাৰ উদং হয়। সেয়ে এই সময়ত, আগতে বান্ধৰ মাজত ৰখা ম'হ, গৰু-ছাগলী আদি মুকলি পৰিবেশত এৰি দিয়া হয়। হালৰ ম'হহালৰ মাজত যুঁজ নহয়। কিন্তু যেতিয়া বা অচিনাকি ম'হৰ স'তে লগা-লগি হ'লে ম'হ দুটাৰ মাজত প্ৰচণ্ড যুদ্ধ হয়। সিহঁতৰ যুদ্ধত তলৰ মাটি ওপৰ হয়, ওচৰত থকা গছ বা বেৰ আদি উভালি তহিলং কৰে। দুয়োৰে যুঁজত শিং ভাঙি যায় আৰু দেহত অনেক আঘাত হয়। পথাৰত পুৰাতে পৰা চলা যুঁজ কেতিয়াবা সন্ধিয়ালৈ চলে। ম'হৰ পৰাকীয়ে আহি সেই যুঁজ ভাঙি দিলেহে দুয়োটা অৱশেষত শান্ত হয়।

পথাৰত কাম শেষ হোৱাৰ পাছত অসমৰ খেতিয়কসকলে পুহ মাহত অলপ জিৰণি ল'বলৈ আহৰি পায়। এই সময়তে পথাৰৰ লখিমীৰে ভঁৰাল উপচি পৰে। সেয়ে খেতিৰ অৱসৰত নিজৰ ভঁৰালৰ ধান মুঠিয়ে এমুৰি খায়। লাৰু, পিঠা, চিৰা, সান্দহ, মাহকৰাই আদি খাবলৈয়ে মাঘ বিহু পাতে। আকৌ ভোগৰ লগতে ৰং-ধেমালি কৰি খেতিৰ ভাগৰ জোঁকাৰিবলৈ আৰু দৈনন্দিন কৰ্মব্যস্ততাৰ পৰা কেইদিনমানৰ বাবে হ'লেও ৰেহাই পাবলৈ এই বিহুত পতা নানা খেল-ধেমালিৰ ভিতৰত ম'হ যুঁজো অন্যতম।

অসমত ম'হ যুঁজৰ ইতিহাস পুৰণি। আহোমসকলৰ ৰাজত্ব কালৰ পৰাই অসমত ম'হ যুঁজৰ প্ৰচলন আছিল। 'বাঁহী' আলোচনীত পোৱা এটা প্ৰবন্ধৰ আঁত ধৰি সেই সময়ৰ ম'হ যুঁজৰ এক সংক্ষিপ্ত বিবৰণ দিয়া হ'ল ঃ

পুহৰ পৰা কেইদিনমান পাছতে ৰজাৰ ঘোষকে ঢোল বজাই কোনদিনা ম'হ যুঁজ অনুষ্ঠিত হ'ব তাক ঘোষণা কৰে আৰু ৰাইজক সেই যুঁজ উপভোগ কৰিবলৈ নিমন্ত্ৰণ কৰে। মাঘ বিহুত খেলৰ বাবে নিৰ্ধাৰিত দিনত ৰাইজ পুৱাতে আহি ৰংঘৰৰ ওচৰৰ বাকৰণিত গোট খায়। ৰজায়ো আহি ৰাজচ'ৰাৰ ওপৰৰ মহলাত ৰাণী আৰু পাৰিষদবৰ্গৰ সৈতে বহি ৰয়। ৰজা আহি পালেই যুঁজ আৰম্ভ কৰিবলৈ লোৱা হয়। ঘোষকে চিঞৰি প্ৰতিযোগী ম'হৰ গৰাকী দুজনৰ নাম ঘোষণা কৰে। ম'হৰ গৰাকী দুজনে যুঁজৰ বাবে নিৰ্দিষ্ট মাটি বান্ধি ওখ কৰি কাঠ-বাঁহেৰে কৰি লোৱা গঁৰালত ভিতৰত নিজৰ ম'হ দুটা সোমাবলৈ দিয়ে। লগে লগে ম'হ দুটাৰ যুঁজ আৰম্ভ হয়। ইটোৱে-সিটোক ঠেলি নি গঁৰাল বেৰত হেঁচি ধৰে। ইটোৱে কোনোবা পাকত তাৰ হেঁচাৰ পৰা ওলাই প্ৰথমটোক ঠেলি নি বিপৰীত ফালৰ গঁৰালৰ বেৰত শিঙেৰে হেঁচি ধৰে। এনে অৱস্থাত দুয়োৰে দেহত অনেক আঘাত হয়। কোনোবা মুহূৰ্তত এটাই আনটোৰ শক্তিৰ আগত তিষ্ঠিব নোৱাৰি তাৰ পৰা দৌৰি গৈ গঁৰালৰ প্ৰথম নঙলা পায়। তাৰ পাছত দ্বিতীয়, শেষত তৃতীয় নঙলা পায়। জয়ী হোৱা ম'হটোৱেও পলৰীয়াটোৰ পাছে পাছে খেদি যায়। ম'হক প্ৰতিখন নঙলাৰ ওচৰত পাওঁতেই দুৱাৰ মাৰি ৰাখিবলৈ চেষ্টা কৰে যদিও বহু ক্ষেত্ৰত সেই কাৰ্যত সফল হোৱা দেখা নাযায়। দুয়োটা ম'হ এটাৰ পাছত আনটো দৌৰিয়েই থাকে। মানুহে পাছে পাছে যোৱা জয়ী হোৱা ম'হটোক কোনোবাই ৰাখে। হৰাটো তাৰ পৰা পলাই গৈ কেতিয়াবা হাবিও পায়। গৰাকীয়ে তাক বিচাৰি ১০/১২ দিন হাবাথাস্তি খাব লগা হয়। এই যুঁজত জয়ী হোৱা ম'হটোৰ গৰাকীক ধন-সোণ আদি দি পুৰস্কৃত কৰে ৰজাই। উপাধি আৰু ৰাজ পদো দিয়ে। আনহাতে, হৰাটোৰ গৰাকীক দিয়ে চমতাৰ কোব।

ম'হযুঁজৰ থলীতে অৰ্থাৎ গঁৰালৰ ভিতৰত একে ধৰণে বাঘ, ভালুক, গঁড়াল গাহৰি, ঘঁৰিয়াল আদিৰ যুঁজো অনুষ্ঠিত কৰিছিল। এই জন্তুবোৰৰ যুঁজৰ পাছত এক ভয়ানক খেল পাতিছিল। গঁৰালটোৰ ভিতৰত বাঘ বা গঁড়াল গাহৰি এটা ৰাখি তাত বলী জন্তুটোক হত্যা কৰি মানুহজনক উলিয়াই আনে। কেতিয়াবা যদি জয়ী হয় তেন্তে মানুহজনে বজাৰ পৰা পুৰস্কাৰ পায়।

বৰ্তমান সময়ত ম'হ যুঁজৰ অনেক পৰিৱৰ্তন হৈছে। ম'হ যুঁজ এতিয়া গঁৰালৰ সলনি মুকলি ঠাইত অনুষ্ঠিত হয়।

পুহ মাহ পৰাৰ লগে লগেই ম'হ যুঁজৰ প্ৰস্তুতি আৰম্ভ হয় বুলি ক'ব পাৰি। ম'হবোৰক নৈৰ পাৰলৈ নি কোমল ঘাঁহ খুৱায়। সদায় তেল-টেঙাৰে ম'হৰ গা ধুৱাই পৰিষ্কাৰ কৰি ৰাখে। ৰাতি গোহালিত মহে নাখাবলৈ আঠুৱা তৰি দিয়া হয়। তদুপৰি গোহালিৰ গোবৰ, মূত আদি প্ৰতিবাৰ শৌচ কৰোতে বা প্ৰস্ৰাব কৰোতে আঁতৰাই চাফা কৰে। ম'হবোৰক যুঁজ নোযোৱালৈ কাম-বন একোতে নলগায়। (ম'হবোৰক অৱশ্যে কোনো কোনো ঠাইত যুঁজৰ বাবে প্ৰশিক্ষণ দিয়ে।) এনে নানা যত্নৰ ফলত ম'হবোৰৰ শাৰীৰিক শক্তি আৰু দেহৰ সৌন্দৰ্য বৃদ্ধি পায়।

ৰাইজে ম'হ যুঁজ পতাৰ বিষয়ে আলোচনা কৰিবলৈ বিহুৰ আগতে সভা পাতে। এই সভাত ম'হ যুঁজ কোন ঠাইত অনুষ্ঠিত হ'ব, কিমান দিনাকৈ হ'ব, কাৰ কাৰ ম'হে ইয়াত অংশগ্ৰহণ কৰিব, কি পুৰস্কাৰ দিব আলোচনা কৰাৰ লগতে প্ৰতিযোগিতা পৰিচালনা কৰিবলৈ সমিতিও গঠন কৰা হয়। ম'হ যুঁজৰ আগৰ দিনা ম'হৰ গুৱালে বাজহুৱা মেজি সাজি উঠি ৰাতি গায় :

'ফুলামকৈ গামোচা নিদিলা লাহৰী
তাঁতলো চলা নাই যাকো।
অতিকৈ হেঁপাহৰ গোনা ঐ ম'হৰ যুঁজ
নাপাতি কেনেকৈ থাকো।'

ম'হ যুঁজৰ দিনা পূৰ্বে নিৰ্ধাৰিত ঠাইত ৰাইজ আহি গোট খায়। ম'হৰ গৰাকীহঁতে ম'হবোৰক তালৈ লৈ আনে। আনোতে ঘৰত ম'হবোৰৰ শিঙত তেল-সেন্দুৰ ঘঁহি আনে। ম'হৰ গৰাকীয়ে হাতত লাঠি একোডালো লৈ আহে। ম'হ যুঁজলৈ গৰাকীহঁত পঞ্জাবী চাৰ্ট আৰু ধুতি পিন্ধি অহাটো নিয়ম।

ৰাইজে হাঁহি-তামাচা কৰি ম'হ যুঁজ আৰম্ভ হোৱালৈ অপেক্ষা কৰি বয়। যুঁজৰ বাবে ম'হ দুটা গৰাকী দুজনে খেল-পথাৰত সুমুৱাৰ লগে লগে ৰাইজৰ মাজত হাঁহি,

সুহুৰি, কিৰিলি বৃদ্ধি পায়। এনে সময়তে কোনোবা ৰঙিয়াল ডেকাই দৰ্শকৰ মাজৰ পৰা নাচি নাচি আহি খেল হোৱা ঠাইত বিহুনাচ আৰম্ভ কৰে। তাকে দেখি আকৌ আন ডেকায়ো তেনেদৰে আহি তেওঁৰ সৈতে নাচিবলৈ ধৰে। তেওঁলোকে নানা কৌতুকৰ অভিনয়ো আৰম্ভ কৰে। কেতিয়াবা এনে নাচ কৌতুক অভিনয়ত ডেকা ল'ৰাৰ সংখ্যা দুশতকৈও বৃদ্ধি পায়। মুঠতে ক'ব পাৰি আনন্দ উৎসৱ কৰিবলৈ পতা ম'হ যুঁজৰ ৰং-ধেমালি, যুঁজ প্ৰতিযোগিতা আৰম্ভ হোৱাৰ আগৰে পৰা আৰম্ভ হৈ শেষলৈ চলে।

খেল হোৱা ঠাইলৈ গৰাকীয়ে ম'হ দুটাক নাকী লগাই আনে, তাৰ পাছত গৰাকীয়ে ম'হ দুটাৰ নাকী দুডাল খুলি দিয়ে। ম'হ দুটাই প্ৰথমে পৰস্পৰলৈ চকু জোপা কৰি চাই ৰয়। মুখেৰে শব্দ কৰে। এটা মুহূৰ্তত হঠাতে এটাই আনটোক আক্ৰমণ কৰে। মূৰেৰে খুন্দা মাৰি দিয়ে আৰু দুয়োটা ম'হে সমান শক্তিৰে এটাই আনটোক পিছলৈ ঠেলিব ধৰে। যুঁজত শিং দুটা ব্যৱহাৰ কৰে। এনেদৰে যুঁজত এবাৰ যদি এটাই আনটোক ঠেলি পিছলৈ নিয়ে·পিছত আকৌ সিটোৱে প্ৰথমটোক ঠেলি নিয়ে। কিন্তু কেতিয়াবা এটাৰ বল কম হ'লে আনটোৱে ঠেলি ঠেলি গোটেই খেল পথাৰতে ঘূৰাব পাৰে। ঠেলি নিওঁতে কেতিয়াবা ম'হ দুটাই খেল চাই থকা ৰাইজৰ মাজলৈ যাব পাৰে। সেয়ে ৰাইজে খেল চাই থকা সময়ত অতি সাৱধান হৈ ৰয়। ম'হ দুটা যুঁজি যুঁজি কাষ পাওঁ পাওঁ হ'লে ৰাইজ তাৰ পৰা আঁতৰি যায় বা গৰাকীয়ে ম'হ দুটাক নিয়ন্ত্ৰণ কৰি খেল-পথাৰৰ মাজলৈ লৈ আহে। সিহঁতৰ এই থৈয়া-নথৈয়া যুঁজত শিঙৰ আঘাতত দেহ ক্ষত-বিক্ষত হয়। শিং দুটাও ভাঙো ভাঙো হয়। কেতিয়াবা আকৌ যুঁজ এৰি তলমূৰাকৈ বৈ যোঁপাই এটাই আনটোক ঘোপাকৈ চাই ৰয়। তেনে সময়তে ৰাইজে চিঞৰে 'ধৰ ধৰ'। টিটকিৰি, সুহুৰিও মাৰে। তেতিয়া ম'হ দুটাই পুনৰ যুঁজত অৱতীৰ্ণ হয়। কিন্তু হঠাতে কেতিয়াবা শাৰীৰিক শক্তি হ্ৰাস পাই এটা ম'হে আঁতৰি আহে। তেতিয়া ওচৰত থকা গৰাকীয়ে 'ধৰ', 'লাগ', 'লাগ' বুলি ম'হটোক উৎসাহ দিয়ে। গৰাকীৰ সেই চিনাকি মাতত উৎসাহ পাই ম'হটোৱে পুনৰ আনটোৰ সৈতে যুঁজত লাগে।

যুঁজৰ বাবে খেল-পথাৰলৈ আনি ম'হৰ গৰাকীয়ে, ম'হ দুটাৰ নাকী খুলি দি যুঁজিবলৈ দিলেও কেতিয়াবা যুঁজত নালাগে, আঁতৰি যায় বা তাৰ পৰা পলাবলৈ লৰ ধৰে বা পিছ হোঁহকে। কেতিয়াবা আকৌ দুটামান মূৰেৰে খুন্দা মাৰি থিয় হৈ থাকে। তেনে সময়ত গৰাকীয়ে 'ধৰ', 'ধৰ' বুলি চিঞৰে। ৰাইজেও তেনেদৰে চিঞৰে। তেতিয়া দুয়োটা যুঁজত অৱতীৰ্ণ হয়।

কেতিয়াবা যুঁজত অৱতীৰ্ণ হৈ এটাই আনটোৰ শাৰীৰিক শক্তিৰ আগত তিষ্ঠিব নোৱাৰি খেল-পথাৰৰ পৰা পলাই লৰ ধৰে। তেতিয়া জয়ী হোৱা ম'হটোৱে হাৰি পলাই যোৱা ম'হটোক পিছে পিছে খেদি যায়। তেতিয়া তাক ধৰি ৰাখিবলৈ গৰাকীজনে তাৰ পিছে পিছে দৌৰি 'হৰ্হ', 'হৰ্হ', 'হ', 'হ' বুলি চিঞৰে। কিন্তু খণ্ডত থকা হেতুকে ম'হটো দৌৰিয়েই থাকে, পলোৱাটোক পুনৰ আক্ৰমণ কৰাৰ উদ্দেশ্যে। তেতিয়া গৰাকীয়ে খেল চাই থকা মানুহৰ সহায়ত ম'হটোৰ গতি ৰোধ কৰি নাকী লগাই দিয়ে। তথাপি সি খণ্ডত অস্থিৰ হৈ গৰাকীৰ হাতৰ পৰা জৰি ছিঙি দৌৰিব বিচাৰে। মুখেৰে ফোঁচফোঁচাই থাকে। বহু সময়ৰ মূৰতহে সি শান্ত হয়। তেতিয়া গৰাকীয়ে তাক টানি আনি খেল হোৱা ঠাইলৈ লৈ আহে। আদ বাটৰ পৰা উৎসাহী দৰ্শকসকলে বা গৰাকীৰ চিনাকিসকলে গৰাকীক দাঙি খেল-পথাৰৰ মাজলৈ আনি জুমবান্ধি নচুৱাবলৈ ধৰে। কোনো কোনো ঠাইৰ খেলত জিকাৰ লগে লগে জয়ী ম'হৰ গৰাকীক পুৰস্কাৰ দিয়াৰ নিয়ম আছে। তেনে ক্ষেত্ৰত খেল পৰিচালনা সমিতিৰ সভাপতি, সম্পাদক বা আন সদস্যই আহি জয়ীজনৰ হাতত পুৰস্কাৰ তুলি দিয়ে। কেতিয়াবা তেওঁক লৈ ৰঙত উন্মাৱল হৈ থকা দৰ্শকৰ কোনোজনে ধেমালিতে তেওঁৰ হাতৰ পৰা পুৰস্কাৰটো লৈ লৰ ধৰে। লগে লগে আনসকলে তেওঁৰ পিছে পিছে খেদি যায়। অৱশ্যে শেষত আকৌ পুৰস্কাৰটো জয়ী হোৱা ম'হৰ গৰাকীৰ হাতলৈয়ে আহে। তাৰ পাছত আকৌ আন দুটা ম'হৰ মাজত যুঁজ আৰম্ভ হয়।

জয়ী ম'হৰ গৰাকীক লৈ বাইজৰ মাজত আনন্দ চলি থাকোতেই পৰাজিত ম'হটোৰ অৱস্থা বেয়া হয় কেতিয়াবা। জয়ী হোৱাটোৰ আক্ৰমণৰ পৰা ৰক্ষা পৰিবলৈ খেল-পথাৰৰ পৰা পলাই লৰ ধৰিলেই গৰাকীয়েও তাৰ পিছে পিছে দৌৰি যায়। ম'হটো দৌৰিয়েই থাকে। তেনে অৱস্থাতে গৰাকীয়ে কৌশলেৰে তাৰ গতি নিয়ন্ত্ৰণ কৰি নাকী লগাই দিয়ে। কেতিয়াবা আকৌ সি দুখে-ভাগৰে এঠাইত বহিও পৰে। ম'হটোৰ গাত আঘাত হয়। জয়ী হোৱা ম'হটোৰ গাতো আঘাত হয়। তাত ম'হ দুটাৰ ঘৰৰ মানুহে বনৌষধি আদি লৈ থাকে। ম'হ দুটাক কৰায়ত্ত কৰি আনি শুশ্ৰূষাত লাগি যায়। আঘাত হোৱা ঠাইবোৰ গৰম পানীৰে ধুৱাই তাত বনৌষধি লগাই দিয়ে। এনেয়ে হৰাৰ দুখ, তাতে আকৌ পৰাজিত ম'হটোৰ আঘাতবোৰ দেখি শোকত ম্ৰিয়মাণ হৈ পৰে গৰাকী আৰু পৰিয়ালৰ সদস্যসকল। তেনে সময়তে তেওঁলোকৰ চিনাকি ম'হ যুঁজ চাই থকা লোকসকলে আহি তেওঁলোকক উৎসাহ দিয়ে, এইবাৰ হাৰিলেও অহাবাৰ নিশ্চয় তেওঁলোকৰ ম'হটো যুঁজত জিকিব। কোনো কোনোৱে ম'হটোৰ শুশ্ৰূষাতো লাগে। যুঁজত আঘাতপ্ৰাপ্ত হোৱা ম'হ দুটাক গৰাকীয়ে বহু

দিনলৈ কামত নলগায়, সম্পূৰ্ণ সুস্থ হোৱালৈ অপেক্ষা কৰে। ম'হ যুঁজৰ শেষত জয়ী ম'হৰ গৰাকীসকলক পুৰস্কাৰ প্ৰদান কৰে। এই ম'হ যুঁজত বৰ্তমান সময়ত অনেক নতুনত্বই ঠাই পাইছে। ম'হ যুঁজৰ প্ৰতিযোগী ম'হ বিচাৰি বাতৰি-কাকতত বা ঠায়ে ঠায়ে পোষ্টাৰিং কৰি বিজ্ঞাপন দিয়ে। মৃত ব্যক্তিৰ নামত শ্বিল্ড, ট্ৰফি আদিও প্ৰদান কৰে। চলন্ত বা চূড়ান্তভাৱে দিয়া এই শ্বিল্ড বা ট্ৰফিৰ লগত নগদ ধনো দিয়ে। প্ৰতিযোগিতাখন বিশিষ্ট ব্যক্তিৰ দ্বাৰা উদ্বোধন কৰায়। ম'হ যুঁজৰ মাজতে বিৰতিৰ সময়বোৰত দৰ্শকক মাইক হাতত লৈ খেল পৰিচালনা সমিতিৰ সদস্যই খেল চাই মনত সৃষ্টি হোৱা অনুভূতিৰ কথা সোধে বা নিজেই কৌতুকপূৰ্ণ কথা কৈ ম'হ যুঁজৰ মনোৰঞ্জিতা বৃদ্ধি কৰে। যুঁজৰ শেষত বঁটা বিতৰণী সভাত বা গীত-মাত, নৃত্য-অভিনয় আদিৰ বিচিত্ৰানুষ্ঠান পাতি পুৰস্কাৰ প্ৰদান কৰে। কোনো কোনো ঠাইত ম'হ যুঁজৰ লগতে সপ্তাহ জুৰি মানুহৰ মাজতো নানা খেল-ধেমালি বা জীৱ-জন্তু, পখীৰ মাজত যুঁজ আদি হ'ব পাৰে। ইয়াত জয়ী প্ৰতিযোগীসকলক বা জীৱ-জন্তু-পখীৰ গৰাকীক সভাপতিয়ে পুৰস্কাৰ প্ৰদান কৰে। খেল-ধেমালিৰ লগতে সপ্তাহটো আলোচনা চক্ৰ, অন্তৰংগ আলাপ, কবি সমাৰোহ, চিত্ৰ প্ৰদৰ্শনী, নানা বিষয়ৰ কৰ্মশালা, সম্বৰ্ধনা অনুষ্ঠান আদিৰো ব্যৱস্থা কৰা হয়। স্মৃতিগ্ৰন্থও প্ৰকাশ কৰা হয়। প্ৰতিযোগিতা থলীৰ ওচৰতে পিঠা-পনাৰ বিপণী আৰু আন বস্তু সামগ্ৰীৰ বিপণীও বহে।

এই যুঁজৰ লগত নামনি অসমৰ সংখ্যালঘু মুছলমানসকলৰ অধুনালুপ্ত পুষ্প উৎসৱৰ অনেক মিল আছে। এই উৎসৱৰ আনুষ্ঠানিকতা মহোহৰ দৰে মুছলমান গৰখীয়াসকলৰ মাগন গীত গোৱাৰে আৰম্ভ হয়। পুহ মাহৰ এক তাৰিখৰ পৰা তেনেদৰে আৰম্ভ হৈ মাঘৰ এক তাৰিখে আন নানা অনুষ্ঠানেৰে উৎসৱৰ সামৰণি পৰে। মাঘৰ এক তাৰিখে ম'হ যুঁজৰ দৰে আগতে নানা বস্তু খুৱাই, নানা যত্ন লৈ বলবান কৰি তোলা ষাঁড় গৰুৰ মাজত যুঁজ হয়। ইয়াতো গৰাকীয়ে হাতত লাঠি লৈ ষাঁড়ৰ যুঁজ পৰিচালনা কৰি বয়। দৰ্শকেও ম'হ যুঁজৰ দৰে ইয়াত বেৰি ধৰি চায়।

ম'হ যুঁজৰ উজ্জ্বলতম বা গুৰুত্বপূৰ্ণ দিশটো হ'ল ইয়াৰ ফলত গঢ়ি উঠা ঐক্য-সংহতি আৰু সম্প্ৰীতি। এই যুঁজ উপভোগ কৰিবলৈ নানা জাতি-জনজাতি ভাষা-ভাষী লোকৰ আগমন হয়। সকলোৱে হাঁহি-মাতি, মনৰ কথা পাতি, নানা আলোচনা কৰি খেল চায়। গতিকে এই ব্যৱস্থাৰ মাজেদি সম্প্ৰীতি গঢ়ি উঠে।

ম'হ যুঁজৰ আন দুটা বিষয়ৰ কথা উল্লেখ ইয়াত কৰিবই লাগিব। এই খেলৰ বাবে দৰ্শকৰ আসনৰ ব্যৱস্থা কৰিবলৈ গাঁৱৰ লোকসকলে গোটিখাই পথাৰত ধানৰ পৰা নৰা কাটে। নলবাৰী জিলাৰ গহিয়া অঞ্চলত মাঘ বিহুৰ মেজি পুৰি শেষ হোৱাৰ

পিছত তাতে ৰাইজে সমূহীয়া জলপানৰ ব্যৱস্থা কৰি বছৰটোৰ বাবে আগতে কৰা সঞ্চয়ৰ হিছাপ-নিকাচ কৰে। ইয়াৰ লাভাংশৰে প্ৰীতিভোজ খায়। আন জাতিৰ লোককো ইয়ালৈ নিমন্ত্ৰণ কৰি আপ্যায়নৰ ব্যৱস্থা কৰে, বিহুৰ পিঠা-পনা, চিৰা, দৈৰে। তেনেদৰে উজনি অসমৰো কোনো কোনো ঠাইত ম'হ যুঁজ শেষ হোৱাৰ পাছত বা আগত একে ব্যৱস্থা প্ৰচলিত আছে।

প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে উজনি অসমৰ কোনো কোনো ঠাইত ম'হ যুঁজৰ আগতে ৰাইজে মাছ মাৰে। মৰিগাঁও-নগাঁও জিলাৰ বাৰপূজীয়াৰ ম'হ যুঁজ সম্পৰ্কত পৰিচালক, চিৰসেউজ ক্লাবৰ সম্পাদক কেশৱ চন্দ্ৰ লাহনৰ বৰ্ণনা : 'বাৰপূজীয়াৰ ম'হ যুঁজৰ ইতিহাস আঢ়ৈশ বছৰীয়া। আহোম ৰজা স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ দিনৰ পৰা ইয়াত পৰম্পৰাগতভাৱে এই ম'হ যুঁজ হৈ আহিছে। ১৭ শতিকাৰ ষষ্ঠ দশকত প্ৰতিষ্ঠা হয় বাৰপূজীয়া টোপাকুছিত দুখন সৰু ৰাজ্য। তাৰ পাছত ক্ৰমে মিকিৰ ৰাজ্য, সৰা, খাইগড় আদি ৰাজ্যবোৰত মাঘ বিহুৰ পিছদিনৰ পৰাই এসপ্তাহজুৰি ম'হ যুঁজ পতা হৈছিল। বাৰপূজীয়াৰ ৰজা দধি সিং আছিল ম'হ যুঁজৰ প্ৰধান পৃষ্ঠপোষক। তেওঁৰ মৃত্যুৰ পিছৰ পৰা ম'হ যুঁজ ৰাজহুৱাভাৱে উদ্‌যাপিত কৰিবলৈ লোৱা হয়। ৩ মাঘৰ দিনটোতে ইয়াত ম'হ যুঁজ পৰম্পৰাগতভাৱে পালিত হৈ আহিছে। পিছতহে ২৬ জানুৱাৰীৰ দিনটোতো (১৯৭২ চনৰ পৰা) ম'হ যুঁজ চলিবলৈ ধৰে। ম'হ যুঁজৰ মাজত যাদুমূলক মন্ত্ৰৰ প্ৰভাৱ থকা বুলি কোনো কোনোৱে বিশ্বাস কৰে। উদাহৰণস্বৰূপে ম'হ যুঁজত ভাগলোৱা ম'হৰ দলবোৰৰ গুৱালসকলে লাঠিডাল ঘৰতে মন্ত্ৰপুত কৰি তাৰে সম্মোহিত কৰি ম'হক যুঁজৰ স্থলীলৈ অনাৰ লগতে নিজৰ ম'হটোক জয়ী কৰাবলৈ খেল-পথাৰত মন্ত্ৰ মাতি বন্ধনী বান্ধে। ম'হ যুঁজত উপস্থিত থকা বয়োজ্যেষ্ঠ লোকসকলক ম'হৰ গৰাকীয়ে নিৰ্দেশ দিয়া মতে ম'হে তললৈ মূৰ কৰি সেৱা জনায়। এই ম'হ যুঁজৰ সময়ত উপস্থিত থকা ৰাইজে বজোৱা পাতি ঢোলৰ মাতত ম'হবোৰৰ গাত উছৱৰ বা লাগে। সম্প্ৰতি ৰাইজে 'চিৰসেউজ ক্লাব'ৰ সৌজন্যত আৰু বাৰপূজীয়া আঞ্চলিক ম'হ যুঁজ পৰিচালনা সমিতিৰ উদ্যোগত ম'হ যুঁজ প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে। এই ম'হ যুঁজৰ ওপৰত ১৯৯৬ চনত নিৰ্মিত তথ্যচিত্ৰ এখন দূৰদৰ্শনৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে প্ৰচাৰিত অনুষ্ঠানযোগে প্ৰদৰ্শিত হৈছে। আজি কেইবছৰমান আগতে তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ এটা দলে আহি এই ম'হ যুঁজৰ ওপৰত গৱেষণাও কৰি গৈছে। বাৰপূজীয়াৰ ম'হ যুঁজত বছৰি গড়ে প্ৰায় ১০০ টা দলে যোগদান কৰে।

নগাঁও জিলাৰ আহতগুৰিৰ ম'হ যুঁজ অসম বিখ্যাত। এই ম'হ যুঁজ সম্পৰ্কে

বৰ্ণনা দিছে আঁহতগুৰিৰ সাংবাদিক নোমল দাসে। 'আঁহতগুৰিৰ ম'হ যুঁজৰ প্ৰচলন কেতিয়াৰ পৰা হ'ল তাৰ সঠিক ইতিহাস পোৱা নাযায়। পৰম্পৰাগতভাৱে প্ৰতি বছৰে হোৱা ম'হ যুঁজ পূৰ্বতে অনুষ্ঠিত কৰা হৈছিল আঁহতগুৰি অঞ্চলৰ অতি প্ৰাচীন আৰু প্ৰথম হৰি মন্দিৰ বৰ নামঘৰৰ সমীপৰ মুকলি পথাৰত আৰু চালি গাঁৱৰ কাষত। এতিয়া আঞ্চলিক ৰাইজে যাতায়াতৰ সুবিধাৰ বাবে শিমলুগুৰি-দ'গাঁৱৰ ওচৰত স্থায়ীভাৱে স্থান উলিয়াই তাৰ নাম বেজবৰুৱা খেল-পথাৰ দিছে। এই ম'হ যুঁজ ইয়াত এক মাঘৰ দিনা অনুষ্ঠিত হয়। তদুপৰি ২৬ জানুৱাৰী গণতন্ত্ৰ দিৱসৰ দিনাও হয়।

ম'হ যুঁজত ম'হৰ অনিষ্ট হ'লে গৰাকীয়ে ম'হক আৰোগ্য কৰি তুলিবলৈ, ইয়াৰ খৰচ যোগাৰ কৰিবলৈ দৰ্শকৰ মাজত চেলেং কাপোৰ মেলি দান-বৰঙণি তোলে। আঁহতগুৰিৰ এই ম'হ যুঁজ পৰিচালনা সমিতিয়ে আঁহতগুৰিৰ বাহিৰেও অসমৰ আন ঠাইত ম'হ যুঁজ পাতিছে। ১৯৮১ চনত গুৱাহাটীৰ ভৰলুমুখত ব্ৰহ্মপুত্ৰ নদীৰ বালিচৰত ব'হাগ বিহুত পশ্চিম গুৱাহাটী ৰঙালী বিহু সন্মিলনীৰ আমন্ত্ৰণ ক্ৰমে ম'হ যুঁজ অনুষ্ঠান প্ৰদৰ্শন কৰে।

মৰিগাঁও জিলাৰ 'ঘোঁৰাধোৱা'ৰ ম'হ যুঁজ পৰিচালক সমিতিৰ সভাপতি কাতিৰাম দাসে দিয়া তথ্যমতে, ইয়াত ৬ মাঘ তাৰিখে হেজাৰ-বিজাৰ লোকৰ উপস্থিতিত ম'হ যুঁজ অনুষ্ঠিত হয়।

শেষত বন্যপ্ৰাণী সুৰক্ষাৰ দিশটোলৈ লক্ষ্য ৰাখি মাথোঁ লোক-সংস্কৃতি ৰক্ষাৰ খাতিৰতে ক'ব পাৰি শাৰীৰিক আঘাতৰ পৰিস্থিতিৰ নিয়ন্ত্ৰণ কৰি সংযত ৰূপত ম'হ যুঁজ প্ৰচলিত হৈ থকা উচিত।

একাদশী তিথি

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্মৰ সৃষ্টি সত্ৰ আৰু নামঘৰৰ একাদশী তিথি বিশেষভাৱে পালিত হয়। প্ৰতিটো মাহতে দুটা পক্ষ— কৃষ্ণপক্ষ আৰু শুক্লপক্ষত এটাকৈ মুঠ দুটা একাদশী তিথি পৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নিজে এই তিথি পালন কৰিছিল। তেৰাই মানুহৰ ইন্দ্ৰিয় (ৰিপু) দমনৰ বাবে একাদশী তিথি শিষ্যসকলৰ লগত আলোচনা কৰি পালনৰ ব্যৱস্থা কৰে। মাধৱদেৱেও আলোচনাত লগ লৈছিল। চৰিত পুথিত একাদশী পালনৰ নিয়ম আছে। একাদশী তিথি হ'ল সাক্ষাৎ হৰিস্বৰূপ। যিজন ভকতই একাদশী তিথি পালন কৰি বিষ্ণুৰ নাম স্মৰণ কৰে, তেওঁ সহস্ৰ অশ্বমেধ, এশ ৰাজসূয় যজ্ঞৰ ফল ভোগ কৰে। বিভিন্ন শাস্ত্ৰত একাদশী পালনৰ মাহাত্ম্য আছে— 'বৈষ্ণৱো যদি ভঞ্জীত একাদশ্যাং প্ৰমাদতঃ/বিষ্ণুৰ্চ্চনং বৃথা তস্য নৰকং ঘোৰ

মাপ্নুয়াৎ//(গৌতমীতন্ত্ৰ)

একাদশীৰ পৰ্বসমূহ ঃ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ গ্ৰন্থ 'সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা'ত আছে ঃ 'একাদশী তিথিৰ দিনা সত্ৰত বিশেষ নাম-প্ৰসংগ হয়। সেইদিনা সকলোৱে সজ কৰ্ম, ধৰ্মালোচনা কৰিব লাগে। সিদিনা সত্ৰ, নামঘৰসমূহ উৎসৱমুখৰ হয়। পুৱা নাম লগোৱাই এই বৰগীতটি গায় অহিৰ ৰাগত— 'গোবিন্দ চিন্তহ বা গোপালং/ৰতন তলপ মই শয়নে ৰহতু হৰি; পংকজ নয়ন বিশালং/কৰপংকজ যুগ ধৰি পদ পংকজ; বয়নে পংকজে নিবেশিতং/মুনিবৰ কৈছে চোড়ি অমিয় মধুপদ পংকজ পানং/বালক কেলি অমিয় ৰস সাগৰ; মাধৱ কহ পৰমানং//' গুৰু আসনৰ সন্মুখত এগছি বন্তি বেছিকৈ জ্বলোৱা হয়। গীতৰ শেষত নাম লোৱা হয়। নামত 'গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ গোবিন্দ ৰাম মুৰাৰী'— এই ঘোষা গায়। অথবা 'মৌচংগীয়া ঘোষা' গায়। ভকতে মৌ পাৰি খাওঁতে গুৰুজনে এইটো মৌচংগীয়া ঘোষা ৰচনা কৰে। '১। ৰাম কৃষ্ণ ৰাম কৃষ্ণ হৰি হৰি ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম/ৰামতে ৰমোহো অবিৰাম হে ৰাম ৰাম/২। ৰাম নাম ধৰ্ম অনুপাম হৰি হৰি পুৰে ভকতৰ মন কামহে ৰাম ৰাম/৩। কলি যুগে ৰাম নাম সাৰ হৰি হৰি/ৰাম বিনে নাহি আৰু হে ৰাম ৰাম/৪। ৰাম বুলি পায় ভব পাৰ হৰি হৰি, ৰাম নাম জগত উদ্ধাৰ হে ৰাম ৰাম//৫। ৰাম নাম অমূল্য ৰতন হৰি হৰি, ৰাম নাম বিনে নাহি আৰ হে ৰাম ৰাম/৬। ৰাম নামে মুক্তি বিৰাজন

হৰি হৰি, জপ ৰাম নাম অনুক্ষণ ৰে ৰাম ৰাম//৭। ৰাম নামে ভকতি যুগম হৰি হৰি, নাহি ভক্তি ৰাম নাম সম হে ৰাম ৰাম//৮। ৰাম নাম ধৰ্মতে উত্তম হৰি হৰি, ৰাম নাম পাতকৰ যমহে ৰাম ৰাম/৯। নাৰায়ণ নাৰায়ণ নাৰায়ণ নাৰায়ণ জয় নাৰায়ণ/তোমাৰ অৰুণ চৰণ পংকজ নিমজোক মেৰি মন/তুৱা চৰণে হামাৰ মজোক মন জয় ৰাম নাৰায়ণ নাৰায়ণ/১১। গোবিন্দ গোবিন্দ দৈৱকী নন্দন হৰি ৰাম নাৰায়ণ//' ইয়াত উদ্ধৃত 'নাৰায়ণ নাৰায়ণ.....' এই অংশৰ পৰা ধৰি গোৱা ঘোষা। এই মৌচংগীয়া ঘোষাৰ সলনি 'লতাকটা ঘোষা'ও গায়। মাধৱদেৱে বৰপেটা সত্ৰৰ কীৰ্তনঘৰ পুনৰ নিৰ্মাণৰ সময়ত মাধৱদেৱে ইয়াত বেৰত লিখে। নামেৰে লতা কাটিছিল বাবে ইয়াৰ নাম হয় 'লতাকটা ঘোষা'— "ৰাম কৃষ্ণ ৰাম হৰি ৰাম চন্দ্ৰ ৰাম ৰাম শ্ৰীৰাম ৰঘুপতি/হে প্ৰভু ৰঘুনাথ প্ৰণামো মায়ানাথ, তুমি মোৰ হৈবা নিজ গতি হৰি ৰাম ৰঘুকুল নন্দন মুৰাৰী//....." এই ঘোষাৰ অন্তত 'হিয়াৰ মাজে নামৰ ভাণ্ডাৰ' ঘোষাটো গায়। লতাকটা ঘোষাৰ সলনি 'জয় হৰি ৰাম জয় শ্ৰীৰাম' এই ঘোষাটি গাই এটি ধৰি গোৱা ঘোষা গাব লাগে। ইয়াৰ পিছতে একাদশী বিষয়ৰ চৰিত তোলে। ভকতসকলে প্ৰসংগ কৰে। ভকতসকলে বহাৰ নিয়ম 'প্ৰসংগ প্ৰণালী' গ্ৰন্থৰ আধাৰত দিয়া হ'ল--- 'নাম লগোৱাজনে গাত তিনিখন শুক্লবস্ত্ৰ পৰিধান কৰি (ধুতি, চাদৰ, গামোচা) গুৰু আসনৰ সম্মুখে বহিব। ভকতসকলেও সেই আৰ্হিমতে আসনত অৰ্ধবৃত্তাকাৰে বহিব লাগে। নামাচাৰ্যজনে সমাজক সেৱা জনাই, আসন গ্ৰহণ কৰি, গুৰু আসনলৈ সেৱা জনাই একান্ত চিত্তে ভগৱন্তত আত্মনিয়োগ কৰি গুৰু স্মৰণ কৰি ল'ব। তাৰ পিছত সাত্বিকভাৱে প্ৰসংগ আৰম্ভ কৰিব। নাম-প্ৰসংগ যিহেতু উপাসনাৰ বস্তু, সেইবাবে অন্যান্য ধৰ্মৰ উপাসনাৰ দৰে একোটা অনুষ্ঠানৰ বাবে ইয়াৰ সুৰ, তাল, মান একেই হ'ব লাগে। এযোৰ তাল মৃদুভাৱে বজাব লাগে।' প্ৰসংগ সমাপ্ত কৰি খোল, তালৰ প্ৰসংগ কৰে। অহিৰ ৰাগ দি পুনৰ 'গোবিন্দ চিন্তহ বাল গোপালং' এই গীত সম্পূৰ্ণকৈ গোৱা হয়। ৰাতি নামত এটা দীঘল কুলুপীয়া ঘোষা গায়। ৰাতি ভাত খতি কৰে।

একাদশী পালনৰ নিয়ম-নীতি ঃ সনাতন হিন্দু ধৰ্মত উৎসৱ-পৰ্ব আদিৰ আগদিনা কিছুমান নিয়ম-নীতি পালন কৰিব লগাৰ দৰে বৈষ্ণৱ ধৰ্মৰ উৎসৱ একাদশী তিথি পালনৰ ক্ষেত্ৰতো আগদিনা কিছুমান নিয়ম পালন কৰিব লাগে। একাদশীৰ আগদিনা, অৰ্থাৎ দশমীৰ দিনা এবাৰ ভোজন কৰি জিতেন্দ্ৰিয় হৈ মাটিত শয়ন কৰিব লাগে। পানীও মাত্ৰ এবাৰ খাব লাগে। ধৌত বস্ত্ৰ পৰিধান কৰিব লাগে। পিছদিনা নিচেই পুৱাতে উঠি ভগৱানক সেৱা কৰি প্ৰাতঃকৰ্ম সমাপন কৰি স্নান কৰি অসৎ

চিন্তা, অসৎ সংগ ত্যাগ কৰি ভগৱানৰ পূজা কৰি তেওঁৰ মহত্ত্বৰ বিষয়ে ভক্তৰ লগত আলাপ কৰিব লাগে। একাদশীৰ দিনা কাঁহৰ পাত্ৰ আৰু খাদ্য, মৈথুন, তৈল সেৱন আদি ত্যাগ কৰিব লাগে। দ্বাদশীতো এবাৰহে ভোজন কৰাটো শাস্ত্ৰসম্মত।

একাদশী পালনৰ মাহাত্ম্য ঃ শাস্ত্ৰত উল্লেখ থকা অনুসৰি প্ৰথমতে দৈত্যক পৰাজয়ৰ কাৰণে একাদশী ব্ৰত পালন কৰি হৰিক সন্তুষ্ট কৰি দৈত্যক পৰাস্ত কৰে দেৱতাসকলে। আকৌ ৰামচন্দ্ৰই সেতু বন্ধাৰ কাৰণে, ৰাৱণক বধৰ কাৰণে একাদশী ব্ৰত পালন কৰে। বৈশাম্ভই একাদশী ব্ৰত পালন কৰি যমলোকৰ পৰা পিতৃক উদ্ধাৰ কৰে। লুম্পক ৰজাই একাদশী ব্ৰত পালন কৰি পুনৰ ৰাজত্ব লাভ কৰে। শিৱই একাদশী পালনৰ দ্বাৰা ব্ৰহ্মা কপালৰ পৰা মুক্ত হৈছিল। গতিকে মানুহে পবিত্ৰ একাদশী তিথি পালন কৰি পুণ্য অৰ্জন কৰিব পাৰে।

দশমী তিথিয়ে স্পৰ্শ কৰা একাদশী তিথিক 'দশমী বিদ্ধ একাদশী তিথি' বোলে। সেইদিনা পালন কৰাটো শাস্ত্ৰবিৰুদ্ধ। দ্বাদশীৰ দিনা সম্পূৰ্ণ একাদশী পালন কৰা হয়। ত্ৰয়োদশীত পাৰণা কৰিব। 'কণ্ব সংহিতা'ত আছে ঃ 'অৰুণোদয় বেলায়াং দশমী সংযুতা যদি/অত্ৰোপোষ্যা দ্বাদশী সাং ত্ৰয়োদশ্যাং তু পাৰনাম//" দশমীবিদ্ধ একাদশীত উপবাস কৰিব নালাগে। সেইদিনা হাল বোৱা নিষিদ্ধ, ধান সিজোৱাটোও নিষিদ্ধ। সনাতন হিন্দু ধৰ্মৰ লোকসকলেও একাদশী ব্ৰত পালন কৰে। এই ব্ৰতত উপবাসে থাকে। আন পৰ্বও আছে। অৱশ্যে বৰ্তমানে মানুহৰ এই পৰ্ব পালনৰ ব্যৱস্থা সংকুচিত হৈ আহিছে। তেনেদৰে বৈষ্ণৱ ধৰ্মতো এনে অৱস্থা হৈছে।

ৰঙালী বিহু

ৰঙালী বিহুটিৰ মুখ্য উদ্দেশ্য ৰং-ধেমালি কৰা যদিও আন উপাদান কিছুমানৰ গুৰুত্বও অপৰিসীম। নৃত্য-গীত, খেল-ধেমালি, পিঠা-লাডু, ভোজন নৃত্য, মান্যজনক সন্মান কৰা, তেওঁলোকক, কনিষ্ঠ আৰু প্ৰিয়তমক বিহুৱান দিয়া, গৰু বিহুৰে কৰা গো সেৱা, প্ৰিয়তমাক ভাল পোৱাৰ চিনস্বৰূপে কপৌ ফুল দিয়াৰ লগতে ধৰ্মমূলক দিশ হিছাপে খেতি-পথাৰ শালি খেতিৰে উপচি পৰাও আৰু সমাজত সুখ-শান্তি বৃদ্ধি বা ৰক্ষাৰ কামনাৰে বিহুৰ চিৰা-পিঠা, লাডু, দৈ আদিৰে ভগৱানক আগবঢ়োৱা-নৈবেদ্যৰ কথাও ক'ব পাৰি। ৰঙালী বিহুৰ এনে নানা ধৰণৰ উপাদান থকা অনেক উৎসৱ পৃথিৱীৰ দেশে-দেশে, প্ৰান্তে-প্ৰান্তে উদ্‌যাপিত হয়।

জাপান ঃ টানা বাটাক, বন উৎসৱ, টেংগনো শ্বেকু

জাপানৰ 'টানা বাটাক' উৎসৱ ৰঙালী বিহুৰ অনেক উপাদানেৰে সমৃদ্ধ। এই উৎসৱ, প্ৰেম, সুন্দৰতা আৰু সম্প্ৰীতিৰ উৎসৱ। এই উৎসৱৰ উৎপত্তি সম্পৰ্কে এটা কিংবদন্তি প্ৰচলিত আছে। চীন দেশৰ পৰা আহি জাপানৰ প্ৰচলিত হোৱা এই কাহিনী অনুসাৰে অতীততে হেনো মানুহে আকাশৰ তৰাবোৰক পৃথিৱীৰ অপশক্তিৰ উৎস অশৰীৰী আত্মাৰ প্ৰতিৰূপ বুলি ভাবিছিল। এই তৰাবোৰে আকাশৰ পৰা চাই থকা বাবেই পৃথিৱীত মানুহৰ মাজত নানা বেমাৰ-আজাৰ, বিপদ-বিঘিনি, যুদ্ধ-বিগ্ৰহ, অন্যায়-অশান্তি আদি হয়। কিন্তু পৃথিৱীৰ মানুহৰ ভয়ৰ কাৰণ এই তৰাবোৰক লৈ কৰা ধাৰণাৰ এদিন সলনি হ'ল। কোনোবা সুন্দৰৰ সাধকে জনগণক শিকালে সুন্দৰ, প্ৰেম আৰু সাধনাৰ মন্ত্ৰ-আকাশৰ তৰাবোৰ অপশক্তিৰ উৎস অশৰীৰী আত্মাৰ প্ৰতিৰূপ নহয়, শুভ শক্তিৰ উৎস; প্ৰেম আৰু সুন্দৰৰ প্ৰতিৰূপ। আকাশৰ 'শ্বকুজু' নামৰ গাভৰু তৰাটোৱে 'কেংগিউ' নামৰ ডেকা তৰাটোৰ প্ৰেমত আকৰ্ষিত হৈ তেওঁক বিচাৰি ফুৰিছিল। ডেকা তৰা কেংগিউও শ্বকুজু যুৱতী তৰাটোৰ প্ৰেমত সম্মোহিত হৈ তেওঁক বিচাৰি ফুৰিছিল। হঠাতে এদিন ৰাতি শুকুলা হাতীপটি এটাত দুয়োৰে মিলন হয়। যিদিনা দুয়োটা তৰাৰ মিলন হৈছিল সেই দিনটোক জাপানৰ জনসাধাৰণে প্ৰেমৰ দিন হিছাপে লৈ 'টানা বাটা' নামৰ উৎসৱটো পালন কৰিবলৈ ধৰিলে। আকাশৰ তৰাক লৈ কৰা মানুহৰ অশুভ ধাৰণাবো সলনি হ'ল—তৰাবোৰ সুন্দৰতা আৰু প্ৰেমৰ প্ৰতীক। এই ধাৰণাকে লৈ জাপানী জনসাধাৰণে হৃদয়ৰ

মহানতাৰে জগত গুৱনি কৰিবলৈ কৰ্মৰত হ'ল। দিবা-নিশাই সুন্দৰৰ সাধনাত ব্ৰতী হৈ তেওঁলোকে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰে আজিও তেওঁলোক সৃষ্টিমূলক কৰ্মত প্ৰবৃত্ত। হৃদয়ত পবিত্ৰতা, মহানতাৰ বীজ অংকুৰিত হ'লে তাৰেই যি কোনো গঠনমূলক কৰ্মত প্ৰেৰণা পোৱা যায় আৰু তাৰ বাস্তৱ ৰূপ দানত জগতত নিজকে প্ৰসিদ্ধৰূপে প্ৰতিষ্ঠা কৰিব পাৰি। তাৰেই উদাহৰণ জাপান বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাত উন্নত দেশ।

তেতিয়াৰে পৰা তৰা দুটাৰ প্ৰেম আৰু মিলনৰ নিশা ৭ জুলাইৰ দিনা প্ৰতি বছৰে জাপানৰ লোকসকলে জাতীয় উৎসৱ 'টানা বাটাক' পালন কৰে। হঁচৰিত গছ এডালৰ ডালত গামোচা এখন বান্ধি চাৰিওপিনে বিহুৱা দলে হঁচৰি মাৰে। ঠিক সেইদৰে জাপানীসকলে এই 'টানা বাটাক' উৎসৱত বাঁহ এজোপাক ৰঙীন কাপোৰেৰে সজাই-পৰাই ৰঙীন কাগজত 'বাকা' নামৰ এবিধ কবিতা আঁকি এই উৎসৱ পালন কৰে।

জাপানৰে আন এটা উৎসৱ 'বন উৎসৱ' হৈছে ৰঙালী বিহুৰ দৰে এক উৎসৱ। এই উৎসৱ অসম বা উত্তৰ-পূৰ্বাঞ্চলৰ জনজাতিসকলে পূৰ্বপুৰুষসকলক শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে উৎসৱ পালন কৰাৰ দৰে পালন কৰা উৎসৱ। উপৰিপুৰুষসকলৰ সমাধিত ধূপ, ফুল দি শ্ৰদ্ধা জনাই ঘৰলৈ বৌদ্ধ ভিক্ষুকক মাতি আনি শাস্ত্ৰ সূত্ৰ পাঠ কৰোৱা নিয়ম থকা এই 'বন উৎসৱ' পালন কৰা হয় জুলাই মাহৰ ১৪, ১৫ আৰু ১৬ তাৰিখত। এই উৎসৱৰ ৰঙালী বিহুৰ লগত থকা মিলটো হ'ল ইয়াৰ নৃত্য-গীত আৰু ইয়াত ব্যৱহৃত বিহুগীতত বাদ্যৰ দৰে বাঁহী আৰু ঢোল-বাদ্য।

এই দুটা উৎসৱৰে নহয় জাপানত উদ্‌যাপিত আন এটা উৎসৱ 'টেংগ নো শেকু' ল'ৰাৰ উৎসৱ। এই উৎসৱত ল'ৰাৰ প্ৰাধান্যলৈ চাই ইয়াক ৰঙালী বিহুৰ নৃত্যানুষ্ঠান হুঁচৰিৰ লগত বিজাব পাৰি। এই 'টেংগ নো শেকু' উৎসৱ প্ৰতিটো পৰিয়ালৰ ল'ৰাবোৰে পাঁচ মিটাৰমান ওখ নিজৰ ফুলনিত বাঁহ পুতি তাত পাঁচ ৰঙী বিৰন আৰু ক'লা-ৰঙা কাৰ্প মাছৰ আকৃতিৰ টিকাৰ লগাই দিয়ে। এই উৎসৱ পালন কৰা হয় দেশ গঢ়াৰ প্ৰধান হাতিয়াৰ ল'ৰাইতক কাৰ্প মাছৰ দৰে শক্তিশালী কৰাৰ কামনাৰে। ৰঙালী বিহুটিত পিঠা-পনা খোৱাৰ দৰে এই উৎসৱতো ওক গছৰ পাতেৰে তৈয়াৰী 'চিমাকি' আৰু বাঁহৰ পাতেৰে তৈয়াৰী 'কাশ্বিৱামচি' নামৰ পিঠা খায়, জাপানীসকলে।

ভুটান ঃ লোসৰ

ভুটানতো ৰঙালী বিহুধৰ্মী উৎসৱ পালন কৰা হয়। এওঁলোকৰ নতুন বছৰৰ

প্ৰথম দিন পৰে অসমীয়া বছৰৰ ফাগুন মাহৰ অমাৱস্যাৰ দিনা। সেইদিনা তেওঁলোকে জাতীয় উৎসৱ 'লোস্‌ৰ' পালন কৰে। এই উৎসৱত তেওঁলোকে ৰঙালী বিহুত ঘৰৰ আটায়ে মিলি পিঠা-পনা খোৱাৰ দৰে ভোজ খায়। উৎসৱৰ উপলক্ষত নৃত্য-গীতো চলে। ৰঙালী বিহুৰ বিহুনৃত্য গীতত ব্যৱহৃত বাদ্য-যন্ত্ৰৰ দৰে ইয়াতো বাদ্যৰ ৰূপত ভোৰতাল, তাল (অসমৰ), ঢোল, পেঁপা আদিৰ ব্যৱহাৰ হয়।

চীন-বসন্ত উৎসৱ, ময়ূৰ নৃত্য, টৰ্চ ফেষ্টিভেল

চীন দেশতো ৰঙালী বিহুৰ লেখীয়া বসন্ত উৎসৱ বসন্ত কালত অৰ্থাৎ এপ্ৰিল মাহত পালিত হয়। এই উৎসৱ সম্পৰ্কত আন্তৰ্জাতিক খ্যাতিসম্পন্ন অসমৰ লেখিকা ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে তেওঁৰ চীন দেশৰ ভ্ৰমণ কাহিনী এটাত কৈছে ঃ 'প্ৰাকৃতিক পৰিবেশত বাঁহ এজোপাৰ আঁৰত শুভ্ৰ বসনা গাভৰু এজনী বৈ থাকে। আমাৰ অসমৰ গাভৰুসকলৰ দ্বাৰা পালিত জেং বিহুত এডাল জেঙত বগা কাপোৰ বান্ধি তাক দেৱীস্বৰূপে গণ্য কৰাৰ দৰে যেন চীনৰ বসন্ত উৎসৱৰ বাঁহৰ জোপোহাৰ আঁৰত থকা নাৰীগৰাকী দেৱীৰ প্ৰতীক। জেং বিহুৰ দৰে বসন্ত উৎসৱত অকল গাভৰুৱেহে অংশগ্ৰহণ কৰে। এই উৎসৱৰ নৃত্যত গাভৰু নাচনীসকলে বিহুৱা নাচনীয়ে পিন্ধাৰ দৰে ৰঙা ব্লাউজ পিন্ধে। আকৌ ৰঙা দীঘল স্কাৰ্ট এটাও পিন্ধে। বিহুৱতী নাচনীয়ে হাতত ৰুমাল একোখন মৰাৰ দৰে ইয়াতো নাচনীসকলে কাপোৰ এখন হাতৰ কেঁএগ্ৰা আঙুলিত মাৰে। নাচনীসকলে আমাৰ বিহুনাচৰ নাচনীৰ দৰে আগলৈ হালি, কঁকালত হাত দি আৰু হাত মেলি নাচে। নাচৰ মাজতে মাজে মাজে দুভাগ হৈ বৃত্তাকাৰে নাচে। মাজে সময়ে আকৌ নাচি নাচি দুভাগ হৈ আঁঠুকাঢ়ি মুখ দোঁৱাই গাৰেই যেন সাঁকো এখন পাৰি দিয়ে। বাঁহৰ জোপোহাৰ আঁৰত থকা দেৱী স্বৰূপা সেই শুভ্ৰ কাপোৰ পিন্ধা নাৰীগৰাকীয়ে তেওঁলোকৰ মাজেৰে আহি নৃত্য কৰিবলৈ ধৰে। কিছু সময় এনেদৰে নৃত্য কৰি সেই দেৱীস্বৰূপা নাৰীগৰাকীয়ে পুনৰ গাভৰুসকলৰ মাজৰ পৰা গৈ জোপোহাৰ আঁৰত অদৃশ্য হৈ পৰে। আনকৈইজনী নাচনীৰ নাচোন তেতিয়াও শেষ নহয়। তেওঁলোকে নাচি নাচি বাঁহৰ জোপোহাটোৰ বাঁহৰ আগবোৰ টানিবলৈ ধৰে। জেং বিহুৰ দৰে এই নৃত্যত নাচনীসকলে নাচোনত বিভিন্ন ভংগী ফুটাই তোলে।'

আমাৰ ৰঙালী বিহুৰ বিহু নৃত্যৰ লগত মিল থকা চীনৰ এটা নৃত্য হ'ল 'ময়ূৰ নৃত্য'। বসন্ত কালত কুলি-কেতেকীৰ কলৰৱেৰে মুখৰিত প্ৰকৃতি বিহু নৃত্যৰে আৰু অধিক মুখৰিত হোৱাৰ দৰে নৃত্যতো তেনে ধৰণৰ পৰিবেশৰ সৃষ্টি হয়। এই ময়ূৰ নৃত্যত নাচনী আৰু ঢুলিয়াই পিন্ধা কাপোৰবোৰ বিহু নৃত্যত নাচনী ঢুলিয়াই পিন্ধা

কাপোৰৰ দৰে একেই বুলিব পাৰি। আনহাতে, বিহু নৃত্যৰ বাদ্যবোৰ যেনে— বাঁহী, পেঁপা, ডাল আদি এই নৃত্যতো ব্যৱহৃত হয়। ময়ূৰ নৃত্যৰ ভংগিমাবোৰৰ বিহু নৃত্যৰ ভংগিমাৰ লগত মিল আছে। মূৰত, কঁকালত, বাউসীত হাতদি নচা, কঁকাল ভাঙি, ভৰি কোমলকৈ পাছফালে মাৰি নচাৰ উপৰি ময়ূৰ নৃত্যত ভৰিৰ পতা থুপ খুৱায়ো নাচে। প্ৰেম-পিৰীতিৰ অনুষ্ঠান বিহু নৃত্যত ডেকা-গাভৰুৰে পৰস্পৰৰ প্ৰতি মনত জন্মা প্ৰেমৰ ভাব ব্যক্ত কৰাৰ লগতে এই বিহুতলীৰ পৰাই তেওঁলোকৰ পৰিয়ালৰ অসম্মতিৰ বাবে পলাই গৈ যুৰীয়া জীৱনৰ পাতনি মেলে। তেনেদৰে এই ময়ূৰ নৃত্যতো ডেকা-গাভৰুৰ মাজত প্ৰেমৰ ভাৱৰ আদান-প্ৰদানৰ লগতে গাভৰুক ডেকাই পলুৱাই নিয়াৰ ভংগীও ফুটাই তোলে।

চীনত উদ্‌যাপিত 'টৰ্চ ফেষ্টিভেলো' বড়ালী বিহুধৰ্মী উৎসৱ। প্ৰতি বছৰে ২৪ জুনৰ দিনা তেওঁলোকে বিহু নৃত্যৰ দৰে প্ৰকৃতিৰ মুক্ত পৰিৱেশত হাতত জোঁৰ লৈ নৃত্য কৰে। ইয়াতো ডেকাই গাভৰুহঁতক প্ৰেমৰ প্ৰস্তাৱ দিয়ে।

উৰিষ্যা ঃ চৈত পৰৱ ঃ বড়ালী বিহুৰ দৰে উৰিষ্যাত বসন্ত কালৰ উদ্‌যাপিত 'চৈত পৰব'তো নৃত্য-গীতৰ ব্যৱস্থা আছে। এই নৃত্য-গীত প্ৰেমৰ ভাবযুক্ত। তেনে এটা গীতৰ কিয়দংশৰ অসমীয়া ৰূপ দিয়া হ'ল ঃ

'তুমি আহিবা মোৰ সোণজনী
অন্তৰ মোৰ ৰঙেৰে উপচি পৰিছে।
প্ৰত্যেক নিশাই, কণ্ঠত সুৰৰ নিজৰা হেৰা
তোমাৰ স্বপ্ন মই দেখো।'

পঞ্জাৱ ঃ উৎসৱ

একে ধৰণেৰে পঞ্জাৱৰ এটা উৎসৱত গোৱা গীততো আছে প্ৰেমৰ ভাৱ। গাভৰুৰ হিয়াৰ পৰা নিগৰি ওলোৱা তেনে এটি গীতৰ কিয়দংশৰ অসমীয়া ৰূপ দিয়া হ'ল ঃ

'সপোনত তেওঁক মই আঁকোৱালি ল'লো
চকু মেলি চাওঁ তেওঁ বহু আঁতৰত।'

আমাৰ বিহুগীততো আছে ঃ

'ঢাৰি পাতি থেৱেজু লিখো প্ৰাণেশ্বৰী
পাটীপাৰি থেৱেজু লেখো।
তোমাৰ নিচিনা বঙা বৰণীয়া
ৰাতি সপোনতহে দেখো।'

আৰকান, চিটাগং—বিষো-হিমাচল প্ৰদেশ : বিষুআৰাজান আৰু চিটাগং অঞ্চলত চকমাসকলৰ এক উৎসৱ হ'ল 'বিষো'। এপ্ৰিল মাহত উদ্‌যাপিত অসমৰ ৰঙালী বিহুধৰ্মী এই উৎসৱত সকলো পুৰুষ-নাৰী মহামুনিৰ মন্দিৰলৈ যায় আৰু গৌড়মা মন্দিৰত আনন্দেৰে নৈবেদ্য আগবঢ়াই সেৱা জনায়। ৰঙালী বিহুটি যেনেদৰে অসমীয়া নৱবৰ্ষক আদৰাৰ উৎসৱ তেনেদৰে হিমাচল প্ৰদেশৰ খাতবিলাকৰ মাজত আৰু দক্ষিণ ভাৰতৰ নায়াৰসকলৰ মাজত 'বিষু' নৱবৰ্ষক আদৰাৰ উৎসৱ।

উত্তৰ-পূৰ্বাঞ্চল : নানা ধৰ্মীয় আৰু সাংস্কৃতিক কৰ্ম বা পৰ্বৰে ভৰপূৰ উত্তৰ-পূৰ্বাঞ্চলৰ অনেক উৎসৱৰ লগত ৰঙালী বিহুৰ মিল চকুত পৰে। তেনে কেতবোৰ উৎসৱৰ বিষয়ে সংক্ষেপে আলোচনা কৰিলো :

মেঘালয় : চেডচাক মিনচিম : মেঘালয়ত এপ্ৰিল মাহত পালন কৰা 'চেডচাক মিনচিম' উৎসৱৰ ৰঙালী বিহুৰ লগত কেতবোৰ মিল আছে। ৰঙালী বিহু সমসাময়িকভাৱে এপ্ৰিল মাহত উদ্‌যাপিত এই উৎসৱ খাচীয়াসকলৰ পবিত্ৰ অনুষ্ঠান। এই উৎসৱ তিনিদিনীয়াকৈ উদ্‌যাপিত হয়। ইয়াৰ প্ৰথম দিনা তেওঁলোকৰ পুৰুষসকলে 'চেংখাচী নামৰ হলঘৰ এটাত গোট খায়। গীত-নৃত্যৰে তেওঁলোকে শোভাযাত্ৰা কৰে। দ্বিতীয় দিনা আনুষ্ঠানিক পৰ্ব পালন কৰে। শেষৰ দিনা আমাৰ ৰঙালী বিহুৰ নতুন বস্ত্ৰস্বৰূপ বিহুৱান লোৱাৰ দৰে খাচীয়াসকলে তেওঁলোকৰ পৰম্পৰাগত নানা ৰঙী সাজ পৰিধান কৰে। সেইদিনা নৃত্য-গীতৰ পুনৰ পয়োভৰ ঘটে।

ত্ৰিপুৰা : চৈত সংক্ৰান্তিৰ বিজো নৃত্য : ত্ৰিপুৰাৰ চৈত সংক্ৰান্তিৰ দিনা পালন কৰা উৎসৱৰ 'বিজো' নৃত্য থকা ব্যৱস্থাই ৰঙালী বিহুৰ লগত থকা মিলকে প্ৰতিপন্ন কৰে। বিহু গীতৰ বাদ্য ঢোলৰ দৰে বিজো নৃত্যত ঢুলকী জাতীয় চামৰাৰ বাদ্যযন্ত্ৰ বজোৱা হয়।

নাগালেণ্ড : ম'ন্যু, আওলিং ম'নু : নাগালেণ্ডৰ উৎসৱ 'ম'ন্যু' বহুদিন ধৰি পালন কৰা এক বসন্তকালীন উৎসৱ। আমাৰ ৰঙালী বিহু শালিধানৰ খেতি আৰম্ভ কৰাৰ আগতে কৰা হয়। আগন্তুক বছৰটোৰ শালিধানৰ খেতি যাতে শইচেৰে নদন-বদন হয়, পোক পৰুৱা, বেমাৰ-আজাৰ আদিয়ে যাতে খেতিৰ শইচৰ অপকাৰ কৰিব নোৱাৰে, মানুহৰ মাজত বা সমাজত যাতে অন্যায়-অসুয়া আঁতৰি সুখ-শান্তি বিৰাজ কৰে তাৰ বাবে ভগবানৰ আশিস কামনা কৰাটো এক উদ্দেশ্য বুলিব পাৰি। দেৱ-দেৱীৰ উদ্দেশ্যে মন্দিৰত উৎসৱৰ কেইদিনত আগবঢ়োৱা চিৰা, পিঠা, গুৰ, মাখন, লাড়ু, দৈ আদিৰে নৈবেদ্য আগবঢ়োৱা ব্যৱস্থাৰ উদ্দেশ্য জড়িত হৈ থাকে বুলিব পাৰি। তেনেদৰে নাগালেণ্ডতো একে ধৰণৰ কামনাৰে ভগৱানৰ উদ্দেশ্যে 'ম'ন্যু'।

আকৌ একে উদ্দেশ্যেৰে নাগালেণ্ডৰ কন্যাক নগাসকলে পালন কৰা 'আওলিং মন্যু' উৎসৱ মাৰ্চ-এপ্ৰিল মাহত ছয় দিন ধৰি পালন কৰে। অসমীয়াসকলৰ নৱবৰ্ষক আদৰাৰ দৰে এই নৱবৰ্ষক আদৰা উৎসৱতো বিহুৰ দৰে কন্যাক নগাসকলৰ সাংস্কৃতিক পৰম্পৰাৰ স্পষ্ট ৰূপত প্ৰতিফলন ঘটে।

মণিপুৰ ঃ চেজিৰ চেৰাউবা, লৈই হাৰওবা, হেইক্ৰু হিটংবা ঃ ৰঙালী বিহুৰ দৰে মণিপুৰৰ চেজিৰ চেৰাউবা উৎসৱো মণিপুৰীসকলৰ নৱবৰ্ষক আদৰাৰ উৎসৱ। মেইটি সমাজত প্ৰচলিত এই উৎসৱৰ লক্ষ্য হ'ল সমাজত শান্তি সমৃদ্ধি কৰা। মেইটি সমাজৰ দুটা গোটৰ হিন্দু মেইটিসকলে বিষুৱ সংক্ৰান্তিৰ দিনাখন আৰু মেইটি ৰিঙাইভেলিষ্টসকলে 'চেবুজ' অৰ্থাৎ ৬ মাৰ্চৰ দিনাখন এই উৎসৱ পালন কৰে।

মণিপুৰতে উদ্‌যাপিত 'লেই হাৰওৱা' ৰঙালী বিহুৰ দৰে বসন্ত কালত পতা (সময়ৰ মিল) এই উৎসৱত মানুহে নানা ৰঙী সাজ-পোচাক পৰিধান কৰি সমাজৰ শান্তি আৰু প্ৰগতিৰ বাবে বনদেৱতা 'থানজিঙৰ' ওচৰত সেৱা জনায়। একেদৰে মেইটি জনগোষ্ঠীৰ লোকসকলে পালন কৰা 'হেইক্ৰুহিটংবা'ৰো ৰঙালী বিহুৰ লগত এটা বিষয়ত মিল আছে। সেয়া হ'ল ৰঙালী বিহুৰ দৰে ইয়ো ৰং-ধেমালিৰ উৎসৱ। এই উৎসৱ শ্ৰীগোবিন্দজীৰ প্ৰতিমূৰ্তি স্থাপন কৰি নাও খেলেৰে অনুষ্ঠিত হয়।

মিজোৰাম ঃ চাপচাৰ কুট, মিম্‌ কুট ঃ মিজোৰামৰ প্ৰতি বছৰ মাৰ্চ মাহত উদ্‌যাপিত 'চাপচাৰ কুট' ৰঙালীৰ উৎসৱ। পাঁচ দিন ধৰি চলা এই উৎসৱৰ প্ৰথম দিনা গাহৰিৰ মঙহেৰে প্ৰীতি-ভোজনৰ আয়োজন কৰা হয়। দ্বিতীয় দিনা আনুষ্ঠানিক কৰ্ম আছে। তৃতীয় দিনাখনক বোলা হয় 'চেই নি' অৰ্থাৎ নৃত্য-গীতৰ দিন। সেইদিনা প্ৰধানকৈ নৃত্য-গীত চলে। চতুৰ্থ আৰু পঞ্চম দিনা তেওঁলোকে থলুৱা মদ পৰিৱেশন কৰে। গতিকে ৰঙালী বিহুৰ ভোজন পৰ্ব আৰু নৃত্য-গীতৰ ব্যৱস্থা ইয়াতো আছে।

একে ধৰণৰ মিল থকা উৎসৱ হ'ল মিজোৰামৰ 'মিম্‌ কুট'। খেঁহ চপোৱাৰ পাছত পালিত এই উৎসৱত (আগষ্ট মাহৰ পৰা ছেপ্টেম্বৰলৈ পালন কৰা এই উৎসৱ) নাচ-গান, ভোজন আদিৰ ব্যৱস্থা আছে। এই উৎসৱত আগৰ বছৰত উৎপাদিত হোৱা খেঁহৰ অৱশিষ্ট কণ মৃতকৰ আত্মালৈ বুলি আগবঢ়োৱা হয়।

অৰুণাচল প্ৰদেশ ঃ লোচাৰ, নকু, কোপখুত, ম্ৰিয়ান, ৰ'পিন, আজকেল, ন্যাকুম, মলকো, চামবুনমোৰ, উঞ্জি, লোচেৰ, চলোং উৎসৱ ঃ অৰুণাচলৰ 'লোচাৰ' উৎসৱো ৰঙালী বিহুৰ দৰে নৱবৰ্ষক আদৰাৰ উৎসৱ। এই প্ৰদেশৰে জনগোষ্ঠী নক্টেসকলে পালন কৰা নকু উৎসৱ ৰঙালী বিহুধৰ্মী উৎসৱ। কণীখান

চপোৱাৰ পাছত অৰ্থাৎ জুলাই মাহৰ শেষ ভাগত নাইবা আগষ্ট মাহৰ প্ৰথম ভাগত উদ্‌যাপিত এই উৎসৱত ৰঙালী বিহুৰ দৰে ভোজন পৰ্বৰ ব্যৱস্থা আছে। প্ৰথম দিনা বলি বিধান, ৰং-ধেমালি, দ্বিতীয় দিনা পানীয় সেৱন, গীত-নৃত্য, তৃতীয় দিনা অসৎ প্ৰবৃত্তি, অপদেৱতাৰ কু-দৃষ্টি নাশৰ হেতু সমূহীয়া চিঞৰ কৰে। পুৰণি বছৰক বিদায় দি নতুন বছৰক আদৰণি জনোৱাৰ এই উৎসৱৰ সামৰণিত গোৱা এটি গীতৰ কিয়দংশৰ অসমীয়া অনুবাদ হ'ল ঃ

'ফুলবোৰ মৰহি গ'ল
গছৰ গুটিবোৰ পকি তুলতুলীয়া হৈছে
ল'কুও শেষ হ'ল।
যোৱা
হে 'ৰংকু'
তুমি য'ৰপৰা আহিছিলা তালৈ গুচি যোৱা
তুমি অহা বছৰলৈ আকৌ আহিবা
লগত আশাৰ সপোন লৈ।'

নকটেসকলৰ মাজত উদ্‌যাপিত 'কোপখুত' আৰু 'ছাল্লিবান' উৎসৱ উৰ্বৰা সম্পৰ্কীয় উৎসৱ। খেতি আৰম্ভ কৰাৰ আগতে উদ্‌যাপিত চাৰি দিনীয়াকৈ পালিত আমাৰ ৰঙালী বিহুধৰ্মী এই অনুষ্ঠানত ৰং-ধেমালিৰ লগতে খেল-ধেমালি, মান্যজনক সন্মান কৰা ব্যৱস্থা প্ৰচলিত আছে।

অৰুণাচল প্ৰদেশৰ গালংসকলে পালন কৰা ম'পিন উৎসৱো কৃষিমূলক ৰঙালী বিহুধৰ্মী উৎসৱ। শস্য বৃদ্ধিৰ কামনাৰে পতা এই উৎসৱত ধৰ্মীয় কৰ্মৰ লগতে নৃত্য-গীত আৰু মুখত পিঠাগুড়ি সানি ৰং-ধেমালি কৰা পৰ্ব পালন কৰা হয়।

এই প্ৰদেশৰে বানচুসকলৰ 'আজিকেল' উৎসৱৰ ৰঙালী বিহুৰ লগত মিল আছে। মাৰ্চ-এপ্ৰিল মাহত ঝুম খেতি সিঁচি উঠাৰ পাছত এই উৎসৱ উদ্‌যাপিত হয়। খেতি-পথাৰত খেতিৰ কামত হোৱা অত্যধিক পৰিশ্ৰমৰ অন্তত এই ভাগৰ জোঁকাৰি পেলাবলৈ ৰং-ধেমালি নৃত্য-গীতৰে পালন কৰা উৎসৱত প্ৰকৃতিৰ অধিষ্ঠাত্ৰী দেৱীক আৰু কৃষিৰ অধিষ্ঠাত্ৰী দেৱীক পূজা সেৱা কৰি শস্যৰ বৃদ্ধি কৰা হয়। একে উদ্দেশ্যেৰে বানচুসকলে 'চাকিলা', চাম্বুই উৎসৱ পালন কৰে।

অৰুণাচলৰ নিচি সম্প্ৰদায়ৰ লোকে ফেব্ৰুৱাৰী মাহৰ শেষৰ সপ্তাহত উদ্‌যাপিত কৰা নৃত্য-গীত থকা ন্যকুম উৎসৱ বিহুধৰ্মী। তেনেদৰে আপাটানিসকলৰ মলকো

ৰঙালী বিহুধৰ্মী উৎসৱ। টচাংসকলৰ 'চামনুমোৰ', আদি বা আবৰৰ 'উঞ্চিং' বা 'আৱান' শ্বেৰেকদুপেনৰ 'লোচেৰ' আদি গোলাংসকলৰ 'চলোং' উৎসৱো ৰঙালী বিহুধৰ্মী উৎসৱ।

ওৰাওঁ উৎসৱ : ভাৰতবৰ্ষৰে আন এটা জনগোষ্ঠী ওৰাওঁসকলৰ মাজত প্ৰচলিত এটা উৎসৱত গোৱা গীতত ৰঙালী বিহুগীতৰ দৰে যৌৱন আৰু প্ৰেমক আগস্থান দিয়া হয়। বসন্ত কালত ফুলেৰে শোভিত মুংগা গছজোপাৰ প্ৰতি, মৌ-মাখি, ভোমোৰা আকৰ্ষিত হোৱাৰ দৰে যৌৱন উদ্বেলিত গাভৰুৰ প্ৰতি ডেকা প্ৰেমত আকৰ্ষিত হয়।

'পিতাই, তুমি মুংগা গছজোপা ৰুইছিলা,
মুংগা গছজোপাই ডাল-পাত মেলিছে,
মুংগা গছজোপা ফুলেৰে উপচি পৰিছে
ভোমোৰাবোৰে গীত গাই উৰিছে
সিহঁতে মৌ চুহি খাইছে।'

ইয়াত গাভৰুৰ প্ৰতি ডেকামনৰ প্ৰেমৰ ভাব পৰোক্ষ ৰূপত প্ৰকাশ হৈছে।

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ টাই বৌদ্ধসকল : পয়চাংকেন :

অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ টাই বৌদ্ধসকলৰ বসন্ত কালত উদ্যাপন পয়চাংকেন উৎসৱো ৰঙালী বিহুধৰ্মী উৎসৱ। এই উৎসৱ চ'ত মাহৰ সংক্ৰান্তিৰ দিনাৰ পৰা পালন কৰা হয় যদিও এমাহ আগতে লিকচাংকেন বা টাই পুথিৰ স্তুতি পৰ্ব আৰম্ভ হয়। এই উৎসৱত তেওঁলোকৰ উপাস্য দেৱতা বুদ্ধদেৱক মূৰ্তিৰ যোগেদি পূজা-সেৱা কৰে। মন্দিৰৰ আগত ডেকা-গাভৰুৰ মাজত বিহু গীতৰো আয়োজন কৰা হয়। ধৰ্মীয় কৰ্ম প্ৰধান এই উৎসৱত ৰঙালী বিহুৰ দৰে মানুহৰ মঙ্গল, সুখ-শান্তি কামনাৰে পূজা-সেৱাৰ লগতে 'চমচাংকেন' নামৰ এক ধৰ্মীয় অনুষ্ঠান পতা হয়। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে এই পয়চাংকেন উৎসৱ দক্ষিণ-পূব এছিয়াৰ সকলোবোৰ ঠাইৰ বৌদ্ধ লোকে ভিন্ন ভিন্ন নামেৰে পালন কৰে।

নগা আৰু আদি সমাজ : মৰাং : উত্তৰ-পূব সীমান্তৰ নগা আৰু আদিসকলৰ 'মৰাং' নামৰ এক সামূহিক অনুষ্ঠান পৰ্বৰ ৰঙালী বিহুৰ পৰ্বৰ লগত সাদৃশ্য আছে। বিহু-নৃত্যৰ দৰে এই অনুষ্ঠানতো ডেকা-গাভৰুৰ মিলনৰ পূৰ্ণ সুবিধা আছে। তেওঁলোকৰ সমূহীয়া ঘাটোল গৃহলৈ যায় আৰু সেই গৃহত নৃত্য-গীতৰ পিছত নিশা কটায়। এই নৃত্য-গীতসমূহ প্ৰেম ভাবযুক্ত। বিহুগীতত থকা প্ৰেমিক বা প্ৰেমিকাক পৃথিৱীৰ নানা

জনজাতিৰ মাজত নানা উৎসৱত ৰঙালী বিহুধৰ্মী নানা উপাদান জড়িত হৈ থকাৰ বাবেই ৰঙালী বিহুটিক বুলিব পাৰি 'জুৰিৰ দাপোণ'। জুৰিৰ স্বচ্ছ পানীত স্পষ্টভাবে প্ৰতিবিম্ব দেখা পোৱাৰ দৰে এই ৰঙালী বিহুটিত নানা জাতিয়ে নিজৰ সংস্কৃতিৰ প্ৰতিচ্ছবি আৰু প্ৰাণৰ উন্মেষ বিচাৰি পায়। সেইবাবেই পৃথিৱীৰ বিভিন্ন ঠাইৰ বা দেশৰ সাংস্কৃতিক মঞ্চত অসমৰ শিল্পীৰ দ্বাৰা পৰিবেশিত বিহু নৃত্যই বিদেশী দৰ্শকৰ ভূয়সী প্ৰশংসাৰ লগতে পুৰস্কাৰ সম্মানো লাভ কৰে। এয়াতো বিহু গীত-নৃত্যৰ কথা। আৰৌ এই কথাও বিশেষ গুৰুত্ব দি ক'ব লাগিব ৰঙালী বিহুৰ বিভিন্ন উপাদানৰ লগত পৃথিৱীৰ বিভিন্ন দেশৰ উৎসৱৰ উপাদানৰ অনুপম মিলে সমগ্ৰ পৃথিৱীৰ নানা জাতি-ধৰ্ম-বৰ্ণ সম্প্ৰদায়ৰ লগত একতাৰ এনাজৰিডাল দৃঢ় কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে।

নাগাৰা নাম

নাগাৰা নাম এবিধ অৰ্ধ নাটকীয় পৰিবেশ্য কলা। নামতি অসমত বিশেষভাৱে প্ৰচলিত হৈ থকা এই 'নাগাৰা নাম' শংকৰী কৃষ্টিৰ অবদান বুলি কোৱা হয় যদিও সনাতন হিন্দু ধৰ্মৰো প্ৰভাৱপুষ্ট ইয়াৰ (নাগাৰা নামৰ) পদ, দিহাবোৰ। এই নাগাৰা নাম যে শংকৰী কৃষ্টিৰ অবদান তাৰ সপক্ষত ক'ব পাৰি, ইয়াৰ লিখিত কোনো ইতিহাস নাথাকিলেও দৰঙী সংস্কৃতিৰ প্ৰভাৱত গঢ়ি উঠা এইবিধ কলা জন্মকালৰ সময়ৰ ইয়াত হোৱা বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰতাৰ বিষয়ে। মহাপুৰুষ মাধৱদেৱৰ প্ৰিয় শিষ্য লেছাকণীয়া গোবিন্দ আতৈয়ে বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থে দৰঙৰ 'খটৰা সত্ৰত' থিতাপি লৈছিল। গতিকে আতৈৰ ধৰ্মপ্ৰচাৰৰ হেতু সৃষ্ট হোৱা বৈষ্ণৱ ধৰ্মৰ এইবিধ কলাত পৰিব পাৰে। নাগাৰা নামত বৈষ্ণৱ ধৰ্মৰ কৃষ্টি-অংকীয়া ভাওনা, বৰগীত, সত্ৰীয়া নৃত্যৰ উপৰি সনাতন হিন্দু ধৰ্মৰ অসমীয়া কৃষ্টি ওজাপালি, দেহ বিচাৰৰ গীত, ভাৰিতগান, কুশলগান, আই নাম, আন অসমীয়া সাংস্কৃতিক পুতলা নাচ, কামৰূপীয়া ঢুলীয়া, বিয়া গীত, কাহিনীমূলক বা বেলাড গীত—কমলা কুঁৱৰীৰ গীত, ফুলকোঁৱৰৰ গীত, কন্যা বাৰমাহীৰ গীত, লীলাৱতীৰ গীত, দুবলা শান্তিৰ গীত, জনা গাভৰুৰ গীত আদি নানা বিষয়ৰ দিশৰ প্ৰভাৱ নাগাৰা নামত পৰিছে। এইবোৰ কৃষ্টিৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰাৰ আগতে আমি 'নাগাৰা নাম'ৰ এক সংক্ষিপ্ত চিনাকি দিবলৈ ওলাইছো।

নাগাৰা নামৰ চাৰিত্ৰিক আৰু বিষয়-বস্তুৰ বৰ্ণনা ঃ

সংস্কৃতিৰ দুটা ভাগ মাৰ্গী বা শাস্ত্ৰীয় আৰু দেশ্য বা দেশীয় বা লোকসংস্কৃতি এই দুয়োটাৰে সংমিশ্ৰণত সৃষ্ট নাগাৰা নাম কলা। সৰ্বভাৰতীয় কথকতা পৰম্পৰাৰ ধাৰক আৰু বাহক এই নাগাৰা নাম কলাবিধ লোক নাট্য, লোক সংগীত আৰু লোক নৃত্য এই তিনিটা উপাদানৰ সমষ্টি। ইয়াৰ পদ, দিহাসমূহ সংগীতমধুৰ, সংলাপ নাট্যধৰ্মী আৰু পাঠকৰ নাম পৰিবেশন কলাত আছে মুদ্ৰা আৰু অভিনয়। পাঠকৰ থিয় হৈ কৰা নাম পৰিবেশন কলাত নৃত্যৰ প্ৰভাৱো মন কৰিবলগীয়া। নাগাৰা নামৰ প্ৰধান আকৰ্ষণৰ বিষয় মূল নামবোৰ কাহিনীভিত্তিক। পৌৰাণিক ধৰ্মগ্ৰন্থৰ কাহিনীৰ আলমত নাগাৰা নামৰ মূল নাম ৰচনা কৰা হয়। আজিকালি ইতিহাসৰ বজানিনীয়া আদৰ্শধৰ্মী কাহিনীৰ আলমতো নাগাৰা নামৰ মূল নাম ৰচিত হয়। সুদূৰ অতীতৰে

পৰা নানা প্ৰভাৱেৰে আৰু ন ন আঙ্গিকেৰে পুষ্ট হৈ নাগাৰা নাম বৰ্তমান উৎসৱ, অনুষ্ঠানতে অকল নাম পৰিৱেশন কৰা ব্যৱস্থা নহয়, ইয়াৰ অডিঅ' কেছেটো ওলাইছে। সম্প্ৰতি এইবিধ কলাক লৈ ভি ডি অ' ছবি নিৰ্মাণৰো প্ৰস্তুতি চলিছে। আকৌ এইবিধ কলা অকল অসমতে নহয় ভাৰতৰ আন ঠাইতো সমাদৰ লাভ কৰিছে। জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলো লোকক আকৰ্ষণ কৰিব পৰা এইবিধ কলাক সমন্বয় বঢ়োৱাৰ হাতিয়াৰো বুলিব পাৰি।

পৰিৱেশনৰ বিভাগ ঃ পৌৰাণিক কাহিনীৰ আধাৰত ৰচিত যেনে—(ৰামৰ বনবাস) নামধৰ্মীয় অনুষ্ঠানত আৰু ঐতিহাসিক কাহিনীৰ আধাৰত (যেনে—জয়মতীৰ স্বামী আৰু দেশৰ প্ৰতি কৰা আত্মত্যাগ) নাম মানুহৰ জন্ম-মৃত্যুৰ সৈতে সংলগ্ন আৰু সামাজিক উৎসৱত পৰিৱেশিত হয়।

নাগাৰা নামৰ কলা-কুশলীসকল ঃ নাগাৰা নামৰ দলবোৰৰ দল একোটাত এজন পাঠক, ২০-২৫ জন সহযোগী বা পালি, এজন নাগাৰা বাদ্য বাদক আৰু এজন তাল বাদক থাকে। দলটোক সংগঠিত কৰি ৰাখিবলৈ এজন সংগঠকো থাকে। নাগাৰা নামৰ দলবোৰক দলবোৰৰ পাঠক বা সেই দলটো থকা ঠাইৰ নামেৰে জনা যায় যদিও প্ৰতিটো দলৰে একোটা নিজস্ব নাম আছে। ছোৱালীৰ নাগাৰা নামত পাঠক আৰু পালিসকল ছোৱালী বা তিৰোতা, তাল আৰু নাগাৰা বাদক হ'ল পুৰুষ।

নাগাৰা নামৰ বাদ্যবোৰ ঃ শাস্ত্ৰীয় বাদ্যৰ চাৰিটা ভাগ ক্ৰমে (ক) তাত আৰু তাঁৰৰ বাদ্য, (খ) সুষিৰ বা ফু দি বজোৱা বাদ্য, (গ) আনদ্ধ বা জন্তুৰ ছালেৰে ছোৱা বাদ্য আৰু (ঘ) ঘন বা ধাতুৰে নিৰ্মিত বাদ্য দুভাগত অন্তৰ্ভুক্ত বাদ্য বজোৱা হয়।

(গ) আনদ্ধ বা জন্তুৰ ছালেৰে ছোৱা বাদ্য ঃ এই ভাগৰ অন্তৰ্ভুক্ত খোল, মৃদং, ঢোল, দগৰ, খঞ্জুৰী, ঢাক আৰু নাগাৰাৰ ভিতৰত শেষৰ বিধ, অৰ্থাৎ নাগাৰা বাদ্যহে নাগাৰা নামত বজোৱা হয়। 'নাগাৰা' শব্দটো 'নক্কাৰাৰ' পৰা উদ্ভুপত্তি হোৱা। এই বাদ্যবিধ পছিমৰ পৰা আহি থলুৱা ৰূপ লৈ অসমীয়া সংস্কৃতিত খিতাপি লৈছে। পছিমৰ এতিয়াৰ বাদ্য 'ড্ৰামছেট'ৰ লগত ইয়াৰ মিল আছে।

নাগাৰা বাদ্যৰ খোলাটো হাঁহকণী এটাৰ চাৰি ভাগৰ এভাগ সমানকৈ ভাঙিলে হোৱা ডাঙৰ ভাগৰ দৰে দেখিবলৈ। ইয়াৰ ওপৰত মৰা জন্তুৰ ছাল লগোৱা হয়। ছালখনক ধৰি ৰাখিবলৈ আৰু সুৰ, তাল ৰক্ষা কৰিবলৈ ইয়াক সংলগ্ন কৰি নাগাৰাৰ মাটিৰ খোলাটোৰ গাটো দীঘে বন্ধা জন্তুৰ ছালৰ ফিটাডালক চাতনি বোলে। নাগাৰাবোৰ বজোৱা মাৰি ডালক 'টেমেকা' বোলে। হাতৰ মুঠি আৰু টেমেকাৰে নাগাৰাবোৰ বজোৱা হয়। নাগাৰা বাদ্যৰ প্ৰচলনৰ ইতিহাস কোঁচ ৰজাসকলৰ ৰাজত্ব

কালৰ আগৰ। কোঁচ ৰজা বিশ্ব সিংহৰ ৰাজঅভিষেক উৎসৱত বজোৱা মাঙ্গলিক বাদ্যবোৰ যেনে—উপাংগ, কবিলাস, খঞ্জনিকা, জম্ফ, জয়কলি, ঝিমিৰিকা, ঝিলি, ঝোঞ্জৰা, টোকাৰি, ঢাক, ঢোল, ডুবি, দোচাৰি, ধোমাচি, ৰবৰুংস, বাঁহী, বীৰকলি, ভেৰী, মচুৰাই, মন্দিৰা, মৃদঙ্গ, মোহাৰী ৰবাব, ৰামতাল, ৰামকেমো, সৰিন্দা, সিংহাসনৰ লগতে নাগাৰাও বজাইছিল।

নাগাৰা নামৰ দল একোটাত সচৰাচৰ ৪টা নাগাৰা থাকে। ইয়াৰে এটা ডাঙৰ আকৃতিৰ (জোখ—দৈৰ্ঘ্য প্ৰায় ২ৰ পৰা আঢ়ৈ ফুট, ওপৰৰ অংশৰ ব্যাসাৰ্ধ প্ৰায় ডেৰৰ পৰা ২ ফুট), মধ্যমীয়া আকৃতিৰ (জোখ—দৈৰ্ঘ্য প্ৰায় ১ ফুট আৰু ওপৰৰ অংশৰ ব্যাসাৰ্ধ প্ৰায় ৮ৰ পৰা ১০ ইঞ্চি) দুটা, সৰু আকৃতিৰ (জোখ—দৈৰ্ঘ্য প্ৰায় ৬ ইঞ্চি আৰু ওপৰৰ অংশৰ ব্যাসাৰ্ধ—৪ ইঞ্চি) এটা। নাগাৰা নামৰ দলে চাৰিটাতকৈ অধিক নাগাৰা বাদ্যও আনিব পাৰে।

(ঘ) ঘন বা ধাতুৰে নিৰ্মিত বাদ্য : এইবিধ বাদ্যৰ ভিতৰৰ জুনুকা, কিংকিনী, সৰু টিলিঙা, নূপুৰ, কাঁহ (বৰকাঁহ, সৰুকাঁহ), টকা আৰু তালৰ ভিতৰত শেষৰবিধ বাদ্য ব্যৱহাৰ হয় নাগাৰা নামত। তাল কেইবা প্ৰকাৰ আছে যদিও ভোৰতাল দুযোৰ আৰু তাতকৈ সৰু তাল এযোৰহে নাগাৰা নামত ব্যৱহাৰ হয়। ভোৰতাল নাম প্ৰসঙ্গত ব্যৱহৃত এবিধ বৃহদাকৃতিৰ তাল। ইয়াক মূলতঃ তিব্বতীয় বা ভোট বাদ্য বুলি ভবা হয়। পণ্ডিতসকলে এই 'ভোট' শব্দৰ পৰাই 'ভোৰতাল' শব্দৰ উৎপত্তি হোৱা বুলি ভাবে। অসমৰ কাঁহশিল্প নগৰী সৰ্থেবাৰীত এই ভোৰতাল উৎপাদন হয়। অসমৰ বাহিৰেও ভুটান আৰু তিব্বত দেশত প্ৰচলন থকা এই বাদ্য সেই দেশ দুখনলৈ ৰপ্তানি হয়। ইয়াতকৈ সৰু তাল এবিধো নাগাৰা নামত ব্যৱহাৰ হয়। অৱশ্যে দলবিলাকে লোৱা ভোৰতাল আৰু তাতকৈ সৰু তালবিলাকৰ সংখ্যা বেছিও হ'ব পাৰে।

নাগাৰা নামত শিল্পীসকলৰ সাজ-সজ্জা : নাগাৰা নামৰ দলবোৰৰ পাঠকে ধুতি আৰু পাঞ্জাবী চোলা পৰিধান কৰে। ডিঙিত ফুলাম গামোচা ওলোমাই লয়। কপালত তিলক আঁকি লয়। পালি আৰু বাদ্যশিল্পীসকলে ধুতি-পাঞ্জাবী চোলা পৰিধান কৰে। কোনো কোনোৱে ডিঙিত ফুলাম গামোচা ওলোমাই লয়। ছোৱালীৰ নাগাৰা নামৰ পাঠকে মেখেলা-চাদৰ পৰিধান কৰে। ডিঙিত ফুলাম গামোচা লয়। কপালত ফোট লগাই লয়। পালিসকলেও চাদৰ-মেখেলা পৰিধান কৰে। বাদকসকলে ধুতি আৰু পাঞ্জাবী চোলা পৰিধান কৰে।

বহা পদ্ধতি : নাগাৰা নামৰ দলৰ পালিসকলে নাম পৰিবেশনৰ সময়ত

বৃত্তাকাৰে বহি লয়। সকলোৰে মাজত পাঠকৰ স্থান। তেওঁ থিয় হৈ কৰা নাগাৰা নাম পৰিবেশনৰ সুবিধাৰ হেতু দুই ফুট বৰ্গাকৃতিৰ মুকলি ঘূৰণীয়া ঠাই অকণমান পালিসকলে সোঁমাজত ৰাখে। পাঠকৰ ওচৰতে তালবাদক থাকে। ঢোল বাদক থাকে বৃত্তাকাৰে বহা পালিসকলৰ বৃত্তটোৰ বাহিৰত একাষে।

নাগাৰা নামৰ পৰিবেশন কলাৰ বিভাগসমূহৰ বিবৰণ ঃ নাগাৰা নামৰ পৰিবেশন কলাক ৭ ভাগত ভগাব পাৰি। সেইবোৰ হ'ল (১) জাগৰণ, (২) বন্দনা, (৩) কীৰ্তন পুথিৰ কাহিনীৰ আলমত নাগাৰা নাম পৰিবেশন, (৪) কাহিনীভিত্তিক মূল নাম চাৰিৰ পৰা পাঁচটা, (৫) তালৰ চং, (৬) অপৰাধ মৰিষণ, (৭) সমাপ্তিৰ বাদ্য (প্ৰতিটো নামত আৰু অপৰাধ মৰিষণ নামৰ শেষত)

(১) জাগৰণ ঃ নাগাৰা নাম পৰিবেশন কৰিব ওলাই নাগাৰা নামৰ দলবোৰে পদ, দিহা বিহীনভাৱে নাগাৰা, তাল আৰু চাপৰি উচ্চ স্বৰ আৰু খৰগতিত বজায়। ইয়াকে 'জাগৰণ পৰ্ব' বোলে। এই জাগৰণ পৰ্ব পালনৰ উদ্দেশ্য হ'ল—নাগাৰা নামৰ দল পৰিবেশন স্থলীৰ ওচৰ-পাঁজৰে ঘূৰি ফুৰা দৰ্শকক আৰু আন ঠাইত ঘৰত থকা মানুহক নাগাৰা নাম উপভোগ কৰিবলৈ মাতি অনা। এই জাগৰণ পৰিবেশনৰ সময় প্ৰায় ৫ মিনিট।

(২) বন্দনা ঃ জাগৰণ পৰ্বৰ পাছতে কিছু সময় জিৰণি লৈ দৰ্শক আহি পৰিবেশন স্থলী ভৰি পৰিলেই আৰম্ভ কৰে বন্দনা। এই পৰ্বত ভগৱানৰ ওচৰত স্তুতি-মিনতি, প্ৰাৰ্থনা কৰাৰ লগতে পৰিবেশন কৰিব খোজা নাগাৰা নামত কিবা ভুল-ত্ৰুটি হ'লে ভগৱানক মৰিষণ কৰিবলৈ অনুৰোধ কৰে। এই পৰি দিহা, পদবোৰ কাহিনীবিহীন। এনে নাম প্ৰায় ১০ মিনিট সময় পৰিবেশন কৰে। নাগাৰা নামৰ দলটোৰ পাঠকে দিহা পদ লগাই দিয়ে। পালিসকলে হাতৰ চাপৰি বজায় আৰু পাঠকৰ পদবোৰ গায়। এই নাম পৰিবেশনৰ পাছত ৫ মিনিটমান সময় জিৰণি লৈ আৰম্ভ কৰে কীৰ্তনৰ নাম।

কীৰ্তন পুথিৰ কাহিনীৰ আলমত নাম পৰিবেশন ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত কীৰ্তন পুথিৰ কাহিনীৰ অৱলম্বনত প্ৰথম নামটো পৰিবেশন কৰাটো নাগাৰা নামৰ এক নীতি। কীৰ্তন পুথিৰ অজামিল উপাখ্যান, প্ৰহ্লাদ চৰিত, গজেন্দ্ৰোপাখ্যান, কংস বধ, কালযান বধ, স্যামন্ত হৰণ, বিপ্ৰপুত্ৰ আনায়ন, বিপ্ৰ দামোদৰ আখ্যান আদি খণ্ডবোৰ এই নামৰ বাবে লোৱা হয়। এই নাম বিষয়-বস্তুৰ মনোৰম প্ৰকাশ, ছন্দৰ বৈচিত্ৰ্য আৰু লালিত্য ভাব উজ্জীৱিত কৰিব পৰা শব্দৰ ব্যৱহাৰ আৰু দৰ্শকৰ মনত মধুৰ ভক্তিৰ ভাব উজ্জীৱিত কৰিব পৰা গুণে মনোৰম কৰিছে। নাম পৰিৱেশনৰ কাহিনী কীৰ্তনৰ এটা খণ্ডৰ হ আৰু স্বয়ংসম্পূৰ্ণ। এনে নামৰ পদ, দিহাৰ সুৰ আদি

ভক্তিমূলক গীতৰ আৰ্হিত পৰিবেশিত হয়। এনে নাম পৰিবেশনৰ সময় প্ৰায় ৪৫ মিনিট। এই নাম পৰিবেশন কৰি অলপ সময় জিৰণি লয় শিল্পীসকলে।

নাগাৰা নাম পৰিবেশনৰ মুঠ সময় ৭/৮ ঘণ্টা। প্ৰতিটো নাম (কাহিনী ভিত্তিক) পৰিবেশনত লাগে ৩০ মিনিটৰ পৰা ৪৫ মিনিট। সেয়ে নাগাৰা নামৰ দলসমূহে জাগৰণ, বন্দনা, কীৰ্তনৰ নাম আৰু জিৰণিৰ সময় বাদ দি প্ৰায় পাঁচটা কাহিনীভিত্তিক নাম পৰিবেশন কৰিব পাৰে। প্ৰতিটো নামৰ শেষত ১০ বা ১৫ মিনিট জিৰণি বা বিৰতি লয়। যাহওক কীৰ্তনৰ নামৰ পাছত আৰম্ভ কৰে মূল নাম।

মূল নাম ঃ মূল নামবোৰ গ্ৰন্থৰ আধাৰত ৰচিত কাহিনীমূলক। এই মূল নামবোৰৰ ভাগ কেইবাটাও। যেনে— (১) কাহিনীৰ নাম বৰ্ণনা, (২) কাহিনীৰ স্থান-কাল-পাত্ৰৰ বিভিন্ন বৰ্ণনা, (৩) পাঠকে থিয় হৈ নাম পৰিবেশন আৰম্ভ, (৪) হাতৰ মুদ্ৰা, অভিনয় শৈলী, (৫) নাটকীয় সংলাপ, (৬) পট পৰিবৰ্তন, (৭) পালিক প্ৰশ্ন আৰু (৮) নামটোৰ শেষ বাদ্য।

(১) কাহিনীৰ নাম বৰ্ণনা ঃ মূল নামৰ আগতে দিহাৰ দ্বাৰা পাঠকে পৰিবেশন কৰিব বিচৰা নামৰ কাহিনীটোত থকা গ্ৰন্থ আৰু খণ্ডটোৰ নাম উল্লেখ কৰে। নাগাৰা বাদ্য, তাল বাদ্য আৰু চাপৰি খৰ গতিত বজাই পাঠকে লগাই দিয়ে দিহা। এই দিহাত যিখন গ্ৰন্থৰ কাহিনী মূল নামৰ বাবে লোৱা হয় সেই গ্ৰন্থৰ নাম উল্লেখ কৰে। যেনে —যদি মহাভাৰতৰ কাহিনী হয় তেন্তে গাব—'শুনা শুনা সভাসদ, কৰো নমস্কাৰ।

'মহাভাৰত'ৰ কথা কৰিব প্ৰচাৰ।

পাঠকে লগাই দিয়া এই দিহা পালিসকলেও গায়। এই দিহা শেষ হ'লে সৰু নাগাৰাত আগতে খৰ গতিত কোবাই শেষত ডাঙৰটোত কোবাই এটা বাদ্য সুৰৰ সৃষ্টি কৰে। তাৰ পাছত আৰম্ভ কৰে কাহিনীৰ স্থান-কাল-পাত্ৰৰ বৰ্ণনা।

(২) কাহিনীৰ স্থান, কাল, পাত্ৰৰ বৰ্ণনা ঃ এই ভাগত বাদ্য বা হাতৰ চাপৰি নবজায়, অকল দিহা পদেৰে নামৰ সেইভাগ আগুৱাই নিয়ে। পাঠকে বহাৰ পৰা উঠি দৰ্শক, শ্ৰোতা বাইজক দুহাতেৰে কৰযোৰ কৰি নমস্কাৰ জনায়। হাতৰ মুদ্ৰা দেখুৱাই মুকলি ঠাইখিনিত ঘূৰি কাহিনীৰ স্থান, কাল-পাত্ৰৰ বৰ্ণনা কৰে। উদাহৰণস্বৰূপে সীতাৰ বিবাহ পৰ্বত যদি নাম গাব খোজে তেতিয়া গাব ঃ

> 'দশৰথ নামে ৰজা আছিল মিথিলা দেশত
> সদায় নুওচে তেওঁৰ আনন্দ মনত।
> সীতা নামে আছে পুত্ৰী অতি ৰূপৱতী
> গুণী জ্ঞানী পুত্ৰীগণ অতি সংযমিত

পুত্ৰী গণক দেখি ৰজাই ভাবে মনে মন
মোৰ সম ভাগ্যৱান নাই ত্ৰিভুৱন।'

(৩) **নামৰ কাহিনীৰ অগ্ৰগতি আৰু পাঠকৰ অভিনয় আৰু মুদ্ৰাশৈলী ঃ** পদেৰে নামৰ কাহিনী ভাগ আগবঢ়াই নিয়াৰ লগে লগে ইয়াৰ চৰিত্ৰবোৰৰ কাৰ্য পাঠকে অভিনয়েৰে প্ৰকাশ কৰে। উদাহৰণস্বৰূপে যদি সীতাৰ বিবাহৰ কাহিনীভাগৰ নাম পৰিবেশন কৰে তেন্তে ইয়াত সীতাৰ সয়ম্বৰত ৰামে হৰধনুত গুণ লগোৱা আৰু ভঙা কাৰ্যৰ অভিনয় কৰিবলৈ গৈ পাঠকে হৰধনুখন নোহোৱাকৈয়ে হাতেৰে ধনু এখনত গুণ লগোৱাৰ বাবে কৰা চেষ্টা আৰু ভঙাৰ দৰে অভিনয় কৰি দেখুৱায়। আনবোৰ চৰিত্ৰৰ কাৰ্য কিছুমানো তেওঁ তেনেদৰে অভিনয় কৰি দেখুৱায়। নামত হাতেৰে পাঠকে কৰা মুদ্ৰাশৈলীও অনুপম।

(৪) **নাটকীয় সংলাপ ঃ** পাঠকে নামৰ কাহিনীৰ চৰিত্ৰসমূহৰ মুখৰ সংলাপ নাটকীয় সুৰত আওৰায়। চৰিত্ৰ অনুযায়ী এই সংলাপ উপযুক্তভাৱে আওৰাব পাৰিলেহে নামৰ মনোগ্ৰাহী গুণ বাঢ়ে।

(৫) **নামৰ কাহিনীৰ পট পৰিবৰ্তন ঃ** নামৰ কাহিনীৰ কেতিয়াবা পট পৰিৱৰ্তনৰ প্ৰয়োজন হয়। অৰ্থাৎ নামৰ কাহিনী এটা যদিও সেইটো কাহিনীতে কেতিয়াবা পৃথক পৰিবেশ, স্থান, চৰিত্ৰৰ প্ৰয়োজন হয়। ইয়াক বুজাই ক'বলৈ হ'লে ক'ব পাৰি নামটোত এখন গাঁও বা এখন ৰাজ্যৰ কাহিনী উল্লেখ কৰিব লগা হয় তেন্তে পদৰ জৰিয়তে উল্লেখ কৰিব ঃ

'এহি মানৰ কথা আমি এহি মানে থওঁ।...
...ৰ কথা আমি দুষাৰ মান কওঁ।'

(... চিন দিয়া ঠাইত যিখন গাঁৱৰ বা ৰাজ্যৰ কাহিনী পৰিবেশন কৰিব তাৰ নাম উল্লেখ কৰিব)

(৬) **পালিক পাঠকে কৰা প্ৰশ্ন ঃ** নামৰ কাহিনীৰ ঘটনাৰ বিভিন্ন সময়ত পাঠকে পালিক প্ৰশ্ন কৰে আৰু পালিয়ে এটা-দুটা শব্দৰে তাৰ উত্তৰ দিয়ে। উদাহৰণস্বৰূপে 'বিপ্ৰপুত্ৰ আনায়ন' নামৰ আন বিষয়ৰ দৰে অৰ্জুনে বিপ্ৰ পুত্ৰক বিচাৰি বিভিন্ন ঠাইলৈ গৈ হতাশ হোৱাৰ পাছত পাতাললৈ যোৱাৰ কথা পদেৰে উল্লেখ কৰি পালিক প্ৰশ্ন কৰে—

'পাতালতো জানো বিপ্ৰপুত্ৰগণক পালে? তেতিয়া পালিয়ে উত্তৰ দিয়ে—'নাই, নাপালে।' প্ৰশ্ন আৰু উত্তৰৰ সময়ত বাদ্য বা হাত চাপৰি নবজায়, পদ গোৱাও বন্ধ থাকে।

(৭) সামৰণিৰ বাদ্য : নামৰ কাহিনীভাগ শেষ হোৱাৰ লগে লগে পাঠক পালিৰ মাজত বহি পৰে। তেওঁ বহি পৰাৰ লগে লগে নাগাৰা আৰু ভোৰতালৰ শব্দ খৰ হয়। এই গতি খৰৰ পৰা অধিক খৰ হৈ বিৰামহীন গতিৰে শেষত অন্ত পৰে।

(৪) কাহিনীভিত্তিক মূল নাম চাৰি বা পাঁচটা : এই নামবোৰৰ কাহিনী পৃথক হোৱা দেখা যায় যদিও পৰিবেশন কলা প্ৰতিটোৰ একেই।

(৫) তালৰ চং : নাগাৰা নামৰ আকৰ্ষণীয় এক কলা হ'ল ভোৰতালৰ চং। শেষৰ নামটোৰ কাহিনী ভাগ শেষ হ'লে পাঠকে ভোৰতাল এযোৰ দুহাতত লৈ নিজৰ মূৰৰ ওপৰত, বুকুৰ কাষত, পিছফালে, বাউসীৰ কাষত, শূন্যতে এখন এখনকৈ আৰু দুয়োখনে একেলগে ঘূৰায়। অকল এযোৰে নহয় চাৰি-পাঁচযোৰ আৰু কিছুমান পাঠকে ন-দহযোৰ একেলগে দুয়োখন হাতেৰে ঘূৰাই প্ৰদৰ্শন কৰি শ্ৰোতা-দৰ্শকক আমোদ দিয়াৰ লগতে মনত আশ্চৰ্যবো সৃষ্টি কৰিছিল।

অপৰাধ মৰিষণ : এই পৰ্বত পৰমাৰ্থ বিষয়ক ভাব প্ৰকাশ হয়। মানৱ জীৱন ক্ষণস্থায়ী, কিন্তু দুৰ্লভ। এনে দুৰ্লভ জীৱনত পাপ কাম বা নিজৰ স্বাৰ্থ পূৰণতে ব্যস্ত থাকি আমি ভগৱানৰ পূজা-অৰ্চনা কৰিব পাহৰি যাওঁ। সেয়া নকৰি আমি পবিত্ৰ কৰ্মেৰে জীৱন মহীয়ান কৰিব লাগে। নিজৰ স্বাৰ্থ পূৰণতে অহৰ্নিশে গুৰুত্ব দিব নালাগে আন মানুহৰ স্বাৰ্থৰ প্ৰতিও গুৰুত্ব দিব লাগে। জীৱ-জন্তুসমূহৰ প্ৰতিও মৰমিয়াল হ'ব লাগে। সকলো সময়তে পবিত্ৰ শক্তি ভগৱানৰ নাম স্মৰণ কৰিব আৰু তেওঁৰ নিয়মিত পূজা-অৰ্চনা কৰিব লাগে। অপৰাধ মৰিষণৰ নামৰ প্ৰথম কলি হ'ল—

'দয়াময় দয়াময় পশিলো শৰণহে...'

(৭) সামৰণিৰ বাদ্য : নামবোৰৰ সামৰণিৰ দৰে অপৰাধ মৰিষণৰ পাছতো খৰ গতিৰ নাগাৰা, তাল বাদ্য বজোৱা আৰু চাপৰি বজোৱাৰ ব্যৱস্থা আছে।

নাগাৰা নামৰ ভাষা : নাগাৰা নামৰ পদ, দিহা, সংলাপ আদিত অসমীয়া ভাষাৰ লিখিত ৰূপ ব্যৱহাৰ হয় যদিও ই প্ৰাক্-শংকৰী যুগৰ সাহিত্য আৰু শংকৰী যুগৰ সাহিত্যৰ শব্দেৰে ভৰা। যুক্তাক্ষৰবোৰ ঠায়ে ঠায়ে কোমল কৰাৰ ব্যৱস্থাও দেখা যায়। দুই-এটা শব্দত সংস্কৃত, পালি আৰু দুই এটাত নামনি অসমৰ কথিত ভাষা ঢেকেৰীৰ প্ৰভাৱ পৰিছে।

নাগাৰা নামৰ সঠিক আৰু জনপ্ৰিয় ৰূপৰ বিভিন্ন উপাদানসমূহ : নাগাৰা নামৰ এই বিষয়টো নিৰ্ভৰ কৰে প্ৰধানকৈ পাঠকৰ ওপৰত। পালি আৰু বাদ্যবাদকসকলৰ ভূমিকাও কম বুলিব নোৱাৰি।

(ক) পাঠকৰ শাৰীৰিক অৱয়ৱ : নামৰ দলবোৰত পাঠকৰ শৰীৰ দেখনিয়াৰ হোৱাৰ প্ৰয়োজন। অত্যধিক মেদযুক্ত বা অতিপাত ক্ষীণ শৰীৰ এই কলাৰ পাঠকৰ বাবে উপযুক্ত নহয়। শৰীৰ মধ্যমীয়া জোখৰ হোৱা প্ৰয়োজন। হাতৰ মুদ্ৰা, অভিনয় কলা আৰু তালৰ চংকলাৰ বাবে শৰীৰ আৰু অংগ নানা প্ৰকাৰে সঞ্চালন কৰিব পাৰিব লাগে। সেইবাবে অভিনয়ৰ ক্ষেত্ৰত অভিনেতা-অভিনেত্ৰীৰ শাৰীৰিক ব্যায়ামৰ দৰে পাঠকসকলেও ব্যায়াম কৰাৰ লগতে উপৰোক্ত কলাবোৰৰ অনুশীলন সঘনে কৰা প্ৰয়োজন।

(খ) পাঠকৰ কণ্ঠ : পাঠকৰ কণ্ঠ ভিন্ন ধৰণৰ হোৱা প্ৰয়োজন। কণ্ঠ কোমল, কঠোৰ আৰু গলগলীয়া হ'ব লাগে যাতে দিহা, পদ, সংলাপ আদি সঠিক স্বৰত সুশ্ৰাব্যকৈ উপস্থাপন কৰিব পাৰে।

(গ) পাঠকৰ নামৰ কাহিনীৰ চৰিত্ৰবোৰৰ স'তে একাত্ম হ'ব পৰা গুণ : নাগাৰা নামৰ পাঠকৰ এই গুণটো থকা অতিকৈ প্ৰয়োজন। নাগাৰা নামৰ মূল নামবোৰত চৰিত্ৰসমূহৰ মাত কথা কোৱাৰ ভংগী, আৱেগ, অনুভূতি যেনে—সুখ, দুখ, হাঁহি-কান্দোন, আনন্দ, নিৰানন্দ, খং, ধেমালি, লাজ, ভয়, ঘৃণা, প্ৰেম আদি সকলোবোৰ বাস্তৱৰ আলমত উপস্থাপন কৰিব পাৰিব লাগিব। এনেবোৰ ক্ষেত্ৰত এজন মানুহৰ বাস্তৱ ক্ষেত্ৰত হ'ব পৰা প্ৰতিক্ৰিয়া আৰু কাৰ্যৰ নাটকীয় শৈলীৰে উপস্থাপন কৰিব পাৰিব লাগিব। সেইবাবে পাঠকে বাস্তৱ ক্ষেত্ৰত মানুহৰ আৱেগ-অনুভূতিৰ সঠিক পৰ্যবেক্ষণ আৰু ইয়াক আয়ত্ত কৰি কলা হিচাপে প্ৰয়োগ কৰিব লাগে। এই বিষয়ত সফলতা অৰ্জন কৰিছে নাগাৰা নামত দলৰ পাঠকৰ সম্ৰাট কৈলাশ তালুকদাৰে। আনবোৰ সংলাপৰ কথা নকৈ আমি 'পৰশুৰামৰ মাতৃহন্তা' নামত পত্নী ৰেণুকাৰ পানী অনাত দেৰি হোৱাত সন্ধ্যা কাৰ্যত বাধা পৰা বাবে ঋষি জমদগ্নিৰ ক্ৰোধাগ্নিভৰা সংলাপ, নামটোৰ আন ঠাইৰ অট্টহাস্য, কান্দোন আদি শুনিলে এনে লাগে যেন এজন সুদক্ষ অভিনেতাইহে নাটকত অভিনয় কৰিছে। আকৌ নামৰ কাহিনীৰ চৰিত্ৰসমূহত ভগৱানৰ গুণ আৰোপতকৈ মানবীয় গুণ আৰোপেৰে অপসংস্কৃতিৰ পথত ধাৱিত মানুহক আদৰ্শমূলক বা সৎ পথ দেখুওৱা হয়।

(ঘ) সহজ-সৰল গাঁৱলীয়া জীৱনৰ নিৰ্ভাজ চিত্ৰ অংকন : কোনো শিল্পই নিজস্ব মাটিৰ গোন্ধ এৰি সফলতা অৰ্জন কৰিব নোৱাৰে। স্বয়ং সম্পূৰ্ণতাও লাভ কৰিব নোৱাৰে। নাগাৰা নামৰ উৎপত্তি যিহেতু গাঁৱলীয়া সেয়ে গাঁৱৰ মাটিৰ গোন্ধ এই শিল্পত থাকিব লাগিব। অৱশ্যে একাধিক নাগাৰা নামতে গাঁৱৰ প্ৰাকৃতিক পৰিৱেশ, কৃষি কাৰ্য, সহজ-সৰল গঞা জীৱন, কাৰ্য আদিৰ ছবি পৰিস্ফুট হোৱা দেখা পাওঁ।

নাগাৰা নামৰ প্ৰকাৰ ঃ নাগাৰা নাম দুই প্ৰকাৰৰ—পুৰুষৰ নাগাৰা নাম আৰু ছোৱালীৰ নাগাৰা নাম। অৱশ্যে বৰ্তমান ক্ষেত্ৰে ব্যৱহৃত একেটা নামতে পুৰুষ-নাৰীৰ চৰিত্ৰ কণ্ঠ মিলাবলৈ পুৰুষ আৰু মহিলা দুয়োটা নাগাৰা নামৰ দলে নাম পৰিবেশন কৰিছে। উদাহৰণস্বৰূপে কৈলাশ তালুকদাৰৰ পত্নী বৈজয়ন্তী নাথ তালুকদাৰৰ সৈতে জয়মতীৰ আদৰ্শৰ ওপৰত উলিওৱা অসমৰ প্ৰথমখন নাগাৰা নামৰ ক্ষেত্ৰৰ কথা ক'ব পাৰি। দুটা পুৰুষ নাগাৰা নামৰ দলেও ক্ষেত্ৰে উলিয়াইছে। যেনে—'ভোকোৰা পাঠাৰ বিয়াত—নাগাৰা নামৰ দল, কৈলাশ তালুকদাৰ ৰামচৰণ ভৰালীয়ে উলিয়াইছে।

নাগাৰা নামৰ স'তে সম্পৰ্কযুক্ত আৰু ইয়াত প্ৰভাৱ পেলোৱা আন কলা শিল্পসমূহ ঃ

(ক) সংকীৰ্তন ঃ সংকীৰ্তন আৰু নাগাৰা নামৰ মাজত সম্পৰ্ক ইমানেই ওচৰ যে দুয়োবিধ কলাকে একেটা মুদ্ৰাৰে দুপিঠি যেন লাগে। নাগাৰা নামৰ দৰে ইয়াতো দিহা, পদ, বন্দনা, কাহিনীভিত্তিক মূল নাম, শাস্ত্ৰীয় বাদ্য আৰু চাপৰি, অপৰাধ মৰিষণ আদি উপাদান আছে। এইবিধ কলাৰ বৰ্ণনা দি নলবাৰী জিলাৰ গৰিয়া গাঁৱৰ সংকীৰ্তনৰ লগত জড়িত ব্যক্তি কিশোৰ শৰ্মাই কয় ঃ 'নাগাৰা নাম আৰু সংকীৰ্তনৰ মাজৰ সম্পৰ্ক নিবিড় যদিও দ্বিতীয় বিধ কলাৰ জন্ম বংগ দেশতহে। বৈষ্ণৱ ধৰ্মৰে আন ৰূপ বংগদেশৰ চৈতন্যদেৱে চৈতন্য ধৰ্ম প্ৰচাৰৰ অৰ্থে এইবিধ কলাৰ সৃষ্টি কৰিছিল। এই দেশত এইবিধ কলাৰ প্ৰচলন বেছি যদিও অসমতো চৈতন্যপন্থীসকল থকা ঠাই আৰু তাৰ নিকটবৰ্তী ঠাইসমূহত প্ৰচলন আছে।

নাগাৰা নামৰ কাহিনীভিত্তিক নামৰ দৰে সংকীৰ্তনত থকা কাহিনী অনেক নহয়, এটাহে। সেই কাহিনীটোৰ স'তে সংকীৰ্তন পৰিবেশনৰ সময় ৫/৬ ঘণ্টা। পৰিবেশনৰ সুবিধা আৰু জিৰণি লোৱাৰ অৰ্থে ইয়াক ৩০ বা ৪০ মিনিট পৰিবেশনৰ সময়ত ভাগ কৰি লোৱা হয়। এই কলাত এজন পাঠক, প্ৰায় ১৫ জন পালি, দুজনমান বাদ্যবাদক থাকে। ইয়াৰ বাদ্যবোৰ হ'ল—খোল, খুঁটি তাল, ভোৰতাল পালিসকলে পাঠকে লগাই দিয়া দিহাপদবোৰ গায় আৰু চাপৰি বজায়। সত্য নাৰায়ণ পূজা, পূজা-সবাহৰ মূৰ্তি প্ৰতিষ্ঠাৰ পাছত অধিবাসৰ দিনা এই কলা পৰিবেশিত হয়।' গৰিয়া, বেলশৰ, চামতা, সাহপুৰ, পিপলীবাৰী, জাগ্ৰা, ককয়া, মাখিবাহা, টিহু আদি ঠাইত এই সংকীৰ্তনৰ প্ৰচলন আছে।

(খ) অংকীয়া ভাওনা ঃ নাগাৰা নামৰ শিল্পীসকলে এইবিধ কলাৰ উৎপত্তিত অংকীয়া ভাওনাৰ যথেষ্ট প্ৰভাৱ পৰা বুলি ভাবে। নাগাৰা নামৰ লগত অংকীয়া

ভাওনাৰ অনেক উপাদানৰ মিল আছে। অংকীয়া ভাওনাৰ নাট পৰিবেশনৰ আগতে নাগাৰা নামৰ দৰে নাটৰ নাম উল্লেখ কৰা হয়। ইয়াৰ সূত্ৰধাৰ আৰু নাগাৰা নামৰ দুয়োজন পাঠকৰ ভূমিকা একেই। দুয়োবিধ কলাৰ কাহিনী ভাগ আগবঢ়াই নিয়াত দুয়োজনে মুখ্য ভূমিকা পালন কৰে। এইবোৰৰ উপৰি নাটকীয় দিশ গীত, পদ, বাক্য আদিৰ যথেষ্ট মিল নাগাৰা নামৰ লগত আছে।

(গ) পুতলা নাচ ঃ পুতলা নাচৰ অনেক প্ৰভাৱেৰে পুষ্ট নাগাৰা নাম কলা। ইয়াৰ সূত্ৰধাৰৰ বিভিন্ন ভূমিকা, নাটকীয় দিশ, গীত-পদ, আদিৰ নাগাৰা নামত প্ৰভাৱ পৰিছে। আকৌ নাগাৰা নামৰ পৌৰাণিক গ্ৰন্থ বা ইতিহাসৰ অস্পষ্ট চৰিত্ৰ একোটাক মূল কাহিনীৰ আকাৰত লয়। একে ব্যৱস্থা পুতলা নাচতো আছে।

(ঘ) ওজাপালি ঃ নাগাৰা নামৰ দৰে ওজাপালিও অৰ্ধ নাটকীয় পৰিবেশ্য কলা। ইয়ো সৰ্বভাৰতীয় কথক নৃত্যৰ ধাৰক আৰু বাহক। নাগাৰা নামৰ দৰে ইয়াৰো জন্মস্থান দৰং। একে ধৰণেৰে নাগাৰা নামৰ দৰে ওজাপালিয়ো পুৰুষ আৰু মহিলাৰ দ্বাৰা গোৱাৰ ব্যৱস্থা আছে। ইয়াতো বন্দনা, অপৰাধ মৰিষণ আছে; কাহিনীভিত্তিক পদ, ঘোষাৰ, ব্যৱস্থা আছে। এইবোৰৰ উপৰি নৃত্য, পদ ঘোষাৰ আন বিষয়ত মিল আছে।

(ঙ) বৰগীত ঃ নাগাৰা নামত বৰগীতৰ প্ৰভাৱো আছে। বৰগীতৰ সুৰৰ আলমত নাগাৰা নামৰ পদ, দিহা, পৰিবেশন হয়। বৰগীত নাগাৰা নামৰ দৰে বিষয়-বস্তুৰ মহত্ত্ব, ৰচনা ভংগীৰ সৌষ্ঠৱ শাস্ত্ৰীয় সুৰৰ গাম্ভীৰ্যযুক্ত। পৰমাৰ্থ বিষয়ক বৰগীতবোৰৰ অপৰাধ মৰিষণ নাগাৰা নামৰ অংশৰ মিল চকুত পৰা। নাগাৰা নামত অস্থায়ী দেহতত্ত্বৰ উল্লেখ থকাৰ দৰে বৰগীততো উল্লেখ আছে ঃ

'অথিৰ ধন জন পুত্ৰ পৰিবাৰ
অথিৰ এহু সংসাৰ।
পুত্ৰ পৰিবাৰ সবহু অসাৰ
....
পাৱে পৰিহৰি কৰহো প্ৰণতি
ৰাখা ৰাখাহে মোকে।'

(চ) ভটিমা ঃ ভটিমাৰ অনেক উপাদানৰ মিল আছে নাগাৰা নামত। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা সৃষ্ট তিনি প্ৰকাৰৰ ভটিমা, নাট ভটিমা, দেৱ ভটিমা আৰু ৰাজ ভটিমাৰ অনেক উপাদান আছে। নাট ভটিমাৰ তিনি প্ৰকাৰ প্ৰাৰম্ভৰ উপাস্য দেৱতাৰ গুণানুকীৰ্ত্তন কৰা ব্যৱস্থাৰ লগত নাগাৰা নামৰ বন্দনা পৰ্ব, নাটৰ প্ৰধান

চৰিত্ৰৰ গুণানুকীৰ্তন কৰাৰ দৰে নাগাৰা নামৰ কাহিনীৰ মূল নামত কাহিনীৰ প্ৰধান চৰিত্ৰৰ গুণানুকীৰ্তন কৰা হয় আৰু অপৰাধ মৰিষণ পৰ্বত একে ব্যৱস্থা আছে। তেনেদৰে দেৱ ভটিমাত দেৱতাৰ গুণ-গৰিমা বৰ্ণনা কৰাৰ দৰে নাগাৰা নামতো ভগবানৰ গুণানুকীৰ্তন কৰা হয়। ৰাজ ভটিমাত ৰজাৰ গুণ-গৰিমা প্ৰকাশৰ দৰে নাগাৰা নামতো মূল নামত কাহিনীৰ ৰজাৰ গুণ-গৰিমা প্ৰকাশ কৰা হয়।

(ছ) আন আন গীতৰ প্ৰভাৱ ঃ অসমীয়া লোকসংস্কৃতিক গুৰুত্ব দি অনেক লোকগীত আৰু আখ্যানমূলক গীত আৰু ইয়াৰ সুৰ লোৱা হৈছে। উদাহৰণ-স্বৰূপে—কোঁৱৰৰ গীত, কমলা কুঁৱৰীৰ গীত, বনগীত, কামৰূপীয়া লোকগীত, গোৱালপাৰাৰ কুশল গান, ভাৰিগান, বিহুগীত, বাৰমাহীৰ গীত, নিচুকনি গীত, জনা গাভৰুৰ গীত, লখিমী সবাহৰ গীত আদিৰ সুৰ ৰচনা শৈলী, শব্দৰ প্ৰভাৱ, নাগাৰা নামত বিদ্যমান। এইবোৰৰ বিষয়ে প্ৰসংগ দীঘল হোৱাৰ ভয়তে সংক্ষিপ্তকৈ মাথোঁ প্ৰকাশ কৰিলো।

নাগাৰা নামত ব্যতিক্ৰমধৰ্মী আৰু পৰিবৰ্তনমূলক ব্যৱস্থা ঃ কলা নাইবা শিল্পত নতুন আঙ্গিকৰ প্ৰয়োগ অবিহনেই জীয়াই থকাটো সম্ভৱ নহয়। সময়ৰ পৰিবৰ্তনৰ লগে লগে নতুনত্বৰ সমাৱেশ ঘটাবলৈ আনবোৰ শিল্পৰ দৰে নাগাৰা নামতো সময়ে সময়ে ব্যৱস্থা লৈছে নাগাৰা নামৰ দলসমূহে। আশীৰ দশকৰ বাদ্যৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হৈছিল নতুনত্বৰ এক সমাৱেশ। বিয়াৰ পৰিৱেশ সৃষ্টি কৰিবলৈ বেণ্ডপাৰ্টি, চেনাই বজাইছিল। আন এক ব্যৱস্থাত '৮৩—'৮৭ চনত নাগাৰা নামৰ পাঠক হিচাপে কৈশোৰ বয়সৰ দুজন বা এজন ল'ৰাক লৈছিল কিছুমান দলে। তেনেদৰে '৯১—'৯২ চনত নাগাৰাত নাটকীয় সংলাপ আৰু অভিনয় শৈলীৰ প্ৰাধান্য বৃদ্ধি পায়। একে সময়তে নাগাৰা নামক আৰু অধিক জনপ্ৰিয় কৰাৰ হেতু ইয়াৰ পদ দিহাত নানা জনপ্ৰিয় গীতৰ সুৰত উলিওৱা হয় ৰেডিঅ' কেছেট। তাৰ পাছতে এই ব্যৱস্থা উৎসৱ পাৰ্বণত কৰা নাম পৰিৱেশনতো ঠাই পায়। জনপ্ৰিয় হিন্দী বোলছবিৰ গীত, জনপ্ৰিয় অডিঅ' কেছেটৰ গীত আদিয়ে নাগাৰা নামৰ জনপ্ৰিয়তা অধিকৰ পৰা অধিকতৰ হৈছে। বৰ্তমান অৰ্থাৎ ২০০৩-০৪ চনত নাগাৰা নামৰ টি ভি নিৰ্মাণৰো পৰিকল্পনা কৰা হৈছে।

নাগাৰা নামৰ জনপ্ৰিয় পাঠকসকল ঃ পুৰুষ আৰু মহিলা দলৰ নাম ঠিকনা

কৈলাশ তালুকদাৰ—হৰ্ষ্যপাৰ (নলবাৰী)

মহেন্দ্ৰ দাস—হৰ্ষ্যপাৰ (নলবাৰী)

ৰামচৰণ ভৰালী—কুমাৰীকাতা (নলবাৰী জিলা)

অম্বিৰাম কলিতা—(ৰঙিয়া কামৰূপ)
বৈজয়ন্তী নাথ—বাইহাটা চাৰিআলি (কামৰূপ)
(এওঁ বৰ্তমান নাম পৰিবেশন বন্ধ কৰিছে।)
অচ্যুৎ ডেকা—ৰঙিয়া (কামৰূপ জিলা)
ৰুণু নাথ—ধমধমা (নলবাৰী)
স্বৰ্গীয় পৰমা কুমাৰ—বালিসত্ৰ (কামৰূপ)
(এওঁ একেলগে ন/দহ যোৰ তাল ঘূৰাইছিল)
অনামিকা লহকৰ—ৰঙিয়া (কামৰূপ)

জীৱনৰ শেষকালত উপনীত হোৱা নাগাৰা নাম কলাৰ সঠিক পৰিবেশনকাৰী পাঠক ঃ কুশল পাঠক, ভুবনেশ্বৰ কলিতা।

নাগাৰা নামদলৰ পাঠকৰ সম্ৰাট কৈলাশ তালুকদাৰৰ সৈতে এখন্তেক ঃ অভিনৱশৈলীৰ সমাহাৰ কৰাটোৱে জনপ্ৰিয়তাৰ কাৰণ

? নাগাৰা নামৰ পাঠক হিছাপে আপুনি আৰু আপোনাৰ দলটোৱে লাভ কৰা অধিক জনপ্ৰিয়তাৰ কাৰণ কি বুলি ভাবে?

* নাগাৰা নামৰ পদ, দিহাত নানা জনপ্ৰিয় গীতৰ সুৰৰ আলম লৈ কৰা পৰিবেশনৰ ব্যৱস্থা, সংলাপৰ প্ৰাধান্যতা আৰু অধিক অভিনৱশৈলীৰ সমাহাৰ কৰাটোৱে জনপ্ৰিয়তাৰ কাৰণ বুলিব পাৰি। এইবোৰৰ সমাবেশেৰে প্ৰথমতে জয়মতীৰ জীৱনাদৰ্শৰ ভিত্তিত মোৰ পত্নী এসময়ত জনপ্ৰিয় মহিলাৰ নাগাৰা নামৰ পাঠক বৈজয়ন্তী নাথ তালুকদাৰৰ সৈতে কৰা অডিঅ' কেছেট আৰু পৰৱৰ্তী সময়ত উলিওৱা কেছেটসমূহৰ দ্বাৰাও জনপ্ৰিয়তা আদায় কৰিব পাৰিছো বুলি ভাবো।

? নাগাৰা নামত ভক্তিমূলক বা লোক-সংস্কৃতিমূলক গীতৰ সলনি ব্যৱসায়িক হিন্দী বোলছবিৰ ব্যৱসায়িক গীত, পপ ছন্দধৰ্মী অসমীয়া, হিন্দী গীতৰ সুৰ, পদ-দিহাত লোৱা বাবে নাগাৰা নাম শিল্পৰ স্বকীয় ৰূপ হেৰুৱাইছে বা ইয়াৰ ৰূপ বিকৃত কৰা হৈছে বুলি ৰুচিবোধ থকা শ্ৰোতা-দৰ্শকে ভাবে। এই সম্পৰ্কত আপুনি কি কয়?

* নাগাৰা নাম শিল্পক জনপ্ৰিয় কৰা আৰু গোটেই বিশ্বতে এইবিধ কলাৰ প্ৰসাৰ সাধন কৰাৰ বাবেই আমি বোলছবি, অডিঅ' কেছেটৰ জনপ্ৰিয় গীতৰ সুৰ বা পৃথিৱীৰ নানা দেশৰ নানা গীতৰ সুৰ নাগাৰা নামৰ পদ, দিহাৰ পৰিৱেশন কৰিছো।

? আপুনি উলিওৱা কেছেটকেইখনমানৰ নাম কওকচোন।

* 'সপোন ৰেখা', 'পৰশুৰামৰ মাতৃহত্যা', 'ভোকোৰা পাঠাৰ বিয়া' আদি।

*** নাগাৰা নামৰ দল থকা ঠাইসমূহ আৰু পাঠকসকল হ'ল ঃ**
গন্ধিয়া (নলবাৰী জিলা) পাঠক-চঞ্চল শৰ্মা, আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়, (গুৱাহাটী), বীৰেন ডেকা, ঘগ্ৰাপাৰ (নলবাৰী), কৈলাশ তালুকদাৰ আৰু আন কেইবাটাও দল, গুৱাহাটী, মোহন চন্দ্ৰ মহন্ত, পশ্চিম চামতা (নলবাৰী), মাধৱ বৰ্মন, কুমাৰীকাটা (নলবাৰী), ৰামচৰণ ভৰালী, ধমধমা (নলবাৰী), কণ্ নাথ, বৰ্ডিয়া (কামৰূপ), অনামিকা লহকৰ আৰু আন কেইবাটাও দল, সাতদলা (কামৰূপ), কুশল পাঠক, বাল্লিসত্ৰ (কামৰূপ), স্বৰ্গীয় পৰমা কুমাৰৰ উপৰি চামতা, সাহপুৰ, নদলা, আমনি, নলিচ্চা, বেলশৰ, শোলমাৰী, ককয়া, শনিৰোড অঞ্চল, দৰং অঞ্চল, বৰ্ণিবাৰী আদি ঠাইত আছে।

*** শিল্প প্ৰতিভা আছে পৃথিৱীৰ প্ৰতিজন মানুহৰ মনত ঃ** সঁচাই। কোনোবা এজন বিখ্যাত লোকে কোৱা সত্য ফাকি প্ৰতিফলিত হৈছে গুৱাহাটী মহানগৰীৰ 'আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়'ৰ কৰ্মচাৰীবৃন্দৰ ক্ষেত্ৰত। চতুৰ্থ আৰু তৃতীয় শ্ৰেণীৰ কৰ্মচাৰীসকলে কৰ্মব্যস্ততা অৰ্থ-আস্থাৰ টনাটনি আৰু দৈনন্দিন জীৱনৰ নিৰসতাৰ মাজতো মহাবিদ্যালয়খনৰ সৰবৰহী অধ্যক্ষ ড° গিৰীশ চন্দ্ৰ শৰ্মাৰ উদ্‌গনি আৰু পৃষ্ঠপোষকতাত গঢ়ি তুলিছে এটি নাগাৰা নামৰ দল। এই দলটোৰ কলা-কুশলীসকলৰ লক্ষ্য এইবিধ কলাৰ জনপ্ৰিয়তা বৃদ্ধি বা অকল নিজস্ব প্ৰতিভা বিকাশেই নহয়, ভগৱানৰূপী সু-সংস্কৃতিৰ জয় গানেৰে মানুহৰ মাজত সততা আৰু মানৱীয় গুণ বৃদ্ধি কৰাও।

নাগাৰা নামৰ আন এজন শিল্পী ৰামচৰণ ভৰালীক লগ ধৰি আমি নাগাৰা নাম সম্পৰ্কত কিছু কথা জানিব বিচৰাত কৈছিল ঃ
'দৰঙী সংস্কৃতিৰ অৱদান নাগাৰা নামত বৈষ্ণৱ ধৰ্মৰ অৱদান, অংকীয়া ভাওনাৰ প্ৰভাৱ থাকিলেও এই অৰ্ধ নাটকীয় কলা বৈষ্ণৱ ধৰ্মানুষ্ঠান আৰু সনাতন হিন্দু ধৰ্মানুষ্ঠান উভয়তে পৰিবেশিত হয়। যিহেতু ই ধৰ্মৰ প্ৰভাৱযুক্ত অনুষ্ঠান সেয়ে ইয়াৰ দিহা, পদ আদি ধৰ্মীয় গীত, পদৰ সুৰত আৰু থলুৱা সংস্কৃতি হিচাপে অসমীয়া লোক-সংস্কৃতিৰ উপাদানৰ গীত-পদৰ-সুৰৰ আৰ্হিতহে এইবিধ কলা পৰিবেশিত হোৱা প্ৰয়োজন। কিন্তু বৰ্তমান নাগাৰা নামৰ পদ-দিহাত সহজাত মনোৰঞ্জনৰ তাগিদাত যি বাহুল্যতা সোমাইছে তাত এইবিধ কলাই মূলৰ অস্তিত্ব হেৰুৱাইছে। এই সংস্কৃতিৰ সাধক হিচাপে আমি ইয়াক মুঠেও সমৰ্থন কৰিব নোৱাৰো। তেনেদৰে নোৱাৰো পৌৰাণিক গ্ৰন্থৰ অপসংস্কৃতিমূলক কাহিনীৰ আলমত মূল নাম ৰচনা হোৱাটো। শিল্পৰ লক্ষ্য আদৰ্শমূলক দিশ দাঙি ধৰি সমাজক সেই পথ দেখুওৱাটো।

নাগাৰা নামৰ ৰচয়িতা, পাঠক বা আন কলা-কুশলীসকলে সদায় এই কথা মনত ৰখা উচিত।'

নাগাৰা নামৰ আন এজন পাঠক বীৰেন ডেকাই কয় ঃ

'নৱৰসৰ অনুপম সম্ভাৰেৰে পুষ্প নাগাৰা নামৰ বিশেষ আকৰ্ষণীয় অংশ হ'ল মূল নাম আৰু তালৰ চং। আকৌ নাগাৰা নামৰ পাঠক হ'ব লাগিব এইবিধ কলাৰ বহু গুণপ্ৰতিভাসম্পন্ন, যেনে—সুকণ্ঠ, ৰুচিসম্মত পৰিবেশনশৈলী, তাল বাদ্যৰ সুবাদক তাল ঘূৰোৱা সুনিপুণ কৌশল আদি।'

অসমৰ নাগাৰা নাম কলাৰ উন্নতি আৰু সাংগঠনিক দিশ সবল কৰিবলৈ 'সদৌ অসম নাগাৰা নাম সংঘ' গঢ়ি উঠিছে। এই সংঘৰ অধীনত পঞ্জীয়নভুক্ত অসমৰ মুঠ নাগাৰা নামৰ পুৰুষৰ দল প্ৰায় ২৫০টা আৰু মহিলাৰ প্ৰায় ২০টা। ইয়াৰ প্ৰতি বছৰে অসমৰ ভিন ভিন ঠাইত হোৱা অধিবেশনত নাগাৰা নামৰ দলবোৰৰ প্ৰতিনিধি, পাঠকসকলে যোগদান কৰি সাংগঠনিক দিশ সম্পৰ্কত আলোচনা কৰে।

নাগাৰা নাম অৰ্ধ নাটকীয় পৰিবেশন কলাবিধ যে বৰ্তমান সময়ৰ জনপ্ৰিয় কলা তাত সন্দেহ নাই। ভৱিষ্যতে ই অসম বা ভাৰততে সীমাবদ্ধ নাথাকি পৃথিৱীৰ আন দেশলৈও প্ৰসাৰিত হ'ব। কিন্তু সহজলভ্য জনপ্ৰিয়তাৰ খাতিৰত যে পপ ছং, ৰোমাণ্টিক গীত, ব্যৱসায়িক হিন্দী চিনেমাৰ ব্যৱসায়িক গীতৰ সুৰৰ নাগাৰা নামৰ পদ-দিহাৰ-সুৰৰ মাধ্যম হিছাপে লোৱাটো প্ৰকৃত ৰুচিবোধৰ ফালৰ পৰা সমৰ্থন কৰিব নোৱাৰি। যিহেতু ই ধৰ্মৰ প্ৰচাৰৰ বা হৰি গুণ গান বা সামাজিক আদৰ্শৰ প্ৰচাৰৰ হেতু স্পষ্ট কলা সেয়ে ভক্তিমূলক গীত যেনে— ভজন, বৰগীত, কামৰূপী, গোৱালপৰীয়া লোকগীত, লোক-সংস্কৃতিমূলক গীত আদিৰে ভাৰতবৰ্ষত আৰু আন ধৰ্মৰ সৈতে সম্পৰ্কযুক্ত গীতৰ সুৰৰ আলমত দিহাপদৰ সুৰেৰে পৃথিৱীৰ নানা দেশত প্ৰসাৰতা লাভ কৰিব পাৰি। লগতে অৱশ্যে এইটো উল্লেখৰ প্ৰয়োজন যে যি কোনো দেশ, ভাষা-ভাষী, ধৰ্ম-বৰ্ণ-সম্পদায় আদিৰ লোকক আকৰ্ষিত কৰিবলৈ যি কোনো শিল্পৰ নিজস্ব ৰূপৰ উপযুক্ত পৰিবেশন বা সৃষ্টিশৈলীহে প্ৰধান বিষয়। নহ'লে সুদূৰ তাহানিকালৰ জন্মলগ্নৰে পৰা নিজস্ব ৰূপ একেই ৰাখি ভাৰতবৰ্ষৰ লগতে বিশ্বৰ বিভিন্ন দেশ, ভাষা-ভাষীৰ মাজত পৰিবেশনেৰে জনপ্ৰিয়তা আৰু সন্মানীয় নহ'লহেঁতেন অসমীয়া সংস্কৃতি বিহু নাচ, হুঁচৰি আৰু বিহুগীত।

তুকুৰীয়া ওজাপালি

নাটকীয় উপাদানৰ প্ৰভাৱ থকা নৃত্য, গীত, বাদ্যৰ সহযোগৰ এক পৰিবেশ্য কলা হ'ল তুকুৰীয়া ওজাপালি। ধৰ্মীয় ভাবযুক্ত এইবিধ কলাৰ সুৰ, তাল, লয়ে মানুহৰ মনত ভক্তি ভাব সৃষ্টি কৰে। তুকুৰীয়া ওজাপালি গোৱা হয় তুকুৰীয়া পূজাৰ প্ৰসংগত। এই তুকুৰীয়া পূজা হ'ল দক্ষিণ কামৰূপৰ পাতি ৰাভাসকলৰ এক বাৰ্ষিক ধৰ্মানুষ্ঠান। এই উৎসৱ চাৰিদিনীয়াকৈ অনুষ্ঠিত হয়।

অৰ্ধ নাটকীয় পৰিবেশ্য কলা ওজাপালি সৰ্বভাৰতীয় কথকতা পৰম্পৰাৰ প্ৰত্যক্ষ ধাৰক আৰু বাহক। ওড্ৰ মাগধী শৈলীৰ চৰিত্ৰৰ লগত ভালেখিনি খাপখোৱা ওজাপালি অনুষ্ঠান ভাৰতীয় মাৰ্গীয় সংগীত পৰম্পৰাৰ পৰা জন্ম। এক দৈৱিক মতবাদ অনুসৰি বৃহন্নলাৰূপী অৰ্জুনৰ দ্বাৰা এইবিধ কলা স্বৰ্গৰ পৰা মৰ্ত্যত প্ৰচলিত হয়। পাৰিজাত নামৰ এগৰাকী মহিলাই স্বপ্নৰ দ্বাৰা এই কলা আয়ত্ত কৰি শিষ্যসকলক শিকায় বুলিও জনশ্ৰুতি প্ৰচলিত আছে। খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ এগৰাকী বিশিষ্ট পণ্ডিত বেদাচাৰ্যৰ 'স্মৃতি ৰত্নাকৰ', অসমৰ তাম্ৰশাসন, 'গুৰু-চৰিত কথা' আৰু বৈষ্ণৱ যুগৰ বিভিন্ন সাহিত্যত এই ওজাপালি প্ৰাচীন কালৰে পৰা অসমত প্ৰচলন থকাৰ আভাস পোৱা যায়। অসমৰ বিশিষ্ট লেখক, সাহিত্যিক ড° পৰমানন্দ ৰাজবংশীয়ে ওজাপালি অনুষ্ঠানক বিষয়-বস্তুৰ ফালৰ পৰা দুটা ভাগত ভাগ কৰিব পাৰি বুলি কৈছে— ১। মহাকাব্য আশ্ৰয়ী আৰু ২। মহাকাব্য অনাশ্ৰয়ী। মহাকাব্য আশ্ৰয়ী ওজাপালিক আকৌ সাতোটা উপভাগত ভাগ কৰিব পাৰি— (ক) বিয়াহৰ অথবা সভা গোৱা ওজাপালি (খ) ৰামায়ণ অথবা ৰায়মণ ওজাপালি (গ) ভাউৰা বা ভাইৰা ওজাপালি (ঘ) দুৰ্গাবৰী ওজাপালি (ঙ) সত্ৰীয়া ওজাপালি (চ) পাঞ্চালী ওজাপালি (ছ) দুলড়ী ওজাপালি। একেদৰে মহাকাব্য অনাশ্ৰয়ী ওজাপালিক পাঁচ ভাগত ভগাব পাৰি। (ক) সুকন্নানী ওজাপালি (খ) বিষহৰি গান (গ) মাৰে গান (ঘ) পদ্মা পুৰাণৰ গান (ঙ) তুকুৰীয়া ওজাপালি। ওজা আৰু পালি এই দুবিধ অনুষ্ঠান নিৰ্বাহিকাৰ দ্বাৰা ওজাপালি অনুষ্ঠান সংগঠিত হৈছে। পালি সাধাৰণ পালি আৰু ডাইনাপালি এই দুবিধ। ওজা নৃত্য-গীতৰ পৰিচালক। তেওঁ দিহা, ৰাগ আদি প্ৰথমেই লগাই দিয়ে আৰু পালিসকলে সহযোগ কৰে। গীতবোৰ কথিত গদ্যত ওজা আৰু ডাইনাপালিয়ে শ্ৰোতা-দৰ্শকক মাজে মাজে বুজাই দিয়ে। মাজে মাজে ডাইনাপালিয়ে ধেমেলীয়া কথা,

খুহুঁটীয়া কাহিনী আৰু খুহুঁটীয়া গীতৰ দ্বাৰা দৰ্শকক হাঁহিৰ খোৰাক যোগায়। মনসা পূজাত ওজাপালি পৰিবেশিত হোৱাটো এক বাধ্যতামূলক লোকাচাৰৰ দৰে। বিভিন্ন শাস্ত্ৰীয় ৰাগ-ৰাগিণী গোৱা ওজাপালিয়ে পৰিবেশন কৰা অনুষ্ঠানত সচৰাচৰ পঞ্চস্তৰ বা অংগৰ সংযুতি পৰিদৃশ্যমান। ডাইনাপালিৰ পাছতে ৰাগা ধৰা বা গোৰপালিৰ স্থান আৰু তাৰ পাছতেই সহায়ক বা আগপালিৰ স্থান। অতীজৰে পৰা ওজাপালি ধৰ্মীয় প্ৰকাৰ্য, পৌৰাণিক কাহিনী, নৈতিক শিক্ষা, প্ৰচাৰ মাধ্যম, সামূহিক অনুভূতি, আনুগত্য প্ৰদানৰ মাধ্যমৰূপে জনসাধাৰণৰ চিত্ত বিনোদন কৰি আহিছে।

তুকুৰীয়া ওজাপালি পৰিবেশ্য কলাৰ বিষয়-বস্তু

- তুকুৰীয়া ওজাপালিয়ে মুখ পৰম্পৰাৰ প্ৰচলিত তুকুৰীয়া গীত আবৃত্তি কৰে। তুকুৰীয়া গীতত নাওবইনি, ঘৰ গোসাঁনী আৰু হেৰপেটাৰ জন্ম বিচাৰি লাঙা বুঢ়াৰ লগত তেওঁলোকৰ স্বৰ্গৰ পৰা যমুনা নদীৰ পাৰ হৈ দক্ষিণলৈ যাত্ৰা, বামুণৰ ঘৰত লাঙা বুঢ়াৰ চাকৰৰূপে জীৱিকানিৰ্বাহ, ধনবায় ৰজাৰ পূজা উপাসনাত সন্তুষ্ট হৈ আৰু খাদ্য বস্তু খাবলৈ পাই লাঙা বুঢ়াৰ দ্বাৰা ঘৰ গোসাঁনীৰ স'তে নওবইনী (ন ভনী) আৰু হেৰ্‌কাযোটাক পাহৰি যোৱা, বুঢ়ীৰ ছদ্মবেশত ঘৰ গোসাঁনীৰ দ্বাৰা লাঙা বুঢ়াৰ সন্ধান কৰা, কাছৰ সহায়ত যমুনা নদী পাৰ হৈ লাঙাৰ অন্বেষণত ঘৰ গোসাঁনীৰ ভ্ৰমণ, ধনমালী ৰজাৰ দ্বাৰা ধনমালী নৃপতিক অপহৰণ, ঘৰ গোসাঁনীৰ দ্বাৰা ধনমালী ৰজাৰ জীৱন ৰক্ষা, ধনবায় ৰজাৰ ৰাজ্যত ঘৰ গোসাঁনীৰ দ্বাৰা পূজা লাভ আৰু লাঙা বুঢ়াৰ লগত মিলন আদিৰ বৰ্ণনা পোৱা যায়।

তুকুৰীয়া ওজাপালিৰ সংগীতশৈলীক চাৰিটা ভাগত ভগাব পাৰি— (১) আৰম্ভণি (২) মংগলাচৰণ বা বন্দনা (৩) পদ আবৃত্তি আৰু (৪) সমাপ্তি।

আৰম্ভণি ঃ দেব-দেৱীক সুতৰণ বা আহ্বান কৰা স্তৱ বিশেষৰ নাম আৰম্ভণি। এই ভাগত গোৱা গীত এনে ধৰণৰ ঃ 'হেবকো হবকো কৰে গোসাঁনীৰে // সবকো মাতং পালা পালা // সবাকো খায় তাৰা // আহিবাও লাগে জাঁপ জাঁপ / যাবাকো লাগে জাঁপ জাঁপ//ঘৰ দেবতীৰ সবাকো গোসাঁনীৰে // সৰচিত সবাকো গোসাঁনীৰে // আই নাৰায়ণী সবাকো গোসাঁনীৰে / গুৰু গোসাঁই সবাকো গোসাঁনীৰে //ৰথোৱালী সবাকো গোসাঁনীৰে/শুপনি সবাকো গোসাঁনীৰে // ন বইনী সবাকো গোসাঁনীৰে / হেৰুকাবোটা সবাকো গোসাঁনীৰে / লাঙা বুঢ়া সবাকো গোসাঁনীৰে/চন্দন পুৰুষ সবাকো গোসাঁনীৰে/যজ্ঞাশাল সবাকো গোসাঁনীৰে // যখ-যখিনী সবাকো গোসাঁনীৰে/ বিৰ বিৰানী সবাকো গোসাঁনীৰে/জল কুবেৰ সবাকো গোসাঁনীৰে // ধন কুবেৰ সবাকো গোসাঁনীৰে/ডেকা চাং সবাকো গোসাঁনীৰে // নাচনী শিলা সবাকো

গোসাঁনীৰে/খাটিৰা জোৰা সবাকো গোসাঁনীৰে // বগাই বুঢ়া সবাকো গোসাঁনীৰে/কাঁচাই খাইতি সবাকো গোসাঁনীৰে/ধৰ্ম ৰাজা সবাকো গোসাঁনীৰে // কৰ্ম ৰাজা সবাকো গোসাঁনীৰে // চৰিখা কামাখ্যা সবাকো গোসাঁনীৰে // বুঢ়া গোসাঁই সবাকো গোসাঁনীৰে/ধৰ্ম ৰাজা সবাকো গোসাঁনীৰে // কৰ্ম ৰাজা সবাকো গোসাঁনীৰে//" (উৎস গ্ৰন্থ ঃ হৰিমোহন সৰকাৰ সম্পাদিত—'তুকুৰীয়া গীত।')

মংগলাচৰণ বা বন্দনা ঃ এই গীত গোৱাৰ সময়ত পালিসকলে দুয়ো হাতেৰে তাল বজায় আৰু ওজাই হাতেৰে অংগি-ভংগি দেখুৱাই পদ লগাই দিয়ে আৰু পালিসকলে ওজাই লগাই দিয়া পদৰ শেষাংশ দোহাৰি দিহাটো সম্পূৰ্ণভাবে আবৃত্তি কৰে। এই গীতৰ ভৰত সৰচতি (সৰস্বতী) দেৱীৰ বন্দনা এটা গোৱা হয়— 'দিহা-হে আই বুলি মাতিলুং আই অ আই/ ... ... // পদ ঃ মোৰ আইহে গোসাঁনী এহে // আইতো সৰচতি মাতং/আই-ও আই-এ // আইতো তালতে আই খাটে/আইতো সৰচতি তালতে খাটে // আইতো বিনুতে (বেণু) খাটে/আইতো লাউতে আৰো খাটে // আই মাও সৰচতি/আইও মুখতে আৰো খাটে // আইতো গুজৰে ভমৰা//'

কাহিনী গীত ঃ পদ আবৃত্তিত 'ন বইনী' আৰু হেৰুৱাপেটাৰ জন্ম আৰু মৰ্ত্যত তেওঁলোকৰ পূজা লাভ সম্পৰ্কীয় কাহিনীসম্বলিত গীত গোৱা হয়।

সমাপ্তি ঃ গীতেৰে দেৱ-দেৱীক বিদায় দিয়া ভৰতিয়ে তুকুৰীয়া ওজাপালি সংগীতৰ সামৰণি সূচিত কৰে। দৃষ্টান্তস্বৰূপে এনে এটা গীত দিয়া হ'ল— "গাই আহিলুং বাই আহিলুং গীত // ব্ৰহ্মদেও যাবে আপোনাৰ থান লাগি/বিষ্ণুদেও যাবে আপোনাৰ থান লাগি // মহাদেও যাবে আপোনাৰ থান লাগি/কামেখা যাবে আপোনাৰ থান লাগি/চচান (শ্মশান) কালি যাবে আপোনাৰ থান লাগি / ভদ্দ (ভদ্ৰা) কালি যাবে আপোনাৰ থান লাগি/মা কামেখা যাবে আপোনাৰ থান লাগি // বুঢ়া লাঙা যাবে আপোনাৰ থান লাগি/লাঙী বুঢ়ী যাবে আপোনাৰ থান লাগি // খাভিৰা ঝাৰা যাবে আপোনাৰ থান লাগি/..."

জনজীৱনত শুভচনী পূজা

মানুহৰ মংগলাৰ্থে অৰ্থাৎ বেমাৰ-আজাৰ, বিলাই-বিপত্তি নাশ কৰি সুখ-শান্তি লাভৰ অৰ্থে পালন কৰা অসমৰ হিন্দু ধৰ্মাৱলম্বীৰ জনজীৱনত শুভচনী পূজাৰ ধৰ্মীয় গুৰুত্ব অপৰিসীম। দেৱী দুৰ্গাৰ এক ৰূপ শুভচনীৰ সংস্কৃত নাম 'শুভসূচনী'। 'শব্দ কল্পদ্ৰুম' গ্ৰন্থত দাঙি ধৰা ধ্যান অনুসৰি এই দেৱী চাৰি মূৰযুক্ত, হংসাবাহিনী, ৰক্তবৰ্ণৰ। শুভচনীক সুবচনী। হুবচনী বা বুঢ়ী হুবচনীও বোলে। শুভচনী দেৱী অসমত দুটা পদ্ধতিৰে জনসমাজত পূজিত হয়— (ক) বিধি-ব্যৱস্থাৰ মাজেৰে পুৰোহিতৰ সহায়ত আৰু (খ) লৌকিক পদ্ধতিৰ মাজেৰে তিৰোতাৰ সহায়ত। তলত দুয়োটা পদ্ধতিৰ বিষয়ে সংক্ষিপ্ত আলচ কৰা হ'ল।

(ক) **বিধি-ব্যৱস্থাৰ মাজেৰে পুৰোহিতৰ সহায়ত কৰা পূজা পদ্ধতি ঃ** নলবাৰী জিলাৰ গন্ধিয়া গাঁৱৰ শাস্ত্ৰজ্ঞ ব্যক্তি, কৃতী শিক্ষক আৰু পুৰোহিত পংকজলোচন শৰ্মাই দিয়া তথ্যৰ আলমত এইটো পদ্ধতিৰ বিষয়ে ইয়াত উল্লেখ কৰা হ'ল ঃ শুক্লা সপ্তমী, অষ্টমী বা নৱমী তিথি শুভচনী পূজাৰ বাবে উত্তম তিথি। এইটো পদ্ধতিত পূজা দুই প্ৰকাৰৰ হয়—বিশেষ আৰু সাধাৰণ। বিশেষ প্ৰকাৰত পূজাৰ আগদিনা অধিবাস থাকে বা সিদিনাক 'গন্ধ' বোলে। দ্বিতীয় দিনা মূল পূজা। সাধাৰণ পদ্ধতিত অধিবাস বা গন্ধ নাথাকে। শুভচনী পূজাৰ পাঁচালীত থকা দেৱীৰ মাহাত্ম্য প্ৰকাশক কাহিনীৰ দ্বাৰা লোক-জীৱনত এই পূজা পালনৰ গুৰুত্ব বৃদ্ধি পাইছে। সেই কাহিনী মতে তাহানিতে এজন বৰ পক্ষীপ্ৰিয় আছিল। ৰজাৰ এজাক পোহনীয়া পক্ষী আছিল। তাৰ মাজত এজনী খোৰা হাঁহ বৰ মৰমৰ আছিল। সেইখন দেশতে এগৰাকী দুখীয়া বিধৱা তিৰোতাৰ এজন ডেকা ল'ৰা আছিল। কোনোমতে খুজি-মাগি খাই থকা তিৰোতাজনীৰ পুতেকে মাংস খাবলৈ ইচ্ছা কৰি তাক কিনিবলৈ ধন নথকাত বনৰীয়া পক্ষী বিচাৰিছিল। এদিন ৰাজপ্ৰাসাদত থকা বাহলৈ যোৱাৰ বাট পাহৰি লগৰকেইটাক এৰি ৰজাৰ খোৰা হাঁহজনী সেই বিধৱা তিৰোতাজনীৰ ঘৰৰ ওচৰলৈ আহিল। তেতিয়া ৰজাৰ হাঁহ বুলি চিনি নাপাই ল'ৰাজনে হাঁহটো মাৰে আৰু তাৰ মঙহ খায়। ইফালে হাঁহটো ঘূৰি নহাত ৰজাই পালি-প্ৰহৰীক পঠিয়াই বিচাৰ-খোচাৰ কৰিবলৈ ধৰে। ৰজাৰ চন্তৰীয়ে বিধৱা তিৰোতাজনীৰ ঘৰৰ চৌহদত হাঁহৰ পাখি দেখা পায় আৰু সেয়া ৰজাৰ মৰমৰ খোৰা হাঁহজনীৰ বুলি ধৰিব পাৰে। চন্তৰীয়ে এই কথা

ৰজাক খবৰস্বৰূপে দিয়াত সেই ল'ৰাজনক নি পোতাশালত বুকুত শিল বান্ধি পেলাই থয়। ল'ৰাজনৰ এনে দুৰ্দশাত মাতৃয়ে কান্দি কান্দি গছৰ পাত সকওৱাত দয়াবশতঃ এজন লোকে তাৰ পৰা (তিৰোতাজনীৰ ঘৰৰ পৰা) আঁতৰত সেই সময়ত হৈ থকা শুভচনী পূজালৈ গৈ দেৱীক উপাসনা কৰিলে পুতেক মুক্ত হ'ব পাৰিব বুলি উপদেশ দিয়ে। তিৰোতাগৰাকীয়ে সেইদৰে পূজাথলীলৈ গৈ পূজা কৰিবলৈ ধৰে আৰু পুতেকৰ মুক্তি কামনা কৰে। দেৱী সুপ্ৰসন্ন হৈ সেইদিনা ৰাতি ৰজাক সপোন দেখুৱায় যে তেওঁ যাক পোতাশালত বুকুত শিল বান্ধি পেলাই থৈছে, প্ৰকৃততে তেওঁ দোষী নহয়। হাঁহজনী মৰা নাই। কালি পুৱাই ৰজাই হাঁহজনীক দেখা পাব। ল'ৰাজন দেৱীৰ ভক্ত। কেঁচা কল কাটি ৰাজকুঁৱৰীক ল'ৰাজনৰ সৈতে বিয়া দি ৰজাই অৰ্ধৰাজ্য দান কৰিব লাগে। নহ'লে দেৱীৰ কোপদৃষ্টিত ৰজাৰ ভয়ানক বিপদ হ'ব। ৰজাই সাৰ পায় আৰু ৰাণীক সপোনৰ কথা কয়। পিছদিনা পুৱাই ৰজাই ৰাজপ্ৰাসাদৰ পৰা বাহিৰ ওলাওতেই দেৱীৰ মহিমাত মৃত সেই খোৰা হাঁহজনী ৰজাৰ ওচৰ চাপি আহে। ৰজাই দেৱীয়ে সপোনত নিৰ্দেশ দিয়াৰ দৰে ল'ৰাজনক মুক্তি দি ক্ষমা মাগে। আৰু মহা ধুমধামেৰে ৰাজকুঁৱৰীক তেওঁৰ স'তে বিয়া দি অৰ্ধৰাজ্য দিয়ে। শুভচনী পূজাৰ বাবে বেদীৰ দেৱী মূৰ্তি ৰাখি সমুখত ঘট ৰখা হয়। এটা কৃত্ৰিম পুখুৰী খান্দি তাত জীয়া মাছ আৰু চিপ্‌ৰ সৈতে বৰশি ৰাখিব লাগে। পুখুৰীটোৰ পাৰত এটা হাঁহৰ ছবি আঁকিব লাগে। এখন আগলতি কলাপাতত চাউল, তামোল-পাণ, কণী ৰাখিব লাগে। ইয়াক 'ঠাইক' বা 'তণ্ডুল অৰ্চনা' বোলে। পূজাত নৈবেদ্যসম্ভাৰৰ উপৰি পৰমান্ন আগবঢ়াব লাগে। ভজা চাউলো আগবঢ়াব লাগে। মনসা পূজাতো কণী আগবঢ়োৱা হয়। আকৌ সনাতন হিন্দু ধৰ্মৰ প্ৰায় আটাইবোৰ পূজাতে তামোল-পাণ আগবঢ়োৱা হয়।

শুভচনী পূজাৰ পূজা পদ্ধতি ঃ যোড়শোপচাৰে (যোল্লবিধ উপচাৰ বা বস্তু) দেৱী শুভচনীক পূজা কৰা হয়। এই পূজাত হোমৰ ব্যৱস্থা আছে। মাটিৰে এটা বেদী কৰি তাত মণ্ডল আঁকি দেৱী মূৰ্তি ৰখা হয়। দেৱী মূৰ্তিৰ ওপৰত চন্দ্ৰতাপ থাকে। এই শুভচনী পূজা ব্যক্তিগতভাৱে বা ৰাজহুৱাভাৱে উদ্‌যাপিত হয়। শুভচনী পূজা বলি-বিধান থকাকৈ বা নথকাকৈও হ'ব পাৰে। পূজাৰ বাবে গৃহস্থ বা ৰাইজে গোটাই দিয়া সামগ্ৰীসমূহ বেদীৰ ওপৰত ৰাখি পুৰোহিতে পূজা আৰম্ভ কৰে। পূজাৰ পূজাৰীয়ে (পুৰোহিত) বেদীত থকা দেৱী মূৰ্তি, ঘট, মণ্ডপত থকা নৈবেদ্য, পৰমান্ন, তণ্ডুল অৰ্চনা, কৃত্ৰিম পুখুৰী আদি লৈ ফুল, তুলসী, শান্তিপানী, বেলপাত আদি দলিয়াই মন্ত্ৰ মাতি গৃহস্থৰ এজন লোক (ব্যক্তিগত পূজা) বা ৰাইজৰ এজন লোকৰ (ৰাইজৰ পূজা) হতুৱাই পূজা কৰে। আয়তীসকলৰ উৰুলিৰ লগতে নানা মাঙ্গলিক

বাদ্য-শংখ, ঘণ্টা, বৰকাঁহ বাজে। পূজাত দেৱী মূৰ্তিৰ লগতে ঘটটো বিশেষভাৱে পূজা কৰে। মঙলদৈ অঞ্চলৰ মনসা পূজাত মনসা দেৱীৰ লগতে শুভচনীৰ পূজাও কৰা হয়। এই সম্পৰ্কে হৰিনাথ শৰ্মা দলৈয়ে লিখা গ্ৰন্থ 'অসমত শক্তি সাধনা আৰু শাক্ত সাহিত্য'ত আছে ঃ 'কামৰূপৰ মনসা পূজাৰ লগত ধৰ্ম পূজা লৌকিকভাৱে জড়িত। মাটিৰ এটি নতুন ঘট নদীৰ পানীৰে পূৰাই আন আন প্ৰয়োজনীয় দ্ৰব্যবোৰ ইয়াত দি আনুষ্ঠানিকভাৱে পূজাৰ বেদীৰ কাষত ইয়াক স্থাপন কৰা হয়। ই ধৰ্মৰ 'ঘট' নামেৰে জনাজাত। মঙলদৈ অঞ্চলত ধৰ্মৰ ঘটৰ লগতে বেদীৰ কাষত আন এটি ঘট স্থাপন কৰে। সেইটোক বোলা হয় 'শুভচনী ঘট'। কেতিয়াৰ পৰা আৰু কি কাৰণে এই ধৰ্ম পূজা আৰু আঞ্চলিকভাৱে হ'লেও শুভচনী পূজা মনসা পূজাৰ লগত সংশ্লিষ্ট হ'ল, তাক সঠিকভাৱে কোৱা টান। এই কথা ক'ব পৰা যায়—সম্ভৱতঃ বহুকাল আগৰে পৰা এই দুবিধ পূজাই জনগোষ্ঠীয় ধৰ্ম বিশ্বাসত কিবা নহয় কিবা প্ৰকাৰে ঠাই পাই আহিছিল। পৰৱৰ্তী কালত হয়তো শাস্ত্ৰীয় বিধানৰ মাজলৈ আনি মনসা পূজাৰ লগত সংশ্লিষ্ট কৰা হ'ল।' শুভচনী পূজাৰ পূজা কৰ্মত শেষত পূজাৰীয়ে শুভচনীৰ মাহাত্ম্য প্ৰকাশক উপৰিউক্ত আখ্যান ভিত্তিত পাঁচালী পাঠ কৰি গৃহস্থ, আয়তী আৰু ৰাইজক শুনায়। সত্যনাৰায়ণ পূজা, শনি পূজা আদিতো এইদৰে পুৰোহিতে পাঁচালী পাঠ কৰে। এইদৰে কৰা পাঁচালী পাঠত পাঠ কৰোঁতাৰ সুশ্ৰাব্য আৰু সুৰ লগাই মতা কণ্ঠৰ লালিত্যই পাঁচালী পাঠক মনোৰম কৰি তোলে।

(খ) লৌকিক পদ্ধতিৰ মাজেৰে তিৰোতাৰ সহায়ত কৰা শুভচনী পূজা ঃ

ড° হেমন্ত কুমাৰ শৰ্মাই সংকলন আৰু সম্পাদনা কৰা 'কামৰূপী লোকগীতি সংগ্ৰহ' গ্ৰন্থ আৰু ড° হৰিনাথ শৰ্মা দলৈৰ গ্ৰন্থ 'অসমত শক্তি সাধনা আৰু শাক্ত সাহিত্য'ৰ আলমত এইবিধ পদ্ধতিৰ বিষয়ে ইয়াত উল্লেখ কৰা হ'ল। শুভচনী পূজা ল'ৰা-ছোৱালীৰ মংগল তথা ঘৰ এখনৰ শ্ৰীবৃদ্ধি কামনা কৰি কৰা হয়। আইনামৰ দৰে শুভচনী পূজাও মাইকী মানুহৰ অনুষ্ঠান। সাধাৰণতে ইয়াত কোনো (এইবিধ পূজা পদ্ধতিত) বিধি-ব্যৱস্থা অনুসৰণ কৰা নাযায়। চাৰিখন নিখুঁত আগলতি কলপাতত সজোৱা চাৰিখন নৈবেদ্য আৰু লগতে বস্ত্ৰ, আম্ৰ পাত্ৰ আদি দিয়া এটা জলপূৰ্ণ ঘট, শুভ্ৰ বস্ত্ৰ আৰু শুভ্ৰপুষ্পৰে সুশোভিত এখন আসন যথাস্থানত সজোৱা হয়। এইবোৰৰ উপৰি গন্ধ, পুষ্প, ধূপ-দীপ আদি উপচাৰ দ্ৰব্য সজাই লৈ ঘৰৰ গৃহিণী (পূজাৰ ব্ৰতধাৰিণী তিৰোতা) পৱিত্ৰ আসনৰ পূব মুৱাকৈ বহে। উপৰিউক্ত পদ্ধতিৰ দৰে লৌকিক পদ্ধতিৰ মাজেৰে তিৰোতাই সম্পাদন কৰা পূজা প্ৰকাৰটো মণ্ডপ, ঘট, এটি কৃত্ৰিম পুখুৰী, জীয়া মাছ আদিৰ প্ৰয়োজন। পৱিত্ৰ আসনত বহা ঘৰৰ গৃহিণীৰ কাষত

এগৰাকী ধৰ্মপৰায়ণ বয়োজ্যেষ্ঠ নাৰীয়ে বহি শুভচনী দেৱীৰ শক্তি মাহাত্ম্য প্ৰকাশক দুটা সাধুকথা কয়। ব্ৰতধাৰিণী আৰু আন তিৰোতাই তাক ভক্তিসহকাৰে শুনে। সাধুকথা দুটাৰ নিৰ্দিষ্ট বিৰামত ব্ৰতধাৰিণীয়ে ঘণ্টা-ধ্বনিৰ মাজেৰে গন্ধ-পুষ্পাদিৰ অঞ্জলি দেৱীৰ উদ্দেশ্যে প্ৰদান কৰি যায়। এই ব্যৱস্থাৰ লগত 'অকণি বুঢ়ী পূজা'ত কুমাৰী ছোৱালী (এই পূজাত পূজা অংশ লোৱা) সকলক ধৰ্মপৰায়ণ বয়োজ্যেষ্ঠ তিৰোতাজনীয়ে কোৱা সাধুকথা আৰু ইয়াৰ বিৰতিৰ মাজে মাজে তেওঁলোকৰ হতুৱাই পূজা কৰোৱা ব্যৱস্থাও সুন্দৰ মিল চকুত পৰা। দুয়োটা সাধুকথা কোৱাৰ শেষত ব্ৰতধাৰিণীৰ লগতে সকলো আয়তীয়ে অভীষ্ট সিদ্ধি কামনা কৰি দেৱীৰ আগত প্ৰণিপাত জনায় আৰু দেৱীৰ মাহাত্ম্য প্ৰকাশক স্তুতি-গীত গায়। পিছত সকলোৱে প্ৰসাদ, নিৰ্মালি লৈ অনুষ্ঠানৰ সামৰণি মাৰে। এই অনুষ্ঠান দুপৰীয়া উদ্‌যাপিত হয়।

শুভচনী পূজাৰ নাম ঃ শুভচনী পূজাত আয়তীসকলে নাম গায়। লৌকিক পদ্ধতিৰ মাজেৰে তিৰোতাই সম্পাদন কৰা পূজাত আয়তীসকলে শুভচনী নাম গায়। নলবাৰী জিলাৰ পিপলিবাৰী গাঁৱত প্ৰচলিত নামকেইটামান দিয়া হ'ল— (ক) ঘোষা ঃ এই আই সুবচনী এ মণ্ডপে নামিলা/ সুবৰ্ণৰ পঞ্চ ঘটে পূজা আৰম্ভিলা।

পদ ঃ দুৰ্গা দুৰ্গা বুলি যিটো স্মৰে একোবাৰে/ সহস্ৰ আপদে তাক কি কৰিতে পাৰে।।

দুৰ্গা নামে নৌকাখানি হৃদয়ত চৰে/ আপদ কুম্ভীৰ ভয়ে সমুদ্ৰতে তৰে।।'

(খ) ঘোষা ঃ 'অ' মাই ভৱানী দুৰ্গে/ যোগীও চিন্তে আই তোমাৰ পদ বিন্দে।।'

পদ ঃ আসনত বহি আই মেলি দিছে ভৰি/ চৰণত পৰি কান্দে বাগৰি বাগৰি। আসনৰ চৌপাশে চম্পা নাগেশ্বৰ/ মলমলি বা আহে গোসাঁনী সবাৰ।। আসনৰ চৌপাশে ফুলিছে তগৰ; পূজা নিদি আই মাতৃক লগাইছে জগৰ।।

(গ) ঘোষা ঃ হস্তীৰ মুণ্ডমালা ইন্দুৰবাহনে/ সবাতকৰি আগে পূজা হয় গণেশৰে।। পদ ঃ শীতলত ঘৰখেনি বকুলৰ কামি/ কিবা পূজা দিব লাগে নাজানিলো আমি।। সুবচনী মাতৃক আমি অতি কাতৰ কৰো/ অনুগ্ৰহ কৰা মাতৃ চৰণত ধৰো। উল্লেখ্য যে 'হস্তীৰ মুণ্ডমালা ইন্দুৰবাহনে; সবাত কৰি আগে পূজা হয় গণেশৰ' — এই ঘোষা ফাকি অন্যান্য অনুষ্ঠানৰ নামতো আয়তীসকলে গায়। গণেশে বৰ লাভ কৰিছিল যে আন সকলো দেৱতাতকৈ আগতে পূজা লাভ কৰিব। সেই অনুসাৰে মানুহে পূজাবোৰত আন দেৱ-দেৱীক পূজা কৰাৰ আগতে গণেশক পূজা কৰে। ইয়াকে আয়তীয়ে উক্ত ঘোষাত গায়। ওপৰত উল্লিখিত শেষৰ ঘোষা পদতে সুবচনীৰ নাম শেষ হয়। পিছত পূজাৰ ব্ৰতধাৰিণী আৰু গৃহস্থৰ লোকক সেৱা কৰিবলৈ দি পাঠকে গায়— 'আই দিয়া নিৰ্মালি মাথা' ভৰি লওঁ/ বিদায় দিয়া সুবচনী সেৱা কৰি যাওঁ। ...তুলসীৰে গছ হৰি তুলসীৰে গছ/ বিদায় দিয়া সুবচনী গোপিনী ধৰক পথ।

সুভচনী পূজা হ'ল মাতৃ পূজা ঃ মনসা পূজা, কালী পূজাৰ দৰে দুৰ্গাৰ অন্য ৰূপ সুভচনী পূজাকো মাতৃ পূজা বোলা হয়। পৃথিৱীৰ সকলো জীৱই স্ত্ৰীৰূপী মাতৃৰ দ্বাৰাই উৎপত্তি (জন্ম) মাতৃৰ পৰা প্ৰথমতে প্ৰতিপালিত (মাতৃ দুগ্ধ সেৱন কৰি) আৰু মাতৃত্ব অৱলম্বনতে ডাঙৰ-দীঘল হয়। এই মাতৃত্ব ধৰ্মৰ ক্ষেত্ৰতো প্ৰায় অনুৰূপভাৱে প্ৰযোজ্য বুলিব পাৰি। পৃথিৱীৰ সকলো দেশৰে আদিম ধৰ্মত আই মাতৃক ধাৰণাৰ প্ৰচলন আছে। সৃষ্টিৰ অন্তৰালত থাকিব পৰা পৰম শক্তিক কল্পনা কৰা হৈছে মমতাময়ী, সৌন্দৰ্যময়ী নাৰী ৰূপত। সমগ্ৰ পৃথিৱীতে মাতৃপূজা অথবা ধৰিত্ৰী পূজাৰ স'তে কিছুমান লোকাচাৰ জড়িত আছে। ভীলসকলে খেতিত নমাৰ আগতে শস্যবৰ্ধনৰ বাবে সেন্দূৰ সনা শিল এটা পথাৰত পুতি থোৱাৰ যি প্ৰথা চলি আছে, সি নাৰী ৰক্তৰে প্ৰতীক। মহেঞ্জোদাৰোত ধৰিত্ৰীৰ যিবোৰ মূৰ্তি পোৱা গৈছে, তাত ৰঙা ৰহণ বোলোৱা হৈছে। ইজিপ্ত, চাইপ্ৰাছ, মালটা, ডানিয়বুৰ মূৰ্তিবোৰো ৰক্ত বৰ্ণৰ। ৰক্তবৰ্ণ হ'ল উৰ্বৰতাৰ প্ৰতীক। পশ্চিম এছিয়া, ভূমধ্য সাগৰীয় অঞ্চলত ভূমি দেৱীৰ প্ৰাধান্য যথেষ্ট। টিউনিকসকলৰ আন এক ভূমি দেৱী যোধ। তেওঁৰ স্বামী 'অদিন' হ'ল আকাশ। আকাশ দেৱতাৰ দান। বৰষুণৰ ফলত ভূমি দেৱী শস্যগৰ্ভা হৈ জীৱনৰ কল্যাণ সাধন কৰে। টাইগ্ৰীচ আৰু ইউফ্ৰেটিছ উপত্যকাত আই ধৰিত্ৰীক উৎপাদিকা শক্তিৰ প্ৰতীক বুলি ভবাৰ দৰে প্ৰাচ্যৰ মেছোপটেমিয়াতো তীব্ৰ শীত অথবা গ্ৰীষ্মৰ দহনৰ পিছত আৱিৰ্ভূত শস্যৰ অধিষ্ঠাত্ৰী দেৱী বুলি কৃষিপ্ৰধান সমাজে গ্ৰহণ কৰিছিল। বৌদ্ধ আৰু জৈন ধৰ্মতো মাতৃ পূজাৰ পৰম্পৰা আছে। ভাৰতৰ সনাতন হিন্দু ধৰ্মত মাতৃপূজাৰ গুৰুত্ব অপৰিসীম। মাতৃ ৰূপত পূজিত নাৰী, ৰূপত অতুলনীয়, কালীৰূপে মুণ্ডমালিনী, মৃভজৰ দৰে ভয়ংকৰী। সুপ্ৰাচীন মহাগ্ৰন্থ 'যোগিনীতন্ত্ৰ', 'কালিকাপুৰাণ', 'ৰুদ্ৰযামল', মহাচীনচাৰ', 'চূড়ামণি তন্ত্ৰ', 'কুবিজকাতন্ত্ৰ', 'সাৰদা তিলক', 'শূন্যপুৰাণ', 'দেৱীভাগৱত', 'যোগদৰ্শন', 'শক্তিতত্ত্ব' আদি যি আদ্যাশক্তিৰ বৰ্ণনা আছে, তাত মহাপ্ৰকৃতি শক্তি নাৰী ৰূপত মহিমামণ্ডিত হৈছে। তেৱেঁই সকলো সংঘটিত কৰে। তেওঁ সৌন্দৰ্য, সৃষ্টি, স্থিতি পালন, ভয়াৱহতা আদিৰ সমন্বয়। মানুহৰ লৌকিকতাই মহামাৰীৰ ভয়াৱহতাতো মাতৃত্ব আৰোপ কৰে, যি মাতৃত্ব সংহাৰিণীও। তেনেদৰে মানুহৰ বিলাই-বিপত্তি নাশ কৰি সুখ-আনন্দ লাভ শত্ৰুনাশ, মনৰ অভীষ্ট সিদ্ধি, ঐশ্বৰ্য লাভৰ হেতু দেৱী মাতৃ বুলি কল্পনা কৰি পূজা কৰে। এনেবোৰ উদ্দেশ্যতে ভাৰতবৰ্ষত মাতৃ দেৱীৰ প্ৰধান ৰূপ দুৰ্গা দেৱীৰ। নিজ ৰূপৰ লগতে অন্য বহু নাম, বহু ৰূপত পূজিত হয়। গতিকে ৰোগ-নাশ, বিলাই-বিপত্তি নাশ কৰি সুখ-শান্তি লাভৰ অৰ্থে কৰা দুৰ্গা দেৱীৰ অন্য ৰূপ শুভচনী পূজাক 'মাতৃপূজা' বুলিব পাৰি।

চাওতালসকলৰ বসন্ত উৎসৱ—বাহাপৰব

চাওতালসকলে প্রতি বছৰ আড়ম্বৰপূৰ্ণভাৱে পালন কৰা এক বৰ্ণাঢ্য উৎসৱ হ'ল 'বাহাপৰব'। এই উৎসৱে চাওঁতালসকলৰ জাতীয় জীৱনৰ ধৰ্ম-সংস্কৃতি, ধৰ্ম বিশ্বাস, নৃত্য-গীত, আচাৰ-নীতি, সমাজ জীৱনৰ নানা দিশৰ প্রতিফলন ঘটায়। এই উৎসৱ আৰম্ভ হয় ফাগুন মাহত। কিছুমান ঠাইত এমাহ জুৰি পালন কৰা এই উৎসৱ ব'হাগ বিহুৰ সময়লৈ পালন কৰা হয়। বসন্ত ঋতুত এই উৎসৱ পালন কৰা হয় বাবে ইয়াক বসন্তকালীন উৎসৱ বোলে। ডঃ নবীনচন্দ্র শৰ্মাই এনেদৰে লিখিছে ঃ 'পৃথিৱীৰ বিভিন্ন ঋতুত, বিভিন্ন দেশত নানা উৎসৱ পালন কৰাৰ ৰীতি প্ৰচলিত আছে। ইংলেণ্ডত কঠোৰ শীতৰ অন্তত বসন্ত কালত 'কাৰনিভেল' আৰু মে'-ডে উৎসৱ অনুষ্ঠিত হয়।' তেনেদৰে অসমতো এই বাহা উৎসৱ শীতৰ শেষত বসন্তৰ আগমনৰ সময়ত গছৰ ডাল ন-কুঁহিপাত, ফুল আদিৰে প্ৰকৃতি জগত মনোৰম হৈ পৰাৰ সময়তে পালিত হয়। যতীন্দ্ৰনাথ বৰগোহাঞিয়ে লিখিছে ঃ 'কৃষিজীৱী সকলো জনগোষ্ঠীৰ বাবে বসন্তোৎসৱ হ'ল সৃষ্টিৰ প্ৰেৰণাৰে মানুহক উদ্বুদ্ধ কৰিব পৰা উদ্দাম-উদ্দীপনা জগোৱাৰ এক আয়োজন। বসন্তকাল অহাৰ লগে লগে অৰ্থাৎ ঠেঁটুৰে ধৰা শীতে বিদায় লোৱাৰ লগে লগে আমাৰ অঞ্চলত আৰম্ভ হয় এক বৃষ্টিহীন খৰাং বতৰ। এই শুকান বতৰৰ অন্ত পৰে মৌচুমী বতাহে কঢ়িয়াই অনা শীতল বৃষ্টিকণাৰ কোমল-উমাল পৰশত। চৌদিশে গছে কুঁহিপাত মেলে। চৰাই-চিৰিকটিৰে ভৰি পৰে বনাঞ্চল। প্ৰকৃতিৰ এনে পৰিৱেশত মানুহৰ মনো আনন্দেৰে ভৰি পৰে।' এই আনন্দৰ বতৰতে চাওতালসকলে বাহাপৰব পালন কৰে। চাওতালৰ এই উৎসৱৰ তাৎপৰ্যপূৰ্ণ দিশটো হ'ল ইয়াক প্ৰকৃতিৰ বুকুত পতা হয়। আৰৌ প্ৰকৃতিক পূজা কৰা হয়।

অতীজত বা বৰ্তমানেও পৃথিৱীৰ নানা জাতি-জনজাতিয়ে কৃষি উৎসৱ পাতি শস্য বৃদ্ধিৰ কামনা বা শস্য ভৰি পৰাৰ আনন্দত উৎসৱৰ আয়োজন কৰে। বাহা উৎসৱক এনে ধৰণৰ অতীজৰ কৃষি উৎসৱৰ পৰৱৰ্ত্তী কালত হোৱা বিকাশ বুলি ঠাৱৰ কৰে পণ্ডিতসকলে। ডঃ উপেন্দ্ৰ ৰাভা হাকাচামে লিখাৰ দৰে ক'ব পাৰি, আদিতে সকলো আদিম জনগোষ্ঠীয়ে শিলা, বৃক্ষ, নদ-নদী, পাহাৰ আৰু চন্দ্ৰ-সূৰ্য আদিক সাক্ষী কৰি প্ৰকৃতি পূজা কৰিছিল। পৰৱৰ্তী কালত বিভিন্ন সংস্কৃতিৰ পৰশ পৰি এই ধৰ্মীয় ধাৰণাত কেতবোৰ নতুন সুঁতি ওলাল। যাৰ বাবে বৰ্তমানৰ জনগোষ্ঠীয় সমাজ

ব্যৱস্থাত এক উমৈহতীয়া ধৰ্মীয় পৰম্পৰা দেখা নাযায়।'

'অসমৰ উৎসৱ আৰু পূজা' গ্ৰন্থত আছে 'পৰম্পৰাগতভাৱে মাৰাং বুৰুৰ (ভগৱানৰ) শ্ৰীচৰণত অৰ্চনা কৰা হয় বাহাপৰবত। অগ্নিপিণ্ডৰূপী মাৰাং বুৰুৱে অতীজত কোনোবা এদিন চিকাৰীজীৱী চাওঁতালসকলৰ আগত অগ্নিপিণ্ড ৰূপে দেখা দিছিল আৰু অৰণ্যৰ মাজত এজোপা জৰিগছ সদৃশ বৃহৎ বৃক্ষত আশ্ৰয় লৈছিল। গতিকে মাৰাং বুৰুকে শ্ৰদ্ধা জনাই চিকাৰীজীৱী চাওঁতালসকলে অস্ত্ৰ-শস্ত্ৰ সামৰি মাৰাং বুৰুক পূজা কৰি সন্তুষ্ট কৰিছিল। আজিও প্ৰকৃতিৰ জীৱন্ত প্ৰতীকৰূপে বৃক্ষৰোপণ কৰি, আনকি কেতিয়াবা এখন কৃত্ৰিম হাবি ৰোপণ কৰি মাৰাং বুৰুক পূজা কৰা হয়। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি চাওঁতালসকলৰ বাহাপৰবত এইদৰে কৰা বৃক্ষৰোপণ একপ্ৰকাৰ পূজা স্বৰূপ। কাৰণ ডাকৰ বচনত বৃক্ষ ৰোপণতো অধিক ধৰ্ম হয় বুলি কোৱা হৈছে। আকৌ এই বৃক্ষ ৰোপণ আৰু কৃত্ৰিম হাবি ৰোপণ কৰি কৰা বাহা পূজাৰ মাজত বৃক্ষ পূজাৰ সমল সোমাই আছে বুলিব পাৰি। পৃথিৱীৰ সকলো ঠাইতে বৃক্ষ পূজা কৰা সংস্কৃতি বিদ্যমান হৈ আছে। লিথুৱানিয়াৰ মানুহে বিশ্বাস কৰে যে গছক পূজা কৰিলে গছ দেৱতাই বৰষুণ আৰু সূৰ্যৰ পোহৰ দিয়ে। মুণ্ডাৰীবিলাকে ভাবে যে গছ দেৱতাৰ কৃপাত শস্য বেছিকৈ হয়। সেইবাবে সেইবোৰ অঞ্চলৰ উৎসৱবোৰত গছ দেৱতাক বিশেষভাৱে পূজা কৰে। অসমতো মনসা পূজাত সিজু গছক, কাতি বিহুত তুলসী গছক পূজা কৰাৰ লগতে বেলগছক পূজা কৰি মহাদেৱক, আঁহত আৰু পাকৰি গছৰ তলত পূজা কৰি শীতলা দেৱীক, বৰ গছৰ তলত থকা বুঢ়াগোহাঁইৰ থানত পূজা কৰি বুঢ়া গোসাঁইক, ভঠেলিত পাৰৰূপী বাঁহক পূজা কৰি সন্তুষ্ট কৰাৰ চেষ্টা কৰা হয়। ভাৰতীয় হিন্দু ধৰ্মীয় দৰ্শনত বৃক্ষৰ ভিতৰত আঁহত গছেই শ্ৰেষ্ঠ। গীতাত কৃষ্ণই অৰ্জুনক কৈছে ঃ 'অশ্বত্থঃ সৰ্ব্ববৃক্ষাণাং'। অৰ্থাৎ গছসমূহৰ ভিতৰত মঁয়েই আঁহত গছ। আঁহত গছৰ গুৰিত পানী দিলে পুণ্য হয় বুলি বিশ্বাস প্ৰচলিত আছে।

বাহাপৰবৰ আগদিনা নাইকে বাবাই (পুৰোহিত) সহযোগীসকলক লৈ নৈৰ ঘাটলৈ চাকৱা (শিঙা), ফাৰ্চা (পৰশুকুঠাৰ), আঃচাৰ (ধনুকাঁড়) আদি অস্ত্ৰ-শস্ত্ৰ জাতীয় পূজাত সামগ্ৰীবোৰ নি ধুই-পখালি আনে। চাওঁতালসকলৰ বাহাপৰবৰ আগদিনা সকলো লোক নাইকেৰ ঘৰত লগ হৈ বাহা পূজাৰ সময় জানি লয়। উপাসনাৰ সময়ত দৈৱশক্তি অৰ্জন কৰা লোকজনক 'চাটিয়া' বোলে। এওঁৰ পৰা আগন্তুক বিপদ-আপদ সম্পৰ্কে জানি লয়। এই পৰ্বৰ পিছতে নাৰী-পুৰুষসকলে নৃত্য-গীত পৰিবেশন কৰি বাহা জাগৰণ কৰে।

বাহা উৎসৱৰ দিনা নাইকে বাবাই মাঝী হাড়ামৰ (গাঁওবুঢ়া) ঘৰত গা-পা ধুই উপস্থিত হয়। মাঝী হাড়ামেও গা-পা ধুই নাইকে বাবাৰ লগত গৈ উপস্থিত হয় কৃত্রিমভাবে পাতি লোৱা অৰণ্যত। বাহাপৰবত বাইজেও গৈ কৃত্রিমভাবে পাতি লোৱা অৰণ্যত উপস্থিত হয়। তেওঁলোকে নতুন বস্ত্র পৰিধান কৰে। নাইকে বাবাই পূজাৰ কর্ম কৰে। কুকুৰা এটা উছর্গা কৰে। তাৰ মণ্ডহেৰে ৰন্ধা-আঞ্জা কলপাতত লৈ যায়। তাৰ পিছত নাইকে বাবাই পূজাৰ কাৰণে অনা ফুল সকলোৰে মাজত বিতৰণ কৰে। অতি পবিত্র বুলি বিশ্বাস কৰা এই ফুল পুৰুষসকলে কাণত আৰু তিৰোতাসকলে খোঁপাত গুজি লয়।

পুৰুষ-নাৰীসকলে জাতীয় সাজ-পাৰ পিন্ধি উৎসৱৰ শেষত মাঝী হাড়ামৰ নেতৃত্বত গীত-নৃত্য কৰে। 'অসম সাহিত্য সভা'ৰ দ্বাৰা প্রকাশিত 'বিশ্বকোষ'ত বেঞ্জামিন চৰেনে লিখিছে ঃ 'শাল গছৰ পাত চাওঁতালসকলৰ মাজত পবিত্রতাৰ প্রতীক। একতাৰো প্রতীক। এওঁলোকৰ মাজত ১৪ বিধ নাচ আৰু ১৪ বিধ গানৰ সুৰ আছে। তাৰ মাজতে আকৌ প্রতিটো সুৰৰ ভাগে ভাগে নাচ আছে।

দক্ষিণ কামৰূপৰ বৰ্ণাঢ্য উৎসৱ

সুঁৱৰি

নানা জাতি-জনজাতিৰে বৈচিত্ৰ্যময় অসমৰ 'সুঁৱৰি' হ'ল দক্ষিণ কামৰূপৰ এটি উল্লেখযোগ্য বৰ্ণাঢ্য উৎসৱ। আদিতে এই উৎসৱ গুইমৰা, পলাশবাৰী হেৰামদো, ৰামপুৰ, খটীয়ামাৰী, পাৰ্ল্লি, নহিৰা, ছয়গাঁও, বৰদুৱাৰ গুইমৰা, শ্যামৰায়, শিকাৰহাটী আদিকৈ মাত্ৰ কেইখনমান ঠাইতহে পালন কৰা হৈছিল যদিও বৰ্তমানে তাৰ ব্যাপকতা চকুত পৰে। বৰ্তমান বকো, উপৰহালী, আমতলা, সৰপাৰা, ভোলাগাঁও, গোসাঁইহাট, ৰামপুৰ আদি ঠাইতো পালনৰ অৰ্থ হ'ল 'স্মৰণ' কৰা। (সংস্কৃতত 'স্মৰণিকা')। শিশু কৃষ্ণৰ বাবে নন্দজায়া যশোদাৰ দধিমথন, কানাইৰ চাতুৰি আদি এই উৎসৱৰ জৰিয়তে জনসাধাৰণে স্মৰণ কৰাৰ সুযোগ পোৱা গুণে ইয়াৰ নাম 'সুঁৱৰি'। সুঁৱৰি উৎসৱত ৰাইজে দধিমথন ভাওনা পাতে।

ড° নাৰায়ণ দাসে লিখিছে ঃ "থলুৱা লোকে ইয়াক বোলে স'ৰি বা সোৰি। সমগ্ৰ ব'হাগ মাহ জুৰি উদ্‌যাপন কৰা এই বসন্তকালীন উৎসৱটোৰ উল্লেখযোগ্য ৰূপাংগকেইটি হ'ল— (ক) দধি মথন অভিনয়, (খ) দৰ্শকৰ দৰ্শনাৰ্থে থান-সত্ৰ আদিত সংৰক্ষিত বিগ্ৰহ মুকলি মঞ্চলৈ আনয়ন, (গ) বিভিন্ন ধৰণৰ মনোৰঞ্জক খেল-ধেমালি প্ৰদৰ্শন। জনজাতি অধ্যুষিত অঞ্চলত পাৰ (পাউৰা) নাচ আৰু হানাঘোঁৰাৰ নাচেৰে ৰাইজক আনন্দ দিয়াটো। সুঁৱৰিক দুটা ভাগত ভগোৱা দেখা যায়— স'ৰি আৰু স'ৰি ভঙা উৎসৱ। উত্তৰ কামৰূপত ব'হাগ মাহত পালন কৰা ভঠেলিৰ সৈতে এই সুঁৱৰিৰ এটা মাত্ৰ (পাৰ ডোলা) ৰূপাংগৰ সাদৃশ্য আকস্মিক।" সাধাৰণতে দুপৰীয়াৰ পৰা এই উৎসৱ আৰম্ভ হৈ এবেলাত শেষ হয়। যদিও কেনেকৈ কেতিয়াৰ পৰা দক্ষিণ কামৰূপত সুঁৱৰি উৎসৱৰ জন্ম হ'ল তাৰ সঠিক প্ৰামাণিক তথ্য পাবলৈ নাই। লোককথাৰ আলমত জনা যায় যে ৰঙালী আৰু ভোগালী দুজনী বায়েক ভনীয়েক আছিল। এই দুয়োজনী ভনীয়েকৰ ভিতৰত ৰঙালী দুখীয়া আছিল বাবে ব'হাগ মাহৰ প্ৰথম দিনাৰে পৰা খুজি-মাগি যিখিনি পায়, সাত বিহুৰ দিনা মুকলি পথাৰত মুকলি মনেৰে ভোজভাত খায়। লোককথাৰ এই তাৎপৰ্যতে সৃষ্টি হয় সুঁৱৰি উৎসৱৰ।

সুঁৱৰিৰ থলী হ'ল গাঁৱৰ নামঘৰ। এই সুবিধা নথকা ঠাইবোৰত মুকলি

পথাৰতেই সাময়িকভাৱে বাঁহৰ চাং পুতি ৰভা দি ইয়াৰ আয়োজন কৰে। সুঁৱৰি মেলাত প্ৰদৰ্শিত থলুৱা কৃষ্টিসমূহৰ ভিতৰত দধিমথন নৃত্য, হানাঘোঁৰা নাচ, পাৰ-হাঁহ নাচ, বড়ো কৃষ্টি, ৰাভা কৃষ্টি, বাগেজাৰী নৃত্য, বহুবালি নৃত্য আদি প্ৰধান। খেল-ধেমালিসমূহৰ ভিতৰত হাতী দৌৰ, হাতী যুঁজ, ঘোঁৰা দৌৰ, ৰচি টনা, ডেল বাঁহ, ছোৱালীৰ মূৰত কলহ লৈ দৌৰা আদিয়েই প্ৰধান। সুঁৱৰি থলী দুপৰীয়াৰ পৰা গধূলিলৈ মেলামুখি হয়। গধূলিৰ লগে লগে পথাৰলৈ অনা বিগ্ৰহবোৰ লৈ গাঁও ঘূৰোৱা হয়। কোনো কোনো ঠাইত সুঁৱৰিৰ দিনা গধূলি পাউৰা ঘূৰাই বিহু স'ৰি ভাঙে।

দধিমথন অভিনয় মহাসমাৰোহেৰে সুঁৱৰি উৎসৱত কৰা হয়। সুঁৱৰি থলীত চাৰিটা কলৰ পুলিৰে সৌন্দৰ্যৰ কলৰ দোনাৰে সু-দৃশ্যকৈ সজা বেদীৰে দধিমথন মণ্ডপ সজা হয়। বেদীত সংস্থাপিত হয় পাঁচডাল জাক-জমকতাপূৰ্ণ মথনি মাৰি। মাৰিকেইডাল ভালদৰে ঘূৰিবলৈ তাৰ তলত থাকে মাটিৰ টেকেলি একোটা। দধিমথন মণ্ডপত পকা কলৰ থোক, মাখনৰ টেকেলি আঁৰি থোৱা হয়। এইবোৰ প্ৰতিটো বস্তু শিশু কৃষ্ণৰ জীৱনৰ লগত সম্পৰ্কিত। আবেলি পৰত আৰম্ভ হয় দধি মথন ভাওনা। নিৰ্দিষ্ট দধিমথনৰ দিনটোৰ আগদিনাখনেই দহজনী কুমাৰী ছোৱালীয়ে মথনৰ দিনটোত মনোমোহা সাজ-পাৰ পিন্ধি গোপিনীৰ বেশ ধৰি মথনি মাৰিডালত লগাই টানি টানি নৃত্যৰ ভংগীৰে দধিমথনৰ অভিনয় কৰে। ইয়াৰ লগে লগে নন্দ-যশোদাৰ অভিনয় কৰে। অভিনয় চলি থকা সময়খিনিত তাল-খোল আদি ধৰ্মীয় বাদ্যৰে শ্ৰীকৃষ্ণৰ বাল্যজীৱনৰ মধুৰ গীতসমূহ গোৱা হয়। দধিমথন অভিনয়ৰ মাজতে কিছু বিৰতি দিয়া হয় যদিও গীত বাদ্য সমানেই চলি থাকে। 'অৰ্জুন ভঞ্জন' নামৰ নাটকখন ধৰ্মীয় প্ৰথা মতে সম্পন্ন কৰা হয়।

পাৰ বাঁহ নৃত্য

'সুঁৱৰি' উৎসৱত পাৰ বাঁহ নৃত্যৰো আয়োজন কৰা হয়। দক্ষিণ কামৰূপৰ পাতিৰাভাসকলৰ মাজত এই পাৰ নৃত্যৰ প্ৰচলন আছে। পাতি ৰাভাসকলৰ অন্যতম সঁজুলি হ'ল—দীঘল জাতি বাঁহ এডাল। পাৰ সজাৰ বৰ্ণনা সূৰ্য কুমাৰ মজুমদাৰে লিখিছে : "চাৰিডাল নহলীয়া টমালেৰে খিলু তৈয়াৰ কৰি মৰাপাটেৰে গুৰিৰ পৰা আগলৈকে গুঠি বাঁহটো গুৰনি দেখিবৰ বাবে চাৰিসিৰীয়া কৰা হয়। তাৰ পিছত গোটেইটো বাঁহত নতুন বগা কাপোৰেৰে মেৰিয়াই দিয়া হয় আৰু তাৰ ওপৰত ৰঙা কাপোৰ মেৰিয়াই... ৰঙা, ক'লা আৰু সেউজীয়া তিনি ৰঙৰ প্ৰায় এবেগেত-ডেৰ বেগেত বহল কাপোৰেৰে সম্পূৰ্ণ বাঁহৰ তিনি ঠাইত কুচুনী বন্ধা হয়।" প্ৰত্যেক

কুচুনীত গোন্ধ চৌৱৰ দিয়া হয়। তদুপৰি বাঁহডালৰ উপৰি মূৰত গোন্ধ চৌৱৰ আৰু গুৰিত জুনুকা পিন্ধাই সু-সজ্জিত তাৰ মাজত দিব লাগে সেন্দূৰৰ ফোট। 'দক্ষিণ কামৰূপৰ ঐতিহ্য' গ্ৰন্থত আছে ঃ "বাঁহডালৰ একেবাৰে আগত দুডাল চৌৱৰ এনেদৰে সজাই দিয়া হয় যাতে সাপৰ জিভাৰ দৰে দেখি। কাৰণ পাৰ বাঁহক নাগ দেৱতাৰ অনুৰূপ হিছাপে বিশ্বাস কৰা হয়।

সুঁৱৰি উৎসৱৰ পাৰ বাঁহ নৃত্যৰ বাপেক হিছাপে এজন ডেকা নিৰ্বাচন কৰা হয়। তেওঁৰ লগত থাকে দুজন পাৰভাৰী। পাৰ বাঁহ সজোৱাৰ পিছত পূজা-অৰ্চনা কৰা হয়। এই পূজাত নৈবেদ্য, চাকি-বন্তিৰ লগতে এহাল পাৰ চৰাই দিয়া হয়। পাৰ বাঁহ নৃত্য বোলাৰ লগত পাৰ এযোৰ পূজাত দিয়াৰ কিবা সম্পৰ্ক হয়তো থাকিব পাৰে। ৰাইজৰ অপায়-অমংগল আৰু শান্তিৰ সাধনা পাৰ পূজাৰ অন্যতম উদ্দেশ্য। পাৰ বাঁহ মাজে সময়ে থিয় কৰি লৈ, মাটিত নপৰাকৈ চাৰিওফালে এশ-ডেৰশ বাৰ পৰ্যন্ত ঘূৰোৱা হয়। এই সময়ত ঢোল বজাই গায়— "অ হায় হায় সাকলা ঐ/ মাকো লীলায়/ তিনটি মালী মাকাৰা জালি দিলুং উঝুৰাই।।" আন এটি গীতৰ কিয়দংশও ইয়াত উদ্ধৃত কৰা হ'ল ঃ "হো লি হায়; হায়, হায়, ঐ; তুল পাউৰা তুল; তলিবাকে লাগিছে; কোমৰ বান্ধা ফুল/ ...... ঔলাই লাই লাকো; লাজো হাৰি লাই; আমাৰ পাউৰা ঐ ভঠেলিতো পাউৰা উৰাই চাউৰা, উৰাই চাউৰা।" কামৰূপ, বৰপেটা আৰু নলবাৰী জিলাৰ গোটেই ব'হাগজুৰি হোৱা ভেঠেলিতো পাউৰা তোলাৰ সময়ত কিছুমান ঠাইত গীত গায়। বঘিমাৰা. পাঠশালা, পাটাছাৰকুছি আদিত গোৱা তেনে এটি গীতৰ কিয়দংশ হ'ল ঃ "পাৰোৱা পাৰোৱা সবাতকৈ নৰোৱা/ঐ ৰাম আছিলি বাঁহৰে মাজে, অ ৰাম/আজিহে মনুষ্যৰ হাতে অ ৰাম, ন ন কাচানা কাচে, অ ৰাম।।"

সুঁৱৰি উৎসৱৰ পৰা বাঁহ নৃত্যৰ লগত ভেঠেলিৰ সাদৃশ্য আছে; কিয়নো ভঠেলিতো বাঁহ একোডালক নানা ৰঙৰ কাপোৰ পিন্ধাই সুসজ্জিত কৰি মানুহে থিয়কৈ ৰাখি পূজা সেৱা কৰে। পাৰ বাঁহত সু-সজ্জিত বাঁহডালৰ ওপৰত গন্ধ চৌৱৰ আঁৰি দিয়াৰ দৰে ভঠেলিৰ সু-সজ্জিত বাঁহডালতো চৌৱৰ আঁৰি দিয়ে। এই বাঁহ (ভঠেলিৰ) ডালৰ নামো পাৰ বা পাউৰা। সেয়ে সম্ভৱতঃ সৌৰি বা সুঁৱৰিৰ সহধৰ্মী উৎসৱৰূপে ভঠেলিক গণ্য কৰা হয়। ড° নবীনচন্দ্ৰ শৰ্মাই লিখিছে ঃ ভঠেলি বা সৌৰি অথবা সুঁৱৰি বা সুৰি বা পাৰৱা নাইবা দহৰ ফুৰোৱা উৎসৱৰ লগত দৰঙৰ দেউল উৎসৱৰ সাদৃশ্য আছে।

সুঁৱৰি উৎসৱত পৰিবেশিত বা প্ৰদৰ্শিত নৃত্য কলা-কৃষ্টিসমূহৰ বৰ্ণনা তলত দিয়া হ'ল ঃ

হানাঘোঁৰা নৃত্য

সুঁৱৰি উৎসৱত আয়োজন কৰা হয় পাতি ৰাভাৰ হানাঘোঁৰাৰ পূজা। পূজাত পিঠাগুড়ি, মিঠাতেল, সেন্দুৰ, এযোৰ কুকুৰা চৰাই আদি ব্যৱহাৰ কৰা হয়। হানাঘোঁৰাৰ লগত দুইফালে দুজন ঢাল-তৰোৱাল ধৰি সশস্ত্ৰ প্ৰহৰী নাচি থাকে। এই নাচত গায় "হয় হয় হয় ঐ ঐ, জিৰ জিৰ নিজৰা, উজায় পাৰং ঘুৰণি (চেপা সদৃশ), সভা মাৰে চাবা আলাল, আমাৰ বুইনি (ভনী)... টাম্বলিত টাম্বলিত কৰে, মাহী ঐ হানাঘোঁৰাৰ শিঙা, ভাল কুৰি নানাচিলে, মাহী ঐ কায় দিব ডিমা।" এই নাচৰ লগত মাদল, শিঙা, দুগৰি গাৰো কদাল (কোৰ) আদি বাদ্য বজায়।

বগেজাৰী নৃত্য

সুঁৱৰি উৎসৱত প্ৰদৰ্শিত থলুৱা কৃষ্টিসমূহৰ ভিতৰত বগেজাৰী নৃত্যও এটা কৃষ্টি। 'অসমীয়া সংস্কৃতিৰ কণিকা' গ্ৰন্থত আছে : "দক্ষিণ কামৰূপ আৰু গোৱালপাৰাৰ দক্ষিণ-পূব অঞ্চলত বসবাস কৰা পাতিৰাভাসকলৰ জনপ্ৰিয় গীত বিশেষেই বগেজাৰী বা বহুৰঙী গীত। এই গীত তিৰোতাসকলৰ গীত। অৱশ্যে পিছলৈ ইয়াক তিৰোতাৰ লগতে পুৰুষ সমাজেও গোৱা হ'ল। গীতবোৰত পাতিৰাভাসকলৰ সমাজ জীৱনৰ ভালেখিনি কথাই প্ৰকাশ পাইছে। বিহুগীতৰ দৰে এই গীততো প্ৰাৰম্ভতে দেৱী সৰস্বতীলৈ প্ৰণাম জনাই গায়— "সৰস্বতী মোহিনী গীতৰ চাহিনী/ কায়ো বজায় তাক ঢোল/ কায়ো বজায় বাঁহী/ কায়ো বজায় গগনা থৰকা/ কায়ো বজায় কাঁহৰ বাটি/ দেওমোহন মুহিবা।" ধুন-পেচ মৰা বিতনীয়া ডেকাক ঠাট্টা কৰি গায়, "গছৰ নম্বৰ চিনি নাপায়/হয় মহৰী/টোকনীয়া আপি দেখা পালি/ মাৰে সুহুৰি।"

জাৰী ঘোঁৰা

সুঁৱৰি উৎসৱত জাৰী ঘোঁৰাও নচুৱা হয়। জাৰী ঘোঁৰা সজা হয় বাঁহ আৰু কাঠেৰে। মুখখন কাঠৰ আৰু গাটো হ'ল বাঁহৰ। মানুহ এজন সোমাব পৰাকৈ ঘোঁৰাটোৰ মাজত এটা ডাঙৰ ফুটা থাকে। ঘোঁৰাটোৰ মূৰত দেও ছাগলীৰ শিং এযোৰ লগাই দিয়া হয়। শিং দুটাত খুচি দিয়ে—কুকুৰাৰ দুটা কণী। ঘোঁৰাটোৰ গাত ক'লা আৰু বগা কাপোৰ ধুনীয়াকৈ মেৰাই দি চালে চকুবোৰা কৰাটো নিয়ম, পিতলৰ চকু খুওৱা ঘোঁৰাটোৰ মুখমণ্ডল হ'ল দেখাত ভয়াবহ। ইয়াৰ কপালত থাকে সাত ধাতুৰ দুমুখীয়া মাদলি এটা। এজন উপযুক্ত লোকক জাৰী ঘোঁৰা নচুওৱাৰ দায়িত্ব দিয়া হয়। দুজনমান তেওঁৰ সহায়ক ৰূপে থাকে। ঢোল-দগৰ, শিঙা-কালি, বাঁহী আদি বজাই গীত-পদ গাই গাঁৱৰ বাইজে উলিওৱা ঘোঁৰা বাইজে জয়জয়তে নিয়ে দেউৰীৰ

ঘৰলৈ। দেওধনী তেওঁৰ ঘৰলৈ নাচি নাচি যায়। দেউৰীৰ ঘৰৰ মানুহে জাৰী ঘোঁৰাক কুকুৰাৰ কণী বা পোৱালি আগবঢ়ায়। ৰাইজকো নানা দ্ৰব্য আগবঢ়ায়। ৰাইজে ওৰে নিশা গাঁৱৰ ঘৰে ঘৰে ঘোঁৰা নচুৱাই ৰাতিপুৱা গোসাঁই ঘৰলৈ নি সসম্মানে চাঙত তুলি থয়। ৰাইজে জাৰী ঘোঁৰা নচুৱাওতে উঠা বস্তুবোৰেৰে প্ৰীতিভোজ খায়।

ছুথাৰ নৃত্য

সুঁৱৰি উৎসৱত ৰাভা কৃষ্টি ৰূপে ছুহাৰ গীত-নৃত্যও প্ৰদৰ্শিত হয়। বিশ্বাস অনুসৰি ছুথাৰ গীত-নৃত্যৰ অন্তৰালত লুকাই আছে প্ৰজননবাদৰ বিকাশ। ড° নাৰায়ণ দাসে লিখিছে ঃ "কিছুদিন আগলৈকে বিবাহিতা স্ত্ৰী-পুৰুষে ছুথাৰত ভাগ ল'ব নোৱাৰিছিল। আনকি শ্ৰোতা বা দৰ্শক হোৱাৰ পৰাও বিৰত হ'ব লাগিছিল। কাতি বিহুৰ দৰে এই নৃত্য ওৰে ৰাতি চলে আৰু নৃত্য মিলনৰ জৰিত বান্ধ খায়। ছুথাৰ গীতৰ নমুনা—ডেকা "বছৰ পিদান ৰিবিদাং/বায়খো মনি কিয়া/নাস্তি কাথা মনি কিদং ছালে/আমে টঙা জাংছাৰে/আমে টঙা জাংছা।।" ভাবাৰ্থ— "নতুন বছৰ পৰিলে তোমালৈ মনত পৰে/ তেতিয়া থিৰেৰে থাকিব নোৱৰা হওঁ।" গাভৰু— "অ ছেংৰা গবুৰ কায়/আতো কাথা।" ভাবাৰ্থ— "হেৰা ডেকা ল'ৰা, তুমি কি ক'ব খুজিছা কোৱাচোন/মই যে তোমাক পছন্দ কৰিছো। সঁচা কথা কোৱা, মোৰ প্ৰতি তোমাৰ মৰম কিমান?",

সুঁৱৰি উৎসৱত বিভিন্ন খেল-ধেমালিৰো আয়োজন কৰা হয়। তেনে কেতবোৰ খেল-ধেমালিৰ বিষয়ে তলত আলোচনা কৰা হ'ল ঃ

তেলবাঁহ ঃ এডাল বাঁহ কাটি তাৰ বিশ ফুটমান দীঘলকৈ একাংশ টুকুৰা কৰি তাৰ সেউজীয়া বাকলিখিনি এৰুৱাই লৈ মাটিত থিয়কৈ পোতা হয়। বাঁহডালৰ টুকুৰাটোৰ মূৰত মিঠাতেল ৰাখি থয়। খেলুৱৈসকলে বাঁহডাল উদং গাৰে বগাই ওপৰ পাব লাগে; কিন্তু মিঠাতেল ওপৰত থকা বাবে তাৰ পৰা তেল বৈ আহি বাঁহডাল পিছল হৈ লগে লগে মানুহজন তললৈ পিছলি নামি আহিবলগীয়া হয়। অনেক চেষ্টাৰ পিছত যিজনে গৈ ওপৰত থকা টকা আনিব পাৰে বা ওপৰৰ শীৰ্ষভাগ চুব পাৰে তেৱেঁ বিজয়ী হয় আৰু পুৰস্কাৰ লাভ কৰে। এনে ধৰণৰ তেলবাঁহ পশ্চিম নলবাৰী অঞ্চলত জাতক-জাতিকাৰ নামকৰণ পৰ্বত কৰাৰ ব্যৱস্থা আছে।

হাতী যুঁজ ঃ সুঁৱৰি উৎসৱত হোৱা খেল-ধেমালিসমূহৰ ভিতৰত হাতী যুঁজ উল্লেখযোগ্য। এই হাতী যুঁজৰ প্ৰাচীনত্ব আৰু খেলাৰ নিয়মৰ বিষয়ে 'অসমীয়া সংস্কৃতিৰ কণিকা' গ্ৰন্থত আছে। সাধাৰণতে হাতীয়ে শুঁৰে শুঁৰে, মূৰে মূৰে আৰু দাঁতে

দাঁতে খুন্দিয়া-খুন্দি কৰি দুই-চাৰি দণ্ড যুঁজ কৰিছিল। মুকলি হাতী যুঁজত গজঘণ্টা আঁৰি দিয়াৰ নিয়ম। কেতিয়াবা হাতী পলালে মানুহে গজ ঘণ্টাৰ শব্দ শুনিয়ে পলাই পত্রং দিছিল।” সুঁৱৰি উৎসৱত দুয়োটা হাতী সন্মুখা-সন্মুখিকৈ ৰাখি মাউতে যুঁজত লগায়। বিজয়ী হাতীৰ গৰাকীক পুৰস্কৃত কৰে। এইবোৰ খেল-ধেমালিৰ উপৰি কুকুৰা যুঁজ, হাতী দৌৰ, লৰ মাৰা, ৰচি টনা, হাউ, জাঁপ মাৰা আদি খেল-ধেমালিও হয়।

সুঁৱৰি উৎসৱৰ লগত আন কেইবাটাও উৎসৱৰ মিল চকুত পৰা। বৰপেটাৰ দেউল উৎসৱ, অশোকাষ্টমীৰ হাজোৰ কেদাৰ, কমলেশ্বৰ, বামুন্দীৰ ধীৰেশ্বৰ আদিৰ বিগ্রহ বাইজে শোভাযাত্রা কৰি পৰিভ্রমণ কৰি নির্দিষ্ট ঠাইলৈ নিয়ে। সুঁৱৰি উৎসৱতো এইদৰে মূর্তি অনাৰ ব্যৱস্থা আছে। সুঁৱৰি উৎসৱৰ দধিমথনৰ দৰে দৰঙৰ খটৰা সত্ৰত কাতি বিহুত পঁচেতি উৎসৱৰ আনুষংগিক ৰূপে গায়ন-বায়নে সুঁৱৰিৰ দৰে দধিমথন নৃত্য প্রদর্শন কৰে। দৰঙৰ জেৰানন্দ সত্ৰ আৰু গোৱালপাৰাতো দধিমথন ভাওনা আৰু উৎসৱ কৰা হয়। সুঁৱৰিত ৰঙালী বিহুৰ দৰে খেল-ধেমালি, নৃত্য-গীতো হয়। ইয়াৰ উপৰি উত্তৰ কামৰূপৰ দহৰ ফুৰোৱা, লামভা কৰা, পুতলা বিয়াৰ লগতো বিভিন্ন বিষয়ত সুঁৱৰিৰ মিল আছে। সুঁৱৰি উৎসৱক চকুৰাখনাৰ ফাট বিহুৰ লগত এক বিষয়ত তুলনা কৰিব পাৰি। সুঁৱৰি উৎসৱত নানা কৃষ্টি, খেল-ধেমালি, নানা গীত-নৃত্য প্রদর্শিত আৰু আয়োজিত হোৱাৰ দৰে ফাট বিহুতো নানা নৃত্য-গীত পৰিবেশিত হয়।

বাঁহ পূজা

মানুহৰ দৈনন্দিন জীৱনত ব্যৱহাৰ্য বাঁহ অসমৰ নানা প্ৰান্তত নানা ৰূপে পূজিত হয়। বাঁহক বিভিন্ন শক্তিৰ প্ৰতীক ৰূপে ধৰা হয়। বাঁহে বাঁহে ঘঁহনি খাই জুই উঠে বাবে ইয়াক অগ্নিৰ প্ৰতীকৰূপে ধৰা হয়। বাঁহৰ প্ৰজনন কৃত্যৰ লগত সম্পৰ্ক আছে বাবে বাঁহক লিংগৰ প্ৰতীকৰূপে ধৰা হয়। বাঁহক কাৰ্তিকৰ প্ৰতীক হিছাপেও ধৰা হয়। প্ৰজনন কৃত্যৰ লগত শিৱ-পাৰ্বতীৰ দৰে কাৰ্তিকো জড়িত। লিংগ পূজাৰ আন এক অভিব্যক্তি যে বাঁহ বা বাঁশ পূজা তাক তলৰ আলোচনাৰ পৰা জনা যায়। লোক সংস্কৃতিৰ গৱেষক ড° নবীনচন্দ্ৰ শৰ্মাই লিখিছে ঃ 'মুৰলা নামৰ ব্ৰাহ্মণৰ কন্যা এজনীৰ চিতাৰ ছাইৰ পৰা বাঁহৰ জন্ম হোৱাৰ বৰ্ণনা পুৰাণত পোৱা যায়। মংগোলীয়সকলে বাঁহৰ ওপৰত দিয়া গুৰুত্বৰ পৰাই বাঁহক মংগোলীয় সংস্কৃতিৰ অৱদান হিছাপেও গণ্য কৰি অহা হৈছে। সেয়েহে বাঁহকেন্দ্ৰিক উৎসৱ-পৰ্ব আদিত মংগোলীয় সংস্কৃতিও সোমাই আছে।' অসমৰ গ্ৰাম্য অঞ্চলত বাঁহ সংস্কৃতিৰ ভূমিকা গুৰুত্বপূৰ্ণ। ড° ভৃগুমোহন গোস্বামীয়ে লিখিছে ঃ 'বাঁহক লৈ অনেক অন্ধবিশ্বাস, জনবিশ্বাস জড়িত হৈ আছে। জন্ম, বিবাহ, মৃত্যুৰ লগত বাঁহৰ সম্বন্ধ অপৰিহাৰ্য। বাঁহৰ চোঁচেৰে কেঁচুৱাৰ নাৰী কটা হৈছিল। আকৌ এই বাঁহেৰেই বিয়াত ৰভা দিয়া হয়। বাঁহৰ চাঙী সাজি মৃতকৰ সৎকাৰ কৰিবলৈ নিয়ে। সেয়ে বাঁহক এৰি অসমীয়া মানুহ থাকিব নোৱাৰে।' বাঁহ পূজা বা বাঁশ পূজা কিমান প্ৰাচীন তাক ঠাৱৰ কৰিব নোৱাৰি। হাবিতলীয়া সভ্যতাৰ লগতো বাঁহৰ সম্বন্ধ আছে। 'যাৰ নাই বাঁহ, তাৰ নাই সাহ' বুলি এটা প্ৰবাদেই আছে। আকৌ কোৱা হয় 'ভাগে ভাগে ৰুৱা বাঁহ, হেজাৰ বিপদতো থাকিব সাহ।' তলত বাঁহ পূজাৰ নানা ৰূপৰ বিষয়ে আলোচনা কৰা হ'ল ঃ

ভঠেলি বা পাৰ তোলা ঃ ভঠেলি বা পাৰ তোলা সম্পৰ্কত ড° ধীৰেন দাসে গোৱালপাৰা জিলাত প্ৰচলিত বাঁশ বা বাঁহ পূজা সম্পৰ্কত লিখা কথাখিনিৰ ভঠেলি সম্পৰ্কত কিছু প্ৰাসংগিকতা উপলব্ধি কৰিব পাৰি ঃ "গোৱালপাৰা জিলাত প্ৰচলিত বাঁশ পূজাৰ গীতক প্ৰধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি— বাঁশ পৰ্ব আৰু ভাং পৰ্ব। ভাং পৰ্বৰ কোনো বিভাগ নাই। কিন্তু বাঁশ পৰ্ব কেইবাটাও বিভাগৰ সমষ্টি। যেনে— বাঁশ সৃজন, চোঁৰৰ সৃজন, কাপোৰ সৃজন, মদন কামেৰে বাঁশ আৰু বাঁশ খেলা।" ভঠেলি বা পাৰ তোলাতো দুটা পৰ্ব থাকে পাউৰা বা পাৰ ৰূপী বাঁহ পূজন আৰু

ভঠেলি গৃহ ভাঙন। নামনি অসমৰ অবিভক্ত কামৰূপ জিলাৰ অন্তৰ্গত গন্ধিয়া, বেলশৰ, চামতা, বিহামপুৰ, পিপলিবাৰী, জাগাৰা, খাগ্ৰাআৰ, অৰৰা, বালিলেচা, বৰকুৰিহা, কালাগ, মৌৰা, অময়াপুৰ, চান্দকুছি, কালাকুছি, চৈৰা, বৌমাৰি, আৰাংমৌ, উলাবাৰি, বড়কুছি আদিত পাৰ তোলা বা ভঠেলি ব'হাগৰ যি কোনো দিনত অনুষ্ঠিত হয়। এই ভঠেলি উৎসৱত নানা কাপোৰ, চোঁৱৰ আদিৰে সুসজ্জিত দুডাল বাঁহক (পাৰ বা পাউৰা) ৰাজহুৱা স্থান, মন্দিৰ প্ৰাংগণত পূজা কৰে। বৈকুণ্ঠ ৰাজবংশীয়ে লিখিছে ঃ 'ভঠেলিৰ দুটা পাৰৰ এটা চুটি আৰু আনটো দীঘল। দীঘল পাৰটোক দৰা আৰু চুটি পাৰটোক কইনা বুলি কোৱা হয়। যিখন গাঁৱত ভঠেলি উৎসৱ পতা হয় সেইখন গাঁৱে দীঘল পাৰটো পোতে, আন গাঁৱৰ ডেকাই কইনা পাৰটো স্থাপন কৰেহি।' বাঘমাৰা অঞ্চলত পাৰৰা তোলাৰ সময়ত আইদেউসকলে গোৱা এটি গীতৰ কিয়দংশ হ'ল ঃ 'পাৰোৱা পাৰোৱা সাবাতকৈ চৰোৱা/অ' ৰাম, আচুলি বাঁহেৰে মাজে অ' ৰাম//আজিহে পৰিলি মনুষ্যৰ হাতে/ অ' ৰাম, ন ন কাচানা কাচে, অ' ৰাম//ঝুন ঝুন তুল্যা টেঙাৰ ফুল/আমাৰ পাউৰাৰ ৰূপ দেখি ৰাইজে গেইছি ভুল// ....'। পাউৰা বা পাৰ থকা ঠাইৰ ওচৰতে কলপাতৰ সৰুকৈ ঘৰ সাজি তাত বিগ্ৰহ স্থাপন কৰা হয়। এই ভঠেলি ঘৰত ৰাইজে ভক্তিভাৱে পূজা-অৰ্চনা কৰি নৈবেদ্য আগবঢ়ায়। 'ভঠেলি উৎসৱৰ দিনা গধূলি দুদল লোকে কাঠ-বাঁহৰ অস্ত্ৰ লৈ ভঠেলি গৃহৰ ওচৰলৈ যায়। এই ভঠেলি গৃহটো ভঙা-নভঙা লৈ দুই দলৰ মাজত মিছা অভিনয় অনুষ্ঠিত হয়। অৱশেষত সবল বুলি পৰিচিত দলটিয়ে সুনিৰ্দিষ্ট গীত-পদ গাই ভঠেলি গৃহটো ভাঙি তাত থকা পা-পইছাবোৰ লৈ যায়।' (উৎস গ্ৰন্থ 'অসমীয়া সংস্কৃতিৰ কণিকা') কিছুমান ঠাইত এই ভঠেলি গৃহটো পানীত উটুৱাই দি বেমাৰ-আজাৰ আঁতৰলৈ পঠোৱাৰ কামনা কৰে। আকৌ ভঠেলিত পাৰৰ গুৰিৰ মাটি আনি পাৰ চৰাইৰ বাহত দিলে বেমাৰ-আজাৰ নাশ হয় বুলি বিশ্বাস কৰা হয়। বেমাৰ-আজাৰ, মাৰি-মৰক নাশৰ কাৰণে বসন্ত ঋতুৰ সময়ছোৱাতে মনসা দেৱীক পূজা কৰা হয় বা মাৰে পূজা অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত হয়। গতিকে ভঠেলিৰ আয়োজনৰ জৰিয়তে বেমাৰ-আজাৰ নাশৰ কামনাৰ উদ্দেশ্যধৰ্মী দিশটোৰ স'তে মনসা পূজাৰ এক সম্পৰ্ক আছে। দেৱী মনসা বেমাৰ-আজাৰ নাশৰ দেৱী। এই প্ৰসংগতে দৰঙৰ অন্তৰ্গত হবিশিঙাৰ ওচৰৰ অম্বাগাঁৱৰ উত্তৰে অৱস্থিত ওদোলা গাঁৱৰ বাঁহ পূজা আৰু বিয়াৰ কথা উল্লেখ কৰিব পাৰি। এই উৎসৱত এজোপা বাঁহত বিভিন্ন ৰঙৰ কাপোৰ মেৰায়। লগতে কাঠেৰে নিৰ্মিত আন এডাল ডাঙৰ শীৰ্ষভাগ ৰুমাল, গামোচা আদিৰে সুসজ্জিত কৰি উভয়কে গাঁও ঘূৰাই ৰাজহুৱা গোসাঁইঘৰৰ চোতালত উভয়ৰে বিয়া

আনুষ্ঠানিকভাৱে পাতে। ইয়াৰে বাঁহডাল বেউলা আৰু স্তম্ভডাল লখিন্দাৰৰ প্ৰতীক। দুয়োডাল একেলগ কৰি বিয়া পতাক লম্‌জা কৰাও বোলে। উল্লেখযোগ্য যে এই গাঁৱতে মনসা দেৱীৰ লগত সম্পৰ্কযুক্ত কাহিনীৰ চৰিত্ৰ বেউলাৰ জন্ম হৈছিল বুলি আৰু চান্দ সদাগৰৰ পুত্ৰ লখিন্দাৰৰ স'তে বিয়া হৈছিল বুলি কিংবদন্তি প্ৰচলিত আছে। বিয়াৰ অন্তত বাঁহডাল পানীত ভাঙি-ছিঙি উটুৱাই দিয়ে। লম্‌জা পালন কৰা হয় মাৰি-মৰক নাশৰ বাবে। পাৰ তোলাৰ লগত বৈষ্ণৱ ধৰ্মৰ ইতিহাস সোমাই আছে উত্তৰ কামৰূপৰ গোবিন্দপুৰত। ইয়াত সত্ৰীয়াভাৱে পাউৰা উত্তোলন কৰা হয়। এই সম্পৰ্কে 'অসমীয়া সংস্কৃতিৰ আভাস' গ্ৰন্থত আছে ঃ 'গোবিন্দপুৰ সত্ৰ প্ৰতিষ্ঠাৰ পূৰ্বে এই অঞ্চল জনজাতি অধ্যুষিত অঞ্চল আছিল। জনজাতিসকল আদিতে বৈষ্ণৱ নাছিল, তেওঁলোক আছিল শিৱ-পাৰ্বতীৰ পূজক। তেওঁলোকে ব'হাগৰ ষষ্ঠ দিনত শিৱ-পাৰ্বতীৰ প্ৰতীক বাঁহ পূজা অনুষ্ঠিত কৰিছিল। দামোদৰদেৱে অনুগত শিষ্য ভগৱানদেৱক জনজাতি অধ্যুষিত উত্তৰ কামৰূপত নৱ বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ নিৰ্দেশ দিয়ে। ভগৱানদেৱে গোবিন্দপুৰত সত্ৰ স্থাপন কৰি বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবলৈ অগ্ৰসৰ হয় যদিও শিৱ-পাৰ্বতীৰ পূজক জনজাতিসকলৰ পৰা বাধা পাবলৈ ধৰে। তেওঁ পুনৰ ঘূৰি গৈ গুৰুৰ ওচৰত ইয়াৰ সমাধান বিচাৰে। দামোদৰদেৱে শিৱ-পাৰ্বতীকো সত্ৰায়িত কৰিবলৈ নিৰ্দেশ দিয়ে। তেতিয়া তাত শিৱ-পাৰ্বতীৰ প্ৰতীক পাৱৰাক সত্ৰায়িত কৰা হ'ল অৰ্থাৎ গোবিন্দপুৰ সত্ৰত বৈষ্ণৱ ৰীতিৰে শ্যামৰাইৰ চৰণ প্ৰান্তত পাৱৰাৰ শীৰ্ষভাগ স্পৰ্শ কৰায় অৰ্থাৎ প্ৰণিপাত কৰাই সমূহ বৈষ্ণৱৰ উপস্থিতিত পাৱৰা তোলা হ'ল। এই অঞ্চলৰ জনজাতিসকলে বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিলে আৰু গোবিন্দপুৰত সত্ৰায়িতভাৱে পাৱৰা তোলা পৰম্পৰা আৰম্ভ হ'ল। এই পৰম্পৰা অবিচ্ছিন্নভাৱে বৰ্তমানো চলি আছে। গোবিন্দপুৰত পাৱৰা উত্তোলনৰ সময়ত আজিও 'জয় পাৰ্বতীক চিন্তি হৰিবল হৰিবল' বুলি হৰিধ্বনি দিয়ে। মহিলাসকলে পাৰ্বতীৰ নাম গায়। গঙ্গিয়া, বেলশৰ, চামতা, বিহামপুৰ আদি ঠাইৰ ভঠেলিত পাৰ বা পাউৰা গোটেই গাঁওখন ঘূৰাই মন্দিৰৰ ওচৰত, চাৰি চক, তিনি চক বা ৰাজহুৱা স্থানত প্ৰতিষ্ঠা কৰে। এইবোৰ ঠাইত পাৰ চাৰি-পাঁচডাল পৰ্যন্ত হয়।

বৈকুণ্ঠ ৰাজবংশীয়ে লিখিছে ঃ 'ভঠেলি' শব্দৰ আতিগুৰি সম্বন্ধে বহুজন পণ্ডিতে ভিন ভিন মত আগবঢ়াইছে। বিহগী কবি ৰঘুনাথ চৌধাৰীৰ মতে 'ভঠেলি' শব্দটো 'ভূঁইথলী' শব্দৰ পৰা আহিছে। আন কিছুমানৰ মতে 'ভাটিয়ালী' শব্দৰ পৰা এই শব্দটো আহিছে। ড° বাণীকান্ত কাকতিৰ মতে 'ভঠেলি' শব্দটো আকাশ বুজোৱা ভম্বলিকা শব্দৰ পৰা আহিব পাৰে বুলি অনুমান কৰে। ভঠেলিগৃহ পানীত উটুৱাই

দিয়া, পাৰই আকাশলৈ বুলি মুৰ দোঁৱাই থকা আদিৰ মাজত উপৰোক্ত মতবোৰ তাৎপৰ্য হয়তো লুকাই আছে।

বাঁশ পূজা

অবিভক্ত গোৱালপাৰা জিলাত অনুষ্ঠিত হয় আড়ম্বৰপূৰ্ণভাৱে বাঁশ পূজা। পৰেশ হাজঙে লিখিছে ঃ 'বাঁহ পূজা বা বাঁশ পূজা অসম আৰু উত্তৰবংগৰ আন ভালেমান ঠাইত আছে যদিও গোৱালপাৰাৰ দক্ষিণাঞ্চলৰ আৰু গাৰো পাহাৰ জিলাৰ হাজংসকলৰ মাজত ব্যাপকভাৱে ইয়াৰ প্ৰচলন থকা দেখা যায়। এই পূজাৰ দেৱতা মদন কাম বা গোপাল (কৃষ্ণ) বুলি কোৱা হয় যদিও এই পূজা তিনিডাল বাঁহেৰে কৰা হয় কাৰণে তেওঁলোকে ইয়াক বাঁশ (বাঁহ) পূজা বুলি কয়। দীঘল দীঘল দুটা বাঁহ চাঁচি-চুৰুকি পোন কৰি এডালত ৰঙা আৰু এডালত বগা কাপোৰ মেৰিয়াই লৈ ওপৰত চৌৰৰ বান্ধি দি থিয় কৰাই ৰাখে।' সেই বাঁহ কাষতে আন এডালত জাকৈ, খালৈ আৰু অৰ্ধভগ্ন নাঙল আঁৰি থোৱা হয়। বাঁহ তিনিডালৰ গুৰিত তিনিদিন ধৰি নৈবেদ্য, নৃত্য-গীতেৰে পূজা চলে। এই পূজাত প্ৰচলিত গীত সম্পৰ্কে ড° নাৰায়ণ দাসে লিখিছে ঃ 'নাৰীৰ প্ৰৱেশ বন্ধ এই পূজাত (বাঁহ পূজাত) বাঁহৰ জন্মৰ পৰা চিতা নিৰ্মাণলৈকে সমস্ত কথাকে গীত আৰু নৃত্যৰ যোগেদি প্ৰকাশ কৰাটো বাঁশ পূজাৰ আকৰ্ষক দিশ।' বিশিষ্ট সাহিত্যিক ড° বীৰেন্দ্ৰনাথ দত্ত সম্পাদিত 'চিফুং-গুংগাঙ'ত আছে বাঁশ পূজাৰ গীত— (১) 'দাদাৰে দাদা/বিয়া দে মোৰে/ভাল কইনাটা নিয়া গেল পৰে/নাথাকিম মুই ওৰে দাদা/বিয়া নেদেয় ঘৰতে/যাম দাদা মই শালকচাবলৈ// (২) কাশিয়াৰ তলে তলে/ইলুৱাৰ তলে তলে /মোৰ বন্ধু গছা হৈয়ে যায়/মইষাল গলীমেৰ বেটী/মথাতে চৰিয়াছে/মোৰ বন্ধু কমৰ হেলে যায়//(৩) যাপোৰা নদীৰ কুলে কুলে/মাছতে চড়ায়ৰে হাত/মাছতেৰ স্বৰূপ দেখি/ভাল নাৰীটা দিল জাতি/হালাউ হালাউ কৰে দুধেৰ ঘটী//'

এনেকৈ বিভিন্ন গীত-মাত গাই, নৃত্য কৰি শেষৰ দিনা গধূলি পূজা মণ্ডপৰ পৰা বাঁহ দুটা উভালি নৈত গা ধুৱাবলৈ নিয়ে। এই সময়তো গীত গোৱা হয়। এইদৰে গোৱা বাঁশ পূজাৰ গীত সম্পৰ্কে এখনি গ্ৰন্থত আছে ঃ 'গীত গোৱা ব্যক্তিজনক 'গীতাল' বোলে। বাকী আনকেইজনমান গায়ক থাকে। গীতাল সন্মুখত থাকে। বাকীকেইজন গায়ক তেওঁৰ পাছত থাকে। প্ৰথমতে দেৱ-দেৱীৰ বন্দনা আৰু স্তুতি গীত গোৱা হয়। পাছত ধৰ্মমূলক গীত গায়। ইয়াৰ পাছতে ধেমেলীয়া গীত গোৱা হয়।'

ড° ভৃগুমোহন গোস্বামীয়ে লিখিছে ঃ 'বাঁহ পূজা বুজাবলৈ 'মদন কাম' শব্দটো ব্যৱহাৰ হয়। এই বাঁশ বা বাঁহ পূজা ব'হাগত হয়। প্ৰাচীন ত্ৰিপুৰাত যি মদন পূজা হৈছিল সেই পূজাও ব'হাগত হোৱা বুলি 'ত্ৰিপুৰা বুৰঞ্জী'ত পোৱা যায়।' ড° সূৰ্যকুমাৰ ভূঞা সম্পাদিত 'ত্ৰিপুৰা বুৰঞ্জী'ত আছে ঃ 'পাছে বৈশাগৰ ১০ দিন যাওঁতে কৃষ্ণা ত্ৰয়োদশীত মদন পূজাৰ অধিবাস কৰিলে। সেইদিনা তাৰ দেশৰ মানুহক যাক যি নিয়মে দিব লাগে কুহুম্বলীয়া কৰি বঁটা বাহন দিয়ে।........ তাৰ পিছদিনা কল পটুৱাৰ চৌচলি কৰি ঘৰ এটা সাজে। তাতে মৃতিকাৰ কামদেৱৰ মূৰ্তি সাজি পূজা কৰে।' এই মদন কামদেৱক মদন কামদেৱ বাঁশ আৰু ভগৱতী বাঁশ হিছাপেও জনা যায়। মদন কামদেৱ আৰু ভগৱতী পূজাত বাঁশ পূজা হয়। বাঁহক মংগোলীয় সংস্কৃতিৰ অৱদান হিছাপে গণ্য কৰা হয় বাবে বাঁহকেন্দ্ৰিক উৎসৱ-পাৰ্বণত মংগোলীয় সংস্কৃতি সোমাই আছে। 'অসমৰ নাট্য-নৃত্য কলা' গ্ৰন্থত আছে ঃ 'গোৱালপাৰা জিলাৰ বাঁহ পূজাক মদনকাম উৎসৱ বুলিও জনাজাত। এয়া ইণ্ডো-মংগলয়ড সংস্কৃতিৰ অৱদান বুলি পণ্ডিতসকলে কয়। এই অনুষ্ঠানৰ বাঁহকেইডাল লৈ ঘৰে ঘৰে কেইবাজনেও নাচি ফুৰে। ঢাক, ঢোল, সানায় আৰু কাঁহী বজোৱা হয়। গোৱালপাৰাৰ মুছলমানসকলে এই উৎসৱক 'মদন' বোলে। এই বাঁশ পূজাৰ গীত-নাচত পুৰুষসকলেই ভাগ লয়।' গোৱালপাৰাৰ পশ্চিম অঞ্চলত মহা পয়োভৰেৰে উদ্‌যাপিত বাঁশ পূজাক ড° ধীৰেন দাসে চাৰিটা উপভাগত বিভক্ত কৰিছে—মদন কাম, মদন কামদেৱ, চাতালি বাঁশ আৰু অকাল বাঁশ। 'শিৱানন্দ শৰ্মাৰ দৃষ্টিত মদন কাম পূজা প্ৰকৃততে লিংগ পূজা। কিছুমান ঠাইত এই পূজাক মাদাৰ, মীদাৰ বা দাকা পূজাৰূপে মুছলমানসকলে কৰে। প্ৰথমতে এহাল নিঃসন্তান মুছলমান দম্পতীয়ে সভক্তিৰে এই পূজা কৰি সন্তানৰ মুখ দেখিছিল বুলি জনশ্ৰুতি প্ৰচলিত আছে। মাদাৰ দেৱতাৰ প্ৰতীকৰূপে বহু থানত এডাল বাঁহ পোতাটো তাৎপৰ্যপূৰ্ণ।

বাঁহ পূজাক মদন পূজাৰ লোক তাণ্ডৰণ বুলিব পাৰি। কাৰণ বাঁহ পূজাৰ লগত মদন পূজাৰ অনেক মিল আছে। মদনোৎসৱ পালন কৰা হয় মদন ত্ৰয়োদশীৰ দিনা। আকৌ মদন চতুৰ্দশীৰ দিনা ৰত্নপীঠত উদ্‌যাপিত হয় বাঁশ পূজা। চ'তৰ শুক্লপক্ষৰ চতুৰ্দশী তিথিত দমন বৃক্ষৰ পল্লৱ প্ৰভৃতিৰে মদন কামদেৱক পূজা কৰাৰ বিধি পোৱা যায় 'সৌৰাগম' গ্ৰন্থত। তেনেদৰে বাঁহ পূজাও দৰাচলতে বৃক্ষ পূজাহে। মদনোৎসৱৰ আন এটা ৰূপ মদন-চৈতালি উৎসৱত মাধৱ, কেদাৰ আৰু কামেশ্বৰ এই তিনিজনা দেৱতাক লৈ নগৰ পৰিভ্ৰমণ কৰা কৰ্মত নৃত্য-গীতৰ উভৈনদী হয়। বাঁহ পূজাতো পাৰক গাঁও বা অঞ্চল পৰিভ্ৰমণ কৰোৱা হয়। তিৱাসকলৰ পূজাকো বাঁহ পূজা বুলিব

পাৰি। লাংখুন পূজা হয় কাতিৰ শেষত চাৰিদিন ধৰি। লাংখুন পূজা আৰম্ভ হোৱাৰ দিনৰ পৰা গীত আৰু নাচ হয়। খ্ৰাম, খোৱাং, ডগৰা আদি ৰাতিয়ে বজোৱা হয়। ডেকাসকলে ডেকা চাঙত গোটেই ৰাতি এই বাদ্য বজাই উজাগৰে থাকে। পূজাৰ সন্ধিয়ালৈ নাচ, গীত হোৱাৰ পাছত ৰাতি বিশেষ বিষয়াসকলৰ নাচ হয়। এই নাচ ভালেখিনি নিয়ম পালি কৰা হয়।

বাঁহ বা বাঁশ পূজা বসন্তকালীন উৎসৱ। বসন্তকালত প্ৰকৃতিজগত নানা ফুল-পাতেৰে ৰংচঙীয়া হয়। নানা চৰাই-চিৰিকটিৰ মাতেৰে উৎসৱৰ আলোড়ন উঠে। সেয়ে হয়তো এই পূজাত বাঁহক নানা ৰঙী কাপোৰ পিন্ধাই, মুকলি ঠাইত প্ৰকৃতি প্ৰাংগণত উৎসৱ পতা হয়।

দৰঙৰ দেউল : দৰঙত বাঁহৰ ওপৰত গুৰুত্ব আৰোপেৰে বিভিন্ন ঠাইত গোটেই ব'হাগ মাহ জুৰি দেউল উৎসৱ পালন কৰা হয়। ফাগুনৰ শেষত হোৱা দৌলযাত্ৰাৰ লগত মিল থকা দৰঙৰ দেউল উৎসৱত অনেক ধৰ্মীয় আৰু সাংস্কৃতিক উপাদান সোমাই আছে। ড° নবীনচন্দ্ৰ শৰ্মাই লিখিছে : 'দেউল পূজা বা উৎসৱৰ বাবে পোনতে প্ৰয়োজন হয় এটা দেউল অৰ্থাৎ টিলাৰ ৰূপত সজা এটি ওখ মাটিৰ টিপ। সম্ভৱ সংস্কৃত 'দেৱদল' শব্দৰ পৰা 'দেউল'ৰ বিকাশ হৈছে। দেউলৰ ভিঠি বা টিপটোৰ গাত থাকে সাতোটা খলপা বা থাক। কোনো কোনোৰ মতে এই সপ্ত খলপ সপ্ত স্বৰ্গৰ প্ৰতীক। দেউলৰ শীৰ্ষভাগত আধাৰশিলাসদৃশ এটা শিল প্ৰতিষ্ঠা কৰা হয়। অৱশ্যে এই শিলটো লৰচৰ কৰিব পাৰি। দেউল ভিঠিৰ চাৰি কোণত চাৰিডাল জাতিবাঁহ গুৰি-আগ নকটাকৈ (অৰ্থাৎ সম্পূৰ্ণ বাঁহডাল) পুতিব লাগে। বাঁহকেইডালৰ চাৰি মিটাৰমান ওপৰত এখন নাগপাশ বাঁহ চাৰিডালত বান্ধি আঁৰি ৰাখে। নাগপাশত চামৰ বা চৌৰৰ নাথাকে। এই বাঁহডালৰ লগতে একোটাকৈ ডাঙৰ কলপুলি কব লাগে। বাঁহ আৰু কলপুলিৰ লগতে জাতিবাঁহৰ দীঘল জেকনি চাৰিডাল বান্ধি দিয়া দেখা যায়। দেউল ভিঠিৰ দক্ষিণ দিশে নামনিত বিষ্ণু পূজাৰ বাবে ডাঙৰকৈ এটা বেদী নিৰ্মাণ কৰি ইয়াৰ চাৰিও কোণত চাৰিটা কলপুলি পোতে। বেদীৰ ওপৰত থাকে চামৰযুক্ত চন্দ্ৰতাপ। পিঠাগুড়ি, ফাকু, পতান, বেলপাত আদিৰ গুড়িৰে বেদীত মনোৰমকৈ মণ্ডপ দি ঘট, গন্ধ, দীপ, ধূপ-ধুনা আদিৰে শোভিত কৰা হয়। দেউল ভিঠিৰ সোঁমাজত দুয়োফালে মৎস্যসহ দুটা মগৰ সংযুক্ত এখন সিংহাসন প্ৰতিষ্ঠা কৰে। পূজাৰ আগমুহূৰ্তত দেউল ভিঠি আৰু দেউলখলা তুলসী গুৰিৰ মাটি, গোবৰ, গংগাৰ জল আৰু মৃত্তিকাদিৰে মচি, লেপি পবিত্ৰ কৰা হয়। দেউল খলাত এখন ধ্বজা দিব লাগে। দেউল পূজা উত্তৰকালে কৰা বিধেয়। পূজাৰ সময় সমাগত হোৱাৰ লগে

লগে পুৰোহিতে সিংহাসনখন মূৰত লৈ দেউলৰ ভিঠিৰ প্ৰতিটো থাকতে সাতবাৰকৈ মুঠতে কুৰিবাৰ প্ৰদক্ষিণ কৰি দেউলৰ শীৰ্ষভাগত উপনীত হয়গৈ। পুৰোহিতৰ আগে আগে পূজাকৰ্তাই হাতত চামৰ লৈ গৈ থাকে। দেউলৰ চূড়ান্ত স্থানলৈ গৈ বিষ্ণু বিগ্ৰহক যথা নিয়মে সিংহাসনত প্ৰতিষ্ঠা কৰি সেই সিংহাসন মূৰত লৈ পুনৰ পূজাৰী ব্ৰাহ্মণ পূজা স্থানলৈ নামি আহে আৰু নামনিত থকা বেদীটোত সিংহাসন প্ৰতিষ্ঠা কৰি বিধিপূৰ্বক পূজা আৰম্ভ কৰে। এই পূজাত কৃষ্ণ, বিষ্ণুক পূজা কৰাৰ লগতে ঐশ্বৰ্য-বৈৰাগ্য-জ্ঞানৰূপী ধৰ্ম, অনৈশ্বৰ্য-অবৈৰাগ্য-অজ্ঞানৰূপী অকৰ্ম, পৃথিৱীবহনকাৰী কূৰ্ম, অনন্ত, শক্তিৰূপিণী, পৃথিৱী, ক্ষীৰসিন্ধু, ৰত্নদ্বীপ, মণিমণ্ডল, কল্পতৰু বৃক্ষ আদিকো পূজা কৰে। দেউল পূজাৰ কৃতাঞ্জলি মন্ত্ৰত শ্ৰীকৃষ্ণ আৰু তেওঁৰ আধাৰভূতা শক্তিকো প্ৰাৰ্থনা কৰা বিধেয়। পূজাৰ অন্তত বিষ্ণু হোম অনুষ্ঠিত হয়। দেউল পূজাৰ পিছদিনা অৰ্থাৎ অধিবাসৰ দিনা 'মেষ দাহন' অৱশ্য কৰ্তব্য।' দেউল উৎসৱৰ সময়ত গোৱা এটি গীতৰ কিয়দংশ হ'ল—দিহা ঃ 'কানাই বংশী হৰে বালিত ৰইলা পৰি/ ৰাধিকাক লৈ যায় কলসী ভৰি//' পদ ঃ 'প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন/কানাই ...... পাৰি//সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ/কানাই...... পাৰি//' ...... দেউলৰ শেষত সন্ধিয়া সিংহাসন পুনৰ বিষ্ণু মন্দিৰলৈ নিয়ে। দৰঙৰ দেউল উৎসৱৰ কেইদিনত ওজাপালি, নাগাৰা নাম, খুলীয়া ভাওনা আদি পৰিৱেশিত হয়।

ষষ্ঠ ব'হাগৰ দিনা দৰং অন্তৰ্গত টংলাৰ সমীপস্থ পলাহগড়ত হোৱা বাঁহ বিয়াত শিব আৰু পাৰ্বতীৰ প্ৰতীকৰূপে দুডাল বাঁহক নানা ধৰণৰ, ৰং-বিৰঙৰ কাপোৰৰ দ্বাৰা সুসজ্জিত কৰি বিয়া পতা হয়। বিয়া শেষ হ'লে বাঁহ দুডাল নি পুখুৰীত উটুৱাই দিয়া হয়। আঠ ব'হাগত ইয়াতে অনুষ্ঠিত হয় বেউলা-লখীন্দাৰৰ বিয়া, য'ত সজাই পৰাই লোৱা দুটা পুতলাক গছৰ ডাল এটাত বান্ধি ৰাখি পাছত নমাই আনি বিয়া পাতি কলৰ দোনাৰে নিৰ্মিত মেৰঘৰত ৰাখে। আবেলি কলৰ দোনাত তুলি এই পুতলা দুটা উটুৱাই দিয়া হয়। ব'হাগৰ প্ৰথম বেজেৰাত বিভিন্ন ৰঙৰ কাপোৰৰ দ্বাৰা সুসজ্জিত দুডাল বাঁহক অৰ্জুন গছত তোলা হয়।

দৰঙৰ দেউল উৎসৱ সম্পৰ্কে ৰজনীকান্ত বৰুৱা ৰচিত 'দৰঙী কলা-কৃষ্টিৰ চমু কথা' শীৰ্ষক প্ৰবন্ধত আছে ঃ 'একাদশ শতিকাত শিয়লা বৈষ্ণৱৰ পিতৃ ধৰ্মদেৱ বিপ্ৰ ভূঞাই ছিপাঝাৰৰ ওচৰৰ বৰাবাৰী গাঁৱত সত্ৰ পাতি বসবাস কৰিছিল। তেৱেঁই পোন প্ৰথমতে বৰদেউলৰ ভেটি স্থাপন কৰি মণ্ডলদৈত দেউল উৎসৱ মহা পয়োভৰেৰে পালন কৰি থকা দেখা যায়। আচলতে ই বিষ্ণু পূজা। প্ৰথম অৱস্থাত ই হয়তো পূজা হিচাপেই চলি আছিল। কিন্তু পৰৱৰ্তী কালত মানুহৰ চিন্তা-চৰ্চাই ইয়াক উন্নত ৰূপলৈ

লৈ গ'ল আৰু মানুহৰ গতিশীল চিন্তা-চৰ্চাই ইয়াত মানৱ সমাজৰ ৰুচিকৰ অনেক ৰং-ৰহইচ আৰু আমোদ-প্ৰমোদ সন্নিৱিষ্ট কৰিলে। ফলত ই বৰ্তমানৰ দেউল উৎসৱত পৰিণত হ'ল। দেউলৰ ভেটিৰ সপ্ত থাকে সপ্তদ্বীপক বুজায়। অৰ্থাৎ ইয়ে মানুহৰ মনলৈ সপ্তমহী বা সাতখন পৃথিৱীৰ কথা আনি দিয়ে। দেউলৰ ভেটিত স্থাপন কৰা সিংহাসনৰ মগৰৰ ভাস্কৰ্যই সপ্ত সাগৰক বুজায়। মগৰ সাগৰত থাকে। মগৰৰ অৱস্থিতিয়ে মানুহক সপ্ত সাগৰৰ অৱস্থিতি মনলৈ আনে। বিশেষতঃ সৃষ্টিৰ মূলাধাৰ ভগৱান বিষ্ণু প্ৰলয় জলত অনন্ত শয্যাত অৱস্থিত কাৰণে তেওঁৰ ধাৰণা মানুহৰ মনলৈ যাতে সহজতে আহিব পাৰে তাৰ বাবে মগৰৰ চিহ্নযুক্ত সিংহাসন বিষ্ণুৰ বিগ্ৰহ দেউলৰ ভিঠাত প্ৰতিষ্ঠা কৰা হয়। আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীৰ মতে পণ্ডিত বেদাচাৰ্যই বাঁহ পূজা অথবা ভঠেলি উৎসৱক শুদ্ধি প্ৰক্ৰিয়াৰ সংযোগত দৌল পূজালৈ সমন্বয়ন কৰিবলৈ সক্ষম হৈছিল। বেদাচাৰ্যৰ দিনত দেউল পূজাৰ প্ৰসাৰ সীমিত আছিল। কিন্তু দৰঙী ৰজাসকলৰ দিনত ৰজাঘৰীয়া উৎসৱৰূপে স্বীকৃতি লাভ কৰি গোটেই দৰঙতে প্ৰসাৰতা লাভ কৰে। তেতিয়াৰে পৰা বৰ্তমানলৈ গোটেই ব'হাগ জুৰি দৰং আৰু পাতিদৰঙত দেউল উৎসৱ পালন কৰি অহা হৈছে।

পাৰ নৃত্য ঃ বাঁহ পূজাৰ অন্য এক ৰূপ পাৰ নৃত্য দক্ষিণ কামৰূপৰ পাতি ৰাভাসকলৰ মাজত প্ৰচলিত এক উৎসৱ। ব'হাগ বিহুৰ কালত বিশেষকৈ সুঁৱৰি উৎসৱত পাৰ নৃত্যৰ আয়োজন কৰা হয়। এই উৎসৱত পাৰৰূপে এডাল বাঁহক সজোৱাৰ কথা সূৰ্যকুমাৰ মজুমদাৰে লিখিছে ঃ 'চাৰিডাল নহলীয়া টমালেৰে খিলু তৈয়াৰ কৰি মৰাপাটেৰে গুৰিৰ পৰা আগলৈকে গুঠি বাঁহডাল গুৱনি দেখিবৰ বাবে চাৰি সিৰীয়া কৰা হয়। তাৰ ওপৰত ৰঙা ৰঙৰ কাপোৰ মেৰিয়াই...... ৰঙা, ক'লা আৰু সেউজীয়া তিনি ৰঙৰ প্ৰায় এবেগেত-ডেৰ বেগেত বহল কাপোৰেৰে সম্পূৰ্ণ বাঁহৰ তিনি ঠাইত কুচনী বন্ধা হয়। প্ৰত্যেক কুচনীত গোন্ধ চৌৰৰ দিয়া প্ৰয়োজন। তদুপৰি বাঁহডালৰ উপৰি মূৰত গোন্ধ চৌৰৰ আৰু গুৰিত জুনুকা পিন্ধাই সুসজ্জিত কৰি তাৰ মাজত দিব লাগে সেন্দূৰৰ ফোট।'

পাৰ বাঁহ সজাই-পৰাই লোৱাৰ পাছত পূজা-অৰ্চনা কৰা হয়। পূজাত এহাল পাৰ চৰাই, নৈবেদ্য, চাকি, বন্তি দিয়া হয়। প্ৰথমে লাঙামাৰা গোসাঁইৰ সন্মুখত সেৱা লৈ নচুৱাৰ পাছতহে অইন গৃহস্থৰ ঘৰলৈ পাৰ বাঁহ নচুৱাবলৈ নিয়া হয়। এই বাঁহ নচুৱাওঁতে থিয়কৈ ধৰি প্ৰথমে আগটো ঘূৰাই লৈ বাওঁহাতেৰে পাৰ চাৰিওফালে ঘূৰাব লাগে। পাৰ বাঁহ নচুওৱাৰ সময়ত ঢোল বজায় আৰু তাৰ তালে তালে হাতচাপৰি বজাই গায়— 'হো লি হায়; হায় হায় ঐ/ভুন পাউৱা ভুন/ভুলিবাকে লাগিছে/লোৱাৰ

বান্ধা ফুল/' নৱকান্ত অধিকাৰী ৰচিত 'দক্ষিণ কামৰূপৰ ঐতিহ্য' শীৰ্ষক গ্ৰন্থত আছে ঃ 'পাৰ বাঁহক নাগ দেৱতাৰ অনুৰূপ হিছাপে বিশ্বাস কৰা হয়। বাঁহডালৰ একেবাৰে আগত দুডাল চোঁৱৰ এনেদৰে সজাই দিয়া হয় যাতে সাপৰ জিভাৰ দৰে দেখি।'

পাৰ বাঁহ নচুৱাৰ পাছত ডেকাইঁতে নৈৰ পাৰলৈ গৈ বাঁহডাল থিয়ৈ থিয়ৈ পুতি থৈ আহে। সেইদিনা ডেকাইঁতে এই বাঁহডাল হাতেৰে হেঁচি কিমান পুতিব তাৰেই শক্তি পৰীক্ষা কৰে। সেইদিনা সকলোৱে প্ৰীতিভোজ খায়। পাৰ বাঁহ নৃত্যৰ উৎপত্তি সম্পৰ্কত কিংবদন্তি প্ৰচলিত আছে যে জনজাতি সম্প্ৰদায়ৰ দেৱতা লাঙামাৰা আৰু খক্চি দেৱীৰ তিনিজনী কন্যা হ'ল ক্ৰমে কছুৰী মাদল, হানাঘোঁৰা আৰু পাউৰা বাহ বা পাৰ বাহ। নুমলীয়া জীয়াৰী পাউৰাদেৱী মাক-বাপেকৰ অতি মৰমৰ আছিল। তেওঁ কাপোৰ বব জানিছিল আৰু নানা ৰং-বিৰঙৰ কাপোৰ পিন্ধি ব'হাগ বিহু আহিলে নাচি ফুৰিছিল। গতিকে পাউৰা দেৱীয়ে নানা ৰঙৰ কাপোৰ পিন্ধি নচাৰ সেই তাৎপৰ্যতে হয়তো পাৰক নানা কাপোৰ পিন্ধাই নচুৱা হয়।

সুঁৱৰি ঃ সুঁৱৰি দক্ষিণ কামৰূপৰ এটি বসন্তকালীন উৎসৱ। দক্ষিণ কামৰূপৰ বিভিন্ন ঠাইত সমগ্ৰ ব'হাগমাহ জুৰি বিভিন্ন দিনত হোৱা সুঁৱৰি উৎসৱত ধৰ্মীয় আৰু সাংস্কৃতিক উপাদান সোমাই আছে। 'সুঁৱৰি' শব্দটোৰ উদ্ভৱ হৈছে সংস্কৃত 'স্মৰণ' শব্দৰ পৰা। শিশুকৃষ্ণৰ শৈশৱৰ নন্দজায়া যশোদাৰ দধিমথন, কানাইৰ চাতুৰী, খেলা-ধূলা, আচাৰ-আচৰণ আদি এই উৎসৱৰ জৰিয়তে স্মৰণ বা সোঁৱৰণ কৰা গুণে ইয়াৰ নাম 'সুঁৱৰি উৎসৱ'। এই অনুষ্ঠানত এইবোৰ কিছুমান পৌৰাণিক ঘটনাৰ দৃশ্যপট অভিনৱ ৰূপত প্ৰদৰ্শিত হয়। বসন্তকালীন এই উৎসৱটোৰ উল্লেখযোগ্য ৰূপাংগকেইটা হ'ল— (১) দধিমথন অভিনয়, (২) দৰ্শকৰ দৰ্শনাৰ্থে থান-সত্ৰ আদিত সংৰক্ষিত বিগ্ৰহ মুকলি মঞ্চলৈ আনয়ন, (৩) বিভিন্ন ধৰণৰ মনোৰঞ্জক খেল-ধেমালি প্ৰদৰ্শন। উল্লিখিত বৈশিষ্ট্যকেইটি সকলো অঞ্চলৰ সুঁৱৰি বা স'ৰিহে দেখা যায়। জনজাতি অধ্যুষিত অঞ্চলত পাৰ নাচ আৰু হানা-ঘোঁৰাৰ নাচেৰে ৰাইজক আনন্দ দিয়াটো সুঁৱৰিৰ এটা বৈশিষ্ট্য। কিছুমানে সুঁৱৰিক দুটা ভাগত ভগায় স'ৰি আৰু স'ৰি ভঙা উৎসৱ। সুঁৱৰি উৎসৱৰ উৎপত্তি সম্পৰ্কে জনশ্ৰুতি প্ৰচলিত আছে যে ৰঙালী আৰু ভোগালী দুজনী বায়েক ভনীয়েক আছিল। ৰঙালী আৰ্থিকভাৱে দুৰ্দশাগ্ৰস্ত আছিল। তেওঁ ব'হাগৰ প্ৰথমৰ পৰা খুজি যিখিনি পায় সাতবিহুৰ দিনা মুকলি মনেৰে ভোজ-ভাত খায়। এই তাৎপৰ্যতে সুঁৱৰি উৎসৱ পতা নিৰ্দিষ্ট পথাৰত গোসাঁইৰ মূৰ্তিসমূহ ৰখা হয়। নৱকান্ত অধিকাৰীয়ে লিখিছে ঃ 'কেতিয়াৰে পৰা দক্ষিণ কামৰূপত সুঁৱৰি উৎসৱ পালন কৰি অহা হৈছে অথবা ইয়াৰ উৎপত্তি বা ব্যাপকতা সম্পৰ্কে কোনো

তথ্যভিত্তিক প্ৰমাণ এতিয়ালৈকে পোৱা হোৱা নাই। সাধাৰণতে দিনজোৱা কাৰ্যসূচীৰে সুঁৱৰি উৎসৱ দক্ষিণ কামৰূপত আড়ম্বৰপূৰ্ণভাৱে পালন কৰা হয় যদিও কোনো কোনো অঞ্চলত দুপৰীয়াৰ পৰা এই উৎসৱ আৰম্ভ হৈ এবেলাত শেষ হয়।' সাধাৰণতে গাঁৱৰ নামঘৰত এই উৎসৱ অনুষ্ঠিত হয় যদিও সুবিধা নথকা ঠাইবোৰত মুকলি পথাৰত আয়োজন কৰা হয়। নামঘৰত বিগ্ৰহসমূহ আসনৰ স'তে আনি সুঁৱৰি থলীৰ পূব দিশত এটা শাৰীত স্থাপন কৰা হয়। মূৰ্তিসমূহক গাখীৰ, মিঠাতেল আদিৰে ধুৱাই নৈবেদ্য আগবঢ়াই অনা হয়। বিভিন্ন গাঁৱৰ গোসাঁই মূৰ্তিসমূহক অনাৰ দৰে সুঁৱৰি থলীত স্থাপন কৰাৰ দৰে বিভিন্ন ঠাইৰ নামঘৰৰ পৰা মালা নিৰ্মালিৰে ঠগী অনা হয়। সুঁৱৰি থলীত কলৰ চাৰিটা পুলি পুতি তাৰ সোঁমাজত কলৰ দোনাৰে সুদৃশ্যকৈ সজা বেদীৰে দধিমথন মণ্ডপ সজা হয়। এই বেদীত জাক-জমকপূৰ্ণ পাঁচডাল মথনিমাৰি সংস্থাপিত হয়। এইদৰে ৰখা মাৰিকেইডালৰ তলত মাটিৰ টেকেলি একোটা ৰখা হয় যাতে ইয়াক ঘূৰাব পাৰি। মণ্ডপত পকা কলৰ থোক, মাখনৰ টেকেলি আদি আঁৰি থোৱা হয়। আবেলি পৰত আৰম্ভ হয় দধিমথন ভাওনা। এই ভাওনাত খুলীয়া দলৰ সহায়ত নাট মেলা হয়। ইয়াৰ লগে লগে ভলা দিয়া বা ঠগী দিয়া অনুষ্ঠানো পালন কৰা হয়। এই অনুষ্ঠানত কৃষ্ণ-বলোৰামৰ উপৰি বাৰগোপাল, নাৰদ, গৰ্গমুনি আৰু থাকে বান্দৰৰ ভাও দিয়া ল'ৰাকেইজনমান। ধৰ্মপ্ৰাণ ৰাইজে বাৰগোপাললৈ বিভিন্ন দ্ৰব্য আগবঢ়ায়। ওঁঠ বজাই বাৰগোপালে আশীৰ্বাদ দিয়ে। সুঁৱৰি থলীত নানা লোক-কৃষ্টি প্ৰদৰ্শন, লোককলা প্ৰদৰ্শন হয়। এইবোৰৰ ভিতৰত হানাঘোঁৰা নাচ, পাৰ বাঁহ নাচ, বড়ো কৃষ্টি, ৰাভা কৃষ্টি, বিহু হুঁচৰি, নাগাৰা নাম, ঘোষা নাম, থিয় নাম, মাৰে গীত, নেপালী নৃত্য, বহুবালি নৃত্য আদি প্ৰধান। খেল-ধেমালিসমূহ হ'ল তেল বাঁহ, হাতী যুঁজ, ৰচি টনা, ঘোঁৰা দৌৰ আদি। গধূলিৰ লগে লগে পথাৰলৈ অনা বিগ্ৰহবোৰ লৈ গাঁও ফুৰোৱা হয়। শেষত বিগ্ৰহসমূহ পুনৰ মন্দিৰলৈ নিয়া হয়।

ড° নবীনচন্দ্ৰ শৰ্মাই লিখিছে ঃ 'দক্ষিণ কামৰূপত ভঠেলিয়ে সুঁৱেৰি বা স'ৰিৰূপে ধৰা দিছে। বিভিন্ন সত্ৰৰ বিগ্ৰহবিলাক ৰাজহুৱা খলাত সমবেত কৰি প্ৰতিটো বিগ্ৰহৰ সম্মুখত দুডাল বা চাৰিডাল বাঁহৰ জেকনি পোতা হয়। জেকনি পোতা কাৰ্যই বাঁহৰ লগত থকা স'ৰি বা সুঁৱেৰি উৎসৱৰ সম্পৰ্কক সূচিত কৰে।'

বাঁহ পূজা দৰাচলতে বৃক্ষ পূজা ঃ বৃক্ষ বা গছৰ সৌন্দৰ্য, গাম্ভীৰ্য, ছাঁ প্ৰদান, মানুহক দৈনন্দিন জীৱনত নানা ৰকমে সহায়, গছৰ ৰহস্যাবৃত জীৱন পদ্ধতি আদিৰ বাবে মানুহৰ পৰা ভক্তি অতীতৰে পৰা বিভিন্ন ৰকমে লাভ কৰিছে। মানুহৰ মাজত

গছ-গছনিযুক্ত অৰণ্য, হাবি-বননি সম্পৰ্কে নানা কাহিনীৰ জন্ম দি ভাবিবলৈ বাধ্য কৰাইছিল গছ-গছনিত থাকে নানা অপদেৱতা, ভূত-প্ৰেত আদি। মানুহৰ মনত থিতাপি ল'লে হাবিত থাকে বন দেৱতা একোজন। তেওঁ মানুহৰ কল্পনাত মানব ৰূপ আৰু বৃক্ষ বৃক্ষ দেৱতা ৰূপ লয়। মানুহে ধাৰণা কৰি লয় বৃক্ষ দেৱতাই বৰষুণ আৰু সূৰ্যৰ পোহৰ দিয়ে। বৃক্ষ দেৱতাই বীজৰ পৰা জন্মায় শস্য আৰু তাৰ বৃদ্ধিত অৰিহণা যোগায়। বৃক্ষ দেৱতাৰ কৃপাত তিৰোতাই লাভ কৰে সন্তান। তিৰোতাৰ প্ৰসৱৰ প্ৰসংগতো বৃক্ষ দেৱতাৰ ভূমিকা ব্যাপক। গতিকে গছক প্ৰজনন কৃত্যৰ বাঁহৰ বিশেষ সম্পৰ্ক আছে বুলিব পাৰি। যিহেতু লোক-সংস্কৃতিত বাঁহক বৃক্ষৰূপে ধৰা হয় সেয়ে বাঁহ পূজাকে বৃক্ষ পূজাৰূপে অভিহিত কৰিব পাৰি। ঋগবেদত বৃক্ষক অৰ্থাৎ বনস্পতিক দেৱতা ৰূপে গণ্য কৰা হৈছে— 'অব সৃজা বনস্পতে দেব দেবেভ্যো হবিঃ/প্ৰদাতুৰস্তু চেতনম্/' বৃক্ষ পূজা ভাৰতৰ লগতে পৃথিৱীৰ বিভিন্ন দেশত হয়। ইউৰোপৰ কেল্টসকলৰ মাজত ওক গছক পূজা কৰাৰ ৰীতি প্ৰচলন আছে। আফ্ৰিকাৰ পূৰ্বাঞ্চলত বাস কৰা কোনো কোনো জাতিয়ে নাৰিকল গছত অপদেৱতা থাকে বুলি ভাবে। মলয় দ্বীপপুঞ্জৰ অধিবাসীসকলে গছৰ প্ৰজনন শক্তিৰ বাবে এক বিশেষ উৎসৱ পালন কৰে। ভাৰতবৰ্ষ বা অসমত নানা ধৰণৰ গছক নানা ধৰণে পূজা কৰা হয়।

বেলগছৰ তলত শিৱ-পাৰ্বতী থাকে বুলি ভবা হয়। সেই কাৰণে বেলগছক ভক্তি যচাৰ লগতে ইয়াৰ তলত শিৱলিংগ প্ৰতিষ্ঠা কৰি, মন্দিৰ সাজি পূজা-অৰ্চনা কৰে। বেলপাত, বিল্বফল পূজাৰ কৰ্মত লগোৱা হয়। কদম গছত কৃষ্ণই উঠি বাঁহী বজাইছিল। ভাৰতৰ বিভিন্ন অঞ্চলত নিম গছক পূজা কৰা হয়। তুলসীক বিভিন্ন ৰকমে ভক্তি যচা হয়। পূজাত তুলসীৰ পাত অপৰিহাৰ্য। ধানগছক লখিমী ৰূপে গণ্য কৰা হয়। আমগছৰ আগ পূজাৰ ঘটৰ ওপৰত দিব লাগে, মনসা পূজাত সিজু গছকো পূজা কৰা হয়। বড়ো জনজাতিয়ে সিজুক বাথৌ দেৱতা (মহাদেৱ) ৰূপে সেৱা কৰে। তেনেদৰে বাঁহ গছকো সমগ্ৰ ভাৰতত্তে পূজা কৰা ৰীতি প্ৰচলিত আছে। অসমত বাঁহ পূজাৰ জৰিয়তে বাঁহক শ্ৰদ্ধা-ভক্তি যচা হয়।

প্ৰাচীন অসমৰ খেল-ধেমালি

খেল-ধেমালিসমূহ যে কেৱল মানুহৰ অৱসৰ-বিনোদনৰ মাধ্যম তেনে নহয়, ইয়াৰ জৰিয়তে ব্যক্তিৰ মানসিক উৎকৰ্ষ সাধনো হয়। খেল-ধেমালিসমূহত প্ৰকাশ পোৱা খেলুৱৈসকলৰ বুদ্ধিদীপ্ততা, তৎপৰতা, একাগ্ৰতা আদিৰ জৰিয়তে হোৱা মানসিক উৎকৰ্ষ সাধনৰ দ্বাৰা ব্যক্তিগত জীৱনৰ লগতে সমাজৰো প্ৰভূত উন্নতি সাধন হয়। সুদক্ষ খেলুৱৈসকল দেশ তথা জাতিৰ সম্পদ।

অসমত যোৱাটো শতিকাৰ প্ৰায় আশীৰ দশকলৈ জাতি-জনজাতিৰ মাজত অনেক থলুৱা খেল-ধেমালিৰ প্ৰচলন আছিল। আমাৰ দেশত আবহমান কালৰ পৰা প্ৰচলিত হৈ অহা কিছুমান খেল-ধেমালিয়ে মধ্যযুগত ৰাজপৃষ্ঠপোষকতা লাভ কৰিছিল। প্ৰাক্-শংকৰী যুগৰ কবি মাধৱ কন্দলি ৰচিত ৰামায়ণৰ লংকা কাণ্ডত ৰাক্ষসবোৰৰ মাজত প্ৰচলিত যিবোৰ খেল-ধেমালিৰ বৰ্ণনা আছে সেইবোৰ অসমত চতুৰ্দশ শতাব্দীত প্ৰচলিত আছিল। উক্ত গ্ৰন্থখনত থকা খেল-ধেমালিসমূহ হ'ল ঃ ঘিলা, গোৱাল-গোৱালী, ঝুণ্টি, আকুটি, ভ্ৰুকুটি খেড়ি, টোকোৰা, টোপ খেড়ি, দলি যুঁজ, পাশা, ফলমূল খেল, ভণ্টা, মালযুদ্ধ আদি।

পুৰণি কালত অসমত প্ৰচলিত অনেক খেল-ধেমালি এতিয়া লুপ্তপ্ৰায়। অৱশ্যে কিছুমান খেল-ধেমালি অঞ্চল বিশেষে বিশেষকৈ জনজাতিসকলৰ মাজত প্ৰচলিত আছে। অতীত অসমত প্ৰচলিত কেতবোৰ খেল-ধেমালিৰ বিষয়ে তলত চমু বিৱৰণ দিয়া হ'ল ঃ

ঢোপ খেল ঃ গৰখীয়া ল'ৰাইতৰ মাজত এইবিধ খেলৰ ব্যাপক প্ৰচলন আছিল। এইবিধ খেলৰ বিষয়ে 'অসমীয়া সংস্কৃতিৰ কণিকা' গ্ৰন্থত ড° নাৰায়ণ দাসে লিখিছে ঃ 'গামোচা বা আন কাপোৰেৰে গোলাকাৰকৈ এটা টোপোলা বান্ধি নেজৰ দৰে গামোচাখনৰ আঁচল এটা উলিয়াই আনিব লাগে। আঁচলটোত ধৰি টোপোলাটো দলিওৱা হয় বাবে তাৰ নাম 'ঢোপ'। এই খেল দুটা দলৰ মাজত অনুষ্ঠিত হয় আৰু প্ৰতিটোতে ১০-১২ জনকৈ ল'ৰা থাকে। একাধিক নিয়মেৰে এই খেলা খেলিব পাৰি। যেনে— (ক) দলটোৰ মাজত দুটা চিন থাকিব। যি কোনো এটা দলে আনটো দলটোলৈ ঢোপ দলিয়াব। মাটিত পৰাৰ আগতে ধৰি বিপক্ষৰ এজনে ঢোপটো ধৰিব পাৰে তেন্তে তেওঁৰ কাষে থকা চিনটোৰ ওপৰত থিয় হৈ আনটো চিনৰ ওপৰত থিয় হৈ

অনা প্ৰতিপক্ষৰ এজনৰ গাত ঢোপটো লগাব। এইদৰে দুয়োটা দলে বিপক্ষৰ খেলুৱৈ সংখ্যা কমাবলৈ যত্ন কৰে। যদিহে 'সৈয়া'জন ইফালৰ পৰা মাৰি পঠোৱা ঢোপ ওপৰতে ধৰি বিপক্ষৰ ল'ৰাইঁতে চুব নোৱৰাকৈ লৰি আপোন পক্ষৰ চিনৰ ভিতৰ পাব পাৰে তেন্তে তেওঁ নিজৰ দলৰ ঘাই হয়হি। গতিকে 'ঘাই'ৰ কাম হ'ল ঢোপ ওপৰতে ধৰি বিপক্ষৰ দলৰ খেলুৱৈৰ সংখ্যা কমোৱা আৰু 'সৈয়া'ৰ কাম হ'ল বিপক্ষৰ ঘাইসকলক ঢোপ ধৰিবলৈ নিদি নিজে ওপৰতে ধৰি কোনোৱে চুব নোৱৰাকৈ লৰি আহি আপোন দলত প্ৰৱেশ কৰা। এইদৰে খেলি থাকোতে যিটো দলৰ ঘাই নোহোৱা হ'ব সেই দলে হাৰিব। (খ) দুয়োটা দলৰ মাজত চিন থাকে এটা। প্ৰথমে এজনে মাৰি পঠোৱা ঢোপটো দ্বিতীয় পক্ষই ওপৰতে ধৰিব পাৰিলে প্ৰথম দলৰ এজন দ্বিতীয় পক্ষলৈ 'বান্দা'ৰূপে গৈ পাছত থিয় দিব লাগে। প্ৰথম দলৰ পৰা মাৰি পঠোৱা ঢোপটো যদি বান্দাই ওপৰতে ধৰি প্ৰতিপক্ষই চুব নোৱৰাকৈ লৰি আহি সৌমাজত চিন অতিক্ৰম কৰি নিজৰ দলত প্ৰৱেশ কৰিব পাৰে তেন্তে তেওঁ মুক্তি পায়। ঢোপটো যিটো দলত থাকে সেইদলে বিপৰীত দললৈ দলিয়ায়। এনেদৰে খেলি থাকোতে যি দলৰ 'বান্দা' নোহোৱা হয় সেই দলে হাৰে। কাপোৰেৰে ঢোপ সজাৰ উপৰি কিছুমান ঠাইত ধানৰ কঠীয়াৰে (কাপোৰেৰে সজা) ধৰণেৰে সজা ঢোপৰ দ্বাৰা খেল খেলিছিল। এইবিধ খেল পশ্চিম নলবাৰী অঞ্চলত প্ৰচলিত আছিল।

হাউ খেল ঃ হাউ বা হাদুগুদু খেল হ'ল এবিধ সৰ্বভাৰতীয় খেল। ল'ৰা আৰু ছোৱালীয়ে এককভাৱে হৈ অৰ্থাৎ ল'ৰাই ল'ৰাৰ স'তে আৰু ছোৱালীয়ে ছোৱালীৰ স'তে এইবিধ খেল খেলে। সমানসংখ্যক খেলুৱৈ থকা দুই পক্ষৰ মাজত এই খেল খেলা হয়। দুয়োটা পক্ষৰ মাজত এডাল চিন দিয়া থাকে। এটা দলৰ এজন খেলুৱৈয়ে 'হাদুগুদু' মানে বান্দৰৰ পোৱালি' বা 'হা....উ......উ' আদি গায় বিপৰীত পক্ষলৈ যায় আৰু একে উশাহে সেই পক্ষৰ খেলুৱৈক চুই নিজৰ দলটো থকা সীমাত প্ৰৱেশ কৰিব পাৰিলে বিপৰীত পক্ষৰ ছোৱাজন বা ছোৱাসকল মৰে। আনহাতে, হাউ মৰাজনক যদি বিপৰীত পক্ষৰ খেলুৱৈসকলে ধৰি নিজৰ সীমাত উশাহ সলোৱালৈকে ধৰি ৰাখিব পাৰে তেন্তে সেই খেলুৱৈজন মৰে। প্ৰথম দলৰ এজনে হাউ মৰাৰ পাছত দ্বিতীয় দলৰ এজনে হাউ মাৰিব অৰ্থাৎ 'হাদুগুদু মানে.......' বা হা....উ.....উ' গাই প্ৰথম পক্ষলৈ যাব পাৰে। এইদৰে খেলোতে যিটো দলৰ ল'ৰা মৰি শেষ হয় সেইটো দল খেলত পৰাজিত হয় আৰু আনটো দল জিকে। এয়া 'মতা হাউ'। 'নামাতা হাউ'ত খেলুৱৈসকলে মুখেৰে নমাতকৈ হাউ মাৰে। এনে অৱস্থাত যদি বিপৰীত পক্ষৰ খেলুৱৈয়ে সেই খেলুৱৈজনক ধৰি ৰাখি 'ভাকুত কুতাই' মাত উলিয়াব পাৰে তেন্তে

তেওঁ মৰা পৰে। আনহাতে, ধৰি ৰাখোতে যদি হাউ মৰাজনে নিমাত্ত থকা অৱস্থাত ধৰি ৰখাসকলক নিজৰ পক্ষলৈ আনিব পাৰে তেন্তে তেওঁলোক মৰা পৰে।

বন্ত্যা হাউ : ড° নাৰায়ণ দাসে এই খেল বিধৰ বিষয়ে লিখিছে : 'বন্ত্যা হাউ হ'ল হাউ খেলৰে প্ৰকাৰভেদ। ই বঙ্গালী অঞ্চলৰ জনপ্ৰিয় খেল। দুটা দলত সমান সংখ্যক ল'ৰা থাকে। ইয়াৰে এটা খেদা আৰু আনটো দৌৰা দল। খেদা দলটোৱে এটা মূল ঘাইত থাকিব লাগে। মূলৰ অলপ দূৰত থাকে এটা গৌণ ঘাই। ইয়াৰে নাম 'বন্ত্যা হাউ'। খেল আৰম্ভ হোৱাৰ লগে লগে খেদা দলটোৱে এজন নি হাউ মাৰি বন্ত্যাত বহুৱাই থৈ আহে। তাৰ পাছত মূল ঘাইৰ পৰা এজনে হাউ মাৰি খেদা দলটোৰ ল'ৰাইতক খেদি লৈ যায়। বাটত যাকে চুব পাৰে সি মৰে। আনহাতে, খেদি যোৱাজনে যদি উশাহ সলায় আৰু দৌৰা দলৰ কোনোৱে যদি তাক থিয় হৈ থকা অৱস্থাত চুব পাৰে তেন্তে সি মৰা পৰে। খেদাজনে উশাহ সলাব লগা হ'লে মাটিত বহি পৰে। তেতিয়া ঘাইৰ পৰা নিজৰ দলৰ খেলুৱৈয়ে একে উশাহে হাউ মাৰি তাক লৈ আহিব পাৰে। দৌৰা দলৰ এজন খেলুৱৈ মৰাৰ পাছত যদি বন্ত্যাত থকা ল'ৰাজনে দৌৰা দলৰ কোনোৱে চুব নোৱৰাকৈ দৌৰি আহি মূল ঘাইত সোমাব পাৰে তেন্তে দৌৰা দলে খেল খায়। আনহাতে, বন্ত্যাত বহি থকাজন থিয় হোৱাৰ লগে লগে দৌৰা দলৰ কোনোবাই চুই দিলে খেদা দলে খেল খায়।' 'বঙ্গালী দৰ্পণ' নামৰ গ্ৰন্থত বন্ত্যা হাউৰ হাউ মৰা গীতৰ নমুনা আছে। তাৰে এটা হ'ল 'হাউ মাৰি লাউ খাম/ বতাহতে উৰি যাম।'

বৰপেটীয়া খেল : এইবিধ খেলৰ সামগ্ৰী হ'ল ফটা কাগজ বা কাপোৰ আৰু ৰচিৰে তৈয়াৰী কমলা টেঙাৰ সমান এটা বল আৰু ১০ ইঞ্চিমান দীঘল আৰু আধা ইঞ্চিমান বহল ন ডাল বাঁহৰ কাঠি। খেল খেলা ঠাইত পোনতে বৰ্গক্ষেত্ৰাকাৰ ৰূপত চাৰিডাল কাঠি ৰাখি তাৰ ওপৰত আকৌ একে ৰূপত আন কাঠি চাৰিডাল সজাব লাগে। কাঠিকেইডালৰ কাটোৰ মাজত এডাল কাঠি ৰাখিব লাগে। তাৰ পাছত প্ৰায় ১০ ফুট নিলগত ৰৈ এজন খেলুৱৈয়ে বলটো কাঠিৰ বৰ্গক্ষেত্ৰটোলৈ মাৰি পঠিয়ায়। বৰ্গক্ষেত্ৰটো ভাঙি তেতিয়া কাঠিবোৰ বিশৃংখল হৈ পৰে। লগে লগে খেলুৱৈয়ে বলটো হাতত লৈ আন খেলুৱৈসকলক উদ্দেশ্যি মাৰে। কাৰোবাৰ গাত লাগিলে তেওঁ মৰে, নালাগিলে নমৰে। আন খেলুৱৈসকলে আন কাঠিবোৰ আগৰ দৰে বৰ্গক্ষেত্ৰাকাৰ ৰূপত সজাবলৈ চেষ্টা কৰে। এনেদৰে সজোৱা সম্পূৰ্ণ হ'লে পুনৰ প্ৰথমজন খেলুৱৈয়ে আগৰ দৰে খেল আৰম্ভ কৰিব লাগে। যদি বলটো মাৰোতে কোনো খেলুৱৈৰ গাত লাগি মৰে তেন্তে তেওঁ প্ৰথমজন খেলুৱৈৰ দৰে খেল আৰম্ভ কৰিব

লাগে। চামতা, গন্ধিয়াৰ অঞ্চলত এসময়ত এইবোৰ খেল জনপ্ৰিয় আছিল।

টাংগুটি খেল ঃ এইবিধ খেলত মাটিত এটা সৰু গাঁত খান্দিব লাগে। গছৰ ডাল এটা আধাফুটমান দীঘলকৈ কাটি তাৰ দুয়োমূৰ জোঙা কৰিব লাগে। তাৰ বাহিৰেও এফুটমান দীঘল এডাল মাৰি লাগে। খেলুৱৈসকলৰ এজনে খেল আৰম্ভ কৰি গুটিটো গাঁতটোলৈ লক্ষ্য কৰি মাৰি পঠিয়ায়। তাৰ পাছত গুটিটোলৈ লক্ষ্য কৰি মাৰিডাল দলিয়ায়। পাছত খেলুৱৈজন আহি মাৰিডালৰ ওচৰ পায় আৰু হাতত লৈ তাৰে গুটিটোৰ মূৰত কোব শোধায়। গুটিটো ছিটিকি ওপৰলৈ উঠাৰ লগে লগে মাৰিডালেৰে শূন্যতে দূৰত পেলাবলৈ কোবায়। গুটিটো মাটিত পৰিলে মাৰিডালেৰে লেখ কৰে। খেল দিয়াৰ বাবে এজন খেলুৱৈয়ে কিমান লেখ পাব লাগিব সেয়া খেলা আৰম্ভ কৰাৰ আগতে নিৰ্ধাৰণ কৰা হয়। নিৰ্ধাৰিত সংখ্যক লেখ পাবলৈ খেলুৱৈসকলে গুটিটো কেইবাবাৰো কোবাব পাৰে। আনহাতে, গুটিটো কোবাওতে ওপৰলৈ উঠি ছিটিকি পৰিব ধৰাত সময়ত যদি শূন্যতে আন খেলুৱৈয়ে ধৰিব পাৰে তেন্তে কোবাওতাজন মৰা পৰে।

ঘিলা খেল ঃ এই খেলত আগতে গুটি হিছাপে ঘিলা ব্যৱহাৰ কৰা বাবেই ইয়াৰ নাম 'ঘিলা খেল'। এই খেলটো খেলুৱৈসকলে এজন এজনকৈ খেলিব পাৰে। ঘিলা খেলৰ বাবে মাটিত ছয়টা ঘৰৰ ক্ষেত্ৰ এখন আঁকি লোৱা হয়। ঘৰবোৰৰ প্ৰত্যেকৰে নাম আছে। এই ছয়টা ঘৰৰ নামবোৰ তলৰ পৰা ওপৰলৈ ক্ৰমে— (১) হাতী (২) মাউত (৩)-(৪) দালি (৫) ঠগি আৰু (৬) চকু মুজা খেলুৱৈয়ে প্ৰথমে ঘিলাটো হাতীত মাৰি দি ভৰিৰে লথিয়াই লথিয়াই আটাইকেইটা ঘৰ পাৰ কৰিব লাগে। ঠেলোতে যদি ঘিলাটো চিনত পৰে বা আঁক ভৰিৰে গচকে অথবা দালিত যদি ভৰি পেলাব নোৱাৰে, নিজৰ কটা ঘৰত যদি ভৰি নপৰে অথবা আনে কটা ঘৰটো যদি নেচেৰায় তেন্তে খেলুৱৈজন মৰে। গুটিটো বা ঘিলাটো আটাইকেইটা ঘৰলৈ অনাৰ পাছত খেলুৱৈয়ে হাতীৰ মূৰত খোজ দি মূৰেৰে ঘিলাটো পাৰ কৰি ঘৰ কটাটো নিয়ম। যিজন খেলুৱৈয়ে সৰহসংখ্যক ঘৰ কাটে তেৱেঁ প্ৰথম হয়। ঘিলা খেলৰ কিছুমান ঠাইত নাম হ'ল কিট্‌কিট্ খেল। কিট্‌কিট্ খেলত খেলুৱৈয়ে মুখেৰে 'কিট্‌কিট্' শব্দ কৰি এখন ভৰি দাঙি আনখন ভৰিৰে জঁপিয়াই জঁপিয়াই ইটো ঘৰৰ পৰা সিটো ঘৰলৈ গৈ গুটিটো ঠেলিব ধৰে। এয়া হ'ল 'মাতা কিট্‌কিট্' খেল। 'নামাতা কিট্‌কিট্' খেলত মুখেৰে নমতাকৈ উপৰোক্ত ধৰণে খেল খেলে। কিট্‌কিট্ খেলৰ গুটি হ'ল সৰু চেপেটা শিলগুটি বা ভঙা মাটিৰ চৰুৰ টুকুৰা এটা, ইয়াক ঘঁহি ঘঁহি ঘূৰণীয়া কৰি লয়।

কড়ি খেল ঃ এসময়ত এইবিধ খেল মহিলাৰ মাজত অধিক জনপ্ৰিয় আছিল। কড়ি খেলত ঢালখন মাটিত আঁকি লোৱা হয়। সাধাৰণতে পাঁচটা কড়িৰে এজন খেলুৱৈয়ে খেলা নিয়ম। এজন খেলুৱৈয়ে কড়িকেইটা এখন হাতত লৈ মাটিত মাৰি দিয়ে। মাটিত এটা কড়ি ওপৰমুৱা হ'লে এক আৰু পাঁচোটা ওপৰমুৱা হ'লে খেলুৱৈজনে ১০ নম্বৰ লাভ কৰে। আটাইকেইটা কড়ি ওপৰমুৱা হ'লে তাক 'মুদ্ৰা' বোলে। কড়ি খেলুৱৈজনে যদি ১০ নম্বৰ পায় তেন্তে তেওঁ গুটি জগাব পাৰে। যদি এই খেলখন চাৰিজন খেলুৱৈয়ে খেলে তেন্তে ১০ নম্বৰ পোৱাৰ পাছত প্ৰত্যেকজন খেলুৱৈয়ে কড়ি জগাই বলোৱা আৰম্ভ কৰাটো নিয়ম। খেলুৱৈয়ে নিজৰ গুটি বলাওঁতে আনৰ কড়িৰ ওপৰত পৰিলে সেই কড়ি মৰে। মৰা কড়িটোক নতুনকৈ জগোৱা নিয়ম। যিজন খেলুৱৈয়ে ১০ নম্বৰ পায় তেওঁ পুনৰ গুটি মৰাৰ সামৰ্থ্য লাভ কৰে। কিন্তু তেওঁ তিনিবাৰ মাৰিলে যদি ১০ ফুটে তেন্তে তেওঁৰ সকলোবোৰ নম্বৰ অথলে যায়। কড়ি খেলৰ ঢালখন মাটিত পূৰণ চিনেৰে জোৰা সজোৱা হয়। ঢালখনত মুঠতে আঠোটা সংখ্যা থাকে। এই সংখ্যাবোৰ গণনা কৰা হয় এনেদৰে ঃ আঠোৰ (১), কাঠোৰ (২), নলৰ (৩) জৰা (৪x), বামুণ (৫), আটাই (৬), বাণ্ছি (৭), ঘোঁৰা (৮)। ঘাইত প্ৰথমতে যিজন খেলুৱৈৰ গুটি উঠে তেৱেঁ প্ৰথম হয়। বৰষুণ বতৰত এই খেল ঘৰৰ ভিতৰত বেছিকৈ খেলা হৈছিল। জীয়াৰী-বোৱাৰীয়ে ঘৰৰ বন্ধা-বঢ়া আদি দৈনন্দিন কাৰ্য সমাধা কৰি প্ৰায়ে এই খেল খেলিছিল।

মাৰ্বল খেল ঃ মাৰ্বল খেল চাৰি প্ৰকাৰৰ—পিল্লি, বক্স, লবি আৰু আন এবিধ। ইয়াৰে পিল্লিবিধত মাটিত এটা সৰু গাঁত খান্দি লোৱা হয়। এইটো গাঁতৰ নাম হ'ল 'পিল্লি'। এই 'পিল্লি'লৈ লক্ষ্য কৰি ইয়াৰ পৰা ১০ ফুটমান আঁতৰত সমান্তৰালকৈ বৈ খেলুৱৈসকলে এজন এজনকৈ মাৰ্বল দলিয়ায়। পিল্লিত যিজনৰ মাৰ্বল গৈ পৰে তেওঁ প্ৰথমতে খেল আৰম্ভ কৰাৰ যোগ্যতা লাভ কৰে। গাঁতটোৰ অতি ওচৰত যিজন খেলুৱৈৰ মাৰ্বল থাকে তেওঁ দ্বিতীয়তে, তাৰ পৰা অলপ আঁতৰত মাৰ্বল থকাজন তৃতীয় আৰু সেই অনুক্ৰমে চতুৰ্থ, পঞ্চম আদি হৈ খেল খেলাৰ যোগ্যতা লাভ কৰে। পিল্লিত মাৰ্বল থকাজনে মাৰ্বলটো সোঁখন হাতেৰে লয় আৰু বাঁওখন হাতৰ বুঢ়া আঙুলিটো পিল্লিত ৰাখি আন এটা আঙুলিত মাৰ্বলটোত লগাই থয়। তাৰ পাছত মাৰ্বলটো বাঁওহাতত লৈ সোঁহাতৰ বুঢ়া আঙুলিটো সেইটো (মাৰ্বলটো) থকা ঠাইত থৈ আন এটা আঙুলিত মাৰ্বলটো বাওঁহাতৰ আঙুলিৰে লগাই পিল্লিত পেলায়। তাকে 'পিল্লি কৰা' বোলে। তাৰ পাছত খেলুৱৈজনে মাৰ্বলটো হাতত লৈ সোঁহাতৰ বুঢ়া আঙুলি পিল্লিত ৰাখি আন এটা আঙুলিত বাওঁহাতৰ আঙুলিৰে মাৰ্বলটো লগাই

মাটিত থকা আন খেলুৱৈসকলৰ মাৰ্বলবোৰৰ এটালৈ লক্ষ্য কৰি খুন্দিয়াবলৈ মাৰি পঠিয়ায়। এইদৰে খুন্দিয়াটোক 'থুকা' বোলে। খুন্দিয়াব বা থুকিব পাৰিলে থুকা মাৰ্বলটোৰ গৰাকী খেলুৱৈজনৰ পৰা প্ৰথমজন খেলুৱৈয়ে পুনৰ পিল্লি কৰিবৰ চেষ্টা কৰে যদি পাৰে আকৌ আন খেলুৱৈৰ মাৰ্বল থুকাৰ চেষ্টা কৰে। নোৱাৰিলে দ্বিতীয়জনে আগৰজনৰ দৰে খেল খেলে। এইবিধ খেলত অৱশ্যে আন খেলুৱৈৰ মাৰ্বল থুকাৰ পাছতো পিল্লি কৰিব পাৰে। খেলৰ প্ৰথমতে খেলখন মাৰ্বল দিয়া খেল হ'ব নে খেল দিয়া হ'ব তাক খেলুৱৈসকলে নিজৰ মাজত ঠিক কৰি লয়। মাৰ্বল দিয়া খেল হ'লে থুকাৰ লগে লগে আনজন খেলুৱৈৰ পৰা মাৰ্বল লাভ কৰে আৰু খেল দিয়া খেল হ'লে বিপক্ষৰ খেলুৱৈয়ে খেল পায়।

কণী যুঁজ ঃ মাঘ আৰু ব'হাগ বিহুৰ সময়ত কণী যুঁজ হৈছিল। এইবিধ খেলৰ সামগ্ৰী হ'ল হাঁহ কণী। খেলৰ কণী টান হ'লে খেলিবলৈ ভাল। টান কণীৰ নাম 'সৈয়া' বা 'হৈয়া'। কণী যুঁজৰ আগতে দুই যুঁজাৰুৰ মাজত 'দৰ-দাম' অৰ্থাৎ কণীৰ জোঙা নে বহল অংশৰ দ্বাৰা যুঁজোৱা হ'ব তাক ঠিক কৰি লোৱা হয়। তাৰ পাছত এজনে কণীৰ তেওঁৰ ভাগৰ ফালটো ধৰি ৰয় আৰু আনজনে নিজৰ ফালটোৰে তাত খুন্দা মাৰি দিয়ে। যাৰ কণী ভাঙে তেওঁক কণীটো নভঙাজনক দিব লাগে।

লুকা-ভাকু খেল ঃ এইবিধ খেলৰ আন এটা নাম 'লুকা-লুকি খেল'। এই খেলত গছ এডালক ঘাই কৰি লোৱা হয়। ঘাইত এজন খেলুৱৈ থাকে আৰু বাকীসকল খেলুৱৈ ঘাইত থকাজনে নেদেখা স্থানত লুকুৱায়। ঘাইত থকাজনে 'হৈছেনে' (অৰ্থাৎ তোমালোকৰ লুকুৱা হৈছেনে?) বুলি সুধিলে যদি লুকুৱা খেলুৱৈসকলে 'হৈছে' বুলি চিঞৰে তেন্তে ঘাইত থকাজনে তেওঁলোকক বিচাৰিবলৈ ধৰে। বিচাৰি উলিয়াই গা স্পৰ্শ কৰিব বা চুব পাৰিলে মৰা পৰে আৰু প্ৰথমজনৰ দৰে তেওঁ খেল আৰম্ভ কৰিব লাগে। কিন্তু চুই দিয়াৰ আগতে যদি আটাইকেইজনে আহি ঘাই চুব পাৰে তেন্তে প্ৰথমজনে পুনৰ ঘাইত থাকি খেল খেলিব লাগে।

তিনিঠেঙীয়া দৌৰ ঃ তিনিঠেঙীয়া দৌৰ খেলত দুজন খেলুৱৈয়ে জোঁট বান্ধি এজন হৈ খেলে। খেলুৱৈ দুজনৰ এজনৰ সোঁভৰিৰ স'তে আনজন খেলুৱৈৰ বাওঁভৰি এখন গামোচাৰ দ্বাৰা বান্ধি লয়। তাৰ পাছত দুয়োৱে ইফালে সিজনৰ কান্ধত হাত একোখন থৈ সাজু হয় দৌৰাৰ বাবে। এইদৰে জোঁট বন্ধা অনেক প্ৰতিযোগী একেটা শাৰীত থিয় হয়। তাৰ পৰা কিছু আঁতৰত এটা চিন দিয়া হয়। খেল আৰম্ভ কৰাৰ হুইছেল বজোৱাৰ লগে লগে আটায়ে দৌৰিব ধৰে। জোঁট বন্ধা যি দুজন খেলুৱৈয়ে আহি আঁতৰৰ ৰেখা বা চিনডাল ভৰিৰে চুব বা গচকিব পাৰে তেওঁলোক প্ৰথম হয়।

তেওঁলোকৰ পাছত জোঁট বন্ধা যি দুজন খেলুৱৈয়ে চিন গচকে তেওঁলোক দ্বিতীয় আৰু তাৰ পাছৰ দুজন তৃতীয় হয়।

টেকেলি ভঙা খেল : এইবিধ খেলত মাটিত এটা মাটিৰ টেকেলি ৰখা হয়। খেলৰ প্ৰতিযোগীসকলে এজন এজনকৈ এই খেলত ভাগ লয়। প্ৰতিযোগীসকলৰ চকুত কাপোৰ বান্ধি দিয়া হয় যাতে তেওঁ চকুৰে দেখা নাপায়। তাৰ পাছত প্ৰতিযোগীৰ হাতত এডাল লাঠি দি তেওঁ থিয় হৈ থকা ঠাইতে চাৰিপাকমান ঘূৰাই টেকেলিটো কোবাবলৈ এৰি দিয়া হয়। যিয়ে গৈ টেকেলিটো কোবাব পাৰে তেৱেঁ জয়ী হয়। নোৱাৰি আন ঠাইত কোবালে পৰাজিত হয়।

হাঠা খেল : ক্ৰিকেট খেলৰ স'তে হাঠা খেলৰ বহুখিনি সাদৃশ্য আছে। ইয়াৰ বেট বাঁহ বা কাঠৰ দ্বাৰা তৈয়াৰী। ইয়াৰ নাম 'হাঠা'। বল হ'ল অমৰা গছৰ ফলৰ শুকান গুটি। খেলখনত বিজয় লাভৰ বাবে কিমানবাৰ দৌৰিব বা ৰান কৰিব লাগিব তাক খেল আৰম্ভৰ আগতে খেলুৱৈসকলে ঠিক কৰি লয়। এটা দলে হাঠা ধৰে আৰু আনটো দলে গুটি ধৰে। হাঠা ধৰা দলটোৰ দুজন খেলুৱৈয়ে পৰস্পৰে মুখামুখিকৈ কিছু আঁতৰত ৰয় আৰু হাতেৰে হাঠা প্ৰত্যেকে একোখনকৈ নিজৰ নিজৰ কান্ধৰ ওপৰত লৈ থাকে। আনটো দলৰ দুজন খেলুৱৈয়ে হাঠা ধৰা দুজনৰ প্ৰত্যেকৰে পাছত ৰৈ ইজনে সিজনলৈ হাঠাৰ ওপৰেৰে গুটি দলিয়ায়। এনে অৱস্থাত হাঠা ধৰা খেলুৱৈয়ে গুটিটো আঁতৰত পেলাই ইজনে সিজনৰ থকা ঠাইলৈ যায়। এনেদৰে এবাৰ, দুবাৰ বা ততোধিক বাৰত গুটি কোবাই আগতে নিৰ্ধাৰণ কৰি লোৱা সংখ্যাৰ সমান দৌৰিব (ৰান) পাৰিলে হাঠা ধৰা দলটো জয়ী হয়। আনহাতে, গুটিটো কোবোৱাৰ পাছত আঁতৰত ছিটিকি পৰিলে গুটি ধৰা দলটোৰ খেলুৱৈয়ে সেইটো বুটলি আনি হাঠা ধৰা দুজনৰ থকা ঠাইত পেলাবৰ চেষ্টা কৰে। হাঠা ধৰা দুজন দৌৰি থকা অৱস্থাত থকা ঠাইৰ পৰা যিজন দূৰত থাকে সেইজনৰ ঠাইত (সেই সময়ৰ খালী) যদি গুটিটো পেলাব পাৰে তেন্তে সেই ঠাইৰ হাঠা ধৰাজন বাহিৰ হ'ব লগা হয়। গুটি ধৰা দুজন হাঠা ধৰা দুজনৰ পিছফালে থকাৰ লগতে সেই দলৰ আন খেলুৱৈসকল খেলপথাৰত আঁতৰে আঁতৰে থাকে। হাঠা ধৰাই কোবোৱা গুটিটো শূন্যতে তেওঁলোকে ধৰিব পাৰিলে হাঠা ধৰা খেলুৱৈজন খেলৰ পৰা বাহিৰ হ'ব লগা হয়। উপৰোক্ত তিনিটা পদ্ধতিত হাঠা ধৰা দলটোৰ আটাইকেইজন খেলুৱৈ খেলৰ পৰা বাহিৰ হোৱাৰ পাছত গুটি ধৰা দলটোৱে হাঠা ধৰে আৰু আগৰ হাঠা ধৰা দলটোৱে গুটি ধৰে।

বাঘ-গৰুৰ খেল : বাঘ-গৰুৰ খেলত চাৰিটা খুঁটি পুতি খেলুৱৈসকলৰ চাৰিজন

চাৰিটা গৰু আৰু এজন এটা বাঘ হয়। ইটো খুঁটিৰ পৰা সিটো খুঁটিলৈ গৰুৰূপী খেলুৱৈয়ে বাগি দি ফুৰে। শূন্যত পালে বাঘে গৰু মাৰে। এইবিধ খেল অন্য ধৰণেও খেলোৱা হয়।

এছাৰি খেল ঃ 'অসমীয়া সংস্কৃতি' গ্ৰন্থত সন্নিবিষ্ট 'পুৰণি অসমৰ খেল-ধেমালি' শীৰ্ষক প্ৰবন্ধত লিখক ভুবন সন্দিকৈয়ে এইবিধ খেলৰ বিষয়ে লিখিছে ঃ 'এছাৰি খেল অতি সাধাৰণ আৰু গৰখীয়া ল'ৰাইঁতৰ মাজত আবদ্ধ থাকে। এই খেলত এডাল এছাৰি দূৰলৈ মাৰি পঠিয়ায়। বাকীসকল খেলুৱৈয়ে সেই এছাৰিডাল নিজৰ নিজৰ এছাৰি মাৰি সৰকাব লাগে। সৰকাব পাৰিলে এছাৰি লাভ কৰে; নোৱাৰিলে নিজৰডাল হেৰুৱায়।'

উপৰোক্ত খেল-ধেমালিসমূহ ঘাইকৈ কিশোৰ-কিশোৰী, যুৱক-যুৱতীয়ে খেলিছিল। তলত অকণিহঁতে খেলা কেতবোৰ খেল-ধেমালিৰ বৰ্ণনা দিয়া হ'ল। ইয়াৰে কিছুমান মাকহঁতে বা আন বয়সস্থ লোকে অকণিহঁতৰ লগত খেলিছিল।

কোমোৰা খেল ঃ কোমোৰা খেলত এদল সৰু ল'ৰা-ছোৱালীয়ে পৰস্পৰে পৰস্পৰৰ কঁকালত ধৰি এডাল শিকলিৰ দৰে থিয় হৈ থাকে। এওঁলোকৰ একেবাৰে আগত থকাজনে খুঁটা বা গছ এডালত ধৰি থাকে। তেনে অৱস্থাত অন্য এটা দলে আহি কয়, 'ইৰিকটি মিৰিকটি বাঁহৰ শলা/ মোমাইৰ পদূলিত বান্ধিলো ঘোঁৰা/ৰজাৰ জীয়েকে ফুৰিবলৈ যাওঁতে পহু পোৱালি এটা পালে/ তাকে খাবলৈ জালি এটা চাই কোমোৰা এটা দিয়া/' কঁকালত ধৰা দলৰ ঘাইজনে কয়, 'তাৰে এটা নিয়া।' কোমোৰা খুজিব অহা দলটোৱে কঁকালত ধৰা দলটোৰ পিছৰটোক টানি এৰুৱাব খোজে। ছিঙিব পাৰিলে আৰু এটা খোজে; নোৱাৰিলে হাৰে।

ইচিং বিচিং গোৱা খেল ঃ এইবিধ খেল হ'ল গীতিধৰ্মী। ল'ৰা-ছোৱালীহঁত কঁকালত ধৰি থিয় হৈ ৰয়। এওঁলোকৰ পৰা আঁতৰত মুখামুখিকৈ আন এজন খেলুৱৈ বৈ থাকে। তেওঁ সুৰ লগাই গায় দলটোৰ ওচৰ চাপে 'ৰজাই হুকুম দিয়ে/ ইচিং বিচিং গোৱা।' এইদৰে গায় তেওঁ নিজৰ ঠাইলৈ যায়। তেতিয়া দলটোৱে আহি তেওঁৰ ওচৰ পায় আৰু গায়, 'কি হুকম দিছে? ইচিং বিচিং গোৱা।' তাৰ পাছত নিজৰ ঠাইলৈ যায়। অকলে থকাজনে পুনৰ গৈ গায়, 'এজন ল'ৰাক (বা এজনী ছোৱালীক) লাগে/ইচিং বিচিং গোৱা।' তাৰ পাছত দলটোৱে গায়, 'কোনজন ল'ৰাক (বা কোনজনী ছোৱালীক) লাগে? ইচিং বিচিং গোৱা।' তেওঁলোক নিজৰ ঠাই পোৱাৰ অকণিজনে গায়' ....(দলটোত থকা এজন ল'ৰা বা ছোৱালীৰ নাম কয়) নামৰ ল'ৰাজনে (বা ছোৱালীজনীক) লাগে/ইচিং বিচিং গোৱা।' তেওঁ নিজৰ ঠাই পোৱাৰ লগে লগে দলটোৱে গৈ গায়, 'যোৱা...... (বিচৰা ল'ৰাজন বা ছোৱালীজনীৰ নাম কৈ)

যোৱাঁগৈ/চিঠি-পত্ৰ দিয়াগৈ।' এইদৰে কোৱাৰ লগে লগে সেই নামৰ ল'ৰা বা ছোৱালীজনী গৈ সেই খেলুৱৈজনৰ কঁকালত ধৰে। পুনৰ সেই দুজন খেলুৱৈয়ে দলটোৰ ওচৰলৈ আহি আগৰ দৰে ল'ৰা বা ছোৱালী বিচাৰে আৰু বিচৰাজন আহি তেওঁলোকৰ লগ লয়। এনেদৰে দলটোত থকা ল'ৰা-ছোৱালী শেষ হৈ এজন থাকে আৰু প্ৰথমতে এজন হৈ খেলাজনৰ এটা দল হয়। তেতিয়া বাকীবোৰ খেলুৱৈয়ে সেই দলটোৰ ওচৰলৈ আহি ল'ৰা-ছোৱালী বিচাৰে। এনেদৰে চলি থাকে এই খেলটো।

কচু গুটি খেল ঃ দুজন খেলুৱৈৰ মাজত বা দুটা দলৰ মাজত এই খেলবিধ হ'ব পাৰে। পোনতে দুজন খেলুৱৈৰ মাজত হোৱা খেলৰ উল্লেখ কৰা হ'ল। এজন খেলুৱৈয়ে এটা লাউৰ গুটি নিজৰ পিঠিৰফালে হাত এখনত লৈ মুঠি মাৰি দুয়োখন হাত মুঠি মৰা অৱস্থাত আনি দ্বিতীয়জনৰ আগত ধৰে। দ্বিতীয়জনে তেতিয়া ইখনৰ পিছত সিখন হাত নিজৰ হাতেৰে চুই গায়— 'অলৌ গুটি টলৌ গুটি কচু গুটি লাই/এইখন হাতৰ গুটিটো সেইখন হাতে পায়' হাতেৰে চোওঁতে যিখন হাতত গীতটো গোৱা শেষ হয়, সেইখন হাত প্ৰথমজনে মেলি দিব লাগে। যদি গুটিটো তাত ওলায় তেন্তে দ্বিতীয়জন জয়ী হয় আৰু গুটি লুকোৱাৰ সুবিধা পায়। কিন্তু যদি গুটিটো তাত নোলায় তেন্তে দ্বিতীয়জন পৰাজিত হয় আৰু প্ৰথমজনে পুনৰ গুটি লুকুৱায়। আকৌ দুটা দলৰ মাজত হোৱা খেলত দুয়োটা দল দুটা শাৰীত বয়। যাই খেলুৱৈজনে পিছপিনে হাত দি থকা সেই খেলুৱৈকেইজনৰ হাতত গুটিটো দি আহে। বাকীবোৰ খেলুৱৈয়ে উপৰোক্ত গীতটো গায় গুটিটো বিচাৰে। পালে ইটো পক্ষই (দ্বিতীয় পক্ষ) গুটি লুকাবাব পাৰে, নাপালে প্ৰথম পক্ষই পুনৰ লুকোৱাৰ সুবিধা পায়।

লেটেকু খেল ঃ এইবিধ খেলত কণমানিহঁতে বহি ভৰি এখনৰ গোৰোহা মাটিত লগাই আগ অংশ দাণ্ডি বুঢ়া আঙুলিটো এখন হাতেৰে ধৰি সেই হাতখনৰ বুঢ়া আঙুলিটো আনখন হাতেৰে মুঠা মাৰি ধৰি সেই হাতখনৰ বুঢ়া আঙুলিটো উলিয়াই ৰাখে। তাৰ ওপৰত আনকেইজন অকণিয়েও ধৰি থাকে। তেতিয়া আনকেইজন অকণিয়ে তেওঁক প্ৰশ্ন কৰে— 'এইডাল কিহৰ গছ?' অকণিজনে উত্তৰ দিয়ে— 'লেটেকুৰ গছ।' আন অকণিয়ে পুনৰ প্ৰশ্ন কৰে— 'ইয়াত ফল লাগিছেনে?' তেতিয়া অকণিজনে উত্তৰ দিয়ে— 'লাগিছে।' আন অকণিয়ে প্ৰশ্ন কৰে— 'ফলবোৰ পকিছেনে?' অকণিজনে উত্তৰ দিয়ে— 'পকিছে।' আন অকণিয়ে পুনৰ প্ৰশ্ন কৰে— 'গোসাঁই, বামুণক দিছানে?' অকণিজনে উত্তৰ দিয়ে— 'হয়, দিছো।' আন অকণিয়ে পুনৰ প্ৰশ্ন কৰে— 'তুমি খাইছানে?' অকণিয়ে কয়— 'হয়, খাইছো।' আন অকণিয়ে প্ৰশ্ন কৰে— 'তেন্তে গছডাল কাটো?' অকণিয়ে কয়— 'হয়।' তেতিয়া লেটেকু

গছডালৰ গুৰিত আন অকণিয়ে হাতেৰে দা এখনেৰে কটাৰ দৰে কাটে। তেতিয়া গছডাল বাগৰি পৰে; হাতৰ মুঠিবোৰ এৰুৱাই দিয়ে।

চিকিমিকি খেল ঃ চিকিমিকি খেলত এজন অকণিয়ে নিজৰ এখন হাত আগলৈ দিয়ে, অন্য এটাই বাহিৰৰ ফালে চিকুট মাৰি দিয়ে। এইদৰে কেইবাটাও গায়— 'চিকিমিকি লুকাইলুকি বৌৰে মাৰিলে তাৰুগজি' ইত্যাদি।

ৰং ৰং খেল ঃ এই খেল বিধত এজন অকণিয়ে খুঁটা বা গছ এডালত ধৰি ৰৈ থাকে। খুঁটাটো বা গছডাল হ'ল 'ঘাই'। আন অকণিহঁত তাৰ পৰা আঁতৰত ৰৈ থাকে। ঘাইত থকাটোৱে কয়—'ৰং ৰং'। অকণিহঁতে প্ৰশ্ন কৰে—'কি ৰং?' ঘাইত থকাটোৱে কয়— 'মোক লাগে (অকণিজনে যি কোনো এটা ৰঙৰ নাম ক'ব পাৰে)।' বাকীকেইজন অকণিয়ে ঘাইত থকা অকণিজনে কোৱা ৰংটো ওচৰত থাকিলে ছোৱে বা দূৰত থাকিলে দৌৰি গৈ ছোৱে। যেনে হালধীয়া ৰং ক'লে নিজে পিন্ধা চোলাটোত সেই ৰং থাকিলে চোলাটো ছোৱে। যদি সেউজীয়া ৰং কয় তেন্তে দৌৰি গৈ গছৰ পাত ছোৱে। যদি ৰংটো বিচাৰি নাপায় তেন্তে ঘাইত থকাজনে আহি সেই অকণিজনক চুই দিলেই মৰে আৰু ঘাইত থাকিব লগা হয়। তাৰ পাছত পূৰ্বোক্ত ধৰণে খেল চলে। কিন্তু ৰংটো বিচাৰি নাপালেও কিবা প্ৰকাৰে যদি অকণিজনে আহি ঘাই ছোৱে তেন্তে চুলেও নমৰে। আটাইকেইজন অকণিয়ে যদি ৰং বা ঘাই ছোৱে তেন্তে ঘাইত থকাজনে আহি পুনৰ ঘাইত থাকিব লগা হয়।

দ'ল খেল ঃ অকণিৰ দল এটিয়ে মাটিত বালিৰে মন্দিৰৰ মণিকূটৰ ওপৰাংশৰ দৰে আকৃতি কৰি সাজে। অন্য অকণিয়ে প্ৰশ্ন কৰে। 'এইটো কাৰ দ'ল।' দ'ল সজাজনে কয়—'ৰজাৰ দ'ল।' অন্য অকণিয়ে প্ৰশ্ন কৰে—'ভাঙিব পাৰি নে নোৱাৰি?' দ'ল সজাজনে কয়—'নোৱাৰি।' তাৰ পাছত 'ক'লী ঔচ্, বগী ঔচ্, ধেকেচ্' বুলি কৈ দ'লটি ভাঙি পেলায়।

আন কেইবিধমান খেল-ধেমালিৰ বৰ্ণনা সংক্ষেপে ইয়াত দিয়া হ'ল। এবিধ খেল মাকহঁতে নিজৰ শিশু সন্তানৰ স'তে খেলে। অকণিয়ে এসময়ত টোপনি যাব খুজিলে মাকহঁতে শিশুটিক সাৰে ৰাখিবলৈ খেলে। শিশুটিৰ হাত এখন মাকে নিজৰ হাতত লৈ তাত কিবা বস্তু থোৱাৰ দৰে কৰি হাতখন মুঠা মাৰিবলৈ দিয়ে আৰু কয়— 'মই ইয়াতে পঁইতা ভাতে, পোৰা মাছে থ'লোদেই। গা ধুই খাম।' এইবুলি কৈ মাকে এখন হাতেৰে শিশুটিৰ হাতৰ মুঠিটোত ধৰি আনখন হাতৰ আঙুলি দুটা মুঠিৰ পৰা ওপৰলৈ বুলাই গায়— ইন্দুৰৰ মেকুৰী সিঘৰে যায়/পঁইতা ভাতে, পোৰা মাছে লুটি-পুতি খায়।' এইবুলি শিশুটিৰ হাতৰ কাষলতিৰ ওচৰ পাই আঙুলিৰে ভাকুতকুতাই

দিয়ে। তেতিয়া শিশুটিৰ টোপনি পলাই ফাট মাৰে। আন এবিধ খেলত অকণিয়ে হাত দুখন পিছপিনে লুকুৱাই ৰাখে। অন্য অকণিয়েও তেনেদৰে হাত লুকুৱায়। দুই বা তিনি অকণিৰ হাতৰ মাজত হোৱা খেলত প্ৰশ্ন কৰে—'চিলনি চিলনি! তোৰ হাত দুখন কিহে নিলে?' তেতিয়া উত্তৰ দিয়ে—'চিলাই নিলে।' পুনৰ প্ৰশ্ন কৰে—'চিলাই নি কি কৰিলে?' উত্তৰ দিয়ে— 'হাবিত পেলালে।' প্ৰশ্ন কৰে— 'সেই হাবি কি হ'ল?' উত্তৰ দিয়ে— 'পুৰি ছাই হ'ল।' প্ৰশ্ন কৰে— 'তাৰে ছাইকেইটা কোনে নিলে?' উত্তৰ দিলে— 'ধোবাই নিলে।' প্ৰশ্ন কৰে— 'ধোবাই নি কি কৰিলে?' উত্তৰ দিয়ে— 'কাপোৰ ধুলে।' পুনৰ প্ৰশ্ন কৰে— 'সেই কাপোৰ কাক দিলে?' উত্তৰ দিয়ে— 'ৰজাক দিলে।' ....ইত্যাদি। আকৌ আন এবিধ খেলত দুজন অকণিয়ে হাতৰ পটা দুখন মাটিত পাতি থয়। এজন অকণিয়ে আনখন হাতে মাটিত থকা হাত দুখন চুই গায়— 'ইচনি-বিচনী তৌকা চেনি/মৌ পৰে, চিলা পৰে/ঢেকুৰাই চাউল চৰে/চৰোতে চৰোতে চাউল হ'ল কইনা//ঢুকঢুকনি আধাৰ খায় বইটা মাছৰ মূৰা/.........।' দৰা-কইনা খেলত অকণিহঁতে নিজেই দৰা-কইনা হয় অথবা ফটা কাপোৰৰ পুতলাৰ দৰা-কইনা সাজে আৰু বিয়া পাতে। অকণিহঁতৰ কোনোবাই দৰাৰ মাক-বাপেক, কইনাৰ মাক-বাপেক হয়। অকণিসকলে আয়তী হৈ পানী তোলে, বিয়াগীত গায়, ৰান্ধনি হৈ ভাত ৰান্ধে, বালি বা তুঁহেৰে ভাত-আঞ্জা ৰান্ধে, খাওঁতাই খায়। বাঁহৰ খৰিকা আৰু খেৰেৰে হোম পাতি পানীৰূপী ঘিউৰে হোম পোৰে। মাক-বাপেকে আশীৰ্বাদ দি কইনাক বিদায় দিবৰ সময়ত অকণিহঁতে দুখতে কান্দে।

এইবোৰৰ বাহিৰেও আন কেতবোৰ খেল-ধেমালি আছে। এইবোৰ খেলৰ বাবে কোনো ঠাইৰ প্ৰয়োজন নহয়। অকণিহঁতে য'তে-ত'তে, যেতিয়াই-তেতিয়াই খেলিব পাৰে। অকণিহঁতৰ এজনে কয়— 'এটা কথা।' আনকেইজন অকণিয়ে প্ৰশ্ন কৰে— 'কি কথা?' অকণিজনে কয়— 'বেং মথা।' আন কেইজনে প্ৰশ্ন কৰে— 'কি বেং?' প্ৰথমৰ অকণিজনে কয়—'পাত বেং।' অন্য কেইজনে প্ৰশ্ন কৰে—'কি পাত?' অকণিজনে উত্তৰ দিয়ে— 'খালী পাত।' অন্য কেইজনে পুনৰ প্ৰশ্ন কৰে— 'কি খালি?' অকণিজনে কয়— 'গু খালি।' ......স্কুল বন্ধ থাকিলে কয়— 'আজি স্কুল বন্ধ, গোলাপ ফুলৰ গন্ধ।' স্কুল ছুটী হ'লে গায়— 'আজি স্কুল ছুটী, গোলাপ ফুলৰ গুটি।' আন এবিধ খেলত পাঁচ-ছয়টা গুটি লৈ ওপৰলৈ মাৰি গায়— 'অট্টালিকা বাটে যাওঁ, কলপাত কাটি বালিভাত খাওঁ।' 'ঐ কাতি তৌকা......' ইত্যাদি।

অকণিহঁত, কিশোৰ-কিশোৰী, যুৱক-যুৱতী বা প্ৰাপ্তবয়স্ক লোকসকলে খেলা আন কেতবোৰ খেল-ধেমালিৰ নাম হ'ল—আদা খেল, উকুলি-মুকুলি, আঙঠি

খেলা, আলি-ছিগা খেল, কঁকাল ছিগা খেল, দৌৰা, খৰ-বাগৰ মৰা, খালি কুটি খেল, গছ কুমটি খেল, গামোচা চেৰোৱা, ৰচি টনা, ঘাই পকোৱা, মোগল-পাঠান, চকু মুদা খেল, চাক ঘোঁৰা বাঁহৰ ঠেং, চাকি চুকুৰী, টোপা খেল, তৰোৱাল ঘূৰোৱা, তাই-বাই খেল, দাইৰা বান্দা, দোলা, নাও খেল, নাগৰী, নিগনি, মেকুৰী, পাক ঘূৰণি, পাশা, দাবা, বাটা, মল্লযুদ্ধ, মংগল খেল, মুষ্ঠি যুঁজ, লাঠি খেল, শালিকা জোঁট, কুকুৰা যুঁজ, হাফোলা খেল আদি। এইবোৰৰ কিছুমান ভাৰতীয় আৰু কিছুমান অসমৰ থলুৱা খেল-ধেমালি।

খেলৰ দল গঠন পদ্ধতি ঃ খেলত অংশগ্ৰহণ কৰা দুটা দলৰ গঠন পদ্ধতি আকৰ্ষণীয়। খেলুৱৈসকলৰ মাজত দুজন (বা দুজনী) দলপতি (বা দলনেত্ৰী) থাকে। তেওঁলোকক ৰজা (বা ৰাণী) বোলে। বাকী খেলুৱৈসকলে দুজন দুজনকৈ জোঁট একোটা বান্ধে আৰু ৰজাৰ (বা ৰাণী) ওচৰৰ পৰা আঁতৰলৈ গৈ প্ৰত্যেকটো জোঁটে নিজৰ মাজত নাম ৰাখে। তাৰ পাছত ৰজা দুজনৰ ওচৰলৈ আহি প্ৰত্যেক জোঁটে সেই নাম কাক লাগিব সোধে। ধৰা হওক, এটা জোঁটে নিজৰ মাজত নাম থৈছে 'যদু' আৰু 'মধু'। তেতিয়াহ'লে সুধিব— 'যদুক লাগিবনে মধুক লাগিব?' ৰজা দুজনৰ এজনে যদি কয়— 'যদুক লাগিব' তেতিয়া যদু নাম ৰখা খেলুৱৈজনে সেইজন দলপতিৰ কাষ চাপে। এনেদৰে প্ৰতিটো জোঁটৰ খেলুৱৈ দুভাগত বিভক্ত হৈ দুটা দল গঠন হয়।

খেল আৰম্ভ কৰাৰ যোগ্যতা অৰ্জন পদ্ধতি ঃ খেল পথাৰত দুটা দলৰ কোনটো দলে খেল আৰম্ভ কৰিব পাৰিব সেয়া এক বিশেষ পদ্ধতিৰে নিৰ্ধাৰণ কৰা হয়। দলপতি দুজনৰ এজনে আমগছৰ পাত বা তেনে ধৰণৰ দীঘল আন গছৰ পাত ছিঙি লয়। সেই পাতবোৰৰ এটাৰ আগ অংশ ছিঙি পেলায়। তাৰ পাছত আন পাতবোৰৰ স'তে সেই পাতটো ৰাখি এখন হাতৰ তলুৱাত ৰাখি তাৰ ওপৰত আনখন হাত ৰাখি আনটো দলৰ দলপতিক তাৰে এটা টানিবলৈ দিয়ে। তেতিয়া সেই দলপতিজনৰ হাতলৈ আহিব পৰা ছিঙা বা ভাল পাতবোৰৰ ওপৰত নিৰ্ভৰ কৰি কোনটো দলে খেল আৰম্ভ কৰিব সেয়া নিৰ্ধাৰণ কৰা হয়।

উল্লেখযোগ্য যে উপৰোক্ত খেল-ধেমালিসমূহৰ নাম, ইয়াৰ নিয়ম ঠাই বিশেষে বেলেগে বেলেগ হ'ব পাৰে। একেদৰে দল গঠন পদ্ধতি আৰু খেল আৰম্ভ কৰাৰ যোগ্যতা নিৰ্ধাৰণ পদ্ধতিও বেলেগ বেলেগ হ'ব পাৰে।

খেল-ধেমালিসমূহৰ জৰিয়তে বন্ধুত্ব ভাব তথা সম্প্ৰীতি গঢ়ি উঠে। বিভিন্ন ঠাইৰ নানা লোকৰ অংশগ্ৰহণেৰে ৰং-ধেমালিৰ জৰিয়তে আটায়ে হৈ পৰে একোটা ঘৰৰ পৰিয়ালৰ সদস্য।

ৰাস মহোৎসৱ

ভগৱান বিষ্ণুৰ পূৰ্ণ অৱতাৰ কৃষ্ণই বৃন্দাবনত গোপীসৱৰ স'তে কৰা ৰাসলীলাই হৈছে ৰাস মহোৎসৱৰ তাৎপৰ্য। পৌৰাণিক কালত ৰাসলীলাৰ জৰিয়তে উক্ত গোপীসকলৰ ভগৱান কৃষ্ণৰ প্ৰতি থকা সুগভীৰ ভক্তি ভাবৰ মধুৰ স্মৃতিচাৰণৰ জৰিয়তে ভক্তপ্ৰাণ ৰাইজে আজিও ভগৱান শ্ৰীকৃষ্ণৰ প্ৰতি প্ৰকাশ কৰে ভক্তিৰ অঞ্জলি। প্ৰতি বছৰ আঘোণ মাহৰ পূৰ্ণিমাৰ পৰা এঘাৰ বা এসপ্তাহ জুৰি অসমৰ অনেক ঠাইত এই ৰাস মহোৎসৱ আড়ম্বৰপূৰ্ণভাৱে পালন কৰা হয়।

ভগৱান শ্ৰীকৃষ্ণ সৰ্বসুখৰ কাৰণ। ব্ৰহ্মসংহিতাত আছে— 'ঈশ্বৰ ঃ পৰম ঃ কৃষ্ণ ঃ সচ্চিদানন্দবিগ্ৰহ ঃ/ অনাদিৰাদি গোবিন্দ সৰ্বকাৰণ কাৰণম।' ভাগৱতৰ মতে সৃষ্টি, স্থিতি, লয়াদি বিধিৰ কাৰ্য সম্পাদিত হয় শ্ৰীকৃষ্ণৰ অংশৱতাৰৰ দ্বাৰা। জীৱ বা পৰম সত্তাৰ ঐক্যই হ'ল ব্ৰহ্ম আৰু এই ব্ৰহ্মই কৃষ্ণ। ভগৱান শ্ৰীকৃষ্ণ ভক্ত বৎসল; ভক্তই ভগৱানৰ প্ৰাণ। ভক্তই ভগৱানৰ যিভাৱে ভজনা কৰে তেওঁ সেই ভাৱেই ভক্তৰ মনোৰথ পূৰণ কৰে। গীতাত শ্ৰীকৃষ্ণই কৈছে ঃ 'যে যথা মাং প্ৰপদ্যন্দে তান্তথেৱ ভজম্যহম।' মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিৰচিত 'কীৰ্তন'ত আছে ঃ 'নীল আকুঞ্চিত যাৰ কেশ/শিৰে ৰত্ন কিৰীতি সুবেশ/ধ্ৰুৱ যুগ মদনৰ ছাপ/দৰশনে হৰে হৃদি তাপ। প্ৰলয় (বিপদ) কালত যিজনে সকলোকে নিজৰ শৰীৰলৈ টানি আনে সিজনে কৃষ্ণ (কৃৰ্ষণাৎ কৃষ্ণ), অৰ্থাৎ ভক্তৰ বিপদ ভগৱানে নাশ কৰি সুখ-শান্তি প্ৰদান কৰে।

'ঐতিহাসিক শ্ৰীকৃষ্ণ' গ্ৰন্থৰ লেখক দেৱেন্দ্ৰনাথ ভট্টাচাৰ্যই লিখিছে ঃ 'পূৰ্ণ মনুষ্য আৰু ভগৱান'— এই দুয়োবিধ চৰিত্ৰ শ্ৰীকৃষ্ণত পূৰ্ণভাৱে বিকশিত হোৱা বাবে শ্ৰীকৃষ্ণৰ জীৱনত ই অপৰিহাৰ্য। আজিও পূৰ্ণাৱতাৰ হিছাপেহে স্বীকাৰ কৰো; কিন্তু সকলো গুণ আছে বাবেই তেওঁক (কৃষ্ণক) পূৰ্ণ মানৱ বুলিব পাৰি। সাধাৰণ লোকৰ প্ৰতিভাৰ উৰ্ধ্বত থকা অতি প্ৰতিভাশালী লোকসকলৰ কাৰ্যকলাপ সদায় সমালোচনাৰ বস্তু হৈ পৰে। তাৰ কাৰণ হ'ল সৰ্বসাধাৰণ লোকে সেইবোৰ অতি মানৱীয় বুলি ভাবে। কোনো কোনো ক্ষেত্ৰত নিজৰ মনৰ জোখেৰে অতি মানৱীয় চৰিত্ৰৰ লোকৰ স্বভাৱ, চিন্তা, বচন, কৰ্ম জুখিবলৈ লয়। সেইবাবে সেই চৰিত্ৰবোৰ দুৰ্বোধ্য হৈ উঠে। দুৰ্বোধ্য হৈ উঠিলেও অতি মানৱীয় চৰিত্ৰৰ লোকসকল সাধাৰণৰ দৃষ্টিত প্ৰিয় হৈ উঠিলে তেওঁলোক দেৱতাৰ শাৰীলৈ উন্নীত হয়। শ্ৰীকৃষ্ণৰ চৰিত্ৰ অতি মানৱীয়

চৰিত্ৰ। সেই চৰিত্ৰ অতি মধুৰ অথচ ধৰ্ম কঠোৰ। শ্ৰীকৃষ্ণৰ চৰিত্ৰৰ লগত ৰামৰ চৰিত্ৰৰ তুলনা কৰি চাব পাৰিলে উভয়ৰ চৰিত্ৰৰ মাধুৰ্যৰ উপলব্ধি কৰিব পৰা যায়। শ্ৰীকৃষ্ণ মানুহ হৈ মানুহৰ দৰে জন্মগ্ৰহণ কৰি সুখ-দুখ ভোগ কৰি মানুহৰ দৰে মৃত্যুবৰণ কৰিছিল যদিও সুখ-দুখৰ কোনো অনুভূতিত শ্ৰীকৃষ্ণই অভিভূত হোৱা নাছিল। জনকল্যাণ সাধন, ন্যায় ধৰ্মৰ প্ৰতিষ্ঠা, মানৱ ধৰ্মৰ পূৰ্ণ আদৰ্শ স্থাপন কৰাই আছিল কৃষ্ণৰ চৰিত্ৰৰ বিশেষত্ব।'

দেহাভিমানী জীৱৰ অহংকাৰ, গৰ্ব, অদূৰদৰ্শিতাই মনত জন্মায় বৈষম্যবোধ। এই বৈষম্যবোধৰ বাবেই পৰস্পৰ নিন্দা-স্তুতি সতকাৰ-তিৰস্কাৰ, হিংসা-দ্বেষ, তাৰণ-পীড়ন আদিৰ সৃষ্টি হয়। কিন্তু ভগৱান শ্ৰীকৃষ্ণ অদ্বিতীয়, অখিলাত্মা। তেওঁৰ মনত নাই কোনো মানৱীয় বৈষম্যবোধ। সেইবাবে ভগৱান শ্ৰীকৃষ্ণক নিন্দা-স্তুতি, হিংসা-দ্বেষে স্পৰ্শ কৰিব নোৱাৰে।

কৃষ্ণ তত্ত্বৰ লগত ৰাধা তত্ত্বৰ নিগূঢ় সম্পৰ্ক আছে। ৰাধা অবিহনে কৃষ্ণ আৰু কৃষ বিনে ৰাধা থাকিব নোৱাৰে। 'ৰাধ' ধাতুৰ পৰা 'ৰাধা' শব্দ নিষ্পন্ন হৈছে। 'ৰাধা' ধাতুৰ অৰ্থ আৰাধনা কৰা। গতিকে যিয়েই আৰাধনা কৰে সিয়েই ৰাধা। উমাকান্ত শৰ্মাই নলবাৰী হৰি মন্দিৰৰ ৰাস মহোৎসৱৰ ২০০০ চনৰ স্মৃতিগ্ৰন্থত 'কৃষ্ণতত্ত্ব আৰু ৰাসলীলা' শীৰ্ষক প্ৰবন্ধত লিখিছে ঃ 'ৰাধা হ'ল কৃষ্ণৰ আহ্লাদিনী শক্তি, যি শক্তি কৃষ্ণৰ আনন্দাংশত বিৰাজমান, ৰাধা অবিহনে ৰাসো অসম্পূৰ্ণ।'

ৰাস মহোৎসৱ প্ৰচলনৰ পৌৰাণিক কাহিনী

ভবেন্দ্ৰনাথ ডেকাই লিখিছে ঃ 'ব্যাসদেৱে সপ্ৰেম ভকতিৰ ৰহস্য আৰু নিগূঢ় ভক্তিতত্ত্ব প্ৰকাশৰ উদ্দেশ্যে শৃংগাৰ ৰসৰ আৱৰণেৰে 'শ্ৰীমদ্ভাগৱত মহাপুৰাণ'ত ৰাস পঞ্চাধ্যায় সন্নিৱিষ্ট কৰিছে। মহাভাগৱত শাস্ত্ৰৰ দশম স্কন্ধৰ ২৯ অধ্যায়ৰ পৰা ৩৩ অধ্যায়লৈ এই পাঁচটি পঞ্চমাধ্যায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ৰাস পঞ্চমাধ্যায় অনুবাদ কৰি দশমত সন্নিৱিষ্ট কৰাৰ উপৰি 'কীৰ্তনঘোষা' শাস্ত্ৰত 'ৰাসক্ৰীড়া' নামেৰে এটি খণ্ড ৰচনা কৰিছে আৰু একে কাহিনীভাগক লৈ 'কেলি গোপাল' অংকীয়া নাট ৰচনা কৰিছে।

'ৰাস' শব্দৰ আভিধানিক অৰ্থ হ'ল 'মণ্ডলীকৃত নৰ্তনম' অৰ্থাৎ মণ্ডলকাৰ হৈ ঘূৰি ঘূৰি কৰা নৃত্য। যমুনাৰ তীৰত আৰু বালিত শাৰদীয় পূৰ্ণিমা নিশাত এনে ভাবেৰে কৃষ্ণই গোপীসকলৰ স'তে নৃত্য কৰিছিল। গোপী বুলিলে মনুষ্যৰূপী নাৰীকহে বুজা হয়। আকৌ গোপৰ স্ত্ৰী লিংগ গোপী। 'গো' শব্দই বেদ বা ইন্দ্ৰিয়ক বুজায় আৰু 'পী'

শব্দই পান কৰা বুজায়। ভগৱানৰ জ্যোতি যিয়ে উপভোগ কৰে, সিয়ে গোপী। ভগৱানৰ জ্যোতি নির্মল (পবিত্র), বোধশক্তিদায়িনী, আনন্দ প্রদায়ক। গোকুলত বাস কৰা নাৰীসকলক গোপী বোলে। পৰমানন্দ কৃষ্ণৰ ভক্তিপ্ৰেমত আত্মহাৰা হৈ গোপীসকলে ভগৱন্ত বস্তুত আত্মসমর্পণ কৰাই হৈছে ৰাসলীলা। ৰাস হ'ল জীৱাত্মা আৰু পৰমাত্মাৰ সংযোগ সাধন।

গোপীসকলে কৃষ্ণক পাবলৈ এমাহ জুৰি 'কাত্যায়নী ব্রত' পালন কৰিছিল। কাত্যায়নী ব্রত সম্পৰ্কে চুম্বিত মল্ল বুজৰবৰুৱাই লিখিছে ঃ 'কাত্যায়নী ব্রত কুলকুণ্ডলীনি জাগ্ৰত কৰাৰ সাধনা মাত্ৰ। কুণ্ডলীনি জাগ্ৰত হ'লেই সম্যক জ্ঞানোদয় হয় তেতিয়া জীৱাত্মা পাশমুক্ত হয়। অষ্টপাশ বুলিলে লজ্জা, ঘৃণা, ভয়, মোহ, কূল, সীল, বর্ণ আৰু দযাক বুজায়। পাশমুক্ত হ'লে আত্মাভিমান নাথাকে।

কাত্যায়নী ব্রত পালন কৰাৰ মাহ পূর্ণ হোৱাত গোপীসকলে মহাব্ৰত সমাপন কৰে। এদিনাখন গোপীসকলে যমুনাত স্নান কৰি থকা অবস্থাত কৃষ্ণই তেওঁলোকক পৰীক্ষা কৰাৰ বাবে তেওঁলোকৰ বস্ত্রবোৰ এঠাইত থৈ কদম গছত উঠিল। তেতিয়া গোপীসকলে কৃষ্ণক স্তুতি কৰি বস্ত্রবোৰ দিবলৈ অনুনয় বিনয় কৰে। কৃষ্ণৰ স'তে একাত্ম হ'বলৈ হ'লে মায়া-মোহ ত্যাগ কৰি সুচিন্তা বুদ্ধিসম্পন্ন হোৱা উচিত। গোপনাৰীসকলে সেয়া কেতিয়াও আয়ত্ত কৰিব পৰা নাছিল বাবে এবছৰ পাছত আহি বৃন্দাবনত শ্রীকৃষ্ণৰ স'তে ৰাসলীলা কৰিবলৈ কয়— 'আসিবে শৰত ৰাত্রি বিতোপন, বিকশিত বৃন্দাবন/ মই সমন্বিতে কৰিবাহা ক্রীড়া, পৰম আনন্দ মন/' ভাগৱত।

শ্রীকৃষ্ণই কোৱা মতে, শৰৎকালৰ পূর্ণিমা নিশা আহিল। আঘোণ মাহৰ পূর্ণিমা তিথিত চন্দ্ৰৰ স্নিগ্ধ পোহৰেৰে পৃথিৱী উজলি উঠিল। ভাগৱতৰ দশম স্কন্ধৰ 'ৰাস-সংৰম্ভ' শীর্ষক ২৯ অধ্যায়ত মহর্ষি বেদব্যাসে কৈছে ঃ 'ভগবানপি তা ৰাত্ৰী ঃ শাৰদোৎফুল্লমল্লিকা। ৱীক্ষো ৰন্তং মনশ্চক্র যোগমায়াসমুপাশ্রিত/' মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে গ্ৰন্থত ইয়াৰ পদ ভাঙনি কৰিছে এনেদৰে ঃ 'শৰৎ কালৰ ৰাত্রি অতি বিতোপন/বহু বিধ পুষ্পে বিকশিত বৃন্দাবন/দেখি যোগমায়া বলে হৰিষে তহিত/ৰাসক্রীড়া কৰিতে কৃষ্ণৰ ভৈল চিত্ত।'

শাস্ত্ৰকাৰে কবিত্ব আৰু কল্পনা শক্তিৰে শৰতৰ চন্দ্ৰাবলী নিশাৰ বর্ণনা দিছে অতি সুন্দৰ ৰূপত—পুব দিশত পূর্ণ চন্দ্ৰৰ স্নিগ্ধ সুশীতল পোহৰে বৃন্দাবন আলোকিত কৰিছে। নানা তৰহৰ ফুলেৰে ৰঞ্জিত বৃন্দাবনত সুৰভি শীতল মলয়া বতাহ অহৰহ বৈ আছে। চৰাইৰ মুক্ত বিচৰণ আৰু মধুৰ কলৰব। ময়ুৰবোৰে চালি ধৰি ঘূৰি ফুৰিছে মনৰ উলাহত। মুকলি আকাশত ফুলবন্ধ তৰাবাশি। হ্ৰদৰ সুনির্মল জলৰাশিত

আকাশৰ তৰা, চন্দ্ৰ কাষৰ গছ-ফুলৰ শোভা জিলিকিছে। বতাহত শেৱালিফুলৰ লগতে আন ফুলৰ মধুৰ সুবাস বিয়পিছে।

এনে মনোৰম প্ৰাকৃতিক পৰিবেশত কৃষ্ণই গোপনাৰীসকলৰ স'তে ৰাসক্ৰীড়া কৰাৰ অৰ্থে বৃন্দাবনলৈ গৈ মধুৰ বাঁহীৰ মাতেৰে আমন্ত্ৰণ জনায়। কৃষ্ণৰ ভক্তিপ্ৰেম-বিহ্বলা গোপীগণে বাঁহীৰ মাত শুনি কাম-কাজ এৰি বৃন্দাবনলৈ ঢাপলি মেলিলে। মহাপুৰুষ শংকৰদেৱে এই চিত্ৰ অংকন কৰিছে শাস্ত্ৰত ঃ 'আছিলেক ক'তো ক'তো গোপী গাই দুই/ কান্দিয়া আছাৰি যায় বিমোহিত হুই/' .... 'আখতে থাকিলেক দুগ্ধচৰু পৰি/ কোনোৱে যায় দধি মথনকো এৰি/' কোনোৱে ভাত খাই থকা অৱস্থাত থাকোতে আধা খোৱাকৈ এৰি, কোনোৱে তেল-কুড় ঘঁহি থকা অৱস্থাত আধা ঘঁহাকৈ লৰ দিছিল বৃন্দাবনলৈ। এনেদৰে গোপীসবে গৈ কৃষ্ণৰ ভৰিত ধৰেগৈ।

কৃষ্ণৰ স'তে কৰা নৃত্যত গোপীসকলৰ অৱস্থা কেনে আছিল তাৰ বৰ্ণনা পোৱা যায় ঃ 'গোপীৰ নৃত্যত ভৈল ভৰি কৰতাল/ বেঢ়িয়া পুঞ্জৰৈ যেন ভ্ৰমৰে গীতাল/শিৰকো কম্পাৱে খসে খোপাও আউল/তুষ্ট হুয়া কেশে বৰিষয় যেন ফুল/' ৰাসক্ৰীড়াই স্বৰ্গ-মৰ্ত্যত অপূৰ্ব আলোড়নৰ সৃষ্টি কৰিলে ঃ 'কৃষ্ণৰ অসংখ্য মূৰ্তি হুলৈ মেঘনয়/প্ৰকাশে বিজুলী যেন তাতে গোপীৰয়/ঘৰ্মজলে কণিকা গজনে ভৈল গীত/আকাশৰ পৰা দেৱে দেখৈ বিপৰীত।'

কৃষ্ণৰ মায়াৰ বাবে গোপীসকলৰ কৃষ্ণৰ স'তে ৰাসলীলা চলি থাকোতেও গোপীসকলক নিজৰ পৰিয়ালৰ লোকে সাৰ পাই ওচৰতে দেখিবলৈ পাইছিল। 'দশম' ত আছে এনেদৰে ঃ 'গোকুলৰ গোপজনৰ মনক, মোহিলে কৃষ্ণৰ মায়া/হাত বুলায় দেখৈ শয্যাতে শুতিয়া; কাষে আছে নিজ জায়া/যশোদায়ে তৈত পুত্ৰক দেখন্ত, শয্যাত আচন্ত শুতি/আচোক মনুষ যাহাৰ তনয়, ব্ৰহ্মায়ে ভৈল বিশ্ৰুতি।'

কৃষ্ণৰ অন্তৰ্ধানত লাহে লাহে গোপীসকলে নিজৰ অহংকাৰৰ কথা অনুভৱ কৰি অনুশোচনা কৰিলে। কৃষ্ণক পুনৰ ভক্তিচিত্তে হৃদয়ত ঠাই দিয়াত ভগৱানে পুনৰ দেখা দি যমুনাৰ পাৰত গোপীগণৰ স'তে নৃত্য আৰম্ভ কৰিলে। গোপীসকলৰ স'তে গোটেই নিশা নৃত্য কৰি ৰাতি পুৱাবলৈ ধৰোতেই বিদায় দিলে ভগৱানে। গোপীসকলে ঘৰলৈ গৈ নিজৰ ঘৰুৱা কৰ্মত মগ্ন হ'ল। তীৰ্থলোচন তামুলীয়ে 'লোক উৎসৱ ৰাসলীলা আৰু বৃন্দাবনবাসী' শীৰ্ষক প্ৰবন্ধত লিখিছে ঃ 'পৰমাত্মাৰ লগত জীৱাত্মাৰ যি লীলা, সি নিত্য লীলা। ব্ৰজত এই লীলা কৰি শ্ৰীকৃষ্ণই যেতিয়া মথুৰালৈ গ'ল তেতিয়াও সেই লীলাৰ সমাপন হোৱা নাছিল। বৰং ই বেছি গাঢ়, বেছি গম্ভীৰহে হ'ল। শ্ৰীকৃষ্ণই বান্ধৱ উদ্ধৱক লগ ধৰি তেওঁৰ দ্বাৰা গোপীসকললৈ যি বাৰ্তা

পঠাইছিল, তাৰ পৰা দেখা গ'ল যে কৃষ্ণ দেখাত দূৰলৈ গৈ চকুৰ আঁতৰ হ'লেও গোপীসকলৰ মনৰ আঁতৰ হোৱা নাছিল। তেওঁলোকৰ ভক্তিপূৰ্ণ অন্তৰতে আছিল। তেওঁ বাৰ্তাত গোপীসকলক কৈছিল : 'কল্যাণীয়সকল তোমালোকৰ পৰা সৰ্বাত্মাৰ কেতিয়াও বিয়োগ নহয়।' ভাগৱতত আছে : 'ভবতীনাং বিয়োগ মেন হি সৰ্বাত্মনা কৃচিৎ') 'সদায় আমাতেই চিত্ত প্ৰবিষ্ট কৰি ধ্যান কৰিলে ওচৰতে আমাক পাবা।'

ৰাসলীলাৰ গূঢ়াৰ্থৰ বিচাৰ : ৰাসলীলা, কৃষ্ণৰ প্ৰতি থকা শাশ্বত ভক্তিপ্ৰেম ৰস আস্বাদনৰহে প্ৰক্ৰিয়া। যি গোপী বা ভক্তই এই প্ৰেমৰস আস্বাদনৰ প্ৰক্ৰিয়াত নিমজ্জিত হয় তেওঁলোকৰ বাবে দৈহিক সুখ-সম্ভোগৰ স্থান এই প্ৰেমৰসত নাথাকে। 'ৰস' শব্দৰ পৰা 'ৰাস' শব্দ আহিছে আৰু ইয়াৰ পৰাই মানবাত্মা আৰু বিশ্বাত্মাৰ মিলন জ্ঞাপক একমাত্ৰ শব্দ ৰাসলীলাৰ উদ্ভৱ হৈছে। ৰাসক্ৰীড়াৰ মাজতে বিশ্বব্যাপী কৰা ক্ৰীড়া জড়িত হৈ আছে— 'ৰাসপঞ্চাধ্যায়ত' শুকদেৱে কৈছে : 'বিক্ৰীড়িত ব্ৰজভিৰিদং চ বিষ্ণো')। অৰ্থাৎ গোপীসকলৰ স'তে কৰা ক্ৰীড়াক কৃষ্ণক্ৰীড়া নুবুলি, বিষ্ণুক্ৰীড়া বুলিছে। বিষ্ণু শব্দৰ অৰ্থ বিশ্বব্যাপী ঈশ্বৰ। 'বেবেষ্টি ইতি বিষ্ণু' অৰ্থাৎ 'গোটেই বিশ্বব্যাপী ক্ৰীড়া চলাই আছে।' ভগবানে মানৱৰ মঙ্গলৰ অৰ্থেই জগতত কাৰ্য কৰে।

অসমৰ কেইখনমান উল্লেখযোগ্য ৰাস মহোৎসৱ

নলবাৰী হৰি মন্দিৰৰ ৰাস মহোৎসৱ : নলবাৰী চহৰৰ হৰি মন্দিৰৰ ৰাস মহোৎসৱ সমগ্ৰ উত্তৰ-পূব ভাৰততে বিখ্যাত। এই হৰি মন্দিৰৰ ৰাস মহোৎসৱত মন্দিৰ প্ৰাঙ্গণৰ এক বৃহৎ এলেকাজুৰি সজ্জা ঘৰবোৰত পৌৰাণিক বিভিন্ন ঘটনা সম্পৰ্কীয় মূৰ্তি ৰাখি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। ইয়াৰ ৰাস মহোৎসৱৰ সাংস্কৃতিক মঞ্চত ভাৰতৰ বিভিন্ন প্ৰান্তৰ নানা সাংস্কৃতিক অনুষ্ঠান পৰিবেশিত হয়। ভাৰতৰ বিভিন্ন ঠাইৰ পৰা অহা আৰু অসমৰ বিভিন্ন ঠাইৰ সৰু-বৰ অনেক বিপণী (দোকান), চাৰ্কাছ, যাদু আদিৰে ভৰি পৰে এক বৃহৎ এলেকা। আগতে এমাহজুৰি হৈছিল যদিও বৰ্তমান এই মন্দিৰত ৰাস মহোৎসৱ এঘাৰ দিন জুৰি হয়।

টিহুৰ ৰাস মহোৎসৱ : টিহুৰ ৰাস মহোৎসৱত আজি বহু বছৰ জুৰি কাৰিকৰী প্ৰযুক্তি স্বয়ংচালিত মাটিৰ মূৰ্তিৰ কাৰ্য দৰ্শকৰ বাবে বিশেষ আকৰ্ষণৰ কেন্দ্ৰ। টিহু হৰিমন্দিৰত কেইবাদিনজুৰি এই ৰাস মহোৎসৱ হয়।

এই দুখন ৰাস মহোৎসৱৰ বাহিৰেও পলাশবাৰী, মাজুলী, হাউলী, পাঠশালা, ছয়গাঁও, গোৱালপাৰা, ৰামপুৰ, হেলনা, নগাঁও আদিৰ ৰাস মহোৎসৱ বিখ্যাত।

মাঘ বিহুৰ পৰম্পৰাগত শেন যুঁজ, কুকুৰা যুঁজ, ম'হ যুঁজ, বুলবুলি যুঁজ আদি...

অতীজৰে পৰা অসমত মানুহৰ মাজত নানা খেল-ধেমালি প্ৰচলিত হৈ আহিছে। বৰ্তমানৰ কৃত্ৰিমতাযুক্ত খেল-ধেমালিসমূহৰ বিপৰীতে গ্ৰাম্য অঞ্চলৰ অনাখৰী, সৰল মানুহৰ সম্প্ৰীতি বা সংহতিৰ প্ৰতীক আছিল এনে খেল-ধেমালিসমূহ। নানা উৎসৱ-পাৰ্বণত, ৰাজহুৱা স্থানত বা সদায় বিয়লি নানা ঠাইত হোৱা খেল-ধেমালিসমূহত বিভিন্ন অঞ্চলৰ নানা জাতি, বৰ্ণ, ধৰ্ম সম্প্ৰদায়ৰ লোকৰ অংশগ্ৰহণ বা খেল উপভোগৰ প্ৰক্ৰিয়াৰে এই সম্প্ৰীতিৰ সৃষ্টি হৈছিল। বৰ্তমান সময়ৰ তথাকথিত প্ৰতিযোগিতামূলক মনোভাৱ বা তেনে উদ্দেশ্যত পতাৰ সলনি অতীতৰ সৰল খেল-ধেমালিসমূহৰ প্ৰধান উদ্দেশ্যই আছিল ৰং-ধেমালি কৰা।

আহোম ৰাজত্বৰ সময়ত ভোগালী বিহুত আৰু ৰঙালী বিহুত প্ৰচলিত এই খেলসমূহৰ ক্ষেত্ৰত জয়ী হোৱা জন্তু আৰু চৰাইৰ গৰাকীক দিছিল ধনৰ টোপোলা, ৰাজ উপাধি আৰু ৰাজ পদ। আনহাতে পৰাজিত জন্তু-পক্ষীৰ গৰাকীয়ে খাবলগা হৈছিল চমতাৰ কোব।

বৰ্তমান সময়ত মাঘ বিহু বা ভোগালী বিহুতহে এই খেল-ধেমালিসমূহ অনুষ্ঠিত হয়। পুহৰ শেষৰ দিনা বা সেইদিনাৰ পৰা কোনো ঠাইত তিনি দিন, কোনো ঠাইত পাঁচ দিন আৰু কোনো ঠাইত সাত দিনজুৰি অনুষ্ঠিত হয়।

(ক) শেন যুঁজ ঃ এই যুঁজৰ বাবে কণুৱা (চৰাই) বিভিন্ন ঠাইৰ পৰা বিহুৰ আগতে ধৰি আহোম ৰাজত্বৰ সময়ত জেৰেঙা পথাৰৰ খালত থৈ দিছিল। তাত থকা মাছ খাই থাকে সিহঁতে। মাছ খাবলৈ আন ঠাইৰ পৰাও কণুৱা আহে। সিহঁত অৱশ্যে তাত ৰাতি নাথাকি গধূলি সময়ত উৰি যায় থকা ঠাইলৈ। এই শেন যুঁজৰ বাবে আগ্ৰহী মানুহে ফান্দৰ সহায়ত শেন ধৰি তাক ঘৰত খুৱাই-বুৱাই ৰাখি যুঁজৰ প্ৰশিক্ষণ দিয়ে। নিৰ্ধাৰিত দিনত জেৰেঙা পথাৰত অনুষ্ঠিত হয় শেন যুঁজ। এই যুঁজৰ বাবে বিভিন্ন ঠাইৰ সকলো শেনচোৱা শেনৰে স'তে আহি তাত গোট খায়। কেইজনমানে তাত থকা কণুৱাবোৰ হৈ-হাল্লা কৰি উৰুৱায়েই দিয়ে। লগে লগে শেনচোৱাই নিজৰ শেন এৰি দিয়ে। সেই শেনে আকাশলৈ উৰা মাৰি শূন্যতে কণুৱাবোৰৰ স'তে যুদ্ধত ৰত হয়। যুঁজত কণুৱা কেতবোৰ মৰাত ভয় খাই বাকীবোৰ পলাই যায়। কণুৱা এটা

মৃত অৱস্থাত লৈ আহি শেনটো তললৈ নামি আহে। তেতিয়া তলত থকা শেনৰ গৰাকীয়ে কাপোৰ এখন আন তিনিজনৰ সহায়ত তলত মেলি ধৰে। শেনটো আহি তাত পৰে। তেতিয়া শেনচোৰাই মৰা কণুৰাটো তাৰ বন্ধনৰ পৰা আঁতৰাই তাৰ ভৰিত ডোল লগাই দিয়ে। ঘৰৰ পৰা পানী গৰম কৰি আৰু লগতে জালুক, কুমুটি, পিপলি আদি লৈ যায় শেনচোৰাই। তেওঁ শেনটোৰ ঠোঁট গৰম পানীৰে ধুৱাই দি জালুক, কুমটি, পিপলি আদি খাবলৈ দিয়ে। শেনটো বিজয়ী ঘোষিত হয় আৰু গৰাকীয়ে লাভ কৰে পুৰস্কাৰ। আনহাতে যুঁজৰ বাবে শেনচোৰাই মেলি দিয়া শেন আন ঠাইলৈ উৰি গ'লে শেনচোৰাই লাভ কৰিবলগীয়া হয় চমতাৰ কোব।

(খ) কুকুৰা যুঁজ : কুকুৰা যুঁজৰ বাবে এমাহ আগৰে পৰা আগ্ৰহীজনে মতা কুকুৰা বা মুৰ্গা এটাক খুৱাই-বুৱাই আদৰ-যত্ন কৰি শাৰীৰিকভাৱে শক্তিশালী কৰে। যুঁজৰ বাবে প্ৰশিক্ষণো দিয়ে। কুকুৰা দুটাই যুঁজোতে ঠোঁট, পাখি আৰু ঠেং ব্যৱহাৰ কৰে। ঠেংৰ নখেৰে ইটোৱে সিটোক আঘাতো কৰে। দুয়োটাৰে মাজত হোৱা ৰণত শাৰীৰিক শক্তি কমি এটাই পৰাজয় বৰণ কৰে। আনটো জয়ী বিবেচিত হয়।

আহোম ৰজা চন্দ্ৰকান্ত বৰুৱাৰ দিনত এই কুকুৰা যুঁজে ব্যাপক প্ৰসাৰ লাভ কৰিছিল। বৰ্তমান সময়ত আমি নগাঁও-মৰিগাঁও জিলাৰ বাৰপূজীয়াৰ ওচৰৰ এখন গাঁৱত এই কুকুৰা যুঁজৰ প্ৰচলন থকাৰ কথা জানিব পাৰিছো। তাৰ বাহিৰেও উজনি অসমৰ আন আন ঠাইতো ইয়াৰ প্ৰচলন আছে।

(গ) বুলবুলি চৰাইৰ যুঁজ : হাজোৰ বুলবুলি চৰাইৰ যুঁজৰ ইতিহাস প্ৰাচীন। আহোম ৰাজত্বৰ সময়ত এজন ৰজা এবাৰ আহিছিল হয়গ্ৰীৱ মাধৱ মন্দিৰ পৰিদৰ্শন কৰিবলৈ। পৰিদৰ্শনকালত এঠাইত তেওঁ দেখা পায় যুদ্ধৰত অৱস্থাত থকা এহাল বুলবুলিক। সেইহালৰ যুঁজত মুগ্ধ হৈ তেওঁ তেতিয়াৰে পৰা তাত সেই যুঁজৰ আৰম্ভ কৰে। এনেদৰেই ৰজাৰ আমোলত আৰম্ভ হোৱা বুলবুলি চৰাইৰ যুঁজ আজিও স্থানীয় ৰাইজৰ উদ্যোগত চলি আছে। এই যুঁজ অনুষ্ঠিত হয় পুহৰ ৩০ তাৰিখে।

প্ৰশিক্ষণৰ সমাপ্তিত যুঁজৰ বাবে চৰাইটো উপযুক্ত হৈ উঠে। গৰাকীয়ে যুঁজৰ আগদিনা চৰাইটো লৈ হয়গ্ৰীৱ মাধৱ মন্দিৰলৈ ৰাওনা হয়। তালৈ আন ঠাইৰ পৰাও গৰাকীৰে স'তে প্ৰতিযোগী বুলবুলি চৰাইবোৰ আহি পায়। সেইদিনা সন্ধিয়া চৰাইবোৰক নিচাযুক্ত 'ভোক' নামৰ এবিধ দ্ৰব্য খুৱায়। এইবিধ দ্ৰব্য তৈয়াৰ কৰে যুঁজ পৰিচালক দুজন 'মাচিঙে'। যুঁজৰ বাবে ডেস্ক-বেঞ্চ বা বিছনাত এখন কাপোৰ পাৰি খেলৰ ঠাই প্ৰস্তুত কৰা হয়। খেলৰ দিনা পুৱাৰে পৰা এই প্ৰতিযোগিতা আৰম্ভ হয়। প্ৰতিযোগী দুটা বুলবুলি চৰাই খেলৰ ঠাইত ৰাখি দুয়োৰে মাজত কল একোৰৰ ৰাখি যুঁজ লগোৱা হয়।

(ঘ) ম'হ যুঁজ ঃ অসমৰ ম'হ যুঁজ হোৱা জিলা দুখন হ'ল নগাঁও আৰু মৰিগাঁও। মৰিগাঁৱৰ আঁহতগুৰিৰ ম'হ যুঁজ অতি বিখ্যাত। এই যুঁজ হয় মাঘ মাহৰ ১ তাৰিখ আৰু ২৬ জানুৱাৰী তাৰিখে ৰাষ্ট্ৰীয় পথৰ ওচৰৰ দুখন ঠাইত। আঁহতগুৰিৰ বাহিৰেও জিলা দুখনৰ বাৰপুজীয়া, চাকাবাহা, ধিং, বৈদ্যবড়ী, মিকিৰভেটা, হাড়ীগড়, দঘাল, তেলাহী, কপিলীপৰীয়া, হুজগাঁও, তেঁতেলিমৰা, কাছধৰা, বৰশিবন্ধা, হাতীগড়, লেলাইবড়ী আদিতো হয়। উল্লিখিত জিলা দুখনৰ উপৰি উজনি অসমৰ আন আন জিলাতো ম'হ যুঁজ অনুষ্ঠিত হয়। জনবিশ্বাস মতে ম'হ যুঁজ চালে এবছৰলৈ মানুহৰ মূৰঘূৰণি নহয়। এই ম'হ যুঁজ হ'ল দৈহিক শক্তি প্ৰদৰ্শনৰ প্ৰতীক।

ম'হ যুঁজৰ প্ৰস্তুতি এমাহমান আগৰে পৰা চলে। ম'হৰ গৰাকীয়ে খেতি উঠাৰ পিছতে মতা ম'হ এটাক নানা পুষ্টিকৰ খাদ্য খুৱাই শক্তিশালী কৰে। ম'হটোক তেল-টেঙা ঘঁহি, গা ধুৱাই চাফ-চিকুণকৈ ৰাখে। যুঁজৰ বাবে দিনে প্ৰশিক্ষণ দিয়ে। ম'হ যুঁজ মুকলি পথাৰত অনুষ্ঠিত হয়। তাত গোটখোৱা বিভিন্ন ঠাইৰ পৰা প্ৰতিযোগী ম'হবোৰৰ ভিতৰত দুটা দুটাকৈ ম'হৰ যুঁজ অনুষ্ঠিত হয়। খেল হোৱা ঠাইলৈ আনি গৰাকীয়ে বা ম'হগুৱালে নাকী সোলোকাই দিয়ে। প্ৰথমতে দুয়োটাই তলমূৰ কৰি পৰস্পৰলৈ চাই ফোঁপায়। তাৰ পিছত হঠাতে এটাই আনটোক গৈ প্ৰচণ্ড শক্তিৰে খুন্দা মাৰে মূৰেৰে। পৰস্পৰে পৰস্পৰক ঠেলি পিছলৈ নিব খোজে। সিহঁতৰ যুঁজত পৃথিৱী কঁপে। এবাৰ যদি এটাই আনটোক হঠাতে ঠেলি পিছলৈ নিয়ে, তেন্তে পিছৰবাৰ আনটোৱে প্ৰথমটোক ঠেলি পিছলৈ নিয়ে। মাজতে আকৌ কেতিয়াবা যুঁজিবলৈ এৰি দুয়োটাই দুয়োটাক ঘোপা কৰি চাই ৰয়। তেতিয়া ওচৰতে থকা গৰাকীয়ে 'ধৰ, ধৰ' বুলি আৰু দৰ্শকে চিএঞৰি, সুহুৰি বজাই যুঁজিবলৈ উদ্‌গনি দিয়ে। তেতিয়া দুয়োটা পুনৰ যুদ্ধত ৰত হয়। প্ৰচণ্ড যুদ্ধত শক্তি ক্ষয় হৈ এটাই আনটোৰ ওচৰত পৰাজয় বৰণ কৰিবলৈ বাধ্য হয়। কেতিয়াবা আকৌ এটাৰ শাৰীৰিক শক্তি কম হোৱাৰ বাবেও আনটোৰ ওচৰত পৰাজয় বৰণ কৰিবলগীয়া হয়। পৰাজয় বৰণ কৰি ম'হটো তাৰ পৰা পলাই লৰ ধৰে। তাৰ পিছে পিছে জিকা ম'হটোৱে খেদি যায়। দুয়োটা ম'হৰ পিছে পিছে গৰাকীয়েও লৰ ধৰে। জয়ী হোৱা ম'হটোক আন মানুহৰ স'তে ধৰি নাকত নাকী লগায় গৰাকীয়ে। হৰা ম'হটোক গৰাকীয়ে নিজেই নাকী লগাই বান্ধে। দুয়োটা ম'হৰে আঘাতৰ চিকিৎসা কৰা হয় খেল-পথাৰতে।

(ঙ) ষাঁড়গৰুৰ যুঁজ ঃ ষাঁড়গৰুৰ যুঁজ পহিলা মাঘৰ দিনা ঠাইবিশেষে অনুষ্ঠিত হয়। সাধাৰণতে সংখ্যালঘু মুছলমানসকলৰ মাজত প্ৰচলিত এই ষাঁড়গৰুৰ যুঁজ খুব কমেইহে অনুষ্ঠিত হয়। উজনি অসমৰ নগাঁও-মৰিগাঁও জিলাৰ বাৰপুজীয়াৰ এখন

ঠাইত আৰু বৰপেটা জিলাৰ এখন ঠাইত এই খেল অনুষ্ঠিত হয়। এই যুঁজক লৈ প্ৰচলিত উৎসৱটোৰ নাম হ'ল 'পুষুৰা'। পুহ মাহৰ এক তাৰিখে গৰখীয়া ল'ৰাৰ মাজত মহোহোৰ দৰে 'মাগন গীতেৰে' আৰম্ভ হৈ মাঘ মাহৰ দুই তাৰিখে ৰাতিপুৰা কবিগীতেৰে সমাপ্ত হয়। মাঘৰ প্ৰথমদিনা ৰাতিপুৱা অনুষ্ঠিত হয় ম'হ যুঁজৰ সমধৰ্মী ষাঁড়গৰুৰ যুঁজ। এই যুঁজৰ সকলো ব্যৱস্থা ম'হ যুজৰ দৰে একে।

(চ) হাতী যুঁজ : আহোমসকলৰ ৰাজত্বকালত অসমত প্ৰচলিত এটা খেল হ'ল হাতী যুঁজ। ভোগালী বিহুত অনুষ্ঠিত এই খেলৰ আৰম্ভণি হয় স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বকালৰ পৰা। এই যুঁজৰ বাবে হাতীবোৰক বৰা চাউলৰ ভাত আৰু মাটিমাহৰ আঞ্জা খুৱাই যুঁজাৰু কৰা হয়। হাতী যুঁজ দুই ৰকমে অনুষ্ঠিত হৈছিল। তাৰে এটা হ'ল গঁৰালৰ ভিতৰত আৰু আনটো হ'ল মুকলিভাৱে। এই হাতী যুঁজ ভয়াবহ। যুঁজত হাৰিলে হৰা হাতীটোৱে দৌৰি পলোৱা সময়ত মানুহক মহতিয়াই যায়। আনহাতে যুঁজত মাউতৰো মৃত্যু ঘটিব পাৰে। মাউতে হাতীৰ ওপৰত বহি গদা-কোঁহেৰে বা অংকুশেৰে হাতীক খুচি যুঁজ লগায়। যুঁজত হাৰি পলাই যাওঁতেই সুবিধা পালে ৰাস্তাৰ গছৰ ডালত ধৰি তাত ওলমি থাকি নিজক বচায়।

(ছ) কণী যুঁজ : নলবাৰী জিলাৰ পশ্চিম অঞ্চলৰ বেলশৰত মঙলবাৰ আৰু শুক্ৰবাৰৰ বজাৰত মাঘ বিহু আৰু ব'হাগ বিহুত এই খেল হয়।

কণী যুঁজৰ বাবে পাতিহাঁহৰ কণী উত্তম। কণী নিৰ্বাচন কৰোতে খেলুৱৈসকলে কড়ি আৰু নখেৰে ইয়াৰ কাঠিন্য পৰীক্ষা কৰে। যুঁজৰ ক্ষেত্ৰত কণীৰ জোঙা আৰু বহল অংশ ব্যৱহাৰ হয়। খেলুৱৈ দুজনৰ মাজত হোৱা এই যুঁজ বা খেলত গোনতে কোনে কি ফালটোৰে যুঁজিব তাক থিৰাং কৰে। তাৰ পিছত এজনে কণীটোৰ জোঙা বা বহল অংশ (পূৰ্বতে ঠিক কৰামতে) মুকলিকৈ ৰাখি বাকী অংশ হাতেৰে মুঠি মাৰি ধৰে। আনজনে জোঙা বা বহল অংশ (পূৰ্বতে নিৰ্ধাৰণ কৰামতে) মুকলি ৰাখি বাকী অংশ হাতৰ মুঠিত ৰাখি সেই অংশৰে বিপৰীতজনৰ কণীৰ খোলা অংশত খুন্দা মাৰি দিয়ে। ইয়াত যিজনৰ কণী ভাগে তেৱেঁই পৰাজিত প্ৰমাণিত আৰু নভগাজন জয়ী প্ৰমাণিত হয়। জয়ীজনে পৰাজিতজনৰ খেলত ভগা কণীটো পুৰস্কাৰ হিচাপে লাভ কৰে।

(জ) নাৰিকল যুঁজ : নাৰিকল যুঁজৰ এটাৰ বাহিৰে বাকী সকলো ব্যৱস্থা কণী যুঁজৰ দৰে। এই ব্যৱস্থাটো হ'ল কণী যুঁজৰ বহল বা জোঙা অংশ খেলৰ বাবে ব্যৱহাৰ হোৱাৰ সলনি নাৰিকলৰ পেটটোহে ব্যৱহাৰ হয়। হাজোত এই নাৰিকল খেলৰ প্ৰচলন আছে। বুলবুলি চৰাইৰ যুঁজৰ দিনাই নাৰিকলৰ যুঁজো হয়। ইয়াৰ নাৰিকলৰ

যোগান ধৰিবলৈ বিহুৰ আগতে বহা মেলাৰ দোকানসমূহ নাৰিকলেৰে ভৰি পৰে।

এইবোৰ যুঁজ বা খেল অসমৰ নানা ঠাইত ভোগালী বিহুত হয়। প্ৰতিটো অঞ্চলেই খেলসমূহৰ প্ৰাচীন ঐতিহ্যক লৈ গৌৰবান্বিত, এইবোৰ খেলৰ ধাৰাবাহিকতা ৰক্ষাৰ প্ৰতি সদায় সচেতন।

শেষত ইয়াকে ক'ব পাৰি—মাথোঁ সংস্কৃতি ৰক্ষাৰ খাতিৰতে, বন্যপ্ৰাণীৰ সুৰক্ষাৰ এই দিনত জন্তু, চৰাইক যুঁজত শাৰীৰিক আঘাত হ'ব পৰা পৰিস্থিতিৰ পৰা আঁতৰত ৰাখি যুঁজ বা খেল অনুষ্ঠিত কৰাৰ প্ৰয়োজন।

অসমৰ জাতি-জনজাতিৰ সুস্বাদু খাদ্যসম্ভাৰ

অসমীয়া মানুহে খেতিৰ পৰা পোৱা বিভিন্ন শস্য, শাক-পাচলি, প্ৰকৃতিপ্ৰদত্ত ফল-মূল আদি খাদ্য হিছাপে খায়। আমিষ খাদ্য হিছাপে মাছ, মাংস, কণী আদি খায়। ভাত অসমীয়া মানুহৰ প্ৰধান খাদ্য। তামোল খোৱাটো অসমীয়া মানুহৰ এক দীৰ্ঘদিনীয়া ৰীতি। পানীয় হিছাপে চাহ সেৱন কৰে। বিবিধ ফলাহাৰো কৰে।

ড° নাৰায়ণ দাসে লিখিছে ঃ 'মাধৱ কন্দলীৰ লেখাত 'শালি তণ্ডুল' আৰু 'খৰিকাজহাৰ পিঠা'ৰ সোৱাদ পাওঁ। ধান-চাউলৰ পৰা প্ৰস্তুত কৰা আখৈ, চিৰা, পিঠা-পনা, মুড়ি আৰু সান্দহ অসমীয়া লোকৰ আহাৰ। বিহুৱা ডেকাই 'ক'লা জহা চাউলৰ ভাত', 'বকুল বৰাধানৰ কৰাই', 'দোৱা ভজা চিৰা', 'কোমল (বোকা) চাউল' আৰু 'শুকান পিঠাগুড়ি'ৰ সোৱাদ ল'বলৈ পাহৰা নাই। গৰু, ম'হৰ গাখীৰেৰে ক্ষীৰ আৰু পায়স ৰান্ধি তাক নিজেও খাইছিল, দেৱতালৈও আগবঢ়াইছিল। লোকে ঘিউ ব্যৱহাৰ কৰিছিল। চীনা পৰিব্ৰাজক হিউৱেন চাঙে পুৰণি কামৰূপত কঁঠাল আৰু নাৰিকলৰ প্ৰাচুৰ্য দেখিছিল। যোগিনীতন্ত্ৰ আৰু মাধৱ কন্দলীৰ 'ৰামায়ণ' প্ৰভৃত বিবিধ ফলৰ নাম পোৱা যায়। 'ফাতিয়াহ-ই-ইব্ৰিয়াত' অসমীয়া মানুহে কেঁচা তামোল খোৱাৰ কথা উল্লেখ আছে। 'যোগিনীতন্ত্ৰ'ত বহুবিধ শাক-পাতৰ নাম পোৱা যায়। বনৰীয়া আৰু কৃষিজাত উভয়বিধ শাকেই অসমীয়া লোকৰ প্ৰিয় খাদ্য। বাহক, বক, কলফুল, শেৱালি ফুল, চজনা ফুল আদিও অসমীয়াই খাদ্যৰূপে গ্ৰহণ কৰে। টেঙা আৰু খাৰৰ ৰন্ধন প্ৰণালীয়ে অসমীয়া খাদ্যসম্ভাৰক আন ঠাইৰ পৰা পৃথক কৰিছে। আঞ্জাৰ সোৱাদ বঢ়াবলৈ মছলাৰ প্ৰয়োজন। যোগিনীতন্ত্ৰত আদা, জীৰা, জলকীয়া, কৰ্পূৰ আৰু সৰিয়হৰ নাম পোৱা যায়। ডাকৰ বচনত ৰন্ধা-বঢ়াৰ বিষয়ে বহু কথা আছে। 'ফোৰণ মৰা' আঞ্জা খাবলৈ বেছি সোৱাদ। আঞ্জা ৰান্ধি খোৱাৰ উপৰি অসমীয়া লোকে মাছ, আলু, শাক-পাচলি ভাজি, পুৰি, খৰিকাত দি, পাতত দিও খাইছিল। 'কুমৰহৰণ' কাব্যত 'মুগৰ ঘৃত চিনি চুৰা দিয়া', 'বাথৰেৰে খাসিৰ মাংসে ৰন্ধা', 'পাৰাৱতৰ কতলা', 'কচ্ছপৰ মাংঘত বৰফলা', হৰিণৰ মাংসত হিঙুৰ ফোৰণ', 'ৰম্ভামূলেৰে গাহৰিৰ মাংস', 'চিত্ৰ ফলিত কৰ্পূৰ', 'বৰালিৰ ঘাণ্টি', 'বৌ মাছত মচুৰ', 'কছে বছে বেসুআৰি শৌলে মূলে সংগ', 'মাগোৰ মাগুৰে', 'আৰি মাছত পালঙ', 'কাঠি অৰা কৰি ইলীহ, 'কান্দোল', 'আমিৰ সোলংগ দিয়া লফাৰ আমোল', 'পকা

তেঁতেলিত গুৰৰ ৰস দিয়া'ৰ বৰ্ণনা আছে। আহোম স্বৰ্গদেউসকলৰ দিনত চাংমাইসকলে সাধাৰণ শাক-পাতকে জুতি লগাকৈ ৰান্ধিব জানিছিল।' বৰ্তমানেও অসমীয়াসকলে নানা বিধ মাছ, শাক-পাতৰ আঞ্জা, পিঠা-পনা সান্দহ চিৰা আদি খায়।

চুতীয়াসকল অসমৰ এক বৈচিত্ৰ্যপূৰ্ণ জাতি। আমাৰ হাতত পৰা সূৰ্যকান্ত খনিকৰৰ দ্বাৰা-লিখিত 'চুতীয়া জাতিৰ ইতিহাস আৰু লোক সংস্কৃতি' গ্ৰন্থত চুতীয়াসকলৰ খাদ্য সম্পৰ্কত লিখা কথাখিনিৰ বিষয়ে উল্লেখৰ লোভ সামৰিব নোৱাৰিলোঁ— 'বৰ্তমান অসমীয়াসকলৰ সাধাৰণ খাদ্য ভাত-মাছেই চুতীয়াসকলৰো অতীতৰে পৰাই প্ৰধান খাদ্য আছিল। ভাতৰ পিছতে মাছ প্ৰধান খাদ্য। মাছ সাধাৰণতে লাউ, কোমোৰা, বেঙেনা, আলু আদিৰ লগত মিহলি কৰি আঞ্জা ৰান্ধি খায়। কাৱৈ, পুঠি এলেং, পাভ, কুড়ি মাছ খৰিকাত দি খায়। মোৱা মাছ পাতত দিয়া, গৰৈ মাছ পুৰি পিটিকা কৰি তাত অলপ নেমুৰ ৰস আৰু পকা তেল দি খাবলৈ বৰ ভাল। সেইদৰে কুড়ি বা শোল মাছ কচুৰ থুৰীৰ লগত জলকীয়া, পাভ মাছ আৰু লফা শাকৰ লগত ঔটেঙা, সৰু মাছৰ লগত ঢেঁকীয়াৰ টেঙা, বাঁহগাজৰ খৰিচাৰ লগত চিতল মাছ, কান্দুলী মাছৰ টেঙা, চুতীয়াসকলৰ উত্তম ব্যঞ্জন। মাগুৰ মাছ শুকান খৰিচাৰ লগত আই ওলোৱা ল'ৰা-ছোৱালীক সাত দিনৰ দিনা শুকনি দিয়ে, তিনি দিনৰ দিনা মোৱা মাছেৰে পকনি দিয়ে। সেইদৰে কাঁহুদী আৰু খাৰলিও প্ৰিয়। তিতাৰ ভিতৰত বেতগাজ, তিতা কেৰেলা, শুকান তিতা, তিতা ভেকুৰী চুতীয়াসকলৰ অতি প্ৰিয়। কলগছৰ ভিতৰত আঠীয়া কলৰ সৰু পুলি পচলা আৰু দিলটো তৰকাৰি কৰি খায়। আহোম স্বৰ্গদেউ চুকাফাই চুতীয়াৰ বৰাহী কুঁৱৰীৰ ৰন্ধা কচু-ঢেঁকীয়া খাই ইমান ভাল পাইছিল যে তেওঁৰ কথা মতে তেওঁৰ পৰিয়ালৰ লোকক ৰান্ধনি পাতি চাংমাই খেলত ভুক্ত কৰিছিল। মাটিমাহ আৰু মগুমাহৰ আঞ্জা চুতীয়াসকলৰ অতি প্ৰিয়। ঘৰলৈ নতুন আলহী আহিলে বা জী-জোঁৱাই আহিলে মগু বা মাটি মাহৰ আঞ্জা, বৰা বা জহা চাউলৰ ভাত, কোমোৰাৰ লগত হাঁহ, পাৰৰ মাংস ৰান্ধি খুৱায়। হাঁহৰ মাংস আৰু কোমোৰাৰ লগত কেইডালমান গন্ধকচু দি সুন্দৰ সন্ধৰ আঞ্জা কৰা হয়। আঞ্জাত মিঠাতেল আৰু হালধিৰ বাহিৰে অন্য মা-মছলা সাধাৰণতে নাখায়। জা-জলপানৰ ভিতৰত সান্দহ, চিৰা, কৰাই, আখৈ, পিঠা, কোমল চাউল, ভজা বৰাচাউল, চুঙা চাউল, চুঙাত দিয়া পিঠা, ঢেঁকেলিৰ মুখত দিয়া পিঠা, তিল পিঠা, ঘিলা পিঠা, লুঠুৰী পিঠা, ভাৰপিঠা, দোৱাই ভজা চিৰা অতি প্ৰিয়। কেঁচা পিঠাৰে গাখীৰ, ঘিউ, গুৰ, জালুক দি মিঠৈ তৈয়াৰ কৰে। গাখীৰৰ পায়স আই সকামত দিয়ে। পকা কলৰ লগত বা পকা কঁঠালৰ লগত সান্দহ বা কৰাইগুড়ি ম'হৰ দৈ বা এঁৰা গাখীৰৰ লগত চুঙা চাউলৰ জলপান অতি প্ৰিয়।'

জনজাতিসকলৰ কেতবোৰ খাদ্যসম্ভাৰ

অসমীয়াসকলৰ খাদ্যৰ কিছুমান জনজাতীয় লোকসকলে খায় যদিও আন কিছু সুকীয়া আহাৰো খায়। তলত কেইটামান জনজাতিৰ খাদ্যসম্ভাৰৰ বিষয়ে চমু আভাস দিয়া হ'ল ঃ

ৰাভা জনজাতিৰ খাদ্য

ৰাভা জনজাতিটোৰ খাদ্য সম্পৰ্কত মলিনা দেৱী ৰাভাই লিখা গ্ৰন্থ 'অসমীয়া আৰু ৰাভা সমাজ-সংস্কৃতিৰ স্বৰূপ'ত বৰ্ণনা কৰা আছে ঃ 'ৰাভাসকলৰ মাজত খোৱাতেল, মা-মছলাৰ ব্যৱহাৰ খুব কম। এওঁলোকে ঘৰতে হাঁহ, কুকুৰা, গাহৰি আদি পুহি ইয়াৰ মঙহ খায়। তদুপৰি কেঁটেলা পহু, গুই সাপ, শহাপহু, হৰিণা আদি। বনৰীয়া জন্তু চিকাৰ কৰি ইয়াৰ মাংস খায়। শুকান মাছ আৰু শুকান মাছৰ পৰা তৈয়াৰী 'নাখাম' খায়। এওঁলোকৰ মাজত খাৰৰ ব্যৱহাৰ খুব বেছি। মাটিমাহ, সেউজীয়া বিভিন্ন পাতৰ উপৰি প্ৰায় সকলো পাচলিতে খাৰ দি ৰান্ধি খাই ভাল পায়। বছৰৰ বিভিন্ন ঋতুত পোৱা বনৰীয়া শাক-পাচলি যেনে—কচু, ঢেঁকীয়া, মানিমুনি, মাটিকাদুৰি আদি হাবিৰ পৰা বিচাৰি আনি নিজা জুতি বুদ্ধিৰে ৰান্ধি খায়। বাঁহৰ গাজ বা খৰিচাও এওঁলোকে বিভিন্ন জুতিৰে ৰান্ধি খাব জানে। মুঠৰ ওপৰত ৰাভা লোক ভোজন বিলাসী বাবে ৰন্ধন প্ৰণালী ভিন্ন প্ৰকৃতিৰ।'

বড়োসকলৰ খাদ্য

ড° প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য সম্পাদিত 'অসমৰ জনজাতি' শীৰ্ষক গ্ৰন্থত ভবেন্দ্ৰ নাৰ্জীয়ে 'বড়ো কছাৰী' শীৰ্ষক প্ৰবন্ধত লিখিছে ঃ 'বড়ো-কছাৰীৰ ভাতেই প্ৰধান আহাৰ। ৰন্ধন প্ৰণালী সাধাৰণ। আহাৰোপযোগী সকলো বস্তুকে সিজাই খায়। শিক্ষাৰ পোহৰ পোৱা দুই-এঘৰ বড়ো-কছাৰীৰ ৰান্ধি খোৱা প্ৰণালী মধ্যম। মাছ-মাংসে একে সাঁজতে খাই শেষ কৰিব নোৱাৰিলে শুকাই থয়। শুকান মাছ-মঙহ তেওঁলোকৰ ৰুচিকাৰক খাদ্য। শুকান মাছ ঢেঁকী বা উৰালত খুন্দি বাঁহৰ চুঙাত ভৰাই থৈ বহুদিন ৰাখি নাকাম্ (নাখাম) কৰি খোৱাৰ তেওঁলোকৰ অভ্যাস আছে। শোকোতা, মেস্তা টেঙা, লফা, লতি, বাঁহৰ গাজ বা খৰিচা, লাফু, ছিক্ৰু, দৌছেম আদি শাক তেওঁলোকৰ ৰুচিকাৰক আঞ্জা। 'অম্বায়বাজাৰ' বা 'বীৰমা ডাঢ়ি' (ছাগলীৰ ডাঢ়ি) নামে এবিধ বিশেষ তীব্ৰ গোন্ধৰ শাক কুচিয়া মাছ বা পঠা-ছাগলীৰ মঙহৰ আঞ্জা ৰান্ধিলে মছলাৰ দৰে ব্যৱহাৰ কৰে। তেওঁলোকে ৰুচি পাবৰ বাবে আদা, নহৰু, পনৰু, জালুক, ধনিয়াৰ পাত আদি যি কোনো আঞ্জা দি খায়। লাওপানী খায়, ফল-মূল আদি খায়। আলহীক তেওঁলোকে চাহ আৰু তামোলেৰে আপ্যায়ন কৰে।

আদি বা আবৰৰ খাদ্য

আদিসকলে ভৈয়ামৰ লোকৰ দৰে তেল, দাইল আদি নাখায়। তেওঁলোকে হাবিৰ পৰা শাক-পাচলি আনি তাক ৰান্ধি খায়। ভাত প্ৰায় নাখায়েই। জাৰকালি ছমাহ ভাত খায়। বাকী ছমাহ শাক-পাচলি, ফল-মূল আদি খায়। অৱশ্যে আলহীক ভাত ৰান্ধি খুৱায়। মাছ-মাংস আলহীৰ কাৰণে শুকুৱাই থৈ দিয়ে। আপং খোৱাটো এক প্ৰথা যদিও ডেকাসকল, যিসকলৰ মাক-বাপেক অথবা পূজ্যজন আছে তেওঁলোকে আপং নাখায়। খাদ্যশস্যৰ বাবে তেওঁলোকে বছৰত তিনিবাৰ খেতি কৰে— শালিখেতি (আমদাং), আহুখেতি (আম) আৰু এই দুটাৰ মাজত কৰা ধানখেতি (দপং)। ইয়াৰে বাৰিষা কালত আমদাং, আমখেতি খৰালি কালত আৰু দুয়োটা খেতিৰ মাজত দপং খেতি কৰে। আহু ধানৰ খেতি কৰি উঠি গোমধানৰ খেতি কৰে। ইয়াৰ বাহিৰেও শাক-পাচলি, আদা, চকু, আলু আদিৰ খেতি কৰে। খেতিৰ পৰা উৎপন্ন হোৱা খাদ্যশস্যৰ প্ৰয়োজনীয়খিনি খাদ্যৰ বাবে ৰাখি অতিৰিক্তখিনি বিক্ৰী কৰি অৰ্থ উপাৰ্জন কৰে।

খাচী জনজাতিৰ খাদ্য

ভাতেই খাচীসকলৰ প্ৰধান আহাৰ। তেওঁলোকে গৰু, গাহৰি পোহে আৰু মঙহো খায়। কিছুমান জয়ন্তীয়া লোকে গৰুৰ মঙহ নাখায়। আন বহুতো মঙ্গোলীয় জাতিৰ দৰে গাঁৱৰ খাচীসকলে আজিকালিও গাখীৰ, ঘিউ, মাখন আদি নাখায়; চহৰত বাস কৰা খাচীসকলেহে খায়। অধিকাংশ লোকেই লাওপানী খায়।

নগা জনজাতিৰ খাদ্য

নগাসকলৰ খোৱা খাদ্যৰ ওপৰত আলোকপাত কৰি মহেন্দ্ৰনাথ সভাপণ্ডিতে লিখিছে ঃ 'খোৱা সামগ্ৰীৰ ভিতৰত শাক-পাচলিয়ে প্ৰধান। নগাবিলাকে জলকীয়া খুব খায়। শুকান জলকীয়া খুন্দি আঞ্জাৰ লগত দি খায়। লাই শাকৰ পাতবোৰ সিজাই নিমখ, হালধি নিদিয়াকৈ তৃপ্তিৰে খায়। খৰিচা নগাবিলাকৰ বৰ প্ৰিয় বস্তু।' তেওঁলোক মাংসহাৰী। আগতে মেকুৰী, ছাগলী খোৱাত বাধা আছিল। নতুন দিনত পুৰণি বিশ্বাস সম্পূৰ্ণৰূপে লোপ পোৱা নাই যদিও ক্ৰমাৎ শিথিল হৈ আহিছে। তেওঁলোকৰ মাজত লাওপানী খোৱাৰ ব্যৱস্থা আছে।

মিচিং জনজাতিৰ খাদ্য

আমিষভোজী মিচিংসকলৰ ভাতেই প্ৰধান খাদ্য। গাহৰি, কুকুৰা, মাছ আৰু দুই-এবিধ বনৰীয়া চৰাই, জন্তু তেওঁলোকৰ খাদ্য। মাছ আৰু পহুৰ মাংসৰ শুকতি, বাঁহ গাজৰ খৰিচা আদিও তেওঁলোকৰ খাদ্যৰ মঙ্গোলীয় উপকৰণ। 'তান্ত্ৰিক-

তাকপাং', 'নওকে', 'দাৰ মি' ইত্যাদি বনৰীয়া শাক-পাচলি তেওঁলোকৰ প্রিয় খাদ্য। তেওঁলোকৰ প্রিয় পানীয় হৈছে আপং আৰু ছাই মদ। তামোল-পাণৰ ব্যৱহাৰ মিচিং সমাজৰ এক উল্লেখযোগ্য জুতি।

তিৱা জনজাতিৰ খাদ্য

ভাতেই তিৱাসকলৰ প্রধান আহাৰ। মাছ, মাংস, শাক-পাচলি আদিও আহাৰৰ আনুষংগিক দ্রব্য হিছাপে ব্যৱহাৰ কৰে। বনৰীয়া পহু, গাহৰি চিকাৰ কৰি তাৰ মাংস খায়। প্রিয় খাদ্যসম্ভাৰ হ'ল— পইতা ভাত, কচু শাক, তিতা শাক, শুকতি মাছ আদি। 'চু' সেৱন কৰে তেওঁলোকে।

কার্বিসকলৰ খাদ্য

কার্বিসকলৰ সাধাৰণভাৱে শাক বা মঙহ সিজোৱা আৰু ভাতেৰে চলি যায়। উৎসৱ-পার্বণত জুমে জুমে মানুহ ঘূৰণীয়া হৈ বহি ডলা একোখনত ভাত লৈ একেলগে খোৱা অভ্যাসে এওঁলোকৰ মাজত একতাৰ ডোল কটকটীয়া কৰে। তেওঁলোকে লাওপানী আৰু ধঁপাত খায়।

অকা জনজাতিৰ খাদ্য

এওঁলোকৰ প্রধান খাদ্য হ'ল ভাত, মাকৈ আৰু নানা জাতীয় আলু। এওঁলোকে জলকীয়া নাখায়। মাকৈ তিব্বতীসকলৰ নিচিনাকৈ গুড়ি কৰি সিজাই খায়। পাহাৰৰ নামনি অঞ্চলত নেপালী, লেপচাসকলৰ দৰে অকাসকলে টকৌ গছৰ ভিতৰৰ শাহ উলিয়াই গুড়ি কৰি খায়। ধান আৰু চাওৰ গুড়িয়ে হ'ল এওঁলোকৰ শর্কৰাজাতীয় খাদ্যদ্রব্য। শাকৰ ভিতৰত লাই শাক খায়।

নক্টে জনজাতিৰ খাদ্য

নক্টেসকলৰ প্রধান খাদ্য হ'ল শালি ধানৰ চাউল, আলু-কচু, মাছ-মঙহ। আলু-কচু, মাছ-মঙহ শুকাই বহুদিনলৈ ৰাখে। ভোজ দিবলৈ হ'লে ম'হ মাৰে। গো-মাংস এওঁলোকৰ মাজত নচলে।

খামতিসকলৰ খাদ্য

খামতিসকল বৌদ্ধধর্মী যদিও মাছ খায়। আনে মাৰি অনা জন্তুৰ মঙহো খায়। ম'হ-গৰুৰ গাখীৰ খায়। এওঁলোকৰ মাজত তিল পিঠা আৰু 'খা লাম' (চুঙা চাউল)ৰ ব্যৱহাৰ আছে। খামতি ৰান্ধনিৰ নেপুৰা মাছৰ আঞ্জা আৰু পাচ্ছ বৰ সুস্বাদু।

মিচিমিৰ খাদ্য

এওঁলোকে মাছ-মঙহ খায়। মিচিমি তিৰোতাসকলে সাধাৰণতে মঙহ খাব নাপায়। খৰিচাৰ ব্যৱহাৰ আছে। মুখত পাইপ লৈ ধঁপাত খায়। 'যু' বা লাওপানী সেৱন কৰে।

তলত অসমৰ নানা জাতি-জনজাতিৰ প্ৰিয় মুখৰোচক খাদ্য দুবিধমানৰ প্ৰস্তুত প্ৰণালীৰ সংক্ষিপ্ত বৰ্ণনা দিয়া হ'ল ঃ

খৰিচা ঃ বাঁহৰ গাজৰ পৰা খৰিচা তৈয়াৰ কৰা হয়। বড়ো ভাষাত ইয়াৰ নাম 'মেৱা'। কটহ, ভলুকা, কেঁকোৱা আদি বাঁহৰ কোমল গজালি কাটি ওপৰৰ বগুৱাকেইটা আঁতৰাই গোলাকাৰকৈ চকলা চকলে কাটি সেইবোৰ ঢেঁকী, উৰাল বা পতাত খুন্দি বা বটি লোৱা হয়। তাৰ পিছত তাত পানী মিহলাই মাটিৰ এটা টেকেলিত ভৰাই তাত মুখখন কলপাতেৰে ভালদৰে বান্ধি তিনি-চাৰিদিন ৰাখিব লাগে। বাঁহৰ গাজবোৰ তেতিয়া টেঙা হয় আৰু সেইবোৰ তেল-লোণ সানি ভাতেৰে বা আঞ্জা ৰান্ধি খাব পাৰি। এনেকৈ প্ৰস্তুত কৰা খৰিচাক বোলে 'পকা-খৰিচা'।

খাৰলি ঃ ৰঙা বা বগা সৰিয়হ বটি, তাত খাৰ, লোণ আদি মিহলাই কলপাতত বান্ধি ৰ'দত দি খাৰলি প্ৰস্তুত কৰা হয়। কলপাতখন আঁতৰাই খাৰলি ভাতৰ লগত মুখৰোচক খাদ্য হিচাপে খোৱা হয়।

কাঁহুদী ঃ চকলা-চকলকৈ কটা টেঙা আম ৰ'দত অলপ শুকুৱাই লৈ ৰঙা অথবা বগা সৰিয়হ বটি, মিঠাতেল, মা-মছলা আদিৰে মিহলাই সিবোৰ চকলিওৱা আমত ভালদৰে সানি ৰ'দত শুকাই ল'লে কাঁহুদী হয়।

খাৰ ঃ মাছ (কেঁচা অথবা শুকান) আলুত ৰঙালাউৰ বাকলি, চাউলৰ খুদ, দাইল আদি কলগছৰ পৰা প্ৰস্তুত কৰা খাৰ দিয়া হ'ল। কলগছ টুকুৰা কৰি সৰু সৰুকৈ কাটি ৰ'দত শুকাবলৈ দিয়া হয়। শুকালে থুপ খুৱাই পুৰি তাৰ ছাইবোৰ এটা বাঁহৰ পাচিত ভৰাই তাত পানী ঢলা হয়; পাচিটোৰ তলত এটা পাত্ৰ ৰাখি তাত ছাইৰ পানীবোৰ পৰিবলৈ দিয়া হয়। এই পানীয় দ্ৰব্যই হৈছে খাৰ।

গড়, কোঠ, বৰতোপ, নাৱেৰে সমৃদ্ধ—

অতীত অসমৰ সমৰ কলা

তাহানি কালত আহোমসকলে আমাৰ দেশখনক শত্ৰুৰ আক্ৰমণৰ পৰা ৰক্ষা কৰাৰ কাৰণে সদা সতৰ্ক হৈ থকাৰ লগতে ৰণৰ সময়ত বিশেষ অভিনৱ কৌশল অবলম্বন কৰি জয়লাভ কৰিছিল। ৰজা আৰু প্ৰজা উভয়ে দেশখনক নিজ মাতৃসদৃশ জ্ঞান কৰিছিল কাৰণে দেশৰ সন্মান হানি হ'ব পৰা যি কোনো পৰিস্থিতিৰ স'তে মোকাবিলা কৰিবলৈ সাজু আছিল।

ৰণৰ সেনাবাহিনী :

আহোম ৰজাৰ শাসন ব্যৱস্থাত বেতনভোগী সৈন্য নাছিল। ষোল্ল বছৰ পূৰ্ণ হোৱা প্ৰত্যেকজন প্ৰজা পুৰুষকে পাইক বোলা হৈছিল। পিছে কুৰি বছৰ পূৰ্ণ হ'লেহে সম্পূৰ্ণ কাৰ্যক্ষম বুলি ধৰা হৈছিল। সাধাৰণ খেল আৰু মেলৰ অধীনৰ পাইকক কাঢ়ী পাইক বুলিছিল। তিনিজন পাইক গোটাই এটা গোট কৰা হৈছিল। অৱশ্যে কোনো কোনো ৰজাই পাইকৰ চাৰিজনীয়া গোটো কৰিছিল। প্ৰতিটো গোটৰ পাইকৰ মূলজন তেওঁৰ ৰাজকীয় কামৰ পাল মতে সৈন্য হিচাপে ৰণলৈ যাব লাগিছিল। তিনিজন পাইকৰে কৰা গোটৰ প্ৰতিটোৰ তিনিওজনক মূল, দোৱাল আৰু তোৱাল বুলিছিল। যুদ্ধৰ পৰিস্থিতি সাপেক্ষে দোৱাল আৰু তোৱালক ৰণলৈ পঠাইছিল। দেশৰ আভ্যন্তৰীণ আৰু বহিঃদেশৰ শত্ৰুৰ আক্ৰমণৰ ফলত যুদ্ধ হোৱাৰ আয়োজন হ'লেই ৰজাই বৰমেল পাতিছিল। ইয়াত তিনিজন ডাঙৰীয়া সমন্বিতে অন্যান্য গোহাঁই, ফুকন, ৰাজখোৱা, বৰুৱা, শইকীয়া, বৰা, কাকতি, হাজৰিকা, কটকী, নেওগ আদিয়ে নিজৰ নিজৰ স্থানত বহে। ৰজাই সকলোকে যুদ্ধৰ বিষয়ে জনায়। তাতে ৰজাই যুদ্ধৰ বাবে ঘাই সেনাপতি আৰু পালি সেনাপতিসকলক নিযুক্তি দিয়ে। কেতিয়াবা ৰজাই বা ৰাজকোঁৱৰে নিজে সেনাপতিৰ দায়িত্ব লৈছিল। যুদ্ধত কোন কোন বিষয়াই কিমান কিমান সৈন্য দিব লাগিব তাক ৰজাই জনাই দিছিল। ড° লীলা গগৈৰ গ্ৰন্থ 'টাই সংস্কৃতিৰ ৰূপৰেখা'ত আছে : 'ৰণৰ ভবিষ্যৎ নিৰ্ভৰ কৰে সেনাপতিজনৰ দক্ষতা, দূৰদৃষ্টি আৰু ৰণ-কৌশলৰ ওপৰত। অসমীয়া সৈন্যৰ বহুমুখী দক্ষতাৰ কথা ৰামসিংহৰ নিচিনা শত্ৰু সেনাপতিয়েও স্বীকাৰ কৰি গৈছে। তাৰে ভিতৰত আহোম সৈন্যৰ অদম্য সাহস আৰু লেকাট লাগি পৰিশ্ৰম কৰিব পৰা শক্তি অসীম আৰু অতুলনীয়।

শৰাইঘাটৰ যুদ্ধৰ সময়ত তেনে সেনাৰ সংখ্যা আছিল ১২,০০০। ৰুদ্ৰসিংহয়ো এনেকুৱা বাছকবনীয়া সৈন্য লৈছিল ৩৬,০০০ মাত্ৰ। ৰণৰ বৰ সেনাপতি সাধাৰণতে বৰবৰুৱা, বৰফুকন, তিনিজনা ডাঙৰীয়াৰ ভিতৰত এজনক পাতে।' শত্ৰুপক্ষৰ বলাবল বুজি ফুকন, বৰুৱা আদিকো সেনাপতিৰ দায়িত্ব দিয়ে।

শত্ৰুৰ আক্ৰমণ প্ৰতিৰোধৰ সাজ ঃ

কৱচ কাপোৰ

আহোম সেনাপতিসকলে যুঁজলৈ গ'লে গাভৰুদেওসকলে তেওঁলোকক অক্ষয় কবচ স্বৰূপে একোখন যুঁজৰ কাপোৰ দিছিল। এই কবচ কাপোৰখন ৰণৰ সেনাপতিৰ ভাৰ্যাই নিজে বৈ দিছিল। যুদ্ধলৈ যোৱাৰ আগদিনা মাজনিশা কপাহ নেওঠি, ধুনি, পাজি-বাটি, সূতা-কাটি, তাঁত লগাই ৰাতি নৌপুৱাওতেই কাপোৰ বৈ উলিয়াব লাগিছিল। এনে কবচ কাপোৰ পিন্ধি যুঁজলৈ গ'লে শত্ৰুৱে পৰাজয় কৰিব নোৱাৰে বুলি বিশ্বাস প্ৰচলিত আছিল। আহোম সেনাপতিসকলে গাত মন্ত্ৰপূত অলংকাৰ পৰিধান কৰিছিল। এনে অলংকাৰ পিন্ধি থকাজনক শত্ৰুপক্ষৰ অস্ত্ৰ-শস্ত্ৰ বা হিলৈ-বৰতোপে অনিষ্ট কৰিব নোৱাৰে বুলি বিশ্বাস প্ৰচলিত আছিল। জ্যোতিষ মতে শুভ ক্ষণ চাই যুদ্ধ আৰম্ভ কৰা হৈছিল।

ৰণৰ কৌশল ঃ গড়

আহোমসকলে গড় আৰু কোঠ মাৰি যুদ্ধ কৰিছিল। নগৰৰ চাৰিওফালে খাৰৈ খান্দি গড় মাৰিছিল। নগৰৰ চাৰিওপিনে মৰা গড়ৰ ওপৰত ডাঠকৈ কোটোহা বাঁহ ৰুই দিছিল যাতে শত্ৰুৱে গড় বগাই উঠিলেও সতকাই কাঁইটীয়া কোটোহা বাঁহ অতিক্ৰম কৰিব নোৱাৰে। গড়বোৰ সাধাৰণতে মাটিৰে মাৰিছিল যদিও কোনো কোনো গড়ত মাটিৰ লগতে ইটাও দিছিল। গড়বোৰ আছিল যথেষ্ট ওখ আৰু বহল। তাৰ ওপৰখন আলিৰ দৰে সমান আছিল। কিছুমান গড় যুৰীয়াকৈ নিৰ্মাণ কৰা হৈছিল। গড়ৰ ওপৰত ঠায়ে ঠায়ে বৰতোপ পাতে। বিপক্ষ দলে যাতে আক্ৰমণ কৰিব নোৱাৰে তাৰ বাবে সষ্টম হৈ গড়ৰ ভিতৰত শিবিৰ পাতি বিপক্ষ দলে আক্ৰমণ কৰালৈ বাট চাই থাকে। শত্ৰুৱে আক্ৰমণ কৰিবলৈ আহিলে প্ৰথমে খাৰৈৰ সিপাৰে ঘাঁহ দি ঢাকি থোৱা জেং পোতা খালত পৰে। তাৰ পাছত খাৰৈ পাৰ হ'বলৈ নাৱৰ আৱশ্যক হয়। ইফালে, গড়ৰ ওপৰৰ পৰা বৰতোপ, হিলৈ আদিৰ গুলি আৰু কাঁড় আদি শত্ৰুৰ ওপৰত পৰে। সেই কাৰণে গড় অতিক্ৰম কৰা শত্ৰু দুৰূহ আছিল। সেই হেতুকে শত্ৰুৱে গড় অতিক্ৰম কৰিবলৈ ভালেমান দিন খাপ পিটিব লগা হৈছিল।

সেইদৰে খাপ পিটি থাকোতে তেওঁলোকৰ খাদ্যৰ অভাৱ আৰু জ্বৰ-বেম্াৰত পৰে। খৰালিৰ অসমৰ শুকান ঠাইত বাৰিষা কিমান পানী হয় পশ্চিমৰ শত্ৰুৱে নাজানিছিল। সেই কাৰণে বাৰিষা হঠাৎ পানী হ'লে শত্ৰু শিবিৰ পেপুৱা লাগি সোমাই থাকিব লগা হৈছিল। সেই সুবিধাতে অসমীয়া সৈন্যই শত্ৰুৰ শিবিৰ আক্ৰমণ কৰিছিল। তেনে আক্ৰমণত শত্ৰুপক্ষ অতিষ্ঠ হৈ পৰিছিল। মোগল সেনাপতিসকলৰ ভিতৰত কেৱল মিৰজুমলাইহে (১৬৬৩-৬৪ খ্ৰীঃ) গড়গাঁৱলৈকে উজাই আহিবলৈ সমৰ্থ হৈছিল। বাৰিষাতে তেওঁৰ শিবিৰবিলাক আমাৰ অসমীয়া সৈন্যই ৰাতি ৰাতি আক্ৰমণ কৰি জলা-কলা কৰিছিল। তদুপৰি সৈন্যবিলাক বেমাৰত পৰাত, তেওঁ নিজ সম্মান অটুট ৰাখি স্বৰ্গদেউৰ লগত সন্ধি কৰি অসম এৰি যাবলৈ বাধ্য হৈছিল। বৰকলা, গড়গাঁও, ৰংপুৰ আদি নগৰৰ চাৰিওফালে গড় আছে। আহোম ৰাজত্বকালত যুদ্ধ কৰিবলৈ মৰা গড়বিলাকৰ ভগ্নাংশ আজিও অনেক ঠাইত আছে। নলবাৰী জিলাৰ ধমধমাত আৰিমত্ত ৰজাৰ দিনৰ 'ফেঙুৱা গড়'ৰ ভগ্নাংশ, আহোম যুগত নিৰ্মিত যোৰহাট জিলাৰ বিবুধি গড় আজিও আছে। মোৱামৰীয়া বিদ্ৰোহীসকলক বাধা দিয়াৰ উদ্দেশ্যে আহোম ৰাজমন্ত্ৰী, পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ নেতৃত্বত ১৭৯১ চনত এই গড়টো সজা হৈছিল। এই গড়টো দেখি মোৱামৰীয়াসকলে পোনতে বিবুধি হৈছিল বাবে ইয়াৰ নাম 'বিবুধি গড়'। বৰ্তমানে যোৰহাট নগৰৰ গড়আলি পূৰ্বৰ বিবুধি গড়ৰেই একাংশ। মোগল আক্ৰমণৰ সময়ত আহোম ৰজা চক্ৰধ্বজ সিংহৰ নিৰ্দেশত আক্ৰমণ প্ৰতিৰোধৰ অৰ্থে গড় নিৰ্মাণৰ দায়িত্ব লোৱা আহোম সেনাপতি লাচিত বৰফুকনে ইয়াৰ নিৰ্মাণৰ তত্বাৱধানত থকা মোমায়েকক সোৰোপালিৰ বাবে শিৰশ্ছেদ কৰিছিল। তাকে দেখি বনুৱাসকলে একে ৰাতিৰ ভিতৰতে গড়টো সাজি উলিয়াই মোগলক হৰুৱাইছিল। অৱশ্যে মোমাইকটা গড়টো বৰ্তমান নিশ্চিহ্নপ্ৰায়। গড়গাঁৱৰ গড়ৰ বিৱৰণ এডৱাৰ্ড গেইটৰ বুৰঞ্জীত আছে এনেদৰে : 'মুঠতে গড়গাঁও আমাৰ মনত আহল-বহল কিছুমান গাঁৱৰ সমষ্টি। ৰজাৰ কাৰেংঘৰৰ কেউফালে গড় আৰু তাৰ ওপৰত ডাঠকৈ বাঁহ ৰোৱা। ই প্ৰাচীৰৰ কাম দিয়ে। ইয়াৰ চাৰিওফালে মানুহ তল যোৱা, সদায় পানীৰে পুৰ হৈ থকা খাৱৈ। পৰিধি এক ক্ৰোশ, চৈধ্য শিকলি।' আহোম স্বৰ্গদেউসকলৰ ৰাজত্ব কালত গড়গাঁও অসমৰ ৰাজধানী আছিল। স্বৰ্গদেউসকলে গড় মাৰি নগৰ স্থাপন কৰিছিল। চুক্ৰেনমুং গড়গঞা ৰজাই ৰাজধানী হেম্পৰাৱীলৈ তুলি নি নগৰৰ চাৰিও মেৰে গড় মাৰি গড়গাঁও ৰাজধানীক বিশাল নগৰলৈ উন্নীত কৰে।

অসমীয়া সৈন্যই ৰণত যেনেকৈ গড় মাৰি যুঁজ কৰিছিল, ঠিক তেনেকৈ পানীতো কাঠেৰে পানী গড় মাৰি যুঁজ কৰিছিল। উজনিৰ ফালৰ ঢাল খুৱাই দীঘল

আৰু মজবুত কাঠৰ চতি লগাই এই দলং বা গড় নৈৰ বালিৰ এমূৰৰ পৰা সিমূৰলৈ মাৰে। দলং বা গড়ৰ দুটা চতি ইটোৱে সিটোক পাৰ হৈ যোৱাকৈ লগ লগোৱা হয়। লগ লগা ঠাইত ভালকৈ গাঁঠি দিয়া হয়। তাৰ ওপৰত সজা দলঙৰ পৰা সৈন্যবিলাকে শত্ৰু উজনিলৈ সোমোৱাৰ পৰা দেশখনক ৰক্ষা কৰিছিল। নৈত নাও চলাচল কৰিবৰ কাৰণে গড় বা দলংবোৰৰ মাজত খোলা ৰাখে। তামুলী ফুকনৰ বুৰঞ্জীত পোৱা যায় যে পানী গড় বন্ধা বিষয়ক পুথি আহোম ৰজা উদয়াদিত্যই লিখিছিল।

সমৰৰ আহিলা

আহোমসকলে ধেনুৰ ব্যৱহাৰ কৰিছিল। তেওঁলোকে প্ৰথমে কাড়ফাই ধেনুহে ব্যৱহাৰ কৰিছিল। চুতীয়া ৰাজ্য জয় কৰাৰ পাছত চুতীয়া ধেনু আৰু বৰধেনু মাৰিবলৈ শিকে। কাড়ফাই ধেনুত ফাঁক লগোৱা থাকে। সেই ফাঁকত কাঁড় থৈ, ফাঁকত লগোৱা ঘোঁৰাত ধেনু জোৰ লগাই, বন্দুকৰ দৰে নিচান পোনাই ঘোঁৰা টিপি কাঁড় মাৰে। বৰধেনু হ'ল চাৰি হাত দীঘল। আটাইতকৈ চোকা কাঁড়বিধ হ'ল শিঙিমূৰী কাঁড়। হেংদাং হ'ল এবিধ মুঠি থকা দীঘল নালৰ আগখঁৰা দা। ইয়াক আহোম সেনাপতিসকলৰ বাহিৰে আনে ব্যৱহাৰ নকৰিছিল। দুবিধ দীঘল অস্ত্ৰ হ'ল তৰোৱাল আৰু কিৰিচ। তৰোৱাল হ'ল ধেনুভিৰীয়া। কিৰিচ পোন। এই দুয়োবিধ অস্ত্ৰ ফাঁকত ভৰাই থয়। যাঠিৰ ব্যৱহাৰো যুদ্ধত হৈছিল। যুদ্ধত আনৰ আক্ৰমণৰ পৰা নিজক বা নিজৰ দেহ ৰক্ষা কৰিবলৈ ঢাল, বাৰ্দ্ধ, ফৰ আদি ব্যৱহাৰ কৰিছিল। ঢাল আৰু বাৰ্দ্ধ ঘূৰণীয়া। এইবোৰে ৰণুৱাৰ গোটেই গা ঢাকিব নোৱাৰে। ঢাল উট আৰু গড়ৰ ছালেৰে তৈয়াৰ কৰিছিল। ফৰ দীঘলীয়া কাৰণে ৰণুৱাৰ গোটেই গা ঢাকিব পাৰে। ড° লীলা গগৈয়ে লিখিছে : 'বৰতোপৰ গুলি তৈয়াৰ কৰিছিল শিলাকুটি খনিকৰসকলে। সাধাৰণতে কঠিন জাতৰ শিলেৰে গুলি তৈয়াৰ কৰিছিল। আহোমসকলে সজা বৰতোপবিলাকৰ পাঁচোটা ভাগ আছিল—বিয়াগোমি, হাতীমূৰা, তুবুকী, মিঠাসোলোং, বাঘমূৰীয়া। সৰু হিলৈ এঘাৰ বিধ আছিল—গাঁঠিয়া, পহলংগি, ৰামচাণ্ডী, হাতহিলৈ, পাথৰ-কলাই, কামায়ন, জমুৰ, কেঁচাই, টোৱা, খোকা, বছাদাৰী। বৰতোপৰ মুখ আৰু নালৰ পিনে হাতী, বাঘ, মগৰ, ঘঁৰিয়াল আৰু ড্ৰেগনৰ আকৃতি দেখা যায়।' হিতেশ্বৰ বৰবৰুৱাই 'আহোম জাতি' নামৰ প্ৰবন্ধত লিখিছে : 'জয়ধ্বজ সিংহ মহাৰাজৰ ৰাজত্বকালত ঔৰংগজেব বাদছাহৰ সেনাপতি মীৰজুমলাই এই দেশ আক্ৰমণ কৰি উলটি যাওঁতে (১৬৬৩ খ্ৰীঃ) এই দেশৰ পৰা ৬৭৫টা বৰতোপ লৈ গৈছিল। তাৰ ভিতৰত আটাইতকৈ ডাঙৰ তোপটোৰ গুলিটোৱেই তিনিমোন গধুৰ আছিল।' বাৰুকুৰ বা হেঙাল কুকুৰ নামৰ এবিধ বাঘজাতীয় কবীয়া কুকুৰ

পোহনীয়া কৰি যুদ্ধত ব্যৱহাৰ কৰিছিল। যুদ্ধত হাতীও ব্যৱহাৰ হৈছিল। শত্ৰুপক্ষৰ শিবিৰ ভাঙি সৈন্যদল ছেদেলি-ভেদেলি কৰি দিয়া কামত হাতীয়ে ডাঙৰ সহায় কৰিছিল। ডাঙৰ বৰতোপ কঢ়িয়াবলৈ ব্যৱহাৰ কৰা হৈছিল। ঘোঁৰাও ব্যৱহাৰ কৰা হৈছিল। নাৱৰ জৰিয়তে যুদ্ধক্ষেত্ৰৰ সৈন্য শিবিৰলৈ চাউল আৰু অন্যান্য খাদ্যসম্ভাৰ, অস্ত্ৰ-শস্ত্ৰ কঢ়িওৱা হৈছিল। সকলো সেনাই একোজন পাকৈত নাৱৰীয়া আছিল।

আজ্ঞাঠুৰীৰ গণেশ মন্দিৰৰ ওচৰত আছে শৰাইঘাটৰ যুদ্ধৰ লগত সম্পৰ্কিত এটুকুৰা ঠাই। ইয়াতে গঢ়ি তোলা হৈছে 'শৰাইঘাট ৰণ স্মৃতি উদ্যান'। ইয়াত বৰতোপ, বনুবাৰ মূৰ্তিৰ লগতে নাও বাই যোৱা সৈন্যবাহিনীৰ ছবিও শিলত সৃষ্টি কৰা হৈছে। গুৱাহাটী মহানগৰীৰ দীঘলীপুখুৰীৰ পাৰৰ ৰাস্তাৰ সিটো মূৰত থকা পুথিভঁৰালটোৰ সন্মুখত থকা বৰতোপ দুটাই আহোমৰ দেশ ৰক্ষাৰ অৰ্থে কৰা সমৰৰ কথাকে আজিও সোঁৱৰাই দিয়ে।

সৰ্থেবাৰীৰ আকৰ্ষণীয় নাওখেল

কাঁহ শিল্প নগৰী সৰ্থেবাৰীৰ লোক-সংস্কৃতিত নাওখেলৰ গুৰুত্ব অপৰিসীম। ইয়াৰ প্ৰাচীনত্বৰ পম খেদি পোৱা যায় নাওখেলৰ লগত বিশেষভাৱে সম্পৰ্কিত ইয়াত হোৱা বানাক্ৰান্ত অৱস্থা। ১৮৯৭ চনত হোৱা প্ৰবল ভূমিকম্পৰ ফলত সৰ্থেবাৰী অঞ্চল বহি যায়। ফলত ইয়াত প্ৰতি বছৰ বানপানী হ'বলৈ ধৰে। ফলত নাৱৰ জৰিয়তে প্ৰাত্যহিক জীৱনৰ যাতায়াতৰ কামসমূহ বা কৃষি কাৰ্যত ইয়াৰ সহায় ল'ব লগা হৈছিল। অকল ব্যৱহাৰিক জীৱনতে নহয়, ৰাইজে নাৱক সংস্কৃতিৰ ক্ষেত্ৰত এটা অংগ হিচাপে লৈ নাওখেল অনুষ্ঠিত কৰিবলৈ ধৰিলে। বছৰটোৰ কেইবামাহো ধৰি বা একে সময়তে কেইবাঠাইতো এই খেল অনুষ্ঠিত হৈছিল। সৌ সুদূৰ অতীতৰে পৰা এতিয়ালৈকে নাওখেল সৰ্থেবাৰীত প্ৰচলিত হৈ আছে।

নাওখেলৰ নাৱৰ বিৱৰণ ঃ

এই খেলৰ বাবে নাওবিলাক নিৰ্দিষ্ট জোখৰ হোৱাটো নিয়ম বুলিব পাৰি। নাৱৰ বাবে প্ৰয়োজনীয় কাঠ শাল বা শ্যামা গছৰ পৰা আহৰণ কৰা হয়। এইবোৰ গছৰ কাঠ জুইত সেকি নাও সজাৰ বাবে প্ৰস্তুত কৰা হয়। এই নাওবোৰৰ জোখ হ'ল দীঘলে আগ গলিয়াৰ মাজ অংশৰ এটা দাঁতিৰ পৰা ৫/৬/৭ হাতকৈ অলপ দীঘল আৰু বহলে ৩৫/৪০ হাতৰ অলপ দীঘল আছিল। এইবোৰত ৬৫/৭০ জন খেলুৱৈ বহিব পাৰিছিল। খেল নাওবিলাকত ২৫ টা মান মণিপুৰা থাকে। ইয়াৰ উপৰি আগকড়ি আৰু পিছকড়িৰ কাষত দুটা মণিপুৰা থাকে। নাওবিলাকত দুয়োফালে দুখন গালেপাত থাকে। নাওখেলৰ পাঠকৰ ভূমিকা অন্যতম। তেওঁ গোৱা গীত নাওখেলৰ এক অভিন্ন অংগ। নাওখনৰ মাজভাগত তেওঁ উঠি গীত গাবৰ বাবে তিনি হাত দীঘল এখন তক্তা থাকে। এই নাওবোৰত শিল্পীসকলৰ শিল্প প্ৰতিভাৰ অপূৰ্ব স্বাক্ষৰ ঘটে। নাওবিলাকৰ বাহিৰৰ দাঁতিত, ময়ুৰ, নানা ফুল, চৰাই, নৈসৰ্গিক দৃশ্য, নানা জন্তুৰ মূৰ্তি আদিৰ ছবি কাটে আৰু ৰং দিয়ে।

নাওখেলা ঠাই—সৰ্থেবাৰীৰ নাওখেল বিভিন্ন উৎসৱ-পাৰ্বণ বা বিশিষ্ট ব্যক্তিৰ স্মৃতিত পতা হয়। ইয়াৰ উদাহৰণ দিবলৈ গৈ ক'ব পাৰি যে আল্লা নদীৰ কৰৈগুৰীৰ জন্মাষ্টমীত, শংকৰদেৱৰ তিৰোভাব তিথিত, হৰিদেৱৰ আবিৰ্ভাব তিথিত, আমুখোৱাৰ হাবাল খোৱা বিলত জন্মাষ্টমীত, নসত্ৰৰ সুভন কুৰত মনোহৰদেৱৰ তিথিত নাওখেল

হৈছিল। বিশিষ্ট ব্যক্তিৰ স্মৃতিত হোৱা এখন নাওখেল হ'ল ৰাপুনাথ মেধিৰ সোঁৱৰণত হোৱা নাওখেল। স্বাধীনতা দিৱসৰ দিনা আড়ম্বৰপূৰ্ণভাৱে সৰ্থেবাৰীত নাওখেল অনুষ্ঠিত হয়।

খেলত ঠাইৰ আৰু পৰিচালনা সমিতিৰ বিৱৰণ

নাওখেলৰ বাবে ঠাইৰ জোখ দীঘলে ৭০০-৮০০ গজ আৰু বহলে ১০০-২০০ গজ হ'ব লাগে। নাওখেলৰ ঠাইত বগা কাপোৰৰ চাট মৰাটো নিয়ম। এই চাট খেলৰ ঠাইৰ প্ৰথম, মাজত আৰু শেষৰ ঠাইত থাকে। খেল পৰিচালনা কৰিবলৈ তিনিজন মূল পৰিচালক আৰু আন কেইজনমানেৰে সৈতে এখন পৰিচালনা সমিতি থাকে। মূল পৰিচালককেইজন প্ৰথম-দ্বিতীয় নাৱত উঠি থাকে অৰ্থাৎ খেলৰ প্ৰতিযোগী নাৱৰ সলনি আন দুখন নাৱত উঠি খেল পৰিচালনা কৰে। নাওখেলত দুখন নাৱৰ গাত লগালগি হ'লে তাক ফাউল গণ্য কৰা হয়। খেলত মাহ-বুট-নাৰিকলেৰে নৈবেদ্যও আগবঢ়োৱা হয়।

নাওখেলৰ সময়ৰ বিৱৰণ

আবেলি পৰত নাওখেল অনুষ্ঠিত হয়। নাওখেলৰ দিনা পুৱাতে আগদিনা নিশা অনা পদুম ফুলেৰে নাওখন সজাই-পৰাই আবেলি খেলৰ স্থলীলৈ নাম-কীৰ্তন কৰি নাওখন লৈ যায় :

"জয়ে ৰাম ও ৰাম ৰাম বলিতে
পতিতে দাকয় ৰাম পৰম, আনন্দ কৰি
কৃষ্ণ ৰূপে দৈৱকীত ভৈলা অৱতাৰ
ৰাম পৰম আনন্দ কৰি
আৰ শংখ, চক্ৰ, গদা পদ্ম কৰত তোম্মাৰ
জয় জয় ....।"

নাওখন আহি খেলৰ ঠাই পোৱাৰ লগে লগে তাত আগৰে পৰা সমবেত ৰাইজৰ মাজত আনন্দ হাঁহি-ধেমালি, স্ফূৰ্তি-তামাছাৰ বহণ চৰে। দলবোৰে উপাস্য দেৱতা আৰু ৰাইজক প্ৰণাম কৰি নাও চুই সেৱা জনাই খেল আৰম্ভ কৰে। পানীত নাও এৰি দিয়াৰ লগে লগে পাঠকসকলে গায় :

"পিতা অৰ্জুন ..... এ.....
ও সপ্ত ৰথি বেৰি মাৰে মোকে
ও ব্যেহৰ ভিতৰে অন্যায় সমৰে......

হে জুৰ বায়ঃ হেইও হা
প্ৰথমে প্ৰণামো ব্ৰহ্মাৰূপী সনাতন
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।"
তজু নাভি কমলত ব্ৰহ্মা ভৈলা জাত।
যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত।।......."

চল্লিছ-পঞ্চাশজন খেলুৱৈৰে গঠিত দলবোৰৰ নাৱৰ গুৰিৰ কড়ি আৰু গলেপাত মিলি পাঁচজন খেলুৱৈ থাকে। নাৱৰ গতিৰ পৰিৱৰ্তন নহ'বলৈ বা নাও নিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ তাৰ দায়িত্ব গুৰিত থকা খেলুৱৈ (গুৰিইলা) সকলৰ ওপৰত নিৰ্ভৰ কৰে। বাকী বঠাধাৰী কেইজনে ব'ঠা মাৰি নাওখন চলাই নিয়ে।

এইখিনিতে পাঠকসকলৰ ভূমিকা গুৰুত্বপূৰ্ণ। খেলুৱৈসকলৰ ব'ঠাৰ চাব সমানে পৰিবলৈ বা চাবৰ তাল ভংগ নহ'বলৈ তেওঁলোকে গীত গায়। এই গীতৰ তীব্ৰতা বঢ়াৰ লগে লগে নাৱৰ গতিও গীতৰ তালে তালে খেলুৱৈসকলে বঢ়াই দিয়ে। উল্লেখযোগ্য যে খেলৰ গীত বিভিন্ন পৰ্যায়ত বেলেগ বেলেগ।

নাওখেলৰ নাওখন মাজৰ চাত দালৰ ওচৰ পালে পাঠকসকলে গায় ঃ

"হৰিৰে ৰে হে হৰি ৰাম ৰাম হে
এহৰি এহে ৰাম হৰি ৰাম ৰাম হে"

নাওখন শেষৰ চাত পালে গীতৰ পৰিৱৰ্তন হয় ঃ

ও মোৰ ভাই কৈয়া
হুইছো ভায়া
হুইছো ভায়া।

নাওখন আহি ঘাটত লাগিলে গোৱা গীত হ'ল ঃ

"ঘাটে নাও চপায় দিয়া বনমালী
আমি একো নাজানো অবুজ চোৱাল হে হে
ও জয় ৰাম হৰি।"

নাও খেলৰ বিজয়ী দলক কোনো কোনো ঠাইত খেল শেষ হোৱাৰ লগে লগে শ্বিল্ড, ট্ৰফী, নগদ ধন, শৰাই আদিৰে পুৰস্কৃত কৰে। বিজয়ী দলটোৰ খেলুৱৈসকলে ঘৰলৈ নাওখন আনোতে গায় ঃ

"এ গুৱালিনি বাই ওনন্দে ঘেৰ গৃহক
লাগি কোন পন্থে যায় যায়
এহি পন্থে যায়, সেহি পন্থে যায়....."

নাওখেলৰ এটি জনপ্ৰিয় গীত উল্লেখ কৰা হ'ল :

"হা মোৰ মলুৰা এ.......
মোৰ মলুৰাক কোনে মাৰিলে মোৰ
মোৰ "মলুৰা এ......
এনেঠা নেঠি কৰি কান্দে হা মোৰ মলুৰা এ
নেঠা আনি দিলা তাকো হা মোৰ মলুৰা এ
এনেঠাতে ধৰি ধৰি কান্দে মোৰ মলুৰা এ
মোৰ মলুৰাক কোনে মাৰিলে।
এ যতৰ যতৰ কৰি কান্দে হা মোৰ মলুৰা এ
কপাহ কপাহ কৰি কান্দে হা মোৰ মলুৰা এ......
কপাহ আনি দিলা হা মোৰ মলুৰা এ.......

নাও খেল অতীতত মুছলমানসকলৰ মাজতো প্ৰচলিত আছিল। তেওঁলোকে নাওখেলত গোৱা এটি গীত হ'ল :

"বৰহ বাওঁতে বৰহ বাওঁতে
বৰহত পালাক গৰে
হায় হায় হায় বেচ বেচ বেচ
গৰেটু ঘৰত থৈ তাই
হাফ্‌লা দিব ধৰে
হায় হায়.......
হাফ্‌লা দিওতে হাফ্‌লা দিওতে
সামকে কাটিলাক ভৰি
হায় হায়.........
লালেকৰ আগত কয় তাই
জ্বৰ উঠা বুলি।"

কোনো কোনো ঠাইত সকলো দলৰ নাওখেল অন্ত হোৱাৰ পিছত বিজয়ী দলক আনুষ্ঠানিক সভা পাতি বঁটাসমূহ বিতৰণ কৰে।

নাওখেলৰ নাও ঘৰ আহি পালে বিজয়ী নাৱৰ গৰাকীয়ে সজিয়া খেলুৱৈসকলৰ লগতে চিনাকি আন মানুহক নানা তৰহৰ খাদ্য বস্তু খুৱাই শেষত আঁঠু লৈ আশীৰ্বাদ কামনা কৰে। বাইজে আশীৰ্বাদ দিয়ে।

তাৰ পিছত নাওখন নদীৰ বুকুলৈ নি তাতে জহি-খহি যাবলৈ দিয়া হৈছিল।

লোকবিশ্বাস অনুসাৰে তেনে নাও আন কামত লগোৱাটো বা বেচা-কিনা কৰাটো অতীতত মানুহে অশুভ বুলি জ্ঞান কৰিছিল। অৱশ্যে বৰ্তমান সময়ত এই ব্যৱস্থাৰ পৰিৱৰ্তন হৈছে।

সৰ্থেবাৰীৰ ৰাইজ এই নাওখেলক লৈ গৌৰৱান্বিত। সময়ৰ লগে লগে নাওখেলৰ অনেক নতুনত্বৰ সংযোগেৰে ইয়াৰ আকৰ্ষণীয়তা বৃদ্ধি কৰিব তেওঁলোকে প্ৰচেষ্টাৰত নাওখেলৰ সংস্কৃতিৰ সৌৰভ বিশ্ব দৰবাৰলৈ নিয়াৰ বাবে।

কাতি বিহু

শইচেৰে খেতি-পথাৰ উপচি পৰি তাৰে ভঁৰাল ভৰোৱাৰ কামনাৰে লক্ষ্মীদেৱীৰ সুভাশিস আশা কৰাৰ লগতে বিবজ্ঞ সেৱাৰ দ্বাৰা পুণ্য অৰ্জন কৰাৰ অৰ্থে সমগ্ৰ অসমতে কাতি বিহু নানা ৰূপে-ৰঙেৰে পালন কৰা এক জাতীয় উৎসৱ। অকল অসমীয়া ভাষীসকলেই নহয়, অসমৰ সকলো প্ৰান্তৰ জনজাতিসকল, মুছলমানসকল (স্থানীয় আৰু চৰ অঞ্চলৰ সকলো) বঙালী, নেপালী, শিখ, জৈনসকলৰ মাজত সামান্য পৃথক ৰূপত পালিত কাতি বিহুৰ দ্বাৰা সমন্বয়, একতা ৰক্ষা হোৱাটো অতি গুৰুত্বপূৰ্ণ বিষয়।

আহিনৰ সংক্ৰান্তিৰ দিনা পালিত কাতি বিহুক 'কঙালী' আখ্যা দিয়া হয়, কাৰণ এই সময়ত শালি ধানৰ খেতি চলি থাকে। অন্যান্য পাচলি কবি, লাউ, আলু আদিৰ খেতি আৰম্ভ কৰিবৰ হয়। এই সময়ত মানুহৰ ঘৰত খাদ্যৰ উপযোগী শস্য জমা নাথাকে বাবে নাটনি বা কঙালৰ দিনত পালিত এই কাতি বিহুক সেয়ে 'কঙালী বিহু' আখ্যা দিয়া হয়। কিন্তু কাতি বিহুক লখিমী বিহু হিচাপেহে আদৰা হয়। কাতি বিহুৰ দিনা সন্ধিয়া তুলসীৰ গুৰিত চাকি জ্বলোৱা নিয়ম। কিছু কিছু লোকে গোটেই কাতি মাহটোতে তুলসীৰ গুৰিত চাকি জ্বলায়। তুলসীক লক্ষ্মীস্বৰূপা হিচাপেও গণ্য কৰা হয়। তুলসীৰ জন্মৰ লগত এক কাহিনী জড়িত হৈ আছে। 'পদ্মপুৰাণ'ত থকা তেনে এটি কাহিনী মতে বিষ্ণুভক্তবৃন্দই বিষ্ণুৰ ৰৰত তুলসীহে মহাদেৱৰ শিৰত পাত হৈ বিষ্ণুৰ ঘৰত জন্মগ্ৰহণ কৰে। মহাদেৱে মূৰত গোন্ধ পাই কি গোন্ধ ওলাইছে বুলি হাতেৰে মূৰ জোঁকাৰি দিয়াত পৃথিৱীত আহি পৰে আৰু এজোপা তুলসী বৃক্ষ ৰূপে পৃথিৱীত জন্মগ্ৰহণ কৰে। 'ব্ৰহ্মবৈৱৰ্ত পুৰাণ'ৰ মতে তুলসী আছিল কৃষ্ণপ্ৰিয়া ৰাধিকাৰ সহচৰী। বিষ্ণুৰ ৰৰত তুলসীৰ কেশৰ পৰা লক্ষ্মীসদৃশ তুলসী গছৰ জন্ম হয়। সেয়ে পৃথিৱীত তুলসীক লক্ষ্মীদেৱী ৰূপে গণ্য কৰা হয়। কাতি মাহত লক্ষ্মীদেৱীক আদৰিবৰ বাবে তুলসীক পূজা কৰাৰ নিয়ম প্ৰচলিত আছে। কাৰণ এই মাহত পথাৰত ধানৰ গেৰ ধৰে। পথাৰত ধানৰ নৰাবোৰ গেৰেৰে পৰিপূৰ্ণ হোৱাৰ কামনাৰে লক্ষ্মীস্বৰূপা তুলসীক গোটেই কাতি মাহত পূজা-অৰ্চনা, তুলসীৰ গুৰিত চাকি দি কৰা হয়। এই কাতি বিহুত অঞ্চল বিশেষে লাড়ু-পিঠা আৰু অন্যান্য সুস্বাদু খাদ্য খোৱাৰ নিয়ম প্ৰচলিত আছে।

কাতি বিহু সম্পৰ্কে এক জনশ্ৰুতি প্ৰচলিত আছে। এই জনশ্ৰুতি মতে ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰে বছৰৰ তিনিটা বিহু ভগাই ল'লে। ব্ৰহ্মাৰ ভাগত পৰিল ৰঙালী বিহু, বিষ্ণুৰ ভাগত ভোগালী বিহু আৰু মহেশ্বৰৰ ভাগত পৰিল কাতি বিহু। ব্ৰহ্মা আৰু বিষ্ণুৱে বেছ উলহ-মালহেৰে ৰঙালী আৰু ভোগালী বিহু পালন কৰে। কিন্তু মহেশ্বৰে ভাং খাই মছগুল হৈ থাকোতে বিহুৰ কথা পাহৰিলে। কাতি বিহুৰ দিনা পুৱাতে পাৰ্বতীয়ে মনত পেলাই দিলে আজি দেখোন বিহু, যোগাৰ পাতি একো কৰা নহ'ল। মহেশ্বৰৰ গালৈ তেতিয়াহে হুঁচ আহিল। তেওঁ পাৰ্বতীক ক'লে—'আলু, কচু, শেলেকু যি য'ত আছে তাকে যোগাৰ কৰা, তাৰেই বিহু পাতিম।' এনেদৰে অনুষ্টুপীয়াকৈ শিব-পাৰ্বতীয়ে বিহু পালন কৰাৰ পৰাই এই বিহুৰ নাম কঙালী হয়।

বৈদিক যুগত অশ্বিন দেৱতাৰ সন্মানাৰ্থে কাতি বিহুৰ নিশা পূজা সেৱা, যাগ-যজ্ঞৰ বিধান আছিল। 'ঐতৰেয় ব্ৰাহ্মণ' নামৰ বৈদিক গ্ৰন্থমতে অশ্বিন দেৱতাৰ পূজাৰ লগতে অতিৰাত্ৰ নামেৰে যজ্ঞ এটা সম্পন্ন হৈছিল। ধন-সম্পত্তি, প্ৰজনন বৃদ্ধিৰ বাবে এই উৎসৱ পাতিছিল। কিন্তু আমাৰ কাতি বিহুত বৈদিক নিয়মৰ প্ৰভাৱ ক্ষীণ। পথাৰৰ লখিমী যাতে নিৰ্বিঘ্নে বাঢ়িব পাৰে আৰু অপায়-অমঙ্গল নাশ হয়, তাৰ কামনাৰে শইচৰ গছৰ গুৰিত চাকি, নৈবেদ্য দিয়া হয়।

সংস্কৃত পৰম্পৰাত দোমাহীৰ নাম সংক্ৰান্তি (দুই মাহৰ সমাহাৰ)। ৰবি এক ৰাশিৰ পৰা অন্য ৰাশিলৈ গমন কৰাকে 'সংক্ৰান্তি' বোলে। সেই অনুসৰি সূৰ্য বা ৰবি কন্যা ৰাশিত থকা সময়খিনিক আহিন আৰু তুলা ৰাশিত থকা সময়খিনি কাতি মাহ ৰূপে পৰিচিত হৈছে। বিশেষ বিশেষ সংক্ৰান্তিৰ নাম সংস্কৃত পৰম্পৰা অনুসৰি তুলা সংক্ৰান্তিক অৰ্থাৎ তুলা ৰাশিত সূৰ্য অধিষ্ঠান কৰাৰ সময়ত অনুষ্ঠিত সংক্ৰান্তিক 'কাৰ্তিক সংক্ৰান্তি' বা 'কাতি বিহু' বা 'জলবিষুৱ সংক্ৰান্তি' বোলে। কৃত্তিকা নক্ষত্ৰৰ মতে, কাতি বিহু জড়িত। সেই অনুসৰি যি চন্দ্ৰ মাহ কৃত্তিকা নক্ষত্ৰৰ পূৰ্ণিমা তিথিত অন্ত হয় সেই চন্দ্ৰ মাহৰ নামে চান্দ্ৰ কাৰ্তিক মাহ আৰু কাৰ্তিক মাহ যি সংক্ৰান্তিৰ পৰা আৰম্ভ হয় সেই সংক্ৰান্তি বা বিহুৰ নামে কাৰ্তিক সংক্ৰান্তি বা কাতি বিহু। কাতি বিহুত হোৱা বিবিধ ধৰ্মীয় কৰ্মৰ ভিতৰত বিষ্ণুপ্ৰীতি কামনাৰ অৰ্থে পালন কৰা 'জল সংক্ৰান্তি ব্ৰত', লক্ষ্মী-নাৰায়ণৰ প্ৰীতি কামনাৰ অৰ্থে লক্ষ্মী-নাৰায়ণৰ প্ৰতিমূৰ্তি দধি বা গাখীৰেৰে স্নান কৰোৱাই পালন কৰা 'দধি সংক্ৰান্তি ব্ৰত' আৰু অন্যান্য ব্ৰত 'দান-সংক্ৰান্তি ব্ৰত', 'যম-পুষ্কৰণী ব্ৰত' 'কাৰ্তিকেয় ব্ৰত' উল্লেখযোগ্য।

'কাতি বিহুৰ দিনা অঞ্চল বিশেষে মানুহৰ ঘৰৰ বাৰাণ্ডাত বিভিন্ন ৰঙৰ গুড়িৰে আল্পনা কৰি তাৰ কাষতে তিনি খৰ বা পাঁচ খৰ বা সাত খৰ চাকি জ্বলোৱা হয়।' এই

বিষয়ে উল্লেখ কৰি ড° নবীনচন্দ্ৰ শৰ্মাই কৈছেঃ ‘বিষ্ণুপ্ৰীতিৰ অৰ্থে তুলসী দান কৃত্য অপৰিহাৰ্য। কাতি বিহুৰ পৰা আৰম্ভ কৰি সমগ্ৰ কাতি মাহটোত বিষ্ণুৰ প্ৰতি ১০৮ টা তুলসীৰ পাত আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। এই কৃত্যৰ নাম তুলসী দান।’ গোবিন্দ আৰু তুলসীৰ ভক্তা-ভগৱন্তৰ মধুৰ সম্পৰ্কত তুলসী দান কৃত্য পৰম্পৰাৰ আৰম্ভ হৈছে।.......... ব্ৰাহ্মণ-সজ্জন, গোসাঁই-মহন্ত, ভকত-গুৰু আদিয়ে সমগ্ৰ কাতি মাহটোত মাছ-মঙহ-কণী আদি ভক্ষণ নকৰে। এই সময়ৰ মাছ হেনো শূকৰন্যায়। গতিকে ব্ৰাহ্মণ-সজ্জন আদিয়ে মাছ খালে শূকৰ মাংস ভক্ষণৰ দৰে দোষ সিজিব পাৰে। প্ৰকৃতাৰ্থত এই সময়ৰ মাছৰ গাত বেছিকৈ তেল হয়। আকৌ শ'ল-মাগুৰ-শিঙি আদি তলগৰীয়া মাছৰ মূৰত পোক হয়। গতিকে সেইবোৰ খোৱা অবিধেয়। ...... কাতি বিহুৰ পৰা আৰম্ভ কৰি গোটেই মাহটো ধৰি ৰাতি ৰাতি নামঘৰ, গোসাঁইঘৰ আদিত নাগাৰা নাম, সংকীৰ্তন, খুলীয়া ভাৱৰীয়া, পুতলা নাচ, ওজাপালি আদি অনুষ্ঠান অনুষ্ঠিত হয়। অসমৰ বিখ্যাত সত্ৰবোৰত কাতি মাহত পালনাম অনুষ্ঠিত হয়। উদাহৰণস্বৰূপে মাজুলীৰ বিখ্যাত আউনীআটী সত্ৰত ২৮ কাতিৰ পৰা ৩০ কাতিলৈকে পালনাম অনুষ্ঠিত হয়। কাতি বিহু আৰু কাতি মাহৰ প্ৰকৃতিৰ প্ৰতি লক্ষ্য কৰি এই বিহু আৰু এই মাহটোক সাত্ত্বিক বিহু, সাত্ত্বিক মাহ বুলিলেহে ৰঙিতা খায়। ব'হাগ বিহু ৰজঃগুণ বিশিষ্ট নৃত্য-গীত, জীৱন-যৌৱন, ভোগ-কামনা আদিৰে পৰিপূৰ্ণ—আনকি যৌৱনৰ উন্মাদনাৰে প্ৰকৃতিও উন্মনা। মাঘত ভোগৰ তমাসিকতা মাছ-মঙহ-কণী, পিঠা-পনা, আখৈ-চিৰা-মুড়ি, দৈ-মাখন-ক্ৰীম আদিৰ পয়োভৰ। কেৱল ভোগ আৰু ভোগ। ভোগ তামসিকতাৰ জনক। ইয়াৰ বিপৰীতে কাতি বিহু শান্ত শিষ্ট, স্নিগ্ধ অনুভূতি কাৰক, ভকতি-বিৰকতি-মুকুতি কাৰক। সৰ্বত্ৰে এক আধ্যাত্মিক পৰিবেশ—তুলসী, চাকি-বন্তি, আকাশ বন্তি, নাম-প্ৰসঙ্গ, ভক্তিমূলক গীত পদ আদিত। এয়া যেন কামনা-বাসনা আৰু ভোগ-আকাংক্ষাৰ ধুমুহাৰ অন্তত শান্ত-সমাহিত মানৱীয় ভাবানুভূতিৰ জুৰ মাসয় সমীৰ। মানৱ অন্তৰত আধ্যাত্মিকতা আৰু মানৱিকতা উভয়ৰে কাৰক হ'ল কাতি বিহু। এই ফালৰ পৰা কাতি বিহু আৰু কাতি মাহটোত আছে এক আধ্যাত্মিক আৰু সাংস্কৃতিক তাৎপৰ্য।’

কাতি বিহুৰ পৰ্বসমূহ

কাতি বিহুৰ আগদিনা জীয়াৰী-বোৱাৰীসকলে ঠাই বিশেষে লাডু-পিঠা তৈয়াৰ কৰে। বিহুৰ দিনা পুৱাই ঘৰ-দুৱাৰ মচে; কাপোৰ কানি তিয়াই, চক ধোৱে, চৌকা, বাকনি ঘৰ মচি শুচি আৰু পবিত্ৰ (নিকা) হয়। পুৰুষসকলে বাটৰ পদূলিমুখৰ বনবাট নিবোৱাৰ লগতে বাৰীৰ ঘাঁহ বন, পথাৰৰ ধানৰ মাজৰ বন নিবোৱাই পৰিষ্কাৰ কৰে।

চোতালত তুলসী পুলি ৰুই তাৰ চৌপাশে মাটিৰ সুদৃশ্যমান ঢাপ কৰে। তুলসী ৰোপণৰ প্ৰসঙ্গত তলৰ মন্ত্ৰটো মাতিব লাগে—'ওঁ গোবিন্দ বল্লভাং দেৱীং ভক্ত চৈতন্য কাৰিণীং/স্নাপয়ামি জগদ্ধাত্ৰীং হৰি-ভক্তি প্ৰদায়িনীম্।।' কিছুমান ঠাইত পুৱাবেলা পথাৰলৈ ধান চাবলৈ পুৰুষ-মহিলা যায়।

শদিয়াত বাস কৰা 'দক্ষিণপাট' গোসাঁই খেলৰ ৰাইজে কাতি বিহু পালনৰ আগতে সিদিনা (কাতি বিহুৰ দিনা) দিনত অলপ বেলেগ ধৰণৰ পৰ্ব পালন কৰে। ১৫ ৰ পৰা ৩০ ফুটমান দীঘল দুডাল গোটা বাঁহ চাঁচি প্ৰায় চাৰি ফুটমান আঁতৰত দুয়োডাল বাঁহ পুতি ওপৰৰ ফালে লগ খুৱাই, ওপৰৰ ২ ফুট তলত দুগচি চাকি জ্বলায়। দুয়োডাল বাঁহ লগ লগাই মাটিৰ পৰা ৩ ফুটমান ওপৰত এডাল ফলা বাঁহ দিয়ে আৰু তাতেই চাকি দুগছি জ্বলাই চকৰি লগাই ৰচিৰে টানি এক বিশেষ পদ্ধতিৰে ওপৰলৈ লৈ যায়। এই কাম বৰমেধিয়েহে কৰে। চাকি দুগছ পূবলৈ মুখ কৰি ৰাখে। বৰমেধিৰ সোঁফালৰ চাকি গছ গুৰু ঘৰৰ আৰু বাঁওফালৰ চাকিগছ ৰজাৰ ঘৰৰ বুলি ভবা হয়। বাঁহৰ চৰাই, ধনু-কাঁড় আদি দুয়োডাল বাঁহৰ ওপৰত দিয়া হয়। বৰমেধিয়ে ৰচি টনা অৱস্থাত ৰাইজে হৰিধ্বনি দিয়ে। বৰমেধিৰ ঘৰত মণিকূটত এইবোৰ কাম কৰি হৰি নাম কীৰ্তন কৰে। তাৰ পাছতহে ৰাইজে ঘৰলৈ আৰু পথাৰলৈ গৈ চাকি জ্বলাই নৈবেদ্য আগবঢ়ায়।

অসমৰ কিছুমান ঠাইত বিশেষকৈ মৰিগাঁও জিলাত খেতিয়কসকলে দিনৰ ভাগত খেতি পথাৰলৈ গৈ তাত বাঁহৰ আগ পুতি থৈ আহে। কোনো কোনোৱে ত্ৰিকোণাকৃতিৰ বাঁহৰ চালনি বৈ বাঁহৰ আগত স্থাপন কৰে। ইয়াক চাত বাৰি বোলে। ইয়াৰ উদ্দেশ্য হ'ল বাঁহত পৰি চৰাই-চিৰিকটিয়ে যাতে শস্য অনিষ্ট কৰা পোক-পৰুৱাবোৰ খাই শস্যডৰা ঠিকে ৰাখে। কিছুমান ঠাইত আকৌ ৰবাব টেঙা কাটি তাৰ বাকলিবোৰ শস্যক্ষেত্ৰৰ চৌদিশে ছটিয়াই দিয়ে। তেনে কৰিলে গাখীৰতী গেঁৰ হোৱা ধাননি লহ-পহকৈ বাঢ়ি আহিব বুলি বিশ্বাস। মৰিগাঁও জিলাৰ শ'লমাৰী অঞ্চলৰ গাঁৱৰ ডেকাসকলে পুৱাবেলা গাঁৱৰ ঘৰে ঘৰে ঘূৰি পইছা সংগ্ৰহ কৰে আৰু আবেলি সেই পইছাৰে মাহ-কল, বুট-মগু আদি কিনি পথাৰত মুকলিভাৱে নৈবেদ্য দি সেৱা জনায়। কামৰূপ জিলাৰ পুঠিমাৰী অঞ্চলত কাতি বিহুৰ পুৱা পথাৰ চাবলৈ যোৱাটো বাধ্যতামূলক। বিহুৰ দিনা পুৱা পথাৰ চাবলৈ নগ'লে লক্ষ্মীদেৱী অসন্তুষ্ট হয় বুলি ভবা হয়। কাতি বিহুৰ দিনা কামৰূপ জিলাৰ পুঠিমাৰী অঞ্চলত চেং মাছ খোৱাটো নিয়ম। কিন্তু বৰপেটাৰ গাঁওসমূহত আৰু আন কিছুমান অঞ্চলত দিনত জুহাল পৰিষ্কাৰ কৰি নিৰামিষ আহাৰ খায়; ৰাতি ভাত নাখায়। আগত দিনত বৰপেটা চহৰত

খাঁতি চিৰা, গুৰ, সান্দহ, টেকেলি পিঠা আদি খাইছিল। কিন্তু আজিকালি কাটিলে খায়, ভাতো খায়। কচুৰ আঞ্জা খোৱাটো নিয়ম। গোটেই মাহটোৰ্ত কচুৰ আঞ্জা খায়। নলবাৰী জিলাৰ পশ্চিম অঞ্চলৰ গাঁওসমূহত দিনত মাছ-মাংস নাখায়। বিধৱাসকলৰ কিছুমানে উপবাসেও থাকে।

কাতি বিহুৰ দিনা পুৱা তুলসীৰ গুৰিত মাটিৰ বেদী সাজি তাৰ কাষত আকাশবন্তি জ্বলোৱা হয়। আকাশবন্তি দুই প্ৰকাৰৰ। প্ৰথম বিধত এটি মাটিৰ কলহৰ দুইফাল কাটি মুকলিকৈ ৰাখি বা বাঁহেৰে সজা ওলোমাই ৰাখিব পৰাকৈ এটা সঁজুলি কৰি তাত বন্তি ভৰাই জ্বলাই, এডাল সৰু বাঁহৰ প্ৰায় বিশ ফুট উচ্চতালৈ ৰচিৰে টানি কলহটো বা বাঁহৰ সঁজুলিটো উঠাই ওপৰত ৰখা হয়। আন বিধত প্ৰায় ৫ ফুট উচ্চতাৰ বাঁহ এডাল বেদীৰ ওপৰত পুতি তাৰ মূৰত বন্তি জ্বলোৱা হয়। দিনৰ ভাগতে প্ৰতিঘৰ গৃহস্থই ঘৰৰ চৌহদৰ আৰু বাৰীৰ তামোল-পাণৰ গুৰিত মাটিৰ একোটা সৰু বেদী কৰি মচি পৰিষ্কাৰ কৰি ৰাখে। ভঁৰালঘৰৰ গুৰিটো তেনেদৰে বেদী কৰা হয়। কিছুমান ঠাইত পদুলিমুখত কলপুলি পুতি মচি তাত বন্তি জ্বলোৱা হয়। চোতালত কৰা মাটিৰ বেদীৰ ওচৰতো কলপুলি পোতা হয়।

সন্ধিয়া তুলসীৰ গুৰিত বেদীত ধূপ বন্তি জ্বলাই নানা ফল-মূল, মাহ-বুট, নাৰিকল চুৰুকা আৰু পিঠাগুৰিৰ ভোগ দিয়ে। সেই সময়ত উৎপন্ন হোৱা বিভিন্ন ফল-মূল, কেঁচা তামোল আদি কাতি বিহুৰ দিনা নৈবেদ্য ৰূপে আগবঢ়াই তাৰ পাছৰ পৰাহে মানুহে খাবলৈ লয়। কিছুমান ঠাইত দীঘল বাঁহ বা চুটি বাঁহত আকাশবন্তি জ্বলাই যদিও কিছুমান ঠাইত কিন্তু সিদিনা মাটিত চাকি জ্বলাই তাৰ পিছদিনাৰ পৰা গোটেই মাহ জুৰি ওপৰত আকাশবন্তি জ্বলায়। বন্তি জ্বলাওতে মাটি চাকিৰ উপৰি অমিতা বা ঔ টেঙাৰ বখুৱা কাটি বা নাৰিকলৰ খোলাটো চাকিৰ সমান টুকুৰা কৰি তাত শলিতা, তেল দি বন্তি ৰূপে জ্বলায়। বন্তি জ্বলাই তুলসী, লক্ষ্মী আৰু বিষ্ণুকে সভক্তিৰে সেৱা জনোৱা হয়। এইদৰে বন্তি জ্বলাই নিৰ্ধাৰিত মন্ত্ৰ মতা হয়— 'ওঁ বৃন্দায়ৈ তুলসী দেব্যৈ প্ৰিয়ায়ৈ কেশৱস্য চ/বিষ্ণুভক্তি প্ৰদায়িন্যৈ সত্যৱত্যৈ নমোনমঃ/' আৰু 'দমোদৰায় নভসি তুলায়াং লোলয়া সহ/প্ৰদীপংতে প্ৰযচ্ছামি নমোঽনন্তায় বেধসে।' জনবিশ্বাস মতে তুলসীক প্ৰণাম কৰি সন্তুষ্ট কৰিলে বিষ্ণু সন্তুষ্ট হয়। তুলসীক লক্ষ্মী স্বৰূপে কামনা কৰা হয়। শংখ, ঘন্টা, ৰবৰ্কাঁহৰ শংখ ধ্বনিত এই সময়ত গাঁওবোৰত উখল-মাখল লাগে। সৰু সৰু ল'ৰা-ছোৱালীসকলে দল বান্ধি ইঘৰ-সিঘৰ ঘূৰি হৰিধ্বনি দি মাহ-প্ৰসাদ খাই ফুৰে। তেওঁলোকে হৰিধ্বনি দি গায় : 'তুলসীৰ তলে তলে মৃগ পহু চৰে/তাকে দেখি ৰামচন্দ্ৰই শৰধনু জাঙে/হৰধনু

ভাঙিবলৈ ৰামচন্দ্ৰক মাতে/জনকৰ জীয়াৰী সীতাক ৰামক অৰ্পণ কৰে/দেউলত পালো দেউল দেখিলো দেউলত ছটফট কৰে/দেউলৰ ওচৰত শ্ৰৱণ-কীৰ্তন মাথাই মৈৰা চালি ধৰে/উৰি গ'ল তুলসী পৰি ৰ'ল পাত/সেই তুলসীৰ নোৱা নোৱা পাত/কাতি দেউল কাতি দেউল/মিঠাতেলৰ চাকি/লক্ষ্মী বহি আছে থুমপাতি আজি/লক্ষ্মীক ভোজিবলৈ পদূলিতে চাকি/লক্ষ্মীয়ে দি থৈ গ'ল চাউল মুঠি মুঠি।' অৱশ্যে এই গীতটো অঞ্চল বিশেষে অলপ অলপ বেলেগ ধৰণে গোৱা হয়। আই-বাইসকলে আকৌ গায়—'দিহা আনিলা তুলসী প্ৰভুৰাম গদাধৰে/আনিলা তুলসী প্ৰভু মনুষ্য নগৰে। পদ—যিটোজনে তুলসীৰ ডালে মূলে ছিঙে/সাতাম পুৰুষ তাৰ নৰকত পৰে/যিটোজনে তুলসীৰ পাতে পাতে ছিঙে/সাতাম পুৰুষ তাৰ বৈকুণ্ঠত চলে/...' আকৌ এই কাতি বিহুতে তুলসীৰ গুৰিত তুলসীৰ জন্ম কাহিনীৰ গীতো আয়তীসকলে গায়।

কাতি বিহুৰ দিনা মঙলদৈ চহৰৰ পৰা ১৮ কিঃ মিঃ দক্ষিণ-পশ্চিমে থকা 'দেৱানন্দ সত্ৰত' লক্ষ্মী উদ্ভৱ বিষয়ক মিথৰ লগত জড়িত 'মথনী' উৎসৱ উদ্‌যাপিত হয়। এই উৎসৱত দেৱতা আৰু অসুৰসকলৰ দ্বাৰা সাগৰ মন্থনত (মথেনীত) লক্ষ্মী ওলোৱা নানা কাৰ্যৰ লগতে দধিমথন কৃততে শিশু কৃষ্ণ নানা অলৌকিক কাৰ্যৰ দৃশ্য অভিনয়ৰ দ্বাৰা প্ৰদৰ্শন কৰা হয়। এই উৎসৱৰ হেতু সত্ৰাধিকাৰসকল বিহুৰ আগৰে পৰা ব্যস্ত হৈ পৰে উৎসৱৰ প্ৰস্তুতিৰ হেতু। সত্ৰাধিকাৰৰ পুত্ৰ-পৌত্ৰাদি আৰু সত্ৰৰ ল'ৰাসকলে অভিনয়, গীত-নৃত্য কৰে। সাগৰ মন্থন বা মথনীৰ মূল কৃত্যত গায়—'দিহা-সাগৰ মথে দেৱাসুৰ গণে/হৰি হৰি কৰিয়া পৰম ৰংগমনে। পদ—বাসুকী জৰি ভৈলা মন্দাৰে দাণ্ডি। কূৰ্মে আধাৰি ভৈলা সাগৰে হাণ্ডি/উপৰে ধৰিলা হৰি সহস্ৰেক হাতে/বাসুকীত প্ৰৱেশ কৰিলা জগন্নাথে/..... মন্থন কাৰ্যত কেতিয়াবা মথনী শালৰ জৰি ছিঙি যায়। মথনী জৰিডাল সম্পূৰ্ণ ছিঙি যোৱাৰ পাছত মন্থন-শালৰ ওপৰত থোৱা ভাগুটো দেৱতা আৰু অসুৰৰূপী ভক্তসকলে নমাই আনি তাত থকা বস্তু ভগাই খায়। ইয়াতে মথনীৰ সামৰণি পৰে আৰু খুলীয়া ভাওনা আৰম্ভ হয়। মথনীৰ জৰিডালৰ কিছু অংশ নি ঘৰত ৰাখিব পাৰিলে নানা ব্যাধি দূৰ হয় বুলি বিশ্বাস প্ৰচলিত আছে।

কাতি বিহুৰ দিনা সন্ধিয়া ভঁৰালৰ আগত, গছৰ গুৰিত আগতে কৰা মাটিৰ বেদীবোৰত নৈবেদ্য দি ধূপ-প্ৰদীপ জ্বলাই মঙ্গল কামনা কৰি সেৱা কৰে। একাধিক স্থানত এই নৈবেদ্য কলগছৰ বকলাৰ পৰা কৰা দোনাত দিয়া দেখা যায়। পথাৰত চাকি বা বন্তি জ্বলাই গৃহস্থ আৰু গাঁৱৰ ডেকাসকলে হৰিধ্বনি দি সেৱা কৰে। কামৰূপ জিলাৰ একাধিক স্থানত এই সময়ত পথাৰলৈ যোৱা লোকসকলে গায় ঃ 'দেউল

গ'ল দেউল গ'ল/বৰ ঘৰেদি নেউল গ'ল/লোকৰ ধান আউল-বাউল/আমাৰ ধান মুখা চাউল।' এইদৰে দিয়া পথাৰত নৈবেদ্য সচাৰবে তিনিডাল বাঁহৰ কাঠিৰ মূৰকেইটা বান্ধি তাক ত্ৰিকোণ আকৃতিত ৰাখি তাৰ মূৰত তিনিডালৰ এডালত নৈবেদ্য, এডালত চাকি আৰু আনডালত ধূপ দিয়া হয়। নৈবেদ্য কলৰ বকলাৰ দোনাত, চাকি নাৰিকলৰ খোলাত আৰু ধূপ কল গছৰ পৰা কৰা ধূপদানিত দিয়া হয়। গীত-পদ গোৱাৰ পাছত সেৱা জনাই গৃহস্থই কয়— 'আই লখিমী! আমি তোমাক চাবলৈ আহিলো। আকৌ তোমাক আঘোণত নিবলৈ আহিম। দোষ নধৰিবা। পোক-পতঙ্গৰ পৰা ভগবানে তোমাক ৰক্ষা কৰিব। নৈবেদ্য গৃহস্থই কিছুমান ঠাইত ভগাই দিয়ে যদিও কিছুমান ঠাইত এৰি আহে। অন্য ডেকা ল'ৰা বা সৰু ল'ৰাৰ দলে পাছত গৈ গোটেইখন পথাৰৰ গৃহস্থসকলে দিয়া নৈবেদ্য ভগাই খায়। কাতি বিহুৰ দিনা ডিব্ৰুগড় জিলাৰ কিছুমান ঠাইত পুখুৰীৰ পানীৰ ওপৰত ভুৰ একোখন সাজি তাত চাকি বা জোঁৰ একোটা জ্বলাই নৈবেদ্য যাচি জলদেৱতাক সেৱা জনায়। তুলসীৰ গুৰিত, ভঁৰালৰ আগত, গছৰ গুৰিত নৈবেদ্য দিয়াৰ লগতে কোনো কোনো অঞ্চলত নাঙল ধোৱা পিঠা খোৱা উৎসৱ পালন কৰে। এই নাঙল ধোৱা পিঠা খোৱা উৎসৱ সম্পৰ্কত লেখিকা আৰতি দেৱী বৰঠাকুৰে কয় ঃ এই উৎসৱৰ আৰু নাঙল ধোৱা পিঠাৰ প্ৰচলন উজনি অসমতে বিশেষকৈ দেখা যায়। খেতিয়কে ৰোৱাৰ কাম সামৰি ভাগৰ মাৰিবৰ বাবে এই পিঠা পৰিবেশন কৰে বুলি বিশ্বাস। নাঙল-ধোৱা নামটোৰ পৰাই বুজিব পাৰি যে হালৰ কাম শেষ কৰি যিদিনা নাঙল ধুই-পখালি খেতিয়কে সুকীয়াকৈ থয় সেইদিনাই পৰিয়ালৰ সকলোৱে নাঙল ধোৱা পিঠা তৈয়াৰ কৰে। ঠাই বিশেষে নাঙল ধোৱা পিঠা তৈয়াৰ কৰা প্ৰণালী বেলেগ বেলেগ ধৰণৰ হয়। ইয়াৰে এটা প্ৰণালী হ'ল—উপকৰণ ঃ আৰৈ চাউলৰ পিঠাগুড়ি, প্ৰয়োজন অনুসাৰে চেনি, গুৰ বা নিমখ আৰু পানী। প্ৰস্তুত প্ৰণালী ঃ পিঠাগুড়িখিনিত পছন্দ অনুসাৰে চেনি, গুৰ বা নিমখ মিহলি কৰি ল'ব লাগে। তাৰ পাছত পানী দি থপথপীয়াকৈ এটা মিশ্ৰণ তৈয়াৰ কৰি ল'ব লাগে। মিশ্ৰণটোৰে আঙুলিৰ আকৃতিৰ সৰু সৰু বল কৰি উতলা গৰম পানীত বা গৰম পানীৰ ভাপত সিজাব লাগে। সিজোৱা হ'লে ঠাণ্ডা কৰি গৰম গাখীৰত দি বা এনেয়ে পৰিবেশন কৰিব পাৰি।' এইদৰে পিঠা সাজি নাঙল ধোৱা উৎসৱ পাতি গীত-পদ গায়। পূজা সেৱাৰ অন্তত তাত গোটখোৱা সৰু ল'ৰা-ছোৱালীৰ লগতে ওচৰ-চুবুৰীয়াক মাতি প্ৰতিঘৰে তুলসীৰ গুৰিত, ভঁৰালৰ আগত আৰু গছৰ গুৰিত দিয়া নৈবেদ্য ভাঙি বিতৰণ কৰি খায়।

এই কাতি বিহু পালনৰ পিছতে খেতি-পথাৰত ধানৰ থোক ওলায় বুলি বিশ্বাস। সেয়ে খেতিয়কসকলে পথাৰলৈ গৈ সেৱা চায়। ধেমাজি জিলাৰ গ্ৰামাঞ্চলত

আহোম, চুতীয়া, কোঁচ, কলিতা সম্প্ৰদায়ৰ লোকসকলে কাতি বিহুৰ আগে-পাছে লখিমী সবাহ পাতে। এই উৎসৱ দুই-তিনি দিন ধৰি আড়ম্বৰপূৰ্ণভাৱে পালিত হয়। এই লখিমী সবাহৰ দিনা ৰাইজে কল পটুৱাৰে দোলা সাজে। এই দোলা দুটা সৰু ল'ৰাই ধৰে। গাঁৱৰ জীয়াৰী-বোৱাৰীসকলে এঁৰা সূতা, কেঁচা পিঠা, নতুন জাকৈ, ঠুৰীয়া তামোল, ধূপ, শলিতা, দোলনী, কলচি লৈ নাম গাই পানী তুলিবলৈ যায় ঃ 'পথাৰৰ মাজতে লক্ষ্মী আই আছিলে/তই থাক মই যাওঁ কৰি এ/কুবেৰৰ ঘৰলৈ আহিছে লক্ষ্মী আই সোণৰে দোলাতে উঠি ঐ/...' এইদৰে নাম গাই নতুন জাকৈৰে পথাৰৰ বোকা, পুনি তিনিবাৰ টানি দোলাত ভৰাই নামঘৰলৈ আহি তাত থয়। নামঘৰৰ চৌপাশে উঘাত লোৱা কেঁচা সূতাৰে বেৰা দি লখিমী যাব নোৱৰা কৰে। সকলো গাঁৱৰ লোকে, ঢুলীয়া, নামতীয়ে সেৱা লয়। প্ৰত্যেক লখিমী সবাহৰ বোকা নি নিজৰ ঘৰৰ ভঁৰালত দিয়ে। সম্ভৱত ইয়াৰ দ্বাৰা লক্ষ্মীৰ আশীৰ্বাদত ভঁৰালত ধানেৰে উপচিব বুলি ভবা হয়।

কাতি বিহুৰ পৰা কাতি মাহৰ শেষদিনলৈ আকাশ বন্তি জ্বলোৱা হয়, মানুহৰ চোতালে চোতালে তুলসীৰ বেদীৰ ওচৰত। এই আকাশ বন্তি জ্বলোৱাৰ সুফল এই শ্লোকটিত আছে—'বিষ্ণু বেহস্মিন যো দদ্যাৎকাৰ্তিকে মাসি দীপকং/অগ্নিষ্টোম সহস্ৰাস্য ফলংপ্ৰাপ্নোতি মানবঃ উচ্চ প্ৰদীপমাকাশে যোগ দদ্যাৎ কাৰ্তিকে নৰঃ/সৰ্বংকলং সমুদ্ধৃত্য বিষ্ণু লোক মাবাৰনুয়াৎ/চতুষ্পমেষু ৰক্ষাষু ব্ৰাহ্মণাবেশ্মেসু চ/বৃক্ষমূলেষু গোষ্ঠে কান্তৰ গহনেষু চ/দীপ দানাদি সৰ্বত্ৰ মহাকলম, বা প্নুয়াৎ//' গধূলি তুলসীৰ গুৰিত আইসকলে নাম গায়। কাতি মাহৰ শেষৰ দিনা তুলসীৰ তলত নৈবেদ্য দি ধূপ, দীপ জ্বলাই হৰি নাম কীৰ্তন কৰি, শংখ, ঘণ্টা আদি বজায়। পূজা-সেৱাৰ অন্তত গাঁৱৰ প্ৰতিঘৰে ওচৰ-চুবুৰীয়াক মাতি নৈবেদ্য বিতৰণ কৰে।

কাছাৰ জিলাৰ আদিম লোকসকলে কাতি মাহৰ শেষৰ দিনা বা সংক্ৰান্তিৰ দিনা গৰু বিহু পাতে। এই গৰু বিহুৰ বৰ্ণনা লেখক, কবি সুহাগমণি বৰ্মনে কৈছে ঃ 'কাৰ্তিক সংক্ৰান্তিক কাছাৰত 'ভুলাভুলিও' বোলা হয়। গৰু বিহু বা ভুলাভুলিৰ বাবে গৰখীয়াইতে কাতি মাহৰ আৰম্ভণিৰ পৰা ৰাতি ৰাতি ৰাইজৰ ঘৰে ঘৰে গৈ 'আই' নামৰ এবিধ গীত গাই টকা-পইছা, ধান-চাউল সংগ্ৰহ কৰে আৰু ভুলাভুলিৰ দিনা আবেলি ভাগত গাঁৱৰ গৰুবোৰ গোটেই পথাৰত গৰুবোৰক মাজত ৰাখি ঘূৰি ঘূৰি গৰখীয়াইতে আইগীত গাই গাই সন্ধিয়াৰ আগে আগে গৰুবোৰ ঘৰলৈ আনে। গৃহস্থৰ আইগৰাকীয়ে গৰুবোৰৰ ঠেং ধুৱাই বিচনীৰে বিচি আদৰি লয়। পাছত গৰখীয়াজনে গোটেই ঘৰৰ চাৰিওপিনে তিনি পাক ঘূৰি 'মহ যাওক, মাখি যাওক' বুলি কৈ কৈ আহি গা-পা ধুই ঈশ্বৰ সেৱা কৰে। সেইদিনা গৰুক এছাৰিৰে মাৰিব

নাপায় বুলি কোৱা হয়। তাৰ বাবে গৰখীয়াসকলে কলগছৰ ঠাৰিত ফুল আদি ধুনীয়া কৰি বান্ধি তাৰে গৰুক কোবায়। ৰাতি কীৰ্তন কৰি ডেকা-বুঢ়া সকলোৱে মিলি প্ৰসাদ খায়।' এই পৰ্ব নামনি অসমৰ মহ খেদা, বাম্বোলপিটা, পুৰুজা উৎসৱৰ লগত অনেক বিষয়ত মিল আছে।

অসমৰ অন্যান্য জনগোষ্ঠী, জাতিয়ে পালন কৰা কাতি বিহুৰ ৰূপ ঃ কাতি বিহু অসমৰ নানা জনজাতি যেনে—মিচিং, সোণোৱাল কছাৰী, দেউৰী, কাৰ্বি, চাহ জনজাতি, বড়ো, ৰাভা, মটক, তিৱা, মৰাণ আদিয়ে পালন কৰাৰ লগতে মুছলমান, শিখ, নেপালী, বঙালীসকলেও পালন কৰে। এই সকলোবোৰৰ কাতি বিহু পালনত কিছু পৃথক পৰম্পৰা আছে। স্থানাভাৱত সকলোৰে পালিত কাতি বিহুৰ আলোচনা সম্ভৱ নহয় বাবেই ইয়াত ৰাভা, দেউৰী আৰু অভিবাসী অসমীয়া মুছলমান সমাজত পালিত 'কাতি বিহুৰ ৰূপৰেখা'ৰ ভিত্তিত চমু আলোচনা আগবঢ়োৱা হ'ল ঃ

ৰাভাসকলৰ কাতিগাছা বা কাতিদল উৎসৱ ঃ ড° উপেন ৰাভা হাকাচামে লিখিছে ঃ কাতিগাছা বা কাতিদল হ'ল আহিন-কাতিৰ সংক্ৰান্তিত উদ্‌যাপিত দ্বিতীয়া উছৱ বিশেষ। কাতি বিহুক বঙালীৰ সলনি ৰাভাসকলে কাতি দল বা কাতিগাছা (বৰখাথিগাছা) বোলে। কাতি মাহৰ আগদিনাৰে পৰা এদিনীয়াকৈ এগছিকৈ চাকি (চাকিগাছা) চোতালৰ তুলসীজুপি বা পথাৰৰ ধানগছি (গছা/গাছা)ক কেন্দ্ৰ কৰি প্ৰজ্বলন কৰা হয় বাবেই এই অনুষ্ঠানটোক 'কাতিগাছা' বোলে। আনহাতে, অস্থায়ীভাৱে হ'লেও দেৱালয়সদৃশ কৰি দেৱকুলক আৰাধনা কৰা প্ৰথাৰ পৰাই খুব সম্ভৱ কাতি দলৰ, দল (দৌল) শব্দৰ ব্যুৎপত্তি সাধন হৈছে। কাতি বিহুত ৰাভাসকলে ঐমোলত কেইবাগচি বন্তি চোতাল, পথাৰ আদিত লগাই গায় ঃ 'কাতি দল কাতি দল/পৰৰ বাৰী লৰচৰ/আমাৰ বাৰী ভৰ ভৰ।' (চোতালত গোৱা)। ৰাভাসকলে ঔ টেঙাক অতি পবিত্ৰ ফল হিছাপে গণ্য কৰে। কাতিগাছা নোযোৱাকৈয়ে সেয়ে ঔ টেঙা খোৱা নিষেধ। অন্যথা মাছ মাৰিবলৈ গ'লে শিঙি মাছে বিন্ধে বুলি জনবিশ্বাস প্ৰচলিত আছে। তেওঁলোকে গোটেই কাতি মাহজুৰি চোতালত তুলসীৰ ওৰিত আকাশবন্তি জ্বলায়।

দেউৰী জনজাতিৰ কাতি বিহু ঃ দেউৰী সমাজত কাতি বিহুৰ বিশেষত্ব হৈছে লখিমীক আদৰি সন্তুষ্ট কৰাৰ অৰ্থে লখিমী পূজা আৰু খেলৱৰীয়াকৈ উদ্‌যাপন কৰা। পথাৰৰ লখিমী গৰ্ভ ধৰাৰ সময়ত কাতি মাহৰ শুক্লপক্ষৰ প্ৰথমটো বুধবাৰে এই পূজা পতা হয়। এই পূজাত নানা ফল-মূলেৰে নৈবেদ্য দি মহিলাসকলে লখিমী গান গাই স্তুতি-মিনতি কৰে। বাজহুৱাভাৱে লখিমী সবাহ পতাৰ উপৰি প্ৰতি গৃহস্থই ধানৰ ভঁৰালত মিনচি-লিদুৰনা পতাও নিয়ম। পূজা মন্ত্ৰ মিলুচি-লিদুৰবাত ব্যৱহাৰ হয়।

নিজৰ পৰিয়ালৰ বিজ্ঞজনৰ বাহিৰে এই পূজাত পুৰোহিতৰ ব্যৱস্থা নাই। পূজাৰ অন্তত পূজাৰীয়ে ভঁৰালৰ দুৱাৰ সাত দিনলৈ জপাই দুৱাৰৰ বাহিৰফালে এখন শুধ বগা নতুন কাপোৰ মেলি থৈ দিয়ে। শস্যভৰা পথাৰতো এই পূজা কৰা হয়। লখিমী পূজা দুইভাগে কৰা হয়, এভাগত পিঠাগুড়ি, মাহ প্ৰসাদ, তামোল-পাণ, তংলতী আদি উপকৰণেৰে মিঠাতেলৰ শলিতা জ্বলায় আৰু আনভাগত উক্ত উপকৰণৰ উপৰি বলি স্বৰূপে কুকুৰা আগবঢ়ায়। কাতি বিহুৰ সংক্ৰান্তিৰ দিনা পথাৰ, ভঁৰাল, গোহালিৰ লগতে তুলসীৰ গুৰিতো দেউৰী জনজাতিয়ে চাকি জ্বলায়। সবাহৰ দিনা এগৰাকী পিতৃ-মাতৃ বা স্বামী সন্তান জীৱিত থকা মহিলাৰ হতুৱাই নতুন জাকৈ নৈত বাই লখিমী নাম গাই আই লখিমীক আদৰি অনা হয়।

অভিবাসী অসমীয়া মুছলমান সমাজত কাতি বিহু ঃ কবি ইছমাইল হোছেইনে কৈছে ঃ 'প্ৰব্ৰজনৰ ইতিহাসৰ সংমিশ্ৰণ প্ৰক্ৰিয়াৰে গঢ় লৈ উঠা বৃহত্তৰ অসমীয়া জাতিৰ অন্যতম অঙ্গ হ'ল অভিবাসী অসমীয়া মুছলমানসকল। পূৰ্বে বাংলাদেশী আছিল যদিও অসমীয়া সংস্কৃতিৰ সৈতে একাত্ম হৈ এই জনগোষ্ঠীটোৱে অসমৰ সমাজ-সংস্কৃতিলৈ ব্যাপক অৰিহণা যোগাবলৈ সক্ষম হৈছে।

স্থান আৰু পাত্ৰ সাপেক্ষে অভিবাসী অসমীয়া মুছলমানসকলে 'কাতি বিহু'ক গাস্যিৰ দান', 'গ্যাসি জাগা', 'কাতি বিহু' বুলি কয়। অভিবাসী মুছলমান সমাজত কাতি মাহক 'মৰা কাতি' বুলি কোৱা হয়। এই অভাৱ-অনাটনৰ মাহটোত বেমাৰ-আজাৰো বেছি হয় কাৰণে মৰা কাতিক বিদায় জনাবলৈ অভিবাসী মুছলমান সমাজত দুটা প্ৰক্ৰিয়াৰ মাজেৰে কাতি বিহু পালন কৰা হয়। তাৰে এটাত সৰু ল'ৰা-ছোৱালী আৰু ডাঙৰসকল জড়িত হয়। এইটোৰ নাম গছকাটা কাতি বিহু। এই পৰ্বত ঘৰ আৰু ওচৰ-পাজৰৰ ল'ৰা-ছোৱালী গধূলিতে একেলগ হৈ জুইৰ চাকি হাতত লৈ ফল নিদিয়া গছৰ ওচৰলৈ যায়। বয়সিয়ালসকলে তেতিয়া গছডালৰ গুৰিত কটাত সৰু ল'ৰা-ছোৱালীহঁতে ৰাউচি জুৰি চিঞৰি বাধা দি কান্দে— 'কাইট'না, 'কাইট' না, আছ্বাবাৰ ফল দিব।' অৰ্থাৎ 'নাকাটিবা, নাকাটিবা! অহা বছৰ ফল দিব।' গছ কটা কামটো প্ৰতীকি অৰ্থত কৰা হয় বাবে বাধা প্ৰদান কৰাৰ পিছত কটা বন্ধ কৰা হয়। বাধা পাই গছ কটা বন্ধ কৰাৰ পিছত আটায়ে সমস্বৰে গীতো গায় আৰু এই পৰ্ব শেষ কৰি গোটাই থোৱা সামগ্ৰীৰে দ্বিতীয় পৰ্ব জাগ দিয়া আৰম্ভ কৰে।

বৈজ্ঞানিক দিশ ঃ কাতি বিহুত পথাৰত জ্বলোৱা শ শ চাকিৰ পোহৰত আকৃষ্ট হৈ খেতিৰ অনিষ্টকাৰী পোক-পৰুৱাবোৰ জুইত পৰি মৰে। তুলসীৰ দ্বাৰা নানা ৰোগ প্ৰতিৰোধক ঔষধ তৈয়াৰ কৰা হয়। চোতালত তুলসী ৰুলে পৰিবেশ নিৰ্মল হয় আৰু ই নানা ৰোগৰ বীজাণু নাশ কৰি মানুহক সুস্থ ৰাখে।

দুৰ্গা পূজা

দেৱী দুৰ্গা চৰাচৰ জগতৰ মাতৃস্বৰূপা। দুৰ্গা দেৱী হ'ল সৰ্বশক্তিৰ আধাৰ। তেওঁ আদ্যাশক্তি মহামায়া বিপদনাশিনী, বিশ্বশান্তি-কান্তি, প্ৰেম-প্ৰীতিৰ দাত্ৰী আৰু মংগলদায়িনী। মা দুৰ্গাৰ আন এটি নাম চণ্ডী। দেৱী সৃষ্টি কালত সৃষ্টিৰূপা, পালনত স্থিতিৰূপা, প্ৰলয় কালত সংহাৰৰূপা। এখন গ্ৰন্থত আছে দেৱীয়ে শাকম্ভৰী অৱতাৰেৰে দুৰ্গম নামৰ মহাসুৰক বধ কৰিব আৰু সেই কাৰণে দেৱীৰ নাম দুৰ্গা বুলি খ্যাত হ'ব—তত্ৰৈবচ বধিষ্যামি দুৰ্গামাগ্যং মহাসুৰম্/দুৰ্গা দেৱীতি বিখ্যাতং তন্মে নাম ভবিষ্যতি। প্ৰাচীন কালৰ পৰা দেৱী দুৰ্গা মানুহৰ মাজত পূজিত হৈ আহিছে। প্ৰাগ ঐতিহাসিক যুগত বৃন্দাবনৰ গোপীসকলে কাত্যায়নী দেৱীৰ পূজা কৰিছিল। কাত্যায়নী দেৱী দুৰ্গাৰ এটা ৰূপ। দুৰ্গা শক্তি সমন্বয়ৰ প্ৰতীক। দেৱী দুৰ্গাৰ পূজাৰ কথা আছে কেইবাখনো পুৰাণ শাস্ত্ৰত। নলবাৰী জিলাৰ গন্ধিয়া গাঁৱৰ আম্নিবাৰী সত্ৰৰ সত্ৰাধিকাৰ, শাস্ত্ৰজ্ঞ খগেন্দ্ৰনাথ দেৱগোস্বামীয়ে লিখিছে : 'শ্ৰী শ্ৰী দুৰ্গা দেৱী শক্তিৰ উৎস। শক্তি পূজাৰ প্ৰচলন অতি প্ৰাচীন। বেদাদিতো শক্তি পূজা প্ৰচলনৰ ইংগিত আছে। ঋকবেদ, ৰাত্ৰিসূক্ত, দেৱীসূক্ত আদি গ্ৰন্থত শক্তিবাদৰ প্ৰাধান্যতাৰ কথা আছে। বিভিন্ন তন্ত্ৰ-মন্ত্ৰাদিতো শক্তিৰ মহিমা বিকশিছে। ঋকবেদত দেৱী দুৰ্গাক বিশ্বদুৰ্গা, সিন্ধুদুৰ্গা, অগ্নিদুৰ্গা বুলি বৰ্ণনা কৰিছে। বৌদ্ধতন্ত্ৰতো কল্পতন্ত্ৰ আৰু সমাজতন্ত্ৰাদিত শক্তি পূজাৰ বৰ্ণনা দিয়া হৈছে। এনেদৰে দশ মহাবিদ্যা ৰূপত অৰ্থাৎ কালী, তাৰা, ষোড়শী, ভুৱনেশ্বৰী, ভৈৰৱী, ছিন্নমস্তা, ধূমাৱতী, বগলা, মাতংগী, কমলা ৰূপত চিৰপূজিতা হৈ আহিছে। জৈন ধৰ্মতো শক্তিবাদৰ কথা আছে। ৰাজপুতনাৰ আবু পাহাৰৰ চূড়াত শ্বেত প্ৰস্তৰৰ গাত জৈন দেৱীৰ বিভিন্ন মূৰ্তি খোদিত আছে। ইয়াত সৰস্বতী শাসন দেৱীৰূপে বিদ্যমান হৈছে। জৈন ধৰ্মগ্ৰন্থ ৰত্নসাগৰত সৰস্বতীক বিশ্বৰূপিণী বুলি অভিহিতা কৰিছে। শ্ৰীগুৰু গোবিন্দ সিংহৰ 'দশম বাদশাহ কি' গ্ৰন্থত আদ্যাশক্তিৰ স্তৱ আৰু ধ্যান আদিৰ বিৱৰণ দিছে। মহাভাৰতৰ ২৩শ অধ্যায়ত অৰ্জুনক কুৰুক্ষেত্ৰৰ যুদ্ধত জয়লাভৰ বাবে কৃষ্ণই প্ৰথমে দুৰ্গা দেৱীক প্ৰণাম আৰু প্ৰাৰ্থনা কৰিবলৈ দিয়ে। পাণ্ডৱসকলক ১২ বছৰৰ অজ্ঞাত বৰ্ষ পালনৰ সফলতাৰ বাবে দুৰ্গা দেৱীক স্তৱ কৰিবলৈ দিয়ে। বিভিন্ন শাস্ত্ৰ-তন্ত্ৰ আদিৰ পৰা এনেদৰে সিংহবাহিনী, বিশ্বপ্ৰদায়িনী, চিত্ৰশক্তিদায়িনী, দুৰ্গা দেৱীৰ অৰ্চনা, পূজাদি প্ৰচলিত হৈ আহিছে। 'দুৰ্গা' শব্দ

বিন্যাসৰ অৰ্থ এনেদৰে পোৱা যায়— 'দ্ + উ্ + ৰ্ + গ্ + আ = দুৰ্গা। 'দ'ই দৈত্যনাশক বুজাইছে। 'উ'ই বিঘ্ননাশ, 'ৰ'ই ৰোগনাশ 'গ'ই পাপনাশ, 'আ'ই ভয়নাশ বা শত্ৰুনাশক বুজায়। এওঁ দুৰ্জেয়া বাবে 'দুৰ্গা' নাম লৈছে। গতিকে উল্লেখ কৰিব পাৰি যে দুৰ্গাই জীৱজগতৰ দুৰ্গতি নাশ কৰি মংগল সাধন কৰে। ইয়াক এই প্ৰকাৰেও ক'ব পাৰি যে দুৰ্গা শব্দৰ অৰ্থ অনেক ৰূপত পোৱা যায়। যেনে—যিয়ে মহাবিঘ্নি, ভয়বন্ধন, শোক, দুখ, তাপ, নৰক, কুকৰ্ম, সমদণ্ড, মহাভয়, ত্ৰাস আদি নাশ কৰে তেওঁকেই 'দুৰ্গা' বোলে। পৰৱৰ্তী যুগত দুৰ্গা দেৱীৰ অৰ্চনা অনেক বৃদ্ধি হৈ পৰে। বিভিন্ন শাস্ত্ৰসমূহ যেনে—মাৰ্কণ্ডেয় পুৰাণ, দেৱী ভাগৱত, কালিকাপুৰাণ, মৎস্যপুৰাণ, মহাভাৰত আদিয়ে দুৰ্গাৰ শক্তিৰ বিষয়ে উল্লেখ কৰিছে। 'মাৰ্কণ্ডেয় পুৰাণ'ৰ অন্তৰ্গত 'শ্ৰী শ্ৰী চণ্ডী' খণ্ড শ্ৰী শ্ৰী দুৰ্গা দেৱীৰ শক্তি মাহাত্ম্যৰ বাবে প্ৰসিদ্ধ। উক্ত শাস্ত্ৰৰ মতে দেৱী দুৰ্গা সমগ্ৰ দেৱতাৰ শক্তি সমুদ্ভৱা 'সমস্ত দেৱানাং তেজ্যোৰাশি সমুদ্ভৱাম।' মহিষাসুৰৰ অত্যাচাৰ মোচনৰ অৰ্থে সকলো দেৱতাবৃন্দ একত্ৰিত হৈ বিষ্ণুক স্তৱ স্তুতিৰে বন্দনা কৰি দেৱী দুৰ্গাক সৃষ্টি কৰে। সৰস্বতী, যোগমায়াস্বতী, মেধা, ধৃতি আদি এহেজাৰ আঠৈটালৈ দেৱীৰ গুণবাচক নাম পোৱা যায়। 'কালিকাপুৰাণ'ৰ অন্তৰ্গত ধ্যান অনুসৰি দেৱী দুৰ্গা দশভুজা, ত্ৰিনয়নী, সিংহবাহিনী, তপ্তকাঞ্চলবৰ্ণাভা, অৰ্ধেন্দুকৃত শেখৰা, নৱযৌৱনসম্পন্না, সৰ্বাভৰণভূষিতা, মহিষাসুৰমৰ্দিনী ইত্যাদি। সমগ্ৰ ভাৰতবৰ্ষ জুৰি পালন কৰা এই দুৰ্গা পূজা আৰু ইয়াৰ বিভিন্ন ৰূপৰ বিষয়ে তলত চমু আলোচনা কৰা হ'ল ঃ

কামাখ্যাৰ দুৰ্গা পূজা ঃ ৰূপলেখা দেৱীয়ে এই সম্পৰ্কে লিখিছে ঃ 'প্ৰাগ ঐতিহাসিক কালৰে পৰা শক্তিৰ আৰাধনা স্থল হিচাপে কামাখ্যা ধামে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে।' 'কামাখ্যা কামসম্পন্নে কামেশ্বৰী হৰিপ্ৰিয়ে/কামনাং দেহি মে নিত্যং কামেশ্বৰী নমোবস্তুতে//' কামাখ্যাত কামাখ্যাৰ বা নীল পাৰ্বতীৰ বা দুৰ্গাৰ আৰাধনা হয়। কালিকাপুৰাণৰ বৰ্ণনাৰ সূত্ৰ ধৰি ড° বাণীকান্ত কাকতিয়ে তেওঁৰ বিখ্যাত পুথি 'দি মাডাৰ গডেছ কামাখ্যা'ত দেৱীৰ চাৰিটা ৰূপ ভাগ কৰি দেখুৱাইছে— মাতৃৰূপী কামাখ্যা, পত্নীৰূপী পাৰ্বতী, কুমাৰী ত্ৰিপুৰাৰী আৰু সংহাৰৰূপিণী কেঁচাইখাতী তাম্ৰেশ্বৰী। সেয়ে দুৰ্গাৰ আৰাধনাৰ মুখ্যস্থান হিচাপে কামাখ্যাৰ নাম ল'ব লাগিব। অৱশ্যে কোৱা হয় যে মহাদেৱেও সতীৰ স্নেহাৱশতঃ স্বয়ং লিংগৰূপে ইয়াত অৱস্থান কৰে। কামাখ্যাত দুৰ্গা পূজা ১৫ দিনীয়াকৈ পালন কৰা হয়। কৃষ্ণ নৱমী তিথিৰ পৰা শুক্লা দশমী তিথিলৈ পূজা চলে। এই কালছোৱাক 'নৱম্যাদি কল্পাৰম্ভ' বোলে। পূজাৰ বাবে পাঁচজন মুল পূজাৰী ব্ৰতী হয়। তেওঁলোকৰ ভিতৰত প্ৰধান

পূজাৰীজন হোৱাৰ অধিকাৰ কামাখ্যাৰ বুঢ়া বৰপূজাৰী আৰু ডেকা পূজাৰী পৰিয়ালৰ জ্যেষ্ঠ শাস্ত্ৰজ্ঞ ব্যক্তিজনেহে পায়। তেওঁক সহায় কৰা আন চাৰিজন পূজাৰী হ'ল ক্ৰমে বিধি পাঠক, হোঁতা (যিজনে হোমকাৰ্য কৰে), ব্ৰহ্মা (যিজনে হোম কৰে) আৰু চণ্ডী পাঠক। পূজাৰ ১৫ দিন এই ব্যক্তিকেইজনে মন্দিৰতে ব্ৰত পালন কৰি থাকে। তেওঁলোকৰ এই সময়ছোৱাত ঘৰৰ স'তে সম্পৰ্ক নাথাকে। সপ্তমী, অষ্টমী, নৱমী তিথিৰ দিনা ৫২ জন ব্ৰাহ্মণ জপত ব্ৰতী হয়। মূল পূজাৰ তিনি দিন ত্ৰিকালীন পূজা হয়। প্ৰাতঃ, মধ্যাহ্ন আৰু সাহ্নিম্ন তিনিও বেলাতে দেৱীক বলি আৰু ভোগ প্ৰদান কৰা হয়। দুৰ্গা পূজাৰ সপ্তমী, অষ্টমী, নৱমী তিথিত পূজা আৰম্ভ কৰা হয় মহাস্নান পৰ্বৰে। এই মহাস্নানৰ বাবে বিভিন্ন দুষ্প্ৰাপ্য দ্ৰব্যৰ প্ৰয়োজন। মহাস্নানৰ নিৰ্মালিক মহাঔষধি জ্ঞান কৰি সকলো ভক্তই সংগ্ৰহ কৰে। কামাখ্যাৰ দুৰ্গা পূজাত কোনো মূৰ্তি স্থাপন কৰা নহয়। পূজাৰ সময়ত দুৰ্গাৰ চিত্ৰ অংকিত কৰি মন্দিৰৰ ভিতৰত স্থাপন কৰা হয় আৰু দশমীৰ দিনা 'মাত্ৰাৰ পূজা' কৰি পটখন ব্ৰহ্মপুত্ৰত বিসৰ্জন দিয়া হয়। দুৰ্গা পূজাৰ সময়ছোৱাত কামাখ্যাৰ প্ৰত্যেক গৃহতে দেৱীৰ অৰ্চনা কৰা হয়। তেওঁলোকে নিজৰ গৃহত ঘট স্থাপন কৰি দেৱীৰ পূজা কৰে। দশমীৰ দিনা সেই ঘটসমূহ মন্দিৰৰ পুখুৰীলৈ আনি বিসৰ্জন দিয়ে।'

কামাখ্যাত দুৰ্গা পূজাৰ সময়ত কুমাৰী পূজা হয়। কুমাৰী পূজা প্ৰকৃতাৰ্থত অতি উচ্চ পৰ্যায়ত অধিষ্ঠিত সাধকৰ কাৰণেহে ব্যৱস্থিতা। এই পূজাৰ সময়ত দেৱীৰ ৰূপ আৰু শক্তি সম্পূৰ্ণৰূপে কুমাৰীত আৰোপ কৰি সাধ্য তদগদচিত্ত হয়। কুমাৰী পূজাৰ বিষয়ে ড° হৰিনাথ শৰ্মা দলৈয়ে লিখা 'অসমত শক্তি-সাধনা আৰু শক্তি-সাহিত্য' গ্ৰন্থত আছে : 'কুমাৰী পূজাৰ উৎপত্তি সম্বন্ধে যোগিনীতন্ত্ৰই এই আখ্যান দাঙি ধৰিছে—বিষ্ণুৰ বক্ষস্থলৰ পৰা এসময়ত কোলা নামৰ এটা দুৰ্দান্ত অসুৰৰ জন্ম হয়। দৈত্যই স্বৰ্গ-মৰ্ত্য জয় কৰি দেৱগণক উৎপীড়ন কৰে। দৈত্য-পীড়াৰ পৰা ৰক্ষা পোৱাৰ উদ্দেশ্যে দেৱগণে মহাকালীৰ উপাসনা কৰে। মহাকালীয়ে তেতিয়া এজনী বিপ্ৰ কুমাৰীৰ ৰূপ লৈ দৈত্যৰ ওচৰত কিবা কিবি বিচাৰে। কুমাৰীৰ ৰূপ-মাধুৰ্যত মুগ্ধ হৈ দৈত্যই মিষ্ট দ্ৰব্য কিছুমান তেওঁক দিয়ে। সেইবোৰত কিন্তু কুমাৰীৰ ক্ষুধা নিবৃত্তি নহ'ল। তেওঁ দৈত্যৰ ঘোঁৰা, হাতী, ৰথ, সৈন্য-সামন্ত আদি সকলোবোৰ এবিধ এবিধকৈ ভক্ষণ কৰি শেষত দৈত্যকো গিলিলে। দৈত্যৰ মৃত্যুত দেৱগণ আনন্দত আত্মহাৰা হয়, গন্ধৰ্বগণে নাচে আৰু কিন্নৰসকলে গান গায় আৰু সকলোৱে লগ হৈ কুমাৰীক পূজা কৰে। পাছত কুমাৰী হঠাতে অন্তৰ্ধান হয়। তেতিয়াৰ পৰা সকলোৱে নিজ নিজ ঘৰত কুমাৰী পূজা কৰিবলৈ আৰম্ভ কৰে। আকৌ যোগিনীতন্ত্ৰত কোলা

হৈছে যে চৈত্ৰবংশীয় ৰজা বিশ্বম্ভৰে বেশ্যাকুলোদ্ভবা কাঞ্চী নামৰ কুমাৰীক পূজা কৰি মুক্তি পায়। যি ঠাইত কাঞ্চী কুমাৰীৰ পূজা হৈছিল সেই ঠাইখনৰ নাম হয় কাঞ্চীনগৰ। ই পুণ্য স্থানত পৰিণত হয়। উক্ত তন্ত্ৰত লগতে পোৱা যায় কাম্পিল্ল নামৰ কোনো লোকে প্ৰাচীন কালত কুমাৰী পূজা কৰে। যি ঠাইত তেওঁ এই পূজা কৰিছিল সেই ঠাই পৰম পবিত্ৰ হৈ উঠে। নাম হয় 'কাম্পিল নগৰ।' তেতিয়াৰ পৰা কুমাৰী শিলাৰূপে তাত অৱস্থিতা হৈছে। এজনী কুমাৰীক পূজা কৰিলে পূজকে সকলো দেৱ-দেৱী পূজাৰ ফল পায়। কুমাৰী পূজাৰ যোগেদি সাধকে সিদ্ধি লাভ কৰে, তেওঁৰ শৰীৰ কাঞ্চননিভ হয়। তেওঁ ইচ্ছানুসৰি সকলো ৰূপ ধাৰণ কৰিব পাৰে আৰু স্বৰ্গ-মৰ্ত্য-পাতাল সকলো ঠাইত ভ্ৰমণ কৰিব পাৰে। দেৱ-দানৱ-গন্ধৰ্ব কিন্নৰাদি সকলোৱে তেওঁক সেৱা কৰে। শেষত তেওঁ নিৰ্বাণ লাভ কৰে। কোন সময়ৰ পৰা কুমাৰী পূজা কামাখ্যা পূজাৰ অংগ হিছাপে অন্তৰ্ভুক্ত হ'ল তাক সঠিকভাৱে জনা নাযায়। অনুমান কৰা যায় অসমত কুমাৰী পূজাৰ উৎপত্তি খ্ৰীষ্টীয় ১১ শতিকাৰ আগত নহয়, কিন্তু সেইবুলি ১৪ শতিকাৰো পাছত নহয়।' দুৰ্গা পূজাৰ সময়ত পুৰা মুখ্য পূজাৰীয়ে কুমাৰী পূজা কৰে। প্ৰতিপদ তিথিৰ দিনা এগৰাকী, দ্বিতীয় দিনা দুগৰাকী, এনেদৰে নৱমীলৈ সৰ্বমুঠ ৪৫ গৰাকী কুমাৰীক পূজা কৰা হয়। দেৱীয়ে কুমাৰী ৰূপত শিশু কন্যাসকলৰ লগত মন্দিৰ প্ৰাংগণত খেলি ফুৰে বুলি জনবিশ্বাস প্ৰচলিত আছে। বৰ্তমান দুৰ্গা পূজাৰ লগতে বহুতো পৰিয়ালত বিশেষকৈ তিৰোতাৰ দ্বাৰা কুমাৰী পূজা লৌকিক প্ৰথাৰে কৰা হয়।

বিল্লেশ্বৰ দেৱালয়ৰ দুৰ্গা পূজাৰ স্বকীয় ৰূপ নলবাৰী জিলাৰ বেলশৰৰ অন্তৰ্গত বিল্লেশ্বৰ দেৱালয়। সুদূৰ তাহানিতে নাগাক্ষ ৰজাই এই দেৱালয় স্থাপন কৰে। এই দেৱালয়ৰ দুৰ্গা পূজাৰ বিশেষত্ব সম্পৰ্কে দেৱালয়ৰ তিথিকৰ গন্ধিয়া নিবাসী প্ৰতীক শৰ্মাই আমাক কয় ঃ 'বিল্লেশ্বৰ দেৱালয়ত দুৰ্গা পূজাত ৰামকলত পাটৰ কাপোৰ মেৰিয়াই দুৰ্গা দেৱীৰূপে পূজা কৰা হয়। দেৱীৰ ওপৰত ছত্ৰ, চন্দ্ৰতাপ থাকে। পূজাৰ তিথি, বিধান, বৈদিক কৰ্মৰ বিধান দিয়ে গন্ধিয়াৰ সূৰ্য বিপ্ৰই। নাগাক্ষ ৰজাই দেৱালয় স্থাপনৰ কালত মন্দিৰৰ পূজা-অৰ্চনাৰ কাৰণে অনা গুৱাহাটীৰ শুক্ৰেশ্বৰ দেৱালয়ৰ ভীমসেন ব্ৰাহ্মণৰ বাসস্থান আছিল গন্ধিয়া গাঁও, তেতিয়াৰে পৰা এতিয়ালৈ গন্ধিয়াৰ সূৰ্য বিপ্ৰই (ভীমসেন ব্ৰাহ্মণৰ বংশধৰ) দুৰ্গা পূজাৰ তিথি, পূজা কৰ্মৰ বিধান দিয়াৰ লগতে পূজা কৰ্মত অংশগ্ৰহণ কৰি আহিছে। পূজাৰ বিভিন্ন কৰ্মত সহায় কৰা লোকৰ বসতিৰে বেলশৰৰ চুবাবোৰত নামকৰণ কৰা হৈছিল তাহানিতে। যেনে—পূজাত মালা যোগান ধৰা লোকসকলে বাস কৰা ঠাইৰ নাম মালাকৰ চুবা,

পাট যোগান ধৰা লোকসকল বাস কৰা ঠাইৰ নাম পাটোৰাৰী চুবা আদি। বিশেষকৈ দুৰ্গা পূজাত ম'হ বলিৰ লগতে ছাগলী, হাঁহ, পাৰ, কোমোৰা, কচু আদি বলি দিয়া হয়।

আইলা পূজা : দুৰ্গা পূজাৰ কেইদিনৰ নৱমী তিথিত উত্তৰ কামৰূপৰ স্থান বিশেষে গাভৰু তিৰোতা মিলি উদ্‌যাপন কৰা দেৱীৰ লৌকিক পূজাই আইলা পূজা। এই পূজাক 'আউলা' পূজা নামেৰেও জনা যায়। সাহিত্যিক ড° হেমন্ত কুমাৰ শৰ্মাই 'আইলা' শব্দটোৰ ব্যুৎপত্তি দেখুৱাইছে তিনি প্ৰকাৰে—ইয়াৰে প্ৰথম প্ৰকাৰৰ তেওঁ সংস্কৃত 'অন্‌দিকা' শব্দৰ পৰা অহা 'আৰিয়া (পোহৰ)' শব্দই মানুহৰ মুখত পৰি 'আইলা' হৈছে বুলি কয়। দ্বিতীয়তে সিঁচৰতি হৈ থকা অথবা ভাগৰি পৰা অৰ্থতো 'আইলা' ব্যৱহাৰ হ'ব পাৰে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে আইলা পূজাৰ দিনা দেৱী পূজা সপ্তমীৰ পিনে আগবাঢ়ে। তৃতীয়তে 'আকুলা' এই শব্দৰ পৰাও 'আইলা' শব্দ আহিব পাৰে।

আইলা পূজাত অংশগ্ৰহণ কৰে গাভৰু তিৰোতাসকলে নামঘৰৰ সন্মুখত নাইবা এঘৰ মানুহৰ চোতালত দেৱী পূজাৰ অৰ্থে চাৰিকোণীয়া বেদী এখন সাজি, মচি তাত মণ্ডল আঁকে। বেদীটোৰ চাৰিওকোণত চাৰিটা কলপুলি কই ৰচি মেৰুৱাই তাত ৰং-বিৰঙৰ ফুলৰ মালা, কাপোৰ ওলোমাই থয়। আইলা পূজাৰ প্ৰতিমা হ'ল এটি মজু। মজুটোক বেদীত ৰাখি দুৰ্গাদেৱীৰূপে কল্পনা কৰি নৈবেদ্য, ফুল, তুলসী, ধূপ-ধূনাৰে পূজা আগবঢ়ায়।

আইলা পূজাৰ উদ্দেশ্য হ'ল সুনিপুণা শিপিনী হোৱা আৰু মনোমত দৰা লাভ কৰা। এই পূজা উপলক্ষে অবিবাহিতা ছোৱালীসকলে ৰাতিপুৱা ফুল-তুলসী তুলি বেলি হোৱাৰ লগে লগে পূজাৰ যোগাৰত লাগে। পূজাৰ সামগ্ৰীৰূপে যঁতৰ, নেওথনি আদিও আগবঢ়োৱা হয়। 'দুৰ্গা পূজাৰ সময়ত বাঘেশ্বৰী পূজা হোৱা উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয় প্ৰাংগণত সীতাৰ তাঁত-শালৰ চিহ্ন আছে। নতুন শিপিনীয়ে তাত পূজা আগবঢ়াইহে কাপোৰ শালত লগায় (উৎস তথ্যপুস্তিকা : 'প্ৰাগজ্যোতিষৰ জ্যোতি শ্ৰী শ্ৰী দীৰ্ঘেশ্বৰী')। আইলা পূজাত গোৱা আইনাম আছে। নিশা সূতা কাটি গোৱা এই গীতক 'আউলা পূজাৰ নাম' কোৱা হয়। এনে এটি গীতৰ কিয়দংশ হ'ল—ঘোষা—'আই নাৰায়ণী সিংহবাহিনী পূজা লোৱা ঠাকুৰণী হে/মা হে নাৰায়ণী সিংহবাহিনী, পূজা লোৱা ঠাকুৰণী হে//পদ-অঞ্জলি অঞ্জলি দিছে পুষ্পাঞ্জলি/দেৱী আইৰ চৰণত তল হে, মাই হে নাৰায়ণী/আকাশত দেৱে পূজে, পাতালত নাগে/পৃথিৱীত মনুষ্যে পূজে নানান ভক্তিভাৱে/নাজানিলো স্তুতি-ভক্তি এ নাজানিলো ভাব/এখন্তেক তুষ্ট হ'বা ভাগৱতী মাৱ//' এই আইনাম সম্পৰ্কত ড° বৈকুণ্ঠ ৰাজবংশীয়ে লিখিছে : 'আইনামবোৰৰ অধিকাৰী দেৱী 'অম্বিকা চণ্ডিকা ভবানী

কালিকা' বা শীতলা হ'লেও এই আটাইবোৰ নামে একেটাই মাথোঁ অৰ্থ সূচনা কৰে, সেয়া হ'ল দেৱী পাৰ্বতী। সেইবাবে পাৰ্বতীকেই আইনামবোৰৰ অধিষ্ঠাত্ৰী দেৱী বুলি ক'ব পাৰি। আইনামবোৰৰ মাজেদি অসমীয়া সমাজ জীৱনৰ ঘৰুৱা চিত্ৰ প্ৰকাশ পোৱাৰ লগতে অসমীয়া জাতীয় বৈশিষ্ট্যও সুন্দৰকৈ ফুটি উঠিছে। আইনামবোৰ মূলতঃ ভক্তিমূলক প্ৰশস্তি গীত হ'লেও ই একেবাৰে সাহিত্যিক গুণবিবৰ্জিত ৰচনা নহয়। গীতবোৰৰ মাজত থকা কল্পনাৰ বৈচিত্ৰ্য, ভাষাৰ লালিত্য আৰু প্ৰকাশভংগীৰ স্বচ্ছতাই ইয়াৰ সাহিত্যিক সৌন্দৰ্য বহু পৰিমাণে বঢ়াই তুলিছে। সেয়ে অনুভৱৰ আন্তৰিকতা আৰু আত্মনিবেদনৰ ভাব প্ৰকাশি উঠা আইনামবোৰে ভাল কবিতা বুলিও দাবী কৰিব পাৰে।'

শবৰোৎসৱ ঃ

দাক্ষিণাত্যৰ আদিম জাতি শবৰসকলে প্ৰবৰ্তন কৰা বাবে এই উৎসৱৰ নাম হয় 'শবৰোৎসৱ'। দুৰ্গা পূজাৰ বিজয়া দশমীৰ দিনা দেৱী দুৰ্গাক বিসৰ্জন দিয়া কালত এই উৎসৱৰ আয়োজন কৰা হয়। 'অসমীয়া সংস্কৃতিৰ কণিকা' গ্ৰন্থত আছে ঃ পুৰাণাকাৰে লিখিছে—বিজয়া দশমী তিথিত শ্ৰৱণা নক্ষত্ৰৰ অন্তিম পাদত শবৰোৎসৱেৰে স'তে দেৱীক পানীত বিসৰ্জন দিব। সুবেশ, কুমাৰী, বেশ্যা আৰু নৰ্তক কিছুমান লগত লৈ নানা বিধ ধ্বজ আৰু বস্ত্ৰ উৰাই, আখৈ, ফুল প্ৰভৃতি সিঁচৰতি কৰি, ধূলি-বোকা ছটিয়াই, ক্ৰীড়া-কৌতুক আৰু মংগলাচৰণৰ লগে লগে স্ত্ৰী-পুৰুষৰ গুপ্তাংগৰ নাম কৈ গীত গাই জনসাধাৰণে প্ৰভূতভাবে ধেমালি কৰিব লাগে। বংগদেশৰ স্মৃতি নিবন্ধকাৰ শূলপাণিয়ে দুৰ্গোৎসৱ বিবেকত শবৰোৎসৱ পালনৰ নিৰ্দেশ দিছে। স্মৃতিশাস্ত্ৰকাৰ ৰঘুনন্দনৰো সেই একেই নিৰ্দেশ—'সংপূজ্য প্ৰেষণং কুযাৎ দশমাং শাবৰোৎসবৈ।' (তিথি-২৮ তত্ত্বম) বৃহদ্ধৰ্মপুৰাণত অশ্লীল সংগীতেৰে শবৰোৎসৱ পালনৰ বিধান দিছে—'ভগালিংগাভিধানৈশ্চ শৃংগাৰ বচনৈস্তথা গানংকাৰ্য্যম। (২২।৩৩) ড° জীতেন্দ্ৰনাথ বন্দোপাধ্যায় ডাঙৰীয়াই পাঞ্চোপাসনা গ্ৰন্থত (পৃষ্ঠা-২৮৪) মেৰুতন্ত্ৰৰ পৰা শ্লোকচয়ন কৰি দেখুৱাইছে যে বামাচাৰী তন্ত্ৰ সাধনাত পাঁচটি শাখাৰ অন্যতম হ'ল শাবৰমাৰ্গ। এই উৎসৱ বংগদেশৰ পাল নৃপতিমণ্ডলীৰ ৰাজত্ব কাললৈ প্ৰচলিত আছিল। নদীয়াৰ মহাৰজা কৃষ্ণচন্দ্ৰয়ো দুৰ্গোৎসৱৰ সামৰণিত আত্মীয়-স্বজনসহ শবৰোৎসৱ পালন কৰা বুলি শুনা যায়।'

ব্যাঘ্ৰেশ্বৰীৰ পূজা ঃ

উত্তৰ গুৱাহাটীৰ শ্ৰীশ্ৰী দীৰ্ঘেশ্বৰী দেৱালয়ত শাৰদীয় দুৰ্গা পূজাৰ সময়ত

ব্যাঘ্ৰেশ্বৰী দেৱী পূজিত হয়। বঙাইগাঁৱৰ বাঘ্ৰেশ্বৰী মন্দিৰটো দশভূজা দুৰ্গাদেৱী পূজিত হয়। দেৱী বাঘ্ৰেশ্বৰী চতুৰ্ভুজা আৰু সিংহবাহিনী। উল্লেখযোগ্য যে সংস্কৃত 'ব্যাঘ্ৰ' শব্দই 'সিংহ'কো বুজায়। সেইবাবে বোধ হয় এইগৰাকী সিংহবাহিনী দেৱীৰ নাম 'ব্যাঘ্ৰেশ্বৰী'। দেৱী দুৰ্গাৰো বাহন সিংহ। গতিকে হয়তো ব্যাঘ্ৰেশ্বৰী দেৱী দুৰ্গাৰে এটা ৰূপ। সেইবাবে উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়ত দুৰ্গা পূজাৰ সময়ত ব্যাঘ্ৰেশ্বৰী দেৱী পূজিত হয় আৰু বঙাইগাঁৱৰ ব্যাঘ্ৰেশ্বৰী মন্দিৰত দুৰ্গা নিতৌ পূজিত হয়। 'অসমীয়া লোক-সংস্কৃতিৰ আভাস' গ্ৰন্থত আছে ঃ 'বঙাইগাঁও নগৰৰ পূব-দক্ষিণ কোণত অৱস্থিত ব্যাঘ্ৰেশ্বৰী দেৱালয়ত দেৱীৰ প্ৰতীক তৰোৱাল এখন সিংহাসনৰ ওপৰত ৰখা হৈছে। ইয়াত দেৱীৰ নিজ পূজা অনুষ্ঠিত হয়। পূজাৰীসকলক দেউৰী বোলে। পূজাৰীসকল ব্ৰাহ্মণ নহয় ৰাজবংশীহে। ব্যাঘ্ৰেশ্বৰী দেৱালয়ৰ ওচৰতে ব্যাঘ্ৰেশ্বৰী পাহাৰ অৱস্থিত আৰু ইয়াৰ ওচৰতে আছে ব্যাঘ্ৰেশ্বৰীডোবা। গুৱালকুছিৰ সিদ্ধেশ্বৰ দেৱালয়ৰ পশ্চিমে বাৰবিত্তি মৌজাত ব্যাঘ্ৰেশ্বৰী দেৱীৰ পীঠ অৱস্থিত। বৰ্তমানৰ বৰপেটা জিলাৰ বাঘবৰ পাহাৰত ব্যাঘ্ৰেশ্বৰী দেৱীৰ প্ৰতীক এটি শৈলস্তম্ভ বিৰাজমান। এই স্তম্ভটো দীঘলে প্ৰায় ৭৫ ছেঃ মিঃ। স্তম্ভটোৰ গাত থকা সৰু বিন্ধাটোত সেন্দূৰৰ ফোট দি ব্যাঘ্ৰেশ্বৰী দেৱীক পূজা কৰা হয়। নলবাৰী চহৰৰ পৰা প্ৰায় ১৫ কিঃ মিঃ দক্ষিণত অৱস্থিত ব্যাঘ্ৰেশ্বৰী থানত বলি-বিধানেৰে পূজা কৰা হয়। মিৰ্জাৰ পাহাৰৰ পূব দিশত অৱস্থিত সন্তোলা গাঁৱৰ ওচৰতে ব্যাঘ্ৰেশ্বৰী বা বাগেশ্বৰী থানত কছাৰীসকলে বলি-বিধানেৰে পূজা কৰে। আন লোকেও পূজা কৰে। চৰাইবাহা গাঁৱৰ হাবিয়নি এডৰাৰ মাজত থকা শালগছ এজোপাৰ তলত থকা এচটা শিলক ব্যাঘ্ৰেশ্বৰী দেৱীৰ প্ৰতীকৰূপে পূজা কৰাৰ পৰম্পৰা প্ৰচলিত। ৰাভাসকলৰ মতে এই শিলচটা আপোনা-আপুনি হোৱা। শিলচটাৰ কাষতে আছে এপাট ত্ৰিশূল। দেউৰী আৰু গৰখীয়া উভয়ে ব্যাঘ্ৰেশ্বৰী পূজা সম্পাদন কৰে।'

উত্তৰ গুৱাহাটীৰ ওচৰৰ দীৰ্ঘেশ্বৰী মন্দিৰত দুৰ্গা পূজাত ব্যাঘ্ৰেশ্বৰী দেৱী পূজিত হয়। ব্যাঘ্ৰেশ্বৰী দেৱীয়েই দীৰ্ঘেশ্বৰী দেৱীৰূপে আত্মপ্ৰকাশ কৰিছে। এই দেৱালয়ৰ ওচৰতে তাহানিতে আছিল মহৰ্ষি মাৰ্কণ্ড মুনিৰ আশ্ৰম। মাৰ্কণ্ড মুনি সম্পৰ্কে প্ৰচলিত পৌৰাণিক আখ্যান মতে তেওঁ হ'ল পৰম তপস্বী মৃকেন্দু মুনি আৰু তেওঁৰ পত্নী সুতুপাৰ পুত্ৰ। মুনিয়ে আশ্ৰমবাসী জীৱনত সন্তান কামনা কৰা নাছিল যদিও পত্নীয়ে কৰিছিল। পত্নীয়ে পুত্ৰ লাভৰ বাবে পাৰ্বতীক তপস্যা কৰিছিল। সন্তান এটি হ'ল যদিও বিধাতাই আয়ুস লিখিলে মাত্ৰ ১২ বছৰ। মুনিৰ নিৰ্দেশত মাৰ্কণ্ডই অল্পায়ুনাশৰ কাৰণে মহাদেৱক তপস্যা কৰি থাকোতে ১২ বছৰীয়া জীৱনৰ অন্তিমটো

দিন আহি উপস্থিত হ'ল। নিৰ্দিষ্ট দিনটোত মাৰ্কণ্ডৰ প্ৰাণ নিবলৈ যমদূত আহে যদিও শিৱৰ করুণা লাভৰ হেতু নিব নোৱাৰিলে। তেওঁ শিৱ-পাৰ্বতীৰ বৰত চিৰঞ্জীৱী হয়। পাৰ্বতীয়ে মাৰ্কণ্ডক সুধিলে—'বাচা! তোমাক কি বৰ লাগে।' মাৰ্কণ্ডই কয়— 'আই! মোক এনে বৰ দিয়া যাতে মই পৃথিৱীত তোমাৰ গুণানুকীৰ্তন যুগমীয়া কৰিব পাৰো।' পাৰ্বতীয়ে—'সেয়ে হ'ব' বুলি কয়। পাছত মাৰ্কণ্ডই পাৰ্বতীক অনুসন্ধান কৰি পাৰ্বতীৰ মূলক্ষেত্ৰ কামৰূপ কামাখ্যা পায়। মাৰ্কণ্ডই ইয়াতে পাৰ্বতীক পুনৰ সান্নিধ্য লাভ কৰি পাৰ্বতীৰ গুণ-কীৰ্তনৰ পৰিকল্পনা হাতত ল'লে। দেৱীয়ে মাৰ্কণ্ডৰ আগত দেখা দি অন্তৰ্ধান হোৱাৰ পাছত শিলত ৰোৱা দেৱীৰ পদযুগল বৰ্তমান শ্ৰীশ্ৰী দীৰ্ঘেশ্বৰী মন্দিৰৰ ওচৰত এক মণ্ডপৰ তলত আছে। আকৌ সন্মুখত তিনিটা শিৱপীঠ স্থ্লে মাৰ্কণ্ডে বহা ঠাইতো চিন আছে।

মহৰ্ষি মাৰ্কণ্ডই দেৱীৰ গুণ-গৰিমা প্ৰকাশৰ হেতু 'মাৰ্কণ্ড পুৰাণ' লিখে। এই পুৰাণক মহাভাৰতৰ ভাষ্যটীকাৰূপেও গণ্য কৰা হয়। এই মাৰ্কণ্ড পুৰাণৰ ৭০০ শ্লোকৰ 'চণ্ডী' কাব্যই আত্মপ্ৰকাশ কৰিছে। 'প্ৰাগ্জ্যোতিষৰ জ্যোতি শ্ৰীশ্ৰী দীৰ্ঘেশ্বৰী' তথ্য পুস্তিকাত আছে ঃ 'সেয়ে আমি নদি ক'ব পাৰো যে, মাৰ্কণ্ডেয়ৰ দীৰ্ঘেশ্বৰী আশ্ৰমখন চণ্ডীবৰ্ণনাৰ এক আদৰ্শক্ষেত্ৰ আছিল। আজি জগতত দেৱী দুৰ্গাৰ মাহাত্ম্য এই চণ্ডী গ্ৰন্থই ছন্দপূৰ্ণ কাব্য ব্যঞ্জনাৰে মানৱাত্মাৰ চণ্ডিকা দেৱী প্ৰতীক সুহৃদ ভেটিত প্ৰতিষ্ঠা কৰিছে—'ওঁ সৰ্বমংগলমংগল্যে শিৱে সৰ্বৰ্থসাধকে/শৰণ্যেত্ৰ্যম্বকে গৌৰী নাৰায়ণী নমোস্তুতে/'...... 'সৰ্ব ৰূপময়ী দেৱী সৰ্বংদেৱীময়ংজগৎ/অতো হহং বিশ্বৰূপা তাং নমামি 'পৰমেশ্বৰীম/' ব্যাঘ্ৰেশ্বৰীৰ পূজাত বাঘো পূজিত হয়। কিছুমান ঠাইত ব্যাঘ্ৰেশ্বৰৰ পূজাও হয়।

জগদ্ধাত্ৰীৰ পূজা ঃ জগতৰ জীৱকুলৰ পালনকৰ্ত্ৰী জগতজননী দুৰ্গা দেৱী হোৱা বাবে তেওঁৰ আন এটা নাম হৈছে জগদ্ধাত্ৰী দেৱী। ড° নাৰায়ণ দাসে লিখিছে ঃ 'মাৰ্কণ্ডেয় চণ্ডী'ত জগদম্বা দুৰ্গাৰ নামান্তৰৰূপে জগদ্ধাত্ৰীৰ আমোল্লেখ হৈছে। শৈল কিম্বা ধাতব প্ৰতিমা প্ৰাপ্তিৰ প্ৰমাণৰ ভেটিত অনুমান কৰিব পাৰি যে আলোচিত দেৱীগৰাকীৰ পূজা-অৰ্চনা ভাৰতৰ অন্যান্য প্ৰান্তৰতকৈ উত্তৰ-পূব ভূ-ভাগতহে অধিক জনপ্ৰিয়। পুৰণি অসমত দেৱীগৰাকীক মহিষমৰ্দিনীৰ স'তে একেলগে পূজিছিল নে ভিন্নভাৱে অৰ্চনা কৰা হৈছিল, তাক ধাটাংকৈ কোৱা টান। তেজপুৰৰ বামুণী পাহাৰৰ ধ্বংসাবশেষৰ পৰা অৰ্ধ ভগ্ন জগদ্ধাত্ৰী দেৱীৰ শৈল প্ৰতিমা এখনি আনি ৰাজ্যিক সংগ্ৰহালয়ত ৰখা হৈছে। নগাঁৱৰ বসুন্ধৰা থানৰ চতুৰ্ভুজা জগদ্ধাত্ৰীৰ শৈল প্ৰতিমাখনিও প্ৰাক-আহোম যুগৰ সম্পদ। এই দুই প্ৰতিমাৰ পাদমূলত ভক্তই

পূজা-অৰ্চনা কৰা বুলি ধৰি ল'লে দেৱীগৰাকীৰ পূজা-অৰ্চনা খ্ৰীষ্টীয় নৱম শতিকালৈ আগুৱাই যাব। পূৰ্বাঞ্চলত ৰচিত বুলি কথিত 'মায়াতন্ত্ৰ'ৰ দ্বিতীয় আৰু চতুৰ্থ পটলৰ উপৰি কৃষ্ণানন্দৰ 'তন্ত্ৰসাৰ'ত জগদ্ধাত্ৰী পূজাৰ বিধি পোৱা যায়। কাতি মাহৰ শুক্লা নৱমী তিথিত পূজিব লগা এই দেৱীগৰাকীৰ পূজা-অৰ্চনাৰ সবিশেষ লিপিবদ্ধ হৈছে—বৃহস্পতি ৰায় মুকুটৰ 'স্মৃতিৰত্ন' আৰু শ্ৰীনাথ আচাৰ্য চূড়ামণি কৃত্য 'তত্ত্বাৰ্ণৱ' গ্ৰন্থত। শূলপাণিৰ 'কাল বিবেকতো' দেৱীগৰাকীৰ পূজাবিধি নথকা নহয়।'

জগদ্ধাত্ৰীৰ মূৰ্তি চতুৰ্ভুজযুক্ত। মূৰ্তি এহাতত ধনু, এখন হাতত পাঁচডাল শৰ, এখনত শংখ আৰু এখনত চক্ৰ থাকে। দেৱীৰ বাঁওকান্ধত থাকে নাগ। এখন ভৰিৰ তলত পদুম থাকে। দেৱীৰ বাহন সিংহ বা হাতী। দেৱীৰ গাতে থাকে ৰক্তবৰ্ণৰ বস্ত্ৰ। জগদ্ধাত্ৰীৰ পূজাত ধূপ-ধুনা, বন্তি, নৈবেদ্য, ভোগ, উপকৰণ আদিৰে পূজা কৰা হয়। কুমাৰী ছোৱালীৰ দ্বাৰা তোলা পানী ঘটত ৰাখি পূজা কৰা হয়। হোমৰো ব্যৱস্থা আছে। এই পূজাত কুমাৰী পূজাত কুমাৰী ছোৱালীক পূজা কৰি বস্ত্ৰ, সোণ আদি দান কৰা হয়। জগদ্ধাত্ৰীৰ ধ্যান মন্ত্ৰ হ'ল ঃ 'সিংহ স্কন্ধানিধৰূঢ়াং নানালংকাৰ ভূষিতাম/চতুৰ্ভুজা মহাদেৱীং নাগযজ্ঞোপবীজিনীম্/শংখশাংৰ্গসমাযুক্ত বামপাণিদ্বয়ান্বিতাম্/চক্ৰঞ্চ পঞ্চবাণাংশ্চ ধাৰয়ন্তীঞ্চ দক্ষিণে/ৰক্তবস্ত্ৰপৰিধানাং বালাৰ্কসদৃশীতনুম্/নাৰদাদ্যেমুণিগণৈ ঃ সেৱিতাং ভগগেহিনীম্/ত্ৰিবলীবলয়োপেতাং নাভিনালমৃণালিনীম্/ৰত্নদ্বীপে মহাদ্বীপে সিংহাসন সমন্বিতে/প্ৰফুল্লকমলাৰূঢ়াং ধ্যায়েত্তাং ভৱসুন্দৰীম্।' দক্ষিণ কামৰূপৰ একাধিক স্থানত এই পূজা আড়ম্বৰপূৰ্ণভাৱে পালন কৰা হয়। গুৱাহাটীৰ ছত্ৰাকাৰ দেৱালয়, বটগুৰি, শিদলচটি, পাতিদৰং অৰ্ধনাৰীশ্বৰ শিৱ মন্দিৰ আৰু ধাৰাকুছিগাঁৱত, নলবাৰী জিলাৰ ভালুকী গাঁৱত এই জগদ্ধাত্ৰী পূজা হয়। অসমৰ বিশিষ্ট জ্যোতিষী, ৰাষ্ট্ৰপতি পুৰস্কাৰপ্ৰাপ্ত, গুৱাহাটীস্থ হাইকোৰ্টৰ জ্যোতিষী প্ৰয়াত পুৰুষোত্তম ভট্টাচাৰ্যৰ জন্মস্থান গন্ধিয়াৰ নিজ বাসগৃহত আজি প্ৰায় ৮০ বছৰ আগৰ পৰা প্ৰতি বছৰে জগদ্ধাত্ৰী পূজা পালন কৰি আহিছে। জগদ্ধাত্ৰী পূজাত বলি-বিধানৰো ব্যৱস্থা আছে। এই পূজা এদিন, তিনি দিন বা পাঁচ দিন ধৰি হয়।

বাসন্তী পূজা ঃ শ্ৰীশ্ৰী চণ্ডী শাস্ত্ৰত আছে সত্য যুগত ৰজা সুৰথে বসন্ত কালত দেৱী দুৰ্গাক পূজা কৰি ইহজন্মত আৰু পৰজন্মত অবিভ্ৰংশ ৰাজ্য ভোগ কৰে। কালিকাপুৰাণত শৰৎ কালত দুৰ্গা পূজাৰ বিধান আছে। এই পুৰাণত পোৱা যায় ৰামৰ প্ৰতি অনুগ্ৰহ কৰি পূৰ্বে ব্ৰহ্মাই এই কালত দেৱীৰ বোধন কৰিছিল। দেৱীয়ে ৰাম-ৰাৱণক সাত দিন যুদ্ধত প্ৰবৃত্ত কৰাই শেষত নৱমী তিথিত ৰাৱণক বধ কৰায়।

কৃত্তিবাসী ৰামায়ণত পোৱা যায় ত্ৰেতাযুগত ৰামচন্দ্ৰই লংকেশ্বৰ ৰাৱণৰ নিধন প্ৰসঙ্গত শৰৎ কালত দেৱী দুৰ্গাৰ পূজা কৰে। সেই সময়ৰ পৰা মানৱ জাতিৰ মাজত দুৰ্গা পূজা শৰৎ কালতে হৈ আহিছে যদিও ঠাই বিশেষে পূৰ্বে প্ৰচলিত বসন্ত কালতো হয়। শৰৎ কালত হোৱা দুৰ্গা পূজাৰ নাম শাৰদীয় দুৰ্গা পূজা আৰু বসন্ত কালত হোৱা দুৰ্গা পূজাৰ নাম বাসন্তী পূজা। বাসন্তী দুৰ্গা পূজাৰ প্ৰচলন আছে বিশ্বেশ্বৰ দেৱালয়, গমাৰিমূৰী আদিত।

উপৰোক্ত পূজাবোৰৰ বাহিৰেও অসমৰ কিছুমান প্ৰসিদ্ধ মঠ-মন্দিৰত দুৰ্গা দেৱীৰ নিত্য পূজা-অৰ্চনা আৰু দুৰ্গা পূজাৰ সময়ত বিশেষ পূজা হয়। এই মঠ-মন্দিৰবোৰৰ কিছুমানৰ বৰ্ণনা সংক্ষেপে দিয়া হ'ল ঃ

চণ্ডিকা দেৱালয় ঃ এই দেৱালয় ছয়গাঁৱৰ চান্দ সদাগৰৰ ঐতিহাসিক মেৰঘৰৰ নিকটৱৰ্তী ঠাইত আছে। চান্দ সদাগৰে তেওঁৰ মাতৃ চম্পাৱতীৰ পূজা-অৰ্চনাৰ অৰ্থে কৈলাশৰ পৰা গৌৰী বা চণ্ডীৰ মূৰ্তি আনি স্থাপন কৰি মন্দিৰ সাজি দিয়ে। চান্দ সদাগৰৰ মাতৃৰ দিনৰ পৰা আজিলৈকে এই মন্দিৰত নিত্য পূজা-অৰ্চনা হোৱাৰ লগতে শাৰদীয় দুৰ্গা পূজা হয়। মন্দিৰলৈ নিতৌ অগণন ভক্তৰ আগমন হয়। পৰ্যটনৰ এক আকৰ্ষণীয় স্থল হ'ল চণ্ডিকা দেৱালয়।

তাম্ৰেশ্বৰীৰ মন্দিৰ ঃ তাম্ৰেশ্বৰীৰ মন্দিৰ প্ৰাচীন কালৰে পৰা কামৰূপৰ উত্তৰ পূব প্ৰান্তত শক্তি-পূজাৰ প্ৰসিদ্ধ কেন্দ্ৰ আছিল। বৰ্তমান শদিয়া নগৰৰ পৰা প্ৰায় ১৮ মাইল নিলগত এই মন্দিৰৰ ভগ্নাৱশেষ আছে। তাম্ৰেশ্বৰী মন্দিৰৰ অলপ আঁতৰেদি ডিগাৰু নদী বৈ গৈছে। এই ডিগাৰুৰ সংস্কৃত নাম 'দিককৰ'। দিককৰ নদীৰ পাৰত থকা হেতু দেৱীৰ নাম হয় 'দিককতবাসিনী।' 'অসমৰ শক্তিসাধনা আৰু শক্তি সাহিত্য' শীৰ্ষক গ্ৰন্থত আছে ঃ 'কালিকাপুৰাণৰ প্ৰমাণৰ ভেটিত এই কথা ক'ব পৰা যায় যে জগতজননী মহামায়া দিককৰবাসিনী ৰূপে কামৰূপৰ উত্তৰ-পূব সীমান্তত প্ৰতিষ্ঠিতা আৰু মাহাত্ম্য সুদূৰ নৰকৰ দিনতে প্ৰচাৰিত হৈছে। দিককৰবাসিনীৰ স্থানত ভগবান শিৱ লিংগৰূপে বিষ্ণু শিলাখণ্ডৰূপে আৰু ব্ৰহ্মাও লিংগৰূপে তাত আছে। দুটা ৰূপত দুৰ্গা দেৱী তাত আছে—তীক্ষ্ণকান্তা বা উগ্ৰতাৰা আৰু ললিতকান্তা বা মঙ্গল চণ্ডিকা। ইয়াৰে প্ৰথমটো ৰূপ ভয়ানক আৰু দ্বিতীয় ৰূপটো শান্ত। কালিকাপুৰাণৰ বৰ্ণনা মতে তীক্ষ্ণকান্তা বা উগ্ৰতাৰাৰ পূজা পদ্ধতি কামাখ্যা দেৱীৰ পূজা পদ্ধতিৰ লগত দুটামান পাৰ্থক্যৰ বাহিৰে একে। কালিকাপুৰাণ ৰচনা কালত বা অন্ততঃ তাৰ কিছুকাল আগতে দেৱী দিককৰবাসিনীৰ এই দুটা ৰূপৰ পূজিতা। তাৰ পৰৱৰ্তী কালত দেৱীৰ শান্ত ৰূপটো ক্ৰমশঃ পূজা উপাসনা ৰাজ্যত লোপ পায় আৰু ভয়ানক

ৰূপটো প্ৰসিদ্ধ হৈ উঠে। এই ভয়ানক ৰূপৰ (তীক্ষ্ণকান্তা) দিককৰবাসিনী দেৱীয়েই পাছৰ যুগত তাম্ৰেশ্বৰী বা কেঁচাইখাতী নামেৰে বিখ্যাত হয়। বলি-বিধান এই মন্দিৰৰ বিধান। দেওধাৰ নৃত্য এই পূজাৰ অপৰিহাৰ্য অংশ। দেৱী দুৰ্গাৰ তীক্ষ্ণকান্তা ৰূপত পূজিত হৈ ভক্তক আশীৰ্বাদ প্ৰদান কৰে।

মহামায়া ধাম ঃ গোৱালপাৰা জিলাৰ বগৰিবাৰীত অৱস্থিত মহামায়া দেৱীৰ ধাম অসম-বংগদেশৰ ভিতৰত অতি বিখ্যাত। ইয়াৰ দুৰ্গাৰ এটা বিশেষ ধ্যানেৰে দেৱীৰ নিত্য পূজা কৰা হয়। সেই ধ্যান মন্ত্ৰ হ'ল— 'ওঁ দেৱী দশভুজাং একবক্তাং ত্ৰিনেত্ৰাং যুৱতীং গৌৰবৰ্ণাম/দিব্যালংকাৰ ভূষিতং প্ৰসাৰিত দাক্ষণ চৰনেন সিংহমাৰুঢ়াম/কিঞ্চিদাকুঞ্চিত ৰামচৰণেন মহিষপৃষ্ঠাতাম/ছিন্নমহিষাসুৰ গ্ৰীবানি গৰ্ত্তপুৰুষাকাৰ মহিষাসুৰাঘ্নিম/দক্ষিণাবাহু ভিৰুপবিক্ৰমেন শৰশূল খড়ংগশক্তি চক্ৰধৰাম/বামবাহু ভিৰুপতিক্ৰমেন পাশাংকুশাভয়কধনুপৰশুধৰাম।' নিত্য পূজাত ১০ বিধ উপচাৰ আৰু অন্ন ভোগ অপৰিহাৰ্য। সদায় সন্ধিয়া পৰমান্ন, সন্দেশ, লুচি নিবেদনেৰে আৰতি কৰা হয়। এই ধামত বলি-বিধানৰো ব্যৱস্থা আছে।

মহামায়া দুৰ্গা ঃ 'অসমৰ শক্তি-সাধনা আৰু শক্তি সাহিত্য' গ্ৰন্থত আছে 'মহামায়া দুৰ্গা নামে প্ৰসিদ্ধ দশভুজা, সিংহবাহিনী আৰু মহিষমৰ্দিনী দেৱী গৌৰীপুৰৰ ৰাজবংশৰ ইষ্টদেৱীৰূপে পূজিতা। গৌৰীপুৰৰ বৰ্তমান জমিদাৰ অলকেশ বৰুৱাৰ একাদশ পূৰ্বপুৰুষ কবি শেখৰে ইষ্টদেৱীৰূপে এই দেৱী মূৰ্তি প্ৰতিষ্ঠা কৰে। জমিদাৰৰ ৰাজধানীৰ নাম আগতে আছিল 'ৰঙ্গামাটি'। পাছত ইষ্টদেৱীৰ (গৌৰীৰ) নামানুসাৰে হয় গৌৰীপুৰ। দশোপচাৰ আৰু ভোগ নিবেদন কৰি শাৰদীয় দুৰ্গাৰ ধ্যানেৰে দেৱীৰ নিত্য পূজা কৰা হয়। শনি আৰু মঙলবাৰে বলি নিবেদনৰো ব্যৱস্থা আছে।

ভুৱনেশ্বৰী মন্দিৰ ঃ কামাখ্যা মন্দিৰ থকা নীলাচল পাহাৰৰ উচ্চতম স্থানত ভুৱনেশ্বৰী মন্দিৰ অৱস্থিত। দেৱী ভুৱনেশ্বৰী হ'ল দশ মহাবিদ্যাৰ অন্যতম। ভুৱনেশ্বৰী নামেৰে প্ৰসিদ্ধ মহাগৌৰী ইয়াত নিতৌ পূজিত হয়। জনবিশ্বাস মতে কামাখ্যা দৰ্শন কৰিবলৈ অহা ভক্তই এই মন্দিৰ দৰ্শন কৰিলেহে সম্পূৰ্ণ পুণ্য আদায় হয়।

ছত্ৰাকাৰ মন্দিৰ ঃ গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ পাৰতে থকা ছত্ৰাকৃতিৰ পাহাৰখনৰ নাম ছত্ৰাকাৰ পাহাৰ। যোগিনীতন্ত্ৰত এই পাহাৰ অতি পবিত্ৰ পাহাৰ হিচাপে উল্লিখিত হৈছে ছত্ৰাকাৰগিৰি-হৰ্সৌ সাগৰি যেঃ যো পৰিশাস্ত্ৰক ঃ তস্যাৰোহনমাত্ৰেনন পূনজায়তে ভুৱি। (২/৯/৮১)। এই পাহাৰত থকা মন্দিৰৰ নাম 'ছত্ৰাকাৰ মন্দিৰ'। এই মন্দিৰত দেৱী চণ্ডী বা দুৰ্গাৰ পূজা-অৰ্চনা নিতৌ হয়। এই মন্দিৰ সজাইছিল আহোম ৰজা কমলেশ্বৰ সিংহই ১৭৭৫ খ্ৰীষ্টাব্দত। ইয়াত হোৱা জগদ্ধাত্ৰী পূজা বিখ্যাত।

সাহপুৰৰ দুৰ্গা মন্দিৰ ঃ নলবাৰী জিলাৰ সাহপুৰত বুঢ়াদিয়া নৈৰ পাৰত অৱস্থিত দুৰ্গা মন্দিৰ। এই মন্দিৰত দুৰ্গাৰ নিত্য পূজা-অৰ্চনাৰ লগতে শাৰদীয় দুৰ্গা পূজা মহাআড়ম্বৰেৰে পালন কৰা হয়। বিজয়া দশমীৰ দিনা এই মন্দিৰ প্ৰাঙ্গণ লক্ষাধিক লোকেৰে ভৰি পৰে। আকৌ এই মন্দিৰৰ দুৰ্গা পূজাৰ বাবে চামতাৰ পৰা সাহপুৰৰ মন্দিৰস্থলীলৈ ভ্ৰাম্যমাণ থিয়েটাৰৰ এক মেলাস্থলী হৈ পৰে। অসমৰ প্ৰথম শ্ৰেণীৰ বিখ্যাত প্ৰায় ছয়-সাতখন ভ্ৰাম্যমাণ থিয়েটাৰে দুৰ্গা পূজাৰ সময়ত উক্ত ঠাইছোৱাৰ ভিতৰত নাট প্ৰদৰ্শন কৰে। দুৰ্গা পূজাৰ কেইদিনত মন্দিৰ প্ৰাংগণত ওজাপালি, ঢুলীয়া অভিনয়, যাত্ৰাভিনয় প্ৰদৰ্শিত হয়।

বুঢ়াগোসাঁনীৰ মন্দিৰ ঃ এই মন্দিৰ যোৰহাট নগৰৰ গোদালীৰ পূবফালে অৱস্থিত। আহোম ৰজা ৰুদ্ৰসিংহই (১৬৯৬-১৭১৪ খ্ৰীঃ) যুদ্ধত জয়ন্তীয়া ৰজাক পৰাস্ত কৰি জয়ন্তীয়া ৰজাৰ কুলদেৱী জয়ন্তীক আনিবলৈ ইচ্ছা কৰে। কিন্তু আহোম ৰাজ্যত বেমাৰ-আজাৰত বহু মানুহ, সৈন্য মৰি ক্ষতিসাধন হয়। জয়ন্তী দেৱীয়ে সপোনৰ দ্বাৰা আহোম সেনাপতিক জনায় যে তেওঁ জয়ন্তীয়া ৰাজ্য কেতিয়াও নেৰে। আহোম ৰজাই তেওঁৰ পৰিৱৰ্তে বুঢ়ী নদীৰ পাৰত অৱস্থিত দেৱী মূৰ্তিটোক নি মন্দিৰ প্ৰতিষ্ঠা কৰিব পাৰে। তেতিয়া আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহই সেই মূৰ্তিটোক আনি গড়গাঁৱত স্থাপন কৰে। বুঢ়ী নদীৰ পৰা অনা কাৰণে তেতিয়াৰ পৰা এই দেৱী 'বুঢ়ী গোসাঁনী' নামেৰে জনাজাত হ'ল। কালক্ৰমত আহোমৰ ৰাজধানী ক্ৰমে ৰংপুৰ আৰু যোৰহাটলৈ স্থানান্তৰিত হোৱাত বুঢ়ী গোসাঁনী মন্দিৰো স্থানান্তৰিত হৈ যোৰহাটত স্থায়ী হয়। আহোম স্বৰ্গদেউসকলে এই দেৱীৰ প্ৰতি ভক্তি আৰু অনুৰাগ দেখুৱাইছিল। এই মন্দিৰত শাৰদীয় দুৰ্গাৰ ধ্যানেৰে দেৱীৰ নিজ পূজা কৰা হয়।

জয়ন্তী দেৱীৰ মন্দিৰ ঃ ৰঙিয়াৰ জয়ন্তীপুৰ গাঁৱত জয়ন্তী মন্দিৰ অৱস্থিত। জয়ন্তীপুৰত উক্ত মন্দিৰ আহোম ৰজা লক্ষ্মীসিংহৰ পৃষ্ঠপোষকতাত গঢ়ি উঠিছিল। দেৱী জয়ন্তী আৰু মাতংগী একে। দুয়োগৰাকী দেৱীৰ ধ্যান আৰু বীজমন্ত্ৰও একে। জয়ন্তী নৱদুৰ্গাৰ অন্যতমা দেৱী। দেৱী জয়ন্তীৰ ধ্যান মন্ত্ৰটি হ'ল— 'শ্যামাংগী শশী শেখৰাং ত্ৰিনয়নাং ৰত্নসিংহাসনস্থিতাং বেদৈৰ্বাহুদণ্ডৈৰ সিখেটক পাশাংকুশধৰাম্।' কালিকাপুৰাণৰ মতে আদ্যাশক্তি দেৱী মহামায়াই দুৰ্গাৰূপ লোৱাৰ আগতে উগ্ৰচণ্ডা আৰু ভদ্ৰকালীৰূপে আবিৰ্ভূতা হৈছিল। প্ৰথম সৃষ্টিত দেৱীয়ে উগ্ৰচণ্ডা ৰূপেৰে মহিষাসুৰক বধ কৰে, দ্বিতীয় সৃষ্টিত ভদ্ৰাকালী ৰূপেৰে সেই অসুৰক নিধন কৰে আৰু তৃতীয় সৃষ্টিত দশভুজা দুৰ্গাৰূপেৰে সেই একেই অসুৰক সংহাৰ কৰে। কিছুমানে দেৱী দুৰ্গাক অন্নৰ অধিষ্ঠাত্ৰী দেৱী 'অন্নপূৰ্ণা' ৰূপেও মানে। ড° নাৰায়ণ

দাসে লিখিছে ঃ 'আহিন মাহত মহাপয়োভৰেৰে উদ্‌যাপিত দুৰ্গা পূজা প্ৰকৃতপক্ষে শস্যৰ পূজা। দেৱী দুৰ্গাৰ আন এটা নাম অম্বিকা। 'তৈত্তিৰীয় ব্ৰাহ্মণ' গ্ৰন্থত অম্বিকাক 'শৰৎ' আখ্যা দিয়াটো তাৎপৰ্যপূৰ্ণ। শৰৎকাল শস্যসম্ভৱা কাল। শাৰদীয় দেৱীক ষষ্ঠীত বোধন কৰা হয় বিল্ব শাখাত। ইয়াৰ পাছত দেৱীৰ স্নান, প্ৰতিষ্ঠা, পূজা সম্পন্ন হয় নৱপত্ৰিকাত। নৱপত্ৰিকা হ'ল কলগছ, ডালিম, ধান, হালধি, মানকচু, কচু, বেল, অশোক আৰু জয়ন্তী গছ অপৰাজিতাৰে বান্ধি থোৱাটো। নৱপত্ৰিকাৰ প্ৰত্যেকৰে দেৱী আছে।' এইবোৰ গছৰ পাতে-ডালে মানুহৰ ৰোগ নাশ কৰে। মাৰ্কেণ্ডয় চণ্ডীত 'দুৰ্গম' নামৰ অসুৰ নিধন কৰি 'দুৰ্গা' নাম লোৱাৰ পূৰ্বে জগতজননীয়ে উদ্ভিদক ধাৰণ কৰি 'শাকম্ভৰী' নামেৰে খ্যাত হোৱাৰ কাহিনী আছে। গতিকে দেৱী দুৰ্গা অন্নদাত্ৰীও। এনেদৰে দেৱী দুৰ্গাই ৰোগ-ব্যাধি, দুখ-শোক, বিপদ-আপদ নাশ কৰি মানুহক অন্ন, ধন-ঐশ্বৰ্য, সুখ-শান্তি প্ৰদান কৰি আহিছে।

পালনাম

ধৰ্মীয় তাৎপৰ্যত পতা হয় যদিও পালনামৰ সামাজিক তাৎপৰ্যও অপৰিসীম। পৃথিৱীৰ তাপিত, দুখী জনসাধাৰণৰ দুখ, শোক, নিৰানন্দ, ৰোগ-ব্যাধি আদি দূৰ কৰি সুখ আনন্দৰ পৰিপূৰ্ণতাৰ জৰিয়তে দয়া, ক্ষমা, প্ৰেম, ভাতৃত্ববোধ আদি মানৱীয় প্ৰমূল্যবোধ জাগ্ৰত কৰাই হৈছে পালনাম পালনৰ উদ্দেশ্য। যুদ্ধ-বিগ্ৰহ, নৈৰাজ্য, নিষ্পেষণ, নিৰ্যাতন আদি নাশ কৰি সৰ্বদিশত শান্তি প্ৰতিষ্ঠাৰ হেতু সমগ্ৰ অসমজুৰি বিভিন্ন মঠ-মন্দিৰ, সত্ৰ-নামঘৰ আদিত পালনাম পালিত হোৱাৰ লগতে সম্প্ৰতি ভাৰতবৰ্ষৰ আন ঠাইতো পালিত হ'বলৈ ধৰিছে। পথভ্ৰষ্টজনক সু-পথৰ সন্ধান দি, হতাশাগ্ৰস্তজনক শুভ প্ৰত্যয়ৰ সন্ধান দি, ন্যায় আৰু সত্যৰ পৰাজয় কালৰ পৰিবৰ্তন সাধনেৰে মানৱৰ মাজত সুপৰিবেশ সৃষ্টিৰ হেতু সনাতন হিন্দু ধৰ্ম, বৈষ্ণৱ ধৰ্ম আৰু কৃষ্ণগুৰু ধৰ্মত পালনাম আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপিত হয় বছৰটোৰ বিভিন্ন সময়ত বিভিন্ন মঠ-মন্দিৰ, সত্ৰ-নামঘৰ আৰু কৃষ্ণগুৰু ধৰ্মাৱলম্বীসকলৰ মূল ধৰ্মস্থান সৰ্থেবাৰীৰ নসত্ৰত। উল্লেখযোগ্য যে পালনামত তিনিটা ধৰ্মত পালিত বিভিন্ন পৰ্বসমূহৰ সাংস্কৃতিক দিশৰ তাৎপৰ্যও গুৰুত্বপূৰ্ণ।

ধৰ্মী দৰ্শনৰ ভিত্তিত পালনামক ভগৱানৰ ৰূপৰ লগত তুলনা কৰা হয়। মানৱ জাতিৰ মাজত যেতিয়া অন্যায়, অসত্যই ৰাজত্ব কৰিবলৈ লয় তেতিয়া ভগৱান বিষ্ণুৱে পৃথিৱীত জন্মগ্ৰহণ কৰি বা অৱতাৰ লৈ নিজ কৰ্মেৰে মানৱ জাতিক তেনেবোৰ বিপদৰ পৰা উদ্ধাৰ কৰে। একেদৰে মানুহৰ মাজত দুখ-দুৰ্গতি নাশৰ হেতু স্বৰ্গত প্ৰচলিত পালনামৰ মৰ্ত্যলৈ আগমন হয়। গতিকে ভগৱানৰ অৱতাৰী ৰূপ আৰু পালনামৰ উদ্দেশ্য যে একে বা সমাৰ্থক সেয়া ইয়াৰ পৰাই প্ৰমাণ হয়। আকৌ এই প্ৰসঙ্গতে 'কৃষ্ণগুৰু' ধৰ্মৰ অখণ্ড পালনামৰ প্ৰসঙ্গও উল্লেখ কৰিব পাৰি। এই ধৰ্মমতেও কলিযুগৰ মানুহৰ মাজত সৃষ্ট অন্যায়-অসূয়া আদি আঁতৰোৱাৰ হেতু ভগৱানে সৰ্থেবাৰীৰ নসত্ৰত 'কৃষ্ণগুৰুৰূপে' আবিৰ্ভাৱ হৈ 'কৃষ্ণগুৰু' ধৰ্মৰ প্ৰচাৰ আৰু অখণ্ড পালনামৰ ব্যৱস্থা কৰিছে।

বৈষ্ণৱ ধৰ্মীয় দৰ্শনমতে বৈষ্ণৱ ভকতসকলে পাল পাতি পাতি এই ধৰ্মানুষ্ঠান পালন কৰাৰ বাবে ইয়াৰ নাম পালনাম হয়।

হৰিনাম কীৰ্তন আৰু শাস্ত্ৰ পাঠেই হৈছে পালনামৰ কেন্দ্ৰবিন্দু। মণিকূটত

থাপনাৰ ওপৰত ঠগা ৰাখি 'কীৰ্তন', 'দশম', 'ভাগৱত' প্ৰভৃতি শাস্ত্ৰ তাৰে (ঠগা) ওপৰত থৈ চৌদিশে চাকি-বন্তি, ধূপ-ধূনা আদি জ্বলাই নৈবেদ্য আগবঢ়ায়, পুষ্পাঞ্জলি যাচি পালনামৰ শুভাৰম্ভ কৰা হয়। কোনো কোনো ঠাইত পালনামৰ আগমুহূৰ্তত 'গীতা', 'ভাগৱত' আদি ধৰ্মগ্ৰন্থ ভক্তিভাৱে মূৰত লৈ শোভাযাত্ৰা কৰি নি নামঘৰৰ থাপনাত সংস্থাপন কৰা হয়। সনাতন হিন্দু ধৰ্মত পুৱা, দুপৰীয়া আৰু আবেলি এই তিনি প্ৰসঙ্গত আৰু বৈষ্ণৱ ধৰ্মত প্ৰাতঃ ডেৰ পৰিয়া (দুপৰীয়া), আবেলি আৰু গধূলি এই চাৰি প্ৰসঙ্গত পালনাম অনুষ্ঠিত হয়। প্ৰতিটো প্ৰসঙ্গতে নাম-প্ৰসঙ্গৰ উপৰি ভাগৱত বা আন ধৰ্মগ্ৰন্থ পঢ়া হয়। নাম প্ৰসঙ্গ কৰাত মুখ্য ভাৰ লোৱা ভকতজনক 'আচাৰ্য' বা 'নামাচাৰ্য' আৰু তেওঁৰ সহযোগী ভকতসকলক 'পালি' বোলে। ধৰ্মগ্ৰন্থ পঢ়াজনক 'পাঠক' বা 'ভাগৱতী' বোলে। পাঠক বা ভাগৱতী বহা আসনখনক 'ব্যাসাসন' বোলে। পালনাম চলি থকা কেইদিনত ব্যাসাসনখন খালী হ'ব নোৱাৰে। কিবা কাৰণত এজন উঠিব লগা হ'লে আন এজনে আহি সেই ব্যাসাসনখন পূৰাব লাগে। হঠাতে কিবা বিপদ উপস্থিত হ'লে ব্যাসাসনত বহি থকা পাঠকজনে উঠি যাব লগা হ'লে ওচৰত কোনো নাথাকিলে তেওঁৰ ডিঙিৰ গামোচাখনকে ব্যাসাসনত ৰাখিব লাগে। কোনো কোনো ঠাইৰ নামঘৰত আবেলিৰ প্ৰসঙ্গত পালনামত প্ৰদক্ষিণৰ ব্যৱস্থাও আছে। প্ৰদক্ষিণকালত ভক্তসকলে চাপৰি বজায় আৰু তাল-খোল বজায়— "হৰে কৃষ্ণ হৰে কৃষ্ণ, কৃষ্ণ কৃষ্ণ হৰে হৰে/হৰে ৰাম হৰে ৰাম, ৰাম ৰাম হৰে হৰে' বুলি গায়। এই পালনামত মণিকূটত থকা মূল নৈবেদ্যৰ সলনি ঠগাৰ ওচৰত পতা নৈবেদ্যখন প্ৰতিটো প্ৰসঙ্গৰ অন্তত দিনে ভাঙি প্ৰসঙ্গবোৰৰ প্ৰতিটোৰ আগত আকৌ নতুনকৈ পতা হয়। এই পালনামত নাগাৰা নাম, থিয় নাম, ওজাপালি, পুতলা নাচ, নাট্যাভিনয় আদি সাংস্কৃতিক অনুষ্ঠানো পালন কৰা হয়। এমাহ, পোন্ধৰ দিন, সাত দিন, পাঁচ দিন, তিনি দিন আৰু এদিনীয়াকৈ উদ্‌যাপিত এই পালনাম উৎসৱ অসমত বিভিন্ন ঠাইত বছৰটোৰ বিভিন্ন সময়ত পালিত হয় যদিও একাধিক স্থানত অম্বুবাচীৰ নিবৃত্তি বা শুদ্ধিৰ দিনা বা সিদিনাৰে পৰা আৰম্ভ হয়।

পালনামৰ উৎপত্তি ভিত্তি বৈষ্ণৱ ধৰ্ম বুলি শুনা যায়। সেয়ে বৈষ্ণৱ ধৰ্মত পালনাম উৎপত্তিৰ ব্যাখ্যা গভীৰ আৰু তথ্যমূলকভাৱে কৰা হ'ল—

কলিৰ জন্ম ঃ ব্ৰহ্মাৰ পিঠিফালৰ পৰা কু-সংস্কৃতি বা অপকৰ্মৰ স্বৰূপত পাপৰ সৃষ্টি হয়। সেই পাপৰ নাম ৰখা হয় অধৰ্ম। অধৰ্মই বিবাহৰ দ্বাৰা মাৰ্জাৰ নয়না, মনোৰমা, মিথ্যা এইকেইজনী পত্নী লাভ কৰে। অধৰ্মৰ ঔৰসত আৰু ভাৰ্যাকেইজনীৰ গৰ্ভত কৃপণ, স্বভাৱ, মহাতেজা, দম্ভ নামৰ পুত্ৰকেইজন আৰু নিকৃতি নামৰ কন্যা

এজনী জন্মে। নিষ্কৃতি বিয়া হয় লোভ নামৰ যুৱকৰ লগত। তেওঁলোক দুয়োৰে সময়ত ক্ৰোধ নামৰ এটি ল'ৰা আৰু হিংসা নামে এজনী ছোৱালী জন্মে। হিংসাৰ এসময়ত বিবাহ হয় আৰু জন্ম হয় অতি ক'লা বৰণৰ এটা পুত্ৰ। তেওঁৰে নাম হ'ল কলি। দ্বাপৰৰ শেষত 'কলি যুগ'ৰ উৎপত্তি কু-সংস্কৃতি বা কৰ্মৰ প্ৰতীক কলিৰ প্ৰভাৱত মানুহৰ মাজত যুদ্ধ-বিগ্ৰহ, দুখ-দুৰ্গতি, অশান্তি আদিয়ে ঠাঁই পাব বুলি উল্লেখ আছে শাস্ত্ৰত।

স্বৰ্গৰ অমৃতসম পালনামৰ মৰ্ত্যলৈ আগমন ঃ বৈকুণ্ঠ বা স্বৰ্গ সাতখন— (১) শ্বেত বিলাস, (২) চিত্ৰ বিলাস, (৩) কুপিনী বিলাস, (৪) অম্বৰু বিলাস, (৫) পুষ্প বিলাস, (৬) কনকদন্ত বিলাস আৰু (৭) পংকজ বিলাস। এই বৈকুণ্ঠবোৰৰ প্ৰতিখনৰে অধীনেশ্বৰ বেলেগ বেলেগ একোজন ঈশ্বৰ। ইয়াৰে পংকজ বিলাসৰ বৈকুণ্ঠৰ ঈশ্বৰে পৃথিৱীৰ মানৱ জাতিৰ উদ্ধাৰ বা কলি যুগৰ দুখ-দুৰ্গতি নাশৰ হেতু বাকী ছয়খন বৈকুণ্ঠত ঈশ্বৰসকলৰ লগত আলোচনা কৰি স্বৰ্গ ৰাজ্যত পালনামৰ ব্যৱস্থা কৰিছিল। সাত দিন সাত ৰাতি জুৰি স্বৰ্গত অবিৰামভাৱে চলিছিল এই পালনাম। তাৰ পাছত পৃথিৱীতো পালনামৰ সূচনা কৰিবলৈ সেই পংকজ বিলাসৰ ঈশ্বৰজনাই পৃথিৱীলৈ আহি নগাঁৱৰ বৰদোৱাত কুসুম্বৰ ভূঞাৰ ঘৰত জন্ম লয় শংকৰ নামেৰে। নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ হেতু নানা সৃষ্টিশীল কৰ্মৰে সুসংস্কৃতিৰ সৃষ্টি কৰ্মত নিয়োজিত হয় তেওঁ। মাধৱদেৱক শিষ্যত্ব প্ৰদান কৰাৰ পাছৰ ঘটনাটো হ'ল—

পালনামৰ উৎপত্তিৰ কাহিনী ঃ আহোম ৰজা চুহুংমুং দিহিঙীয়াই (১৪৯৭-১৫৩৯) তেওঁৰ ৰাজত্বকালত এবাৰ হাবিত হাতী ধৰিবলৈ আয়োজন কৰি সেই কাৰ্যত শংকৰদেৱৰ বংশধৰ ভূঞাসকলক নিয়োগ কৰিছিল। এই কাৰ্যত গুৰুজনাৰ প্ৰিয় শিষ্য মাধৱদেৱৰ আৰু হৰি জোঁৱাইৰো ভাৰ পৰে। এই কাৰ্যত নিয়োজিত লোকসকলে হাবিত হাতীক ঘেৰি ধৰি কৰায়ত্ত কৰাৰ পৰিকল্পনা কৰিছিল। ৰজাৰ কাঢ়া নিৰ্দেশ আছিল হাতী ধৰা কাৰ্যত যদি কিবা প্ৰকাৰে কোনো লোকৰ কাষেৰে বাট উলিয়াই হাতী ওলাই যায় তেন্তে তেওঁকে গুৰুশাস্তি ৰূপে প্ৰাণদণ্ড বিহা হ'ব। দুৰ্ভাগ্যক্ৰমে হাতীটো কৰায়ত্ত কৰাৰ আগতে মাধৱদেৱ আৰু হৰি জোঁৱাইৰ কাষেৰে ওলাই যায়। ৰাজৰোষত দুয়োজনকে বন্দী কৰি ৰজাৰ ওচৰলৈ ৰাজকৰ্মচাৰীয়ে লৈ যায়। ৰজাৰ নিৰ্দেশত লগে লগে হৰি জোঁৱাইক প্ৰাণদণ্ড বিহা হয়। ইতিমধ্যে এই খবৰ শংকৰদেৱৰ কাণত পৰে। লগে লগে শংকৰদেৱে মাধৱদেৱৰ মুক্তি কামনাৰে নগাঁৱৰ ধুৱাহাটত পালনাম পাতে। পালনামৰ মাহাত্ম্যত মাধৱদেৱৰ ৰাজৰোষ নাশ হয় আৰু ৰজাই তেওঁক নিৰ্বিঘ্নে এৰি দিয়ে। এনেদৰে পালনামৰ শুভাৰম্ভ হয়। হাতী ধৰা

প্ৰসঙ্গত আৰম্ভ হোৱা বাবে এই পালনামৰ নাম হাতী ধৰা পালনাম হয়। তেতিয়া পালনামত কীৰ্তন পুথি পাঠ কৰা হৈছিল। পালনামৰ উৎপত্তি সম্পৰ্কত আন দুটি জনশ্ৰুতি আছে। চৰিত পুথিমতে, এবাৰ শ্ৰীমন্ত শংকৰদেৱে 'পাটবাউসী সত্ৰ'ৰ পৰা 'মনেৰী সত্ৰ'লৈ গৈ সাত দিন জুৰি অবিৰামভাৱে পালনাম পালন কৰে। আনটো জনশ্ৰুতি মতে, এবাৰ কিছুসংখ্যক যক্ষক আঁতৰ কৰিবলৈ মহাপুৰুষ মাধৱদেৱে সুন্দৰীদিয়াত পালনাম পাতে। গতিকে উল্লিখিত জনশ্ৰুতিবোৰৰ পৰা এইটো ওলাই পৰে যে মধ্যযুগৰ পৰা অসমত পালনাম চলি আহিছে।

কিন্তু বৰ্তমান সময়ত পালনাম বুলিলে মাজুলীৰ 'আউনীআটী সত্ৰ'ৰ পালনামকহে বুজায়। এই 'আউনীআটী সত্ৰ' প্ৰতিষ্ঠা কৰে ৰাজ্যসত্ৰৰ পূৰ্ণ মৰ্যাদা দি আহোম ৰজা জয়ধ্বজ সিংহই ১৫৭৫ শকত। ঐতিহাসিক 'আউনীআটী সত্ৰ'ৰ প্ৰধান উৎসৱ বিখ্যাত পালনাম প্ৰচলনৰ ইতিহাসত অৱলোকন কৰিব লাগিলে আমি আলোকপাত কৰিব লাগিব সত্ৰৰ পঞ্চমগৰাকী সত্ৰধিকাৰ প্ৰয়াত শ্ৰীশ্ৰী হৰিদেৱ গোস্বামীৰ দিনত। আদিতে হৰিদেৱ গোস্বামীৰ দিনত এই পালনাম প্ৰতিমাহে শেষৰ পাঁচ দিনত পালন কৰা হৈছিল। কিন্তু এই সত্ৰৰ সপ্তমজনা সত্ৰাধিকাৰ লক্ষ্মীনাথ দেৱগোস্বামীয়ে এই ৰূপৰ পালনাম বাৰ্ষিক পালনামলৈ পৰিৱৰ্তন কৰে। তেতিয়াৰে পৰা এই সত্ৰত ভগৱানৰ প্ৰিয় মাহ কাতিৰ শেষৰ পাঁচ দিনত পালনাম পালন কৰা হয়।

আউনীআটী সত্ৰৰ পালনামৰ পৰ্বসমূহ ঃ পালনাম আৰম্ভৰ দিনাৰ পুৱা সত্ৰৰ ছয় গৰাকী মুখ্য বিষয়ববীয়া ক্ৰমে— 'বৰ আশীৰ্বদীয়া', 'বৰনাম লগোৱা', 'বৰগীতনাম লগোৱা', এগৰাকী জ্যেষ্ঠ অৱনী, 'ধুপীয়া' আৰু 'মালীয়াই' সত্ৰাধিকাৰৰ পূজা ঘৰটো পালনাম আৰম্ভ কৰিবৰ বাবে বৰণ লয়। তাৰ পাছতে আৰম্ভ হয় পুৱাবেলাৰ সাত প্ৰসঙ্গ। পালনামৰ কেইদিনত বিভিন্ন আনুষ্ঠানিক কৰ্মৰ লগতে পুৱাৰ লগতে আবেলি আৰু গধূলিও সাত প্ৰসঙ্গ পালিত হয়।

অৱশ্যে প্ৰাতস (পুৱা), দুপৰীয়া, আবেলি আৰু গধূলিৰ চাৰি প্ৰসঙ্গৰ অন্তৰ্গত চৈধ্য প্ৰসঙ্গ অকল পালনামতে নহয় বৈষ্ণৱ সত্ৰ নামঘৰত উপৰোক্ত চাৰি প্ৰসঙ্গৰ অন্তৰ্গত চৈধ্য প্ৰসঙ্গৰ 'নিত্য প্ৰসঙ্গ'ৰূপে উদ্‌যাপিত হয়। এই নিত্য প্ৰসঙ্গৰ বৰ্ণনা নিদিলে পালনামৰ এই আলোচনা অসম্পূৰ্ণ হ'ব বাবে সেয়া উল্লেখ কৰা হ'ল। এই নিত্য প্ৰসঙ্গৰ বৰ্ণনা আৰু পালনামৰ (বৈষ্ণৱ ধৰ্মত পালিত) বৰ্ণনা দি ধৰ্মচন্দ্ৰ দেৱ অধিকাৰ গোস্বামীয়ে তেখেতৰ 'নিত্য নাম প্ৰসঙ্গ আদি পালনামৰ আৰ্হি' শীৰ্ষক গ্ৰন্থত লিখিছে ঃ 'প্ৰাতস প্ৰসঙ্গৰ আৰম্ভণিতে আচাৰ্যই 'অহিৰ', 'ললিত', 'কৌ', 'পূৰবী', 'শ্যাম', 'কল্যাণ' আদি ৰাগৰ বৰগীত এটা গাব। শ্যামৰাগৰ তেনে এটা বৰগীত

হ'ল— 'ধ্রুং পৰভাতে সুমৰো গোবিন্দ হৃষীকেশ/চিদানন্দ মুৰুতি কপট গোপ বেশ/পদ-সত্য সনাতন নিত্য নিৰঞ্জন দেৱ/অনাদি অনন্ত যোহি বিনে নাহি কেৱ/ সোহি প্ৰভু নাম ধৰু নন্দুকু নন্দন/কৰো পৰভাতে তযু চৰণ বন্দন/সনক সনন্দ যোগী যাহাক ধিয়াই/সকল নিগমে থাক বিচাৰি নাপায়/চতুৰ বয়ন ভৱ কৰো যাক সেৱা/গোপা নন্দ ভৱনে বেকত সোহি দেৱা/অৰুণ নয়ন নখ অৰুণ বৰণ/অৰুণ অধৰ চাৰু অৰুণ চৰণ/নীলমণি নিভ তনু এজগ জীৱন/কয়ে মাধৱ গতি নন্দুক নন্দন।' এই ৰাগবোৰৰ গীত গাব নোৱাৰিলে আচাৰ্যজনে—'কৃষ্ণ শংকৰ গুৰু হৰি ৰাম ৰাম' বুলিলেও হ'ব।

নামছন্দৰ ঘোষা এটা আৰু কীৰ্তন এটা গাব। তাৰ পাছতে আচাৰ্যজনে উপদেশ গাব লাগে। প্ৰাতসৰ (পুৱাৰ) এই তিনিটি প্ৰসঙ্গৰ পাছত ডেৰপৰীয়াৰ (দুপৰীয়া) প্ৰসঙ্গত আৰম্ভণিতে আচাৰ্যজনে প্ৰাতসত প্ৰসঙ্গৰ ৰাগ অহিৰ, কৌ, কল্যাণ, শ্যাম, ললিত পূৰ্বী ৰাগৰ এটা বৰগীত গাব লাগে। এই ৰাগবোৰৰ বৰগীত গাব নোৱাৰিলে আচাৰ্যজনে— 'কৃষ্ণ শংকৰ গুৰু হৰি ৰাম ৰাম বুলিলেও হয়। তাৰ পাছতে নাম ছন্দৰ ঘোষা গাব লাগে। যেনে— 'জয় জয় ৰাম ৰাম।' এই বুলি চাৰিবাৰ গাই— 'কৃষ্ণ হৰি ৰাম ৰাম ৰাম/অনন্ত অচ্যুৎ সনাতন নাৰায়ণ প্ৰাণ।' এইদৰে চাৰিবাৰ ঘোষা গাই তাল বজাব লাগে আৰু চাৰিভাগ গাব লাগে— 'অনন্ত কৌটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী।' এনেদৰে সুৰ লগাই গাই পুনৰ— 'গোবিন্দ ৰাম মুৰাৰি, মুকুন্দ ৰাম মুৰাৰি/ভকতি ৰোচন দুখ বিমোচন, ভকতৰ ভয়হাৰী'— বুলি চাৰিবাৰ গাই ঘূৰিব লাগে। তাৰ পাছত আকৌ— 'পৰম পুৰুষ পৰম আনন্দ পৰম গুৰু মুৰাৰি/অনাদি অনন্ত অচ্যুত গোবিন্দ ভকত ভয়হাৰী। বুলি চাৰিবাৰ গাই আচাৰ্যজনে উঠি ঘূৰিব লাগে আৰু শেষত— 'জয় যাদৱ এ মোৰে প্ৰাণ জীৱৰে জীৱন নাৰায়ণ/ভকতৰ ধন তযু অৰুণ চৰণ' বুলি চাৰিবাৰ গাব লাগে। এইদৰে নামছন্দৰ ঘোষাৰ শেষ হোৱাৰ পাছতে কীৰ্তনৰ ঘোষা আচাৰ্যজনে লগাই দিব আৰু পালিকসকলে তাকে ধৰি যাব। যেনে—ঘোষা—'জয় হৰি গোবিন্দ, নাৰায়ণ ৰাম কেশৱ হৰি ৰাম ৰাম কেশৱ হৰি।' পদ— 'প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন/সৰ্বঅৱতাৰৰ কাৰণ নাৰায়ণ/তযু নাভি কমলত ব্ৰহ্মা ভৈলা জাত/যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত/মৎস্যৰূপে অৱতাৰ ভৈলা প্ৰথমত/উদ্ধাৰিলা চাৰি বেদ প্ৰলয় জলত/, ১। সত্যব্ৰত ৰজাক দেখাইলা নিজ মায়া/নধৰিলা সমুদ্ৰে তোমাৰ মৎস্য কায়া/কূৰ্ম অৱতাৰ ভৈলা ক্ষীৰো দধি তীৰে লক্ষ প্ৰহৰৰ পন্থ ভুৰিলা শৰীৰে। ২। কৰিলেক পৰি তুতি সুৰা সুৰ নাগে/ধৰিলা মন্দৰ গিৰি প্ৰভু পৃষ্ঠি ভাগে। দিব্য যজ্ঞ বৰাহ ৰূপে ভৈলা ভূমি/লীলায়ে দন্তৰ অগ্ৰে উদ্ধাৰিলা ভূমি, ৩। তোমাক কৰিলে যুদ্ধ হিৰণ্যাক্ষ বীৰি/অপ্ৰয়াসে দৈত্যক মাৰিলা দাপ্তে

ছিড়ি/আদি দৈত্য হিৰণ্যকশিপু বলিয়াৰ/নৰসিংহ ৰূপে হিয়া বিদাৰিলা তাৰ, ৪। কৰিলা নিৰ্ভয় পাইলা ত্ৰিদশে উল্লাস/ভক্ত প্ৰহ্লাদক প্ৰভু কৰিলা আশ্বাস/বামনস্বৰূপে আদিতিৰ বাক্য পালি/ইন্দ্ৰক থাপিলা ছলে বলিক নিকালি, ৫। ত্ৰৈলোক্যক আক্ৰমিলা চৰণৰ গতি/তযু পদোদক গঙ্গা ভৈল উৎপত্তি'— ইয়াৰ পাছতে সামৰণি পৰ্ব। এই পৰ্বত আচাৰ্যজনে 'ৰাম ৰাম, ৰাম ৰাম, ৰাম, ৰাম, ৰাম'—এই বুলি চাৰিবাৰ— 'হৰি ৰাম ৰাম ৰাম ৰাম' বুলি চাৰিবাৰ 'কৃষ্ণ ৰাম, কৃষ্ণ ৰাম/বুলি চাৰিবাৰ— 'ৰাম, ৰাম, ৰাম', ৰাম, ৰাম, ৰাম, ৰাম, ৰাম, ৰাম, ৰাম, ৰাম, বুলি গাই এচাপৰ মাৰিব লাগে। এই সামৰণি পৰ্বৰ পাছত আচাৰ্যজনে ক'ব— 'ওঁ হৰি' পালিসকলে তেতিয়া ক'ব— 'ওঁ ৰাম।' ইয়াৰ পাছত হৈ যোৱা দুপৰীয়াৰ প্ৰসঙ্গৰ নামত অবাঞ্ছিতভাৱে হ'ব পৰা দোষ-ত্ৰুটিৰ বাবে ভগৱানৰ ওচৰত ক্ষমা মাগিব লাগে এনেদৰে ঃ 'ঘোষা অপৰাধ মৰিষণ তযু নাম নাৰায়ণ/জানি নামে পশিলো শৰণে/আনগতি নাহিকে মৰণ/অপৰাধ ক্ষমা কৰি তুমি দয়াশীল হৰি/মোৰ ৰক্ষা কৰিও চৰণে।' তাৰ পাছত ভাগৱত পাঠ কৰিব লাগে পাঠকে এক অধ্যায়। পাঠৰ মাজতে মৰ্মাৰ্থ বাইজক তেওঁ বুজাই দিবও লাগে। তাৰ পাছত উপদেশ গাব লাগে। যেনে—'শুনা সভাসদ দ্বিতীয় স্কন্ধৰ/এক চিত্তে চৰণ চিন্তিয়ো গোবিন্দৰ/আন দেৱ ধৰ্ম তেজিধৰা গুণ নাম/শংকৰে ৰচিলা ডাকি বোলা ৰাম ৰাম/শুনা সভাসদ সৱ যুগুটি বচন/হৰি ভকতিৰ আবে জানিবা শ্ৰৱণ/মহন্তৰ মুখে কথা শুনা প্ৰথমত/তেবেসে পুৰুষে পাই ভকতিৰ তত্ত্ব/কথা শুনিলেসে গুচে মনৰ সংশয়/কৃষ্ণৰ সেৱাত ৰতি তেবেসে বাঢ়য়/জানি হৰি কথা শুনা মহন্তৰ মুখে/বোলা ৰাম ৰাম তেবে পৰিবাহা সুখে//০//'—ডেৰপৰীয়া প্ৰসঙ্গৰ ইমানতে সামৰণি পৰে। আবেলি প্ৰসঙ্গত প্ৰথমতে আচাৰ্যজনে এটা বৰগীত গাব লাগে। এই বৰগীতটো— 'আশোৱাৰী, ধনশ্ৰী, গৌৰী ভাটিয়ালী, বসন্ত, সুহাই, বেলোৱাৰ আদি ৰাগৰ হ'ব লাগে। এই ৰাগৰ গীত গাব নোৱাৰিলে— 'কৃষ্ণ শংকৰ গুৰু হৰি ৰাম ৰাম বুলিলেও হয়। তাৰ পাছত নান্দী ঘোষা একাকি গাব লাগে। যেনে—'কৃষ্ণ ৰাম, কৃষ্ণ ৰাম/কৃষ্ণ ৰাম, কৃষ্ণ ৰাম/কৃষ্ণ কৃষ্ণ ৰাম জয় জয় ৰাম'/কৃষ্ণ কৃষ্ণ ৰাম জয় জয় ৰাম/কৃষ্ণ কৃষ্ণ ৰাম জয় ৰাম কৃষ্ণ ৰাম জয় ৰাম' বুলি হাতৰ চাপৰ মাৰিব লাগে। 'জয় জয় ৰাম' বুলি চাৰিবাৰ গাই হাতৰ চাপৰ মাৰি গাব—'কৃষ্ণ হৰি ৰাম হৰি ৰাম ৰাম/অনন্ত অচ্যুত সনাতন নাৰায়ণ প্ৰাণ।' তাৰ পাছতে ঘোষা গাব লাগে আচাৰ্যজনে—'যাদৱ যদু নন্দন মাধৱ মধু সূদন/তুমি নিত্য নিৰঞ্জন নাৰায়ণ তোমাত লৈলো শৰণ। চাৰিবাৰ গাব লাগে। তাৰ পাছতে গাব লাগে 'ইবাৰ কৰুণা হৰি কমলা পতি; মোৰে ন ছাড়িবা নাৰায়ণ/অৰুণ চৰণ তলে হৰি

কমলা পতি; সত্যে সত্যে পশিলো শৰণ//২//' চাৰিবাৰ গাব লাগে। তাৰ পাছত আকৌ সুৰ লগাই— 'হৰি চৰণত শৰণ লৈলো, এ হৰি নাৰায়ণ। মানৱী জন্ম সাম্ফল কৈলো এ হৰি নাৰায়ণ//৩//' চাৰিবাৰ গাব লাগে। একেদৰে আচাৰ্যজনে পুনৰ চাৰিবাৰ গাব লাগে— গোপাল গোবিন্দ যদু নন্দন/কৃষ্ণৰ চৰণে লৈলো শৰণ//৪//' পুনৰ গাব লাগে চাৰিবাৰ আচাৰ্যজনে— 'ৰাঘৱৰ অভয় চৰণে সত্যে সত্যে পশিলো শৰণ//১//' এয়া গাই আকৌ 'ৰাম চৰণে শৰণ লৈলো/মানৱী জীৱন সম্ফল কৈলো//২//'। এনেদৰে— 'হৰিও হৰি চৰণ লাগে/অভয়চৰণ শৰণ মাগো//৩//' চাৰিবাৰ গাব লাগে। শেষত পুনৰ চাৰিবাৰ গাব লাগে এনেদৰে— 'ৰাম ৰঘুপতি ৰঘু নন্দন/তোমাৰ চৰণে লৈলো শৰণ//৪//' তাৰ পাছত আৰু কিছু ঘোষা গাই আচাৰ্যজনে কীৰ্তনৰ ঘোষা এটা গাব লাগে। কীৰ্তনৰ ঘোষা গোৱাৰ পাছতে ডেৰপৰীয়াৰ (দুপৰীয়া) প্ৰসঙ্গৰ সামৰণি পৰ্বৰে আবেলিৰ প্ৰসঙ্গৰ সামৰণি পৰ্ব পালন কৰে। ইয়াৰ পাছতে পাঠকে জয় দিব— 'জয় ৰাম'/পালিসকলে তাকে ক'ব— 'জয় ৰাম'/পাঠকে ক'ব— 'জয় নাৰায়ণ'/পালিসকলেও ক'ব তাকে। পাঠকে ক'ব— 'জয় শংকৰ গুৰু'/পাছত পালিসকলেও তাকে ক'ব। একেদৰে পাঠকে ক'ব— 'ওঁ হৰি' পালিসকলে পাছত ক'ব 'ওঁ ৰাম'। পাঠকে ক'ব— 'ওঁ ৰাম'/পালিসকলে ক'ব— 'ওঁ হৰি।'

তাৰ পাছৰ পৰ্ব 'অপৰাধ মৰিষণ' দুপৰীয়াৰ প্ৰসঙ্গৰ দৰে কৰিব লাগে। এই পৰ্বৰ পাছত ভাগৱত পাঠ কৰিব লাগে পাঠকে। তাৰ পাছত উপদেশ গাব লাগে। ইমানতে আবেলিৰ প্ৰসঙ্গ সমাপ্ত হয়।

গধূলিৰ প্ৰসঙ্গত প্ৰথমে আৰতি পৰ্ব পালন কৰিব লাগে। তাৰ পাছত গুণমালা গাব লাগে। এই গুণমালা গোৱাৰ অৰ্থ হ'ল—কাল সন্ধ্যাত যাতে পৃথিৱীৰ মানৱ জাতিক পাপে আবৃত্ত কৰিব নোৱাৰে। এই গুণমালা গোৱাৰ আৰ্হিত আছে ক্ৰমে এটাকৈ বৰ ভটিমা, গুণমালা, লীলা মালা, পেয় টোটা আৰু উপদেশ।

তাৰ পাছতে আচাৰ্যজনে পালিসকলৰ সহযোগত আবেলিৰ প্ৰসঙ্গৰ দৰে সামৰণি পৰ্ব; 'ওঁ হৰি', 'ওঁ ৰাম' বুলি জয় দিয়া পৰ্ব আৰু অপৰাধ মাৰ্জনাৰ পৰ্ব পালন কৰিব লাগে। তাৰ পাছতে ভাগৱত পাঠ কৰিব লাগে। এই প্ৰসঙ্গবোৰৰ প্ৰাতসৰ আৰু ডেৰপৰীয়া প্ৰসঙ্গৰ অন্তৰ্গত সাত প্ৰসঙ্গক একেলগে পুৱাৰ প্ৰসঙ্গ বোলা হয়। সেইমতে, চাৰি প্ৰসঙ্গৰ ঠাইত তিনি প্ৰসঙ্গৰ নামহে নিজ নাম প্ৰসঙ্গত বা পালনামত হয় বুলি কিছুমানে কয়।

পুৱাৰ সাত প্ৰসঙ্গ শেষ হোৱাৰ পাছত পূজাৰীয়ে নামঘৰৰ মধ্যভাগত ভাগৱত

স্থাপন কৰে। ভাগৱতক সন্মুখত ৰাখি এখন হেঙুল-হাইতাল বোলোৱা নাও স্থাপন কৰা হয়। নাৱৰ দুয়োকাষে বৈষ্ণৱ ভকতসকল মান্যানুসাৰে শাৰীপাতি বহি নাম গায়। এইবোৰৰ প্ৰতিটো বস্তু প্ৰতীকধৰ্মী। সন্মুখৰ মণিকূট বৈকুণ্ঠ, ভাগৱত হ'ল হৰিৰ প্ৰকৃত ৰূপ। মায়াময় সংসাৰ সাগৰৰ পৰা মুক্ত আত্মাই পৰমাত্মা লাভৰ বাবে নাৱত উঠি নামৰ জৰিয়তেহে সম্ভৱ।

পালনামৰ আৰম্ভৰ আনুষ্ঠানিক পৰ্বসমূহ সম্পন্ন হোৱাৰ পাছত ভকতসকলে পাল পাতি নাম আৰম্ভ কৰে। বৈষ্ণৱ ভকতসকলৰ প্ৰতিশাৰী ভকত থকা বাসস্থানক 'হাতী' বোলে। আউনীআটী সত্ৰ পূব-পশ্চিম, উত্তৰ আৰু দক্ষিণ দিশত চাৰিটা হাতী আছে। কিন্তু দক্ষিণ হাতীত ভকত কম হোৱা বাবে আনকেইটি হাতীত যোগ হৈ পালনাম গায়। গতিকে চাৰিটা হাতী গৈ তিনিটা হাতীত পৰিণত হয়। নিৰ্ধাৰিত সময়মতে তিনি পালৰ প্ৰতি পাল হাতীয়ে এপালকৈ নাম গায় প্ৰতিপালৰ নাম শেষ হোৱাৰ লগে লগে সত্ৰাধিকাৰ, ডেকা সত্ৰাধিকাৰ আৰু গোবিন্দপুৰীয়া আহি নামত সেৱা লয়। প্ৰথমৰ পৰা চতুৰ্থ নিশালৈ এনেদৰে পালনাম পুৱা ১০-৩০ বজাৰ পৰা বিয়লি ৪ বজা মানলৈ চলে। পঞ্চ দিনা পালনামৰ আচল দিন আৰু সেইদিনা গোটেই দিন আৰু ৰাতি জুৰি পালনাম চলে বিৰামহীনভাৱে। আন চাৰি দিনৰ দৰে সেইদিনা প্ৰতিপালত গুৰুসকলে সেৱা লয়হি। দিনৰ দৰে ৰাতি তিনি পাল নাম শেষ হোৱাৰ লগে লগে তিনিওটা হাতীৰ ভকতসকলে একেলগ হৈ সমূহীয়া নাম আৰম্ভ কৰে। সেই সময়তে সত্ৰাধিকাৰৰ হৈ ধনভঁৰালীয়ে সত্ৰৰ হৈ নাম লৈ শৰাই আগবঢ়ায়। নামঘৰৰ টুপত বিষ্ণুৰ বাহন গড়ুৰ পক্ষী থকা ঠাইত ধনভঁৰালীৰ কৰ্মচাৰীয়ে এক নিৰ্দিষ্ট এলেকা ৰচি দি সংৰক্ষিত কৰে। সেই ঠাই মচাৰ পাছত তাত ধনভঁৰালীয়ে শৰাই স্থাপন কৰে। এইদৰে সমূহীয়াভাৱে ভকতসকলৰ পালনাম চলি থকা সময়তে পুৱা হ'বলৈ এক-ডেৰঘণ্টামান বাকী থাকোঁতে ডেকা সত্ৰাধিকাৰ গোবিন্দপুৰীয়া আৰু সত্ৰৰ আন বিষয়ববীয়াসহ সত্ৰাধিকাৰে মূৰত ভাগৱত আৰু কৰণীত শালগ্ৰাম লৈ মণিকূটীয়া পূজাৰীৰ পাছে পাছে নামঘৰলৈ ওলাই আহে আৰু প্ৰদক্ষিণ পৰ্ব পালন কৰে। এই প্ৰদক্ষিণৰ দৃশ্য ৰব মনোৰম আৰু আধ্যাত্মিক ভাৱগধুৰ। নাম ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰি চাৰিবাৰ প্ৰদক্ষিণ কৰে। তাৰ পাছত সত্ৰাধিকাৰসকলে শৰাই সজাই থোৱা স্থানত উপস্থিত হৈ এক বস্ত্ৰে দণ্ডৱত সেৱা জনায়। আশীৰ্বাদীয়াই চৰতিয়া আশীৰ্বাদ প্ৰদান কৰে। সেই সময়ত হেজাৰ হেজাৰ বৈষ্ণৱ ভক্তৰ উপস্থিতিত প্ৰদান কৰা আশীৰ্বাদত দেৱ-দেৱতা, গ্ৰহ-নক্ষত্ৰ, প্ৰকৃতিৰ জীৱ-জন্তু, গছ-গছনি বিশ্বৰ মানৱজ্যোতি, বৈষ্ণৱ ভক্ত আদি সকলোকে সম্বোধন

কৰি আশীৰ্বাদ প্ৰদান কৰে। ষষ্ঠদিনা মাহৰ সংক্ৰান্তি। সেইদিনা পুৱাৰ প্ৰসঙ্গৰ পাছত হোৱা দিনতীয়া সবাহত দিহা নাম, গায়ন-বায়নৰ নৃত্য আৰু অনুষ্ঠান পৰিবেশন আদিৰে পালনামৰ সামৰণি পৰে। এই পালনামৰ কেইদিনত 'কীৰ্তন' পুথি আৰু 'নামঘোষা' পাঠ কৰা হয়। এই পালনামৰ বিষয়ে বিবৰণ দি লিখক কমল দত্তই কয় ঃ 'কাতি মাহ সোমোৱাৰ লগে লগে মাজুলীত পালনামৰ বতাহ ববলৈ আৰম্ভ কৰে। মানুহৰ লগতে গাড়ী-মটৰ, দোকান-পোহাৰ আদিত ব্যস্ততা আৰম্ভ হয় বছৰৰ পালনামক আদৰিবলৈ। ইফালে সত্ৰৰ ভকতসকলৰ লগতে মাজুলীৰ চুকে-কোণে গাঁৱৰ প্ৰতিঘৰে চিৰা-পিঠা, চাউল-দাইল গোটাই দূৰ-সুদূৰৰ পৰা পালনাম চাবলৈ অহা আত্মীয়-কুটুমক আৰু অতিথিক আদৰিবলৈ।' নানা জাতি-জনজাতিৰ লোকেৰে লোকাৰণ্য হোৱা এই বিখ্যাত আউনীআটী সত্ৰৰ পালনাম ঐক্য, সংহতি আৰু সমন্বয় ৰক্ষাৰো এক অনুষ্ঠান বুলিব পাৰি। এই আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামীৰ মতে ব্ৰহ্ম সংহতিৰ অন্তৰ্গত সত্ৰসমূহত পালনাম তিনি দিন আৰু বাকীবোৰত এদিন উদ্‌যাপিত হয়।

বৈষ্ণৱ সত্ৰ নামঘৰসমূহত পালনামৰ নাম প্ৰসঙ্গত আইসকলেও সুকীয়াকৈ নাম প্ৰসঙ্গ কৰে।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অন্তৰ্গত বৈষ্ণৱ ধৰ্মানুষ্ঠানসমূহত পালিত পালনাম ঃ

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ একশৰণ ভাগৱতী ধৰ্মৰ প্ৰৱৰ্তক। তেৰাই নাম ধৰ্ম প্ৰচাৰৰ অৰ্থে বাৰজন আতাক নিৰ্মালি দি আচাৰ্য পাতি লোকসমাজত শৰণ-ভজন দিবৰ কাৰণে মহন্ত পাতিলে। মহাপুৰুষজনাৰ জীৱন কালত আৰু পৰৱৰ্তী সময়ত অসমৰ অনেক ঠাইত সত্ৰ-নামঘৰ প্ৰতিষ্ঠা হ'ল। কিন্তু পৰৱৰ্তী সময়ৰ সত্ৰ-নামঘৰসমূহত গুৰুজনাই প্ৰচলন কৰাৰ সলনি বেলেগ আচাৰ-নীতি সোমাল আৰু নিত্য প্ৰসঙ্গই প্ৰণালীৰ স্বৰূপৰ পৰিবৰ্তন ঘটিল। গুৰুজনাৰ আদৰ্শ বা লক্ষ্যৰ এনেদৰে চুৰমাৰ হৈ পৰা অৱস্থাত তাৰে এখন ঐক্যবদ্ধ সমাজ গঢ়া অসম্ভৱ বুলি ভাবি ১৯৩৬ চনত লক্ষ্মীনাথ বেজবৰুৱাকে আদি কৰি অসমত কেইবাজনো গুণী-জ্ঞানী লোকে প্ৰতিষ্ঠা কৰে 'শ্ৰীমন্ত শংকৰদেৱ সংঘ'। সংঘই প্ৰসঙ্গ ব্যৱস্থা এক কৰিবলৈ শাস্ত্ৰৰ আলোচনা কৰি থান সত্ৰৰ প্ৰচলিত ৰীতি-নীতি জুকিয়াই সংঘৰ মূল কাৰ্যকৰী সমিতিয়ে (পদাধিকাৰ—সোণাৰাম চুতীয়া, প্ৰধান সম্পাদক—গোলক কাকতি, ৫১১ শংকৰাব্দ) এখন প্ৰসঙ্গ-প্ৰণালী যুগুতায়। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অন্তৰ্গত বৈষ্ণৱ ধৰ্মানুষ্ঠানসমূহত এই প্ৰসঙ্গ প্ৰণালীৰ অন্তৰ্গত নিয়ম-নীতিৰে নিত্য নাম প্ৰসঙ্গ চলে। পালনামতো এই নীতি-নিয়ম মতেই নিজ প্ৰসঙ্গ চলে।

'শ্ৰীমন্ত শংকৰদেৱ সংঘ'ৰ 'শংকৰ-মাধৱ আঞ্চলিক শাখা'ৰ সম্পাদক ব্ৰজেন বৰ্মন আৰু 'শ্ৰীমন্ত শংকৰদেৱ' সংঘৰ নিত্য নাম প্ৰসঙ্গৰ প্ৰকাশিত পুথি 'প্ৰসঙ্গ প্ৰণালী'ৰ ১৭শ তাঙৰণ (৫৪৯ শংকৰাব্দ)ৰ মতে সিপিঠিত 'বৈষ্ণৱ ধৰ্মানুষ্ঠানসমূহত গুৰু আসন, গুৱা-পাণ (তামোল-পাণ), শৰাই, ভাগৱত আদি থকা ঠাই আৰু বিষয়ববীয়া, ভকতসকল বহা ঠাইৰ ৰেখাংকন দিয়া হ'ল ঃ

'শ্ৰীমন্ত শংকৰদেৱ সংঘ'ৰ নিত্য প্ৰসঙ্গৰ ক্ৰম সংক্ষেপে উল্লেখ কৰা হ'ল ঃ

(ক) প্ৰাতঃ প্ৰসঙ্গ ঃ সময় প্ৰত্যুষৰ পৰা পুৱা ৮ বজালৈ। সময় অনুসৰি চলন বা জাগৰণৰ বৰগীত গাব আচাৰ্যজনে। (১) ভটিমা, (২) বৰগীত— (শ্যাম, কৌ, কল্যাণ, অহিৰ আদি যি কোনো ৰাগৰ এটা বৰগীত গাব। সকলো বৰগীত গাওঁতে প্ৰথমে ৰাগ দিব লাগিব। সকলো ৰাগতে 'কৃষ্ণ শংকৰ গুৰু হৰি ৰাম ৰাম' বুলি ৰাগ দিব।) (৩) কৃষ্ণ ডাকিব (তাল নবজাব), (৪) (ক) ঘোষা— (তাল বজাই ঘোষা ছন্দ বা কাৰণ ছন্দ গাব। (খ) দিহা-সুৰীয়া ঘোষা—(তিনিটা ঘোষাৰ যি কোনো এটি গাব), (৫) কীৰ্তন—(তাল প্ৰথমাংশত নবজাব আৰু বাকী অংশত বজাব। (৬) সামৰণি—(তাল নবজাব), (৭) জয়—(নামাচাৰ্য আৰু পালিসকলে ক'ব), (৮) অপৰাধ মাৰ্জনাৰ প্ৰাৰ্থনা, (৯) পুনঃ হৰিধ্বনি, (১০) উপদেশ, (১১) পুনঃ হৰিধ্বনি (১২) সামৰণিৰ গুৰু বন্দনা (সমজুৰাভাৱে) (১৩) পুনঃ হৰিধ্বনি (১৪) সৰ্বশেষত— (১) ভাগৱত, (২) সমাজলৈ সেৱা জনাই প্ৰাতঃ প্ৰসঙ্গৰ সামৰণি মাৰিব।

(খ) দুপৰৰ বা ডেৰ পৰৰ প্ৰসঙ্গ ঃ (পুৱা ৮ বজাৰ পৰা ১২ বজাৰ ভিতৰত শেষ কৰিব)

(১) বৰগীত—(শ্যাম, কৌ, কল্যাণ অহিৰ আদি যি কোনো ৰাগৰ এটি বৰগীত গাব। পুৱা জাগৰণৰ গীত গালে দুপৰীয়া চালনৰ গীত গাব। দুপৰীয়া জাগৰণৰ গীত গাব নালাগে)। (২) কৃষ্ণ ডাকিব—(প্ৰাতঃপ্ৰসঙ্গৰ দৰে), (৩) (ক) ঘোষা— (প্ৰাতঃপ্ৰসঙ্গৰ দৰে নাম ছন্দ বা শৰণ ছন্দৰ অন্তৰ্গত ঘোষা তাল বজাই গাব লাগে) এই নাম বা শৰণ ছন্দৰ ঘোষা প্ৰাতঃপ্ৰসঙ্গতকৈ বেলেগ। (খ) দিহা সুৰীয়া ঘোষা ঃ এভাগ গাব। (৪) কীৰ্তন— তাল নবজাব প্ৰথমাংশত। বাকী অংশত বজাব। (৫) সামৰণি ঃ (প্ৰাতঃপ্ৰসঙ্গৰ দৰে)। (৬) জয়ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে)। (৭) অপৰাধ মাৰ্জনাৰ প্ৰাৰ্থনা ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে)। (৮) পুন হৰিধ্বনি ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে), (৯) উপদেশ, (১০) পুনঃহৰিধ্বনি ঃ (প্ৰাতঃপ্ৰসঙ্গৰ দৰে), (১১) সামৰণিৰ গুৰু বন্দনা ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে), (১২) পুনঃ হৰিধ্বনি ঃ (প্ৰাতঃপ্ৰসঙ্গৰ দৰে), (১৩) সৰ্বশেষত ঃ (প্ৰাতঃপ্ৰসঙ্গৰ দৰে)।

(গ) বিয়লিৰ প্ৰসঙ্গ ঃ (সময় ঃ দিনৰ ১২ বজাৰ পৰা সূৰ্যাস্ত পৰ্যন্ত), (১) বৰগীত ঃ (ৰাগ ঃ আশোৱাৰী, ভাটিয়ালী ধনশ্ৰী আদি), (২) কৃষ্ণ ডাকিব ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে) (৩) (ক) ঘোষা ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে নাম ছন্দ বা শৰণ ছন্দৰ ঘোষা গাব) (খ) দিহী ঃ সুৰীয়া ঘোষা ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে), (৪) কীৰ্তন, (৫) সামৰণি ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে), (৬) জয় ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে), (৭) অপৰাধ মাৰ্জনাৰ প্ৰাৰ্থনা ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে), (৮) পুনঃ হৰিধ্বনি ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে), (৯) উপদেশ, (১০) পুনঃ হৰিধ্বনি ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে), (১১) সামৰণি বন্দনা ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে), (১২) পুনঃ হৰিধ্বনি ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে), (১৩) সৰ্বশেষতঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে)।

(ঘ) সন্ধ্যা প্ৰসঙ্গ (সূৰ্যাস্তৰ পৰা ৰাতি ৯ বজালৈকে— (১) গুৰু ভটিমা, (২) দেৱ ভটিমা, (৩) গুণমালা, (৪) টোটয়, (৫) চপয়, (৬) লীলামালা, (৭) বৰগীত (ৰাগ-আশোৱাৰী, ধনশ্ৰী, বসন্ত, ভাটিয়ালী আদি), (৮) কৃষ্ণ ডাকিব ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে), (৯) (ক) ঘোষা ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে,) (খ) দিহা-সুৰীয়া ঘোষা ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে), (১০) কীৰ্তন ঃ (দুই ভাগৰ যি কোনো এভাগ গাব), (১১) সামৰণি ঃ প্ৰাতঃ প্ৰসঙ্গৰ দৰে, (১২) জয় ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে), (১৩) অপৰাধ মাৰ্জনাৰ প্ৰাৰ্থনা ঃ (প্ৰাতঃপ্ৰসঙ্গৰ দৰে), (১৪) পুনঃ হৰিধ্বনি ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে), (১৫) উপদেশ, (১৬) পুনঃ হৰিধ্বনি ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে). (১৭) সামৰণিৰ গুৰু বন্দনা ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে), (১৮) পুনঃ হৰিধ্বনি ঃ (প্ৰাতঃ প্ৰসঙ্গৰ দৰে) (১৯) সৰ্বশেষত ঃ (প্ৰাতঃপ্ৰসঙ্গৰ দৰে)।

ওপৰঞ্চি— (বৰগীত)

(১) ৰাগ-শ্যাম (তালপাৰি)

(২) ৰাগ-আশোৱাৰী (তালপাৰি)

(খ) ঘোষা, (গ) দিহাসুৰীয়া ঘোষা, (ঘ) কীৰ্তন—(পাঁচ ঘোষা), (ঙ) উপদেশ—দুই ভাগ।

এই সংঘৰ অন্তৰ্গত বৈষ্ণৱ ধৰ্মানুষ্ঠানৰ পালনামত ভাগৱত পাঠো হয় যদিও সেয়া প্ৰসঙ্গৰ অংগ নহয়। কিন্তু বৈষ্ণৱ ধৰ্মত পালনাম ইয়াৰ নাম প্ৰসঙ্গ বা আন আনুষ্ঠানিক পৰ্বসমূহৰে বিৰামহীন বা অখণ্ডভাৱে চলাৰ ব্যৱস্থাৰ আগতেও সনাতন হিন্দু ধৰ্মত খণ্ডিত ৰূপত অনুৰূপ পালনামৰ দৰে অনুষ্ঠানৰ ব্যৱস্থা আছিল। অৱশ্যে এই পৰ্বসমূহ বৰ্তমানেও সম্পূৰ্ণ লোপ পোৱা নাই। এই পৰ্বসমূহৰ উল্লেখ, তাৰ উপাদানৰ পালনামত পৰিব পৰা সম্ভাব্য প্ৰভাৱ আৰু এইবোৰৰ বিভিন্ন দিশৰ পালনামৰ সৈতে থকা মিলসমূহ তলত উল্লেখ কৰা হ'ল—

লখিমী সবাহ : লখিমী সবাহত ধন-ঐশ্বৰ্যৰ গৰাকী লক্ষ্মীদেৱীক পূজা সেৱা কৰি খেতিৰ ফচল বৃদ্ধি, শস্যৰ নানা ৰোগ, ইয়াত হ'ব পৰা পোক-পৰুৱাৰ উপদ্ৰৱ নাশৰ কামনা কৰা হয়। খেতি আৰম্ভ কৰাৰ সময়ত, খেতিৰ ভৰপক সময়ত পালন কৰাৰ উপৰি এই পৰ্ব খেতি উঠিলে শস্য ভৰি পৰাৰ আনন্দত আৰু লক্ষ্মীদেৱীৰ কৃতজ্ঞতাৰ চিনস্বৰূপে এই উৎসৱ পতা হয়। একেদৰে পালনামো ধন-ঐশ্বৰ্য বা সমৃদ্ধি বৃদ্ধিৰ কামনাৰে পতা উৎসৱ। নামনি অসমৰ সলনি উজনি অসমত অধিক প্ৰচলন থকা এই উৎসৱত জনবিশ্বাস প্ৰচলিত আছে খৰালি মাহকেইটাত লক্ষ্মীদেৱীয়ে পথাৰত নাথাকি নৈত বা পানীত আশ্ৰয় লয় বুলি। সেই কাৰণে খৰালি মাহত এই উৎসৱ পাতিলে উৎসৱৰ দিনা নৈ বা কুঁৱাৰ পৰা পানী তুলি আনি লক্ষ্মীদেৱীক ঘটত স্থাপন কৰা হয়। খেতি চপোৱাৰ দিনা এই উৎসৱ পাতিলে প্ৰথম ধানত কাচিখন লগাবৰ দিনাই তিনি গোচা ধান কাটি আনি আগলি কলপাতত দি তামোল-পাণ-ধূপ নৈবেদ্য আদিৰে সেৱা জনাই লক্ষ্মী আই জ্ঞান কৰি উঁৰালত থোৱা হয়। পালনামতো সনাতন হিন্দু ধৰ্মত ভাগৱত বা আন পুথি স্থাপন কৰা ঠাইত নৈবেদ্য পাতি ফুল-তুলসী-বেলপাত আদিৰে পূজা সেৱা কৰা হয়। এই লখিমী সবাহত আই লক্ষ্মীক উদ্দেশ্যি প্ৰশস্তিমূলক গীত আই বা নামতীসকলে গোৱাৰ দৰে পালনামতো আইসকলে ধৰ্মীয় গীত পদ গায়।

শীতলা পূজা : আই নাম— গাঁৱত বসন্ত ওলালে ৰাজহুৱাভাৱে বা যিঘৰত মানুহৰ গাত আই ওলায় তেওঁলোকৰ ঘৰত শীতলা পূজা পাতি এই ৰোগ আঁতৰ হোৱাৰ কামনা কৰা হয়। বসন্ত ৰোগৰ গৰাকী 'আই শীতলা' বুলি গণ্য কৰা হয়। তেনেদৰে পালনামো অপায়-অমঙ্গল নাশৰ লগতে ৰোগ-ব্যাধি আদি দূৰ কৰাৰ কামনাৰে পতা হয়। বসন্ত ৰোগে দেখা দিয়া গাঁও বা ৰোগীৰ ঘৰত আগলতি কলপাত বা নতুন কাপোৰেৰে ঢকা কাঠৰ পীৰাৰ ওপৰত চাউল বা বগা ফুল দি এখন আসন সজায় আৰু আগত ধূপ-ধূনা নৈবেদ্যাদি দি তিৰোতাবোৰে ভক্তিভাৱে ৰোগী বা ৰাইজৰ মঙ্গলৰ হকে স্তুতি-মিনতি কৰে : "আইকে প্ৰণাম কৰো/দুই চৰণে ধৰো/আইৰ চৰণত ভক্তি কৰি/সুখ সাগৰক তৰো//পালনামতো সেইদৰে মণিকূটত হৰিৰ আসন বা বিগ্ৰহৰ আগত আৰু ঠগা পাতি তাত ধৰ্মপুথি ৰাখি ধূপ-ধূনা দি পুষ্পাৰ্ঘ্য যাচি, নৈবেদ্য দি মঙ্গল কামনা কৰি নাম প্ৰসঙ্গ কৰা হয়। আইনামবোৰৰ মাজেদি অসমীয়া সমাজ জীৱনৰ ঘৰুৱা চিত্ৰ প্ৰকাশ পোৱাৰ লগতে অসমীয়া জাতীয় বৈশিষ্ট্যও সুন্দৰভাৱে ফুটি ওলায়। পথাৰ, নদী, পাহাৰ-পৰ্বত আদিৰ অনুপম দৃশ্যৰে ভৰপূৰ এই আইনামবোৰ। তেনেদৰে পালনামৰ আইসকলৰ মুখৰ নামবোৰতো

কৃষ্ণৰ পালিত পিতৃ নন্দৰাজৰ ৰাজ্য ব্ৰজধামৰ ঘৰুৱা চিত্ৰ, শ্ৰীকৃষ্ণই গৰু চৰোৱা পথাৰ, পাহাৰ-পৰ্বত, নদ-নদীৰ দৃশ্যৰ বৰ্ণনা আছে। সেয়ে ক'ব পাৰি আইনামসমূহৰ দৰে পালনামৰ গীতসমূহো সাহিত্যিক আৰু সাংস্কৃতিক গুণধৰ্মী। আইনামসমূহৰ দৰে পালনামৰ গীতসমূহকো কবিতা বুলি ক'ব পাৰি।

অপেচৰীৰ সবাহ ঃ সৰু ল'ৰা-ছোৱালী অকাৰণত শুকাই-খীণাই গ'লে চকু-মুখ বেঁকা কৰি ওপৰলৈ চাই থাকিলে, হাত-ভৰি পয়াঁলগা ৰোগীৰ দৰে বিকল হ'লে অপেচৰীয়ে দোষে ধৰা বুলি ভবা হয়। সেই বিসঙ্গতিবোৰ আঁতৰোৱাৰ কাৰণে অপেচৰী সবাহ পাতি আইসকলে ভক্তিভাৱে নাম গায়। এই সবাহত অসুখ হোৱা ল'ৰা-ছোৱালীৰ ঘৰৰ চোতালত দুপৰীয়া সেন্দুৰ, ফুল আৰু পিঠাগুৰিৰে তিনিটা এককেন্দ্ৰিক বৃত্তৰ মণ্ডল সাজি তাৰ ভিতৰত নখন আগলতি কলপাত পূবমুৱাকৈ পাৰি অপেচৰাৰ বাবে আসন পতা হয়। অপেচৰাই জলকেলী আৰু বিচৰণ কৰিব পৰাকৈ আসনৰ সোঁফালে মাটিত দুটি কৃত্ৰিম পুখুৰী কান্দি সেন্দুৰেৰে এটা আলি সাজি দিয়ে। পূজাৰ বাবে তিনিজনী বা পাঁচজনী অকুমাৰী ছোৱালী গা-পা ধুৱাই নতুন সাজ-পাৰ, নৈবেদ্য আদি আগবঢ়াই আইসকলে নাম আৰম্ভ কৰে ঃ 'সোণৰে একডালি জৰি ৰূপৰে একডালি জৰি/আকাশৰে পৰা নামে অপেচৰা হাতত ধৰা ধৰি কৰি//' এই গীতবোৰৰ মাজেদি ভক্তৰ হৃদয়ৰ সৰলতা আৰু আকুলতা সুন্দৰকৈ প্ৰকাশ পায়। অপেচৰী সবাহত উদ্দেশ্য আৰু ইয়াৰ নামবোৰৰ বিষয়-বস্তু, আঙ্গিকৰ পালনামৰ সৈতে মিল চকুত পৰা। অকুমাৰী পূজা-অকণিবুৰী পূজা আদিৰ লগতো পালনামৰ অনেক বিষয়ৰ মিল চকুত পৰা।

গৰখীয়া সেৱা ঃ গোষ্ঠাষ্টমীত গৰুক পূজা সেৱা কৰাৰ দৰেই ইয়াক (গৰু চৰোৱা গৰখীয়াসকলকো পূজা সেৱা কৰা ৰীতি প্ৰচলিত আছে। বৰগৰখীয়া গৰখীয়াসকলৰ এটা দলৰ মুৰব্বী। তেওঁ গৰখীয়াসকলৰ ৰজা স্বৰূপ। কেইবাজনো ৰজা আদিতে গৰখীয়া আছিল। যেনে—কোঁচ ৰাজ্য প্ৰতিষ্ঠাতা ৰজা বিশ্বসিংহ, ৰজা নীতিপাল, বামুণী কোঁৱৰ। ভগৱানৰ অৱতাৰ শ্ৰীকৃষ্ণ আদিতে গৰখীয়াহে আছিল। শ্ৰীকৃষ্ণই ল'ৰালি কালতে গৰখীয়া বৃত্তিৰে কৰ্ম সংস্কৃতি ৰক্ষা কৰাই নহয় বকাসুৰ বধ, অঘাসুৰ বধ, গোবৰ্ধন ধাৰণ, কালীয় দমনৰ দ্বাৰা দুষ্টক দমন, শান্তক পালনেৰে জগতৰ ওপৰত কুশক্তিৰ নিৰ্যাতন, অবিচাৰ, অন্যায় প্ৰতিৰোধ কৰিছে। বিপদ বিতাৰক ভগৱান শ্ৰীকৃষ্ণই জীৱনৰ পৰৱৰ্তী সময়তো কংস বধ, শিশুপাল বধকে ধৰি কুৰুক্ষেত্ৰৰ যুদ্ধত পাণ্ডৱৰ পৰামৰ্শদাতা হৈ ন্যায়েৰে জয় ঘোষণা কৰিছে। মহাৰাজ নীতিপাল, বামুণী কোঁৱৰ বিশ্বসিংহ আদিয়েও তেনে কাৰ্যতে ব্ৰতী হৈছে। গতিকে

সুদক্ষ শাসক, জননেতা হ'বলৈ যে সকলোৰে পৰা কৰ্মবীৰ আৰু সু-সংস্কৃতিৰ সম্পৰ্কত কৰ্মোচ্ছল হ'ব লাগিব তাত সন্দেহ নাই।

গৰখীয়াসকলে ৰ'দ-বৰষুণ, ধুমুহা, শিলাবৃষ্টি, শীতে-গ্ৰীষ্মই বাৰটা মাহে দুখ-কষ্ট, বিপদ-বিঘিনিকো আওকাণ কৰি গৰু চৰাবলগীয়া হয়। তেনে অৱস্থাত যদি কেতিয়াবা ভোগ-পিয়াহ লাগি মানুহৰ বাৰীত থকা পকা কল, কুঁহিয়াৰ, আনাৰছ, মধুৰিআম, আম আদি ফল-মূল খাব খুজি গৃহস্থক খোজে তেন্তে গৃহস্থই বিনাদ্বিধাই দিব লাগে। দিলে পুণ্য হয় আৰু নিদিলে বিপদ হয় বুলি বিশ্বাস কৰা হয়। আনহাতে, নিঃসন্তান দম্পতী, সৰু ল'ৰা-ছোৱালীয়ে যথা সময়ত আঁঠু কাঢ়িব নোৱাৰিলে, খোজ কাঢ়িব নোৱাৰিলে, মাত নোলালে গৰখীয়াৰ লেঠাত পৰা বুলি ধৰা হয়। তেনে অৱস্থাত গৰখীয়াইঁতক মাতি আনি মাজ চোতালত বহুৱাই হাত-ভৰি ধুৱাই, মাহ-চাউল আৰু জা-জলপান খুৱালে এইবোৰ দোষ আঁতৰে বুলি বিশ্বাস। গৰখীয়াক সমাজৰ নানান উৎসৱ পালিত মান ধৰা ব্যৱস্থা প্ৰচলিত আছে। বিয়াই-সবাহে গৰখীয়াক ভাৰ দিয়াৰ ৰীতি ঠাই বিশেষে প্ৰচলিত আছে। অবিভক্ত কামৰূপ জিলাৰ ডিমৰীয়া অঞ্চলত অৱস্থিত খালৈবাৰী গাঁৱত প্ৰতি বছৰ কাতি মাহত 'গৰখীয়া ভোগ' উৎসৱ অনুষ্ঠিত হয়। এই উৎসৱত লাডু, পিঠা, পায়স-পৰমান আদিৰে গৰখীয়া ভোগ প্ৰস্তুত কৰে আৰু গৰখীয়াসকলক পূজাৰ শেষত খুৱায়। গৰখীয়া সেৱাৰ উদ্দেশ্যৰ লগত পালনামৰ উদ্দেশ্যৰ মিল আছে। এই গৰখীয়া সেৱাত পালিত গৰখীয়াক ভোগ খুওৱাৰ দৰে পালনামতো ঠাই বিশেষে পালনাম আৰম্ভ কৰাজনক প্ৰথম আৰু শেষৰ দিনা ভোগ খুওৱাৰ ব্যৱস্থা আছে।

এইবোৰ উৎসৱ-পাৰ্বণৰ বাহিৰেও আইলা, দধি-মাখন, পঁচতি, ভঠেলী আদি উৎসৱৰ উদ্দেশ্যত, পালিত বিভিন্ন পৰ্ব, নাম আদিৰ পালনামৰ উক্ত বিষয়বোৰৰ লগত মিল আছে। কিন্তু এইবোৰৰ আলোচনা দীঘল হোৱাৰ ভয়ত উহ্য ৰখা হ'ল।

গতিকে পালনামত ওপৰত উল্লিখিত উৎসৱ পালিৰ উপাদানৰ প্ৰভাৱ পৰা যেন অনুমান হয়।

সনাতন হিন্দু ধৰ্মৰ মঠ-মন্দিৰত পালিত পালনাম ঃ

আমাৰ হাতত পৰা পালনাম পালিত অসমৰ কেইটামান মঠ-মন্দিৰৰ ইতিহাস আৰু পালনামৰ প্ৰচলন, পৰ্বৰ বৰ্ণনা দিয়া হ'ল ঃ

হৰি নাম ধ্বনিৰে মুখৰিত, জ্যোতিষ-চৰ্চাৰ প্ৰাণকেন্দ্ৰ, বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাত অৱদান আগবঢ়োৱা গড়িয়া গাঁৱৰ ঐতিহাসিক ৰূপীয় শ্ৰীশ্ৰীকালেশ্বৰী আইৰ মন্দিৰৰ পালনাম মহোৎসৱ ঃ

'ভাৰতৰ কাশী-পুৰী/দ্বাৰকা মথুৰা পুৰী/অসমৰ গন্ধিয়া গাঁও/চাই যোৱা বাটৰুৱা/পৰাণ জুৰাই যোৱা/শুনি যোৱা জুৰি গুণ গান/',

কবি শৈলধৰ ৰাজখোৱাৰ 'বৰপেটা' নামৰ কবিতাৰ মূল কবিতা ফাকিৰ প্ৰকাৰান্তৰ উপৰোক্ত ৰূপ পৰিলক্ষিত হয় নলবাৰী জিলাৰ গন্ধিয়া গাঁৱত। ইয়াৰ অন্তৰ্গত ১২টা চুবুৰি বা পাৰাৰ প্ৰতিটোতে আছে একোটাকৈ ৰাজহুৱা মন্দিৰ। বালাপাৰত আছে ইছলামধৰ্মীসকলৰ মচজিদ। এই চুবুৰিসমূহত থকা লক্ষ্মী মন্দিৰত লক্ষ্মী পূজা, কালী মন্দিৰত কালী পূজা, নৱগ্ৰহ দেৱালয়ত নৱগ্ৰহ মহাযজ্ঞ, মনসা মন্দিৰত মনসা পূজা, শিৱ মন্দিৰত শিৱৰাত্ৰি, লক্ষ্মী আৰু স্বৰ্গীয় কান্দেনী আইৰ মন্দিৰত কৃষ্ণৰ জন্মাষ্টমী, পঁচতি, সভা মহোৎসৱ আদি পূজা-উৎসৱ পালন কৰা হয়। দুৰ্গা পূজা, ৰাস মহোৎসৱ আদিতো বিশেষ পূজা মন্দিৰসমূহত কৰা হয়। নিত্য পূজা অৰ্চনা, নাম প্ৰসঙ্গৰ ধ্বনিৰে মুখৰিত মঠ-মন্দিৰসমূহৰ অস্তিত্বৰ বাবেই এই গাঁওখন বা দাঁতি-কাষৰীয়া গাঁওবোৰত মাৰিমৰক, মাৰাত্মক ৰোগ, যুদ্ধ-বিগ্ৰহ বা বিপদ-আপদ আদি কম বুলি জনবিশ্বাস। ইয়াৰ মঠ-মন্দিৰৰ দেৱ-দেৱীক কোনো কোনোৱে সোঁ শৰীৰে দেখা পাইছে বুলিও শুনা যায়। দেৱ-দেৱীৰ এনেবোৰ মাহাত্ম্যৰ বাবে এই মঠ-মন্দিৰসমূহলৈ বিশেষকৈ 'স্বৰ্গীয়া কান্দেনী আইৰ মন্দিৰ', 'মনসা মন্দিৰ' আৰু 'নৱগ্ৰহ দেৱালয়'লৈ প্ৰতিদিনে অসমৰ বিভিন্ন প্ৰান্তৰ অনেক লোকৰ আগমন হয়। 'নৱগ্ৰহ দেৱালয়'ৰ নৱগ্ৰহ মহাযজ্ঞ'ত হেজাৰ হেজাৰ লোকে আহি অংশগ্ৰহণ কৰে। বিশ্ব শান্তিৰ বাবে মাঘ-ফাগুনত আয়োজিত এই নৱগ্ৰহ মহাযজ্ঞৰ বিশেষত্ব হ'ল ইয়াত হিন্দুসকলৰ লগতে জৈন আৰু ইছলাম ধৰ্মাৱলম্বী লোকসকলেও পবিত্ৰ আহুতি প্ৰদানেৰে ধৰ্মীয় পৰ্বত ভাগ লয়। তিনিওটা ধৰ্মৰ লোকে অংশগ্ৰহণ কৰা কিজানি এইটোৱে একমাত্ৰ ধৰ্মীয় অনুষ্ঠান। স্মৰ্তব্য যে আহুতি প্ৰদানত জনজাতীয় লোকসকলেও অংশ লয়। গতিকে সম্প্ৰীতি ৰক্ষাৰ ক্ষেত্ৰত গন্ধিয়াৰ 'নৱগ্ৰহ দেৱালয়'ৰ 'নৱগ্ৰহ মহাযজ্ঞ'ই গুৰুত্বপূৰ্ণ ভূমিকা লৈছে বুলিব পাৰি। এই সম্প্ৰীতিৰ মাজতে জড়িত হৈ আছে শান্তি ৰক্ষাৰ প্ৰক্ৰিয়া। গতিকে নৱগ্ৰহ মহাযজ্ঞ আয়োজনৰ 'বিশ্ব শান্তি ৰক্ষাৰ' উদ্দেশ্য সফল হৈছে বুলিব পাৰি।

দৈৱজ্ঞ সূৰ্য বিপ্ৰসকলৰ আধিক্য গন্ধিয়া গাঁৱত লক্ষ্য কৰা যায়। এই সূৰ্য বিপ্ৰসকলৰ প্ৰায় প্ৰতিঘৰতে জ্যোতিষ-চৰ্চাৰ পৰিবেশ পৰিলক্ষিত হয়। গাঁওখনত জ্যোতিষ-চৰ্চাৰ লগত জড়িত কাৰ্যসমূহৰ লগতে গাঁৱৰ আৰু অন্যান্য গাঁৱৰ শিক্ষানুৰাগীসকলক ইয়াৰ শিক্ষা দিয়াৰ লগতে ডাকযোগেও শিক্ষা প্ৰদান কৰা হয়। অসমৰ পৰা ওলোৱা কেইবাখনো পূৰ্ণাঙ্গ পঞ্জিকাৰ গণনা কাৰ্যৰ লগত এই গাঁৱৰ

জ্যোতিষীসকল জড়িত। এই গাঁৱৰে ৰাজজ্যোতিষী প্ৰয়াত পুৰুষোত্তম ভট্টাচাৰ্যই অসমৰ সন্তান ভাৰতৰ ৰাষ্ট্ৰপতি প্ৰয়াত ফখৰুদ্দিন আলী আহমেদৰ ৰাষ্ট্ৰপতিৰ কাৰ্যকালত 'ৰাষ্ট্ৰপতি বঁটা' জ্যোতিষ কাৰ্যৰ অসীম পাৰদৰ্শিতাৰ বাবে লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্তমান সময়ৰ জ্যোতিষী ৰবীন্দ্ৰনাথ শৰ্মায়ো অসমৰ জ্যোতিষীসকলৰ মাজত এখন সু-উচ্চ আসন লাভ কৰিবলৈ সক্ষম হৈছে।

সাহিত্য-সংস্কৃতি, দেশসেৱা আদি বিষয়ত অতীতৰ পৰা বৰ্তমানলৈ নানা ধৰণে বৰঙণি যোগোৱা এই গাঁওখনত আড়ম্বৰপূৰ্ণভাৱে এইবোৰৰ সৈতে সম্পৰ্কযুক্ত উৎসৱ, দিৱস, অনুষ্ঠান আদি প্ৰতি বছৰে পালিত হয়। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত এই গাঁৱৰ সন্তান আমেৰিকাস্থিত ৰসায়ন বিজ্ঞানী ড° প্ৰমোদ লাল শৰ্মাই বিশ্বৰ বিজ্ঞানীসকলৰ মাজত স্থান দখল কৰিবলৈ সক্ষম হৈছে। তদুপৰি এই গাঁৱৰে নিবাসী প্ৰয়াত কুমুদ শৰ্মাই এসময়ত 'গণনাঘড়ী আৰু আকাশীযান' স্বৰূপ 'ফানুচ', 'উৰাজাহাজ' আদি নিৰ্মাণ কৰিছিল।

এই গন্ধিয়া গাঁৱৰ স্বৰ্গীয়া শ্ৰীশ্ৰী কান্দেনী আইৰ মন্দিৰ আনুমানিক ১৫৮৪ শকত সজা। বংগদেশৰ চৈতন্য ধৰ্ম প্ৰচাৰক চৈতন্যদেৱৰ প্ৰিয় শিষ্য চিন্তামণি মহাপ্ৰভুৱে অসমলৈ এই ধৰ্ম প্ৰচাৰৰ অৰ্থে সহধৰ্মিণী ধৰ্মেশ্বৰী দেৱী আৰু কেইজনমান শিষ্য-প্ৰশিষ্যৰে সৈতে আহি নানা ঠাইত ধৰ্ম প্ৰচাৰ কৰি এতিয়াৰ পশ্চিম নলবাৰী অঞ্চল পায়। ইয়াৰে ককয়া গাঁৱত সত্ৰ প্ৰতিষ্ঠা কৰি আহি গন্ধিয়া গাঁও পায় আৰু ইয়াৰে আম্লিবাৰী চুবুৰিত এখন সত্ৰ প্ৰতিষ্ঠা কৰে আৰু ধৰ্ম প্ৰচাৰ কৰিবলৈ লয়। ইয়াতে থাকি কিছুদিন ধৰ্ম প্ৰচাৰ কৰি তেওঁ সহধৰ্মিণী ধৰ্মেশ্বৰী দেৱীক ইয়াতে এৰি পুনৰ বঙ্গ দেশৰ নবদ্বীপলৈ উভতি যায়। তাতে তেওঁৰ মহাপ্ৰয়াণ ঘটে। এই খবৰ পাই গন্ধিয়াত থকা ধৰ্মেশ্বৰী দেৱী শোকত কান্দি-কাটি অধীৰ হয় আৰু তেনে অৱস্থাতে এদিন প্ৰাণ ত্যাগ কৰে। কান্দি কান্দি প্ৰাণ ত্যাগ কৰাৰ কাৰণে তেওঁৰ আন এটা নাম হয় স্বৰ্গীয়া শ্ৰীশ্ৰীকান্দেনী আই।

তেওঁৰ স্মৃতিত গন্ধিয়াৰ ৰাইজে অজাপাৰাত এটা তেওঁৰ নামত মন্দিৰ সাজি নাম দিয়ে 'কান্দেনী আইৰ মন্দিৰ।' আইৰ মৃত্যু তিথিত মাঘ মাহৰ শুক্লপক্ষৰ পঞ্চমী তিথিত দুদিনীয়া-তিনিদিনীয়াকৈ ইয়াত 'সভামহোৎসৱ' অনুষ্ঠিত হয়। কোনো কেঁচুৱাই কান্দি কান্দি অধীৰ হ'লে কোনো ব্যৱস্থাই কাম নকৰিলে এই মন্দিৰলৈ আহি নৈবেদ্য আগবঢ়াই সেৱা কৰিলে মুহূৰ্ততে কেঁচুৱাটিৰ কান্দোন বন্ধ হয়। তদুপৰি ইয়াত আহি পালিত পৰ্ব উৎসৱসমূহত বা এনেয়েও পূজা-সেৱা কৰিলে ভক্তৰ মনৰ কামনা পূৰণ হয়।

সোণৰ গহনা

প্ৰাচীন অসমৰ সোণৰ শিল্প এক সমৃদ্ধশালী আৰু বৈচিত্ৰ্যপূৰ্ণ শিল্প। সোণ কমোৱাৰ পৰা আৰম্ভ কৰি অলংকাৰ তৈয়াৰ কৰা, সোণাৰিশালৰ নানা কাৰ্য, সোণাৰিশালৰ লাগতিয়াল বিভিন্ন বস্তুৰ যোগান ধৰা আদি নানা পৰ্যায়ভিত্তিক এই শিল্পই সমগ্ৰ দেশতে ব্যাপকতা লাভ কৰিছিল। প্ৰাচীন অসমত নৈৰ বালিত সোণ পোৱা গৈছিল। সোণাৰিশালৰ বাবে প্ৰয়োজন হোৱা বিভিন্ন বস্তুৰ আমদানি আৰু উৎপাদিত সোণৰ অলংকাৰৰ ৰপ্তানি বাণিজ্যও চলিছিল অসমত। সেয়ে এনে সোণ শিল্পৰ ঐতিহাসিক প্ৰেক্ষাপটৰ ওপৰত আলোকপাতৰ প্ৰয়োজন আছে।

আদিম মানৱ আৰু অলংকাৰ ঃ যুগল দাসে লিখা গ্ৰন্থ 'গহনা-গাঁঠৰি'ত আছে ঃ 'আদিম মানুহে পশু-পক্ষীৰ নখ, পাখি, দাঁত, ছাল, হাড় আদি আনি গাত পিন্ধিবলৈ বা আঁৰিবলৈ ল'লে। এনে আচৰণৰ দুটা ব্যাখ্যা হ'ব পাৰে। প্ৰথমটো হ'ল দুৰ্দান্ত বা দুষ্প্ৰাপ্য পশু-পক্ষী হত্যা কৰাৰ গৌৰৱ অৰ্জন আৰু তাৰ পাখি, নখ, দাঁত, ছাল আদিৰে বীৰত্ব দেখুওৱা। দ্বিতীয়তে, এটা জনবিশ্বাস বা যাদু বিশ্বাসেও এই ক্ষেত্ৰত প্ৰতিক্ৰিয়া কৰে বুলি পণ্ডিতসকলে অনুমান কৰে। সেই বিশ্বাসটো হ'ল আদিম লোকে হয়তো ধাৰণা কৰিছিল যে বধ কৰা জন্তুৰ বা পক্ষীৰ পৰাক্ৰমৰ শোণিতধাৰা তাৰ পাখি, নখ, দাঁত আদিৰ জৰিয়তে পৰিধান কৰা চিকাৰীৰ দেহলৈ প্ৰবাহিত হৈ মানুহক শক্তিমন্ত কৰি তোলে। প্ৰচলিত প্ৰথা অনুসৰিয়েই আজিও অনেক মানুহে বাঘৰ নখৰ মাদলি কৰি পিন্ধা দেখা যায়। জনবিশ্বাসমতে গঁড়ৰ মগুহ গাত থাকিলে অৰ্শৰোগ হ'বলৈ নাপায়। অৱশ্যে ইয়াক দ্ৰব্যগুণৰ প্ৰভাৱ বুলিও বিশ্বাস কৰিব পাৰি। ইয়াৰ পৰাই তাবিজ আৰু মাদলিৰ প্ৰচলন হ'বলৈ ধৰে। সোণ, ৰূপ আৰু সাধাৰণতে তামেৰে গঢ়া তাবিজ বা মাদলিক ৰক্ষাকবচ হিচাপে অনেকে বাহু বা ডিঙিত পিন্ধে। তাবিজ বা মাদলিৰ ভিতৰত কিবা ঔষধ বা মন্ত্ৰপূত লেখা কাগজ বা পাত থাকে; মুখখন লাৰে শালি দিয়া হয়। বেমাৰ-আজাৰ বা দেও-ভূতৰ পৰা ৰক্ষা পোৱাৰ বিশ্বাসত ইয়াক ধাৰণ কৰা হয়। আফ্ৰিকাৰ মেকলল'ল নামৰ জনজাতীয় লোকসকলৰ তিৰোতাবোৰে ওপৰৰ ওঁঠবোৰ ছিদ্ৰ কৰি এঁকোডালকৈ বাঁহ বা লোৰ বেৰি পিন্ধে। এই বেৰিডালক তেওঁলোকে 'পেলেল' বোলে। আফ্ৰিকাৰ বটকুড নামৰ জনজাতিৰ লোকেও তেওঁলোকৰ ওপৰৰ ওঁঠ ছিদ্ৰ কৰি একোডাল কাঠৰ শলা সুমুৱাই লৈছিল।

আফ্ৰিকাৰ একোজনী তিৰোতাই আৰ্থিক সামৰ্থ্য প্ৰদৰ্শন কৰি সৌন্দৰ্যবোধ বুজাবলৈ গোটেই গাত প্ৰায় ১০-১২ কিলোগ্ৰাম ওজনৰ লোৰ বেৰি পিন্ধে। অতীতত মৰা জন্তুৰ ৰগেৰে বা বতিয়াৰে শিলৰ টুকুৰা, শামুকৰ খোলা বা হাড়ৰ টুকুৰাৰে মালা গাঁঠি তাক অলংকাৰস্বৰূপে পৰিধান কৰিছিল। কুৰি হেজাৰ বছৰ আগৰ সৰু সৰু শামুকৰ খোলাৰে গোঠা এনে এধাৰ মালা ইউৰোপৰ গুহামানৱ 'ক্ৰ-মেগনন'বোৰৰ দিনৰ বুলি নিৰ্ণীত হৈছে। ধাতুৰ আবিষ্কাৰে অলংকাৰ নিৰ্মাণত এক আমূল পৰিবৰ্তন আনি দিলে। আগৰ দৰে ওঁঠ, নাক, কাণত চৰাইৰ পাখি, বাঁহ, কাঠৰ শলা নুগুজি মানুহে ধাতুৰ বেৰি পিন্ধিবলৈ ল'লে। ধাতুৰ বেৰি সতকাই ওলাই নপৰে কাৰণে শলাৰ পৰিবৰ্তে ইয়াৰ ব্যৱহাৰ হয়। আফ্ৰিকাৰ ব-ন ফৈদৰ জনজাতিসকলে নাকত লোৰ বেৰি পিন্ধিবলৈ ল'লে। চেনিগোম্বিয়াৰ তিৰোতাবোৰেও একেদৰে নাকত বেৰি পিন্ধা হ'ল। বংগ' ফৈদৰ তিৰোতাই কাণত অসংখ্য ফুটা কৰি জাপ জাপ লোৰ বেৰি আঁৰি ল'লে। প্ৰাচীন পৃথিৱীত মিচৰীয়সকল আছিল সকলো বিষয়তে প্ৰগতিশীল। গহনা-গাঁঠৰিৰ উন্নয়নৰ ক্ষেত্ৰত সৰ্বপ্ৰথম তেওঁলোকেই কৃত্ৰিম বাখৰ তৈয়াৰ কৰাত কৃতকাৰ্য হয় আৰু লগে লগে সোণ খটোৱা বাখৰামী অলংকাৰ নিৰ্মাণ কৰে। খ্ৰীষ্টপূৰ্ব ১৫৮০-১২০০ৰ কালছোৱাত কিছুমান আঙঠিৰ মোহৰো আবিষ্কৃত হৈছে। এইবোৰ পাছৰ যুগৰ গ্ৰীচীয় অলংকাৰ। খ্ৰীষ্টপূৰ্ব ১২০০ চনমানত ডানিউব উপত্যকাৰ চুমেৰীয়াবিলাকে গ্ৰীক প্ৰভাবযুক্ত কিছুমান অলংকাৰ তৈয়াৰ কৰা দেখা যায়।'

পৃথিৱীত প্ৰাচীন সভ্যতা সম্পৰ্কে চলোৱা প্ৰত্নতাত্ত্বিক অনুসন্ধানত মিচৰতেই আটাইতকৈ বেছি পৰিমাণৰ সোণ আবিষ্কাৰ হৈছে। ভাৰতৰ অলংকাৰ-পাতিবোৰৰ প্ৰাচীনত্ব সম্পৰ্কে উল্লেখ কৰিবলৈ গৈ ক'ব পাৰি এই দেশৰ আদিম অলংকাৰ-পাতিবোৰ গোটগুটীয়া আৰু অমসৃণ আছিল। বৰ্তমান জনজাতিসকলে ব্যৱহাৰ কৰা ভোটোহা আৰু গধুৰ অলংকাৰবোৰে তাৰেই সাক্ষ্য বহন কৰে। পাছত খনিকৰসকলে প্ৰকৃতিৰ বিবিধ সমল যেনে—গছ-লতা, ফুল, পাত আদিৰ সমল আহৰণ কৰি সোণ-ৰূপৰ নানা চানেকিৰে উন্নত অলংকাৰ নিৰ্মাণত ব্ৰতী হয়। হৰপ্পাত আবিষ্কাৰ হোৱা মাটিৰ টেৰাকোটা মূৰ্তিত পিন্ধোৱা পদুমগটী চূড়ামণি অলংকাৰ বিধৰ সদৃশ 'ব'ৰ বা বৰেলা নামৰ অলংকাৰ এপদ ৰাজস্থানৰ এটা সম্প্ৰদায়ৰ বিবাহিত তিৰোতাই বৰ্তমানো মূৰত পৰিধান কৰে।

ভাৰতত বৈদিক যুগৰ পৰাই অলংকাৰ নিৰ্মাণ আৰু পৰিধান আৰম্ভ হৈছিল। বৈদিক যুগৰ ভাৰতীয় সমাজখন এক সুস্থিৰ অৱস্থাত আছিল কাৰণে সাহিত্য, কলা-সংস্কৃতিয়ে পৰিতুষ্টি লাভ কৰিছিল। সুস্থিৰ আৰু সচ্ছল অৱস্থাত মানুহৰ দেহ-সজ্জাৰ

আহিলা অলংকাৰেও মানুহৰ মন আকৰ্ষিত কৰিছিল। ভাৰতবৰ্ষত বৈদিক যুগত প্ৰচলিত অলংকাৰবোৰক বহুলভাৱে চাৰিটা ভাগত বিভক্ত কৰা হৈছে—অভেদ্য, বন্ধনীয়, প্ৰলেপ্য আৰু আৰোপ্য। প্ৰাচীন কালৰ অলংকাৰবোৰৰ নাম এনে ধৰণৰ : মূৰৰ বাবে—চূড়ামণি, মুকুট আদি। কাণৰ বাবে— কুণ্ডল, মচক, কীল, শিখাপত্ৰ, খৰ্গপত্ৰ, কৰ্ণিকা, কৰ্ণবলয়, পত্ৰকৰ্ণিকা, কৰ্ণমুদ্ৰা, দণ্ডপত্ৰ, কৰ্ণপূৰ আদি। ডিঙিৰ বাবে—মুক্তাবলী, হৰ্ষক, মুক্তহাৰ, ব্যালপংক্তি, মঞ্জৰী, ৰত্নাবলী, ৰত্নমালিকা, স্বৰ্ণসূত্ৰ। সাতডলীয়া স্বৰ্ণসূত্ৰই অসমীয়া সাতসৰী অলংকাৰ। পৃষ্ঠ বিভূষণ হ'ল তিৰোতাৰ পিঠি শুৱনি কৰা এবিধ কৰ্ণহাৰ। হাতৰ বাবে—হস্তবী, বলয়, কংকৰ্ণ, ৰুচীক, উচ্চিতিক আদি। বাহুৰ বাবে—কেয়ূৰ, অংগাদ, বাৰ্জুৰ, সেচ্চিতিক, অনন্ত আদি। হাতৰ আঙুলিৰ বাবে—আঙঠি, আংগুলীয় মুদ্ৰা, কলশাখ, হস্তপত্ৰ, হস্তসূত্ৰ, সুপুৰক আদি। কঁকালৰ বাবে—তৰলক, স্বৰ্ণসূত্ৰ, কাঞ্চী, কলক, মেখলা, ৰসনা। ভৰিৰ বাবে—নূপুৰ, কিংকনী, ৰত্নজাল, পাদপত্ৰ, পাদপদ্ম ভৰিৰ আঙুলিত পিন্ধিছিল।

ভাৰতৰ ধৰ্মগ্ৰন্থ 'ঋগবেদ'ত সোণৰ প্ৰতিশব্দৰূপে হিৰণ্য, হেম, কৃশন, হৰিতামস, ৰুক্ম, হাটক আদিৰ উল্লেখ আছে। ৰোমানসকলে লেটিন ভাষাত সোণক ক্ৰাইছছ, ক্ৰাইচন, অ'ৰাম আদি বুলিছিল। পুৰণি ৰুছ ভাষাত য়ালাট', জাৰ্মান আৰু এংলো ছেক্সন ভাষাত 'গ'ল্ড' বুলিছিল। লেটিন ভাষাত 'অউৰাম'ৰ শব্দগত অৰ্থ হৈছে 'জিলিকি থকা'। সোণ সদায়ে অম্লান হৈ জিলিকি থাকে কাৰণেই সোণৰ এই নাম ৰখা হৈছে।

সোণ পৃথিৱীৰ গৰ্ভত সঞ্চিত হৈ আছে। পানীৰ সোঁতত বহু সোণৰ কণিকা বাহিৰলৈ ওলাই আহে। এনেদৰে ওলাই অহা সোণৰ গুড়িবোৰ নদীৰ বালিত মিহলি হৈ পৰি থাকে। ভূগৰ্ভত থকা সোণৰ ভঁৰালৰ পৰা এতিয়ালৈ মাত্ৰ ৫০,০০০ টন সোণ আহৰণ কৰা হৈছে। এতিয়াও ভূগৰ্ভত অধিক পৰিমাণৰ সোণ জমা হৈ আছে। অনেক সোণৰ খনি ভাৰতৰ দক্ষিণ অংশত আছে।

অসমত সোণ কমোৱা পদ্ধতি : নৈৰ বুকুত মিহলি হৈ থকা সোণ আহৰণ কৰা প্ৰণালীক বোলে 'সোণ কমোৱা।' এই কাৰ্যত নিয়োজিত থকা লোকসকলক বোলে 'সোণোৱাল।' সোণোৱালসকলৰ মাজত ৮-১০ জনমান অভিজ্ঞ নেতা আৰু বাকীবোৰ সহকাৰী আৰু বনুৱা আছিল। ইয়াৰে নেতাজনক 'ওজা' আৰু সহকাৰীসকলক 'পালি' বোলা হৈছিল। সোণ কমোৱাসকলে ওজাজনৰ নিৰ্দেশত কাম কৰিছিল। গোটবোৰত কাম কৰা মানুহৰ সংখ্যা বেছি হ'লে একাধিক ওজাৰ বাব সৃষ্টি হৈছিল। এনে অৱস্থাত ওজাসকলৰ ঘাইজনক বৰ ওজা, বাকীকেইজনক ডেকা ওজা, সৰু

ওজা বোলা হৈছিল। তেনেদৰে ওজাবিলাকৰ দায়িত্বৰো ভাগ হৈছিল।

ওজাজনে সোঁত থকা নৈত সোণ কমাবলৈ গৈ ভলুকা বাঁহৰ সেওঁতা এখনেৰে বালিত খোচ মাৰি বালি অলপ তুলি আনি ইয়াত থকা সোণৰ পৰিমাণ কিমান তাক পৰীক্ষা কৰি চায়। এই পৰিমাণত সন্তুষ্ট হ'লে তেওঁলোকে থাকিবলৈ নৈৰ পাৰত এটা অস্থায়ী ঘৰ সাজে। বনুৱাসকলে নৈৰ সোণৰ কণাযুক্ত বালিবোৰ খান্দি একে ঠাইতে থুপ খুৱায়। সেই বালিবোৰৰ লগত মিহলি হৈ থকা শিল, কাঠ-বাঁহৰ টুকুৰা, জাবৰ আদি আঁতৰ কৰা হয়। পানী-যুঁৱলিত বালি ধোৱাৰ কাৰণে কেইখনমান বাঁহৰ চাং সজা হয়। এভাগ পালিয়ে তাতে বহি কাঠৰ দুৰুণিত তাকৰ তাকৰকৈ বালিবোৰ ধোৱে। নাৱৰ আকৃতিৰ ডাঙৰ দুৰুণিত বালি ভৰাই পানী নিগৰাই নিগৰাই বালিখিনি ধোৱে। এনেদৰে কেইবাবাৰো ধোৱাৰ পাছত সোণৰ চেঁকুৰাবোৰ দুৰুণিৰ তলত জমা হয়। সেই বালিখিনি সৰু সৰু দুৰুণিত অতি সাৱধানে পানী নিগৰাই নিগৰাই সোণৰ চেঁকুৰাবোৰ একেলগ কৰে। সোণৰ চেঁকুৰাৰ পৰা বালিবোৰ আঁতৰাই সোণৰ চেঁকুৰাবোৰ একেলগ কৰি সৰু সৰু বাঁহৰ চুঙাত ভৰাই টানকৈ ঠিলা মাৰি থয়। এনেবোৰ চুঙা এটা মাটিৰ 'মুহিত' থৈ তাত অলপ পাৰা ঢালি দিয়ে। পাৰাৰ সংযোগত সোণৰ চেঁকুৰাবোৰ একেলগ হৈ পৰে। জুহালৰ তাপত মাটিৰ মুহিটো ৰাখিলে পাৰাখিনি উটি যায়। তেতিয়া সোণৰ চেঁকুৰাবোৰ গলি একো টুকুৰা সোণ হৈ পৰে। এই সৰু সৰু সোণৰ টুকুৰাবোৰ একেলগ কৰি সুৰগাৰে গলাই একোটা ডাঙৰ টুকুৰা কৰি সাৱধানে থৈ দিয়ে। এনেদৰে গোট খোৱা সোণৰ টুকুৰাবোৰ সোণ সংগ্ৰহৰ দায়িত্বত থকা ৰজাঘৰীয়া বিষয়াৰ হাতত জমা দিয়ে।

সোণৰ বিবিধ ব্যৱহাৰ : প্ৰদীপ চলিহাই লিখা 'পুৰণি অসমৰ কাৰিকৰী শিল্প' গ্ৰন্থত আছে : 'পৃথিৱীৰ অভিজাত সম্প্ৰদায়ৰ বহুতে বহু শতিকাৰ আগৰে পৰা ভোজন পাত্ৰ, পানপাত্ৰ সোণ আৰু ৰূপেৰে গঢ়াই লৈছিল। কাৰণ সোণৰ পাত্ৰত থকা আহাৰ কেনেবাকৈ বিষযুক্ত হ'লে তৎক্ষণাৎ ধৰিব পাৰে বুলি বিশ্বাস কৰিছিল। খ্ৰীষ্টজন্মৰ বহুকাল আগৰে পৰা সোণ পৃথিৱীত বাণিজ্যৰ মুদ্ৰা ৰূপে ব্যৱহৃত হৈ আহিছে। ভাৰতত সোণৰ মুদ্ৰাৰ প্ৰচলন বহু কালৰ পুৰণি। বহু পুৰণি কালৰে পৰা সোণ ঔষধৰূপে ব্যৱহৃত হৈ আহিছে। ভাৰতত আয়ুৰ্বেদ চিকিৎসাত প্ৰাচীন কালৰে পৰা 'স্বৰ্ণভস্ম' বা 'স্বৰ্ণঘটিত মকৰধ্বজ' ব্যৱহৃত হৈ আহিছে। ইয়াৰ উপৰি ৰাজসিক খাদ্যপ্ৰণালীত ভাৰতত অতি পাতল সোণৰ পাত্ৰে ব্যৱহৃত হৈ আহিছে। সোণৰ এটা ডাঙৰ গুণ এই যে ই ৰ'দ, বতাহ বা পানীৰ সংস্পৰ্শত ক্ষয় নাযায়। সোণ সহজতে নগলে। সোণ গলাবলৈ এবিধ মিশ্ৰিত দ্ৰাৱক প্ৰস্তুত কৰি লোৱা হয়। তেনে মিশ্ৰিত

দ্ৰাবকক ভাৰতীয় সোণাৰিসকলে 'অমলৰাজ আৰক' বোলে। এনে আৰক প্ৰস্তুত কৰিবলৈ চাৰিভাগ হাইড্ৰ'ক্লৰিক এচিডৰ লগত শতকৰা দুভাগ ছাইট্ৰিক এচিড মিহলোৱা হয়। সাধাৰণতে সুৱগাৰ সহযোগত জুইৰ উত্তাপত সোণ গলোৱা হয়।

মধ্য যুগ আৰু সোণ ঃ মধ্যযুগত আমাৰ দেশ অসমৰ সোণাৰি-শাললৈ সোণ, ৰূপ, লা, বহুমূলীয়া বাখৰ, মুকুতা, পোৱাল, সুৱগা, গন্ধক, শানশিল, জাংফাই আদি বিভিন্ন ঠাইৰ পৰা আহিছিল। অসমৰ সোণোৱালসকলে যোগান ধৰা সোণেৰে সেই সময়ৰ অভাৱ পূৰাব পৰা নাছিল কাৰণে সোণাৰি-শালবিলাকে সোণৰ কাৰণে নিৰ্ভৰ কৰিব লগা হৈছিল বিদেশী মুদৈসকলৰ ওপৰত। বিদেশৰ পৰা অসমলৈ সোণ অহা পথ কেইবাটাও আছিল। তাৰ ভিতৰত উত্তৰৰ পৰা আহিছিল খামতি, চিংফৌ, ভুটীয়া, মুদৈসকল, পশ্চিমফালৰ পৰা কাণ্ডাৰ চকীয়েদি গুজৰাট, ৰাজস্থানী, জহুৰী মুদৈসকল; পূবৰ পৰা নৰা, টাংচা, নিৰেপ, মান চিংফৌ মুদৈসকল, উত্তৰ-পূব ব্ৰহ্মৰ শ্যান, কাচিন মুদৈসকল। চিংফৌ, খামতি মুদৈসকলে উত্তৰ-পূবৰ পৰ্বতীয়া ঠাই বৰখামটি, হুকং উপত্যকা আদিৰ পৰা লতা সোণ, পাত সোণ আৰু গুড়ি সোণ বেহাবলৈ অসমলৈ আনিছিল। উত্তৰৰ মিচিমি পাহাৰ হুকং উপত্যকাত আগতে সোণ অপৰ্যাপ্ত পৰিমাণে পোৱা গৈছিল। সোণ কেপ্তেইন এছ ই হেনে আৰু লেফে. আৰ. উইলকমে্গে ১৮২৫ খ্ৰীষ্টাব্দত, জে. টি. বেফিল্ড চাহাবে অসমৰ পৰ্বতীয়া পথেৰে ১৮৩৬-৩৭ত ব্ৰহ্মৰ আভা, মান্তালয়লৈ পঠিয়ায়। তেওঁলোকে যাওঁতে বাটত মিচিমি, খামতিসকলৰ গাঁৱত, ব্ৰহ্মৰ বৰখামতি আৰু হুকং উপত্যকাত সোণৰ প্ৰাচুৰ্যৰ বিষয়ে সুন্দৰ টোকা লিখি থৈ গৈছে। বাখৰ পতাওতে বাখৰবোৰ খাজিবলৈ পাত সোণৰ বিশেষ প্ৰয়োজন হৈছিল। কাগজৰ দৰে পাতল জাপি থোৱা পাত সোণবোৰ আছিল। এইবোৰ চীন দেশৰ পৰা অসমলৈ চিংফৌ বেপাৰীসকলে আনি বেহাইছিল। ইয়াৰ উপৰি লতা সোণ, বাখৰ, ঘোৱাল, সুৱগা আদিৰো যোগান ধৰিছিল। জাংফাই ডালিমা বাখৰ, বগা যোগৰাজ বাখৰ আদিও প্ৰয়োজন হয় সোণাৰি-শালত। এইবোৰ বস্তু শ্যান ৰজাৰ নৰাসকলে আনিছিল। জাংফাই হ'ল এবিধ জীবাশ্মৰূপী গছৰ ধূনা। এয়া বহু বছৰ ধৰি মাটিত পোত গৈ থকাৰ ফলত জাংফাই ৰূপ লয়। অসমলৈ জাংফাই আহিছিল নৰা দেশৰ পৰা। ব্ৰহ্মদেশৰ শ্যান ৰাজ্যৰ হুকং উপত্যকাত জাংফাইৰ খনি আছে। জাংফাইৰ ৰঙবোৰ হ'ল হালধীয়া, উজ্জ্বল মটীয়া বৰণ, মৌজল বৰণৰ। অসমীয়া তিৰোতাই জাংফাই কাণৰ কেৰু হিচাপে পৰিধান কৰে। টাই আইতন, টাইফাকেসকলে জাংফাইৰ মাদলি, ফাকিয়াল মহিলাই কাণত বগা জাংফাইৰ অলংকাৰ পিন্ধিছিল। জাংফাই পুৰণি অসমৰ সোণাৰিসকলে কেৰুতে

মুখখন সোণেৰে বন্ধাই, বাখৰ পাতাই দি কাণৰ থুৰীয়া সাজে। সোণাৰি-শালত প্ৰয়োজন হোৱা লা অসমৰ পৰ্বতীয়া বাইজে যোগান ধৰিছিল। অসমৰ কাৰ্বি আংলং আৰু মেঘালয়ৰ গাৰো পাহাৰ লাৰ বাবে বিখ্যাত।

পুৰণি অসমৰ মিনা শিল্প : 'মিনা' বা 'মিনাকাৰী' শব্দটো পাৰ্চী শব্দ। এই মিনা বহমূলীয়া ধাতু নহয়; মিনা পাতল ৰংচটীয়া আইনা। এনে কাঁচ গুড়ি কৰি লৈ সোণৰ অলংকাৰত লগাই দি জুইৰ তাপত গলাই অলংকাৰত স্থায়ীভাৱে লগাই দিয়াকে মিনা কৰা বোলে। মিনা জুইৰ তাপত গলাই অলংকাৰত লগোৱা প্ৰক্ৰিয়াক বোলে ভাৰণ দিয়া। মিনা কৰা পুৰণি পদ্ধতি দুটা— (১) গুণাৰে ওখ নক্সা কৰি মাজখন দ কৰি থৈ তাত মিনাগুড়ি দি তাপত গলাই লগোৱা। (২) অলংকাৰত কোঠালি কোঠালি কৰি মিনা গলাই তাত ঢাকি দি লগোৱা। ভাৰতত প্ৰথমবিধ প্ৰণালীহে প্ৰচলিত। 'পুৰণি অসমৰ সোণাৰি-শাল' প্ৰবন্ধত আছে : 'অলংকাৰত মিনা কৰা পৃথিবীত বহ পুৰণি। খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাত গ্ৰীকসকলে মিনা কৰাৰ প্ৰমাণ আছে। এসময়ত বাইজেনটাইন, ৰোম আদি ঠাই মিনা কামৰ কাৰণে বিখ্যাত আছিল। ভাৰতত মিনা পাৰস্যৰ পৰা গ্ৰীক, পাৰ্থিয়ান, কুশানসকলৰ দিনতে গান্ধাৰ ৰাজ্যত সোমায়। খ্ৰীষ্টীয় পঞ্চম শতিকাত এটা ভিত্তিত পিন্ধা মিনা কৰা অলংকাৰ শিৰকাপ নামৰ ঠাইত (তক্ষশীলা) পোৱা গৈছে। এই অলংকাৰত মিনাৰে, পদ্মহস্তা লক্ষ্মীদেৱীৰ মূৰ্তি এটা আঁকা আছে। গান্ধাৰত বুদ্ধমূৰ্তিৰ চকুতো মিনাৰ কাম পোৱা গৈছে। ভাৰতত মিনাৰ ইতিহাস দুশ-তিনিশ বছৰৰ। অম্বৰৰ মহাৰজা মানসিংহই লাহোৰৰ পৰা ১৬ শতিকাত কেইজনমান শিখ সোণাৰি মিনাৰ কাম শিকিবলৈ জয়পুৰলৈ যায়। অসমলৈ স্বৰ্গদেউ প্ৰতাপ সিংহই অনোৱা সোণাৰিৰ মাজত জয়পুৰৰ মিনাৰ কাম কৰা সোণাৰিও আছে। ইয়াৰ পাছতো স্বৰ্গদেউ জয়ধ্বজসিংহ আৰু স্বৰ্গদেউ চন্দ্ৰসিংহৰ দিনতো তেনে সোণাৰি অসমলৈ আহে। এই সোণাৰিসকলেই অসমত মিনাৰ কামৰ পাতনি মেলে। অসমৰ সোণাৰিয়ে জাটীৰ মুদৈসকলৰ পৰা মিনাৰ আইনা, নীলৰ কেকৰ, কাঁচৰ চুণ কিনিছিল।'

সোণৰ অলংকাৰত মিনা কৰিবলৈ অলংকাৰবোৰৰ ওপৰত প্ৰয়োজনীয় ছবিবোৰ আঁকি জালি দিয়ে। তেতিয়া মাজৰ ঠাইখিনি দ হৈ থাকে। মিনাখিনি গুৰি কৰি সানি অলংকাৰৰ প্ৰয়োজনীয় অংশত গুজি দিয়ে। অলংকাৰটো এডাল লোৰ তাঁৰেৰে বান্ধি লয়। মিনা কৰিবলৈ লোৱা অলংকাৰটো ঘৰ মাজৰ এটা মাটিৰ জালি কটা চুলাৰ ভিতৰত ভৰাই আবৃকিত দি জ্বলাই দিয়ে। জুইৰ সঁচে অলংকাৰটো ৰঙা হৈ পৰিলে মিনাবোৰ গলি অলংকাৰত লাগি ধৰে। ডাবজালত ধৰি উলিয়াই আনে আৰু চেঁচা হ'লে

টেঙা ৰসত জুবুৰিয়াই লয়। প্ৰয়োজন হ'লে আকৌ মিনা গুজি আগৰ দৰে আফুৰিত দিয়ে। তাৰ পাছত অলংকাৰটো 'খনেৰে' ঘঁহি মিহি কৰি ফুলবছা গুণাবোৰ সমান কৰি খনেৰে আকৌ ভালকৈ ঘঁহে। তেতিয়া মিনাৰ মাজে মাজে গুণাৰ ফুলবোৰ ওলাই পৰে। তাৰ পাছত সেয়া পানীতে ধুই টেঙাপানীত সিজায়। কেইবাবাৰো এনেকৈ সিজাই ধোৱে। বুৰুজেৰে ঘঁহি অলংকাৰটো শুকানকৈ মচি থয়। আফুৰিত আকৌ এবাৰ অলংকাৰটো দি মিনাবোৰ অলপ কোমল কৰি চেঁচা হ'বলৈ দিয়ে।

প্ৰাচীন অসমৰ সোণ ঃ অসমৰ কেইবিধমান সোণৰ অলংকাৰৰ চানেকি বৈশিষ্ট্যপূৰ্ণ। তাৰ ভিতৰত গামখাৰু, মুঠিখাৰু, ঢোলবিৰি, জোনবিৰি, কেনা, গেজেৰা, বিৰিমণি আদিৰ গঢ়ৰ অলংকাৰ আন অঞ্চলত পাবলৈ নাই। সোণৰ প্ৰত্যেকপদ প্ৰাচীন অলংকাৰ প্ৰকৃতিজাত সামগ্ৰীৰ চানেকিৰে অলংকৃত। যেনে—কাণত পিন্ধা অলংকাৰত গছৰ পাত, ফুল আদিৰ চানেকি সন্নিবিষ্ট হৈছে। অসমৰ গামখাৰু পূৰ্বতে পৰ্বতৰ জনজাতীয় গামবোৰে পিন্ধিছিল। তাহানিৰ ৰৰজা ফুলেশ্বৰী কুঁৱৰীৰ গামখাৰু হীৰা খটোৱা আছিল বুলি অনুমান কৰা হয়। ঝুমকা শ্ৰেণীৰ কাণৰ অলংকাৰ লোকাপাৰৰ চানেকি হ'ল পিঠীয়াপিঠিকৈ থকা এটা পাৰ চৰাই। অসমৰ সেনপতা, হৰিণাচকুৰা, জেঠীনেজীয়া আদি আঙঠি জীৱ-জন্তু বা সিহঁতৰ বিভিন্ন অংগ-প্ৰত্যংগৰ চানেকিযুক্ত। ফুলি থকা পদুমৰ গঢ়ৰ অসমীয়া কেৰু প্ৰাচীন শাস্ত্ৰত উল্লেখ থকা বিশিষ্ট কৰ্ণিকা স্বৰ্ণকমলৰেই তাওৰণ। চন্দ্ৰহাৰ, জোনবিৰি আদিৰ নামেই গঢ়ৰ পৰিচয় স্বৰূপ।

প্ৰাগ-ঐতিহাসিক যুগত অসমীয়া অলংকাৰৰ গঢ় সৰ্বভাৰতীয় পৰ্যায়ৰ আছিল বুলি অনুমান কৰা হয়। তাহানিতে কামৰূপৰ ৰজা ভাস্কৰ বৰ্মাই ভাৰত সম্ৰাট হৰ্ষবৰ্ধনলৈ তেওঁৰ অভিষেক উপলক্ষে পঠোৱা উপহাৰৰ বিস্তৃত বিৱৰণ পোৱা যায় বাণ ভট্ট ৰচিত হৰ্ষ চৰিতত ঃ 'তাৰ ভিতৰত আছিল ভগদত্ত আৰু অন্যান্য প্ৰখ্যাত ৰজাসকলৰ পৰা উত্তৰাধিকাৰীসূত্ৰে লাভ কৰা অলংকাৰপাতি। এইবোৰ শ্ৰেষ্ঠ বস্তুৰ জ্যোতিয়ে আকাশমাৰ্গ উদ্ভাসিত কৰি তুলিছিল। বিশিষ্ট প্ৰভাযুক্ত শিৰশোভাৰ যত্ন ক্ষীৰ দধি যেন শুভ্ৰ মুক্তমালা, হস্তীৰ দাঁতত বৰ বৰ গজমুক্তা খটোৱা বালা।' প্ৰাচীন কামৰূপৰ ৰজা ভাস্কৰ বৰ্মাৰ ৰাজত্বকাল সপ্তম শতিকাৰ এই অলংকাৰবোৰৰ সাধাৰণ বৰ্ণনাৰ বাহিৰে গাইগুটীয়া নাম আৰু বৰ্ণনা পাবলৈ নাই। সৰ্বভাৰতীয় চানেকিৰ অলংকাৰ বুলি সেইবোৰক গণ্য কৰা হয়। সুকবি নাৰায়ণ দেৱে লিখা 'পদ্মপুৰাণ' গ্ৰন্থত কেইপদমান অলংকাৰৰ বৰ্ণনা এনেদৰে পোৱা যায় ঃ 'শিৰত সিন্দূৰ পিন্ধে অগণিত আতি/গলত তুলিয়া পিন্ধে হাৰ-গজমতী (গজমুক্তাৰ হাৰ)//(অৰ্দ্ধচন্দ্ৰ শিৰোমণি অতি সুশোভন/দুই বাহুত পিন্ধে বেউলা সোণৰ কংকণ (সোণৰ খাৰু)//আঙুলি সবাত

বজ্ৰৰ আঙঠি/হাতত বলয় (খাৰু) পিন্ধে অতি মন তুষ্টি//' মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত 'ৰুক্মিণী হৰণ' কাব্যত কেইপদমান অলংকাৰৰ উল্লেখ পোৱা যায় এনেদৰে : 'শিৰত সিন্দূৰ আগৰৰ দিলা ফোট/কৰ্ণে খঞ্জৰিৰি (চৰাইৰ আকৃতিৰ লোকপাৰৰ দৰে কাণফুল) শিৰে পিন্ধিলা মুকুট (কিৰীটি)/চাক চাকি শলাই (ফুৰুলীয়া ফুলৰ চাকিৰ দৰে পিন্ধা বেৰি কাণফুল) জ্বলে উপৰ কৰ্ণত/বজ্ৰমৰকতপতা গুলিয়া (বাখৰ পতা লটকন থকা গলপতা) গলত//সুবৰ্ণে খচিত গলে সাতসৰি হাৰ (সাতলীয়া স্বৰ্ণসূত্ৰ)/হৃদয়ত জ্বলে জিলিমিলি পেচন্দাৰ (দুগদুগি)//বাহুত সুবৰ্ণ তাৰ (সোণৰ বাজু) কৰত কংকণ (খাৰু)/দুয়ো হাতে দেখি শাংখ (শংখ শামুকৰ খাৰু)//কপালত জ্বলে আতি সুবৰ্ণৰ জেঠি/দশো আঙুলিত জাম্প সোণৰ আঙঠি//' ইয়াৰ পৰা দেখা গ'ল অসমত বৈষ্ণৱ যুগৰ আগলৈকে অসমীয়া অলংকাৰে আঞ্চলিক নাম গ্ৰহণ কৰা নাই, সম্ভৱ আঞ্চলিক ৰূপো ধাৰণ কৰা নাই। কেৰু নামৰ কাণৰ অলংকাৰ পদৰ নাম প্ৰাচীন অলংকাৰ কৰ্ণিকাৰ পৰা ওলোৱা। যুগল দাসে লিখিছে : 'খুব সম্ভৱ আহোমসকল অসমত থিতাপি লোৱাৰ পাছত আৰু পশ্চিমীয়া মোগলাই সংস্কৃতিৰ ঢৌৱে অসমত খেকেচনি মৰাৰ পাছত অসমীয়া অলংকাৰ বা গহনা-গাঁঠৰিৰ আমূল পৰিৱৰ্তন ঘটিল আৰু পাছত ৰূপ আৰু নাম গ্ৰহণ কৰিলে।' তাহানিতে ৰজাসকলে আন ৰজা বা ৰজাৰ বিষয়াসকলৈ উপহাৰস্বৰূপে সোণ বা পত্ৰ সন্দেশবোৰত অসমীয়া গহনা-গাঁঠৰি পঠাইছিল। উদাহৰণস্বৰূপে জয়ন্তীয়া বুৰঞ্জীত বিশ্বনাথক আহোম ৰজা ৰুদ্ৰসিংহই যাহৰ কৰি থকা সময়ত বৰবৰুৱা, ফুকন, ৰাজখোৱাসকলৰ উপৰি দৰঙী ৰজা, কছাৰী ৰজা আৰু জয়ন্তীয়া ৰজাৰ স'তে এখন দৰবাৰ পাতিছিল। ৰুদ্ৰসিংহই কছাৰী ৰজা তাম্ৰধ্বজক বিদায় উপহাৰ দিয়া প্ৰসংগত বুৰঞ্জীত উল্লেখ আছে এনেদৰে : '১৬৩০ শকত বৈশাখৰ চাৰি দিন যাওঁতে মঙ্গলবাৰে সলাত কছাৰী ৰজাক বিদায় দিওঁতে দিয়া যায় বাখৰাম শিৰশোভা এধাৰ, বাখৰাম কণ্ঠশোভা এধাৰ, বাখৰাম দুগদুগিৰে মুকুতাৰ মালা এধাৰ, বাখৰাম কৰ্ণফুলা এযোৰ ৰজাৰ আগতে ৰকৱা ফুকনে পিন্ধালে আৰু দিছে বলা দুই পেড়া, হাতী চাৰিটা, ঘোঁৰা তিনিটা...... সোণৰ কাণখৰা এযোৰ, হাতত পিন্ধা বাখৰাম পাঁচযোৰ, সোণৰ চাৰিপটীয়া খাৰু এযোৰ, সোণাৰ বটা এটা, সোণাৰ বাটি এটা, বাখৰাম চৌকি এটা, সোণাৰ ডকা টেমি এটা, সোণৰ খৰিকা চুংগা এটা, সোণাৰ কাণ খৰিকা এটা, সোণাৰ তামোল এটা, সোণাৰ বালা এযোৰ, সোণাৰ কাঁহী এযোৰ, সোণাৰ ফুলা জৰে টকৌ পটীয়া জাপি এটা, ৰূপৰ কলহ এটা ৰূপৰ থেলা এটা, ৰূপৰ মাৰিহংগ এটা, ৰূপৰ বাটি দুটা, ৰূপৰ কলহ দুটা, তামৰ কলহ চাৰিটা, পিতলৰ কলহ আঠিটা, কাঁহৰ কটাৰী শৰাই দুখন, কাঁহৰ মুকলি শৰাই দুখন।' তাম্ৰধ্বজ ৰজাৰ কুঁৱৰীলৈ পঠাইছিল

ঃ 'সোণে পোৱালে মণি সাতধাৰ, ডিজিৰ চেও এটা, নওধৰীয়া সোণাৰ খাৰু চাবিপাট, বাখৰাম থুৰীয়া এযোৰ, মুৰত পিন্ধা বাখৰাম চিটফুল এখন, সোণাৰ টেমি এটা, ৰূপৰ ঝাৰা এটা, ৰূপৰ ঝাৰী দুটা, সোণাৰ চুলাৰে ঝাপি এটা.........।'

ৰাজনৈতিক ঘটনাচক্ৰত স্বৰ্গদেউ জয়ধ্বজ সিংহৰ জীয়াৰী ৰমণী গাভৰুৰ নিকাহ্ হয় দিল্লীৰ বাদশ্বাহ মীৰজুমলাৰ পুত্ৰ আজমতৰাৰ স'তে। বংগৰ চুবেদাৰ আজমতৰাৰ দিনত পৰ্বতীয়া চুউফা কোঁৱৰৰ ৰাজত্বকালত লালুক বৰফুকনে তেওঁৰ ভাগিনীয়েক ৰমণী গাভৰুলৈ অলংকাৰ পঠাইছিল। ইয়াৰ বিবৰণ পোৱা যায় বুৰঞ্জীত—'সোণৰ কাংকালি এগচ, জোখত ৪৭ তোলা, সোণৰ কলি এযোৰ, জোখত ২৬ তোলা, সোণৰ খাৰু এযোৰ জোখত ২২ তোলা, সোণৰ খাৰু এযোৰ জোখত ২২ তোলা, সোণৰ আঙুঠি ১০ যোৰা জোখত ২৮ ৰতিকৈ, সোণৰ উবাটি ১০ যোৰ, জোখত আঠতোলা......... সোণে পোৱালে ডিঙিৰ মণি, সাতধৰীয়া এছেৰ, সোণে পোৱালে হাতৰ মণি ১৪ ধৰীয়া এছেৰ, সোণে পোৱালে ভৰিৰ মণি দুধৰীয়া দুটাৰ.........' ইয়াৰ পৰা অনুমান কৰিব পাৰি যে অসমীয়া খিলঞ্জীয়া সোণৰ অলংকাৰে তাহানিৰ আহোম যুগত অসীম গুৰুত্ব লাভ কৰিছিল।

পুৰণি অসমৰ সোণাৰি-শালত ব্যৱহাৰ কৰা কিছুমান সঁজুলিৰ নাম 'অসম ইয়াৰ বুক ২০০৩' গ্ৰন্থৰ পৰা ইয়াত দিয়া হ'ল ঃ

ৰেসনি—সৰু বটালি, মাঠনি—হাতুৰি, ৰৰমাঠনি, সৰু মাঠনি, মজলীয়া মাঠনি, চৰাই মাঠনি—পিতলৰ সৰু হাতুৰি, দৰজা কটা নৰণি-বাখৰ পতাবলৈ খাজকটা যতন, মায়া নৰণি—সৰু নৰণি, আঁফুৰি—জুই-শাল, ঘৰমিনা কৰোতে ব্যৱহাৰ কৰা মাটিৰ চুঙা, মুহি—সোণ গলোৱা মাটিৰ পাত্ৰ, ঢালনা ডাঙৰ মুহি, ধেকা—অলংকাৰ কোবোৱা কাঠৰ নিয়াৰি, ফেঁটী চাতুলি—বেঁকা কাঠৰ নিয়াৰি, চাতুলি—কাঠৰ সৰু নিয়াৰি, আঁকুৰি—আগ জোঙা নিয়াৰি, সৰাহ—ডাঙৰ চেপেনা, ভাটি, গেটালিমূৰীয়া—গোটা মুৰণীয়া কাঠ, লেপ—আগ জোঙা চেপেনা, কাকোন—অকণমানি চেপেনা, কাটি—কেঁচি, ঘোটনী—পনীয়া সোণ ঘোঁটা শলা, বেত্তি—মিহি কৰা যতন, শান—ধাৰ দিয়া যতন, খন—জাৱণ শিলৰ গুৰিৰে সজা চৰতি, জাৱণ—এবিধ শান শিল, মৰণা—মিহি কৰা শিলৰ যতন, ফলি—সোণৰ গুণা কৰা লোৰ যতন, কিটকিটীয়া ফলি মিহি গুণা কৰা ফলি, ছুটি—সোণৰ মণি ফুটা কৰা যতন, আকোৰা—অলংকাৰ সজা সাঁচ, ঠিহা—মণি সিয়া লোৰ যতন, বিৰিমঠা—মণি গঢ়া সাজ, পচৰগি—গাহৰিৰ নোমৰ বুৰুজ, ফুকচুঙা—জুইৰ আঙঠা ফুঁৱা চুঙা, কাষটিশিল—সোণ পৰীক্ষা কৰা শিল, ঘোগন—এবিধ শান শিল, খোলনী—মণি গঢ়া মইহৰ শিঙৰ সাঁচ,

ৰহণ—মিহি কৰা এবিধ শিল।

প্ৰদীপ চলিহাই লিখিছে : 'প্ৰাক-আহোম যুগতে অসমৰ চাৰুকলা-কাৰুকলাত কিবা কাৰণত পতন ঘটিছিল। আহোমসকল সৌমাৰত সোমোৱাৰ পাছত দেখনিয়াৰ স্বৰূপে কোনো বিখ্যাত কলা শিল্প সৌমাৰত থকাৰ প্ৰমাণ আমি নাপাওঁ। কলা শিল্পত এই অৱনমিত অৱস্থা আহোম যুগৰ প্ৰাৰম্ভৰ পৰা প্ৰায় ৩৮২ বছৰ চলি আছিল। সেয়ে ১৬১১ খ্ৰীষ্টাব্দৰ পৰা ১৬৪৯ খ্ৰীষ্টাব্দৰ ভিতৰত সপ্তদশজনা আহোম স্বৰ্গদেউ প্ৰতাপসিংহই নিজৰ ৰাজ্যৰ কলাশিল্পৰ উন্নতিকল্পে ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা উন্নত কলাশিল্পৰ শিল্পীসকলক অসমলৈ আনি থাপিছিলহি। অসমলৈ অনা সেই শিল্পীসকলৰ লগত ৰাজস্থানৰ কিছু স্বৰ্ণশিল্পীও আছে। তেওঁলোকক 'ভটীয়া সোণাৰি' বোলা হৈছিল। সেই ভটীয়া সোণাৰিসকলেই অসমত স্বৰ্ণ শিল্পৰ পাতনি মেলে। এই সময়তে অসমৰ নানা সম্প্ৰদায়ৰ মানুহেও এই সোণাৰিৰ কাম শিকি লৈ ইয়াক জীৱন ধাৰণৰ বৃত্তিৰূপে গ্ৰহণ কৰে। নতুনকৈ সোণাৰি বৃত্তি গ্ৰহণ কৰা বণিয়া সোণাৰিসকলে বাঁকনলীৰে গঢ়া পদ্ধতি গ্ৰহণ কৰে। কিন্তু প্ৰাচীনপন্থী কলিতা আৰু চুতীয়া সম্প্ৰদায়ৰ সোণাৰিসকলে আগৰ ছাগলী ছালৰ ভাটীয়েই ব্যৱহাৰ কৰি থাকিল। ভাটীৰ ফালৰ পৰা অসমলৈ অহা এই সোণাৰিসকলৰ অসমীয়া অলংকাৰলৈ এটা লেখত ল'ব লগা অৱদান হৈছে 'মিনাৰ কাম।' এওঁলোকে আন কিছুমান পদ্ধতিও প্ৰচলন কৰে। গতিকে দেখা গ'ল আহোম ৰাজত্বৰ সময়তে অসমত সোণৰ শিল্পই ঠন ধৰি উঠে।'

এইখিনিতে অসমৰ লোকজীৱনত মহিলাসকলৰ হাত শুৱনি কৰা গাম খাৰু, মুঠিখাৰুৰ ওপৰত সংক্ষিপ্ত আলোকপাত কৰা হ'ল :

গামখাৰু : গামখাৰু সন্দৰ্ভত হেমচন্দ্ৰ বৰুৱাই লিখিছে : 'আগেয়ে তাক মিৰিৰ গামে পিন্ধিছিল, এতিয়া পুৰুষে পিন্ধা এবিধ খাৰু।' গামখাৰু সাধাৰণতে তিনিসিৰীয়া আৰু ৰূপৰ। সোণৰ গামখাৰুৰ প্ৰচলন আছে। সোণৰ গামখাৰুবোৰত বাখৰ পতাই অতি সুন্দৰ কৰি তোলা হয়। পুৰুষে পিন্ধা গামখাৰু পাছত নাৰীৰ হাত শুৱনি কৰেহি।

মুঠিখাৰু : 'হেমকোষ'ত আছে : 'মুঠি মাৰি হাতত সুমুৱা খাৰুৱে হ'ল মুঠিখাৰু। কেইবাডাল চেপেটা বালা লগ লগাই সজা এবিধ খাৰু।' যুগল দাসে তেওঁৰ গ্ৰন্থ 'অসমৰ লোককলা'ত লিখিছে : 'অসমীয়া তিৰোতাই হাতত মুঠিখাৰু বা খুচুৰীয়া খাৰু পিন্ধিছিল। মুঠিখাৰুৰ নিচিনা দীঘলীয়া হাতৰ অলংকাৰ অনেক প্ৰাচীন ভাস্কৰ্যত দেখিবলৈ পোৱা যায়।' ড° নাৰায়ণ দাসে লিখিছে : 'আহোম ৰজাৰ মুঠিখাৰুবোৰত হেনো হীৰা পতোৱা আছিল।'

এইখিনিতে অসমীয়া নৃত্য কেইটামানত পিন্ধা অলংকাৰৰ বৰ্ণনা দিয়া হ'ল।

গোসাঁই প্ৰৱেশৰ নাচ : অংকীয়া ভাওনাত শ্ৰীকৃষ্ণ অথবা শ্ৰীৰামচন্দ্ৰই সংগী সমন্বিতে যি নাচেৰে ৰংগভূমিত প্ৰৱেশ কৰে তাকেই কোৱা হয় গোসাঁই প্ৰৱেশৰ নাচ। এনে সময়ত গোসাঁয়ে পৰিধান কৰা সাজ-পাৰ, সোণৰ অলংকাৰ এনে ধৰণৰ : 'পিন্ধা ধুতিখন হালধীয়া, বাউসীলৈকে গা ঢকা হালধীয়া চোলা। পিছফালে বাউসীৰ পৰা আঁঠুলৈকে ওলমি পৰা নীলা ৰঙৰ চানেকিৰে কৰা কাৰুকাৰ্যখচিত কাপোৰ..... কঁকালত কৰধ্বনি, ডিঙিত মণিমালা, হাতত খাৰু, মূৰত কিৰীটি।' (উৎস গ্ৰন্থ— সুৰেশ চন্দ্ৰ গোস্বামীৰ 'অসমৰ নাট্য নৃত্য কলা' গ্ৰন্থ।)

চালি নৃত্যৰ অলংকাৰ : মণিৰাম দত্ত বায়ন মুক্তিয়াৰদেৱৰ মতে ভাগৱতত বৰ্ণিত হৰমোহনৰ মোহিনী নৃত্যই চালি। এই নাচটো নাচিলে মৰাই চালি ধৰাৰ দৰে দেখি গুণে নাচটোৰ নাম 'চালি।' আন এটা ব্যুৎপত্তি মতে শ্ৰীকৃষ্ণই পথাৰত গৰু চৰাওঁতে যি নৃত্য কৰিছিল সেয়ে চালি। এই নৃত্যৰ সোণৰ অলংকাৰ হ'ল—ভৰিত নেপুৰ, হাতৰ মুঠিত আৰু বাহুৰ তলত চাৰিপাট বাজু। নৃত্যৰ বাবে বিশেষ ধৰণৰ সাজ-পাৰ পৰিধান কৰে।

ঝুমুৰা নাচ : মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ৰাস ঝুমুৰাত যি নাচ নাচিছিল সেয়ে ঝুমুৰা নাচ। নৃত্যত বিশেষ ধৰণৰ সাজ পৰিধানৰ লগতে অলংকাৰ স্বৰূপে মতা মণি এধাৰ, হাতৰ মুঠি আৰু বাউসীত বাজু চাৰিপাট, ভৰিত নেপুৰ পিন্ধে।

ওজাপালি নাচ : সুকনান্নী ওজাপালিয়ে ডিঙিত পোৱাল মণি, সোণ খটোৱা মণি, কঁকালত লংকেৰু, হাতত সোণপানী চৰোৱা ৰূপৰ খাৰু পিন্ধে।

গতিকে দেখা গ'ল সংস্কৃতি-চৰ্চাতো সোণৰ অলংকাৰৰ ভূমিকা গুৰুত্বপূৰ্ণ। এনেবোৰ প্ৰয়োজন পূৰণৰ তাগিদাতে ব্যাপকভাৱে দেখা দিয়া সোণৰ চাহিদা পূৰাবলৈ সোণৰ শিল্পই অধিকভাৱে গা কৰি উঠিছিল। তাহানিতে অসমৰ প্ৰতিটো অঞ্চলতে একোখন সোণাৰি গাঁও আছিল। শিৱসাগৰ জিলাৰ সোণাৰিৰ খ্যাতি অসমৰ ভিতৰতে বিখ্যাত। তাহানিতে পুৰুষসকলেও সোণৰ অলংকাৰ পৰিধান কৰিছিল।

সোণ কমোৱা, ইয়াৰ শিল্পকৰ্মৰ বিভিন্ন পৰ্য্যায়, বাণিজ্য আদিত অনেক লোক জড়িত থকালৈ চাই (উপৰোক্ত আলোচনাৰ ভিত্তিত) বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত শান্তি-সম্প্ৰীতি, আন দেশৰ লৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ়ি উঠিছিল বুলিব পাৰি। সোণৰ অলংকাৰ আৰু সোণ যোগান ধৰাৰ গইনা লৈ ৰজাঘৰৰ স'তে প্ৰজাসকলৰ আন্তৰিক সু-সম্পৰ্ক স্থাপিত হৈছিল।

মহালয়া

আহিন মাহৰ অমাৱস্যা তিথিটোক মহালয়া বোলে। এই তিথিটোত পিতৃ পুৰুষৰ শ্ৰাদ্ধ-পাৰ্বণ পতা অথবা তৰ্পণ কৰা হয়। ভাৰতীয় হিন্দু ধৰ্মাৱলম্বী লোকে মৃত পূৰ্ব-পুৰুষসকলৰ মৃত্যু তিথি প্ৰতি বছৰ একদ্দিষ্ট শ্ৰাদ্ধৰে পালন কৰে। কিন্তু কেতিয়াবা কোনো কাৰণত এই তিথি পালন কৰা নহ'লে মহালয়াৰ দিনা শ্ৰাদ্ধ-পাৰ্বণ কৰা হয়। আকৌ এই দিনটোত দুৰ্গা পূজাৰ দেবীৰ ঘট স্থাপনেৰে পূজাৰ কৰ্ম আৰম্ভ হয়।

আহিন মাহৰ অমাৱস্যা তিথিটোক 'প্ৰেতপক্ষ' বোলে। এই তিথিটোত শ্ৰাদ্ধ-পাৰ্বণ কৰা তাৎপৰ্য সম্পৰ্কত এক কাহিনী প্ৰচলিত আছে—সূৰ্যই সত্ৰাজিতক এটা স্যামন্তক মণি উপহাৰ দিছিল। সত্ৰাজিতে সেই মণিটো মৰমতে তেওঁৰ ভায়েক প্ৰসেনজিতক দিয়ে। বনলৈ চিকাৰ কৰিবলৈ যাওঁতে এটা জন্তুৱে প্ৰসেনজিতক মাৰি মণিটো লয়। পাছত জাম্বৱন্ত নামৰ এটা ভালুকে সেই মণিটো জন্তুটোক হত্যা কৰি লয় আৰু নিজৰ পোৱালিটোক দিয়ে। ইফালে প্ৰসেনজিৎ বনৰ পৰা উভতি নহা দেখি মানুহে বু বু-বা বা কৰিবলৈ ধৰিলে যে কৃষ্ণই প্ৰসেনজিতক হত্যা কৰি স্যামন্তক মণিটো হস্তগত কৰিছে। কৃষ্ণই এই অপবাদ মোচনৰ অৰ্থে কেইজনমান লগৰীয়াক লৈ বনলৈ যায়। বনত প্ৰসেনজিৎ মৰি থকা দেখে। তাৰ পৰা কিছু দূৰত জন্তুটো মৰি থকা দেখে। তাৰ পৰা ভালুকৰ খোজৰ চিন চাই চাই কৃষ্ণই গৈ জাম্বৱন্তৰ গাঁতৰ মুখ পায় আৰু লগৰীয়াসকলক তাত অপেক্ষা কৰিবলৈ কৈ গাঁতটোৰে তললৈ সোমাই যায়। গাঁতত ভালুকৰ পোৱালিটোৰ মুখত স্যামন্তক মণিটো দেখা পায়। সেইটো পোৱালিটোৱে পিতাক জাম্বৱন্তৰ পৰা পোৱা বুলি কয়। কৃষ্ণই জাম্বৱন্তক মণিটো ওভতাই দিবলৈ কয়। জাম্বৱন্তই ওভতাই দিব নোখোজাত দুয়োৰে মাজত আঠাইশ দিন ধৰি তুমুল ৰণ হয়।

ইফালে কৃষ্ণলৈ বুলি গাঁতৰ মুখত বহু দিন অপেক্ষা কৰিও তেওঁ উভতি নহা দেখি লগৰীয়াসকলে তেওঁ মৰিল বুলি ভাবে। তেওঁলোকে উভতি আহি কৃষ্ণৰ মাতৃ দৈৱকী আৰু ৰাজপ্ৰাসাদৰ সকলোৰে আগত কৃষ্ণ মৰা বুলি কয়। ৰাজ্যত বিবাদৰ ৰোল উঠে। দৈৱকীয়ে কৃষ্ণ মৰা বুলি বিশ্বাস নকৰি দেৱী মহামায়াৰ (দুৰ্গা) পূজা-অৰ্চনা কৰিবলৈ ধৰে আৰু পুতেকক সৌ-শৰীৰে ঘুৰাই আনিবৰ কামনা কৰে। আনহাতে, কৃষ্ণৰ বংশৰ লোকসকলে কৃষ্ণৰ প্ৰেতকৰ্ম আৰম্ভ কৰে।

আঠাইশ দিনৰ দিনা জাম্ববন্তই ভগবান কৃষ্ণৰ পৰিচয় পাই পৰাজয় স্বীকাৰ কৰে আৰু শ্যামন্তক মণি ওভতাই দিয়ে। লগতে পালিত কন্যা জাম্ববন্তীক কৃষ্ণৰ লগত বিয়া পাতি দিয়ে। কৃষ্ণই জাম্ববন্তীক লগত লৈ দ্বাৰকালৈ উভতি আহে। কইনাৰে স'তে কৃষ্ণৰ আগমনত দ্বাৰকাত আনন্দৰ ৰোল উঠে। কইনাৰে স'তে কৃষ্ণৰ আগমনৰ এই সময়খিনিক মানুহে 'কইনাগত' (কইনা + আগত = কইনাগত) বোলে। আহিন মাহৰ পূৰ্ণিমাৰ পৰা অমাবস্যালৈ এই কেইদিনক কইনাগত বোলে। নলবাৰী জিলাৰ পিপলিবাৰী গাঁৱৰ পুৰোহিত, জ্যোতিষী অনন্ত কুমাৰ শৰ্মাই কয় ঃ 'কৃষ্ণৰ প্ৰেতকৰ্ম কৰাৰ তাৎপৰ্যতে মহালয়াৰ দিনা পিতৃ-পুৰুষৰ শ্ৰাদ্ধ-পাৰ্বণ কৰে।' মহালয়াৰ দিনা পিতৃ পুৰুষৰ শ্ৰাদ্ধ-পাৰ্বণ তথা তৰ্পণ কৰাৰ ৰীতি ৰঘুনন্দনৰ 'তিথি তত্ত্বত' বৰ্ণিত হৈছে। আগতে আহিন মাহৰ গোটেই কৃষ্ণ পক্ষটোতে শ্ৰাদ্ধ কৰাৰ নিয়ম আছিল। বৰ্তমান সি তৰ্পণত বৈছেগৈ। এই কৃষ্ণ পক্ষৰ নামান্তৰ হ'ল পিতৃ অথবা মহালয় অৰ্থাৎ পিতৃ পুৰুষৰ উৎসৱৰ আধাৰ। এই পবিত্ৰ তিথিটোত পিতৃ পুৰুষসকল যমলোক এৰি মৰ্ত্যলোকলৈ আহে আৰু নিজলোকলৈ প্ৰত্যাবৰ্তন কৰে। কোনো কোনোৰ মতে, মহালয় শব্দৰ পৰাই মহালয়া উদ্ভৱ হৈছে। আন কোনোৰ মতে, ইয়াৰ অৰ্থ হৈছে 'গয়া'। শ্ৰাদ্ধ-পাৰ্বণৰ দিনা পূৰ্বপুৰুষৰ আত্মাই যমলোকৰ পৰা আহি বংশধৰে আগবঢ়োৱা পিণ্ড খায় আৰু নিজলোকলৈ প্ৰত্যাবৰ্তন কৰে। দশৰথৰ আত্মাই বনবাসত থকা ৰাম-লক্ষ্মণৰ পৰা পিণ্ড লাভ কৰাৰ বাবে যায়। কিন্তু তেওঁলোকক নাপাই পুত্ৰবধূ সীতাৰ হাতে পিণ্ড লাভ কৰি পৰিতৃপ্ত হয়।

'হিন্দু সৰ্বস্ব গ্ৰন্থ'ত মহালয়াৰ শ্ৰাদ্ধ-পাৰ্বণ সম্পৰ্কত আছে ঃ 'মহালয়াৰ শ্ৰাদ্ধ-পাৰ্বণৰ আগদিনা দিনটো উপবাসে থাকি কৰ্তাই (শ্ৰাদ্ধ কৰিব বিচৰা মৃত পিতৃ বা মাতৃৰ পুত্ৰ বা বংশধৰ) নিশা হবিষান্ন কৰিব লাগে। হবিষান্ন মানে হ'ল কৰ্তাৰ পত্নী বা সম্পৰ্কীয় তিৰোতাই চাউল, আলু, বেঙেনা আদি মগু দালি ৰান্ধিব লাগে। কৰ্তাই কলপাত বা শিলৰ কাঁহীত সেই দুবিধ খাদ্য খায়। পিছদিনা অৰ্থাৎ মহালয়াৰ দিনা গোবৰ মাটিৰে মচি পবিত্ৰ কৰা ঠাইত শ্ৰাদ্ধৰ দ্ৰব্যভাগ সজাই ৰাখিব লাগে। তাত মৃত পিতৃপক্ষৰ মাতৃপক্ষ আদিৰ উদ্দেশ্যে থালী (কলৰ চতিয়াত ৰখা চাউল) সজাব লাগে। তাৰ পিছত 'অপবিত্ৰ পবিত্ৰ ভৱঃ' মন্ত্ৰ পাঠ কৰিব লাগে। তাৰ পাছত পুৰোহিতে শ্ৰাদ্ধৰ মন্ত্ৰভাগ পাঠ কৰিব লাগে। কৰ্তাই তেওঁৰ নিৰ্দেশ পালন কৰে। মহালয়াৰ শ্ৰাদ্ধ-পাৰ্বণত ষোড়শ পিণ্ড দানৰ ব্যৱস্থা আছে। এই ব্যৱস্থা অনুসৰি মাটিত দক্ষিণলৈ অঁকা পাঁচোটা ৰেখাৰ ওপৰত পশ্চিমলৈ ছয়টা ৰেখা অঁকা হয়। সেই ঘৰবোৰৰ আটাইকেইটাত পানী ছটিয়াই ওপৰত কুশ ৰাখিব লাগে আৰু পিতৃক

আহ্বান কৰিব লাগে মন্ত্ৰেৰে। তাৰ পাছত কুশৰ ওচৰত তিলৰ অঞ্জলি দি মন্ত্ৰ মাতিব লাগে ঃ 'ওঁ অব্ৰাহ্মস্তম্বপৰ্যন্তং দেবৰ্ষি পিতৃমানৱ/তৃপন্তুপিতৰঃ সৰ্বে মাতৃমহাদয়।। অতীত কুল কৌটিনাং সপ্তদ্বীপ নিবাসিনাম্। অব্ৰহ্মভূৱনাল্লোকাদিমস্তু তিলোকদম।।

উপৰোক্ত ঘৰবোৰৰ প্ৰায় আটাইকেইটিতে মন্ত্ৰ মাতি পিণ্ড দান কৰিব লাগে— 'ওঁ অস্মাৎ কুলে মৃতা যে গতিৰ্যেষাং ন বিদ্যতে তেষামুদ্ধৰনাৰ্থায় ইমং পিণ্ডং দদামাহম।।.... ড° নাৰায়ণ দাসে লিখিছে ঃ 'কোনোৱে যদি কিবা অসুবিধাবশতঃ মহালয়াৰ কালত শ্ৰাদ্ধ পাতিব নোৱাৰে তেন্তে তেওঁলোকে দীপান্বিতাৰ অমাবস্যা তিথিতেই সেই শ্ৰাদ্ধ ভাগ সম্পন্ন কৰিবলৈ গোবিন্দানন্দই 'বৰ্ষক্ৰিয়া কৌমুদী'ত নিৰ্দেশ দিছে।' পিতৃ পুৰুষে পিণ্ড খাই নিজলোকলৈ প্ৰত্যাবৰ্তন কালত আকাশমাৰ্গত উল্কা দানৰ ব্যৱস্থা কৰা বাঞ্ছনীয়। 'কালপুৰুষ পূৰ্ণাংগ পঞ্জিকা'ৰ সম্পাদক, বিশিষ্ট জ্যোতিষী, গন্ধিয়া নিবাসী ৰবীন্দ্ৰনাথ শৰ্মাই কয় ঃ 'উল্কা দানৰ অৰ্থ হ'ল বন্তিত অগ্নি প্ৰজ্বলন।' নাৰিকলৰ পাত্ৰত বন্তি জ্বলাই উল্কা দান কৰিব লাগে।'

প্ৰথমতে উল্কা গ্ৰহণৰ মন্ত্ৰ মাতিব লাগে—'ওঁ শাস্ত্ৰ শান্ত হতানাঞ্চ ভূতানাং ভূতদশয়ো/উজ্জ্বল জ্যোতিষা দেহং দেহয়ং ব্যোম বহ্নিনা//' উল্কা মাটিত ৰাখি মন্ত্ৰ মাতে—'ওঁ অগ্নিদগ্ধাশ্চ যে জীৱা যেহপ্যদগ্ধাঃ কুলে মম/উজ্জ্বল জ্যোতিষা দগ্ধন্তেযান্তু পৰমাংগতিম্//উল্কা ভেলত তুলি জলাশয়ত উটুৱাই দি মন্ত্ৰ মাতিব লাগে—'ওঁ যমলোক, পৰিত্যজ্য আগতা যে মহালয়া/উজ্জ্বল জ্যোতিষাবত্ম প্ৰপশ্যান্তো ব্ৰজন্তুতে//'

মহালয়ৰ লগত দুৰ্গা পূজাৰো সম্পৰ্ক আছে। অনন্ত কুমাৰ শৰ্মাৰ মতে ঃ 'মহালয়াৰ দিনটোতে দুৰ্গা পূজাৰ ঘট স্থাপন কৰি পূজাৰ আৰম্ভণি কৰা হয়। দুৰ্গা স্তোত্ৰ পাঠ কৰি সিদিনাৰ পৰা ঘটত পূজা কৰা হয়। স্তোত্ৰ—'যা দেৱী সৰ্বভূতেষু শক্তিৰূপেন সংস্থিতা/নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ//....'

ঘট স্থাপনৰ দিনা ঘটৰ তলত চণ্ডী মণ্ডল আঁকিব লাগে। ৰজনীকান্ত দেৱশৰ্মাই লিখা গ্ৰন্থ 'সচিত্ৰ মণ্ডল অধ্যায়'ত আছে ঃ 'সিদ্ধিক্ষেত্ৰ, দেৱীগৃহ, শিৱমূৰ্তিৰ ওচৰত উত্তৰ মুখে দীঘলে আৰু বহলে তিনি হাত পৰিমাণ স্থণ্ডিল কৰি তাৰ ওপৰত চণ্ডী মণ্ডল পাতি পূজা কৰি চণ্ডীপাঠ কৰিব লাগে। মণ্ডল অংকাৰ নিয়ম হ'ল এহাত পৰিমাণৰ বৃত্ত এটা আঁকি চতুৰস্ৰ কৰি ল'ব। সেই বৃত্তৰ ভিতৰত চাৰি আঙুল এৰি ষোল্ল আঙুল পৰিমাণত আৰু এটা বৃত্ত আঁকিব। আকৌ তাৰ ভিতৰতো চাৰি আঙুল এৰি বাৰ আঙুল পৰিমাণৰ আৰু এটা বৃত্ত কৰিব। দ্বিতীয় বৃত্তৰ ভিতৰত ষট্‌কোণ চিত্ৰ কৰিব। তৃতীয় বৃত্তৰ ভিতৰত ষোড়শ দলপদ্ম আঁকিব, চতুৰ্থ বৃত্তৰ ভিতৰত ৩২ দলপদ্ম আঁকিব। চতুৰস্ৰৰ বাহিৰে চাৰিওফালে পূৰ্বোক্ত মতে ১২ আঙুল পৰিমাণৰ

৪ খন দ্বাৰ আঁকিব। দ্বাৰৰ মূল দেশত সংলগ্ন কৰি চাৰিওফালে চতুৰস্ৰৰ সতে আধা আঙুলকৈ এৰি ৫ ডাল গড়ৰ সৰলৰেখা টানিব। ইয়াৰ পাছত অন্তৰোৰ আঁকিব লাগে।' এই মণ্ডলখনত বিভিন্ন ৰঙৰ গুড়া ব্যৱহাৰ কৰে। মণ্ডলবোৰত ১০ প্ৰকাৰৰ গুড়া লাগে। আলা চাউলৰ গুড়াক শ্বেত, হালধিৰ গুড়াক পীত বোলে। ফাকু বা সেন্দুৰক ৰক্ত, বেলপাতৰ গুড়াক শ্যাম, পতান পোৰা গুড়াক কৃষ্ণ, কুসুম ফুলৰ গুড়াক অৰুণ বোলে। ৰক্ত, পীত আৰু কৃষ্ণ মিহলাই তাম্রবর্ণ, শ্বেত, ৰক্ত মিহলাই শংখ বা পাণ্ডুৰ আৰু ৰক্ত আৰু কৃষ্ণৰ সংমিশ্ৰণত ধূম্রবর্ণ হয়। এইবোৰৰ ভিতৰত উপৰোক্ত চণ্ডী মণ্ডলত শুক্ল, ৰক্ত, পীত, অৰুণ, শ্যাম ৰঙৰ গুড়া ব্যৱহাৰ হয়।

ঘট সম্পৰ্কে 'বিশুদ্ধ নিজ কৰ্ম পদ্ধতি' গ্ৰন্থত আছে ঃ 'মণ্ডলৰ ওপৰত মাটি আৰু পঞ্চ শস্য দি তাৰ ওপৰত ঘট বহুৱাব লাগে। ঘটৰ মুখত পঞ্চপল্লৱ আৰু আমৰ গছৰ আগ দি তাৰ ওপৰত চাউল, নাৰিকল, সেন্দুৰ, ফুল দিব লাগে। ঘটৰ গাত সেন্দুৰৰ ফোট দিব লাগে। গাখীৰ আৰু চাউল দিব লাগে। ঘটৰ ডিঙিত সূতা বান্ধি আৰু বস্ত্ৰৰ দ্বাৰা ঢাকিব লাগে। ঘটৰ মাজত পঞ্চৰত্ন দিব লাগে।' ফুল, বেলপাত আদিৰে ঘটত পূজা কৰা হয়।

স্যামন্তক মণি আনিবলৈ গৈ কৃষ্ণ উভতি নহা দেখি দৈৱকীয়ে মহামায়াক (দুৰ্গা) পূজা কৰি পুত্ৰক ওভতাই অনাৰ কামনা কৰাৰ তাৎপৰ্যতে হয়তো মহালয়াৰ দিনা ঘট স্থাপন কৰি দুৰ্গা পূজাৰ শুভাৰম্ভণ কৰা হয়।

অশোকাষ্টমী

চ'ত মাহৰ শুক্লা অষ্টমী তিথিত অশোকাষ্টমী পালন কৰি মানুহে দুখ-শোক, বেমাৰ-আজাৰ, পাপ নাশৰ কামনা কৰি সুখ-শান্তিৰে জীৱন অমৃতময় কৰাৰ আশা কৰে। আকৌ মৃত পূৰ্বপুৰুষসকলৰ অস্থি নদীৰ পানীত বিসৰ্জন দি তেওঁলোকৰ আত্মাক চিৰমুক্তি দিয়াৰ কামনা কৰে। অশোকাষ্টমীৰ বিষয়ে জানিবঁ লাগিলে আমি ব্ৰহ্মপুত্ৰ নদীৰ এক বৃত্তান্তৰ বিষয়ে আলোচনা কৰিব লাগিব।

শান্তনু মুনিৰ পত্নী আমোঘাৰ গৰ্ভত ব্ৰহ্মাৰ মানসপুত্ৰৰূপে জন্ম পায় এজন জলময় সন্তান। ব্ৰহ্মাৰ পুত্ৰ কাৰণে এই সন্তানৰ নাম হয় 'ব্ৰহ্মপুত্ৰ'। শান্তনু মুনিয়ে লোকসমাজৰ মংগলৰ হেতু ব্ৰহ্মপুত্ৰক স্থাপন কৰে চাৰিখন পাহাৰে আগুৰা এটা কুণ্ডত। কিছু বছৰৰ পাছত পৰশুৰামে এই কুণ্ডলৈ আহি ইয়াৰ পবিত্ৰ জলৰাশিত গা ধুই মাতৃ হত্যাৰ পাপ খণ্ডন কৰে। পাপ নাশৰ ফলস্বৰূপে হাতৰ পৰা সৰি পৰা কুঠাৰেৰে ব্ৰহ্মপুত্ৰৰ জলৰাশিক মৰ্ত্যলৈ বোৱাই নি পৃথিৱীৰ জনগণৰ দুখ-শোক, পাপ নাশ কৰি ধৰাত সুখ-শান্তি বিয়পোৱাৰ উদ্দেশ্যে কুণ্ডৰ পাৰ কাটি দিয়ে। অসমলৈ বৈ আহোতে (সেই সময়ত প্ৰাগজ্যোতিষপুৰ) কামাখ্যা মন্দিৰৰ ওচৰ পাওঁতে তাতে ক্ষণিক ব্ৰহ্মপুত্ৰক ৰবলৈ কৈ দেৱী দৰ্শন কৰিবলৈ যায়। ঘূৰি আহি দেখিবলৈ পায় ব্ৰহ্মপুত্ৰই পৰশুৰামৰ নিৰ্দেশ নামানি দূৰলৈ গৈছে। ক্ৰোধান্বিত হৈ পৰশুৰামে ব্ৰহ্মপুত্ৰক শাওপাত দিয়ে—'তোমাৰ পবিত্ৰতা নোহোৱা হ'ব' বুলি। তেতিয়া ব্ৰহ্মপুত্ৰই নিজৰ দোষৰ বাবে পৰশুৰামৰ ওচৰত ক্ষমা মাগে। সামান্য দয়া পৰৱশ হৈ পৰশুৰামে কয়—বছৰৰ এটা দিনত তুমি পবিত্ৰ হ'বা। সেইদিনাৰ পৰা ব্ৰহ্মপুত্ৰৰ পানীয়ে চ'ত মাহৰ শুক্লা অষ্টমী তিথিত পবিত্ৰতা লাভ কৰি আহিছে।

চ'ত মাহৰ শুক্লা অষ্টমী তিথিয়ে অশোকাষ্টমী নাম পোৱাৰ কাৰণ সন্দৰ্ভত 'অসম গৌৰৱ' গ্ৰন্থত অন্য এক তথ্য আছে : 'ব্ৰহ্মপুত্ৰ নদীয়ে পৰশুৰামৰ নিৰ্দেশিত মৰ্ত্তলৈ বৈ আহোতে 'অশোক' নামৰ মুনি এজনৰ আশ্ৰমখন উটুৱাই নিয়াত মুনিয়ে খঙত অগ্নিশৰ্মা হৈ ব্ৰহ্মপুত্ৰক অপবিত্ৰ হোৱাৰ বাবে শাপ দিয়ে। ব্ৰহ্মপুত্ৰই তেতিয়া নিজৰ দোষৰ বাবে ক্ষমা মাগে আৰু শাপমুক্তিৰ বাবে কাকুতি প্ৰাৰ্থনা কৰে। দয়া উপজি ঋষিয়ে কয়—'বছৰৰ এটা দিনত তুমি (বা তোমাৰ জলৰাশি) পবিত্ৰ হ'ব। সেই দিনটো হ'ব চ'ত মাহৰ শুক্লাষ্টমী তিথি'। অশোক ঋষিৰ নামেৰে এই দিনটোৰ (চ'ত মাহৰ শুক্লাষ্টমী

তিথি) নামকৰণ কৰা হয় 'অশোকাষ্টমী' ৰূপে। কিছুমানৰ মতে অশোকাষ্টমী হোৱাৰ দিনটোতে সীতাৰ জন্ম আৰু আন কিছুমানৰ মতে সীতাৰ সয়ম্বৰ হৈছিল। আকৌ আন কিছুমানৰ মতে এই তিথিটোতে আশোক ফুলৰ লগত সম্পৰ্কিত পৰ্ব পালন (অশোক ফুল খোৱা) কৰা হয় বাবেই নাম হয় 'অশোকাষ্টমী' (অশোক + অষ্টমী = অশোকাষ্টমী)'। অশোকাষ্টমী সম্পৰ্কে ড° নাৰায়ণ দাসে লিখিছে ঃ 'পুৰণি কালৰ বসন্ত কালত উদ্‌যাপিত উৎসৱসমূহৰ ভিতৰত 'অশোক দোহদো' এটা। উই উৎসৱ সাধাৰণতে ৰাজপ্ৰাসাদত উদ্‌যাপিত হৈছিল। 'সৰস্বতী কণ্ঠাভৰণৰ মতে এই উৎসৱ অনুষ্ঠিত হৈছিল—চ'ত মাহৰ ত্ৰয়োদশী তিথিত। সেই কালৰ এটা লোকবিশ্বাস আছিল যে যুৱতীৰ পাদস্পৰ্শত অশোক ফুল মঞ্জুৰিত হয়। সেইবাবে ৰাজপ্ৰাসাদৰ যুৱতী ৰাণীয়ে অশোক ফুলত এটা নিৰ্দিষ্ট দিনত পাদস্পৰ্শ দিছিল। মহাকবি কালিদাসৰ 'মালবিকাগ্নি মিত্ৰম' নাটত মালবিকাই নূপুৰযুক্ত চৰণেৰে অশোক ফুলৰ গুৰিত মৃদু আঘাত দিয়াৰ কেইদিনমান পাছত ফুলজোপা ফুলি উঠাৰ বৰ্ণনা আছে। চ'ত মাহৰ শুক্লা ষষ্ঠী আৰু অষ্টমী তিথি দুটা 'অশোক ষষ্ঠী' আৰু অশোকাষ্টমী ৰূপে পৰিচিত। প্ৰথমটো তিথিত ছোৱালীসকলে অশোকৰ কলি খাইছিল। অষ্টমীৰ দিনাখন শোক মুক্তিৰ কামনাত স্ত্ৰী-পুৰুষে আঠোটাকৈ অশোকৰ কলি খোৱাৰ বিধান পোৱা যায়। 'আয়ুৰ্বেদ'ত এই অশোকৰ কলি, ইয়াৰ গছৰ গুণৰ বৰ্ণনা আছে।

উত্তৰ গুৱাহাটীৰ পৌৰাণিক স্মৃতিচিহ্ন বিজড়িত শ্ৰীশ্ৰীঅশ্বক্ৰান্ত দেৱালয়ত প্ৰতি বছৰে অশোকাষ্টমী আড়ম্বৰপূৰ্ণভাৱে পালন কৰা হয়। এই দেৱালয়লৈ পৃথিৱীৰ নানা দেশৰ পৰা অগণন ভক্ত, দৰ্শনাৰ্থীৰ আগমন ঘটে। এই দেৱালয়লৈ প্ৰাচীনত্ব সম্পৰ্কে দেৱালয়ৰ দলে তৰণীকান্ত শৰ্মাই এক প্ৰচাৰ পত্ৰত লিখিছে ঃ অশ্বক্ৰান্ত দেৱালয়ৰ প্ৰাচীনত্ব সম্পৰ্কে তিনিটা প্ৰবাদ প্ৰচলিত আছে—(ক) প্ৰাগ্‌জ্যোতিষৰ ৰজা নৰকাসুৰৰ অত্যাচাৰৰ পৰা প্ৰজাবৰ্গক ৰক্ষাৰ হেতু দ্বাৰকাধিপতি শ্ৰীকৃষ্ণই ঘোঁৰাৰ ৰথত আহি যুদ্ধত অৱতীৰ্ণ হৈছিল। এই ঠাইত ঘোঁৰা আক্ৰান্ত হোৱা হেতু নাম হয় অশ্বক্ৰান্ত (খ) বিদৰ্ভৰাজ ভীষ্মকৰ জীয়ৰী ৰুক্মিণী দেৱীক শ্ৰীকৃষ্ণই বিয়া কৰাই দ্বাৰকাভিমুখে যাত্ৰা কৰি এই পাহাৰতে ক্ষন্তেক জিৰণি লৈছিল। ৰথৰ ঘোঁৰা ক্ৰান্ত হোৱা এই ঠাইডোখৰৰ নাম হয় 'অশ্বক্ৰান্ত' (অশ্বক্ৰান্তক 'অশ্বক্লান্ত'ও বোলে) (গ) কুৰুক্ষেত্ৰৰ যুদ্ধৰ সময়ত অভিমন্যুক বধ কৰিবৰ উদ্দেশ্যে শ্ৰীকৃষ্ণই বুদ্ধি কৰি অৰ্জুনক পুৰণি কামৰূপ ৰাজ্যৰ পিনে লৈ আহিছিল, কিয়নো যুদ্ধ নিপুণ অৰ্জুন থাকিলে কৌৰৱে অভিমন্যুক বধ কৰিব নোৱাৰে। এই ঠাইতে ৰথৰ ঘোঁৰা ক্ৰান্ত হোৱা বাবে ঠাই ডোখৰৰ নাম অশ্বক্ৰান্ত হয়। এই দেৱালয়ত কূৰ্ম জনাৰ্দন আৰু অনন্তশায়ী

নাৰায়ণৰ দুটা মন্দিৰ আছে। কূৰ্ম জনাৰ্দন মন্দিৰটো দৰঙী ৰজাৰ ৰাজত্ব কালত (১৬০৪-১৬১৩) আৰু অনন্তশায়ী নাৰায়ণ মন্দিৰটো শিৱসিংহৰ ৰাজত্ব কালত (১৭১৪-১৭৪৪) সজোৱা হৈছিল। এই অশ্বক্লান্ত দেৱালয়ৰ প্ৰকাণ্ড এটি শিৱলিংগও আছে। গয়া কুণ্ডকে ধৰি এই দেৱালয়ত নৈৰ দাঁতিত বাৰটা কুণ্ড আছে। গয়াতীৰ্থত ভগবান বিষ্ণুৰ পদচিহ্ন আৰু ঘোঁৰাৰ খোজ আজিও বিৰাজমান। অশ্বক্লান্ত দেৱালয়ত পালিত অশোকাষ্টমীৰ পৰ্ব সম্পৰ্কে এই দেৱালয়ৰ এজন পুৰোহিত কৈলাশ চন্দ্ৰ দেৱশৰ্মাই আমাক কয় ঃ 'সমগ্ৰ ভাৰততে গয়াতীৰ্থ তিনিখন। ইয়াৰে বিষ্ণুপদ গয়া এই দেৱালয়ত আৰু বিষ্ণুনাভি গয়া হৰিদ্বাৰত আছে। ব্ৰহ্মপুত্ৰৰ বুকুৰেদি পবিত্ৰ জলৰাশি অশোকাষ্টমীৰ দিনা বিষ্ণুৰ পদচিহ্ন থকা এই অশ্বক্লান্ত দেৱালয়ৰ উত্তৰ দিশেৰে প্ৰবাহিত হৈ আছে। সেয়েহে ব্ৰহ্মপুত্ৰৰ অন্য ঠাইত স্নান, পিণ্ড, দান, অস্থি বিসৰ্জন কৰাতকৈ উত্তৰ দিশত কৰা অধিক ফলদায়ক। অশোকাষ্টমীৰ দিনা এই দেৱালয়ত পঞ্চ দেৱতাৰ পূজা কৰা হয়। এই দেৱালয়লৈ অহা ভক্তগণে সেইদিনা ব্ৰহ্মপুত্ৰত স্নান কৰি পবিত্ৰ হৈ মন্দিৰত সেৱা কৰে। পূৰ্বপুৰুষসকলৰ অস্থি বিসৰ্জন, পিণ্ড দিবলৈ অহাসকলে এই কাৰ্য সমাধা কৰি স্নান কৰি মন্দিৰলৈ আহি পূজা-সেৱা কৰে। অশ্বক্লান্ত দেৱালয়ত স্বাভাৱিকভাৱে মৃত্যুবৰণ কৰাসকলৰ অস্থি আৰু হৰিদ্বাৰত আত্মহত্যা কৰাসকলৰ অস্থি বিসৰ্জন দি আত্মাৰ চিৰমুক্তি কামনা কৰা হয়।' মানুহৰ মৃত্যুৰ পাছৰ পৰা মৎস্যস্পৰ্শৰ দিনালৈ হোৱা প্ৰেতকাৰ্যক বোলে 'অন্ত্যেষ্টিক্ৰিয়াদি'। এবছৰৰ মূৰত মৃতকক উদ্দেশ্যি একদিষ্ট একদিষ্ট শ্ৰাদ্ধ কৰা হয়। মানুহৰ বিবাহ, উপনয়ন আদিত মৃত পূৰ্বপুৰুষক উদ্দেশ্যি নান্দীমুখ শ্ৰাদ্ধ কৰি পিণ্ড আগবঢ়োৱা হয়। অশোকাষ্টমীৰ দিনা ঐতিহ্যমণ্ডিত অশ্বক্লান্ত দেৱালয়ৰ ওচৰত ব্ৰহ্মপুত্ৰৰ পানীত মৃতকৰ অস্থিৰ বিসৰ্জন আৰু পিণ্ড আগবঢ়োৱা হয়। কোনো মৃতকৰ অসুবিধাবসতঃ পৰিয়ালৰ লোকে অন্ত্যেষ্টিক্ৰিয়াদি কৰিব নোৱাৰিলে অশোকাষ্টমীৰ দিনা কৰে। এই সকলো কৰ্ম মৃতকৰ ল'ৰা সন্তানে কৰে যদিও নাথাকিলে বংশৰ অন্য লোকেও কৰিব পাৰে। নদীৰ পানীত নামিবলৈ দি মৃতকৰ শ্ৰাদ্ধকৰ্ম বা পিণ্ড আগবঢ়োৱাজনক প্ৰথমে পুৰোহিতে প্ৰায়শ্চিত্ত হ'বলৈ দিয়ে।

পৌৰাণিক কালত ৰজা ভগীৰথে শংখ বজাই স্বৰ্গৰ পৰা গংগাক মৰ্ত্যলৈ আনি তেওঁৰ মৃত সাগৰ বংশৰ পূৰ্বপুৰুষসকলক মুক্তি দিয়াইছিল। অশোকাষ্টমীৰ দিনা গংগাৰ তিনি সুঁতি পানী ব্ৰহ্মপুত্ৰেৰে অশ্বক্লান্তলৈ প্ৰবাহিত হৈ আহে বুলি বিশ্বাস কৰা হয়। মৃত্যুৰ পাছত মানুহৰ মৃতদেহ সংস্কাৰ মতে দাহ কৰি অৰ্ধদগ্ধ হাড়ৰ টুকুৰা কেইটামান (অস্থি) আনি প্ৰেতকৰ্ম কৰা নৈ, পুখুৰীৰ ঘাটৰ ওচৰত পানীৰ তলত বাঁহৰ চুঙাত ভৰাই কেইদিনমান ৰাখি পাছত ঘৰত মাটিৰ তলত পুতি ৰাখি ওপৰত পানীৰ

কলহ ৰাখি তাত পানী পৰিব দি অস্থি শান্ত কৰা হয়। মৎস্যস্পৰ্শৰ পাছত অস্থি তাৰ পৰা আনি পৰিয়ালৰ লোকে বাকচত ভৰাই অশোকাষ্টমীত ব্ৰহ্মপুত্ৰৰ পানীত আৰু গংগাৰ পানীত বিসৰ্জন দিয়ে। আনহাতে, উল্লেখযোগ্য যে ব্ৰহ্মপুত্ৰেৰে গংগাৰ পানী সেইদিনা বৈ আহে বুলিয়ে সম্ভৱতঃ গংগাত্ৰ পূজা কৰা হয়।

অশোকাষ্টমীত ব্ৰহ্মপুত্ৰৰ পানীত অস্থি বিসৰ্জন আৰু পিণ্ড দান কৰিবলৈ যোৱাসকলৰ কৰ্তাই কুঁহ, চাউল, তিল, মটক, কুঁহৰ আঙঠি আদি হাতত লৈ পানীত নামি হাতৰ কুঁহেৰে পানীত চতুষ্কোণ মণ্ডল এখন আঁকি ল'ব লাগে। তাৰ পাছত হাতৰ কুঁহ, চাউল আদিৰে সৈতে মণ্ডলৰ ভিতৰৰ পানী হাতেৰে তিনিবাৰ বাহিৰত দলিয়াব লাগে। মণ্ডলত সোমাই উত্তৰমুৱা হৈ হাতযোৰ কৰি প্ৰণাম কৰিব লাগে। তাৰ পাছত পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ আৰু নিৰ্দেশ ক্ৰমে কৰ্তাই মৃতকৰ অস্থি নদীৰ পানীৰ তলত বোকাৰে লাক কৰি পানীত বিসৰ্জন দিব লাগে। অস্থি বিসৰ্জনৰ পাছত কৰ্তাই নদীৰ পৰা উঠি আহি বালিচৰত কুঁহ এডালৰ ওপৰত বহি নৈবেদ্য, ধূপ-দীপ আদিৰে পঞ্চ দেৱতাৰ পূজা কৰিব লাগে। তাৰ পাছত 'ওঁ অব্ৰালিকা ....' মন্ত্ৰেৰে কুঁহেৰে মুৰ স্পৰ্শ কৰি তিনিবাৰ ঘূৰাব লাগে। এয়া হ'লে তিল, চাউল, ঘি, মৌ, এখীৰ গাখীৰ, কল, চেনি আদি বস্তুৰে পিণ্ড আগবঢ়াব লাগে। বিয়া, উপনয়ন আদিতো এইবোৰেৰে মৃত পূৰ্বপুৰুষক পিণ্ড আগবঢ়াব লাগে।

উত্তৰ গুৱাহাটীৰ অশ্বক্লান্ত দেৱালয় আৰু আন ঠাইত উদ্‌যাপিত এই অশোকাষ্টমীৰ ধৰ্মীয় কৰ্মৰ ওপৰত আলোকপাত কৰি নলবাৰী জিলাৰ গড়িয়া গাঁৱৰ পুৰোহিতদ্বয় পংকজলোচন্ শৰ্মা আৰু প্ৰতীক শৰ্মাই কয় : 'প্ৰকৃততে ব্ৰহ্মপুত্ৰৰ জন্মৰ আগৰে পৰা অশোকাষ্টমীৰ প্ৰচলন আছিল। এই অশোকাষ্টমীত পঞ্চদেৱতাৰ পূজাৰ লগতে নব পত্ৰিকাৰ (ন-বিধ গছৰ ডাল-পাত) পূজাও কৰা হয়। এই নৱপত্ৰিকাৰ প্ৰতিবিধ ডাল-পাতকে এগৰাকী দেৱীৰূপে ধৰা হয় আৰু ইয়াৰ গছসমূহৰ কাষতে মন্ত্ৰ মাতি ডাল, পাত আনিব লাগে। নব পত্ৰিকাৰ এবিধ হ'ল অশোক গছৰ ডাল। অশোকাষ্টমীত অশোক গছৰ গুৰুত্ব অসীম। ব্ৰহ্মপুত্ৰত স্নান কৰি ইয়াৰ কলি আঠোটা খাব লাগে। স্নানৰ আগতে ব্ৰহ্মপুত্ৰত নামি ব্ৰহ্মপুত্ৰক সেৱা কৰিব লাগে এই মন্ত্ৰেৰে : 'ব্ৰহ্মপুত্ৰ মহাবাহো শান্তনুকুলনন্দন/আমোঘা গৰ্ভসম্ভূত পাপং লৌহিত্য তম হৰ//' এই মন্ত্ৰ মতা শেষ হ'লে পানীত মুৰ মাৰি আঠোটা অশোকৰ কলি পানীৰে সৈতে খাই গাব লাগে এই মন্ত্ৰ : 'ত্বামু শোক হৰাভীষ্ট মধুমাশ সমুদ্ভৱং/পিবামি শোক সন্তপ্তো মাম শোকং সদা কুৰু//'

অশোকাষ্টমীত ব্ৰহ্মপুত্ৰৰ পবিত্ৰ পানীয়ে মানুহৰ পাপ মোচন কৰাৰ দৰে মনৰ হিংসা-দ্বেষ আদি বিসৰ্জন দিলে এই পৃথিৱীখন স্বৰ্গসদৃশ হ'ব।

সত্যনাৰায়ণ পূজা

দুখ-দুৰ্গতি, অভাৱ-অনাটন, হতাশা, যুদ্ধ-বিগ্ৰহ, ৰোগ-ব্যাধি, অন্যায়-অশান্তি আঁতৰাই মানৱ জীৱন তথা সমাজলৈ সুখ-শান্তি আনিবলৈ সত্যনাৰায়ণ পূজা সুদূৰ তাহানিৰ পৰা মানুহে পাতি আহিছে।

ধৰ্মীয় প্ৰভাৱপুষ্ট যদিও সত্যনাৰায়ণ পূজাত সাংস্কৃতিক দিশো বিদ্যমান। পূজা-পাতলৰ লগতে এই পূজাত সংকীৰ্তন, নাগাৰা নাম, জুনা নাম আদি অনুষ্ঠানো থাকে। বলি-বিধান অবিহনে চলা এই পূজাত চাউলৰ গুড়ি, আতা, চেনি, গুৰ, মৌ, ঘিউ, কল আদিৰে ভোগ আগবঢ়োৱাটো নিয়ম। এই পূজা সাধাৰণতে সন্ধ্যা সময়ত কৰা হয় যদিও সুবিধাৰ হেতু দিনৰ ভাগতো পতা হয়। বছৰৰ সকলো সময়তে মানুহৰ ঘৰে ঘৰে সত্যনাৰায়ণ পূজা পতা হয় যদিও ব'হাগ মাহৰ পৰা আহিন-কাতি মাহৰ লক্ষ্মী পূৰ্ণিমাৰ দিনালৈ ব্যাপক ৰূপত এই উৎসৱ পতা হয়। এই পূজাৰ বাবে বৌদ্ধ পূৰ্ণিমা, লক্ষ্মী পূৰ্ণিমা অতি শুভ দিন বুলি গণ্য কৰা হয়।

সত্যনাৰায়ণ পূজা প্ৰচলনৰ এক কাহিনী আছে। এই পূজাৰ সংস্কৃত আৰু অসমীয়া ভাষাত লিপিবদ্ধ পাঁচালীত এই কাহিনী পোৱা যায়। আমাৰ হাতত পৰা গুৱাহাটীৰ 'অমৰ প্ৰকাশ'ৰ দ্বাৰা প্ৰকাশিত 'শ্ৰীশ্ৰীসত্যনাৰায়ণ পাঁচালী' গ্ৰন্থত পোৱা কাহিনীটো ইয়াত ব্যক্ত কৰা হ'ল। 'অতি পূৰণি কালত কাশীপুৰ নামৰ এক ঠাইত এজন দুখীয়া ব্ৰাহ্মণ আছিল। নিজৰ পৰিয়ালটোক খুজি-মাগি পোহপাল দিয়া ব্ৰাহ্মণে এদিন ভিক্ষা মাগিবলৈ যাওঁতে বাটত ভগৱান সত্যনাৰায়ণক লগ পায়। সত্যনাৰায়ণে ব্ৰাহ্মণৰ পৰা তেওঁৰ দুখৰ কাৰণ জানিব পাৰি তেওঁক পূজাৰ আয়োজন কৰিবলৈ কয়। তেনে কৰিলে ব্ৰাহ্মণৰ সকলোফালে জয় জয় ময় ময় অৱস্থা হ'ব। তেওঁৰ পূজাৰ হেতু আধাসেৰ চাউলৰ গুড়িত মালভোগ কল, গাখীৰ, মৌ, ঘি, চেনি, গুৰ, পানী আদি মিহলাই ভোগ কৰি নৈবেদ্যৰ সৈতে আগবঢ়াই বন্ধু-বান্ধৱক পূজালৈ মাতি তেওঁৰ পাঁচালী মাতিব লাগিব। পূজাৰ শেষত ভক্তিভাৱে তেওঁক সেৱা কৰি প্ৰসাদ খালে সকলোৰে মনৰ কামনা পূৰণ হ'ব। তাকে কৈ সত্যনাৰায়ণ অন্তৰ্ধান হয়। ব্ৰাহ্মণে ঘৰলৈ আহি পৰিয়ালৰ লোকসকলক সকলো কথা কৈ পূজাৰ আয়োজন কৰিলে। কিছুদিনৰ ভিতৰতে তেওঁৰ ঘৰৰ আৰ্থিক অৱস্থা উন্নত হ'বলৈ ধৰিলে।...

উল্কামুখ নামৰ এজন ৰজাই নদীৰ তীৰত কৰা সত্যনাৰায়ণ পূজা দেখি বণিজলৈ যোৱা এজন নিঃসন্তান সদাগৰে নিজৰ সন্তানপ্ৰাপ্তি হেতু সত্যনাৰায়ণ পূজা কৰাৰ

বাবে দৃঢ় প্ৰতিজ্ঞ হয়। ঘৰলৈ আহি ঘৈণীয়েকক সকলো কথা কয়। সেইমতে মনতে ভাৱি কিছুদিন পাছতে তেওঁৰ ঘৈণীয়েক লীলাৱতী গৰ্ভৱতী হৈ নিৰ্ধাৰিত সময়ত এজনী কন্যা সন্তান জন্ম দিয়ে। তেতিয়া ঘৈণীয়েকে সদাগৰক সত্যনাৰায়ণৰ ধাৰ অৰ্থাৎ পূৰ্বে প্ৰতিজ্ঞা কৰা মতে সত্যনাৰায়ণ পূজা পাতিব কয় যদিও সদাগৰে জীয়েকৰ বিয়াৰ সময়তহে পূজা পাতিব বুলি কয়। কিন্তু বিয়াৰ পিছতো পূজা নাপাতি সদাগৰে জোঁবায়েকৰ সৈতে বণিজলৈ যোৱাত সত্যনাৰায়ণৰ ৰোষত এখন ৰাজ্যত মিছা চোৰ বদনামত পৰি ৰজা ফাটেকত ৰ'ব লগা হয়। লীলাৱতী আৰু জীয়েকে এইবোৰ একোকে গম নাপায় দুয়োজন ঘূৰি আহিব বুলি বাৰ বছৰ ধৰি অপেক্ষা কৰি সম্পত্তিবোৰ বিক্ৰী কৰি খাই থাকি পথৰ ভিক্ষাৰী হয়। অৱশেষত সেই ব্ৰাহ্মণৰ পৰা উপদেশ শুনি ভিক্ষা মাগি পোৱা ধনেৰে সত্যনাৰায়ণৰ পূজা পতাত সদাগৰ আৰু জোঁবায়েক ঘূৰি আহিল।...'

শ্ৰীশ্ৰীসত্যনাৰায়ণ পূজা পদ্ধতিৰ মহৰ্ষি বেদব্যাস প্ৰণীত 'অষ্টাদশ মহাপুৰাণ'ৰ অন্তৰ্গত 'শ্ৰীস্কন্দপুৰাণ'ৰ 'অৱন্ত্য ৰেখাখণ্ড'ত উল্লেখ আছে। 'নৈমিষাৰণ্য'ৰ পুণ্যায়ম'ৰ ঋষিসকলে প্ৰশ্ন কৰিছিল শ্ৰীসুতক এই বিষয়ে। তেতিয়া শ্ৰীসুতে আগতে দেৱৰ্ষি নাৰদৰ পৰা শুনা মতে ইয়াৰ ব্যাখ্যা কৰিছিল।

সত্যনাৰায়ণ পূজা পুৰোহিতৰ হতুৱাই কৰোৱা হয়। পুৰোহিতে যি ঘৰত এই পূজা কৰে তেওঁলোকৰ ঘৰৰ এজন সদস্যক (পুৰুষ) নিৰ্দেশ দি পূজা কৰে। এই সদস্যজনক 'যজমান' বোলে। তেনে যজমান নাথাকিলে পুৰোহিতে নিজে তেনে ভূমিকাত অৱতীৰ্ণ হয়।

সত্যনাৰায়ণ পূজাৰ বাবে প্ৰয়োজনীয় বিধিসন্মত সামগ্ৰীবোৰ হ'ল—সেন্দুৰ, ঘট এটা, পঞ্চপল্লৱ, তিল, শিলিখা, বগা সৰিয়হ, আসন আঙঠি এযোৰ, নাৰায়ণৰ ধুতি, লগুণ, ঘটৰ বগা ৰঙৰ কাপোৰ, পূজাৰীৰ ধুতি, লগুণ, পঞ্চগব্য, পঞ্চৰত্ন, শিৰ থকা নাৰিকল এটা, মধু পৰ্কৰ (দধি, ঘৃত দুগ্ধ, মধু বা মৌ, চেনি), মাহ-বুট, মগু, চাউল উপকৰণেৰে নৈবেদ্য, নানা বিধ ফুল (অপৰাজিতা ফুল থকাটো বাধ্যতামূলক), তুলসী, দূৰ্বা, বেলপাত, ফলমূল, ভোগৰ বাবে চাউলৰ গুড়ি, আতা, কল, এঁৰা আৰু দৈ গাখীৰ, চেনি, গুৰ, মৌ, ঘি, কৰ্পূৰ, পাণ-মছলা, তামোল-পাণ, জাতিয়াৰৰ গুটি, পদুম ফুল, ফুলৰ মালা, হোমৰ দ্ৰব্য, গোবৰৰ ভস্ম, ধুনা, ধূপ, পূজাৰ দক্ষিণা, ব্ৰাহ্মণাদিৰ দক্ষিণা আদি। এইবোৰ দ্ৰব্য পূজাস্থলীত যোগাৰ কৰি দিয়া পুৰোহিতৰ সহায়কাৰীজন আৰু যজমানজনে পূজাৰ দিনা পুৱাৰে পৰা অন্নাদি ত্যাগ কৰি উপবাসে বৈ নাৰায়ণৰ নাম মনতে স্মৰণ কৰি থাকিব লাগে।

পূজাৰ ভোগ, নৈবেদ্য, ধূপ-ধুনা, বন্তি আদি নিৰ্ধাৰিত স্থানত থৈ পুৰোহিতে

পূজা কৰিবলৈ সাজু হয়। নাৰায়ণ পূজা পতা পৰিয়ালৰ এজন সদস্যই বস্ত্ৰ, টকা-পইছাৰে ব্ৰাহ্মণ বা পুৰোহিতজনক বৰণ কৰিব লাগে। তাৰ পিছত পুৰোহিতে শান্তি পানী ছটিয়াই পূজাৰম্ভ কৰিব লাগে। সত্য নাৰায়ণ পূজা শালগ্ৰাম বিগ্ৰহত, বিষ্ণু বা নাৰায়ণৰ মূৰ্তিত বা ঘটত কৰিব পাৰি। শালগ্ৰাম বিগ্ৰহ বা মূৰ্তিত প্ৰাণ প্ৰতিষ্ঠা কৰা নহয় যদিও ঘটত প্ৰাণ প্ৰতিষ্ঠা কৰে পুৰোহিতে নিৰ্দিষ্ট মন্ত্ৰ মাতি। অৱশ্যে মূৰ্তি যুক্ত পূজাতো ঘট ৰখাটো বাধ্যতামূলক। কাৰণ ঘটতহে সকলো পূজাৰ দৰে নাৰায়ণ পূজাতো পূজা কৰা হয়। এই ঘটৰ সম্পৰ্কত এক ব্যাখ্যা আগবঢ়াইছে লোক-সংস্কৃতিৰ লেখিকা বিভা ভৰালীয়ে ঃ 'পাঁচটি, তিনিটি বা সাতটি পাতেৰে সৈতে আমৰ সৰু ডাল এটি সহিতে জলপূৰ্ণ ঘট এটি পিঠাগুড়িৰ আঁকা মণ্ডল এখন আগলতি কলপাত পাৰি তাৰ ওপৰত ৰখা হয়। এই ঘটৰ জল বা পানী হৈছে নদী বা পুখুৰীত জলৰূপী নাৰায়ণক পূজা কৰা জল।'

সত্যনাৰায়ণ পূজাৰ বৈদিক কৰ্ম বা পূজাৰ কৰ্ম সম্পৰ্কত জনাইছে নলবাৰী জিলাৰ গন্ধিয়া গাঁৱৰ পুৰোহিত পুলিন চক্ৰবৰ্তী আৰু অনিল শৰ্মাই ঃ 'সত্যনাৰায়ণ পূজাৰ ঘট ৰখা ঠাইত ত্ৰিকোণ বৃত্ত এটা আঁকি তাত চকুকোণ মণ্ডল এখন আঁকি পূজা কৰিব লাগে। সত্যনাৰায়ণ পূজাৰ আগতে নিৰ্ধাৰিত মন্ত্ৰেৰে যজমানে নিজৰ হাত, দেহৰ প্ৰতিটো অংগ পবিত্ৰ বা শুদ্ধ কৰিব লাগে। এক বিশেষ হস্ত মুদ্ৰাৰে দেহৰ ভিতৰত হৃদয়ক এক মন্দিৰৰূপে গণ্য কৰিব লাগে। তদুপৰি পূজাৰ ফুল, বেলপাত আদি শুদ্ধ কৰাৰ লগতে ঘটৰ চাৰি দিশত অপদেৱতা প্ৰৱেশ কৰিব নোৱাৰাকৈ মন্ত্ৰ মাতি 'দ্বাৰ পূজা' কৰা হয়।

ঘট স্থাপন পৰ্বত পূজা কৰোতা যজমানক ফুল হাতত ল'বলৈ দি পুৰোহিতে নানা ধৰণৰ মন্ত্ৰ পাঠ কৰে। এই পৰ্বত পৃথিৱী পূজা, ভূমি পূজা কৰি ধান, দূৰ্বা, চাউল, সৰিয়হ, গম, পঞ্চপল্লৱ (আঁহত, বট, কঁঠাল, আম, বকুল গছৰ আগৰ ঠেঙুলি) পঞ্চ ৰত্ন (সোণ, ৰূপ আদি পাঁচ বিধ ধাতু বা তাৰ মূল্য এটকা পঁচিশ পইছা), ফল, সেন্দুৰ, জল, বস্ত্ৰ, পুষ্প আদি ঘটত দান কৰিব লাগে।

পৃথিৱী পূজাৰ বাবে নিৰ্ধাৰিত মন্ত্ৰটো হ'ল—ওঁসেহানা পৃথিৱী নো ভৱা নৃক্ষৰা নিবিশনী যচ্ছা নঃ শৰ্মা সপ্ৰথাঃ ওঁ পৃথিৱী দৈব্য পুষ্পং নমঃ পাদ্য নমঃ যথানুকল্পিত অৰ্ঘোহয়ং নমঃ এতান্যাসহিত গন্ধ, পুষ্প, ধূপ, দীপ নৈবাদ্যানি ওঁ পৃথিৱী দৰে নমঃ।।' সত্যনাৰায়ণ পূজাৰ মন্ত্ৰসমূহ পুৰোহিতে পাঠ কৰাৰ পিছত যজমানে পাঠ কৰিব লাগে।

সকলো পূজাৰ আগতে গণেশৰ পূজা কৰিব লাগে। সত্যনাৰায়ণ পূজাত পূজাৰ

আগতে পঞ্চদেৱতাৰ পূজা কৰিব লাগে। দেৱতাসকলৰ (পঞ্চদেৱতাৰ অন্তৰ্গত) মন্ত্ৰসহিতে কৰা পূজাৰ প্ৰাৰম্ভত গণেশৰ পূজা কৰিব লাগে। তাৰ পিছতে অন্য দেৱ-দেৱীৰ পূজা কৰি ঘটত স্থাপন কৰিব লাগে। এই অন্য দেৱ-দেৱীসকল হ'ল—শিৱ-পাৰ্বতী বা গৌৰীসূৰ্য, চন্দ্ৰ, দুৰ্গা, লক্ষ্মী, সৰস্বতী, আদিত্যাদি নৱগ্ৰহ, ইন্দ্ৰ, ৰুদ্ৰ, সপ্ত, মৰু, সপ্ত সাগৰ, কামাখ্যা, হয়গ্ৰীৱ মাধৱ, কেদাৰ, বীৰেশ্বৰ, কমলেশ্বৰ, গোকৰ্ণেশ্বৰ, মণিকৰ্ণেশ্বৰ, নাৰদ প্ৰমুখ্যে ঋষিগণ, গঙ্গা প্ৰমুখ্যে নদ-নদী, সকলো দেৱতা, সকলো দেৱী, সকলো ঋষি পত্নী আদি। যজ্ঞেশ্বৰৰ পূজাও কৰিব লাগে। পঞ্চদেৱতা পূজাৰ সংকল্প পাতি পূজা কৰোতা যজমান আৰু তেওঁৰ পৰিয়ালৰ সৰ্ব দুখ নাশ কৰি অভীষ্ট বা মনতে কামনা কৰা বিষয় সুফল কামনা কৰা হয়। এই পৰ্বত যজমানে হাতত শিলিখা, পানী, ফুল আদি লৈ উত্তৰফালে মুখ কৰি পাছত পূবমুৱা হৈ মন্ত্ৰ মাতি সেই দ্ৰব্যাদি মূল নৈবেদ্যত থ'ব লাগে।

তাৰ পাছত সত্যনাৰায়ণক ধ্যান কৰিব লাগে। এই ধ্যান মন্ত্ৰটি হ'ল ঃ ওঁ সত্যনাৰায়ণ দেৱ, শুক্ল বৰ্ণ, চতুৰ্ভুজ, শংখ, চক্ৰ, গদা, পদ্ম বনমালা বিভূষিতম।'

এই সত্যনাৰায়ণ পূজাত সামান্য আৰু বিশেষ এই দুটি অৰ্ঘ্য আগবঢ়াব লাগে। বিশেষ অৰ্ঘ্যত পীঠ পূজা কৰিব লাগে। তাৰ পাছত 'যোগ' নামৰ এক হস্ত মুদ্ৰাৰে সত্যনাৰায়ণক আহ্বান বা আমন্ত্ৰণ কৰি আনিব লাগে। ঘটৰ তেওঁক—'ওঁ আংস্ত্ৰীংক্ৰোং যং ৰং লং ৰং শং যং সং হৌং হং সং শ্ৰীসত্যনাৰায়ণ দেৱতায়াঃ হৌং হং সং সত্যনাৰায়ণ দেৱাতায়াঃ জীৱ ইহস্তীত। ও আং হ্ৰীং ক্ৰোং যং ৰং লং বং শং যং সং ছৌং হং সং শ্ৰীসত্যনাৰায়ণ দেৱ তয়াঃ সৰ্বেন্দ্ৰিয়ানি ইহাস্থাতানি। ও আংহ্ৰী, ক্ৰো, যং ৰং লং বং শং ষং সংহৌ, হং সং শ্ৰীসত্যনাৰায়ণ দেৱতায়াঃ বাঙমন শ্চক্ষুস্তকশ্ৰোত্ৰ ঘ্ৰাণ প্ৰাণ ইহা গত্যা সুখং চিৰ তিষ্ঠাস্তু স্বাহা।।'—মন্ত্ৰেৰে প্ৰাণ প্ৰতিষ্ঠা কৰিব লাগে। তাৰ পাছত তেওঁক মন্ত্ৰেৰে আসনত বহিব দিব লাগে। মন্ত্ৰেৰে তেওঁক হাত ভৰি ধুব দি মধুপৰ্ক খুৱাব লাগে। খোৱাৰ পাছত মন্ত্ৰেৰে হাত মুখ ধুব দি, গা ধুব দিব লাগে। গা ধুওৱাৰ পিছত পিন্ধাৰ হেতু বস্ত্ৰ, উত্তৰীয় বস্ত্ৰ, আভৰণ, যজ্ঞোপৱীত বা লগুণ আদি দিব লাগে। তাৰ উপৰি পুষ্প, ধূপ, বন্তি (ঘিউ আৰু মিঠাতেলৰ) নৈবেদ্য, তামোল আদি নিৰ্ধাৰিত মন্ত্ৰ উচ্চাৰণ কৰি দিব লাগে। প্ৰদক্ষিণ পৰ্বত তিনিবাৰ পূজাস্থলীৰ কাষেৰে ঘূৰিব লাগে। প্ৰদক্ষিণ নকৰি দণ্ডৱত বা সাষ্টাঙ্গ প্ৰণামো কৰিব পাৰি। ইয়াৰ পাছত পুৰোহিতে পাঁচালী পাঠ কৰে। পাঁচালী পঢ়া সময়ত পূজা কৰ্ম নাথাকে। পুৰোহিতে সুকণ্ঠেৰে সুৰ লগাই মনোগ্ৰাহীকৈ মতা পাঁচালী যজমান, তেওঁৰ পৰিয়ালৰ সদস্য-সদস্যা আৰু পূজালৈ আমন্ত্ৰিত লোকসকলে শুনিব লাগে। পাঁচালী

পাঠ কৰা শেষ হ'লে পুৰোহিতে 'শান্তি দান' পৰ্বত পূজা কৰা পৰিয়ালৰ সদস্য-সদস্যাসকলক পূজাস্থলীত হাতযোৰ কৰি বহিব দি মন্ত্ৰ মাতি চাউল দূৰ্বা মূৰত দি শান্তিপানী ছটিয়ায়। তাৰ পাছত লোকসকলক মঙ্গল পুষ্পাঞ্জলি দিব লাগে। পুষ্পাঞ্জলিৰ পিছত সত্যনাৰায়ণক এক দক্ষিণা দি উঠি সূৰ্যাৰ্ঘ্য, চন্দ্ৰাৰ্ঘ্য প্ৰদান কৰিব লাগে। পুৰোহিতে পূজা কৰ্মত হোৱা অবাঞ্ছিত দোষ-ত্ৰুটিৰ বাবে ভগবানৰ ওচৰত ক্ষমা মাগি পূজা সমাপ্ত কৰে। তাৰ পাছত মূল নৈবেদ্য গৃহস্থক দি আন নৈবেদ্য, ভোগ আদি সকলোকে বিতৰণ কৰি খাব দিব লাগে। মূল নৈবেদ্যৰ প্ৰসাদ অকল গৃহস্থৰ লোকসকলেহে খাব পাৰে। কিছুমানে সত্যনাৰায়ণ পূজাত 'হোমৰো আয়োজন কৰে।'

সাংস্কৃতিক অনুষ্ঠান : সত্যনাৰায়ণ পূজাৰ শান্তি কাৰ্য শেষ হোৱাৰ পিছত সাংস্কৃতিক অনুষ্ঠান হিছাপে ঠাই বিশেষে সংকীৰ্তন, নাগাৰা নাম, জুনা নাম আদিৰো আয়োজন কৰা হয়। আমি জনাত নলবাৰী জিলাৰ গন্ধিয়া, বেলশৰ, মাখিবাহা পিপলিবাৰী, চামতা, শিমলীয়া, সাহপুৰ, বৰপেটা জিলাৰ সৰ্থেবাৰী আদি ঠাইত এনে ব্যৱস্থা প্ৰচলিত আছে। গন্ধিয়াত ১৯৬০ চনৰ পৰা ১৯৯০ চনমানলৈ গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত সংকীৰ্তন পৰিবেশন কৰা প্ৰয়াত ৰবি শৰ্মাৰ নেতৃত্বাধীন দলটোৱে সত্যনাৰায়ণ পূজাত গাঁওখনত ব্যাপক ৰূপত সংকীৰ্তন পৰিবেশন কৰিছিল। তাৰ পাছত চঞ্চল শৰ্মা আৰু পিছত বিৰাজ শৰ্মা নেতৃত্বাধীন সংকীৰ্তনৰ দলটোৱে এই প্ৰবহমান ধাৰাক কিছু বছৰলৈ বৰ্তাই ৰাখিছিল।

ভোজন : সত্যনাৰায়ণ পূজাৰ পিছত পূজা কৰোতা যজমানত পৰিয়ালে এই পূজালৈ আমন্ত্ৰিত একাধিক লোক আত্মীয়-স্বজনক আৰু পুৰোহিতক নিৰামিষ ভোজন কৰাই পুৰোহিতক দক্ষিণা দিয়ে।

সত্যনৰায়ণৰ পূজাৰ আদৰ্শাত্মক দিশসমূহ : সত্যনাৰায়ণ পূজা কৰা কালত হাত আৰু শৰীৰ শুদ্ধ বা পবিত্ৰ কৰি লোৱা হয়। ভগবান সুকৰ্ম, সু-সংস্কৃতিৰ প্ৰতীক। গতিকে তেওঁক শুদ্ধ শৰীৰ তথা আত্মাৰ দ্বাৰা পূজা কৰিলেহে তেওঁ সেই পূজা গ্ৰহণ কৰে। ভগবানৰ এনে কৰ্মৰ দৰে সমাজৰ প্ৰতিজন লোকে যদি সুস্থ আৰু নিকা মনৰ হৈ সামাজিক কামত বৰঙণি যোগায় তেন্তে আমাৰ সমাজৰ দোপতদোপে উন্নতি যে হ'ব সি অনিবাৰ্য। তেনেদৰে হৃদয়ক এক মন্দিৰৰূপে গণ্য কৰি ভগবান সত্যনাৰায়ণৰ পূজা কৰাৰ দৰে যদি সমাজত প্ৰতিজন মানুহে পৰস্পৰৰ প্ৰতি শ্ৰদ্ধাশীল, মৰমিয়াল আৰু পৰোপকাৰী আদি মানবীয় গুণসমৃদ্ধ হয় তেন্তে এই পৃথিৱীখন স্বৰ্গত পৰিণত হ'ব।

সত্যনাৰায়ণ পূজাত সত্যনাৰায়ণৰ লগতে অন্যান্য দেৱ-দেৱীসকলো পূজিত হয়। সত্যনাৰায়ণৰ লগতে এইসকল দেৱ-দেৱী সন্তুষ্ট হ'লেহে যজমানৰ পৰিয়ালৰ সকলো বিষয়ত সুখ সমৃদ্ধি সম্ভৱ। তেনেদৰে সমাজৰ বা দেশৰ উন্নতিৰ ক্ষেত্ৰতো অকল এজন লোকে কাম কৰিলে নহ'ব, সকলো নাগৰিক এনে কৰ্মত প্ৰবৃত্ত হ'লেহে উন্নতি সম্ভৱ।

সত্যনাৰায়ণ পূজাত নাৰায়ণক সমৰ্পণ কৰা শিলিখা এটা পূজাৰ পাছত যজমান আৰু ভক্তপ্ৰাণ ৰাইজক খাবলৈ দিয়াৰ অৰ্থ হ'ল ভগৱানৰ আশীৰ্বাদপ্ৰদত্ত এই শিলিখা খাই যাতে মনৰ পৰা ছয় ৰিপুৰ প্ৰভাৱ আঁতৰি সু-চিন্তাৰে লোকসকল স্থিৰপ্ৰজ্ঞ হ'ব পাৰে।

সত্যনাৰায়ণ পূজাৰ সাত্বিক ভোগ, নৈবেদ্যাদি আৰু ইয়াৰ পিছৰ ভোজনৰ আহাৰে মানুহৰ আয়ু, বল, আৰোগ্য, সুখ, প্ৰীতি আদি বৃদ্ধি কৰি শৰীৰকো পুষ্টি প্ৰদান কৰে। ই মানুহৰ স্বভাৱক শান্ত-সৌম্য ৰূপ প্ৰদান কৰে।

সত্যনাৰায়ণ পূজাই আন পুষ্টিবোৰৰ দৰে মানুহৰ মনোবৃত্তিক উদাৰতা প্ৰদান কৰি মানুহৰ বাহিৰেও প্ৰাণীসমূহৰ প্ৰতি সহানুভূতিশীল বা ন্যায়মূলক আচৰণ কৰিবলৈ শিকায়। প্ৰাণীসমূহৰ প্ৰতি সদাচাৰী হ'বলৈ সত্যনাৰায়ণ পূজাৰ পূজামন্ত্ৰত উল্লেখ আছে।

ঢকুৱাখনাৰ ফাট বিহু

নানা জাতি-জনজাতিৰে বৈচিত্ৰ্যময় অসমত ফাট বিহুৱে সমাজৰ শান্তি-সম্প্ৰীতি ৰক্ষাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। অসমত মাথোঁ এখনেই মুকলি বিহু হৈছিল, য'ত অসমৰ জাতি-জনজাতিয়ে প্ৰকৃতিৰ মুকলি পৰিবেশত বিহু নাচি আনন্দ-ৰং-ধেমালি কৰিছিল। এই ঐতিহ্য ৰক্ষা কৰি আজিও ফাট বিহু পালিত হয় ব'হাগত।

ফাট বিহু সম্পৰ্কে বিভিন্নজনে মন্তব্য কৰিছে। এই মন্তব্যবোৰ চালি-জাৰি চালে ইয়াৰ তাৎপৰ্য অনুধাৱন কৰিব পাৰি। 'ফাট' শব্দটো তাই শব্দ। অসমৰ বিশিষ্ট লেখক ড° পৰমানন্দ ৰাজবংশীয়ে ফাট বিহু সম্পৰ্কত লিখিছে : 'টাই-আহোমৰ স্বৰ্গদেউসকলে নৈৰ বিশেষ ঠাই একোখনত বেহা-বেপাৰ কৰিবলৈ সুবিধা দি তাৰ পৰা 'ফাট' নামৰ এবিধ কৰ বা ৰাজহ সংগ্ৰহ কৰিছিল। নৈৰ জলপথ আৰু বিভিন্ন গিৰিপথেৰে আহি বিভিন্ন বেপাৰীয়ে এনেবোৰ ঠাইত নিৰ্দিষ্ট দিনত বেহা-বেপাৰ কৰি পুনৰ উভতি গৈছিল। বিশেষকৈ অবিভক্ত লখিমপুৰ জিলাৰ নৈপৰীয়া উত্তৰ অঞ্চল ইয়াৰ বাবে অধিক সুচল আছিল। কাৰণ অৰুণাচল, ভুটান, চিকিম আদিৰ পৰা বেপাৰীসকলে আহি এই ঠাইত সমবেত হৈছিল। পোনতে এই ফাট বিহুত নৃত্য কৰি বিভিন্ন দলে পৰোক্ষভাৱে ধন সংগ্ৰহ কৰিছিল। ফাটত পৰিবেশন কৰা বিহুৰ বাবেই ইয়াৰ নাম ফাট বিহু হিচাপে জনাজাত হ'ল। মিচিংসকলক এই বিহুৰ প্ৰবৰ্তক বুলিব পাৰি। আকৌ ঢকুৱাখনাৰ চাৰিকড়িয়া নৈৰ পাৰতো সাত দিন সাত ৰাতি পৰ্যন্ত ফাট বিহু চলিছিল। মিচিং বিহু দলৰ এই বিহু নৃত্য চাবৰ কাৰণে অসংখ্য মানুহ গোট খাইছিল। কোনো কোনোৱে এই বিহুৰ প্ৰতিক্ৰিয়াশীল দিশটো অনুধাৱন কৰি ফাট বিহু নাম হোৱা বুলি ক'ব খোজে যদিও ই সত্য নহয়। এই বিহু পৰিবেশনত 'আই বসুমতী ফাট দিয়া পাতালে লুকাওঁ' এনে অৱস্থা হোৱা, ঢোল ফটা, মাত ফটা আদি পৰিস্থিতিলৈ লক্ষ্য কৰি এই বিহুৰ নাম ফাট বিহু হোৱা বুলি ধাৰণা কৰে। কিন্তু চাৰিকড়িয়া নৈৰ পাৰ ফাট সংগ্ৰহৰ স্থলী হিচাপেহে ইয়াৰ নাম যে ফাট বিহু হ'ল ই ধ্ৰুৱ। অবিভক্ত লখিমপুৰ জিলাৰ উত্তৰ পিনে কোনো ঠাইত এই বিহু পালন কৰা হৈছিল বুলি বুঢ়া-মেঠাসকলে কয়।'

ঢকুৱাখনা বৰ্তমানে লখিমপুৰ জিলাৰ পূব প্ৰান্তত অৱস্থিত এটা মহকুমা, এক ঐতিহ্যমণ্ডিত ঠাই। আহোম স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ ৰাজত্ব কালতে চাৰিকড়িয়া

আৰু কড়া নৈক সংযোগ কৰি জান এটা খন্দোৱা হৈছিল আৰু বালিৰ ভেটা ৰাখিবৰ বাবে তামোলৰ ঢকুৱা ব্যৱহাৰ কৰা হৈছিল। এইবাবেই এই সংযোগী জানটোৰ নাম 'ঢকুৱাখনা জান' আৰু এই জান থকা ঠাইডোখৰৰ নাম 'ঢকুৱাখনা' হয়।

লেখক ডিম্বেশ্বৰ গঁগেয়ে 'অসম সাহিত্য সভাৰ ৬৭ তম লখিমপুৰ অধিবেশনৰ আদৰণী সমিতি'ৰ স্মৃতিগ্ৰন্থ 'সোৱণশিৰি'ত ফাট বিহুৰ আঁৰত যুগুত কৰা এক প্ৰবন্ধৰ এই কথাখিনিও যথেষ্ট গুৰুত্বপূৰ্ণ ঃ 'আহোম ৰাজত্বৰ সময়ত নাৱেৰে বেহা-বেপাৰ কৰিলে ৰজাঘৰত 'ফাট' নামৰ এবিধ কৰ আদায় দিব লাগিছিল। দুৱৰীয়া, বৰ দুৱৰীয়া এইসকল পানীফাটৰ বিষয়া। বুৰঞ্জী, চৰিতপুথি আৰু তামৰ ফলিত 'ফাট' শব্দটোৰ মাজে মাজে উল্লেখ পোৱা যায়। অসমৰ কেইবাখনো নদীৰ পাৰত ফাট পতাৰ কথা সৰ্বজনবিদিত। তাৰে কেইটামান উল্লেখৰ প্ৰয়োজন। উদাহৰণস্বৰূপে নগাঁও জিলাৰ ডিফলু নৈৰ ওচৰৰ হলাৰ (সলা) ফাট, শিৱসাগৰ জিলাৰ ওপৰ দৈয়াঙৰ নগা ফাট, কাজিৰঙাৰ কলৰ ফাট, কাকডোঙা নৈৰ পাৰৰ খিটলুৰ ফাট, উত্তৰ দৰঙৰ ভুটীয়া ফাট, নামনি অসমৰ তিনিমনি (তিনিমুনি) ফাট আদিৰ নাম উনুকিয়াব পাৰি। তেনেদৰে উত্তৰ পাৰৰ (লুইত সোৱণশিৰিৰ মাজৰ ভূখণ্ড)ৰ চাৰিকড়িয়া নৈৰ উত্তৰ পাৰত একমাত্ৰ পানী ফাটটো আছিল। আনহাতে বস্তু বেচা-কিনা কৰিবৰ বাবে ঠায়ে ঠায়ে হাট (বজাৰ) আৰু নদী পাৰ হ'বলৈ ঘাট স্থাপন কৰিছিল। চাৰিকড়িয়া নৈত ফাটৰ লগত সংলগ্ন ঘাটটোও গুৰুত্বপূৰ্ণ আছিল। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত উমা বেজবৰুৱাই ৰংপুৰৰ পৰা নিৰ্মাণ কৰি অনা বৰবৰুৱা আলিটোও এই ঘাটেদি আহি উত্তৰ দিশে গৈ বৰদলনিৰ ৰাজগড়ত লাগিছিলগৈ। ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে কেইবাখনো বুৰঞ্জীপ্ৰসিদ্ধ হাটৰ কথা জানিব পাৰি। চিনামৰা হাট, ৰহা হাট (ৰহাত) মাছুৰ হাট, ফুকনৰ হাট (লখিমপুৰ), কছাৰী হাট (ওপৰ দৈয়াং), দৈয়াঙৰ হাট, নাজিৰা হাট, বৰহাট (নামচাং) বঙলাৰ হাট (হাদিৰা চকীত) ইত্যাদি। সংক্ষেপতে ক'বলৈ গ'লে এসময়ত ঢকুৱাখনাৰ পানী ফাটটোৰ ফাট, হাট আৰু ঘাট এই ত্ৰিমাত্ৰিক বৈশিষ্ট্যৰ সমাবেশত গুৰুত্বপূৰ্ণ হৈ পৰিছিল। হাটতকৈ ফাটৰ পৰিধি ব্যাপক। ... ঢকুৱাখনাৰ ফাট বিহু থলুৱা মাটিৰ সাৰ-পানীৰে উজ্জীৱিত স্বকীয় বৈশিষ্ট্যৰে পৰিপূৰ্ণ। ই অনৈক্যৰ মাজত ঐক্যৰ সেতু বন্ধন। পুৰণি অসমৰ কোনো ঠাইতে বিভিন্ন জনগোষ্ঠীয়ে একেখন বিহুতলীত গোট খাই বিহু বৰাৰ নিদৰ্শন পাবলৈ নাই। বিহুৰ নামত জাত-পাতক একাষৰীয়া কৰা হৈছিল; কিন্তু ঢকুৱাখনাৰ ফাট বিহুত ডেকা-গাভৰু, বুঢ়া-বুঢ়ী, বিভিন্ন জনগোষ্ঠীয়ে বিহুৰ আনন্দৰ মহামেলাত নিজকে সমৰ্পণ কৰিছিল।

নানা জনগোষ্ঠীৰ অংশগ্ৰহণেৰে সম্প্ৰীতি-সমন্বয়ৰ উৎসৱ ফাট বিহুৰ ওপৰত দিয়া আন দুজন লিখকৰ মন্তব্য গুৰুত্বপূৰ্ণ। ফাট বিহুৰ সম্প্ৰীতি-সমন্বয়ৰ দিশটো অতি প্ৰাঞ্জল হৈ উঠে আলোক চমুৱাই আৰু ড° জিতৰাম কলিতাই ফাট বিহুৰ ওপৰত আলোকপাত কৰি লিখা প্ৰবন্ধত। আলোক চমুৱাই লিখিছে ঃ 'আহোম স্বৰ্গদেউসকলৰ শাসন কালত ঢকুৱাখনাত এখন ফাট (বজাৰ) বহিছিল। শুনা যায়, এই ফাটলৈ অৰুণাচলৰ পৰা পাহাৰীয়া মিৰি, মিচিমি, আপাটানি; নগালেণ্ডৰ পৰা নগাসকল, ভুটান আৰু খাচীয়া-জয়ন্তীয়া পাহাৰৰ পৰা ভুটীয়াসকলো আহিছিল। সেই সময়ত ঢকুৱাখনাৰ ফাটলৈ বেপাৰ কৰিবলৈ অহা বিভিন্ন জনগোষ্ঠী আৰু সম্প্ৰদায়ৰ লোকসকলেও বিহুৰ প্ৰতি অতিশয় আকৰ্ষিত হৈ বিহু মাৰিবলৈ আৰম্ভ কৰিছিল। এনেকৈয়ে ফাটত বিহু মৰা হৈছিল কাৰণে নাম হ'ল ফাট বিহু। ড° জিতৰাম কলিতাই 'ঢকুৱাখনাৰ ফাট বিহুৰ ঐতিহ্য' শীৰ্ষক প্ৰবন্ধত লিখিছে যে 'কুম্বাং নামৰ মিচিং ফৈদ এটাৰ ইষ্ট দেৱতা তামাৰ মায়ে গামাক সপোনত ক'লে যে তেওঁ আহি থানত থিতাপি লৈছে। পিছদিনা গাম বা গাঁওবুঢ়াৰ কথা ৰাষ্ট্ৰ হোৱাত সকলো মিচিং পুৰুষ-তিৰোতা আহি থানত হাঁহি হাঁহি পাত পাত (পালো পালো) বুলি চিঞৰি বিহু নৃত্য আৰম্ভ কৰিলে। থানৰ পুৰোহিতে বাধা দিয়াত তেওঁলোকে চাবিকড়িয়াৰ পাৰত বিহু কৰিবলৈ ল'লে। উক্ত দিনটো যিহেতু ব'হাগৰ প্ৰথম দিন আছিল, গতিকে পৰম্পৰাগতভাৱে প্ৰতি বছৰে যিহেতু ব'হাগৰ প্ৰথম সপ্তাহত তেওঁলোকে এই বিহু পাতিছিল। এই পাত শব্দৰ পৰাই কিছুমান লোকে ফাট বিহুৰ উৎপত্তি হয় বুলি ক'ব খোজে।'...

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে ঢকুৱাখনাৰ চাবিকড়িয়া নৈৰ পাৰ ফাট সংগ্ৰহস্থলী হিছাপে পৰিগণিত হোৱা বাবে আৰু ইয়াত বিহু মৰা বাবে ইয়াৰ নাম ফাট বিহু বা একে ঠাইত বহা ফাট (বজাৰ)ত বিহু মৰা বাবে এই বিহুৰ নাম ফাট বিহু হ'ল বুলি ঠাৱৰ কৰিব পাৰি।

ঢকুৱাখনাবাসী ৰাইজে বৰ্তমানে এই ফাট বিহুৰ ঐতিহ্য সুন্দৰভাৱে ৰক্ষা কৰি আহিছে। সাধাৰণতে ব'হাগৰ সাদিন যোৱাৰ পাছতহে এই ফাট বিহু পতা হয়। প্ৰথম অৱস্থাত মিচিং আৰু কৈৱৰ্ত সম্প্ৰদায়ৰ লোকে মৰা এই ফাট বিহু দেশ স্বাধীন হোৱাৰ পাছত ১৯৪৮ত ৰাজহুৱাভাৱে উদ্‌যাপন কৰি সঞ্জীৱিত কৰা হয়। ১৯৭৫ৰ পৰা ঢকুৱাখনাত নিয়মীয়াকৈ এই ফাট বিহু উদ্‌যাপন হৈ আহিছে।

মিচিংসকলক ফাট বিহুৰ প্ৰবৰ্তক বুলি পূৰ্বতে উল্লেখ কৰা হৈছে। বৰ্তমান সময়ত ফাট বিহুত মিচিংসকলৰ অংশগ্ৰহণ সম্পৰ্কত মিচিং লেখক মোহন লাগাচুৱে কয় ঃ 'আলি আয়ে লিগাং' হ'ল মিচিংসকলে ফাগুন মাহৰ প্ৰথম বুধবাৰে পালন কৰা

বিহু উৎসৱ। ফাট বিহুত এতিয়া মিচিংসকলৰ কাৰণে ব'হাগৰ বিহু হিচাপে যি বিহু প্ৰদৰ্শন কৰা হয় তাত ফাগুন মাহত পতা আলি আয়ে লিগাঙৰ বিহুকে প্ৰদৰ্শন কৰা হয়। ফাট বিহুত গোৱা মিচিং গীত এফাকিৰ উদাহৰণ দিওঁ ঃ 'কাজে কাজে কাজে/চ-মান কায়ে কাজে/আলি আয়ে লিগাঙে/চ-মান কায়ে কাজে।' অৰ্থাৎ—'ব'লা ব'লা ব'লা, বিহু মাৰিবলৈ যাওঁ। আলি আয়ে লিগাং এয়া, বিহু মাৰিবলৈ যাওঁ।'

উল্লেখযোগ্য যে আলি আই লিগাং ৰঙালী বিহুৰ দৰে শস্য ৰোপণৰ উৎসৱ। সেইদিনা কৃষি-কাৰ্যত ব্যৱহাৰ হোৱা কোৰ, বৰষুণৰ গৰাকী মেঘ দেৱতাক পূজা কৰে। ডেকা-গাভৰুৱে পথাৰত শস্যৰ পৰিপূৰ্ণতা কামনা কৰি গুমৰাগ নাচ আৰু ঐনিতম গীত গায়। ঐনিতম গীত ৰঙালী বিহুৰ বিহুগীতৰ দৰে প্ৰেম-হাঁহি-ধেমালি, বিৰহ, ব্যথা, প্ৰকৃতিৰ মনোৰম বৰ্ণনাৰে ভৰপূৰ। ফাট বিহুতো মিচিং ডেকা-গাভৰুৱে ঐনিতম গায়—'অইয়া বিউঅী আদুবং, কায়ী চমান্ কাকুৰই/দুমদুম লুব বীদুৰং, কৌউ পীভতাংকাবদুবং। নৌ অী জ'জগ্ আপ্পুনী, ঙৌ অী কেদাং আপ্পুনী/পুনদৃ মদৃ বৃচনদ', লীককপ পুননেন্ মাংকুপৌ।' অৰ্থাৎ 'লাহৰী ঐ বিহুটি পালেহিয়েই। আহা বিহু ধেমালি আমি কৰোগৈ/ঢোল, তাল বাজি উঠিছে। কুলি চৰায়ে বিহুগীত গাবলৈ আৰম্ভ কৰিছে। এইবোৰ শুনি শুনি বিহু বিহু লাগিছে। গাত গোসাঁনী উঠিছে। থিৰেৰে ৰ'ব পৰা নাই, লাহৰী, আহা বিহু মাৰোগৈ।'

ঢকুৱাখনাৰ ফাট বিহুৰ বিহুগীতবোৰ ঢকুৱাখনাৰ ঐতিহ্যৰ বৰ্ণনাৰে সমৃদ্ধ। ৰজাক কৰ বা ফাট দিয়াৰ বিবৰণ পোৱা যায় বিহুগীতবোৰত। ঢকুৱাখনাৰ প্ৰধান নৈ সোৱণশিৰিৰ বৰ্ণনা পোৱা যায় এনেদৰে ঃ 'সোৱণশিৰিৰ বালিতে কোনে সোণ কমালে, বালিৰ বালিচন্দা ধুই/তুমি চোৱা আমালৈ, আমি চাওঁ তোমালৈ, দুফালে দুকুৰা জুই/' সোৱণশিৰি নৈত যে পুৰণি কালত সোণ পোৱা গৈছিল তাক উল্লেখৰ নিশ্চয় প্ৰয়োজন নাই। পুৰণি কালত ঢকুৱাখনাৰ মানুহে লখিমপুৰৰ বজাৰৰ লগত আদান-প্ৰদান কৰাৰ বিবৰণ বিহুগীতত পোৱা যায়—'চুলি কেৰি-মেৰি ভাঙিব নোৱাৰি/লখিমপুৰ বজাৰৰ তেল/ডেকাৰ খেলি মেলি ভাঙিব নোৱাৰি/সদায় আলিবাটত মেল।' ঢকুৱাখনাৰ উল্লেখো পোৱা যায় ঃ 'তামোলতে বলিয়া ঢকুৱাখনীয়া/তামোলৰ বেপাৰী ক'ৰ/তামোল কাটি কাটি নেদেখি আছিলো/এইজনী নাচনী কৰ।' ঢকুৱাখনাৰ চাৰিকড়িয়া নৈৰ পাৰৰ ম'হঘুলি চাপৰিত ফাট বিহু হয়, বিহুগীতত (ফাট বিহুৰ) গুৱাল চাপৰিৰ উল্লেখ পোৱা যায় ঃ 'ম'হ মেলি গুৱালটি চাপৰি পালেগৈ, বাটত ছিঙি খালে কলা/পাছৰটি গুৱালে টেকিটি মাৰিলে, খাঁজৰ নুমুৰে শলা।'

নানা জনগোষ্ঠীয়ে অংশগ্ৰহণ কৰা ফাট বিহুৰ গীতত জনজাতিৰ উল্লেখো অতি

সুন্দৰ ঃ 'নৰাই বেচিলে নৰা জাংফাই, মিৰিয়ে বেচিলে কি? মাতলৈ তুলিলে মাতৰে ময়না ধনলৈ তুলিলে জী।' আন এটা গীতৰ কিয়দংশ হ'ল ঃ 'মিৰিৰ ৰৰচাঙত বজায় বৰকাঁহ, ভৈয়ামৰ বজালে ঢোল/চেঙেলীয়া মনকে বান্ধিব নোৱাৰো, ছিঙি যায় ওদালৰ দোল।' পাহাৰৰ জনজাতি আৰু ভৈয়ামৰ জাতি-জনজাতিৰ মাজত সমন্বয়-সংহতিৰ ভাব অনুধাৱন কৰিব পাৰি উক্ত গীতত। জনজাতিসকলে বিশেষভাৱে কৰা খেতি আৰু ইয়াৰ শস্য, ফল-মূলৰ বৰ্ণনাও পোৱা যায় বিহুগীতত ঃ 'পৰ্বতে পৰ্বতে খালো নগা টেঙা, খোপাত গুজি লওঁ লোণ/হাড়ৰ মাজে মাজে সুমুৱাই আনিছো জানা মোৰ ধনৰে গুণ।' চেনায়ে মিচিমিৰ দেশৰ পৰা অনা চোলা পিন্ধি চেনেহীয়ে মিচিমিজনী হৈ সমন্বয়ৰ এনাজৰি সুদৃঢ় কৰাৰ বাসনা পৰিলক্ষিত হয় ফাট বিহুৰ বিহুগীতত ঃ 'ধনে গৈ আছিলে মিচিমিৰ দেশতে, আনিব কপাহৰ চোলা/তুমি বৈ ল'ৰা ৰিহা-মেখলা, আমাক বৈ-দিবা চোলা।' জনজাতীয় ভাষা শিকি তেওঁলোকৰ মাজৰে এজন হোৱাৰ কথাও ফাট বিহুৰ বিহুগীতত আছে ঃ 'আগলে নেচালো-গুৰিটি কাটিলো, চিলা পৰেবতৰ বাঁহ/মিৰি মিচিমিৰ দোবানো বুজো মই, চেনাইৰহে নুবুজো আহ।'

ফাট বিহুত জাত-পাতৰ বিচাৰহীন এখন সমাজ গঢ়াৰ বাসনা বিহুৱা ডেকা-গাভৰুৰ মাজত থকা প্ৰেমৰ সম্পৰ্ক, মিলনৰ বাসনাৰে ওলাই পৰে—'তোমালৈ চাওতে জপনা দেওতে, বিন্ধিলে অঁথেয়া হুলে/তোমাৰ মনে গ'লে মোৰো মনে গ'লে কি কৰিব অজাতি কুলে/' নৈৰ ইপাৰ আৰু সিপাৰত থকা দুখন ভিন্ন সমাজৰ ডেকা-গাভৰুৰে প্ৰেমৰ সম্মোহত এক হোৱাৰ বাসনাক চৰাই হোৱাৰ কল্পনা কৰে ঃ 'তোমাৰ ঘৰ ইপাৰে আমাৰ ঘৰ সিপাৰে, মাজত বোৱতী নৈ/চৰাই হোৱা হ'লে উৰি গ'লোহেঁতেন দুকাষে দুপাখি নাই।' সঁচাই। প্ৰেমে কোনো বাধা নামানে; নামানে ধনী-দুখীয়া, উচ্চ-নীচ, স্পৃশ্য-অস্পৃশ্যৰ বিচাৰ। প্ৰেম স্বতঃস্ফূৰ্ত আৰু চিৰন্তন। নানা ঠাইৰ ডেকা-গাভৰুৰে প্ৰেমৰ সম্পৰ্কেৰে এক আত্মা এখন সমাজত পৰিণত হোৱাৰ বাসনা পৰিলক্ষিত হয় বিহুগীতত। তেনে এটি ফাট বিহুৰ বিহুগীত হ'ল ঃ 'কাকডোঙাৰ বৰালি দিচৈৰ কাকুলী, কেনেকৈনো মিহলি হ'ল/আমি নেঘেৰিয়াল তুমি যোৰহটীয়া কেনেকৈনো চিনাকি হ'ল/'

ঢকুৱাখনাৰ তামোল-পাণ, ধান-খেতি, নদ-নদী, পাহাৰ-পৰ্বত, গছ-গছনি, ফল-ফুলৰ বৰ্ণনা অসমৰ অপৰূপ নৈসৰ্গিক সৌন্দৰ্য ফাট বিহুৰ বিহুগীতত সুন্দৰভাৱে ফুটি উঠে।

ঢকুৱাখনাৰ ফাট বিহুত নানা জনজাতিয়ে অংশগ্ৰহণ কৰি প্ৰেম-ভালপোৱা,

বিৰহ-ব্যথা, দেশপ্ৰেম, প্ৰাচীন ঐতিহ্য, নিসৰ্গৰ বৰ্ণনাতে নিজ ভাষাত বিহুগীত গায়। আহোমসকলে গায় ঃ 'স্বৰ্গদেউ ওলালে বাটচ'ৰাৰ মুখলৈ, ঢুলীয়াই পাতিলে দোলা/কাণতে জিলিকে মকৰ কুণ্ডল, ডিঙিত জিলিকে হাৰ' আকৌ ঃ 'চৰাই চিকুণ তেলীয় সাৰেং, মাছৰ চিকুণ মালি/স্বৰ্গদেউ চিকুণ কেঁকোৰা দোলাখন, শুবায় গজেপুৰৰ আলি।' বৈচিত্ৰ্যপূৰ্ণ এই ফাট বিহুত বড়ো বিহুৱতী গাভৰুৱে গায় ঃ 'বাৰী খোনানি খাসি জোৰ/আঁ আদা মুলুক ছিংখাওনানৈ/নাইবায় আং/নাংখৌলৌ আঙী সেন নাজাৰ/' অৰ্থাৎ গোটেই পৃথিৱীত বিচাৰি চালো। প্ৰিয়তম কেৱল তোমাতেহে মোৰ চকু পৰিল।' ডেকাসকলে গায় ঃ 'আয়ো হাবাৰ আগৈয়া/নাইবৌলা জাঞ্জি জাঙ্গেলা নলবাৰীনি খায়াবাবুনি খুন্দুংমুথা/অ'আগৈ, সোনা নাংনি মৌদীমাও, নাইবৌলা আগৰি গোথা/বাৰী খোনালি মৈথা দেমবলাই, অ' লৈ আপৈ নৌংনি খানাইআ দনগাওৰায়/' অৰ্থাৎ—হে প্ৰেয়সী, মোৰ দৃষ্টিত তোমাৰ কঁকালখন মুঠিতে ল'ব পৰাকৈ চিয়াঁ। নলবাৰী কেঞাবাবুৰ সূতাৰ মুঠা, তোমাৰ গাত গোট গোট বছাফুলৰ চানেকিযুক্ত কাপোৰ। বাৰীৰ চুকৰ মেচেতা টেঙা হেলনীয়া, তোমাৰ চুলিৰ খোপা জোনৰ দৰে ঘূৰণীয়া।' তিৱাসকলৰ ডেকা-গাভৰুৱেও এই উৎসৱত অংশগ্ৰহণ কৰে। ডেকাই গাভৰুক উদ্দেশ্য কৰি গায় ঃ 'চলি নাবনে দাও দাও, জনাই নাৱানে দাও, আমুলী বালিক' নিখাল থ', য়াংথ'য়াং কৰা দাও, খাচুখী বালিক' নিখাল থ', জনাই লিখা মখাং বলাও/' অৰ্থাৎ—'মোৰ সোণজনীৰ ভৰি দুখনলৈ চোৱাহকচোন, কেনেনো ধুনীয়া। ভৰিৰ পটাকিখনলৈ চোৱাহকচোন কেনে তেজৰঙা গোলাপৰ দৰে আৰু তেওঁৰ মুখনি যেন সাইলাখ পূৰ্ণিমাৰ জোনটিহে।' দেউৰী বিহু দলবোৰৰ গাভৰুৱে ডেকাসকলক উদ্দেশ্য কৰি গায়—'উষা ঐ ওগাৰেম চিত্ৰলেখী আঁকিৰেম, অনিৰুদ্ধই মুগাৰেম ত/নানা আকিতন মুকুনিজ লোৰণ, নিয়েক মুগাৰণ চ/' অৰ্থাৎ— 'চিত্ৰলেখাই অনিৰুদ্ধৰ ছবি আঁকি তেওঁ মন সচকিত কৰাৰ দৰে ময়ো তোমাৰ ছবি আঁকো চকুপানী বোৱাই। তোমাৰ মন পুলকিত কৰিম। আনহাতে অসমীয়া বিহুগীতৰ দৰে দেউৰী বিহুগীততো তাঁত-শাল, কাপোৰ, মাকো আদিৰ বৰ্ণনা পোৱা যায়—'আচ্চা ইগাবাছা অচ্ছা দাগাবাচ্ছা, দামছি হ'বান চছনি/ইচালু লগাৰি গাতিগী লগাৰী, মাকোকে দামিনই জান/' অৰ্থাৎ—'চকুত লগাকৈ ফুল বাছি কাপোৰ বৈছা, তাঁতত 'ইচাণ্ড' গাতিগী লগাইছা, মাকো সৰি সৰি পৰে।' ৰাভা বিহু দলৰ গাভৰুইতে গায় ঃ 'মায় ববং চাকায়বে, চাক ৰৰেং ৰবেঙৱে, চাক ৰৰেং, ৰৰেং চিণ্ডি মুকজ্জৰ বাকয় বে সালে। (হৰছৈ হৰেছৈ)' অৰ্থাৎ—'ধানৰ জন্ম নৌহওঁতেই পাতবোৰ দেখিবলৈ খুব ধুনীয়া।' হে বন্ধু! আমাৰ পছন্দ হোৱা মানুহজনৰ মুখখনো তদ্ৰূপ ধুনীয়া। (হয়,

হয়)।' কাৰ্বি ডেকা-গাভৰুৱেও অংশ লয়। ইয়াত ডেকাই গায় : 'কনাক, বকে ৰপ ৰচল ব, নদুকচত আলাম কিঠনয়ক/তিকে থক্বাম অলেমান নাংপেন নেপন কিলাংয়ক নেংহামা।' অৰ্থাৎ—মৰমী, তোমাক লগ ধৰিবলৈ মোৰ হিয়া আকুল কৰিছে। যাবতো নোৱাৰি বাঘ-ভালুক ওলায় সময়ো নাই (ৰাতি) হাতীপটিও মাৰ যাবৰ সময় হ'লহি।' দেশপ্ৰেমৰ গীতো কাৰ্বি ডেকা-গাভৰুৱে গায় : 'তবাই আচন কাৰ্বিমাৰ, তবই আচন ৰংৰংমাৰ/ফেৰেয়েক ঠাৰবেডক 'ইবি ইপুন চিনম নাং।' অৰ্থাৎ কাৰ্বি ভাইসকল, আমি যদি ঐক্য, সংহতি ৰক্ষা কৰিব খোজো, তেনেহ'লে আমি ভয় কৰিব নালাগিব।'

শেষত ইয়াকে উল্লেখ কৰিব পাৰি যে বৰ্তমান সময়ত দেশৰ অখণ্ডতাৰ প্ৰতি আহি পৰা ভাবুকিৰ সময়ত জাতি-জনজাতি ঐক্য-সংহতিৰ উৎসৱ ফাট বিহুৰ প্ৰাসংগিকতা বৃদ্ধি পাইছে।

ৰূপময় বৌদ্ধধৰ্ম

ব'হাগ মাহৰ পূৰ্ণিমাত বুদ্ধদেৱে জন্মলাভ, সাধনাত সিদ্ধি লাভ আৰু মহা পৰিনিৰ্বাণ লাভ কৰিছিল। এই তিথিটোক সেয়ে 'বুদ্ধ পূৰ্ণিমা' বোলে। বোধিদ্ৰুমৰ তলত সুদূৰ অতীতত ব'হাগৰ পূৰ্ণিমাত সাধনাত সিদ্ধি লাভ কৰি জগতক জ্ঞান, দয়া, ক্ষমা পৰোপকাৰৰ বাণী শুনোৱা বুদ্ধদেৱ আধ্যাত্মিক দৃষ্টিত ভগৱান। আকৌ সামাজিক দৃষ্টিত তেওঁ এজন শ্ৰেষ্ঠ মানৱতাবাদী পুৰুষ। বুদ্ধদেৱে মানুহক দয়া, ক্ষমা, সংযম, স্বাৰ্থত্যাগ, সত্যপৰায়ণতা আদি গুণেৰে গুণী হৈ জীৱন-যাপন কৰি পাৰমাৰ্থিক সুখ উপভোগ কৰিবলৈ আৰু আনৰ কল্যাণ সাধন কৰাৰ উপদেশ দিছিল। বৌদ্ধ ধৰ্মৰ কেতবোৰ ব্যৱস্থাৰ মাজত এইবোৰ গুণ আয়ত্ত কৰিব পাৰি। বৌদ্ধ ভিক্ষু আৰু বৌদ্ধ ধৰ্মাৱলম্বী গৃহস্থসকলৰ প্ৰতি বুদ্ধ নিৰ্দেশিত ব্যৱস্থাৰ মাজত এনেবোৰ গুণ আয়ত্ত কৰিব পাৰি।

বৌদ্ধ সংঘ ঃ বৌদ্ধ ধৰ্ম তিনিটা ৰত্নৰ ওপৰত প্ৰতিষ্ঠিত—বুদ্ধ, ধৰ্ম, সংঘ। হিন্দু ধৰ্মৰ ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ এই ত্ৰিমূৰ্তিৰ দৰে বৌদ্ধ ধৰ্ম ক্ষেত্ৰবিলাকতো এই ত্ৰিৰত্নক লৈ তিনিটা মূৰ্তিৰ কল্পনা কৰা দেখা যায়। মানুহে বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিবৰ সময়ত এই তিনিওটাৰ ওচৰত শৰণাপন্ন হৈ দীক্ষা গ্ৰহণ কৰে। দীক্ষা মন্ত্ৰ হ'ল—'বুদ্ধং শৰং গচ্ছামি, ধৰ্মং শৰণং গচ্ছামি, সংঘং শৰণং গচ্ছামি।' ঘৰত মানুহে জীৱন অতিবাহিত কৰি বৌদ্ধ ধৰ্মৰ উপদেশসমূহ সম্যকভাৱে পালন কৰাটো সম্ভৱ নহয়। সংসাৰৰ মায়া, মমতা পৰিত্যাগ কৰি ঘৰৰ বাহিৰ ওলোৱাটোৱেই হ'ল নিৰ্বাণ (মুক্তি) লাভৰ উপায়। এক কথাত মানুহে নিৰ্বাণ পথৰ পথিক হ'বলৈ হ'লে সংসাৰ ত্যাগ কৰি সন্ন্যাসী হোৱা দৰকাৰ। বুদ্ধদেৱে নিজে মূৰ ক্ষুৰাই, গেৰুৱা বসন পৰিধান কৰি হাতত ভিক্ষাৰ পাত্ৰ লৈ সেই পথ গ্ৰহণ কৰি আনকো তেনেভাৱে নিয়োজিত হ'বলৈ উপদেশ দিছিল। এনে কাৰণতে তেওঁৰ শিষ্যবৰ্গক লৈ এটা উদাসীন সম্প্ৰদায় গঠন হয়। এই সম্প্ৰদায়ৰ উদাসীন সন্ন্যাসীসকলক 'ভিক্ষু' বোলা হয় আৰু দলটোক সমূহীয়াভাৱে 'সংঘ' বোলে। বৌদ্ধ ধৰ্মত বৰ্তমানো সংঘ আৰু ভিক্ষু আছে। সত্যেন্দ্ৰনাথ ঠাকুৰে লিখা গ্ৰন্থৰ ভোলানাথ শৰ্মাই কৰা অসমীয়া অনুবাদ গ্ৰন্থ 'বৌদ্ধ ধৰ্ম'ত আছে ঃ 'বৌদ্ধ ধৰ্মৰ দুৱাৰ অবাৰিত, যিয়ে ইচ্ছা কৰে সিয়ে প্ৰৱেশ কৰিব পাৰে। বুদ্ধদেৱৰ জীৱন কালত যিবিলাক শিষ্যই ধৰ্ম আৰু সংঘৰ শৰণাপন্ন হৈছিল তেওঁলোকৰ পৰীক্ষাৰ

সময় চাৰি মাহ আছিল—কিন্তু যোগ্য পাত্ৰ হ'লে কেতিয়াবা কেতিয়াবা এই নিয়মৰ ব্যতিক্ৰমো হৈছিল। কোনো গৃহস্থ ভিক্ষু সংঘত সোমাব খুজিলে নিৰ্দিষ্ট দিনত দহজন বা ততোধিক ভিক্ষু একেলগে আহে। এজন ভিক্ষুৱে প্ৰাৰ্থীজনক সভাস্থললৈ আগবঢ়াই আনে আৰু তেতিয়া তেওঁ স্থবিৰসকলক প্ৰণাম কৰি যথাসাধ্য গুৰুদক্ষিণা দি নিজৰ আসন গ্ৰহণ কৰে। তাৰ পাছত তেওঁ তিনিবাৰ সংঘৰ ওচৰত নিবেদন কৰে: 'অনুগ্ৰহ কৰি মোক দীক্ষা দান কৰক, যাতে মই সংসাৰৰ দুখ-শোক অতিক্ৰম কৰি নিবৃত্তি লাভৰ অধিকাৰী হ'ব পাৰো।' তেতিয়া সংঘপতি আহি তিনিখন গেৰুৱা বস্ত্ৰৰ এটা টোপোলা তেওঁৰ কাণত ওলোমাই দিয়েহি। প্ৰাৰ্থীয়ে তিনিখন বস্ত্ৰ পৰিধান কৰি সন্ন্যাসীৰ বেশ ধাৰণ কৰি প্ৰথমে ত্ৰিশৰণৰ মন্ত্ৰ (বুদ্ধং শৰণং গচ্ছামি ইত্যাদি) পাঠ কৰে। তাৰ পাছত দশশীল গ্ৰহণ কৰে। এই দশশীল হ'ল—(১) জীৱহত্যা, (২) অপহৰণ, (৩) ব্যভিচাৰ, (৪) মিছা কথা কোৱা, (৫) সুৰাপান—এই পাঁচবিধ পাপৰ পৰা নিবৃত্তি—এইকেইটা সাধাৰণ নিষেধ। (৬) অকাল ভোজন, (৭) নৃত্য-গীতাদিত অনুৰক্তি, (৮) গন্ধমাল্য প্ৰভৃতি সেৱন, (৯) আৰামী শয্যাত শয়ন, (১০) সোণ-ৰূপৰ দান গ্ৰহণ—এইবোৰৰ পৰা আঁতৰত থকা এই পাঁচোটা ভিক্ষুসকলৰ কাৰণে বিশেষ বিধান।'

বৌদ্ধ ভিক্ষু হ'বলৈ দুটা স্তৰ অতিক্ৰম কৰিব লাগে—প্ৰব্ৰজ্যা আৰু উপসম্পদা। ইয়াৰে প্ৰব্ৰজ্যাক শিক্ষা কাল বুলিব পাৰি। এই কালছোৱা অতিবাহিত হ'লে পুনৰ আনুষ্ঠানিকভাৱে দীক্ষা গ্ৰহণ কৰিব লাগে। আনুষ্ঠানিকভাৱে দীক্ষা গ্ৰহণ কৰাৰ নাম উপসম্পদা। এইটো পৰ্ব হৈ গ'লেহে বৌদ্ধ সংঘত প্ৰবেশ কৰিব পাৰে। এই পৰ্বটোৰ পূৰ্বে বৌদ্ধ ভিক্ষু হ'ব খোজা প্ৰাৰ্থীজন যুৱক সংঘৰ ওচৰলৈ গৈ বৃদ্ধ জ্ঞানী ভিক্ষুসকলৰ মাজৰ পৰা এজন উপাধ্যায় বাছি ল'ব লাগে। তাৰ পাছত তেওঁৰ কান্ধত ভিক্ষাৰ পাত্ৰ সংলগ্ন হয়। উপসম্পদাৰ কাৰণে তেওঁ উপযুক্ত হয় নে নহয় তাক পৰীক্ষা কৰিবলৈ কিছুমান প্ৰশ্ন কৰা হয়। এই প্ৰশ্নবোৰৰ সন্তোষজনক উত্তৰ দিলে পৰীক্ষাৰ ফলাফল সংঘক জনোৱা হয়। দীক্ষা লাভৰ কাৰণে প্ৰাৰ্থীজনে তিনিবাৰ প্ৰাৰ্থনা কৰিব লাগে। কাৰো কোনো ৰকমৰ আপত্তি নাথাকিলে প্ৰাৰ্থীজনক সংঘভুক্ত কৰা হয়। বৌদ্ধ সংঘৰ নিয়মাৱলী পাঠ কৰি প্ৰাৰ্থীক বিধি অনুসৰি দীক্ষা দিয়া হয়। তাৰ পাছত তেওঁ আচাৰ্যৰ ওচৰত পাঁচ বছৰ কাল অধ্যয়ন কৰিব লাগে। দীক্ষিত বৌদ্ধ ভিক্ষুক আচাৰ্যই উপদেশ দিয়ে। তেওঁলোকৰ চতুৰনুশাসন হ'ল—জীৱ হত্যা নকৰিবা, চুৰি নকৰিবা, ব্যভিচাৰ দোষ নকৰিবা, নিজত কেতিয়াও দৈৱশক্তি আৰোপ নকৰিবা। চুৰি, ডকাইতি, ব্যভিচাৰ, হত্যা আদি গুৰুতৰ অপৰাধত অপৰাধী হ'লে বি

কোনো ভিক্ষুক সংঘৰ পৰা বাহিৰ কৰি দিব পাৰিছিল। তাৰ বাহিৰেও নিজ ইচ্ছা মতে সংঘ এৰি যোৱাত কোনো বাধা-নিষেধ নাছিল। মাক-দেউতাক, ল'ৰা-ছোৱালীৰ বিপদ-আপদ বা দুখ-কষ্টৰ কাৰণে কিবা কাৰণত চিন্তিত হ'লে সংঘ এৰি ঘৰলৈ যাব পাৰে। কোনো ভিক্ষুৱে কিবা পাপ কৰিলে প্ৰতি মাহত দুবাৰকৈ অৰ্থাৎ পূৰ্ণিমা আৰু অমাবস্যাত উপবাসে থাকি প্ৰতিমোক্ষৰ (বৌদ্ধসকলৰ প্ৰায়শ্চিত্ত সম্পৰ্কীয় এখন গ্ৰন্থ) বিধান অনুসৰি সংঘৰ ওচৰত নিজৰ পাপ স্বীকাৰ কৰি প্ৰায়শ্চিত্ত গ্ৰহণ কৰিব লাগিছিল। প্ৰথম অৱস্থাত বৌদ্ধ সংঘত তিৰোতাৰ প্ৰৱেশ অধিকাৰ নাছিল। পাছতহে তিৰোতাক বুদ্ধদেৱে ভিক্ষু দলত গ্ৰহণ কৰিবলৈ সন্মত হয় আৰু নিজ ধাতৃ মহাপ্ৰজাপতিক প্ৰথম স্ত্ৰী শিষ্যৰূপে গ্ৰহণ কৰে।

বৌদ্ধ ভিক্ষুৰ কাৰণে আহাৰ, পোছাক-পৰিচ্ছদ, বাসস্থান, ব্ৰত, ভাবনা, ধ্যান, সমাধি আদিৰ ক্ষেত্ৰত অনেক ব্যৱস্থা বুদ্ধদেৱে কৰি থৈ গৈছে। বৌদ্ধ ধৰ্মৰ প্ৰসাৰৰ ক্ষেত্ৰত এইবোৰ ব্যৱস্থাই বৰঙণি যোগাইছে। এইবোৰ ব্যৱস্থাই মানুহক সংযত চিত্তৰ কৰি তোলে। সেয়ে সুস্থ সমাজ গঠনতো এইবোৰ ব্যৱস্থাই পৰোক্ষভাৱে অৰিহণা যোগায় বুলিব পাৰি।

আহাৰ ঃ বৌদ্ধ ভিক্ষুসকলে দিনটোত মাথোঁ এবাৰহে খাব পাৰে। বৌদ্ধ ভিক্ষুসকলে পুৱাৰ ভাগতে মানুহৰ ঘৰে ঘৰে গৈ ভিক্ষা সংগ্ৰহ কৰি আনি আগবেলাৰ ভিতৰতে সকলোৱে মিলিজুলি খাব লাগে। ভিক্ষাৰ সময়ত কোনো কথা নাপাতি আশীৰ্বাদ দি অন্য এঘৰলৈ যায়। গৃহস্থই একো নিদিলেও নিমাতে অন্যৰ ঘৰলৈ গৈ ভিক্ষা মাগিব লাগে। গৃহস্থসকলে পূৰ্ণিমা তিথিত দুপৰীয়াৰ আহাৰৰ কাৰণে ভিক্ষুসকলক নিমন্ত্ৰণ কৰে। তেনে নকৰিও খোৱা বস্তু দুপৰীয়া ভিক্ষুসকলৰ কাৰণে মঠলৈ পঠাই দিয়াৰ নিয়ম আছে।

পোছাক ঃ বৌদ্ধ ভিক্ষুসকলে গেৰুৱা ৰঙৰ কাপোৰ পৰিধান কৰে। দেহ সৌষ্ঠৱত গেৰুৱা বস্ত্ৰ পৰিধানৰ দ্বাৰা তেওঁলোকক দেখিবলৈ সুন্দৰ হয়। তেওঁলোকে তিনিখন গেৰুৱা কাপোৰ পৰিধান কৰে—এখন অন্তৰ বস্ত্ৰ, এখন মধ্য বস্ত্ৰ, এখন উত্তৰীয়। উচ্চ শ্ৰেণীৰ ভিক্ষুসকলৰ জীৱন ব্ৰত অতিশয় কঠোৰ। তেওঁলোকে শ্মশানত পৰি থকা ফটা কাপোৰ বুটলি আনি নিজ হাতেৰে চিলাই কৰি পিন্ধিব লাগে। তাৰ ওপৰত এখন গেৰুৱা বসন ল'ব লাগে। কেতিয়াবা কেতিয়াবা শ্মশানলৈ গৈ সংসাৰৰ অসাৰতাৰ বিষয়ে চিন্তা আৰু ধ্যান-ধাৰণাত ৰাতি কটাব লাগে। কোনোবাই বস্ত্ৰ দান কৰিলে গ্ৰহণ কৰাত বাধাও নাছিল। পাপৰ পৰা মুক্ত নহ'লে গেৰুৱা বসন পৰিধানযোগ্য নহয়।

বাসস্থান ঃ মানুহৰ আত্মসংযমৰ বাবে নিৰ্জন বনেই বসবাসৰ উপযোগী বুলি ভাবিছিল বুদ্ধই। গছৰ তলেই হ'ল আশ্ৰয় স্থল। তাত খুব বেছি আসন পাৰি বহিব পাৰে, কিন্তু শুব নোৱাৰে। অৱশ্যে বনত গৈ যে বাস কৰিবই লাগিব তাৰ কোনো ধৰাবন্ধা নিয়ম নাই। পোনতে গাঁও, চহৰ-নগৰ, অৰণ্য আদিত য'তেই নাথাকক কিয় দল বান্ধি থকাটো নিয়ম আছিল। পাছত তেওঁলোকৰ বাবে থকাৰ সুবিধাৰ্থে বিহাৰৰ ব্যৱস্থা কৰা হৈছিল। প্ৰতি বছৰ বৰ্ষা ঋতুটো তেওঁলোকে এঠাইত কটাইছিল। গ্ৰীষ্ম আৰু জাৰৰ দিনকেইটা দেশ ভ্ৰমি ফুৰিছিল। ড° হৰিনাথ শৰ্মা দলৈয়ে লিখিছে ঃ 'ভুটীয়া তিব্বতীসকলৰ উপৰি লাডাখ অঞ্চলৰো বৌদ্ধসকল বিশেষকৈ শীতকালত হাজোলৈ আহি হয়গ্ৰীৱ মাধৱ মন্দিৰ দৰ্শন কৰে আৰু ইয়াক মুনিৰ মুনি মহামুনি জ্ঞান কৰি প্ৰণতি জনায়। তেওঁলোকৰ ধৰ্মীয় বিশ্বাস সাপেক্ষে বিভিন্ন ধাৰণা হয়গ্ৰীৱ-মাধৱ মন্দিৰৰ আশে-পাশে থকা স্মৃতিচিহ্নসমূহৰ লগত সংযুক্ত হৈ আছে।' কেদাৰ মন্দিৰৰ ওচৰৰ পাহাৰৰ এডাল শাল বৃক্ষৰ তলতে বুদ্ধদেৱে পৰিনিৰ্বাণ লাভ কৰিছিল বুলি জ্ঞান কৰি ভুটানৰ বৌদ্ধধৰ্মীসকলে সেৱা কৰে। বৌদ্ধসকলে প্ৰকাণ্ড শিলৰ স্তম্ভ, স্তূপ, চৈত্য, বিহাৰ আদি নিৰ্মাণ কৰি তেওঁলোকৰ হস্তশিল্পৰ নিদৰ্শন চাৰিওফালে সিঁচৰতি কৰি থৈ গৈছে। গোৱালপাৰাৰ সূৰ্য পাহাৰত অনেক বৌদ্ধ স্তূপ আছে। এই পাহাৰতে ১৯৯৭ চনত প্ৰত্নতাত্ত্বিক বিভাগে চলোৱা খনন কাৰ্যত এটা বৌদ্ধ বিহাৰ উদ্ধাৰ হৈছিল। গুৱাহাটীৰ আমিনগাঁৱত ভুটানৰ এগৰাকী বৌদ্ধধৰ্মী মহিলাই বৌদ্ধ ধৰ্ম উপাসনা গৃহ, বৌদ্ধ বিহাৰ, বৌদ্ধ স্তূপ আদি নিৰ্মাণ কৰিছে। ইয়াত প্ৰতি বছৰ মহা ধুমধামেৰে বুদ্ধ পূৰ্ণিমা পালন কৰে। অৰুণাচলৰ খামতিসকলৰ গাঁওবোৰত বৌদ্ধ বিহাৰ প্ৰতিষ্ঠাপিত। বিহাৰবোৰ শিক্ষা লাভ আৰু ধৰ্ম-চৰ্চাৰ কেন্দ্ৰ হোৱাৰ উপৰি নৃত্য, গীত, নাট অনুশীলনৰো স্থান।

ব্ৰত ঃ বৌদ্ধ ভিক্ষুসকলৰ দুটা মহাব্ৰত হ'ল দাৰিদ্ৰ আৰু সংযম। বৌদ্ধ ভিক্ষুসকলে ভিক্ষাৰ দ্বাৰা খাদ্য সংগ্ৰহ কৰে। বুদ্ধদেৱে প্ৰত্যূষতে উঠি স্নানাদি প্ৰাতঃকৃত্য সমাপন কৰি নিৰ্জনত বহি ধ্যান কৰিছিল। তাৰ পাছত শিষ্য সমন্বিতে ভিক্ষা কৰিবলৈ গাঁও বা চহৰলৈ ওলাই গৈছিল। সেই সময়ত তেওঁৰ দেহৰ পৰা অপূৰ্ব জ্যোতি প্ৰকাশ হৈছিল। গাঁৱৰ বা চহৰৰ প্ৰতি ঘৰে তেওঁক আদৰি নি আপ্যায়ন কৰিছিল। বুদ্ধই গৃহস্থক ধৰ্মোপদেশ প্ৰদান কৰিছিল। গৃহস্থই তেওঁৰ হাতৰ পৰা ভিক্ষাপাত্ৰ নি বস্তুৰে ভৰাই দিছিল। ভিক্ষা কৰিবলৈ যাওঁতে যদি কোনো গৃহস্থই বৌদ্ধ ভিক্ষুক সোণ-ৰূপ আদি মূল্যবান ধাতু দান কৰে তেন্তে তাক গ্ৰহণ কৰিব নোৱাৰে। যদি গ্ৰহণ কৰে তেন্তে ভিক্ষা কালত অন্য গৃহস্থক ঘূৰাই দিব লাগে আৰু

তাৰ বিনিময়ত সেই গৃহস্থই লোণ, তেল, চাউল, ঘিউ আদি দান কৰে। ভিক্ষুৱে তেনেবোৰ বস্তু নিজৰ কাৰণে ৰখাৰ সলনি আন ভিক্ষুক দিয়ে। সোণ-ৰূপৰ দৰে মহামূল্যবান বস্তু লাভ কৰিও আনক দিয়া আৰু তাৰ বিনিময়ত পোৱা বস্তু আন ভিক্ষুক দিয়া ব্যৱস্থাৰ দ্বাৰা বৌদ্ধ ভিক্ষুসকলক সংযমৰ শিক্ষা দিয়া হয়। বৌদ্ধ ভিক্ষুসকলে গাইগুটীয়াভাৱে দাস-দাসী ৰখা, গৰু-ঘোঁৰা আদি পশুপালন কৰাও নিষিদ্ধ। একোজন ভিক্ষুৰ সম্পত্তি হ'ল তিনিখন গেৰুৱা বসন, এটা ভিক্ষা পাত্ৰ, ক্ষুৰ এখন, বেজি এটা, পোক-পৰুৱা যাতে নমৰে তাৰ বাবে গাখীৰ, পানী আদি চেকিবলৈ এখন চেকনী (এইবোৰ কেৱল গাইগুটীয়া ভিক্ষুৰ বাবেহে। সংঘৰ ভিক্ষুসকলে পুথি-পাঁজি, মাটি-বাৰী, মঠ-বিহাৰ আদি সম্পত্তিও ৰাখিব পাৰে)। অতি কম বস্তুৰে জীৱন কটাব দি দৰিদ্ৰতাৰ মাজত ৰাখি লোভ, মোহ আদি ৰিপুক দমন কৰি সংযমৰ শিক্ষা বৌদ্ধ ভিক্ষুসকলক দিছিল।

ভাবনা, ধ্যান, সমাধি : অন্যান্য ধৰ্মত স্তুতি, প্ৰাৰ্থনা, ভজন, পূজনৰ ব্যৱস্থা থকাৰ দৰে বৌদ্ধ ধৰ্মত আছে ভাবনা, ধ্যান, সমাধি। ভিক্ষুসকলে বিষয় বাসনাৰ পৰা আঁতৰত থাকি পঞ্চভাবনা সাধন কৰিব লাগে। এই পঞ্চভাবনা হ'ল—কৰুণা, মৈত্ৰী, মুদিত, অশুভ, উপেক্ষা। বৌদ্ধ ভিক্ষুসকলে নিতৌ সন্ধিয়া গধূলি নিৰ্জনত বহি এই পঞ্চভাবনা সাধন কৰিব লাগে।

ধ্যান : মনটোক বিষয়াসক্তিৰ পৰা আঁতৰত ৰাখি নিতৌ নিৰ্জনত বহি ধ্যান কৰিব লাগে। ধ্যানৰ চাৰিটা সোপান বা স্তৰ আছে। ইয়াৰে তলৰ স্তৰৰ পৰা ওপৰৰ স্তৰলৈ উঠিবলৈ হ'লে মনটোক বেছিকৈ সংযত কৰি বিষয়টো চিন্তা কৰাৰ প্ৰয়োজন। ধৰা হ'ল এজন মানুহে অৰূপলোকৰ ধ্যান কৰিছে। তেতিয়া মনৰ পৰা ৰূপলোকৰ সকলো কল্পনা বাদ দি, মনটোক ইন্দ্ৰিয়ৰ বিষয়ৰ পৰা আঁতৰত ৰাখি, ইন্দ্ৰিয়ৰ অগোচৰ এক অলৌকিক ভাব আৰু অৱস্থাৰ মাজত বৈ, ভিক্ষুজন যেন এই পৃথিৱীৰ জীৱ হয় এক অৰূপ লোকতহে বাস কৰিছে এনে তন্ময়তা সাধন কৰিব লাগে চিত্তেৰে।

সমাধি : বহিৰ্বিষয়ৰ পৰা নিবৃত্ত হৈ আত্মাৰ একাগ্ৰতা সাধনাই হ'ল সমাধি। পঞ্চভূত শৰীৰ অনিত্য আৰু পৰিবৰ্তনশীল—একাগ্ৰচিত্তে এই ভাব-চিন্তা কৰিব লাগে। লাহে লাহে মনত সেই ভাব একেবাৰে পৰিস্ফুট হৈ উঠিলেই সমাধি অৱস্থা লাভ কৰে।

বৌদ্ধ গৃহস্থ : ভিক্ষুৰ বাহিৰেও গৃহস্থী শিষ্যও বুদ্ধদেৱে গ্ৰহণ কৰিছিল। বৌদ্ধ ধৰ্মত গৃহস্থসকলক দীক্ষিত কৰিবৰ বাবে এক ত্ৰিশৰণ মন্ত্ৰৰ বাহিৰে আন কোনো

বিশেষ অনুষ্ঠান নাই। গৃহস্থ বৌদ্ধসকলৰ প্ৰধান কাম আছিল বৌদ্ধ ভিক্ষুসকলক অন্নদান, বস্ত্ৰদান কৰি পুহি ৰখা। গৃহস্থসকলে বুদ্ধৰ দশশীলৰ পাঁচোটা (জীৱহত্যা, অপহৰণ, ব্যভিচাৰ, মিছা, সুৰাপানৰ পৰা আঁতৰত থকা) বাধ্যতামূলক আছিল। ব্ৰত, উপবাস গ্ৰহণযোগ্য আছিল। সাধু জীৱন যাপন কৰা পিতৃ-মাতৃ, গুৰুক সন্মান, ভক্তি কৰা আদি বিশেষ নিয়ম। ইয়াত মানুহৰ পৰস্পৰৰ প্ৰতি কৰ্তব্য সম্পৰ্কে উপদেশ দি গৈছে বুদ্ধদেৱে। যেনে—পিতাকৰ পুতেকৰ প্ৰতি কৰ্তব্য হ'ল পাপৰ পৰা আঁতৰত ৰখা, ধৰ্ম শিক্ষা দিয়া, বিদ্যাদান, পুত্ৰ বা কন্যাৰ বিয়া পতা, সা-সম্পত্তিৰ অধিকাৰ প্ৰদান। পুতেকৰ কৰ্তব্য হ'ল বাপেক-মাকৰ ভৰণ-পোষণ, কুলধৰ্ম ৰক্ষা, সা-সম্পত্তিৰ ৰক্ষণাবেক্ষণ আদি। স্বামীৰ স্ত্ৰীৰ প্ৰতি কৰ্তব্য হ'ল সন্মান প্ৰদৰ্শন, ভালপোৱা, একনিষ্ঠতা আদি। স্ত্ৰীৰ স্বামীৰ প্ৰতি কৰ্তব্য হ'ল ঘৰুৱা কাম-কাজত পাৰ্গতালি, অতিথি সৎকাৰ, সতীত্ব ৰক্ষা, মিতব্যয়ী হোৱা, পৰিশ্ৰমী হোৱা। এইবোৰৰ উপৰি গুৰুৰ শিষ্যৰ প্ৰতি, শিষ্যৰ গুৰুৰ প্ৰতি, প্ৰভুৰ ভৃত্যৰ প্ৰতি আৰু ভৃত্যৰ প্ৰভুৰ প্ৰতি কৰ্তব্যৰ উপদেশ বুদ্ধদেৱে দিছিল।

মদনোৎসৱ

মদন কামদেৱ আৰু তেওঁৰ অৰ্ধাঙ্গিনী ৰতি প্ৰেমৰ দেৱ-দেৱী। বিশ্বামিত্ৰ মুনি ধ্যানৰত হৈ বহু দিন থকাত দেৱৰাজ ইন্দ্ৰই তেওঁৰ স্বৰ্গৰাজ্য মুনিয়ে তপস্যাৰ বলত কাঢ়ি ল'ব বুলি ভাবি কামদেৱ আৰু ৰতিদেৱীক বিশ্বামিত্ৰ মুনিলৈ কামবাণ নিক্ষেপৰ দ্বাৰা প্ৰেমত আকৃষ্ট কৰি তপস্যা ভংগ কৰিবলৈ কয়। আনহাতে দেৱৰাজে তেওঁৰ ৰাজসভাৰ নৃত্যপটীয়সী মেনকাক বিশ্বামিত্ৰ মুনিৰ আগত নৃত্য পৰিবেশন কৰিবলৈ আদেশ দিয়ে। সেইমতে মেনকাই মৰ্ত্যলৈ নামি আহি ধ্যানৰত মুনিৰ আগত নৃত্য কৰিবলৈ ধৰে। ইপিনে কামদেৱ আৰু ৰতিদেৱীয়ে মুনিলৈ কামবাণ নিক্ষেপ কৰে। বিশ্বামিত্ৰ মুনিৰ ধ্যান ভংগ হয় আৰু মনত প্ৰেমভাব জাগে। সন্মুখতে দেখা পায় অপৰূপা নৰ্তকী মেনকাক। ঋষিয়ে তেওঁক প্ৰেম নিবেদন কৰে। মেনকায়ো মুনিৰ প্ৰেমত আকৃষ্ট হয় আৰু তেওঁৰ স'তে সংসাৰ-ধৰ্মত প্ৰৱেশ কৰে। দুয়োৰে যুৰীয়া জীৱনৰ স্বাক্ষৰস্বৰূপে শকুন্তলাৰ জন্ম। পিছত মেনকা ইন্দ্ৰৰ নিৰ্দেশত পুনৰ স্বৰ্গলৈ গুচি যায় আৰু বিশ্বামিত্ৰয়ো সন্ন্যাসী ধৰ্মত পুনৰ সোমাই পৰে। শকুন্তলা কণ্ব মুনিৰ আশ্ৰমত তেওঁৰ তত্বাৱধানত ডাঙৰ-দীঘল হয় আৰু গাভৰু কালত ৰজা দুষ্মন্তৰ লগত বিয়া হয়।...

মদন-কামদেৱ আৰু ৰতিদেৱীৰ পূজা ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত উদ্‌যাপন কৰা হয়। বসন্ত কালত উদ্‌যাপন কৰা মদনোৎসৱৰ বৰ্ণনা বিভিন্ন গ্ৰন্থত পোৱা যায়। 'অসমীয়া সংস্কৃতিৰ কণিকা' গ্ৰন্থত এই মদনোৎসৱৰ উল্লিখিত পুথিৰ বিৱৰণ আছে : 'মদন ত্ৰয়োদশী তিথিত উদ্‌যাপিত এই উৎসৱৰ বহল বিৱৰণী 'গৰুড় পুৰাণ', 'ভৱিষ্য পুৰাণ' আৰু 'মৎস্যপুৰাণ'ত (৭ম অধ্যায়) পোৱা যায়। মহাকবি কালিদাসৰ 'অভিজ্ঞান-শকুন্তলম্', ভৱভূতিৰ 'মালতী মাধৱ' আৰু শ্ৰীহৰ্ষৰ 'ৰত্নাৱলী' নাটৰ প্ৰথম অংকত মদনোৎসৱৰ চিত্ৰাকৰ্ষী বৰ্ণনা সন্নিবিষ্ট হোৱাটো উল্লেখযোগ্য। চ'ত মাহৰ শুক্লপক্ষৰ চতুৰ্দশী তিথিত দমন বৃক্ষৰ পল্লৱ প্ৰভৃতিৰে মদন কামদেৱ পূজা কৰাৰ বিধি পোৱা যায় 'সৌৰগম গ্ৰন্থ'ত। মৈথিল কোকিল বিদ্যাপতিৰ এটি গীতত ঝুমুৰি ছন্দৰে মদন কামদেৱক পূজিবলৈ যোৱা এক উদ্ভিন্ন নৱযৌৱনা লালনাৰ অন্তৰৰ আকুতি প্ৰকাশ পাইছে। অষ্টাদশ শতাব্দীৰ কোনোবা এটি দশকত ৰচিত 'ত্ৰিপুৰা বুৰঞ্জী'ত ত্ৰিপুৰাৰ মহাৰাজে তেওঁৰ বিষয়াবৰ্গৰ লগত ফাকু খেলাৰে বৈশাগুৰ দহ দিন ধাওঁতে কৃষ্ণৰ

ত্ৰয়োদশী তিথিত মদন দেৱতাৰ উৎসৱ পতাৰ চিত্তস্পৰ্শী বৰ্ণনা আছে। অসমত চ'ত মাহৰ শুক্লা ত্ৰয়োদশী তিথিত উদ্‌যাপিত মদনোৎসৱৰ সকল বিৱৰণ নৱম শতাব্দীত ৰচিত 'কালিকা পুৰাণ', চতুৰ্দশ শতিকাৰ স্মৃতি নিবন্ধকাৰ দামোদৰ মিশ্ৰৰ 'স্মৃতি সাগৰসাৰ' আদি গ্ৰন্থত পোৱা যায়।

বাইহাটা চাৰিআলিৰ অন্তৰ্গত মদাৰতলা মৌজাৰ মদন কামদেৱ পাহাৰত অৱস্থিত 'মদন কামদেৱ দেৱালয়'। এই দেৱালয়ত মদন কামদেৱৰ পূজা-অৰ্চনা নিতৌ হয়। এই দেৱালয়ক লৈ 'কামৰূপ' নামৰ উৎপত্তি সম্পৰ্কত প্ৰচলিত কিংবদন্তি অনুসাৰে মহাদেৱে এই পাহাৰতে কামদেৱক ভস্ম কৰিছিল। পিছত তেওঁৰ পত্নী ৰতিদেৱীৰ কাকুতিত তুষ্ট হৈ কামদেৱক পুনৰ জীয়াই দিয়ে। কামদেৱে মৰিও পুনৰ জন্মলাভ কৰা বাবে এই ৰাজ্যখনৰ নাম 'কামৰূপ' হয়। আকৌ এই পাহাৰখনতে কামদেৱে মৰিও জী উঠিছিল বাবে নাম 'মদন কামদেৱ পাহাৰ'। এই পাহাৰতে আছে 'মদন কামদেৱ দেৱালয়'। পাহাৰৰ দক্ষিণ-পশ্চিম প্ৰান্তত আছে এটি শৈল মন্দিৰ। এইটো দেৱালয়খনৰ মূল মন্দিৰ। ইয়াতে দুটা মূৰ্তি আছে। এই মূৰ্তি দুটাক মানুহে মদন-কামদেৱ আৰু ৰতি দেৱীৰ মূৰ্তি জ্ঞান কৰে। কিছুমানে মহাদেৱ-পাৰ্বতীৰ মূৰ্তি বুলিও ভাবে। ইয়াতে এটা প্ৰায় পাঁচ ফুট ওখ শিৱলিংগ আছে। ইয়াত আন এটি ধাতুমূৰ্তিও আছে। এইটোক মানুহে বিষ্ণু মূৰ্তি বুলি ভাবে। এইটো মন্দিৰৰ ওচৰতে আন দুটা মন্দিৰ আছে। পাহৰখনত সিঁচৰতি হৈ আছে অনেক শিলৰ ভাস্কৰ্য। মন্দিৰসমূহত নিত্য পূজা-অৰ্চনা হয়। এই মদন-কামদেৱ দেৱালয়ত মদন ত্ৰয়োদশী তিথিত মদন-কামদেৱৰ পূজা-অৰ্চনা বিশেষভাৱে হয় বুলি শুনা যায়। পূৱ দিশৰ পৰা মদন কামদেৱ পাহাৰৰ চৰণ ধুৱাই দক্ষিণে বৈ যোৱা নদীখনক 'মদন কুৰি' বা 'শাশ্বতী' বোলে। এই সৰোবৰত চ'ত মাহৰ মদন ত্ৰয়োদশী তিথিত স্নান কৰিলে সৰ্বপাপ খণ্ডন হয় বুলি বিশ্বাস প্ৰচলিত আছে।

মদনোৎসৱৰ এক ৰূপ বাঁশ পূজা প্ৰাচীন ৰত্নপীঠৰ অন্তৰ্গত বৰ্তমানৰ গোৱালপাৰাত মদন চতুৰ্দশীৰ দিনা আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপিত হয়। আড়ম্বৰপূৰ্ণভাৱে উদ্‌যাপিত এই পূজাত বাঁহ এডালক সু-সজ্জিত কৰি বাঁহৰ জন্মৰ পৰা চিতা নিৰ্মাণলৈকে সমস্ত কথাকে গীত আৰু নৃত্যৰ যোগেদি প্ৰকাশ কৰা হয়। মদন কামদেৱৰ প্ৰতীকৰূপে এডাল সু-সজ্জিত বাঁহক কেন্দ্ৰ কৰি নৃত্য-গীত আৰু অন্যান্য ক্ৰিয়া-কাণ্ডৰে বাঁশ পূজা হয়। (কোনো কোনো অঞ্চলত অৱশ্যে বাঁশ পূজাৰ লগত কালী গোসাঁনীৰ সম্পৰ্কহে অধিক।) ড° বীৰেন্দ্ৰনাথ দত্তই তেখেতৰ দ্বাৰা সংকলিত আৰু সম্পাদিত 'গোৱালপৰীয়া লোকগীত সংগ্ৰহ' গ্ৰন্থত বাঁশ পূজাৰ গীতসমূহক

তিনিটা প্ৰধান ভাগত ভাগ কৰিছে—(ক) আখ্যানমূলক গীত (ইয়াত আকৌ কেইবাটাও প্ৰকাৰৰ গীতৰ উল্লেখ কৰিছে : মদন কামৰ জন্ম—নানা জাতিৰ বাঁহ সৃজন, বাঙ্গা বা কপাহৰ জন্ম, ফুলৰ জন্ম, মদন কামৰ জন্মৰ লগতে বাঁহ আৰু কপাহৰ প্ৰসঙ্গত গোৱা আন এটি গীত, কপাহ ৰোৱা আৰু তাৰ সূতাৰে কাপোৰ বোৱা, মদন কামৰ পূজাৰ বাবে বাঁহ নিৰ্বাচন, সজ্জা আৰু পূজাৰ যোগাৰ দিশে দিশে মদন কামৰ পূজা, মদন কামক বাঁহ ঘৰলৈ নিয়াৰ আগতে গোৱা গীত, লাড়ু শোজা (ভাণ্ডৰ লাড়ু আগবঢ়োৱা) অনুষ্ঠানৰ গীত, বাঁহ কাটি কৃষ্ণৰ দ্বাৰা বাঁহী নিৰ্মাণ আদি।), (খ) মদন কামদেৱৰ পূজা উপলক্ষে কিছুমান অঞ্চলত গোৱা আদি ৰসপ্ৰধান গীত, (গ) হাজংসকলৰ মাজত প্ৰচলিত গীত। আখ্যানমূলক গীতৰ মদন কামদেৱৰ জন্ম সম্পৰ্কে গোৱা এটি গীতৰ কিয়দংশ হ'ল : 'জয় জয় বন্দং, জয় জয় বন্দং, জয় জয় বন্দং ৰাম। জয় জয় বন্দং, জয় জয় বন্দং, ঠাকুৰ মদন কাম।/গুৰুকে প্ৰণাম কৰং প্ৰণাম গুণপতি/কমলা দুৰ্গা বন্দং লক্ষ্মী সৰস্বতী//পূবে কৰুণ বন্দনা গাং বন্দিয়া হুতাশন/তবে দুৰ্লভ পুত্ৰ উপজিলা মদন কাম//...

হাজং আৰু ৰাজবংশীসকলে কৰা বাঁশ পূজাত মদন আৰু গোপালৰ প্ৰতীকৰূপে তিনিডাল বাঁহ চাফ-চিকুণ কৰি লয়। প্ৰথমডালত বগা কাপোৰ, দ্বিতীয়ডালত ৰঙা কাপোৰ আৰু তৃতীয়ডালত জাকৈ, খালৈ আৰু এখন অৰ্ধভগ্ন নাঙল আঁৰি লয়। প্ৰথম দুডাল বাঁহৰ মূৰত দুটা চোৱাৰ বান্ধি ওচৰা-উচৰিকৈ পোতা হয়। তৃতীয়ডাল অলপ আঁতৰত পোতা হয়। এই বাঁহ তিনিডালৰ গুৰিত তিনি দিন ধৰি পূজা কৰি আৰু গীত-নৃত্যৰে বাঁহ দেৱতাক তুষ্ট কৰাৰ চেষ্টা কৰে। বাঁহ পূজাত হাজং জনজাতিয়ে গোৱা গীতৰ গীতালৰ গুৰু বন্দনা হ'ল : "হাও গুৰু পাও গুৰু বন্দং, দীক্ষা গুৰুৰ পাও/যেই গুৰু শিখাইছে মোৰে, ডাইনে, আৰো বাওঁ/এতেকে বন্দনা গাইতে, যে চৰাবে যাও/আৰো কিছু কিবা নাদং ধৰ্মেৰ মাথা খাও/" শিৱনন্দন শৰ্মাৰ মতে, মদন কাম পূজা প্ৰকৃততে লিংগ পূজা। কিছুমান ঠাইত মুছলমানসকলেও এই পূজাত ভাগ লয়। তেতিয়া ইয়াক মাদাৰ, মীদাৰ বা দাকা পূজা বোলে। এহাল নিঃসন্তান মুছলমান দম্পতীয়ে সভক্তিৰে মদন কাম পূজা কৰি সন্তান লাভ কৰিছিল। তাৰ পিছত মুছলমান সমাজত এই পূজাৰ প্ৰচলন হয়।

মদনোৎসৱৰ অন্য এটি ৰূপ হ'ল মদন-চৈতেলী উৎসৱ। মদন-চৈতেলী উৎসৱত মাধৱ, কেদাৰেশ্বৰ আৰু কামেশ্বৰ এই তিনিজন দেৱতাৰ বিগ্ৰহ তিনিটা লৈ নগৰ পৰিভ্ৰমণ কৰি নৃত্য-গীত কৰা হয়। লখাইতৰা নামৰ নদীৰ পাৰত ভলা খেল অনুষ্ঠিত কৰি উঠাৰ পিছত তিনিওজনা বিগ্ৰহ পুনৰ নিজস্থানলৈ উভতি যায়।

মদনোৎসৱক সমন্বয়ৰ উৎসৱ বুলিব পাৰি। সাধাৰণ বৰ্গৰ হিন্দুসকলৰ লগতে জনজাতিসকল আৰু মুছলমানসকলে পালন কৰালৈ চাই এয়াই ক'ব পাৰি। বৰ্তমান সময়ত সমাজ গঠনত এনে ধৰণৰ সমন্বয়ৰ আদৰ্শৰ প্ৰয়োজন অপৰিহাৰ্য। আন কেইটামান বিষয়তো সমন্বয়ৰ-ভ্ৰাতৃত্ববোধ পৰিলক্ষিত হয়। বাঁশ পূজাত বাঁহৰ জন্মৰ পৰা চিতা নিৰ্মাণলৈ সকলো কথা গীতৰ আকাৰে গোৱা ব্যৱস্থাক কুমাৰীপূজা অকণিবুৰীৰ লগত বিজাব পাৰি। বাৰিষা কালত হোৱা অকণিবুৰী পূজাত ভাগ লয় কুমাৰী ছোৱালীসকলে। পূজা কৰ্ম কৰে এজনী তিৰোতাই। তেওঁ পূজাত ভাগ লোৱা ছোৱালীসকলক অকণিবুৰী পূজাৰ প্ৰচলনৰ কাহিনী শুনায়। মুছলমানসকলে ভাগ লোৱালৈ চাই মদন কামদেৱৰ পূজাক নৱগ্ৰহ মহাযজ্ঞৰ লগত মিলাব পাৰি। নৱগ্ৰহ মহাযজ্ঞতো মুছলমানসকলে পূৰ্ণাহুতিত আহুতি প্ৰদানেৰে ভাগ লয়। জীৱনৰ উত্থান-পতনত গ্ৰহৰ প্ৰভাৱৰ কথা তেওঁলোকেও মানে। মদনোৎসৱৰ অন্য ৰূপ মদন-চৈতেলীত বিগ্ৰহক মানুহে নগৰ পৰিভ্ৰমণ কৰোৱাৰ দৰে নামনি অসমৰ বিশেষকৈ নলবাৰী জিলাৰ অন্তৰ্গত গঙ্কিয়া, চমতা, বেলশৰ, সাহপুৰ, শিমলীয়া, পিপলিবাৰী আদি ঠাইত ফাকুৱাৰ দিনা শিশুসকলে ৰাধা-কৃষ্ণৰ মূৰ্তিক ভ্ৰমণ কৰায়। সভা মহোৎসৱতো মণিকূটৰ থাপনা পৰিভ্ৰমণ কৰোৱা হয়।

শ্ৰীশ্ৰীজগন্নাথদেৱৰ স্নান আৰু ৰথ যাত্ৰা

প্ৰতি বছৰ অসম আৰু মণিপুৰত পুৰীৰ জগন্নাথ মন্দিৰত আয়োজিত জগন্নাথৰ স্নান যাত্ৰা আৰু ৰথ যাত্ৰা উৎসৱ আড়ম্বৰপূৰ্ণভাৱে পালন কৰা হয়। আহাৰ মাহৰ পূৰ্ণিমা তিথিত জগন্নাথদেৱৰ স্নান যাত্ৰা আৰু একে মাহৰ শুক্লা দ্বিতীয়া তিথিত জগন্নাথদেৱৰ ৰথ যাত্ৰা উৎসৱৰ আয়োজন কৰা হয়। অসম আৰু মণিপুৰত আয়োজিত জগন্নাথৰ উপৰোক্ত উৎসৱৰ সেয়ে পুৰীৰ উৎসৱৰ প্ৰেক্ষাপটত আলোচনাৰ প্ৰয়োজন আছে। জগন্নাথদেৱৰ মন্দিৰৰ দৈনন্দিন এই কাৰ্যসূচী অতি চমৎকাৰ ঃ

জগন্নাথৰ প্ৰাতঃ বন্দনা সমাপন কৰি মন্দিৰ কক্ষ ধূপ-ধুনাৰে প্ৰজ্বলিত কৰি সুগন্ধিত কৰি তোলা হয়। বন্দনাৰ পাছত মহাপ্ৰভুৰ বস্ত্ৰ পৰিবৰ্তন। ৰাতিৰ সাজ সলাই নতুন সাজ পিন্ধাই দিয়া হয়। তাৰ পাছত হাত-মুখ ধুবৰ কাৰণে এটি পিতলৰ চৰিয়া ৰখা হয়। নতুন গামোচাৰে মুখ-হাত মচি দিয়াৰ পাছত পিতলৰ দাপোণত ভগৱানক মুখ চাবলৈ দিয়া হয়। ইয়াৰ পাছতে আছে প্ৰাতঃস্নান। প্ৰাতঃস্নানৰ সময়ত দুজন বৃদ্ধ পাণ্ডাৰ বাহিৰে আন সকলো বাহিৰলৈ যায়। স্নানৰ পাছতে ভগৱানক চন্দন লেপন দি নতুন বেশভূষাৰে বিভূষিত কৰা হয়। লগতে অলংকাৰো পৰিধান কৰোৱা হয়। তাৰ পাছতে ভোগ নিবেদন কৰা হয়। পুৱাৰ ভোগক বোলে 'বালভোগ'। ৯ বজাৰ ভোগক 'ৰাজভোগ' বোলে। ১১ বজাত কৰা হয় 'বেশ পৰিবৰ্তন'। এই সময়ত জগন্নাথে গলত হীৰাৰ সাতসৰীৰ পৰিবৰ্তে সোণৰ অলংকাৰ আৰু মুক্তাৰ মালা পৰিধান কৰে। শিৰত হীৰা খটোৱা মুকুট জিলিকি থাকে। ১১ বজাৰ পৰা এক বজালৈ জগন্নাথ থাকে ৰাজবেশত। এই সময়ত মন্দিৰ কক্ষৰ গৰুড় স্তম্ভৰ ওপৰত শ শ বন্তি জ্বলোৱা হয়। তাৰ পাছত পাণ্ডাসকলে দুপৰীয়াৰ আহাৰ তৈয়াৰ কৰি আগবঢ়ায়। মচি পবিত্ৰ কৰা মণ্ডপত ৩৭ ব্যঞ্জনেৰে তৈয়াৰী ভোগ আগবঢ়ায়। এক বজাৰ অলপ আগতে জগন্নাথক হস্তী-দাঁতৰ দ্বাৰা তৈয়াৰী এখন পালেং বিশ্ৰামৰ বাবে আগবঢ়ায়। এক বজাৰ লগে লগে মন্দিৰৰ সকলো কপাট বন্ধ কৰা হয়। তিনি বজাত বন্ধকপাট খোলা হয়। জগন্নাথক নতুন বস্ত্ৰ পৰিধান কৰাই ফল-মূলৰ ভোগ আগবঢ়োৱা হয়। সন্ধিয়া মন্দিৰ কক্ষ অসংখ্য বন্তি প্ৰজ্বলনেৰে আলোকিত কৰি তোলা হয়। এই সময়তো জগন্নাথক নতুনকৈ বেশভূষা কৰোৱা হয়। ৰাতিৰ আহাৰ হিচাপে পানী দিয়া ভাত আৰু বাৰ বিধ মিঠাই আগবঢ়োৱা হয়। তাৰ পাছত দেৱদাসীসকলে

চামৰ বিচনীৰে বিচি জগন্নাথক জুৰ বতাহ দিয়ে। শেষত নৃত্য কৰি জগন্নাথক ওলাই ওলাই আহে দেৱদাসী।

জগন্নাথৰ ৰথ যাত্ৰা উৎসৱ কেইটামান কাহিনীৰ লগত সম্পৰ্কযুক্ত। তাৰে এটা হ'ল দ্বাৰকাত সুভদ্ৰাই পুৰী (নগৰ) চাবৰ কাৰণে ইচ্ছা কৰে। তাকে শুনি বলোভদ্ৰ আৰু জগন্নাথে তিনিখন ৰথ সজাই-পৰাই তুলিলে। মাজত সুভদ্ৰাক লৈ বলোভদ্ৰ আৰু পাছত জগন্নাথে ৰথ যাত্ৰা কৰে। সেই কথা স্মৰণ কৰি আজিও ৰথ যাত্ৰাৰ দিনা আগত বলোভদ্ৰ, মাজত সুভদ্ৰা, শেষত জগন্নাথে ৰথ যাত্ৰা কৰে।

দেবেন্দ্ৰনাথ বৰাই লিখা গ্ৰন্থ 'দেৱভূমি ভাৰত'ত আছে ঃ 'ৰথ যাত্ৰাৰ আগৰ উৎসৱ হৈছে জগন্নাথৰ স্নান যাত্ৰা। স্নান যাত্ৰাৰ সময়ত শ্ৰীশ্ৰীজগন্নাথক নৰেন্দ্ৰ সৰোবৰৰ মাজৰ এটা দ্বীপত থকা ক্ষুদ্ৰ মন্দিৰত অলপ সময়ৰ কাৰণে অৱস্থান কৰায়। শ্ৰীশ্ৰী জগন্নাথক স্নান কৰোৱাৰ ফলত দাৰু দেহৰ জগন্নাথৰ বৰ্ণ বিকৃত হোৱাটো স্বাভাৱিক। প্ৰত্যেক বছৰে স্নান যাত্ৰাৰ পাছত জগন্নাথৰ অংগৰাগ নতুনকৈ কৰাৰ প্ৰয়োজন হৈ পৰে। অংগৰাগৰ কাৰণে তিনি দিন ধৰি জগন্নাথৰ মন্দিৰৰ দুৱাৰ বন্ধ কৰি ৰখা হয়। এই তিনি দিনত মন্দিৰ দৰ্শন নিষেধ। তিনি দিনৰ দিনা পুৱাবেলাতে অংগৰাগ কাৰ্য সম্পূৰ্ণ হ'ব লাগে। জগন্নাথৰ চকুত অংগৰাগ কৰাৰ পাছতে অংগৰাগ অনুষ্ঠান সমাপ্ত হয়।' ইয়াৰ পাছত জগন্নাথ, বলোভদ্ৰ আৰু সুভদ্ৰাৰ ৰথ তিনিখন নিৰ্মাণ কৰা হয়। তিনিখন ৰথ যাত্ৰা উপলক্ষে বিশ্বকৰ্মা মণ্ডপত প্ৰত্যেক বছৰে নতুনকৈ নিৰ্মাণ কৰা হয়। ইয়াৰ নিৰ্মাণ কাৰ্য ব'হাগ মাহৰ শুক্লপক্ষ তৃতীয়াৰ দিনা মাংগলিক অনুষ্ঠানৰ দ্বাৰা আৰম্ভ কৰা হয়। শ্ৰীশ্ৰীজগন্নাথৰ ৰথৰ উচ্চতা ২৩ হাত, বলোভদ্ৰ বা বলোৰামৰ ৰথৰ উচ্চতা ২২ হাত, সুভদ্ৰা ৰথৰ উচ্চতা ২১ হাত। শ্ৰীশ্ৰীজগন্নাথৰ ৰথৰ চকা ১৬ টা, বলোৰামৰ ৰথৰ চকা ১৪ টা, সুভদ্ৰাৰ ৰথৰ চকা ১২ টা। শ্ৰীশ্ৰীজগন্নাথৰ ৰথৰ চকাৰ ব্যাস ৫ হাত, বলোৰামৰ চকাৰ ব্যাস ৪.৫ হাত, সুভদ্ৰাৰ ৰথৰ চকাৰ ব্যাস ৪ হাত। জগন্নাথৰ ৰথক তালধ্বজ, বলোৰামৰ ৰথক বোলে নান্দীঘোষ, সুভদ্ৰাৰ ৰথক পদ্মধ্বজ ৰথ বোলে।

জগন্নাথ মন্দিৰৰ ভিতৰত বাদ্যকাৰসকলে খোল, তাল বজাই পদ গাই নৃত্য কৰে। জগন্নাথ, বলোভদ্ৰ আৰু সুভদ্ৰাক চন্দনৰ ঘূৰণীয়া আসনত বহুৱায়। গাওঁসকলে নৃত্য কৰি ঘূৰণীয়া কাপোৰৰ আসন, চামৰ, বিচনী, পাৰু, কিৰীটি আদি তিনিওখন ৰথৰ কাৰণে পঠায়। প্ৰথমতে সুভদ্ৰাক ৰথলৈ নিয়ে। বাদ্যকাৰসকলে কালীয়া আৰু সানাই বজায়, শংখধ্বনি, উৰুলিৰ বোল উঠে। সুভদ্ৰাৰ পাছত বলোভদ্ৰক ৰথলৈ নিয়ে। শেষত শ্ৰীশ্ৰীজগন্নাথক ৰথলৈ নিয়ে। নানা বাদ্যৰ মাজত জয়ধ্বনি, উৰুলিৰ

মাজত এই কাৰ্য সমাধা হয়। আয়তীসকলে বন্তি জ্বলাই জগন্নাথৰ উদ্দেশ্যে আৰতি কৰে। মানুহে জগন্নাথৰ ৰথলৈ আম, কঁঠাল আদি বতৰৰ ফল নিয়ে। বকুলৰ মালা আৰু মিঠায়ো আগবঢ়ায়। শুভলগ্ন আৰু শুভমুহূৰ্তত শাস্ত্ৰীয় বিধানেৰে তিনিখন ৰথত তিনিখন ধ্বজা লগাই দিয়ে। জগন্নাথৰ ৰথত গৰুড় পক্ষীৰ ধ্বজা, সুভদ্ৰাৰ ৰথত পদ্মৰ প্ৰতীক আৰু বলোৰামৰ ৰথত মুষলৰ ধ্বজা উৰোৱা হয়। নানা কাৰুকাৰ্যৰে ৰথ তিনিখন সুশোভিত কৰা হয়।

তিনিডাল শকত নাৰিকলৰ ৰচি (ৰজ্জু) তিনিওখন ৰথত বান্ধি দিয়ে। জগন্নাথৰ ৰজ্জুৰ দৈৰ্ঘ্য ৩০০ ফুট, বলোৰামৰ ৰজ্জু ২৭৫ ফুট আৰু সুভদ্ৰাৰ ৰজ্জু ২৫০ ফুট। ৰথকেইখনৰ ৰজ্জু টানিবৰ কাৰণে নিয়োগ কৰাসকলক উড়িয়া ভাষাত বেঠীয়া বোলে। শ্ৰীশ্ৰীজগন্নাথৰ ৰথৰ ক্ষেত্ৰত ১৬০০ বেঠীয়া, বলোৰামৰ ৰথত ১৪০০ বেঠীয়া আৰু সুভদ্ৰা ৰথত ১২০০ বেঠীয়া নিয়োগ কৰা হয়। কাঠৰ ঘোঁৰা ৰথৰ লগত সংলগ্ন কৰা হয়। ৰজাৰ বংশৰ এজন লোকে ৰথ সাৰি পৰিষ্কাৰ কৰি সুগন্ধি জলেৰে পানী ছটিয়াই ৰথ পৰিষ্কাৰ কৰে। ৰথ টনাৰ কাৰণে হাতীৰ আৱশ্যক হ'ব বুলি ভাবি সিংহ দুৱাৰৰ সম্মুখত কেইটামান হাতীও ৰখা হয়। ৰথ যাত্ৰাৰ আৰম্ভ হোৱাৰ লগে লগে চৈতন্যপন্থী বৈষ্ণৱসকলে খোল, তাল বজাই নৃত্য কৰি হৰি কীৰ্তন কৰিবলৈ ধৰে। তিনিওখন ৰথ গুণ্ডিচা গৃহৰ ফালে অগ্ৰসৰ হয়। এই সময়ত ৰাস্তাৰ দুয়োকাষে থকা প্ৰতিঘৰ মানুহে প্ৰদীপ জ্বলাই প্ৰাৰ্থনা কৰে। ভক্তসকলে ৰথলৈ নাৰিকল, ফল-মূল, নৈবেদ্য আগবঢ়ায়। পাণ্ডাসকলে সেইবোৰ দৰ্শকৰ মাজলৈ দলিয়াই দিয়ে।

শ্ৰীধৰ কন্দলীয়ে কীৰ্তন পুথিত উল্লেখ কৰা মতে ঘুনুচা হ'ল গুণ্ডিচা। উৰীয়াসকলৰ মতে গুণ্ডিচা জগন্নাথৰ মাহীয়েক। লৌকিক প্ৰবাদ মতে গুণ্ডিচা দেৱী ইন্দ্ৰদ্যুম্নৰ ৰাণী। আয়তীসকলে 'মাসী ঘৰ'ৰ ভোগ নিবেদন কৰাৰ পাছত পুনৰ ৰথ চলিবলৈ ধৰে। গুণ্ডিচা বাৰীৰ ওচৰ পোৱাৰ লগে লগে উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি হয়। জগন্নাথ মহাপ্ৰভুৱে নানা বিলাসৰ মাজেৰে সাত দিন থাকি নিজৰ মন্দিৰলৈ উভতি আহে। জগন্নাথৰ প্ৰত্যাগমন উৎসৱক 'উল্টা ৰথ উৎসৱ বোলে।' উল্টা ৰথ উৎসৱত ৰথ টনাৰ অধিকাৰ 'সাত পাকা' নামৰ এখন গাঁৱৰ ওপৰত ন্যস্ত কৰা হৈছে। আহাৰ মাহৰ শুক্লা নৱমীৰ দিনা জগন্নাথ মন্দিৰলৈ উভতি অহা যাত্ৰাক উড়িয়া ভাষাত 'বাহুৰা যাত্ৰা' বুলি কয়। উল্টা ৰথৰ দিনা এক কৌতুক অভিনয় কৰি জগন্নাথক মন্দিৰত ৰাখে।

ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে 'সূৰ্য' গ্ৰন্থত লিখিছে : 'জগন্নাথে ৰথ যাত্ৰা কৰি

গুণ্ডিচা মন্দিৰত কেইদিনমান থাকি পুনৰ নিজৰ ক্ষেত্ৰলৈ উভতি আহে। সূৰ্যই প্ৰতিদিনে অস্তাচলত যাত্ৰা কৰি ৰাতিটো থাকি পিছদিনা নিজ ক্ষেত্ৰত উদয় হয়। পুৰীৰ জগন্নাথ মন্দিৰৰ লগত অসমৰো সম্পৰ্ক আছে। এই সম্পৰ্কে ধৰ্মদত্ত শৰ্মাই তেওঁৰ 'দখিণাৱৰী' গ্ৰন্থত লিখিছে ঃ 'যোগিনীতন্ত্ৰ'ত উল্লেখ কৰা মতে শ্বেত দ্বীপৰ পৰা উটি অহা অলৌকিক বৃক্ষ সাত খণ্ডত খণ্ডিত হৈছিল। গা-গছ খণ্ডেৰে বিশ্বকৰ্মাই জগন্নাথ মহাপ্ৰভুৰ ত্ৰিমূৰ্তি নিৰ্মাণ কৰিছিল। তাৰে দুভাগ বৰুণদেৱে পূৰ্বদেশলৈ আনি এক খণ্ডেৰে হয়গ্ৰীৱ মাধৱৰ মূৰ্তি নিৰ্মাণ কৰি কামৰূপৰে মণিকূট পৰ্বতত স্থাপন কৰে। অৱশিষ্ট অংশেৰে কুবেৰদেৱে পূৰ্ব দেশৰ ঈশান কোণত (দৰঙত) নন্দীশ নামে ভগৱানৰ মূৰ্তি স্থাপন কৰে। ইয়েই 'মৎস্যাঙ্ক মাধৱ' নামেৰে প্ৰসিদ্ধ।' পুৰীৰ জগন্নাথ মন্দিৰ আৰু উৎসৱৰ লগত অসমৰ উপৰোক্ত দুই মন্দিৰ আৰু উৎসৱৰ সম্পৰ্ক গুৰুত্বপূৰ্ণ।

গন্ধিয়াৰ মনসা পূজা

ভাৰতৰ সৰ্বত্ৰে পূজিত দেৱী মনসা নলবাৰী জিলাৰ গন্ধিয়া গাঁৱতো আড়ম্বৰপূৰ্ণভাৱে পূজিত হয় প্ৰতি বছৰ চ'ত মাহৰ শুক্লা চতুৰ্থী, পঞ্চমী আৰু ষষ্ঠী তিথিত। মাৰেকা মনসা পূজাৰ বাবে বাৰিষাকাল প্ৰশস্ত—'পূজা বিষহৰি এক চিত্ত কৰি শতদল কমল ফুলে/মাটিত ভাড়ি সিজুৰ ডালি পুজে বাৰিষাৰ কালে//' বাৰিষা কালৰ ভিতৰতো আকৌ ভাদ মাহৰ সংক্ৰান্তিৰ মাজৰ কালছোৱাৰ পঞ্চমী তিথি দুটাত পদ্মাৰ পূজা কৰা অতিকে প্ৰশস্ত। এই সন্দৰ্ভত কবি দুৰ্গাবৰে উল্লেখ কৰিছে ঃ 'বৰিষেক অন্তৰে বাৰিষা সময়ত//চাৰি দিন পুজিবেক শ্ৰাৱণ মাসত/দুই সংক্ৰান্তিৰ দুই পঞ্চমী তিথিত//' সুকবি নাৰায়ণদেৱৰ পদ্ম-পুৰাণ মতে, বাৰিষা কালৰ ভিতৰতো কৃষ্ণা পঞ্চমী তিথি অৰ্থাৎ নাগপঞ্চমী মনসা পূজাৰ বাবে সৰ্বোত্তম ঃ 'কৃষ্ণ পঞ্চমী তিথি শ্ৰাৱণ মাসত। পদ্মাক পূজেই ঘৰে ঘৰে সেই দিৱসত//' এনে তাৎপৰ্যতে হয়তো গন্ধিয়াতো বাৰিষাৰ প্ৰাক্‌মুহূৰ্তত এই পূজা কৰা হয়। চ'ত মাহত নানা ৰোগৰ প্ৰভাৱ মানুহৰ মাজত বৃদ্ধি পায়। সেয়ে হয়তো ৰোগ নিবাৰণৰ বাবে দেৱী মাৰে বা মনসাক পূজা কৰি জনকল্যাণ কামনা কৰা হয়।

মনসা শব্দটোৰ তাৎপৰ্য সম্পৰ্কত বিভিন্ন মত পোৱা যায়। 'অসমীয়া লোক-সংস্কৃতিৰ আভাস্' গ্ৰন্থত আছে ঃ 'কোনো কোনো পণ্ডিতৰ মতে 'মনসা' নামটো দ্ৰাবিড়ীয় ভাষাসম্ভূত। সায়নৰ মতে, পুংলিঙ্গ বাচক মানস পদটো 'ঋগ্বেদ'ত সন্নিৱিষ্ট হৈছে। 'মনসা'পদটো চন্দ্ৰ গোমনেও উল্লেখ কৰিছে প্ৰবচনৰূপে 'মনসো-নাম্নি। পাণিনিৰ অষ্টাধ্যায়ী'তো 'মনসা' পদটোৰ উল্লেখ পোৱা যায় ঃ 'মনসো সমজ্ঞায়াম্'। বৌদ্ধ সাহিত্যতো মনসাৰ আন এটি আভাস পোৱা যায় ঃ 'তেওঁ বিষনাশক দেৱী'। যেনে ঃ অমলে বিমলে নিৰ্মলে মনসে মহামনসে অচ্যুতে অদ্ভুতে মুক্তে জীৱতে ৰক্ষ স্বাতিং সৰ্বোপদ্ৰবেভ্যঃ স্বাহা'। 'মহামনস' পদটো বিজয়ী দেৱতাসকলৰ বিশেষণৰূপে প্ৰয়োগ কৰা হৈছে ঋগ্বেদত। 'মনস'পদৰ লগত 'মনসা' শব্দ সম্বন্ধযুক্ত। এই 'মনস' পদৰ অৰ্থ মন। গতিকে 'কৌশিক সূত্ৰ'ত উল্লেখ থকা মনাই দেৱীৰ লগতো 'মনসা'ৰ সম্বন্ধ দেখুৱাব পাৰি। 'মনসা সৃষ্টাদেৱী' বুলিয়েই তেওঁ মনসা দেৱী। দেৱী ভাগৱতত মনসা কাশ্যপ ঋষিৰ মানসকন্যা। 'ব্ৰহ্মবৈবৰ্ত পুৰাণ'ত মনসা শিৱৰ শিষ্যা আৰু কৃষ্ণভক্তা। আনহাতে, 'লোক-কথা বৃত্ত' আৰু 'পদ্মাপুৰাণ'ত মনসা শিৱৰ বীৰ্যসম্ভূত

কন্যা। মনকৰৰ মতে, সতাই মাৰক দংশন কৰাৰ বাবেহে দেৱীগৰাকীৰ নাম 'মনসা-মাৰক দংকিয়া হৈলা মনসাই নাম'।

মনসা দেৱীক পদ্মাৱতী নামেৰেও জনা যায়। সৰোবৰত ৰাজহংসৰ ক্ৰিয়া দেখি শিৱৰ মন বিচলিত হৈ উঠাৰ লগে লগে তেওঁৰ ৰেতঃপাত হয়। তেতিয়া মহাদেৱে সেই ৰেতঃ পদ্মপত্ৰত স্থাপন কৰে আৰু পদ্ম ফুলৰ নলাৰে গৈ সেয়া পাতালপুৰত প্ৰৱেশ কৰি জন্ম হয় পদ্মাৱতীৰ। সুকবি নাৰায়ণদেৱৰ মতে, পদ্মপত্ৰত জন্ম হোৱা দেৱীগৰাকীৰ নাম 'পদ্মাৱতী'। পদ্মাদেৱী ধৰ্ম দেৱতাৰ অৱতাৰবিশেষ। মনসাক 'বিষহৰী'ও বোলে। তেওঁ নাগৰ অধিষ্ঠাত্ৰী দেৱী আৰু 'বিষ হৰণকাৰী'। 'মহাভাৰত'ত 'বিষহৰীক 'আস্তিকমাতা' ৰূপে আখ্যা দিয়া দেখা যায়। 'মনসা'ক জাগুলী আৰু জাংগুলী দেৱীৰো আখ্যা দিয়া হৈছে। 'অথৰ্ববেদ'ত তেওঁ কিৰাত বালিকা। বৈদিক দেৱী ব্ৰাহ্মণীৰ (সৰস্বতী) লগতো মনসাৰ সম্পৰ্ক দেখা যায়। মনসা পূজা বংগ দেশৰ পৰা আহি অসমত প্ৰৱেশ কৰে বুলি শুনা যায়। ড° বিৰিঞ্চিকুমাৰ বৰুৱা আৰু ড° সতেন্দ্ৰনাথ শৰ্মা সম্পাদিত 'মনসা কাব্য' (প্ৰথম খণ্ড) গ্ৰন্থত আছে : 'বংগ দেশৰ মনসা পূজা সম্পৰ্কে আলোচনা কৰা পণ্ডিতমণ্ডলীয়ে মনসা শব্দটোৰ ব্যাখ্যা পুৰাণে যিয়েই নিদিয়ক ই মূলতঃ সংস্কৃত শব্দ নহয় বুলি ক'ব খোজে। ই নামবাচক অনাৰ্য শব্দৰ সংস্কৃত ৰূপ। তেওঁলোকৰ মতে, 'মনসা' শব্দটো দ্ৰাবিড়ী 'মঞ্চম্মা' শব্দৰ ৰূপান্তৰ। দাক্ষিণাত্যত মঞ্চম্মা, মুদাম্মা আদি বিভিন্ন নামেৰে বিভিন্ন ঠাইত সৰ্পদেৱীৰ পূজা হয়।' অসমত মনসা পূজাক 'মাৰৈ পূজা', 'মাৰে পূজা' বোলে। বিশেষজ্ঞসকলে অসমত খ্ৰীষ্টীয় নৱম-দশম শতিকাৰ পূৰ্বৰে পৰা মনসা পূজাৰ পৰম্পৰাৰ প্ৰচলন আছিল বুলি ঠাৱৰ কৰিছে।

ৰাজহুৱা মাৰৈ পূজা বা মনসা পূজা ৰাজহুৱা মন্দিৰত আৰু অস্থায়ীকৈ নিৰ্মাণ কৰা মন্দিৰত আড়ম্বৰপূৰ্ণভাৱে পালন কৰা হয়। ৰাজহুৱা আৰু ব্যক্তিগতভাৱে হোৱা মনসা পূজা আগৰ দিনত মজুকত কৰা হৈছিল। 'মজুক তলৰ পৰা ওপৰলৈ ক্ৰমে সৰু সৰু তিনিটা বা ততোধিক ঠাক আৰু ওপৰৰ আগটো একেবাৰে জোঙা শিল্পী সুদক্ষতাৰে পৰিপূৰ্ণ কাগজ আৰু কুঁহিয়ালাৰ দ্বাৰা নিৰ্মিত এটা বিশেষ দেখনিয়াৰ বস্তু। ইয়াৰ ঠাকবিলাকৰ সন্মুখৰ ফালে পদ্মাৱতীৰ ছবি আৰু বাকী তিনি ফালত চান্দপৰ্বৰ কাহিনীৰ লগত সংশ্লিষ্ট নেতা, শিৱ, চান্দ, বেউলা, লখিন্দাৰ আদি চৰিত্ৰ আৰু নানা বিধ সৰ্প যথাযোগ্য স্থানত সুন্দৰভাৱে অংকন কৰা হয়। নানা কাৰুকাৰ্যৰ ওপৰত নানা বিধ ৰঙেৰে সমুজ্জ্বল, নানা চিত্ৰ-বৈচিত্ৰ্যৰে এই মজুক বিশেষ দৰ্শনীয় হোৱাৰ উপৰি সমগ্ৰ কাহিনীৰ সচিত্ৰ ৰূপায়ণ। এদিনীয়া পূজাত মজুক বা প্ৰতিমাৰ 'প্ৰয়োজন নাই

কাৰণে তিনি ঠাকযুক্ত মজুকেই অধিক সৰু।' এনে ধৰণে মজুক সাজি পূজা কৰা ব্যৱস্থা প্ৰচলিত আছে নলবাৰী জিলাৰ নদলা গাঁৱত হোৱা চৌ পূজাত। বড়োসকলে এবিধ খেৰাইতো মজু সাজি পূজা কৰে। আকৌ ভঠেলিতো মজু সাজি পানীত উটুৱাই দিয়া হয়।

মনসা পূজা কি পদ্ধতিৰে কৰিব লাগে তাৰ বিধান 'পদ্মপুৰাণ' ৰচয়িতা সুকবি নাৰায়ণদেৱে দিছে এনেদৰে ঃ বাৰিষা কালত থাপনা পাতি অৰ্থাৎ বেদী নিৰ্মাণ কৰি মণ্ডপ স্থাপন কৰি বেদীত ঘট প্ৰতিষ্ঠা কৰিব লাগে। মণ্ডপৰ চৌদিশে চৌডাল কলপুলি পুতি তাৰ ওপৰত চাৰিওকাষে হাৰুৱা চচুৱাৰ প্ৰযুক্ত চন্দ্ৰতাপ আঁৰি ধূপ-দীপ-নৈবেদ্য, ফল-পুষ্প-চন্দন-দধি-দুগ্ধ, ঘৃত-মধুফল, বিল্বফল আদি উপহাৰ আগৰঢ়ায়। মচুৰ দালি, তিল, তুলসী এশ আঠটা পদুম ফুল অতিকে প্ৰয়োজনীয়। পূজাৰী মাৰিয়া, মাৰিয়ানী আদিৰ বাবে উপবাস অপৰিহাৰ্য। আকৌ মঙলদৈ অঞ্চলত প্ৰচলিত মনসা দেৱীৰ গীতত মনসাক কেনেকৈ পূজিব লাগে তাৰ উল্লেখ পোৱা যায়।

মাৰে বা মনসা পূজা আৰম্ভ হোৱাৰ প্ৰথম দিনা অধিবাস হয় আৰু সাধাৰণতে ডেৰপৰ বেলাত (প্ৰায় ১০ বজাত) মনসা পূজা আৰম্ভ কৰি মধ্যাহ্ন সময়ত (প্ৰায় ১ বজাত) পূজা শেষ কৰিব লাগে। নানা উপচাৰ-নৈবেদ্য, বলি-বিধানেৰে সম্পন্ন হোৱা মনসা পূজাৰ শেষৰ দিনা দেৱীক বিসৰ্জন দিয়া হয়। সুকবি নাৰায়ণদেৱ বিৰচিত চান্দ মনসাৰ সমগ্ৰ আখ্যানটো ওজাপালিৰ এই পূজাত আদ্যোপান্ত গাব লাগে। ছয়গাঁৱৰ মেৰঘৰক (অৱশিষ্ট) লৈ চান্দৰ দ্বাৰা মনসাই পূজা লাভৰ পিছত মৰ্ত্য ধামত পূজা প্ৰচলনৰ যি স্মৃতি বিজড়িত কাহিনী সেয়া মনসা পূজাত ওজাপালিয়ে গোৱাটো বাধ্যতামূলক।

অসমৰ মনসা পূজাৰ লগত ধৰ্ম দেৱতাৰ একপ্ৰকাৰ পূজাও কৰা হয়। ধৰ্ম দেৱতাৰ নামত এযোৰ বগা পাৰ উছৰ্গা কৰা হয় আৰু এৰি দিয়া হয়। কামৰূপৰ মনসা পূজাৰ লগত ধৰ্ম পূজা লৌকিকভাৱে জড়িত। ওজাপালিৰ লগত দেওধাৰ নাচ আৰম্ভ হোৱাৰ লগে লগে ধৰ্মৰ ঘটটো বাইজৰ আগত নি থোৱা হয়। নাচি থকা সময়ত দেওধানী বা দেওধাই অলৌকিক শক্তিৰ দ্বাৰা চালিত হৈ হঠাতে এই ঘটৰ ওপৰত জাঁপ মাৰি উঠে। ওজাপালিৰ ওজাজনে লগে লগে আগবাঢ়ি গৈ তেওঁৰ কাৰত থিয় দিয়ে আৰু দেওধাই তেওঁৰ কাণত বাইজ আৰু গৃহস্থৰ মংগলসূচক কথাবোৰ কয়।

মনসা পূজাত সিজু গছৰ ডাল বিশেষভাৱে প্ৰয়োজনীয়। সিজুৰ ডালত মনসা

দেৱীৰ নিবাস বুলি বিশ্বাস কৰা হয়। বঙালী মঙ্গল কাব্যত মনসা দেৱীৰ সিজুৰা পাতত নিবাস বুলি বৰ্ণনা আছে। কবি মনকৰে এঠাইত লিখিছে ঃ পূজে বিষহৰী এক চিত্ত কৰি শতদল কমল পুলে/মাটিৰ ভাড়ি সিজুৰ ডালি পূজে বাৰিষাৰ কালে//' ড° নবীনচন্দ্ৰ শৰ্মাই লিখিছে ঃ 'অসমৰ মনসা পূজাত মনসা দেৱীৰ কাষতে তুলসী আৰু সিজুৰ ডাল দুটি ওচৰা-উচৰিকৈ পোতা হয়। গছ আৰু সাপ উভয়ে প্ৰজনন কৃত্যৰ লগত সম্পৰ্কযুক্ত। বড়ো-কছাৰী সংস্কৃতিত সিজু আৰু বাথৌৰ মাজত নিবিড় সম্পৰ্ক আছে। প্ৰজনন কৃত্যৰ প্ৰতীকাত্মক প্ৰকাশ প্ৰৱণতাৰ লগত সিজু-মনস-বাথৌ জড়িত।' মনসা পূজাত মনসাৰ অনুচৰ অষ্ট নাগকো পূজা-উপসনা আগবঢ়াব লাগে—'দিহাঃ অ নাগ' পূজা লৌতে নাগিনী সংগে লৈয়া/অষ্ট নাগ পূজা লৌ মণ্ডপে বসিয়া//' পদ—'অষ্ট নাগক পূজা কৰা সহস্ৰ যে ফেণা/কৃতাঞ্জলি কৰি পূজা নাগ যত জানা//...

তান্ত্ৰিক জাংগুলীৰ লগত মনসা দেৱীৰ সম্পৰ্কৰ কথা বংগ দেশত প্ৰচলিত মনসা দেৱীৰ নিম্নোক্ত ধ্যানটোৰ পৰা ওলাই পৰে ঃ 'কান্ত্যা কাঞ্চন সন্নিভাং সুবাদনং পদ্মাননাং শোভনাং/নাগেন্দ্ৰৈঃ কৃতভোৰাং ফণীময়ী দিব্যাংগ ৰাগান্বিতাং//চাৰ্বংগীং দধতীং প্ৰসাদমভয়ং নিত্যং কৰাভ্যাং মুদা/বন্দে শংকৰপুত্ৰিকাং। বিষহৰীং পদ্মোদ্ভবাং জাংগুলীং//' আকৌ মনসা দেৱীৰ কিছু সাদৃশ্য সৰস্বতী দেৱীৰ লগত থকাটো অসমীয়া মনসা পূজা বিধিৰ পৰা হুবহু উদ্ধৃত কৰি দিয়া তলত মনসা দেৱীৰ ধ্যান আৰু স্তুতিটোৱে নিৰ্দেশ কৰে ঃ 'ওঁ পদ্মাৱতীং মহাভাগং সৰ্বদা ভক্ত বৎসলাং/ত্ৰিলোচনাং চতুৰ্বাহু কিৰিটি কুণ্ডলান্বিতাং//দেৱী বিষহৰীং গৌৰী নন্দী নাগধৎ ৰুচাং/তক্ষকানন্ত বাসুকী মুকুট চন্দ্ৰ শেখৰাং//....' কিয়দংশে উল্লিখিত এই ধ্যানৰ সম্পূৰ্ণ ৰূপত আৰু স্তুতিত মনসা দেৱীৰ লক্ষণসমূহ ফহিয়াই চালে দেৱীজনা হংসবাহনস্থা, গৌৰবৰ্ণা আৰু বিষহৰী। এই তিনিওটা বিশেষণ বৈদিক সৰস্বতীৰ ক্ষেত্ৰতো দেখা যায়।

মনসা পূজাত অষ্টনাগ, গণেশ, নাৰায়ণ, মহেশ্বৰ, চন্দ্ৰ, সূৰ্য, বাৰক্ষেত্ৰ, কূৰ্ম, বসুমতী, গংগা, দুৰ্গা, লক্ষ্মী, সৰস্বতী, শুবচনী, নেতা, বুঢ়াগোসাঁই, কাৰ্তিক থানৰ দেৱতা, ভৈৰৱী, মাধৱ, জগন্নাথ, কুবিৰ, জলকোঁৱৰ, থানোৱাল, বিদ্যাধৰ, গন্ধৰ্ব, কিন্নৰ, শীতলা, মনাইদেউ, চণ্ডিকা আদিকো পূজা কৰা হয়।

মনসা পূজাক এক সম্প্ৰীতিৰ উৎসৱ বুলিব পাৰি; কিয়নো এই পূজা হিন্দু-মুছলমান উভয়ে কৰে। নলবাৰী জিলাৰ এটা ওজাপালিৰ দলৰ ওজা বনমালী বৈশ্যই আমাক এবাৰ মনসা পূজা সম্পৰ্কত কৈছিল ঃ 'মনসা পূজা প্ৰথমতে হাছান-হুছৈন নামৰ দুজন মুছলমান ভাই-ককায়ে কৰিছিল। আমি মনসা পূজাত বাইজৰ অনুৰোধ

মৰ্মে এই কাহিনীভাগো ওজাপালি ৰূপে গাওঁ।' বংগ দেশৰ মুছলমানসকলে মনসা পূজা কৰিছিল। পশ্চিম নলবাৰী অঞ্চলৰ এঠাইত এঘৰত মুছলমান পৰিয়ালত মনসা পূজাৰ এখন বলিকটা দা আছে বুলি এজন লোকে এবাৰ আমাক কৈছিল। ড° বিৰিঞ্চি কুমাৰ বৰুৱা আৰু ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে জয়জয়তে মাৰিয়া বা মৰিয়াসকলে মনসা পূজা কৰিছিল। নলবাৰী জিলাৰ গজিয়া গাঁৱৰ মনসা মন্দিৰত প্ৰতি বছৰ ওজাপালি, দেওধনী নাচ, সংকীৰ্তন দল আদিৰ দ্বাৰা অনুষ্ঠান পৰিবেশনেৰে মনসা পূজা অনুষ্ঠিত হয়। এই মন্দিৰ অতি প্ৰাচীন আৰু ইয়াৰ দেৱী মাহাত্ম্য অপৰিসীম।

যাত্ৰাভিনয়

অসমত নাট্য আন্দোলন সৃষ্টিত যাত্ৰাভিনয়ৰ ভূমিকা গুৰুত্বপূৰ্ণ। যাত্ৰাভিনয়ক ঠাই বিশেষে পালা ভাওনা, পালা, খোলা পাৰ্টি নামেৰেও জনা যায়। ভ্ৰাম্যমাণ থিয়েটাৰ অভিনয় কলাই অসমত প্ৰসাৰতা লাভ কৰাৰ আগতে যাত্ৰাভিনয় অতি জনপ্ৰিয় অভিনয় কলা আছিল। এতিয়াও এইবিধ অভিনয় কলাৰ জনপ্ৰিয়তা কমা নাই। যাত্ৰাভিনয়ৰ প্ৰসংগৰ পাতনিতে প্ৰাচীন ভাৰতীয় অভিনয়ৰ কলাৰ ওপৰত আলোকপাতৰ প্ৰয়োজন আছে।

প্ৰাচীন ভাৰতীয় কলা : মুনীন্দ্ৰ কুমাৰ ডেকাই লিখিছে : 'সুদূৰ অতীতত কেতিয়া বা ক'ত অভিনয় কলাই পাতনি মেলিছিল তাক খাটাংকৈ কোৱা টান। প্ৰাচীন গ্ৰীচ দেশত অভিনয় কলাই জনম লভিছিল বুলি সাধাৰণতে কোৱা হয়। কথিত আছে গ্ৰীচীয় দেৱতা ডায়োনিচাছৰ পূজাত ছাগলী বলি দিয়াৰ পাছত কৰা আনন্দ উৎসৱত গোৱা গীতৰ পৰাই ট্ৰেজেডিৰ উৎপত্তি। পিছে ভাৰতীয় সংস্কৃত সাহিত্যৰাজিত পোৱা কথাৰ পৰা ভাবিবলৈ মন যায় ভাৰতীয় অভিনয় কলা তথা নাট্য ৰীতি হয়তো গ্ৰীচতকৈও পুৰাতনহে। নাট্য শাস্ত্ৰত কোৱা মতে ত্ৰেতা যুগত সুৰাসুৰ, নাগ, যক্ষৰ অনুৰোধ ক্ৰমে সৃষ্টিকৰ্তা ব্ৰহ্মাই ঋগবেদৰ পৰা পাঠ্য, সামবেদৰ পৰা গান, যজুৰ্বেদৰ পৰা কাহিনী আৰু অথৰ্ববেদৰ পৰা ৰস গোটাই লৈ নাট্যবেদ ৰচনা কৰি ভৰত মুনি আৰু তেওঁৰ এশ পুতেকক প্ৰয়োগ কৰিবলৈ দিয়াত দেৱৰাজ ইন্দ্ৰৰ অসুৰ বিজয় উৎসৱ উপলক্ষে পোনপ্ৰথমে নাট্যবেদৰ প্ৰয়োগ বা অভিনয় কৰে। সেই তেতিয়াৰে পৰা ভাৰতত নাট্যাভিনয়ৰ পৰম্পৰা চলি আহিছে। গ্ৰীক পৰিব্ৰাজক মেগেস্থেনিচ ভাৰতলৈ অহা সময়ত ভাৰত আৰু গ্ৰীচ উভয়তে অভিনয় কলাৰ প্ৰচলন আছিল বুলি জনা যায়। পিছে সেই তথ্যৰ পৰা কোনখন দেশত আগেয়ে অভিনয় কলাই পাতনি মেলিছিল তাৰ উৱাদিহ পোৱা নাযায়। হ'লেও নাট্যশাস্ত্ৰৰ ৰচনা কাল যদি পঞ্চম শতিকা বুলিও ধৰা যায় তেন্তে পঞ্চম শতিকাৰ পূৰ্বেও যে ভাৰতত নাট্য ৰীতি আৰু অভিনয় কলাৰ প্ৰচলন আছিল সেইটো প্ৰতীয়মান হয়। দূৰ অতীজৰে পৰা ভাৰতীয় দৰ্শন আত্মা-পৰমাত্মাৰ পৰাই আকৌ আত্মাৰ উৎপত্তি হয়। সেয়াই পুনৰ জন্মবাদ। আত্মা অবিনাশী, অবিনশ্বৰ। সেয়াই ভাৰতীয় দৰ্শন। ভাৰতীয় নাট্যৰীতি আৰু অভিনয় পৰম্পৰাতো স্বাভাবিকভাৱে ভাৰতীয় দৰ্শনৰ এই ভাবাদৰ্শ প্ৰতিফলিত

হৈছিল। আত্মা-পৰমাত্মাৰ মহামিলন ৰূপায়িত কৰা ভাৰতীয় নাট্য আৰু অভিনয় পৰম্পৰা হৈ পৰিছিল সদা সৰ্বদা মিলনাত্মক। বিবৰ্তিত ৰূপত সেয়াই পাছলৈ 'কমেডি' নাম পায়। আনহাতে প্ৰাচীন দেশৰ দৰ্শন কিন্তু কেতিয়াও আত্মা-পৰমাত্মাৰ এনে মহামিলন কিম্বা পুনৰ জনম তত্ত্ব বিশ্বাসী নাছিল। মৃত্যুৱে তেওঁলোকৰ মতে সকলো জীৱৰে জীৱন নাটৰ যৱনিকা। সেয়েহে তেওঁলোকৰ নাট্যৰীতি আৰু অভিনয় পৰম্পৰাতো সততে বিয়োগাত্মক ৰূপ এটাহে ফুটি উঠিছিল। সেয়াই ট্ৰেজেডিৰ জন্ম ৰহস্য, আদি কথা। ট্ৰেজেডি ভাৰতীয় নহয়, কমেডি পিছে সম্পূৰ্ণৰূপে ভাৰতীয়।' স্পষ্টভাৱে আমি ক'ব পাৰো ভৰত নাট্যশাস্ত্ৰৰ পটভূমিত নাটৰ জন্ম। ভৰত নাট্যশাস্ত্ৰ ছয় হেজাৰ শ্লোকেৰে ৰচিত এখন মহাগ্ৰন্থ। সূক্ষ্ম কলাৰ সূক্ষ্মাতিসূক্ষ্ম বিষয় ইয়াত আলোচনা কৰা হৈছে। যেনে—(ক) অভিনয়ৰ জন্ম আৰু আদি কথা, (খ) পৃথিৱীত অভিনয়ৰ প্ৰচলন, (গ) ৰংগমঞ্চ, প্ৰেক্ষাগৃহ, ছোঁ-ঘৰ নিৰ্মাণ, (ঘ) প্ৰতিষ্ঠাৰ কাৰণে শাস্ত্ৰীয় নিয়মৰ প্ৰয়োগ, (ঙ) নাট অভিনয়ৰ প্ৰয়োজন, (চ) নৃত্য, সংগীত, বাদ্য (ছ) নৃত্যৰ আখৰা, নৃত্যৰ কাৰণে শৰীৰৰ অংগ-প্ৰত্যংগ চালনাৰ ব্যায়াম, (জ) মূৰ, ডিঙি, চকু, হাত, ভৰি আৰু শৰীৰৰ বিভিন্ন চলন (ঝ) সাজ-সজ্জা, শৰীৰ আভৰণ, মুখৰ ৰহণ। আদি (ঞ) নাটক কি আৰু কাক কয়? নাটক কেইবিধ (ট) বিভিন্ন নাটকৰ ব্যাখ্যা আৰু তাৰ ৰচনা পদ্ধতি। নাটকৰ কাব্য আৰু ছন্দৰ ভাগ। সংগীত, নৃত্যত তাল প্ৰয়োগ। মৃদংগৰ বোল আৰু ছন্দ। ধ্ৰুপদ সংগীতৰ সূক্ষ্ম ব্যাখ্যা তাৰ ৰচনা আৰু প্ৰয়োগ (ঠ) নাটৰ অভিনয় আৰু চৰিত্ৰ বিতৰণ। চৰিত্ৰবোৰৰ ব্যাখ্যা আৰু শ্ৰেণী বিভাগ, অভিনেতা আৰু অভিনেত্ৰীৰ অভিনয় শিক্ষা। ভ্ৰাম্যমাণ নাট্য দলৰ শিল্পী, অভিনেতাৰ সংখ্যা, (ড) ৰস প্ৰয়োগৰ নীতি। ভৰত নাট্যশাস্ত্ৰৰ নাটকৰ এইবোৰ কথা যাত্ৰাদলৰ নাটকৰ ক্ষেত্ৰটোতে যে প্ৰযোজ্য তাক কোৱাৰ প্ৰয়োজন নাই।

যাত্ৰাভিনয় ঃ যাত্ৰাভিনয় সম্পৰ্কে 'অসমীয়া নাট্য সংস্কৃতিৰ এছোৱা ঃ প্ৰত্যয় আৰু প্ৰতিচ্ছবি' শীৰ্ষক গ্ৰন্থত বাদল চৌধুৰীয়ে লিখিছে ঃ 'ধৰ্ম বিশ্বাস আৰু উৎসৱ সংক্ৰান্তত 'যাত্ৰা' শব্দৰ উদ্ভৱ হৈছিল বুলি অনুমান কৰা হয়। তদুপৰি 'গমন' অৰ্থত 'যা' ধাতুৰ পৰাও ইয়াৰ উদ্ভৱ। গ্ৰহ, নক্ষত্ৰ, সূৰ্য আৰু চন্দ্ৰৰ পৰিবৰ্তনে অৰ্থাৎ এটা কক্ষৰ পৰা আন এটা কক্ষলৈ যোৱাত মানৱ জাতিৰ মাজত আনন্দ উদয় হোৱাত উৎসৱ অনুষ্ঠিত কৰিছিল। তেনেদৰে হৈছিল 'সূৰ্য উপাসনা'। বংগদেশ আৰু উৰিষ্যাতো এই উৎসৱ অনুষ্ঠিত হৈছিল। জগন্নাথ বা শ্ৰীকৃষ্ণৰ ৰথযাত্ৰাৰ দৰে ফল্গুৎসৱত বৈষ্ণৱী সমাজতো শ্ৰীকৃষ্ণৰ দ'ল যাত্ৰা, ঘুনুচা যাত্ৰাৰ প্ৰচলন আছে। এনেদৰে পাওঁ 'চৈতন্য যাত্ৰা', বিদ্যাসুন্দৰ পৰা যাত্ৰা, 'ৰাস যাত্ৰা'ৰ 'সনাইযাত্ৰা'

(গোৱালপাৰা)। মাদ্ৰাজৰ কোনো অঞ্চলত 'যাত্ৰে' নামৰ এটা উৎসৱ আছে। ছোটনাগপুৰত ওৰাওঁ নামে প্ৰাচীন দ্ৰাবিড় জাতীয় মানুহ কিছুমান আছে। 'যাত্ৰা' নামৰ তেওঁলোকৰ উৎসৱ এটিও আছে। পণ্ডিতসকলৰ মতে 'যাত্ৰা' শব্দটোও দ্ৰাবিড়ী ধৰ্ম বিশ্বাসৰ ফালৰ পৰাই অহা। শংকৰদেৱৰ প্ৰথম নাট দুখনৰ নাম 'চিহ্ন যাত্ৰা' আৰু 'কালীয় দমন যাত্ৰা'। ধৰ্ম বিশ্বাসৰ মাজেৰে অনুষ্ঠিত উৎসৱসমূহে কিন্তু নাট্য গুণ থকা অভিনয়ক বুজোৱা নাই। সমদল যাত্ৰা শব্দটোৰ প্ৰচলন উৎসৱ আদিৰ মাজেৰে অহা। সমালোচকসকলৰ মতে সংস্কৃত নাটকবোৰৰ সমাদৰ কমাৰ লগে লগে আঞ্চলিকতাৰ ৰূপ থকাকৈ অভিনয় ৰূপ অনুষ্ঠান গঢ় লৈ উঠিল নিৰ্দিষ্ট স্থান বিশেষত। এই সকলোবোৰ ধৰ্মীয় বিশ্বাসেৰে অনুষ্ঠিত হোৱা উৎসৱসমূহৰ লগত সম্পৰ্ক বিৰাজমান। এনেদৰে আৰম্ভ হ'ল অভিনয় উপযোগী যাত্ৰা (এইখিনিতে মন কৰিবলগীয়া কথা হ'ল যে অংকীয় নাটৰ ভাওনা, যাত্ৰা আৰু নাটক সমাৰ্থক।) বংগদেশত সোতৰ শতিকামানতে অলিখিত যাত্ৰা কিছুমান সঘনে অভিনীত হৈছিল। ইয়াৰ লগত চণ্ডীযাত্ৰা আৰু কৃষ্ণ যাত্ৰা অভিনীত হ'বলৈ ধৰিলে। এনেকৈয়ে বংগদেশত লাহে লাহে যাত্ৰা নাটৰ সৃষ্টি হ'ল। আধুনিক ৰংগমঞ্চত কৰিলে সেয়া হয় নাটক (বা থিয়েটাৰ) আৰু মুকলি মঞ্চত অভিনীত কৰিলে সেয়া হয় যাত্ৰা বা যাত্ৰাগান।'

ইয়াণ্ডাবু সন্ধি অনুসৰি অসমৰ শাসন ইংৰাজৰ অধীনলৈ যোৱাত শাসন কাৰ্যত নিয়োগ কৰা কলিকতাৰ বঙালীসকলৰ লগত আহিল বাংলাভাষা, নাচ গান আৰু বঙালী যাত্ৰা থিয়েটাৰৰ দল। অসমপ্ৰবাসী বঙালীসকলেও অবিভক্ত নামনি অসমৰ কামৰূপ অঞ্চলৰ যাত্ৰাদল গঠন কৰাৰ বাবে পাইছিল অনুকূল পৰিবেশ। কামৰূপৰ মানুহেও যাত্ৰা অভিনয় ভাল পাইছিল। এই যাত্ৰাভিনয় বৈষ্ণৱ সমাজৰ সত্ৰীয়া আবেষ্টনীৰ নীতি-নিয়মেৰে উপযোগী কৰি লৈ নতুন ৰূপত প্ৰচলিত হ'ল সত্ৰত যাত্ৰাভিনয় ৰূপে। ভক্তি সম্পৰ্কীয় বিষয়-বস্তুৰে ইয়াক ভক্তি মাৰ্গীয় কৰি তুলিলে ১৮৬০-৬৫ চনত বৰপেটাত প্ৰথমে তিথিৰাম বায়নৰ নেতৃত্বত গঠিত বঙালীত এটা যাত্ৰা দলে। মনহৰি দাস নামৰ এজন ব্যক্তিয়েও তাৰ পিছত বঙালীতে এটা নাট্য দল গঠন কৰে।

যাত্ৰাভিনয়ৰ সুদীৰ্ঘ পৰিক্ৰমাৰ ওপৰত মন্তব্য কৰি 'অসম নাট্য সন্মিলন'ৰ নলবাৰী অধিৱেশনৰ মুখপাত্ৰ 'ৰংগমঞ্চ'ত ড° ৰবলা ভূঞাই লিখিছে ঃ 'ব্ৰিটিছে অসমত ৰাজত্ব কৰিবলৈ লোৱাৰ পিছত সামগ্ৰিকভাৱে অসমীয়া জীৱন ধাৰালৈ এক নতুনত্বৰ পৰিবৰ্তন আহে। এনে সময়তে অসমীয়া নাট্য সাহিত্যলৈ পৰিবৰ্তনৰ বাট লয়। পাশ্চাত্য সংস্কৃতিয়ে অংকীয়া নাট-ভাওনাক [illegible] জনমানসৰ পৰা একাষৰীয়া

কৰিবলৈ লয় আৰু তাৰ পৰিবৰ্তে অসমত প্ৰচলন হ'বলৈ ধৰে বঙলা যাত্ৰা সংস্কৃতিৰ। সংস্কৃতিৰ নামতে হওক বা ব্যৱসায়িক উদ্দেশ্যতে হওক কলিকতীয়া যাত্ৰা দলবোৰে অসমলৈ আহি প্ৰচুৰ জনপ্ৰিয়তা অৰ্জন কৰে। গ্ৰামাঞ্চলত অংকীয়া নাটৰ ৰচনা আৰু অভিনয় অব্যাহত আছিল যদিও চহৰৰ শিক্ষিত শ্ৰেণীৰ মাজত পাশ্চাত্য নাটকৰ আদৰ্শত নতুন নাটকৰ উদ্ভৱ হয়। ইংৰাজী নাটকৰ সোৱাদ পোৱা নতুন শিক্ষিত অসমীয়াসকলে কলিকতীয়া বঙালী নাটকৰ আৰ্হিত অভিনয় কৰিবলৈ অনুপ্ৰাণিত হৈ পৰিছিল। সেয়ে কলিকতীয়া মঞ্চ আৰু তাত অভিনীত নাটৰ আৰ্হিত তেওঁলোকে নাট ৰচনা কৰিবলৈ প্ৰয়াস কৰে। এই প্ৰয়াসৰ প্ৰথম পদক্ষেপ গুণাভিৰাম বৰুৱাৰ নাট 'ৰাম নৱমী'। বঙালী যাত্ৰাদলৰ অনুকৰণত এসময়ৰ অসমতো যাত্ৰাদলৰ সৃষ্টি হ'ল। অসমৰ মঞ্চত অসমীয়া অভিনেতাৰ দ্বাৰা বঙালী নাটকীয় যাত্ৰাৰ প্ৰচলন হয়।'

পোনতে ভাওনাৰ ওপৰঞ্চি হিছাপে যাত্ৰাগান পৰিবেশন কৰা হৈছিল বুলি শুনা যায়। পাছলৈ সেয়াই অধিক জনপ্ৰিয় হৈ মুখ্য স্থান অধিকাৰ কৰি বহিল। ফলস্বৰূপে ব্যৱসায়িক ভিত্তিত যাত্ৰাদল গঠিত হ'ল। সৈনিক শিল্পী ব্ৰজনাথ শৰ্মাৰ ককায়েক কৃষ্ণ শৰ্মাই দিয়া যাত্ৰাদল 'পিপলিবাৰী নাট্য সমিতি'য়ে অভিনয়ৰ ক্ষেত্ৰত বেছ সুনাম অৰ্জন কৰিছিল। নলবাৰীত জন্ম লাভ কৰা 'আনন্দময়ী নাট্য সমিতি'ক অসমৰ প্ৰথম যাত্ৰাদল বুলি কিছুমানে ক'ব খোজে। দৰাচলতে কৃষ্ণ শৰ্মা আৰু বজ্ৰনাথ শৰ্মাইহে অসমীয়া যাত্ৰা আন্দোলনক এক নতুন গতি, নতুন ধাৰা প্ৰদান কৰে। কৃষ্ণ শৰ্মাই ১৯২০-২১ চনমানত গঠন কৰা 'শিল কলিকা অপেৰা পাৰ্টি'ত ব্ৰজনাথ শৰ্মাই সেনাবাহিনী পৰিত্যাগ কৰি মেছোপটেমীয়াৰ পৰা আহি যোগ দিয়ে। তেতিয়ালৈ পুৰুষেই মেখেলা-চাদৰ পৰিধান কৰি নাটকৰ স্ত্ৰী-চৰিত্ৰত অভিনয় কৰিছিল। ১৯৩০ চনত ব্ৰজনাথ শৰ্মাই 'কহিনুৰ অপেৰা পাৰ্টি' নাম দি এটা যাত্ৰা দল গঠন কৰি প্ৰথম সহঅভিনয়ৰ প্ৰচলন কৰে। যাত্ৰাদলসমূহে বঙালী নাটকৰ অনূদিত ৰূপৰ লগতে লাহে লাহে অসমীয়া নাট্যকাৰৰ অসমীয়া নাটকো মঞ্চস্থ কৰিবলৈ লয়। যাত্ৰাভিনয়ত পিছে পৌৰাণিক বা ধৰ্মমূলক, বুৰঞ্জীমূলক নাটকহে মানুহৰ অধিক প্ৰিয় আছিল। এই জনপ্ৰিয়তা এতিয়াও হ্ৰাস হোৱা নাই।

পালা ভাওনা ঃ পালা ভাওনা সন্দৰ্ভত দুলাল ৰৰাই লিখিছে ঃ 'পালা ভাওনা যাত্ৰা ভাওনাৰ অনুৰূপ হ'লেও অংকীয়া ভাওনাৰ সূত্ৰধাৰৰ লগত কিছু মিল দেখা যায়। আধুনিক মঞ্চৰ নাটকৰ দৰে পালা ভাওনাৰ মঞ্চৰ সন্মুখভাগ দৰ্শকৰ বাবে খোলা ৰখা হয়। ভাৱৰীয়াসকলে ঘোঁ ঘৰৰ প্ৰৱেশ দ্বাৰৰ সন্মুখৰ মুকলি ঠাইত অভিনয় কৰে। উক্ত দ্বাৰেদি সকলো ভাৱৰীয়াই ক্ৰম অনুসৰি নাটকৰ প্ৰয়োজনত প্ৰৱেশ আৰু

প্ৰস্থান কৰে। প্ৰবেশদ্বাৰৰ একাষে দৰ্শকৰ মুখামুখিকৈ গায়ক, বাদকসকল থাকে। পালা ভাওনাৰ নাটসমূহৰ ভাষা সম্পূৰ্ণ গ্ৰাম্য ভাষা। ব্ৰজাবলী ভাষাৰ লগত এই ভাষাৰ মিল দেখা যায়। পৌৰাণিক কাহিনীৰ পৰা আৰম্ভ কৰি ঐতিহাসিক কাহিনীলৈকে দৰ্শকৰ মনত সাঁচ বহুৱাব পৰা যি কোনো কাহিনী লৈয়ে পালা ভাওনাৰ নাটসমূহ ৰচিত হৈছে। নাটসমূহ কোনে ৰচনা কৰে সেইটো নিৰ্দিষ্টকৈ ক'ব নোৱাৰিলেও ইয়াৰ ৰচক যে একো একোজন অভিজ্ঞ চহা নাট্যকাৰ সেইটো ৰচনা ৰীতিয়ে দেখুৱাই দিয়ে। কেইখনমান জনপ্ৰিয় পালা নাটক হ'ল হৰিশ্চন্দ্ৰ উপাখ্যান, শ্ৰীবৎস চিন্তা, সতী বেউলা, সতী বনবাস, নল-দময়ন্তী, জেৰেঙাৰ সতী আদি। পালা ভাওনাৰ আৰম্ভণিতে বন্দনা গীত গোৱা হয়। গায়ক-বাদকসকলে এই গীত পৰিবেশন কৰে। তাৰ পিছত এহাল ল'ৰা-ছোৱালীয়ে নাটকৰ শুভফল কামনা কৰি গীত গায় : 'হে ভগৱান, হৈ ভগৱান ভগৱান হে ভগৱান/পূঁজিম চৰণ এ/ৰাখিবা হৃদয়ৰ মাজেএ......' এই গীতৰ বংগৰ যাত্ৰাত থকা চোকৰা-চোকৰী গীতৰ লগত সামঞ্জস্য আছে। অসমীয়া অংকীয়া ভাওনাৰ সূত্ৰধাৰৰ লগত মিল থকা পালা নাটকৰ বিবেক চৰিত্ৰক মহৰ্ষি নাৰদৰ চৰিত্ৰৰ লগত ৰিজাব পাৰি। গীত-নৃত্য বিশাৰদ এই চৰিত্ৰটো প্ৰত্যেকখন পালা নাটকৰ এক উমৈহতীয়া অংগ। আধ্যাত্মিক দিশৰ পৰা চাবলৈ গ'লে এই চৰিত্ৰৰ সৃষ্টি প্ৰতীকধৰ্মী। মানুহৰ মানসিকতাক বিবেকে পৰিচালনা কৰাৰ দৰে এই চৰিত্ৰসমূহ ন্যায়-অন্যায় আদি বিচাৰ কৰাত সহায় কৰে। পালা ভাওনাৰ সংলাপসমূহৰ দুটা ভাষা থাকে। ইয়াৰ আলাপধৰ্মী অংশক 'কথা' আৰু সুৰধৰ্মী অংশক 'গান' বোলে।

যাত্ৰাভিনয়ৰ আৰু বৈঠকী : বৰপেটাৰ যাত্ৰাভিনয়ৰ অতীত সম্পৰ্কত চকু ফুৰালেই বৈঠকী আৰু দাবানল পাৰ্টিৰ ওপৰত চকু পৰে। বংগদেশৰ পৰা অহা মুকুন্দ দাস নামৰ এজন গায়ক শিল্পীয়ে লগত এটা গায়কৰ দল লৈ বংগদেশৰ পৰা আহি অসম পায়। বঙালী সংকীৰ্তন আৰু বাউল গীত গাই ফুৰা এই দলটোৱে প্ৰভাৱান্বিত হৈ আৰু প্ৰায় হাত ধৰা ধৰিকৈ বৰপেটাত বৈঠকী গীত গাই ফুৰা দাবানল পাৰ্টি এটা সৃষ্টি হৈছিল। বৈঠকীত প্ৰথমতে বঙালী গীতৰ প্ৰচলন বেছি আছিল। বঙালী কীৰ্তনৰ সুৰত এই গীত গাইছিল। পিছলৈ অৱশ্যে লোকসংগীত, জাতীয় সংগীত, আধুনিক গীতো গাবলৈ ধৰে (আজৰি সময়ত বিয়াঘৰীয়া মানুহক মনোৰঞ্জন দিবৰ বাবে হাতে হাতে ধনু-কাঁড় লৈ অভিনয়সুলভ ভাওনা পাতিছিল। অসমৰ কামৰূপ অঞ্চলত কন্যা সম্প্ৰদায়ৰ লগত দৰাঘৰীয়া লোকক নাট্যাভিনয় দেখুৱাই আপ্যায়িত কৰাৰ এটা প্ৰথা আছিল। বৈঠকী অনুষ্ঠানত পৰিবেশিত গীতত হিন্দুস্থানী সংগীতৰ বাদৰ ভিত্তিত জনপ্ৰিয় গীতৰ সুৰ বজায়। সেয়েহে বনুৱা গীতৰ লগত ইয়াৰ ব্যৱহাৰ দেখা যায়

হাৰমনিয়াম, বিকুল, কাৰাক্কা, ডামাঢোল, ক্লেৰিওনেট আদিৰ। বৰপেটা সত্ৰত হোৱা যাত্ৰাভিনয়ত আৰহ সংগীতত বাদ্য ব্যৱহাৰ হয়, খোল, তাল, নাগেৰা। কিন্তু পৰৱৰ্তী কালছোৱাত হাৰমনিয়াম, তবলা, ঢোল ব্যৱহাৰ কৰা দেখা যায়। যাত্ৰাগানৰ এক আকৰ্ষণীয় অনুষ্ঠান চোকৰা গীত আৰু নৃত্য। পুৰুষে-তিৰোতাৰ সাজ-পোছাক পৰিধান কৰি এই অনুষ্ঠানত খুহুঁটীয়া গীতেৰে দৰ্শকক হাস্যৰসৰ খোৰাক যোগায়। চোকৰা গীত আৰু নৃত্য যাত্ৰাগানত ব্যৱহাৰৰ অৰ্থ আছিল নাটকৰ একঘেয়ামী পৰিবেশ আৰু গতানুগতিকতা ভাঙি দৰ্শকৰ মনত আন ধৰণে মনোৰঞ্জন দি আৰু বিশ্বাস দি পুনৰ ঘটনাক্ৰমলৈ লৈ যোৱাটো। আনহাতে বিবেকৰ ক্ষেত্ৰত কিন্তু যাত্ৰাভিনয়ৰ বিষয়-বস্তুৰ ক্ৰমৰ লগত দৰ্শকৰ অন্তঃস্থলীত চাৰিত্ৰিক ভাবৰ গাম্ভীৰ্যতা আৰু বেদনাহত ৰূপখিনিৰ ৰেখাপাত কৰাৰ চেষ্টা চলোৱা হয়। বিবেক হ'ল দৰ্শক আৰু নাটকৰ চৰিত্ৰৰ সৈতে একীভূত কৰা প্ৰক্ৰিয়াৰ এক ৰোমন্থন মাধ্যোঁ। গাঁৱলীয়া সমাজৰ জীৱনৰ সাধাৰণ মানুহক ভৱাই তোলাৰ আৰু বিষয়-বস্তুলৈ আকৰ্ষিত কৰাৰ ক্ষেত্ৰত বিবেক অতি সহজ উপায় আছিল। ব্ৰেখ্‌টীয় থিয়েটাৰৰ বিচ্ছেদীকৰণ ইয়াতে অনুভৱ হয়। এয়া আছিল জনজীৱনৰ শিল্প মাধ্যমত প্ৰত্যক্ষভাৱে পৰা ধনতান্ত্ৰিক সংস্কৃতিৰ প্ৰভাৱ। সুন্দৰীদিয়া সত্ৰৰ যাত্ৰাভিনয়ৰ স্বৰ্গীয় কাইলা ওস্তাদ কনছাৰ্ট সংগীত সৃষ্টি কৰাত আছিল ওস্তাদ।

যাত্ৰাভিনয়ৰ মঞ্চ : ব্ৰজনাথ শৰ্মাই কৰা যাত্ৰাদলৰ নাট্যাভিনয়ত মঞ্চ সাজি কোনো দৃশ্যপট আদি ব্যৱহাৰ নকৰাকৈ নাট প্ৰদৰ্শন কৰিছিল। নাট উপভোগ কৰা দৰ্শকসকল মঞ্চৰ চাৰিওফালে বহিছিল। কুৰি শতিকাৰ তৃতীয় দশকত ব্ৰজনাথ শৰ্মাদেৱে নানা ঠাইৰ প্ৰেক্ষাগৃহত দৃশ্যপট আদি ব্যৱহাৰ কৰি নাট প্ৰদৰ্শন কৰিছিল।

যাত্ৰাভিনয়ৰ পোহৰ : আগতে যাত্ৰাভিনয় শলিতা জ্বলাই কৰা হৈছিল। কেতিয়াবা পানীলাউৰ খোলাত শলিতা জ্বলাইছিল। কেতিয়াবা কেতিয়াবা দীঘল দীঘল বাঁহৰ কাঠি কৰি তাৰে এমুৰত এৰী সূতাৰ ডাঙৰকৈ জুমুৰি বান্ধি মিঠা-তেলত জুবুৰিয়াই জুই জ্বলাই পোহৰৰ ব্যৱস্থা কৰা হৈছিল। ইয়াৰ পিছত যাত্ৰাভিনয়ত 'দে লাইট' আৰু 'হেছাক লাইট'ৰ ব্যৱস্থা হয়। বৰ্তমান বিদ্যুতৰ ব্যৱস্থা হৈছে।

শিল্পী : যাত্ৰাভিনয়ৰ শিল্পীসকলৰ অতীত আছিল সাধাৰণভাৱে খাটি খোৱা মানুহ। শ্ৰমৰ মৰ্যাদা বুজা এই চাম মানুহে (কৃষক, দোকানী, মিস্ত্ৰি, কুটীৰ শিল্পী আদি) সাংসাৰিক ব্যস্ততা, নিৰসতাৰ মাজতো যাত্ৰাভিনয়ত অভিনয় কৰি মানৱিক পৰিতৃপ্তি লাভ কৰিছিল। খাটিখোৱা মানুহ নিংনি ভাৱৰীয়া আছিল যাত্ৰাভিনয়ৰ এগৰাকী ৰসিক ভাৱৰীয়া। নলবাৰী জিলাৰ পৰশু বৰ্মনে দেশমাতৃৰ পৰাধীনতাৰ শিকলি মুক্তিৰ

সংগ্ৰামত ব্যস্ত হোৱাই নহয়, নাট্যাভিনয়েৰে নাট্য আন্দোলনক অসমত সবল কৰিছিল। এই শিল্পীজনাই বিবেকগায়ক হিচাপে 'পিপলিবাৰী নাট্য সমিতি' 'জয়সাগৰ অপেৰা', 'নৱজাগৰণ অপেৰা', 'বেলশৰ নাট্য সমিতি' আদিত অভিনয় কৰিছিল। ১৯৩০ চনত বৰ্তমানৰ একেখন জিলাৰ 'গন্ধিয়া অপেৰা পাৰ্টি'ৰ নাটকত সুঅভিনয় কৰি দৰ্শকৰ মন জয় কৰিবলৈ সক্ষম হোৱা এজন শিল্পী হ'ল নবীনচন্দ্ৰ শৰ্মা। ১৯৩৬ চনত বৰ্তমানৰ একেখন জিলাৰ অন্তৰ্গত দক্ষিণ পকোৱা বাঁহজানী অঞ্চলত গঢ়ি উঠা 'কমলিনী নাট্য সমিতি'ত অভিনয় কৰা কেইজনমান শিল্পী হ'ল কমলা চক্ৰবৰ্তী, প্ৰসন্ন শৰ্মা, সনাতন হাজৰিকা, পুষ্প মিশ্ৰ আদি।

কেইখনমান অপেৰা পাৰ্টি যাত্ৰাদল : বৰ্তমানৰ নলবাৰী জিলাৰ কুমাৰীকাটা আৰু গংগাপুৰ গাঁৱত আজিৰ পৰা কেইবছৰমান আগতে গঢ়ি উঠিছিল 'বীণাপাণি অপেৰা', 'মাণিক নাট্য কলাকেন্দ্ৰ'। ১৯৪৭ চনমানত দাগাপাৰত সেহোৰাম ডেকাৰ প্ৰযোজনাত 'দাগাপাৰা নাট্য অপেৰা', বগুৰীহাটীৰ নৰেশ্বৰ মেধি আৰু ধনেশ্বৰ শীলৰ প্ৰযোজনাত 'বগুৰীহাটী নাট্য অপেৰা', নপ্তিপাৰাত জাতিৰাম তালুকদাৰৰ প্ৰযোজনাত 'বাসুদেৱ যাত্ৰা পাৰ্টি, ১৯৩০ চনত কমলা অধিকাৰীৰ পৰিচালনাত 'গন্ধিয়া অপেৰা পাৰ্টি (পিছলৈ এই যাত্ৰাদলৰ নাম হয় 'গন্ধিয়া জ্ঞানদায়িনী অপেৰা পাৰ্টি), হেৰামজাৰত উত্তম শৰ্মাৰ পৰিচালনাত 'চাপৰ-হেৰামজাৰ অপেৰা পাৰ্টি' বামুণবড়ীত 'বামুণবড়ী অপেৰা পাৰ্টি', মৰোৱাত শৰৎ মজুমদাৰৰ সুসংগঠনত 'অৰুণ নাট্য সমিতি' আদি যাত্ৰাদল গঢ়ি উঠিছিল। ঠুটিকাটাত জন্ম লাভ কৰা 'ইলোৰা নাট্য পৰিষদে' নাট প্ৰদৰ্শনৰ দ্বাৰা জনপ্ৰিয়তা অৰ্জন কৰে। এই যাত্ৰাদলৰ 'ৰজা হৰিশ্চন্দ্ৰ' নাটকখনে দৰ্শকৰ মাজত জনপ্ৰিয়তা লাভ কৰিছে। ইয়াৰ বাহিৰেও অসমৰ নানা ঠাইত অনেক যাত্ৰাদল আছে।

অতীত অসমৰ লিখাৰ সামগ্ৰীসমূহ

লিখাৰ সামগ্ৰী বুলিলে মানুহৰ মনত খেলোৱা ভাব আৰু মুখৰ কথাক সংৰক্ষণ কৰাৰ সামগ্ৰীসমূহকে বুজায়। আজিকালি কাগজ, কলম, ছপা মাধ্যমৰ যন্ত্ৰসমূহ আৱিষ্কাৰ হোৱাৰ আগতে আদিতে মানুহে লিখাৰ সামগ্ৰী ৰূপে গছৰ ছাল, কাপোৰ, শিল, বয়-বস্তুৰ গাত, জীৱ-জন্তুৰ হাড়ত লিখা কাৰ্য কৰিছিল। লেখন কাৰ্য কৰা মানুহক বোলা হৈছিল লেখক, লিখক, লেখাৰু! সংস্কৃত 'লিখ' ধাতুৰ পৰা 'লেখক' শব্দটোৰ সৃষ্টি হৈছে। 'মহাভাৰত' গ্ৰন্থৰ লেখন কাৰ্যত বেদব্যাসে গণেশক লেখকৰূপে নিয়োগ কৰিছিল। পুৰণি কালত অসমীয়াত লিখন কাৰ্য কৰোতাসকলক বোলা হৈছিল 'লিখক' বা 'লিখাৰু'। বেণুধৰ শৰ্মাৰ মতে গ্ৰন্থকাৰক লেখক বা লেখাৰু আৰু নকল কৰাসকলক বোলা হৈছিল 'লিখক' বা লিখাৰু'। আহোম স্বৰ্গদেউসকলৰ ৰাজত্ব কালত ৰাজধানীত লিখক বৰুৱাৰ অধীনত এদল নকলকাৰক বা লিখাৰু আছিল। মধ্যযুগীয় সত্ৰবোৰত একশ্ৰেণীৰ ছবি অনুবাদক আছিল যিসকলে লিখা পুথিবোৰ প্ৰস্তুত কৰিছিল। তলত কেইটামান লেখাৰ সামগ্ৰীৰ নাম উল্লেখ কৰা হ'ল।

(ক) সাঁচিপাত : সাঁচি নামৰ গছৰ বাকলিৰ পৰা কৰা কাৰণে এই পুথিক কোনো কোনোৱে বকলা পুথিও বোলে। সংস্কৃত বল্কল শব্দৰ পৰা বকলা শব্দৰ সৃষ্টি হৈছে। মধ্যযুগীয় অসমীয়া পুথি-পাঁজি সাঁচি নামৰ এবিধ গছৰ বাকলিত লিখা হৈছিল। এনে গছৰ মাটিৰ পৰা চাৰিফুটমান ওপৰৰ বাকলি ছফুটৰ পৰা ওঠৰ ফুট দীঘল আৰু তিনি ইঞ্চিৰ পৰা সাতাইশ ইঞ্চিলৈকে বহল কৰি দীঘলে দীঘলে বাকলিবোৰ একেবাৰে আনি সেইবোৰৰ ভিতৰৰ ফালটো বাহিৰলৈ কৰি প্ৰত্যেকখন বাকলিকে বেলেগে বেলেগে নুৰিয়াই কেইদিনমান ৰ'দত দিয়া প্ৰয়োজন। বাকলিৰ ওপৰৰ টান ভাগটো একেবাৰে এনিশাৰ বাবে বাকলিখিনি নিয়ৰত ৰাখিব লাগে। পিছদিনা বাকলিৰ ওপৰৰ ভাগটো একেবাৰে দীঘলে ন ৰ পৰা সাতাইশ ইঞ্চি আৰু পুতলে তিনি ইঞ্চিৰ পৰা ওঠৰ ইঞ্চিলৈকে জোখত বাকলিবোৰ কাটিব লাগে। কটা বাকলিবোৰ এঘণ্টা পানীত ডুবাই ৰাখিব লাগে। তাৰ পিছত বাকলিত লাগি থকা খাৰ জাতীয় বস্তুবোৰ একেবাৰে ৰ'দত শুকুৱাই পোৱা ইটা মাৰি মিহি কৰিব লাগে। তাৰ পিছত মাটিমাহৰ গুৰিৰে লুঠুৰি কৰি বাকলিবোৰত সানি তাত হাইজলৰ বং সানি আকৌ ৰ'দত শুকুৱাব লাগে। শুকোৱাৰ পিছত মোহাৰি মিহি কৰি লোৱা হয়। লিখাৰ

উপযোগী এইদৰে কৰি পাতবোৰ জাপি সৌমাজত এটা বিন্ধা কৰা প্ৰয়োজন। সাঁচিপতীয়া পুথিবোৰত তলে-ওপৰে কেইটামান উকা পাত থাকে। বেটীপাত নামৰ এই পাতত গ্ৰন্থৰ নাম, মালিকৰ নাম, লেখকৰ নাম থাকে। এই পুথিত আখৰ লিখাৰ উপৰি চিত্ৰ আঁকা হয়। সাঁচিপাতত লিখা কেতবোৰ পুথি হ'ল 'হস্তিবিদ্যাৰ্ণৱ', 'গীত-গোবিন্দ' আদি।

(খ) তুলাপাত : তুলাপাত প্ৰস্তুত কৰাৰ পদ্ধতি কেইবাটাও। সুৰা গছ নামৰ এবিধ গছৰ বাকলিৰ পৰা, সাঁচিপাত প্ৰস্তুত কৰা পদ্ধতিৰ দৰে তুলাপাত তৈয়াৰ কৰা হৈছিল। আন এটা পদ্ধতি মতে পোৱা যায় মুছলমানসকলে অতীতত মৰাপাটৰ পৰা তুলাপাত নামৰ এবিধ কাগজ তৈয়াৰ কৰিছিল। তদুপৰি ড° ৰজতানন্দ দাসগুপ্তই তেওঁৰ 'ইষ্টাৰ্ণ-ইণ্ডিয়ান মেনুস্ক্ৰিপট্‌চ্ পেইণ্টিং নামৰ গ্ৰন্থত ক'লা বা ৰঙা জামু শ্ৰেণীৰ মাইহাই গছৰ শাহ সিজাই তুলাপাত প্ৰস্তুত কৰাৰ বৰ্ণনা কৰিছে।

(গ) ভূৰ্জপত্ৰ : হিমালয়ৰ পাদদেশত পোৱা ভূৰ্জ গছৰ বাকলিৰ পৰা অতীততে তৈয়াৰ কৰা ভূৰ্জ-পত্ৰত লিখাৰ ব্যৱস্থা আছিল। ভাৰতীয় গ্ৰন্থ, 'অমৰকোষত' ইয়াৰ উল্লেখ আছে। মহাকবি কালিদাসে তেওঁৰ 'কুমাৰসম্ভৱ' গ্ৰন্থত ইয়াৰ উল্লেখ কৰিছে। এই ভূৰ্জ-পত্ৰই সুন্দৰী বিদ্যাধৰীসকলৰ প্ৰেম-পত্ৰ লিখাত ব্যৱহৃত হৈছিল। সাঁচিপাতৰ দৰে এই ভূৰ্জ-পত্ৰত সৌমাজত এটা বুৰা দুই মূৰে দুটা ফুটা কৰি পাতবোৰ সূতা এডালেৰে ক্ৰমাংক অনুযায়ী গাঁঠি লৈ ওপৰত আৰু তলত দুটটা কাঠেৰে বান্ধি ৰাখিছিল। পুৰণি অসমত মন্ত্ৰৰ লেখনত ভূৰ্জ-পত্ৰ ব্যৱহৃত হৈছিল। সিবিলাক অনা হৈছিল ভুটানৰ পৰা।

(ঘ) তালপাত : পোনতে তালপাতসমূহ দীঘলকৈ কাটি উলিয়াই পিছত জোখমতে দুয়োমূৰ কাটি ৰ'দত শুকাবলৈ দিয়া হয়। তাৰ পিছত পানীত সিজাই পুনৰবাৰ ৰ'দত মেলি দি বক্কল তেঁতেলিৰ গুটিৰ বস বোলাই শুকুৱাই শিল অথবা শংখ শামুকৰ খোলাৰে ঘঁহি মিহি কৰি লিখাৰ উপযোগী কৰা হয়। এই পাতবোৰ দীঘলে এশ বিশ ছেঃ মিঃ, পুতলে ন ছেঃ মিঃ কৰি কাটি সৌমাজত এটা বিন্ধা কৰি তাতে সূতা এডাল সুমুৱাই বন্ধা হয়। এই তালপটীয়া পুথিবোৰ জাতৰ কাঠৰ বাকচত ভৰাই ৰখা হৈছিল। জনপ্ৰবাদ অনুযায়ী বুদ্ধদেৱৰ ঠিক মৃত্যুৰ পিছতেই তেওঁৰ সমগ্ৰ বাণী প্ৰণালীবদ্ধভাৱে তাল-পত্ৰত লিখাৰ ব্যৱস্থা কৰা হৈছিল। খ্ৰীষ্টীয় সপ্তম শতিকাত ভাৰতলৈ অহা চীনা পৰিব্ৰাজক হিউৱেনচাঙে এই দেশত সকলো ঠাইতে তালপাতৰ প্ৰচলন দেখা পাইছিল। ষোড়শ শতিকাত অসমত ৰচিত বুলি সাব্যস্ত কৰা 'যোগিনীতন্ত্ৰ'ত তালপাতৰ উল্লেখ আছে। ১৯৪০ চনত লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ

খেৰাজখাট মৌজাৰ বৰখামাটি গাঁৱত এজন লোকৰ ঘৰত বাৰ্মী ভাষাত লিখা এখন তাল-পত্ৰ ইতিহাসপ্ৰেমী সৰ্বানন্দ ৰাজকুমাৰে দেখা পাইছিল। ড° লীলা গগৈদেৱে দিচাংপালিৰ বৌদ্ধবিহাৰত তালপাতৰ ওপৰত সোণৰ পানী ছটিয়াই লাৰ আখৰেৰে লিখা পুথি এখনৰ কথা তেওঁৰ অনেক কেইটা লেখাত উল্লেখ কৰিছে। ইয়াৰ পৰা প্ৰমাণ হয় অতীত অসমত তালপাতত লেখাৰ পদ্ধতি বহুল ৰূপত প্ৰচলন আছিল।

(ঙ) কাপোৰ ঃ অসমত সূতা বা কপাহী কাপোৰৰ উপৰি পাট-মুগাৰ কাপোৰত লিখাৰ পদ্ধতি প্ৰচলন আছিল। তেনেবোৰ কাপোৰত মাটিমাহ, বৰা চাউল অথবা আন এঠাযুক্ত চাউলৰ মিহি মণ্ড আৰু গাখীৰৰ মাৰ দি খমখমীয়া কৰি লিখাৰ উপযোগী কৰিছিল। সেইবোৰ জাপি পুথিৰ আকাৰত ৰখা হৈছিল। মহাপুৰুষ মাধৱদেৱে তেওঁৰ মহামূল্যবান সৃষ্টি 'নামঘোষা'খন তেনেদৰে লিখি জাপি পুথিৰ আকাৰত উজনিৰ চামগুৰি সত্ৰত সংৰক্ষণ কৰিছিল। আহোমসকলে লিখা মুগা কাপোৰৰ পুথি (বুৰঞ্জী) এতিয়াও অসমৰ অনেক ঠাইত সংৰক্ষিত হৈ আছে। তন্ত্ৰ-মন্ত্ৰ, ধৰ্ম গ্ৰন্থ, জ্যোতিষ শাস্ত্ৰ আদি আমি নিজেই পশ্চিম নলবাৰীৰ অনেক ঠাইত কাপোৰত লিখা অৱস্থাত দেখা পাইছো।

(চ) শিল, শিলাস্তম্ভ, শিলা ফলক, শৈল দাঁতি, শৈল প্ৰতিমাত পশ্চাৎ দেশ আৰু বেদিকা, স্ফটিক পৃষ্ঠ ঃ আগ্নেয়, গেদীয় আৰু ৰূপান্তৰিত শিলৰ ওপৰত লিপি খোদিত কৰা হৈছিল। শিলৰ ওপৰভাগ মিহি কৰি আৰু ওখোৰা-মেখোৰা শিলতো লিখা হৈছিল। শিলৰ ওপৰত আখৰ কাটিবলৈ হ'লে উচ্চ পৰ্যায়ৰ বিষয়াই উৎকীৰ্ণ কৰিবলগীয়া পাঠটো চিয়াঁহি অথবা খৰি মাটিৰে লিখি দিয়ে। তাৰ পিছত খোদকাৰ চেনীৰে আখৰবোৰ কাটি যায়। ৰাজকীয় শিলানুশাসনবোৰত লেখাৰ চাৰিওফালে কিছু ঠাই নিলিখাকৈ ৰখা হয়। আখৰ কটা সময়ত শিলাখণ্ড উফৰি গ'লে তাত প্ৰাষ্টিক জাতীয় দ্ৰব্য দি তাৰ ওপৰত পুনৰ লিখা হৈছিল। শিলসমূহত পবিত্ৰ ধৰ্মীয় লিপিও খোদিত কৰা হৈছিল। শিলৰ ওপৰত লিখা লিপি আৰু চিত্ৰৰ বিৱৰণত অসমৰ ক্ষেত্ৰত দিব লাগিলে 'কানাই বৰশি বোৱা' শিলৰ ৰণজয়ৰ ফলিৰ ওপৰত খোদিত গণেশ মূৰ্তি, ভোমোৰাগুৰিৰ আগ্নেয় শিলত খোদিত ভগুৱী গোহাঁইৰ গড় নিৰ্মাণৰ শিলৰ ফলিৰ চাৰিখন চিত্ৰৰ সংযোজন, নগাঁও হাতীমূৰাৰ দুৰ্গা মন্দিৰত শিলালিপিখনিৰ চাৰিওফালৰ লতাৰ কথা উল্লেখ কৰিব পাৰি। লিপি খোদিত কৰাৰ আধাৰশিলা স্তম্ভৰ লিপিবোধক ড° দীনেশ চন্দ্ৰ সৰকাৰে ধ্বজস্তম্ভ, জয়স্তম্ভ, কীৰ্তিস্তম্ভ, বীৰস্তম্ভ, সতীস্তম্ভ, ছায়াস্তম্ভ এই ভাগকেইটাত বিভক্ত কৰিছে। মন্দিৰৰ সন্মুখত ধ্বজস্তম্ভ থিয় হৈ থাকে। জয়স্তম্ভত বিজয়ৰ বাৰ্তা খোদিত কৰা হয়। ১৫৮৯ শকত

খোদিত লাচিত-নামজানি বৰফুকনৰ জয়স্তম্ভ, ১৫৩৮ শকৰ চামধৰা ৰণজয়ৰ বাৰ্তা খোদিত শৈলস্তম্ভ এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। কীৰ্তিস্তম্ভত কোনো মহান কাৰ্য সম্পাদনৰ উপলক্ষে ৰাজপ্ৰশস্তি খোদিত কৰা হয়। বীৰযোদ্ধাৰ জীৱন দানৰ বৰ্ণনা বীৰস্তম্ভত খোদিত হয়। সতীস্তম্ভত পতিব্ৰতা বিধৱাগৰাকীৰ আৰু স্বামীৰ নাম খোদিত হয়। যজ্ঞ উপলক্ষে প্ৰতিষ্ঠা কৰা স্তম্ভক ছায়াস্তম্ভ বোলে। শিলাস্তম্ভত শিলৰ ফলিত লিখিব লগা কথা, গছ-লতিকা, জীৱ-জন্তু আদিৰ ছবি আঁকি সিখন মঠ-মন্দিৰ আদিক অধিষ্ঠান বা অন্যান্য স্থানত লগোৱা হৈছিল। অসমৰ শিলা ফলকৰ বৰ্ণনা দিবলৈ হ'লে বৰফুকনৰ দৰবাৰৰ দক্ষিণৰ বিজয় দ্বাৰত শিলৰ ফলি, শুক্ৰেশ্বৰ দেবালয়ৰ শিলৰ ফলিৰ কথা উল্লেখ কৰিব পাৰি। শৈল প্ৰতিমা প্ৰতিষ্ঠা কৰা, বুদ্ধৰ অস্থি অৱশেষ সংৰক্ষিত বিভিন্ন শৈল পাত্ৰৰ ঢাকনিসমূহতো লিপি খোদিত কৰা হৈছিল। তেনেদৰে ত্ৰিকোণী স্ফটিকৰ ওপৰত আৰু পৰ্বতৰ গুহাতো লিপি খোদিত কৰা হৈছিল।

(ছ) মৃন্ময় সম্ভাৰ : খ্ৰীষ্ট জন্মৰ কেইবা হাজাৰ বছৰৰ পূৰ্বে মেছোপটেমীয়াৰ দাক্ষিণাত্যত বাস কৰা সুমেৰীয় লোকসকলে কেঁচা মাটিৰ ফলি তৈয়াৰ কৰি তাৰ ওপৰত জোঙা লেখনিৰে লিখি সিবোৰ ৰ'দত শুকুৱাই দীৰ্ঘম্যাদী ৰূপ দিছিল। সুমেৰীয়বাসীৰ পৰাই বেবিলন, আমিৰীয়, মিশ্ৰী সাম্ৰাজ্য এলাম, ভাৰতবৰ্ষৰ সিন্ধু অঞ্চললৈ এই বিদ্যা সম্প্ৰসাৰিত হয়। হৰপ্পা আৰু মহেঞ্জোদাৰৰ লিপিমালা মৃন্ময় ফলকৰ যোগেদি সংৰক্ষিত হৈছে। অশ্বমেধ যজ্ঞৰ বাবে এৰি দিয়া ঘোঁৰাৰ কপালত যজ্ঞ কৰিবলৈ বিচৰা নৃপতিজনৰ নাম খোদিত কৰি আঁৰি দিয়া ফলিখন মাটিৰ আছিল। পুৰণি প্ৰাগজ্যোতিষপুৰ নৃপতি কুমাৰ ভাস্কৰ বৰ্মাৰ কেইবাটাও মৃন্ময় মোহৰ নালন্দাত উদ্ধাৰ হোৱাটোৱে প্ৰাচীন অসমত এইবিধ বিদ্যাৰ প্ৰচলন থকাৰ কথাকে সূচায়। আনহাতে মাটিৰ পাত্ৰ ওপৰত পোৰাৰ পূৰ্বে লিখি, ছবি আঁকি পিছত সেইবোৰ পোৰা হৈছিল। অসম তথা ভাৰতবৰ্ষৰ আন ৰাজ্যত মাটিৰ এনে ধৰণৰ কলহ উদ্ধাৰ হৈছে।

(জ) সোণ : ধনী সদাগৰসকলৰ দৰকাৰী ঘৰুৱা নথি-পত্ৰ, ৰাজকীয় ঘোষণা, অভিলেখ, কাব্য সংগ্ৰহ, প্ৰবাদ প্ৰবচন আদি সোণৰ ফলকত লিখা হৈছিল। বুৰ্ণেলে লিখিছে : ৰাজকীয় চিঠি-পত্ৰ আৰু ভূমিদানৰ ফলিৰূপে সোণৰ পাত প্ৰয়োগ হৈছিল। 'য়ে ধৰ্মা হেতু প্ৰভাৱা' বুলি লিখা থকা খ্ৰীষ্টীয় পঞ্চম শতিকাৰ সম্পদ সোণৰ ফলি এখন ব্ৰহ্মদেশৰ হম্‌জৰ গাঁৱত উদ্ধাৰ হৈছে। অসমৰ আহোম স্বৰ্গদেউসকলৰ ৰাজত সোণৰ পাতত লিখা দস্তুৰ প্ৰচলন আছিল।

(ঝ) তাম্ৰ : আগৰ দিনৰ ৰজা-মহাৰজাসকলে নানা ধৰণৰ মা-সম্পত্তি

গ্ৰহীতাসকললৈ আগবঢ়াই তামৰ ফলিত লিখি দিছিল। এইবোৰ তাম্ৰ-পত্ৰ, তাম্ৰ-শাসন, শাসন-পত্ৰ, দান-পত্ৰ আদি নামেৰে খ্যাত হৈছিল। প্ৰায় চৌবিছ খ্ৰীষ্টাব্দত ভাৰতত পদাৰ্পণ কৰা গ্ৰীক কটকী ফাহিয়ানে বৌদ্ধবিহাৰসমূহত তাম্ৰ-শাসন সংৰক্ষণ কৰা কথা কৈছে। সায়নাচাৰ্যই বৈদিক ভাষ্যসমূহ তামৰ পাতত লিখা বুলি শুনা যায়। এই পদ্ধতিত লিখন কলাত তাম হাতুৰিৰে পিতি বহল কৰি তাক আকাৰ মতে কাটি লিখাৰ উপযোগী কৰা হয়। কিছুমান তামৰ ফলিত এপিঠিত আৰু কিছুমানত দুপিঠিত লিখা হয়। তাম্ৰ ফলকৰ আখৰসমূহ নষ্ট নোহোৱাকৈ ৰাখিবলৈ প্ৰথম ফলকৰ প্ৰথম পিঠি আৰু অন্তিম ফলকত দ্বিতীয় পিঠি উকা ৰাখি এই ফলক দুখনৰ ফলিকেইটাত গড় বান্ধি দিয়া হৈছিল। লিখিবলগীয়া কথা বেছি থাকিলে চাৰি-পাঁচখন তাম-পাতৰ আৱশ্যক হয় আৰু আটাইবোৰ তামৰ পাতৰ এঠাইত ফুটা কৰি জৰিৰে গ্ৰথিত কৰা হয়। অসমৰ প্ৰাক্ আহোম যুগীয় অভিলেখ মালাৰ আঙঠি সংলগ্ন ফলকটিত হাতীৰ প্ৰতিমূৰ্ত্তি কটা হৈছে। তাৰ তলত নৃপতিজনৰ নাম আছে এনেদৰে ঃ 'স্বস্তি প্ৰাগজ্যোতিষাধিপতি/মহাৰাজ ধীৰাজ/শ্ৰীৰত্নপাল দেৱ।' আহোম যুগৰ তাম্ৰশাসনসমূহৰ ৰাজকীয় মোহৰ আৰু প্ৰতীক চিহ্নটো তাম্ৰফলকৰ সোঁফালে আৰু কেতিয়াবা ওপৰত খোদন কৰা হয়। তাম্ৰশাসন লিখন কাৰ্যত তাৰ চাৰিওফালে কিছু ঠাই উকাকৈ ৰখা হয়। প্ৰথমতে ফলিত লিখিব লগা কথাখিনি সুন্দৰ আখৰ লিখিব জনা মানুহে চিয়াঁহিৰে লিখি দিয়াৰ পিছত আখৰ কটিয়াই জোঙা সঁজুলিৰে সিবোৰৰ ওপৰত আঁচোৰ মৰাৰ পিছত সৰু মুখৰ বটালিৰে খোদন কৰা হৈছিল। তামৰ ফলিত জৈন, ব্ৰাহ্মণসকলৰ বিভিন্ন মন্ত্ৰও খোদিত হৈছিল। মধ্যযুগীয় অসমত বিচাৰৰ হুকুম আদিও খোদিত হৈছিল। বৰদোৱাত তেনে এখন ফলি কালিৰাম মেধিয়ে দেখিবলৈ পাইছিল।

(এ) ৰূপ ঃ ৰূপৰ পাতত সাধাৰণতে ৰাজকীয় দৰকাৰী নথি-পত্ৰ লিখা হৈছিল। ৰূপৰ এনে ফলক তক্ষশীলাৰ ধ্বংসস্তূপত নমস্কাৰ মন্ত্ৰ লৈখা ৰূপৰ ফলক বহু জৈন মন্দিৰত আছে। উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী পীঠলৈ স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ ১৬৭৯ শকত আগবঢ়োৱা ৰূপৰ জাপিটোৰ চাৰিওফালে লিখা আছে 'শ্ৰীযুত তৰুণ দুৱৰা—বৃহৎ ফুকনেন শ্ৰীশ্ৰীদীৰ্ঘেশ্বৰী দেৱ্যা মঠ মিমং ব্যৰয়েৎ ১৬৭১ শাকে।

(ত) কাঁহ ঃ টিন আৰু তামৰ যৌগ ৰূপত সৃষ্ট কাঁহৰ বাচন-বৰ্তনত লিখা সম্পদসমূহৰ ভিতৰত অসমৰ উত্তৰ লখিমপুৰ অঞ্চলৰ বাসুদেৱ থানলৈ আগবঢ়োৱা বৰকাঁহৰ ওপৰত মুঠতে সাত শাৰী লিপি খোদন কৰা হৈছিল। সম্পদ বিধৰ কথা ক'ব পাৰি।

(থ) পিতল : পিতলৰ পাতত লিখা ক্ৰুডীয়াছৰ বক্তৃতা লিয়ন নগৰীৰ গ্ৰন্থাগাৰত সংৰক্ষিত হৈ আছে। পিতলৰ ফলকত লিখি মন্দিৰৰ দ্বাৰত খাজি দিয়া পদ্ধতি আন আন ঠাইৰ লগতে অসমৰ সুন্দৰীদিয়া সত্ৰতো দেখা যায়। শিৱসাগৰৰ এখন পিতলৰ তামুলী পীৰাত ড° মহেশ্বৰ নেওগে : 'এই ফলিৰ মূল্য এক মাইকী পোৱালি মহিষ' বুলি লিখা দেখা পাইছিল।

(দ) ব্ৰ'ঞ্জ : ব্ৰ'ঞ্জৰ মূৰ্তিৰ ওপৰত আখৰ লিখা হৈছিল। নৰকাসুৰ পাহাৰত পোৱা অনেক ব্ৰ'ঞ্জৰ মূৰ্তিৰ দুয়োকাষে বনমালবৰ্মাদেৱৰ নাম খোদিত কৰা হৈছে। উক্ত ঠাইত পোৱা প্ৰকাণ্ড ঘণ্টা এটাত কুমাৰদেৱৰ লিপি খোদিত হৈছে।

(ধ) আহা : মধ্যযুগীয় বহুসংখ্যক লোৰ বৰটোপত ফাৰ্চী, অসমীয়া আৰু বঙলা ভাষা লিখা লিপি পোৱা যায়।

(ন) দাৰু ফলক : শিক্ষাৰ্থীয়ে বিদ্যালয়ত চন্দন কাঠৰ ফলক ব্যৱহাৰ কৰাৰ কথা 'খোদিত বিস্তাৰ'ত আছে। শিক্ষাৰ্থীৰ এনে শিক্ষাৰ কথা 'জাতক'তো উল্লেখ আছে। ঋণ দিয়া লোৱাৰ চুক্তি-পত্ৰ, প্ৰেম-পত্ৰ, হস্তলিখিত পুথি আদি কাঠ বা দাৰ কলমত লিখা হৈছিল। অসমৰ পৰা হস্তলিপিত পুথি এখন সংগ্ৰহ কৰি নি বোডলিয়াৰ গ্ৰন্থাগাৰত সংৰক্ষিত কৰি ৰখা হৈছে। মধ্যযুগীয় অসমৰ বৈষ্ণৱ সত্ৰ-নামঘৰত সংৰক্ষিত সিংহাসনসমূহত বিভিন্ন ছবি লেখা আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ে শিৱসাগৰত পূৰ্ণানন্দ পৰমহংসৰ পৰা সংগ্ৰহ কৰা 'শ্যামা ৰহমত' গোৱালপাৰাৰ পৰা সংগ্ৰহ কৰা 'অষ্ট মংগলা', 'লক্ষ্মী চৰিত' কামৰূপৰ নহিৰা সত্ৰত সংৰক্ষিত 'সেউতী কিৰণ' আদিৰ নাম দাৰুফলক পুথিৰ শাখাত উল্লেখ কৰিব পাৰি।

শিৱৰাত্ৰি

মংগলময় শিৱৰ পূজা-উপাসনাৰ উৎসৱ শিৱৰাত্ৰিৰ শাস্ত্ৰীয় তাৎপৰ্য অপৰিসীম। ফাগুনৰ কৃষ্ণা চতুৰ্দশী তিথিটোৱে হ'ল শিৱৰাত্ৰি। শাস্ত্ৰীয় মত অনুসৰি সিদিনা শিৱৰ পূজা কৰাটো শুভ ফলদায়ক। এই দিনটোত শিৱৰ পূজা ৰাত্ৰি (ৰাতি) হয় কাৰণে ইয়াৰ নাম শিৱৰাত্ৰি। অসমত এদিনৰ লগতে ঠাই বিশেষে মঠ-মন্দিৰত কেইবাদিনো জুৰি শিৱৰাত্ৰি আড়ম্বৰপূৰ্ণভাৱে পালিত হয়।

শিৱৰাত্ৰিৰ ওপৰত আলোকপাত কৰাৰ আগতে শিৱ নামটোৰ শাস্ত্ৰীয় তাৎপৰ্য বিচাৰৰ প্ৰয়োজন আছে। শিৱ ভীষণতাৰ নিয়ন্ত্ৰক দেৱতা হিছাপে ভৈৰৱ ৰূপত পূজিত হয়। ডম্বৰুধাৰী শিৱ সুন্দৰতাৰ প্ৰতীক। ড° হৰিনাথ শৰ্মাদলৈৰ 'ভাৰত কোষ' গ্ৰন্থত আছে ঃ 'মংগলময় বা শুভময় কাৰণেই শিৱ অলপতে সন্তুষ্ট হয় কাৰণে আশুতোষ সমুদ্ৰ মন্থনৰ সময়ত উদ্গিৰণ হোৱা বিষ ভক্ষণ কৰাৰ পাছত কণ্ঠত ক'লা দাগ পৰা কাৰণে নীলকণ্ঠ, পাঁচটা মুৰ থকা কাৰণে পঞ্চানন, তিনিটা চকু থকা কাৰণে ত্ৰিনয়ন বা ত্ৰ্যম্বক, ব্যঘ্ৰ বা মৃগৰ চৰ্ম পৰিধান কৰা বাবে কৃত্তিবাস, মুৰত গংগাক ধাৰণ কৰিছে কাৰণে গংগাধৰ, শেখৰত অৰ্ধচন্দ্ৰ আছে যাবে চন্দ্ৰশেখৰ, লাওখোলাৰ মালা লগত থকাৰ কাৰণে কপালমালী, তেওঁ মৃত্যুক জয় কৰা বাবে মৃত্যুঞ্জয়, ভয়ংকৰ বাবে উগ্ৰ,বিৰূপ চকু থকা কাৰণে বিৰূপাক্ষ, শ্ৰেষ্ঠ দেৱতা কাৰণে মহেশ বা মহাদেৱ, সকলোৰেই অধীশ্বৰ বিশ্বনাথ আদি অনেক নাম শাস্ত্ৰত আছে। অষ্টমূৰ্তি শিৱৰ আঠোটা স্বৰূপ বা মূৰ্তি। এই আঠোটা স্বৰূপক আঠোটা নামেৰে জনা হয়। যেনে— সৰ্ব নামেৰে ক্ষিতি, ভৱ নামেৰে জল, উগ্ৰ নামেৰে বায়ু, ভীম নামেৰে আকাশ, ৰুদ্ৰ নামেৰে অগ্নি, পশুপতি নামেৰে যজমান, মহাদেৱ নামেৰে সোম বা চন্দ্ৰ আৰু ঈশান নামেৰে সূৰ্য মূৰ্তি। জলৰূপা, পৃথিৱীৰূপা আদি শিৱৰ এই আঠোটা মূৰ্তিৰ উল্লেখ কালিদাসেও কৰিছে। অষ্টাদশ পুৰাণৰ ভিতৰত মৎস্য, কূৰ্ম, লিংগ, শিৱ, স্কন্ধ আৰু অগ্নি—এই ছয়খন পুৰাণে বিশেষকৈ শিৱৰ ক্ষমতা মাহাত্ম্য প্ৰচাৰ কৰিছে। বিশেষকৈ শিৱ পুৰাণে শিৱক পৰমব্ৰহ্ম হিছাপে অংকন কৰিছে। তেওঁ চৰাচৰ জগতৰ স্ৰষ্টা, আত্মা। ব্ৰহ্মা, বিষ্ণু আদি দেৱগণ তেওঁৰ অধীন। স্বয়ং ঈশ্বৰ হিছাপে শিৱৰ পূজা আৰু সাধন প্ৰণালীবোৰকো এই শাস্ত্ৰই অতি বিতংকৈ দেখুৱাইছে। শ্ৰীমদ্ভাগৱত পুৰাণত শিৱ মহাদেৱৰ বিষয়ে এনেদৰে কোৱা হৈছে ঃ 'ভূতাত্মন-ভূত বাহন মহাদেৱ

দেৱাদিদেৱ। তেওঁ সৰ্ব জগতৰ ঈশ্বৰ। তেৱেঁই জগত সৃজন কৰে, পালন কৰে আৰু সংহাৰ কৰে। তেওঁ নানা অৱতাৰ গ্ৰহণ কৰি পৃথিৱীক উদ্ধাৰ কৰে। মহাদেৱৰ শিৰেই স্বৰ্গ আৰু পদতলেই পাতাল। তেওঁৰ পঞ্চমুখ। তেওঁৰ ভ্ৰূভিয়েই গগন আৰু ঘেতস বৃষ্টিজল। পঞ্চ উপনিষদ তেওঁৰ পঞ্চমুখ। তেওঁৰ জিভাই জুই আৰু গৰ্ভই সাগৰ। সূৰ্যই তেওঁৰ চকু আৰু চন্দ্ৰ হ'ল তেওঁৰ মন। দশোদিশ হ'ল তেওঁৰ কাণ, বতাহ তেওঁৰ বসন। গছবোৰ তেওঁৰ শৰীৰৰ নোম আৰু পৰ্বতবোৰ অস্থি। পুৰাণতো শিৱক অতি উচ্চস্থান দিয়া হৈছে। ইয়াত শিৱ অচিন্ত্যনীয় আৰু অনন্ত শিৱ পুৰাণত শিৱ শব্দময়। মহেশ্বৰৰ ৰূপ পাঁচভাগত বিভক্ত—প্ৰথম ৰূপত তেওঁ উগ্ৰবোম আৰু ভয়ংকৰ। দ্বিতীয় ৰূপত তেওঁ সূৰ্যৰ পোহৰৰ দৰে উজ্জ্বল। তৃতীয় ৰূপত তেওঁ জোনাকৰ দৰে স্নিগ্ধ। চতুৰ্থ ৰূপত তেওঁ কুবেৰ আৰু পঞ্চম ৰূপত তেওঁ ব্ৰহ্মা।

ড° নবীনচন্দ্ৰ শৰ্মাই তেওঁৰ 'অসমীয়া লোক-সংস্কৃতিৰ আভাস' গ্ৰন্থত লিখিছে: 'বৈদিক ৰুদ্ৰৰ লগত পৌৰাণিক শিৱৰ সম্পৰ্ক অনস্বীকাৰ্য। প্ৰজনন কৃত্যৰ লগত শিৱ-পাৰ্বতীৰ ৰূপ বিকশি উঠাই স্বাভাৱিক। লোকায়ত পটভূমিত শিৱ আৰু পাৰ্বতীৰ বিকাশৰ ক্ৰমাগ্ৰশৰণ স্ৰোত আৰম্ভ হৈছে আৰু তাৰ পৰিণতি সম্ভৱ হৈছে বৈদিক ৰুদ্ৰত। ৰুদ্ৰৰ হাতত বজ্ৰ থাকে আৰু আকাশৰ পৰা বজ্ৰ নিক্ষেপ কৰে। মানুহ, গাই-গৰু, ঘোঁৰা, ভেড়া আদিৰ তেওঁ মংগল কৰে। শিৱৰ আন এটা নাম বৈদ্যনাথ। বৈদ্যনাথৰূপী শিৱই ৰোগ নাশ কৰে। নানা ৰোগত বৈদ্যনাথক ভক্তিৰে সন্তুষ্ট কৰি আৰোগ্য লাভ কৰিব পাৰি। ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে লিখিছে: 'বিষ্ণু পুৰাণত উল্লেখ আছে যে ব্ৰহ্মা, বিষ্ণু, শিৱ সকলোকে বৈষ্ণবী শক্তিয়ে পৰিচালনা কৰে। কিন্তু তাতো এটা কথা উল্লেখ আছে যে বিষ্ণুৰ চক্ৰ, শিৱৰ ত্ৰিশূল, কুবেৰৰ ৰথ, কাৰ্ত্তিকৰ শক্তি এই সকলোবোৰ বিশ্বকৰ্মাই সূৰ্যৰ শৰীৰৰ পৰা কাটি বা চাঁচি উলিয়াইছিল।' ত্ৰিমূৰ্তিৰ ব্ৰহ্মা হ'ল ৰজ, বিষ্ণু সত্ব আৰু মহেশ্বৰ (শিৱ) তম গুণৰ অধীশ্বৰ দেৱতা।

শিৱৰাত্ৰিৰ ভগৱান শিৱক পূজা কৰিলে ভক্তৰ মনোবাঞ্ছা পূৰণ হয়। গাভৰুসকলে মনোমত পতি লাভৰ কাৰণে পূজা কৰি সুফল পায়। নানা বিধ ৰোগৰ পৰা মুক্ত হয়। ড° যতীন্দ্ৰ কুমাৰ বৰগোহাঞিৰ গ্ৰন্থ 'অসমৰ উৎসৱ আৰু পূজা'ত শিৱৰাত্ৰি সম্পৰ্কে আছে: 'শিৱৰাত্ৰি উৎসৱত অসমৰ সকলোবোৰ শিৱ মন্দিৰ, বুঢ়াগোসাঁইৰ থান, বাথৌ মন্দিৰ আৰু পৰম্পৰাগতভাৱে শিৱৰ লগত জড়িত স্থানত শিৱ পূজা হয় আৰু এখন মেলাও বহে। অসমৰ সকলো জনজাতিৰ মাজতে শিৱ হ'ল আদি দেৱ।

শিৱৰাত্ৰিৰ উৎপত্তি সম্পৰ্কে 'বাৰেৰহণীয়া উৎসৱ' গ্ৰন্থত আছে: 'শিৱৰাত্ৰি উৎসৱৰ উৎপত্তি সম্পৰ্কে কেইবাটাও আখ্যান আছে। এক প্ৰবাদ অনুসৰি ব্ৰহ্মা আৰু

বিষ্ণুৰ মাজত কোন শ্ৰেষ্ঠ সেইটো লৈ এবাৰ কাজিয়াৰ সূত্ৰপাত হ'ল। এই সময়ত দুয়োৰে মাজত যেন এক উজ্জ্বল জ্যোতিৰ্ময় স্তম্ভ আকাশৰ পৰা নামি আহি থিয় হ'লহি আৰু স্তম্ভৰ মাজৰ পৰা গুৰুগম্ভীৰ স্বৰেৰে আকাশবাণী কৰিলে—'যিজনেই এই স্তম্ভৰ আদি-অন্ত উলিয়াব পাৰিব, তেৱেঁই হ'ব সকলোতকৈ ডাঙৰ আৰু সৰ্বশ্ৰেষ্ঠ পুৰুষ।' এই দৈৱবাণী শুনি ব্ৰহ্মাই হংস বাহনত উঠি আকাশলৈ আৰু গৰুড়ত উঠি বিষ্ণুৱে পাতালপুৰীলৈ যাত্ৰা কৰিলে। কিন্তু দুয়োৱে আদি-অন্ত বিচাৰি নাপাই পুনৰ নিজৰ ঠাইলৈ ঘূৰি আহিল। দুয়োৰে অহংকাৰ পতন হ'ল আৰু বুজিব পাৰিলে যে সেই জ্যোতিৰ্ময় স্তম্ভ তেওঁলোকতকৈ ডাঙৰ। পুনৰ দৈৱবাণী হ'ল— 'তোমালোকে ভবাৰ দৰে নহয়। এই জ্যোৰ্তিৰ্ময় স্তম্ভৰ পৰাহে বিশ্বজগত সৃষ্টি হৈছে। এই স্তম্ভৰ নামেই হৈছে শিৱলিংগ।' কথা শুনি ব্ৰহ্মা-বিষ্ণুৰ বিবাদৰ ওৰ পৰিল। এক আখ্যান মতে, এজন ব্যাধে চিকাৰ কৰিবলৈ সন্ধ্যা পৰত পহু এটা চিকাৰ কৰি পহুটো মাৰি বাছি-কুচি মাংসবোৰ পাতেৰে মেৰিয়াই ঘৰলৈ ওভতোতে সন্ধিয়া হোৱাত ৰাতিটো বেলগছৰ ওপৰত উঠি কটাবলৈ থিৰাং কৰিলে। এনেদৰে থাকোতে বেলজোপাৰ তলত থকা শিৱলিংগটোত মাংসৰ টোপোলাৰ তেজ পৰে। তেতিয়া ব্যাধেও অজানিতে বেলপাত এটা ছিঙি শিৱলিংগৰ ওপৰত পেলাই দিয়ে। শিৱৰ আন এটা নাম আশুতোষ—অলপতে তেওঁ সন্তুষ্ট হয়। শিৱ সেই ব্যাধৰ পূজাত সন্তুষ্ট হয় আৰু ব্যাধৰ আগত দেখা দিয়ে। তেতিয়া ব্যাধে শিৱৰ আগত সাষ্টাংগে প্ৰণাম কৰে। শিৱ তেতিয়া সন্তুষ্ট হৈ বৰ দি ক'লে যে সিদিনাৰ পৰা ব্যাধৰ দুখ-কষ্টৰ অন্ত হ'ব আৰু অসীম ধন-ঐশ্বৰ্যৰ গৰাকী হ'ব। ব্যাধে শিৱৰ পূজা কৰা দিনটো আছিল ফাগুনৰ কৃষ্ণ চতুৰ্দশী। সেয়েহে সেইদিনাৰ পৰা প্ৰতি বছৰে এই দিনটো শিৱৰাত্ৰি হিচাপে পালন কৰে।'

শিৱৰাত্ৰিত শিৱৰ পূজা ৰাতিটোৰ ভিতৰত কৰিব লাগে। কুলবিল ৰাজহুৱা শিৱালয়ৰ হীৰক জয়ন্তী উৎসৱৰ স্মৃতিগ্ৰন্থ 'মৃত্যুঞ্জয়'ত আছে ঃ শিৱৰাত্ৰিৰ ব্ৰত সন্ধ্যাৰ পৰা আৰম্ভ হয়। ১২ ঘণ্টাৰ ৰাতিটোৰ চাৰিটা প্ৰহৰৰ (প্ৰতিটো প্ৰহৰ তিনি ঘণ্টাকৈ মুঠ ১২ ঘণ্টা) সম্পূৰ্ণ হ'লে ৰাতিপূজা ব্ৰত সম্পূৰ্ণ হয়।' প্ৰসংগক্ৰমে উল্লেখযোগ্য যে শিৱৰাত্ৰিত শিৱ পূজা ৰাতিটোৰ চাৰি প্ৰহৰত চাৰিবাৰ কৰিব লাগে। পুৰোহিত প্ৰতীক শৰ্মাৰ মতে, চাৰি প্ৰহৰৰ প্ৰথম প্ৰহৰত দৈ গাখীৰ শিৱ লিংগৰ ওপৰত, দ্বিতীয় প্ৰহৰত এঁৱা গাখীৰ, তৃতীয় প্ৰহৰত ঘিউ আৰু চতুৰ্থ প্ৰহৰত মৌৰে শিৱলিংগক স্নান কৰাই প্ৰতিবাৰতে পানীৰে ধুৱাই শিৱক পূজা কৰিব লাগে। এইদৰে চাৰি প্ৰহৰত কৰা শিৱ পূজাৰ প্ৰসংগত এক মনোৰম আখ্যানৰ কথা ইয়াত উল্লেখ কৰিব পাৰি। 'শিৱ

পুৰাণ'ত থকা এই আখ্যান মতে, ৰুৰুদ্ৰুহ্ নামৰ এজন নিষাদে শিৱৰাত্ৰিৰ দিনা জলাশয়ৰ ওচৰত থকা বেলগছত উঠি তলত উপস্থিত হোৱা মৃগী এজনীক বধ কৰিবলৈ ধনু-শৰ ধৰোতেই তাৰ লগত থকা পানীৰ অলপমান আৰু বেলপাত খহি তলৰ শিৱলিংগৰ ওপৰত পৰে। এনেদৰে আৰু তিনিবাৰ শৰ ধৰোতে পানী, বেলপাত শিৱলিংগত পৰে। এনেদৰে শিৱৰাত্ৰিত চাৰি প্ৰহৰত কৰিব লগা পূজা সম্পূৰ্ণ হয় আৰু শিৱ সন্তুষ্ট হৈ নিজ মূৰ্তি ধৰি ব্যাধৰ আগত দেখা দিয়ে। শিৱৰ আশীৰ্বাদত ব্যাধৰ পাপ মুক্ত হয়।' ওপৰত উল্লেখ কৰাৰ দৰে সেয়ে শিৱৰাত্ৰিত শিৱলিংগক ধুৱাই পাছত পানীৰে ধুৱাই পূজা কৰিব লাগে। বস্তুবোৰেৰে ধুৱাওঁতে প্ৰতি প্ৰহৰত মন্ত্ৰ মাতিব লাগে। প্ৰথম প্ৰহৰত ধুৱাই মতা মন্ত্ৰ হ'ল—'ওঁ হৌং ঈশানায় নমঃ।' দ্বিতীয় প্ৰহৰৰ মন্ত্ৰ—'ওহৌ অঘোৰায় নমঃ।' তৃতীয় প্ৰহৰৰ মন্ত্ৰ—'ওঁ হৌং বামদেৱায় নমঃ।' চতুৰ্থ প্ৰহৰৰ মন্ত্ৰ—'ওঁ হৌং সদ্যোজাতায় নমঃ।'

প্ৰতিবিধ পূজাত ঘটত পূজা কৰাৰ দৰে শিৱৰাত্ৰিতো ঘটত পূজা কৰা হয়। ৰাজমোহন নাথে লিখিছে ঃ 'তান্ত্ৰিক পূজাৰ ঘটৰ শাস্ত্ৰীয় জোখ-মাখ আছে। যি কোনো এটা ঘট তান্ত্ৰিক পূজাৰ ঘট স্বৰূপে ব্যৱহাৰ কৰিব নোৱাৰি— 'পঞ্চাশদংগুল ব্যাস উৎসেধঃ ষোড়শাংগুলঃ/কলসানাংপ্ৰমাণন্তু মুখষ্টাংগুলং স্মৃতম্।। (কলাৱতী দীক্ষা প্ৰকৰণ)। অৰ্থাৎ ওখ ষোল আঙুল মুখ আঙুলি বহল, বেৰ পঞ্চাশ আঙুলি। সোঁহাতৰ মধ্যমান আঙুলিৰ মাজৰ গাঁঠিক আঙুলি বোলে। চৌবিছ আঙুলিত এহাত। কাজেই এক আঙুলি তিনি পোৱা ইঞ্চি। সেই অনুসৰি তান্ত্ৰিক পূজাৰ ঘট হ'ব লাগে—ওখই ১২ ইঞ্চি, মুখৰ বহল ছয় ইঞ্চি, মাজৰ বেৰ ৩৭ ইঞ্চি। পূজাকৰ্মৰ বিভিন্ন ভাগ আছে। ৰুদ্ৰাক্ষৰ ভূমিকাও আছে। জপ কৰিব লাগে ৰুদ্ৰাক্ষৰে। ৰুদ্ৰাক্ষৰ লগত শিৱৰ সম্পৰ্ক আছে। এই ৰুদ্ৰাক্ষ সম্পৰ্কে এক বৰ্ণনা দিয়াটো প্ৰাসংগিক হ'ব। ড° হৰিনাথ শৰ্মাদলৈয়ে লিখিছে ঃ 'ৰুদ্ৰাক্ষ হ'ল এবিধ গছৰ গুটি আৰু তাৰ ফল। এই গছৰ গুটি ধাৰণ কৰাটো অতীব ফলদায়ক। ৰুদ্ৰাক্ষৰ মালা দেখিলে শিৱ সন্তুষ্ট হয়। 'শিৱ পুৰাণ'ত ৰুদ্ৰাক্ষৰ বিশেষ উল্লেখ আছে। ৰুদ্ৰাক্ষৰ লক্ষণ আৰু আকৃতিভেদে শাস্ত্ৰই তাৰ ফল ভেদ কৰি দেখুৱাইছে। যেনে—একমুখী ৰুদ্ৰাক্ষই জলভয়, দ্বিমুখী ৰুদ্ৰাক্ষই অগ্নিভয়, ত্ৰিমুখী ৰুদ্ৰাক্ষই শাস্ত্ৰাঘাটাদি ভয়, চতুৰ্মুখী ৰুদ্ৰাক্ষৰ আন বহুতো মাহাত্ম্য আছে।'

শিৱৰাত্ৰি হোমাহুতি ব্যৱস্থাৰ লগতে অগ্নিকুণ্ড ব্যৱস্থা আছে য'ত অগ্নিক অধিক গুৰুত্ব দিয়া হয়। অগ্নিৰ লগত শিৱৰ সম্পৰ্ক বিদ্যমান। 'শুক্ল যজুৰ্বেদ'ৰ এক সূক্তিৰে যজ্ঞানুষ্ঠান বা যজ্ঞকৰ্মাৰ্থানুষ্ঠানত অগ্নিক পূজা কৰা তাৎপৰ্যৰ মাজত ইয়াৰ মৰ্মাৰ্থ

উপলব্ধি কৰিব পাৰি। 'শুক্ল যজুৰ্বেদ'ত আছে ঃ 'হে অগ্নিদেৱ, তুমি উদ্বুদ্ধ হোৱা। প্ৰতিদিন তুমি যজমানকো প্ৰলুব্ধ কৰি ৰাখা যেন। যজ্ঞকৰ্মানুষ্ঠানবোৰতো তুমি যেন সৰ্বদা যজমানৰ স'তে একেলগে থাকা। হে বিশ্বদেৱসকল, তোমালোকৰ লগতে যজমানসকলেও যেন একেলগে দেৱতাৰ উৎকৃষ্ট বাসস্থান দ্যুলোকত চিৰকালৰ বাবে বসবাস কৰিব পাৰে।' আকৌ আছে ঃ 'শিশিৰ ঋতুৰ অৱসৰ হৈছে মাঘ আৰু ফাগুন মাহ। ইহঁত অগ্নিদেৱৰ মাজত অৱস্থিত। দ্যুলোক আৰু পৃথিৱী লোক উভয়ে মোক শ্ৰেষ্ঠতা স্বীকাৰ কৰক। দ্যুলোক আৰু পৃথিৱীত অৱস্থিত অন্য যজমানৰ দ্বাৰা সংগৃহীত ইটাবোৰেও শিশি ঋতু সেৱন কৰি এই কৰ্মানুষ্ঠানত ভাগ লওক। হে ইষ্টিকা, এজন সুপ্ৰসিদ্ধ মহান দেৱতাৰ সহায়ত তুমি অংগিৰা ঋষিসদৃশ অচল হৈ থাকা। এই প্ৰসংগত উল্লেখ কৰিব পাৰি শিৱৰাত্ৰি পালিত হোৱা ফাগুন মাহ হ'ল বৃষ্টি সঞ্চয়ৰ মাহ। অৰ্থাৎ এই সময়ছোৱা যিহেতু বাৰিষাৰ আগৰ সময় সেয়েহে এই মাহৰ পাছত বৰষুণৰ অৰ্থে আকাশত ডাৱৰ সঞ্চয় হয়। বাৰিষাৰ বৰষুণৰ পানী শস্য খেতিৰ বাবে প্ৰয়োজন। ফাগুন-চ'তত মানুহৰ ঋতুজনিত কাৰণত বেমাৰ-আজাৰ বৃদ্ধি হয়। বাৰিষাৰ পানীয়ে ঔষধি গছবোৰৰ (আয়ুৰ্বেদিক ঔষধি গুণসম্পন্ন) প্ৰাণ সঞ্জীৱিত কৰি পুষ্টি প্ৰদান কৰি বেমাৰ-আজাৰ নাশত অৰিহণা যোগায়। শিৱৰ আন এটা নাম 'বৈদ্যনাথ' অৰ্থাৎ ৰোগ নাশৰ অধিষ্ঠাতা দেৱতা গতিকে এনেবোৰ তাৎপৰ্য ব্যাখ্যাৰ দ্বাৰাই শিৱৰাত্ৰি পালিত মাহ, অগ্নিৰ লগত শিৱৰ সম্পৰ্ক আদিৰ তাৎপৰ্য উপলব্ধি কৰিব পাৰি। শিৱক ধতুৰা ফুলেৰে পূজা কৰাটো ফলদায়ক। ভাং, ঘুতা আদি শিৱৰ প্ৰিয়। শিৱ আপোনভোলা স্বভাৱৰ বাবে মানুহৰ মাজত এজন অতি প্ৰিয় বা উপাস্য দেৱতা।

ঝেঝেৰা দল

বৰ্তমান কামৰূপ জিলাৰ এক লুপ্তপ্ৰায় লোক-নাট্য অনুষ্ঠান হ'ল ঝেঝেৰা দল। ঝেঝেৰা শব্দটোৰ অৰ্থ হ'ল যুঁজাৰু। ঝেঝেৰাপটি মানে যুঁজাৰু দল। এই দলৰ দ্বাৰা অনুষ্ঠান পৰিবেশনৰ বেলিকা ঢোল বজাই যুঁজ কৰাৰ লগতে নানা ভংগী প্ৰদৰ্শন কৰে। তাৰ পিছত নৃত্য-গীত পৰিবেশনৰ লগত আনন্দোল্লাসো কৰে।

ঝেঝেৰা দলৰ অনুষ্ঠান প্ৰদৰ্শনৰ মূল প্ৰতিবাদ্য বিষয় হ'ল শক্তি, কৌশল প্ৰদৰ্শন। এই অনুষ্ঠানৰ কলা-কুশলীসকলে গাত, মুৰত জন্তুৰ সাজ-সজ্জা কৰি যুঁজৰ অভিনয় কৰে। এক কথাত প্ৰকৃতি জগতৰ জীব-জন্তুৰ মাজৰ কাৰ্যকে কলাসম্মতভাৱে প্ৰদৰ্শন কৰা হয়। যুঁজৰ বেলিকা শক্তি প্ৰদৰ্শনত থাকে বিজয়ী হোৱাৰ আকাংক্ষা। ইয়াক ভয়াবহ যেন লাগিলেও ইয়াৰ মাজত থকা শিল্পবোধৰ দিশটোৰ কথাও গুৰুত্বপূৰ্ণ। যোগ্যতাৰ ভেটিত নিজক প্ৰতিষ্ঠা কৰা বিষয়টোৱেই হ'ল শিল্পবোধৰ উক্ত দিশ। প্ৰতিযোগিতাত অৱতীৰ্ণ হ'লেহে নিজৰ যোগ্যতা প্ৰতিষ্ঠা কৰিব পাৰি। এই কথা জীব-জন্তু, মানুহ সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য। তাহানি ৰজা-মহাৰজাই আন ৰজা-মহাৰজাৰ ৰাজ্যৰ ওপৰত আক্ৰমণ চলাই কৰা যুঁজ বা ৰণ সৃষ্টিৰ উদ্দেশ্য ৰাজ্য বৃদ্ধিৰ লগতে শক্তি, ৰণকৌশল প্ৰদৰ্শনো আছিল। বিজয়ী ৰজাজনৰ ৰাজ্যত যুঁজৰ পিছত আনন্দ উৎসৱ হয়। অৱশ্যে ঝেঝেৰা দলৰ অনুষ্ঠান প্ৰদৰ্শনৰ বেলিকা হিংসা, শত্ৰুতাৰ সলনি আনন্দ, উৎসাহে প্ৰাধান্য পায়। এই অনুষ্ঠানৰ যুঁজৰ পিছত আনন্দোচ্ছল পৰিবেশৰ সৃষ্টি হয়।

'অসমৰ লোক-নাট্য' নামৰ গ্ৰন্থত (লিখক : ৰাম গোস্বামী) আছে : 'দুজন ২৫ বছৰমান বয়সৰ ডেকা ল'ৰাই মূৰত গামোচাৰ পাগ মাৰি যুঁজৰ বাবে সাজু হয়। দুয়োৱে টঙালি বান্ধি চং দেখুৱাবলৈ সাজু হয়। এজনৰ মূৰৰ পাগত ম'হৰ শিং কৰি ঢকুৱা বান্ধে। আনজনেও পাগত গৰুৰ শিং কৰি ঢকুৱা বান্ধে। মুখত সানি লয় চূণ, ছাই, ৰঙা মাটি আৰু কেঁচা হালধি।' ঝেঝেৰা দলৰ এই আংগিকৰ লগত গোৱালপাৰাত প্ৰচলিত কালী-চণ্ডী নাচৰ এক অংশৰ মিল চকুত পৰা। এই অনুষ্ঠানত মঞ্চত সহযোগী শিল্পীসকলে জন্তুৰ মুখা পিন্ধে। আকৌ পূব ভাৰতত প্ৰচলিত চৌ নৃত্যৰ লগতো মিল আছে। এই নৃত্যতো কাগজ, কাঠৰ মণ্ড, কাপোৰ, মাটিৰ স্থানীয় ৰং আদি ব্যৱহাৰ কৰি তৈয়াৰ কৰা মুখা ব্যৱহাৰ হয়। আকৌ নামনি অসমৰ মহোহো

অনুষ্ঠানৰ লগতো সাদৃশ্য পৰিলক্ষিত হয়। মহোহো অনুষ্ঠানত ভালকু, চৌ আদিৰ সাজ-সজ্জা কৰা এজন ল'ৰাই নাচ, অংগি-ভংগি কৰে। ঝেঝেৰা দলৰ অভিনয়ত ল'ৰা দুজনে সমগ্ৰ শৰীৰত বাঘৰ ছালৰ দৰে ক'লা, বগা, হালধীয়া আঁক-বাক কৰি লয়। ধতুৰাৰ গুটিৰ এঠাৰে লগোৱা গুঁই সাপৰ ছালৰ বৰতিৰ এটা ঢোল ডিঙিত লয়। দুয়োজনৰ হাতত টেমেকা (ঢোল বজোৱা মাৰি)।

ৰাইজ আহি দুয়োজনৰ চৌপাশে গোট খায়। দুয়োজনে ঢোল বজাই মুখেৰে ছেওবোৰ মাৰি মাৰি মূৰে মূৰে যুঁজ কৰে। এজনে আনজনক আক্ৰমণ কৰে আৰু এজন নহৰালৈকে আনজনে যুঁজ এৰি নিদিয়ে। এইদৰে ঢোল বজাই যুঁজ কৰাৰ ক্ষেত্ৰত এটা কথা আমাৰ বোধগম্য হৈছে। ঢোলৰ শব্দই অকল উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি নকৰে, মানুহৰ ভাব-অনুভূতিৰ ক্ষেত্ৰতো ঢোলৰ শব্দই প্ৰভাব বিস্তাৰ কৰে। ই মানুহৰ হৃদস্পন্দন বঢ়াই উত্তেজিত কৰি তোলে। ম'হ যুঁজত সেয়ে সিহঁতক উত্তেজিত কৰিবলৈ ঢোল বজোৱা হয়। আকৌ মানুহে আনন্দ প্ৰকাশ কৰিবলৈ বা আনন্দপূৰ্ণ মুহূৰ্ততো ঢোল বজায়। অৱশেষত পিঠিৰে, বুকুৰে, টিকাৰে যুঁজ দেখুৱাই এজনে আনজনক বগৰাই বুকুৰ ওপৰত বহি ঢোল বজাই নানা ভংগী প্ৰদৰ্শন কৰে। লগে লগে তাত গোট খাই থকা ৰাইজে হাত-চাপৰি আৰু কিৰিলি পাৰি বিজয়ী ল'ৰাজনক দাঙি নি নৃত্য, গীত, আনন্দ কৰে।

বিজয়ী ল'ৰাজনক লৈ ৰাইজে এনেদৰে ৰং-আনন্দৰ মাজেৰে কৰা এই গীত নৃত্যক ৰণ নৃত্যৰ এক প্ৰকাৰ বুলি ধৰি ল'ব পাৰি। মুকুন্দ শৰ্মাই তেওঁৰ গ্ৰন্থ 'বহুৰঙী'ত লিখিছে ঃ 'মানৱ জীৱনৰ আশা-নিৰাশা, আনন্দ উচ্ছ্বাস, হৰ্ষ-বিষাদ আদিৰ লগত জড়িত বিভিন্ন নৃত্য। নৃত্যৰ বিভিন্ন ভংগিমাৰে নৃত্যৰ তালে তালে প্ৰকাশ কৰা মানুহৰ ব্যক্তিগত তথা সামাজিক আৱেগ-অনুভূতি। মানৱ সভ্যতাৰ জ্ঞান বিকাশত প্ৰথম খোজ আৰম্ভ হোৱাৰ লগে লগে নৃত্যৰো আৰম্ভ হ'ল। বিভিন্ন জাতি, উপ-জাতিয়ে যুঁজৰ বাবে সাজু হোৱা, যুদ্ধৰ সুফল কামনা কৰা, যুদ্ধজয়ৰ জয়োল্লাসত যুঁজাৰুসকলক সঁহাৰি জনোৱা কিম্বা সাম্প্ৰদায়িক সম্প্ৰীতি সজাগ কৰা আৰু সমৃদ্ধ কৰাই ৰণ নৃত্যৰ উদ্দেশ্য বুলি আনুমানিকভাৱে ধৰিব পাৰি। ভাৰত নাট্য শাস্ত্ৰত তাণ্ডৱ আৰু লাস্য নৃত্যৰ অৱস্থান পাওঁ। তাণ্ডৱ নৃত্যৰ পৰাই ৰণ নৃত্যৰ আভাস ল'ব পাৰি। সংস্কৃত নাটকৰ ডিম আৰু সমৱকাৰ ৰূপকৰ কথাবস্তু হ'ল ৰণ সংক্ৰান্তীয়। তাৰ অন্তৰ্গত নৃত্যসমূহো ৰণ নৃত্যৰ ধৰণৰ হ'ব বুলি অনুমান কৰিব পাৰি। ইন্দ্ৰ হ'ল ৰণৰ দেৱতা। অতীতত ৰজা-মহাৰজাই যুদ্ধত জয়ী হৈ অহাৰ পিছত ৰাজ্যত আনন্দ উৎসৱৰ আয়োজন হৈছিল। যুদ্ধত জয় লাভৰ পিছত ঘৰলৈ আহি ৰণৰ সাজ-পোছাক পিন্ধি

শত্ৰুৰ মূৰ লৈ নাচিছিল। ডঃ বিৰিঞ্চিকুমাৰ বৰুৱাই কৰা নৃত্যৰ বিভিন্ন বিভাগৰ ভিতৰত এটা হ'ল আনন্দ-উচ্ছ্বাস আদিৰ উদ্দেশ্যত কৰা নৃত্য।

ৰাইজে খেল দেখুওৱা ল'ৰা দুজনক আদৰ-সাদৰ কৰি পানীপিঠা, জলপান খুৱায়। ল'ৰা দুজনেও ইজনে সিজনক সাবটি চেনেহ কৰে। দুয়ো মাটিত মূৰ লগাই ৰাইজক সেৱা কৰি বিদায় লয়।

ঝেঝেৰা দলৰ অভিনয়ক এক প্ৰকাৰ খেলো বুলিব পাৰি। মানুহে শক্তি পৰীক্ষাত কৰা এই অনুষ্ঠানক মল্লযুদ্ধ, হাউ খেল আদিৰ লগত মিলাব পাৰি। মল্লযুদ্ধত দুজন মালে সাবটা-সাবটি, হুচিয়াই মেলি যুদ্ধ কৰে। আকৌ যুদ্ধৰ পিছত ইজনে সিজনক সাবটি চেনেহ জনাই খেলৰ স্থলীৰ পৰা আঁতৰে। হাউ বা হাদুগুদু খেলত দুটা পক্ষৰ মাজত খেল হয়। এটা পক্ষৰ খেলুৱৈ এজনে আনটো পক্ষৰ ফাললৈ গৈ হাউ বুলি মুখেৰে একেৰাহে কৈ থাকে। বিপৰীত পক্ষৰ খেলুৱৈসকলে গবা মাৰি ধৰি ধৰাশায়ী হৰি 'হাউ' বুলি কৈ থকা উশাহটো শেষ হোৱালৈ ৰাখে। পিছত খেলুৱৈজন খেলত পৰাজিত হৈ খেলৰ পৰা বাহিৰ হ'ব লাগে।

ঝেঝেৰা দলৰ অনুষ্ঠানৰ লগত কেৰালাত প্ৰচলিত ওচিৰা কালি উৎসৱৰ আংগিকৰ মিল আছে। জুন মাহত হোৱা এই উৎসৱত দলৰ মাজত যুঁজৰ অভিনয় হয়। কলাফুললৈকে পানীত নামি নাচ নচাৰ লগতে ইটোৱে সিটোৰ গাত পানী ছটিয়াই আনন্দ কৰে। ঝেঝেৰা দলৰ অনুষ্ঠানৰ লগত সাদৃশ্য থকা ওচিৰা কালি উৎসৱৰ এটা দৃশ্য।

মহোহো

মহোহো এক ঋতুকালীন উৎসৱ। ইয়াক পালন কৰা হয় আঘোণ মাহৰ পূৰ্ণিমাৰ দিনা। ই ঘাইকৈ নামনি অসমতহে প্ৰচলিত উৎসৱ। ইতিহাসৰ আদি কালৰে পৰা পৰম্পৰাগতভাৱে এই উৎসৱ চলি আহিছে। মহোহোত নগৰাঞ্চলৰ সলনি গাঁৱৰ চেমনীয়াসকলেহে ভাগ লয়। এই উৎসৱ কোনো এক নিৰ্দিষ্ট স্থানত পালিত হোৱাৰ সলনি মানুহৰ ঘৰে ঘৰেহে গীত-মাতৰ যোগেদি অনুষ্ঠিত হয়। সেইদিনা সন্ধিয়াৰ পৰা চেমনীয়াসকলে মানুহৰ ঘৰে ঘৰে গৈ বাদ্য বজাই গীত গায়। ই আদিম অনাখৰী, সৰল চহা লোকৰ চেমনীয়াৰ উৎসৱ। সেয়ে বাদ্যসমূহ তেনেই সাধাৰণ—বাঁহৰ।

এই উৎসৱ পালনৰ তাৎপৰ্য হ'ল—মহ খেদা। এই মহ খেদা উৎসৱৰ পিছতে মহবোৰ নোহোৱা হয় বুলি বিশ্বাস প্ৰচলিত। সেয়ে এই উৎসৱৰ আন এটা নাম, 'মহ খেদা উৎসৱ'। এই উৎসৱৰ আন এটা নাম হ'ল 'ভাল ভলুকা'। এই উৎসৱৰ প্ৰস্তুতি তিনি-চাৰি দিনমান আগৰে পৰা চলে। এই উৎসৱত ভাগ লোৱাৰ কাৰণে গাঁৱৰ চেমনীয়াসকলৰ সাত-আঠজন লগ হৈ একোটা দল পাতে। তেওঁলোকৰ দলক মহোহো দল বোলে। উৎসৱৰ দিনা দলবোৰৰ চেমনীয়াসকল গাঁৱৰ এঠাইত গোট খায়। সাধাৰণতে গাঁৱৰ এমূৰৰ পৰা মহোহো গীতৰ আৰম্ভ কৰে। নলবাৰী জিলাৰ গন্ধিয়া গাঁও অঞ্চলত এই উৎসৱৰ এবিধ বিশেষ বৈশিষ্ট্য আছে। এই উৎসৱত এজনক চৌ সজোৱা হয়। সেই ল'ৰাজনৰ গাত কলগছৰ শুকান পাত মেৰিওৱা হয়। মুখত ক'লা-বগা ৰঙৰে আঁক-বাক কৰা হয়। মহোহো গীত গোৱাৰ লগে লগে তেওঁ বহুবালিৰে ভৰা নানা অংগি-ভংগি কৰে। মানুহ এঘৰত উপস্থিত হৈ দলটোৱে কৈ উঠে 'ভাল হওক', 'কুশল হওক'। তাৰ পিছত দলটোৰ দলপতিয়ে চোতালৰ সোঁমাজত বাঁহৰ টাঙোন এডাল মাটিত লগাকৈ ধৰে। তাত চাৰিজনে লাঠিৰে কোবাবলৈ ধৰে। আন দুজন ল'ৰাৰ এজনে টকা বজায় আৰু আনজনে আনবিধ বাদ্য বজায়। শব্দৰ লগে লগে গীতো গায়। গীতটো দলপতিয়ে লগাই দিয়ে। পিছত বাকীবোৰে গায়। এই উৎসৱত গোৱা গীত এটি হ'ল :

"অহোহো মহোহো। মহ খেইদবা হুকুম দো।।
মহে বুলে মইলু দে। টেপৰ মুৰা খালু দে।।

টেপোৰীত নহ'ল নুন। চাউল লাগে দুণ দুণ।।
চাউল নিদি দিলাক খৰি। মহৰ মাক গেল মৰি।"

আকৌ গৃহস্থক উদ্দেশ্য কৰি খিচা গীতো গায় ঃ

"আহাৰ ঘৰত ভঙা লুৰি। বুঢ়াই হাগে একো পাচি
আহাৰ ঘৰৰ ভঙা নাও। বুঢ়ী হাগে একো নাও।"

এই উৎসৱত দলটোৱে গৃহস্থক টকা-পইছা খুজি গীত গায় ঃ

"বাঁহৰ পাত চিকি মিকি। আমাক লাগে আধলি সিকি....."। এই উৎসৱত গোৱা মহোহো গীতত খেল-ধেমালিৰ উল্লেখো পোৱা যায়।

আঘোণৰ পূর্ণিমা/এই পূর্ণিমাত মহোহো/আমি খেলং বাঘভোল

বাঘভোলৰ গলত মণি/আমাক বিদায় দিওৱে/আইচু ভকত মাচছু খুঁটি নেদা মানে নাযং গুচি।

এই উৎসৱৰ লগত গোৱালপাৰাৰ 'এউৰী উৎসৱ', 'সোণ ৰায় পূজা, দৰঙৰ 'মইহ্ খোদা' পূর্ব বংগৰ 'ভাল্লা-ভুলা' উৎসৱৰ সাদৃশ্য আছে। অৱশ্যে দৰঙৰ 'মইহ খোদা' উৎসৱ কৃষকে খেতি-পথাৰৰ পৰা মহ খেদিবলৈ আৰু পূব বংগৰ 'ভাল্লা-ভুলা' উৎসৱক কৃষকে খেতি-পথাৰৰ পৰা খেতিৰ অনিষ্টকাৰী কীট-পতংগ, জীৱ-জন্তুক খেদিবলৈ পাতে। কোনো কোনোৰ মতে মহোহো উৎসৱ মহৰ সলনি বাঘ খেদা উৎসৱহে।

মহোহো উৎসৱৰ এক উল্লেখযোগ্য দিশ হ'ল জাতিগত সম্প্রীতি। এই উৎসৱ অকল হিন্দুসকলেই নহয়, কোনো কোনো ঠাইত মুছলমান লোকসকলেও পালন কৰে। মুছলমান সম্প্রদায়ৰ চেমনীয়া ল'ৰাসকলেও এই উৎসৱত উল্লিখিত ধৰণে ভাগ লয়। (অৱশ্যে তেওঁলোকে গোৱা মহোহো গীতসমূহ বেলেগো হ'ব পাৰে।) আকৌ মহ খেদিবলৈ হিন্দুৰ ঘৰলৈ মুছলমান আৰু মুছলমানৰ ঘৰলৈ হিন্দু যায়। হিন্দু-মুছলমানৰ এই সম্প্রীতি মহোহো উৎসৱৰ উজ্জ্বলতম দিশ। এই উৎসৱ অসমীয়াভাষীসকলেই নহয়, অসমৰ নানা জনজাতিয়েও পালন কৰে।

মহোহো দলটোৱে গীত গাই গৃহস্থক আশীর্বাদ কৰি বিদায় ল'বলৈ ওলায়। গৃহস্থই দলটোক সেৱা কৰি টকা-পইছা, চাউল আদি দিয়ে। কিছুমান ঠাইত মহোহো দলক গৃহস্থই চাউল, নাৰিকলৰ লাডু খুৱায়।

এই উৎসৱৰ লগত কৃষিৰ সম্পর্ক বিদ্যমান। আঘোণত খেতি-পথাৰৰ পৰা ধান আনি ভঁৰাল ওপচোৱা হয়। তেনে সময়তে মহোহো উৎসৱ পাতি চাউল আদি তোলে। কৃষকসকলে নিজৰ অতিৰিক্ত ধানখিনি বিক্রী কৰি ধনো সংগ্রহ কৰে।

আনহাতে মহোহো দলক দিয়া লাড়ুও চাউলৰে। গতিকে ধান, চাউলৰ এনেবোৰ ভূমিকাই উৎসৱটোৰ কৃষিৰ লগত থকা সম্পৰ্ক প্ৰমাণ কৰে। মহোহো গীততো এই কৃষিৰ লগত থকা সম্পৰ্ক প্ৰতিফলিত হয়। গীতবোৰত ধানৰ উল্লেখ আছে।

"ধাৰা নাকা আউলা ধান/জাপে কাটিম নাক কাণ/নাকান্দিবি কলৰ ছাটি আঘোণৰ পূৰ্ণিমাত লগাম বাতি।"

মহোহো উৎসৱৰ গীত-মাতৰ লগত উজনি অসমৰ হুঁচৰিৰ গীত-মাত আদিৰ মিল আছে। বাস্কা অঞ্চলৰ 'বোম্বাল পিতা উৎসৱ'ৰ গীত-মাতৰ লগতো মিল আছে। মহোহোত গোৱা গীতসমূহৰ ভাষা নামনি অসমৰ কথিত ভাষা। এই উৎসৱ যিহেতু ঘাইকৈ নামনি অঞ্চলতহে উদ্‌যাপিত হয় সেয়ে গীতৰ ভাষাও মানুহৰ কথিত ভাষা। নানা ধৰণেৰে বৈশিষ্ট্যপূৰ্ণ মহোহো উৎসৱ। ইয়াৰ বিশেষকৈ সম্প্ৰীতিৰ দিশটোৱে লোক-সংস্কৃতিক মহীয়ান কৰিছে।

দৰ পূজা

বৰ্তমান দৰ পূজা শাৰদীয় দুৰ্গা পূজাৰ সময়ত উদ্‌যাপন কৰা হয়। অতীতত ৰজা-মহাৰজাই এই উৎসৱ পাতিছিল ৰণলৈ যাত্ৰা কৰাৰ আগমুহূৰ্তত। পূজাৰ উদ্দেশ্য আছিল ৰণত ৰজা-মহাৰজাই যাতে শত্ৰুক পৰাজিত কৰি জয়ী হ'ব পাৰে। বৰ্তমানো এই পূজা কৰে শাৰদীয় দুৰ্গা পূজাৰ বিজয়া দশমীৰ দিনা লক্ষীমপুৰৰ জমিদাৰৰ আৰু দৰঙৰ ৰাজবংশৰ লোকসকলে।

প্ৰচলিত পৰম্পৰা মতে বিজয়া দশমীৰ দিনা শাস্ত্ৰপূজা কৰি ৰাজ্যৰ সীমা লংঘন কৰিব লাগে। দৰাচলতে দুৰ্গা পূজাৰ উৎপত্তি হৈছে শক্তি আহৰণৰ উদ্দেশ্যত। ৰজা সুৰথে ৰাজ্য হেৰুৱাই বসন্তকালত দুৰ্গা বা চণ্ডীৰ উদ্দেশ্যে পূজা কৰিছিল ৰণত শক্তিশালীভাৱে যুঁজি জয়ী হৈ হৃত ৰাজ্য পুনৰুদ্ধাৰৰ বাবে। দেৱীয়ে সন্তুষ্ট ৰজাক বৰ প্ৰদানৰ ফলত ৰণত তেওঁৰ জয়ী হৈছিল। বসন্ত কালত কৰা এই পূজাৰ নাম আছিল বাসন্তী পূজা। বসন্ত কালত এই পূজা এতিয়াও উদ্‌যাপিত হয়। ৰামচন্দ্ৰয়ো ৰাৱণক হৰুৱাই ৰণত জয়ী হ'বলৈ দুৰ্গা পূজা শৰৎকালত কৰিছিল। আজিও শৰৎকালত হয় 'শাৰদীয় দুৰ্গা পূজা'। তাহানিতে বিশ্বসিংহ, নৰনাৰায়ণ, চিলাৰায় আদিৰ দিনত কোনো এখন ৰাজ্য জয় কৰিবলৈ যোৱাৰ আগমুহূৰ্তত চণ্ডী পূজা কৰিছিল। এই পূজা ৰণচণ্ডীৰ পূজা। 'দৰ পূজাত সৈন্য-সেনাপতিসকলে দেৱী পূজাৰ ভোগ গ্ৰহণপূৰ্বক উন্মুক্ত অসি (জৰোৱাল) ধাৰণপূৰ্বক নাইবা ধনু-কাঁড় ধাৰণ কৰি নানা অংগি-ভংগি দেখুৱাই নৃত্য কৰিছিল। এই নৃত্যৰ জৰিয়তে সৈন্য বা সেনাপতিসকলৰ শক্তি আৰু বীৰত্বৰ ভাব প্ৰকাশ পাইছিল। যাত্ৰা কৰাৰ আগমুহূৰ্তত উদ্‌যাপন কৰা এই পূজাক 'ৰণচণ্ডী পূজা', নাইবা 'ৰণযাত্ৰা পূজা' নুবুলি 'দৰ পূজাহে' বোলা হৈছিল। ভয় দেখুৱাবৰ কাৰণে যি পূজা কৰা হৈছিল তাকেই দৰ পূজা বোলা হৈছিল বুলি ক'ব পাৰি। দ্বিতীয়তে, এই পূজাৰ দ্বাৰা সৈন্য-সেনাপতিসকলে ৰণচণ্ডী দেৱীৰ পৰা শক্তিলাভ কৰি বিপক্ষীয় ৰজাসকলক পৰাজয় কৰি তেওঁলোকৰ অন্তৰত ভয় আৰু সন্ত্ৰাস সৃষ্টি কৰিছিল। সেইবাবে এই পূজাক 'দৰ পূজা' বোলা হৈছিল যেন লাগে। তৃতীয়তে, 'দণ্ড' (গদা) শব্দৰ পৰাও 'দৰ' পদৰ বিকাশ হ'ব পাৰে। দণ্ড পূজা শস্ত্ৰ পূজাৰ প্ৰতিশব্দৰূপেও ব্যৱহাৰ হোৱা দেখা যায়। গতিকে অস্ত্ৰ বা শস্ত্ৰৰ প্ৰতিশব্দ ৰূপেই 'দৰ' পদটো প্ৰয়োগ হোৱা স্বাভাৱিক।

পৃথিৱীৰ আন আন দেশতো যুদ্ধ যাত্ৰাৰ আগমুহূৰ্তত বা যুদ্ধৰ সময়ত কৰা পূজাৰ প্ৰচলন আছে। টিমোৰ দ্বীপৰ মানুহৰ মাজত যেতিয়া যুদ্ধ ঘোষণা হয় তেতিয়া তিৰোতাবোৰে হাতত ফলমূল লৈ প্ৰাৰ্থনা কৰে—'হে সূৰ্য। আমাৰ স্বামী, পুত্ৰ, ভাই, ভতিজাৰ ওচৰলৈ অহা গুলি উফৰি পৰক। তেওঁলোকক বল দিয়া, শক্তি দিয়া যাতে শত্ৰুক নিহত কৰিব পাৰে।'

নৰনাৰায়ণ, চিলাৰায়ৰ বংশধৰ দৰংগী ৰজাসকলে শস্ত্ৰ পূজনক 'দৰ পূজা' আখ্যা দিছিল। এওঁলোকৰ ৰাজত্বৰ দিনত এই নিৰ্দিষ্ট দিনৰ সলনি যুদ্ধ যাত্ৰাৰ আগমুহূৰ্ততহে পূজা কৰিছিল। আহোম ৰাজ্য আক্ৰমণ কৰাৰ আগতে দুয়ো কছাৰী ৰীতিৰে মাদল বজাই দেৱতাসকলক পূজা কৰিছিল। দয়ো আৰাধ্যা দেৱী চণ্ডীকাকে ষোড়শোপচাৰে পূজা কৰিছিল। বৰ্তমান দৰঙী ৰজাৰ বংশধৰসকলে দুৰ্গা দেৱীৰ পূজাৰ লগতহে দৰ পূজা কৰে। শাৰদীয় দুৰ্গা পূজাৰ বিজয়া দশমীৰ দিনা দশমী বিহিত পূজা সমাপনৰ পাছত দেৱী বিসৰ্জন দিয়াৰ আগমুহূৰ্তত দৰ পূজা পালন কৰে। এই পূজা ৰাজহুৱা বা ব্যক্তিগতভাৱে দুয়ো পদ্ধতিত উদ্‌যাপিত হয়। পূৰ্বতে ৰণত দৰঙী ৰজাসকলে ব্যৱহাৰ কৰা অস্ত্ৰ-শস্ত্ৰবোৰ বংশধৰসকলৰ ঘৰত সংৰক্ষিত ৰূপত আছে। সেইবোৰ আনি পূজাৰ স্থলী পায়। তাত তেওঁলোক যুদ্ধযাত্ৰা কৰাৰ নিচিনাকৈ শাৰী পাতি থিয় হয়। যুদ্ধযাত্ৰাৰ সময়ত থকাৰ দৰে দৰ পূজাতো অগ্ৰভাগত থাকে সেনা, ৰাজকোঁৱৰসকলৰ শাৰীৰ আগভাগত দৰঙী ৰজাৰ চিহ্নযুক্ত এখন পতাকা। নানা অস্ত্ৰ-শস্ত্ৰৰ লগতে তেওঁলোকে হাতত একপ্ৰকাৰ যাঠি লয়। যাঠিৰ ওপৰত সোণ-ৰূপৰ দ্বাৰা নিৰ্মিত শক্তিৰ প্ৰতীক এটা সংযোগ কৰা দেখা যায়।

এই দৰ পূজাত নৈবেদ্য, আন উপাচাৰ আগবঢ়োৱাৰ লগতে বলিও আগবঢ়ায়। দৰ পূজাৰ জৰিয়তে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গাক বিভিন্ন পদ্ধতিৰে পূজা কৰে। নানা মাংগলিক বাদ্য বাজে। আগতে ৰণযাত্ৰাৰ আগমুহূৰ্তত ৰণ দুন্দুভী বজোৱা হৈছিল। তেনেদৰে দৰ পূজাৰ সময়তো দেহত বীৰ ৰস উদ্দীপক বাদ্যাদি বজায়। ইয়াৰ তালে তালে হাতত অস্ত্ৰ লৈ থকা কোঁৱৰসকলে যুদ্ধযাত্ৰাৰ ভাব-ভংগী প্ৰকাশ কৰে। কিছু সময় পাছত দৰ পূজাৰ সমাপ্তি ঘটে। দেৱীক বিসৰ্জন দিয়ে। বংগদেশত ৰণচণ্ডী ৰূপত দুৰ্গাক ধনুৱা সামন্ত লোকসকলে যুদ্ধ-বিগ্ৰহত জয়ৰ আশাৰে পূজা কৰিছিল।

ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে 'দেৱী' গ্ৰন্থত লেখিছে : 'মহিষমৰ্দিনী ৰূপৰ এক ব্যাখ্যা মতে ভূমধ্য সাগৰীয় অঞ্চলৰ 'বাইৰ্গো' দেৱীয়েই ভাৰতৰ দুৰ্গা নাম পৰিগ্ৰহ কৰিছে। এওঁ যুদ্ধৰ দেৱী। পণ্ডিতসকলৰ ব্যাখ্যা মতে ভূমধ্য সাগৰীয় অঞ্চলৰ মনখেমৰ জাতিৰ ওপৰত বিজয়েই মহিষমৰ্দিনী দেৱী মূৰ্তিৰ গূঢ়াৰ্থ। হিন্দুসকলৰ গো

যেনেকৈ টোটেম, মনখেম্‌সকলৰ টোটেম হৈছে মহিষ। মনখেম্‌ৰ মৰ্দনেই মহিষমৰ্দন বুলি এইসকল পণ্ডিতে ক'ব খোজে।'

দৰ পূজাত ৰণযাত্ৰাৰ আগমুহূৰ্ত্তত দুৰ্গাক পূজা কৰা প্ৰসংগৰ লোকনাট্যৰ প্ৰভাবযুক্ত এক উৎসৱ বুলি ক'ব পাৰি। কাৰণ এই পূজাত সেনাপতিসকলে তাহানি নৃত্য কৰাৰ লগতে বৰ্তমান ৰজাৰ বংশধৰসকলে যুদ্ধযাত্ৰাৰ ভাব-ভংগী প্ৰকাশ কৰে।

বৃক্ষ বিবাহ

আদিম মানৱৰ সমাজত প্ৰকৃতিৰ বিভিন্ন উপাদানক ভগৱান বা দেৱ-দেৱীৰ উৎস হিছাপে গণ্য কৰি মানুহে পূজা সেৱা কৰিছিল। পৰৱৰ্তী সময়ত সংস্কাৰবদ্ধ সমাজ ব্যৱস্থাত যুগৰ লগত খোজ মিলাই এই পূজা-সেৱাসমূহো প্ৰচলিত হৈ থাকিল। এই পূজা-সেৱাসমূহক লৈ প্ৰচলিত কিছুমান কথাক অন্ধবিশ্বাস যেন লাগিলেও উৎসৱসমূহৰ মাজত যে দেশৰ সংস্কৃতিৰ স্বৰূপ লুকাই আছে তাৰ সত্যতাক নুই কৰিব নোৱাৰি। এখন দেশৰ ঐতিহ্য, গৌৰৱৰ পৰিচায়ক সেই দেশৰ সংস্কৃতি নিজৰ দেশৰ সংস্কৃতিৰ স্বৰূপ নজনাকৈ বিশ্ব দৰবাৰত প্ৰতিষ্ঠা লাভৰ প্ৰচেষ্টা অসম্পূৰ্ণযুক্ত। দেশ এখনৰ ঐতিহ্য সংস্কৃতি যিমানে লুপ্তপ্ৰায় অৱস্থালৈ গতি কৰে সিমানে দেশখনৰ আত্ম-প্ৰতিকৃতি বিকৃত হৈ পৰিবলৈ ধৰে। সেয়ে দেশ এখনৰ এনে উৎসৱ-পাৰ্বণসমূহৰ পালনৰ তাৎপৰ্য অপৰিসীম।

আদিতে কিছুমান জনবিশ্বাসক লৈ একো একোটা উৎসৱ পালন কৰা হৈছিল। যেনে—ভেকুলীৰ বিয়া, গৰখীয়া সেৱা, বৃক্ষ বিবাহ আদি। খেতিৰ সময়ত খৰাং হ'লে বা বহুদিন ধৰি বৰষুণ নহ'লে দুটা মতা-মাইকী ভেকুলীৰ মাজত বিয়া পাতি দিয়া হৈছিল। তেনেদৰে কোনো দম্পতী নিঃসন্তান হৈ থাকিলে গৰখীয়া সেৱা কৰিছিল। অপুত্ৰক বা কেও কিছু নোহোৱা মানুহে বৃক্ষ বিবাহ পাতি দি পুণ্য অৰ্জন কৰিছিল।

বৃক্ষ বিবাহত প্ৰথমে ৰাজহুৱা স্থান, আলিৰ কাষ বা চ'কত আঁহত আৰু বট গছ দুডাল ৰোৱে। সেই গছ দুডাল ঠাল-ঠেঙুলিৰে জাতিষ্কাৰ হৈ উঠিলে কোনো এক শুভ দিনত গছ দুডালৰ প্ৰতিষ্ঠা উৎসৱ পতা হয়। সাধাৰণতে মাঘ মাহৰ পিছৰ পৰা ছয় মাহৰ ভিতৰত বৃক্ষ বিবাহ সম্পন্ন কৰা হয়। দিনত বৃক্ষ প্ৰতিষ্ঠা কৰি ৰাতি বিবাহ কাৰ্য সম্পন্ন কৰা হয়। এই বিবাহত আঁহতক বিষ্ণু আৰু বটক লক্ষ্মী স্বৰূপে গণ্য কৰা হয়। এই বিবাহ পদ্ধতি মানুহৰ বিবাহ পদ্ধতিৰ সমপৰ্যায়ৰ।

বৃক্ষ বিবাহত বৃক্ষপ্ৰতিষ্ঠাৰ দিনত আঁহতৰূপী বিষ্ণুক লগুণ দিয়া হয়। ৰাতি কন্যা সম্প্ৰদান কৰা হয়। ৰাতি হোম পুৰি কৰা বিয়াত যৌতুক হিছাপে নানা সা-সামগ্ৰী দিয়া হয়।

এই বিবাহ উৎসৱত অকল এখন গাঁৱৰে নহয়, যিখন গাঁৱত বিয়া হয়, তাৰ

ওচৰ-পাজৰৰ সাত-আঠখন গাঁৱৰ লোকৰ সমাগম ঘটে। জাতি, ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সিদিনা সকলোৱে ৰং-ৰহইচৰ মাজেদি বিয়াত যোগদান কৰে। বিয়াৰে এটা অনুষ্ঠান হ'ল প্ৰীতি ভোজন। বিয়া পতা মানুহজনৰ আৰ্থিক সম্বল অনুসৰি প্ৰীতি ভোজনৰ ব্যৱস্থা কৰে। ৰাতি পুৱালেই বৃক্ষ বিবাহৰো সামৰণি পৰে। কিন্তু আচাৰ-অনুষ্ঠানৰ অন্ত নপৰে। বিয়াৰ পিছত যথাবিহিত নিয়ম অনুসৰি জলদান কৰিব লাগে। আঁহত আৰু বটক বগা আৰু ৰঙা কাপোৰেৰে সময়ে সময়ে মেৰিয়াই দি বস্ত্ৰদান কৰা হয়। বিবাহৰ আগতে আঁহত আৰু বট দুড়াল ভিন্ন গছ। কিন্তু বিয়াৰ পিছত পৰস্পৰে পৰস্পৰক আঁকোৱালি এডাল বৃক্ষত পৰিণত হয়। বিনা কাৰণত এই গছ দুডালৰ ঠাল-ঠেঙুলি কটা বা ইয়াৰ ছাঁ গচকা নিষেধ।

অন্যান্য ধৰ্মীয় কাৰ্যৰ বাহিৰেও পুংসাবনত (বিয়াৰ পিছত সন্তান জন্মৰ আগতে পতা দ্বিতীয় বিয়া।) ইয়াৰ প্ৰয়োজন অপৰিহাৰ্য।

পুংসাবনত আগদিনা সন্ধিয়া নৈবেদ্য আগবঢ়াই বৃক্ষ যুগলক পুংসাবন পতা দম্পতীৰ প্ৰথমজন ল'ৰাৰ দ্বাৰাই সেৱা কৰা হয়। ইয়াত কামনা কৰা হয় যাতে পিছদিনা বটৰ এটা ঠেঙুলিৰে দুটা পাত ওলাই আহে। পিছদিনা সঁচাকৈয়ে গছডালৰ এটা ঠেঙুলিৰে ৰঙচুৱা আবৰণেৰে ঢাক খোৱা দুটা পাত ওলাই আহে। সেয়া কাটি আৰু আঁহতৰ বৈ পৰা শিপা আনি মিহিকৈ বটি দৰা-কইনাক ইয়াৰ গোন্ধ ল'বলৈ দিয়া হয়। তেতিয়াহে মাতৃ গৰ্ভত থকা সন্তানৰ লিঙ্গ নিৰ্ণয় হয়।

নলবাৰী জিলাৰ গন্ধিয়া গাঁৱত আজি প্ৰায় সত্তৰ বছৰ আগতে লতাপ্ৰিয় দেব্যা নামৰ কেও কিছু নোহোৱা বিধৱা বুঢ়ী এজনীয়ে দুডাল গছৰ মাজত বিয়া পাতি দিয়ে। দুয়োডাল বৃক্ষৰ যুগল মূৰ্তিয়ে অঞ্চলটোৰ লোকক বৃক্ষ বিবাহৰ স্মৃতি সোঁৱৰাই দিয়ে। বঙ্গত এতিয়াও বৃক্ষ বিবাহৰ প্ৰচলন আছে।

বৈষ্ণৱীৰ দিনপঞ্জী

বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শংকৰদেৱ অসমীয়া জাতিৰ চিৰনমস্য ব্যক্তি। ধৰ্ম প্ৰচাৰৰ গইনা লৈ তেওঁ অসমীয়া জাতিটোক কলা-সাহিত্য-সংস্কৃতি আদি বিষয়ত যি মহান অৱদান দি গ'ল তাৰ দ্বিতীয় উদাহৰণ পাবলৈ নাই।

তেওঁ আৰু পৰৱৰ্তী যুগৰ বৈষ্ণৱসকলে নানা পুথি ৰচনা কৰিছে। ধৰ্ম প্ৰচাৰৰ লগতে আন নানা বিষয়ক লৈ এই পুথিসমূহ ৰচনা কৰা হৈছে। ইয়াত আমি লক্ষ্মীদেৱ আতাই ৰচনা কৰা পুথি এখনৰ বিষয়ে আলোচনা কৰিম। তেওঁ এগৰাকী বৈষ্ণৱ লৌকে দৈনন্দিন জীৱনত পালন কৰিবলগীয়া ৰীতি-নীতিৰ বিষয়ে এখন পুথি ৰচনা কৰি গৈছে। 'বৈষ্ণৱাহিক' নামেৰে এই পুথিখনত তেওঁ পুৱা উঠাৰে পৰা ৰাতি বিছনাত পৰালৈকে পালন কৰিবলগীয়া নানা নিয়ম-কানুনৰ বিষয়ে আলোচনা কৰিছে।

পুথিখনৰ মতে এজন বৈষ্ণৱ শোৱা-পাটীৰ পৰা উঠাৰ পিছতে শিশু কৃষ্ণৰ নাম ল'ব লাগে। তাৰ পিছতে মূত্ৰ ত্যাগ কৰিব লাগে। মূত্ৰ ত্যাগ কৰি মূত্ৰদ্বাৰ, বাঁওহাতেৰে তিনিবাৰ আৰু উভয় হাতেৰে এবাৰ ধুব লাগে মাটি আৰু পানীৰ সহায়ত। সেইদৰে মল ত্যাগ কৰাৰ পিছতো মূত্ৰদ্বাৰ এবাৰ মলদ্বাৰ তিনিবাৰ আৰু বাঁও হাতেৰে দহবাৰ ধুব লাগে। মলত্যাগ কৰাৰ সময়ত দিনত পুব মুখে আৰু ৰাতি হ'লে উত্তৰ মুখে বহিব লাগে। মল ত্যাগৰ সময়ত চন্দ্ৰ, সূৰ্য, গো, ব্ৰাহ্মণ, নক্ষত্ৰ, বৃক্ষ, জল দৰ্শন কৰা নিষেধ।

শৌচৰ পিছতে আহি পৰে মুখ, হাত, ভৰি ধোৱা কৰ্ম। এই ক্ষেত্ৰতো নিৰ্ধাৰিত নীতি কেতবোৰ আছে। কাঠৰ দাতোনেৰে দাঁত আৰু জিভা পৰিষ্কাৰ কৰিব লাগে, অইনেৰে নহয়। হাত-মুখ-ভৰি ধোৱাৰ পিছত বৈষ্ণৱসকলে হাতত তেল লৈ তিনিবাৰ অশ্বত্থামাৰ নাম লৈ মাটিত পেলাই দি গাত ঘঁহিব লাগে। প্ৰথমে বাঁও ভৰিৰ বুঢ়া আঙুলিত, তাৰ পিছত সোঁ ভৰিৰ বুঢ়া আঙুলিত আৰু পিছত নাভিত তেল লগাব লাগে। এই ব্যৱস্থাৰ পৰা এইটো দৃষ্টিগোচৰ হয় মহাভাৰতৰ দ্ৰোণাচাৰ্যৰ পুত্ৰ অশ্বত্থামাৰ সেৱা অকল বৈষ্ণৱসকলৰ মাজতহে প্ৰচলিত। আনহাতে স্নানৰ আগতে নাভিত তেল লগোৱা কাৰ্য অবৈষ্ণৱসকলৰ মাজতো প্ৰচলিত আছে। অৱশ্যে এই ব্যৱস্থা বৃদ্ধ দুই-একৰ মাজতহে অদ্যাপি প্ৰচলিত। এই ব্যৱস্থা বৈষ্ণৱসকলৰ পৰা আহিছে নে আন ক'ৰবাৰ পৰা আহিছে নে এয়া অবৈষ্ণৱসকলৰ নিজৰ নীতি—সেয়া

আমাৰ অবিদিত।

ইয়াৰ পিছতে আহি পৰে স্নান পৰ্ব। বৈষ্ণৱসকলে পুখুৰী বা নদীত স্নান কৰিব লাগে। তেওঁলোকে এককাল পানীত নামি ডুব মাৰি স্নান কৰিব লাগে। জোবোৰা মাৰি উঠিয়েই গুৰু ভটিমা আৰু টোটয়টি গাই ধৌত বস্ত্ৰ পৰিধান কৰে। তাৰ পিছত পানীৰ পৰা উঠিয়েই গা-ভৰি-হাত মচি কাপোৰ কানি-পিন্ধি হাত মুখ ধুব লাগে। ঢাৰি বা কঠত বহিব লাগে। ব্ৰাহ্মণ বা কায়স্থ হ'লে গায়ত্ৰী মন্ত্ৰ জপ কৰিব লাগে। তাৰ পিছত গুৰু সেৱা কৰি ফোঁট ল'ব লাগে। তাৰ পিছত মালা জপ কৰিব লাগে।

বৈষ্ণৱসকলে খোৱা-মেলা কৰাৰ ক্ষেত্ৰতো নিৰ্দিষ্ট নীতি-নিয়ম-কানুন মানি চলিব লাগে। অবৈষ্ণৱসকলৰ দৰে পুই উঠি দাঁত খৰিকাব লাগে। খাই উঠি বিষ্ণু নাম স্মৰণ কৰি তামোল আদিৰে মুখুদি কৰিব লাগে।

বৈষ্ণৱসকলে মাহটোত বিভিন্ন তিথি-পৰ্বত নানা নীতি-নিয়ম মানি চলিবলগীয়া হয়। তিথি অনুসৰি কিছুমান বস্তু বৰ্জন কৰিব লাগে।

ৰাতি শয্যাত পৰাৰ আগতে বিষ্ণুৰ নাম স্মৰণ কৰাৰ লগতে গুৰু আৰু চাৰি বস্তুক স্মৰণ কৰিব লাগে।

সত্ৰৰ বিষয়ববীয়াৰ বৈষ্ণৱসকলৰ পূজা-অৰ্চনাৰ স্থলী হ'ল সত্ৰত। এই সত্ৰত দৈনন্দিন অনেক কাম-কাজ থাকে। এই কাম-কাজবোৰ পৰিচালনাৰ বাবে অনেক বিষয়ববীয়া থাকে। এই বিষয়ববীয়াসকলৰ বিষয়ে ডঃ মহেশ্বৰ নেওগে তেখেতৰ এখন গ্ৰন্থত উল্লেখ কৰিছে এনেদৰে :

সত্ৰাধিকাৰ সত্ৰ পৰিচালনা কৰিবৰ বাবে এজনক মুখ্য ৰূপে বাছি লোৱা হয়। শংকৰদেৱৰ দিনত শংকৰদেৱে উত্তৰাধিকাৰ সূত্ৰে এই কাম দিছিল। উত্তৰাধিকাৰ সূত্ৰে হোৱা বিষয়ত দুটা বিষয় মানি চলা হয়—পুতানুক্ৰম আৰু জ্যেষ্ঠানুক্ৰম। বৰ্তমান সত্ৰাধিকাৰক উপযুক্ততাৰ ভিত্তিত নিযুক্ত কৰা হয়।

সত্ৰাধিকাৰৰ অভিষেক উৎসৱ ব'হাগ, ভাদ, মাঘ মাহত পতা হয়। সত্ৰাধিকাৰ পতা উৎসৱৰ আগদিনা নিশা প্ৰাৰ্থীগৰাকী উপবাসে থাকিব লাগে। অভিষেকৰ দিনা পুৱা স্নান কৰি উঠি উপাসনা কৰিব লাগে। তাৰ পিছত পদ জল আৰু মাহ-প্ৰসাদ খাব লাগে। সেইদিনা নাম কীৰ্তন কৰা হয়। প্ৰাৰ্থীগৰাকীয়ে এখন শৰাই দিয়ে। এই অভিষেক উৎসৱলৈ ওচৰৰ আন আন সত্ৰাধিকাৰসকলক নিমন্ত্ৰণ জনোৱা হয়।

অসমীয়া সমাজৰ পিঠা-পনা

অসমীয়া সমাজত মানুহে পিঠা-পনাৰ দ্বাৰা ৰুচি লোৱাৰ লগতে অতিথিক আপ্যায়ন কৰে। ৰঙালী, ভোগালী আৰু কঙালী বিহুত পিঠা-পনাৰ বহুল ব্যৱহাৰ হয়। বিহুত কিছুমান বিশেষ পিঠা (বছৰটোৰ আন সময়ত নহ্বৰা) তৈয়াৰ কৰা হয়। চাউলৰ গুড়িৰ পৰা পিঠা, লাডু তৈয়াৰ কৰা হয়। আগতে অসমত ধান খেতি ব্যাপকভাৱে হৈছিল। আগতে অসমত অনেক থলুৱা জাতৰ ধানৰ খেতি কৰা হৈছিল। সেইবোৰ হ'ল—অগ্নিশালি, আহুজহা, আহুবৰ্ণি, আমঠুকীয়া বৰ্ণি, আলাইজাবৰি, কচুডলা, কঠীয়ালেবা, কণজহা, কণিধান, কপৌশালি, কলমদানী, কলাজিয়ৈ, ক'লাবৰ্ণি, ক'লামণি, কয়াবৰ্ণি, কহামাগুৰী, কাওধান, কজিৰঙা, কাতি নেউলী, কাতিশালি, কাৰজালি, কালজিৰা, কালধুমা, কাৰৈজাপৰী, কাস্যধান, কুঁহিয়ৰী, কেঁকোৱা, কেঁকোৱামাগৰী, কেচেলেপা, কেটেংবোকা, কেতেকীশালি, কেহজুল, কেহেৰ পাচি, খৰখৰি বোকা, খৰিকা জহা, খৰিকাজুল, খৰিকামুঠি, খলিহা আমলা, খলিহৈ কলা, গন্ধ মুৰীয়া জহা, গৰু চকুৱা, গলমোচৰা বৰাধান, গাজীয়া বাও, গাৰো ইকৰা, গাৰো, বেকা, গুৱামালী, গোপক্ষী বৰ্ণি, গেৰেম আহু, ঘোৰাজুল, ঘোলডিমৰু, চৰাই টুনীধান, চামৰাই, চেঙা চেপেতি বোকা, চাপিলেধান, চৈত্ৰাণী, জৰাধান, জাবৰা ধান, জামিনে বৰাধান, জাফুগুটীয়া বৰা ধান, জৰীয়া, জুলবৰ, জেৰৰিধান, টেঙৰে, টেঙাগুৰি বৰাধান, টেঙাগাছি, টেঙেন ধান, ঢুলীয়া আহু, ঢোল মাগুৰি, টৌখেল, তৰ কেকোঁৱা, তৰামাগুলী, তিলবৰা, তুলসীজহা, তেলগাজ ছুৰা, দৰিকণা বৰা, দল মাগুৰী, দহকা দাংবৰা, দাংবোকা, নাৰায়ণ জহা, নিপতীয়া আহু, নিয়ৰ গদং, নিয়া বাবু, নেঘেৰীধান, পটেশ্বৰী, পত্নীপ্ৰসাদ, পয়ৰা বোকা, পাজিয়ৈ, পাণেমেৰী, পানীচেঙা, পানীশালি, ফুলগাজ জহা, ফেঁটী সজ্জল, বকুল বৰাধান, বগা খুকুৰি, বগা জুৰীয়া, বগাফলী, বগালতী, বগী চাপিলে, বগা তেংৰাই, বাতা কন্ধিয়া বাও, বৰাধান, বৰা আহু, বাঁহৰাঙী, বাঙনগুটি, বাটকপাহী, বেজীয়া হ'কীৰা, বেজীয়া জহা, বেজীয়া মাগুৰী, বেতগুটি বৰাধান, বোকাধান, বোকা জাহিংগীয়া, মকুৱা মাগুৰী, মইনাগিৰি, মণিগাঁঠা, মধুকৰ মালতী জহা, মাটি আঁচোৰা, মাল চৰা, মালচোৱা, মাল বৰা, মালভোগ বোকা, মায়াৰং, মিচিধান, মূৰ মহৰা, মেকুৰী পাচি, বৰাধান, মেগলা বৰা, মেৰৈজুৰিয়া, মৈলেতি ৰঙা বৰা, ৰঙা বৰাধান, ৰঙা বৰা আদি। অসমত আহু, শালি, বাও এই

তিনিটা খেতি কৰা হয়। আমি জনা কেইবিধমান ধানৰ নাম হ'ল—ফুলপাখৰী, তিংৰে, বৰাধান, বোকাধান, বগী জহা, কুণকুণি জহা, ক'লী জহা আদি। কিছুমান ধানৰ চাউল কিছুমান বিশেষ পিঠা পৰামন্নৰ বাবে উপযোগী। যেনে—শুকান পিঠাৰ বাবে বৰাধান উপযোগী। পায়স ক'লী জহাৰ দ্বাৰা বনালে খাবলৈ সোৱাদ হয়। চিৰা তৈয়াৰত ভাল হ'বলৈ হ'লে এবিধ এবিধ বিশেষ ধানৰ প্ৰয়োজন হয়।

আগতে ৰাতিপুৱা চাহৰ লগত পিঠা খোৱাটো প্ৰতিঘৰ অসমীয়াৰ নিয়মৰ দৰে আছিল। ঘৰৰ গৃহিণীয়ে ৰাতি নৌপুৱাওতে গা-পা ধুই চাউল গুড়ি কৰি ৰান্ধনি-ঘৰত পিঠা-লাডু কৰিব বহে। সেই পিঠা-লাডুৰ দ্বাৰা জলপান কৰিহে মানুহে প্ৰাত্যহিক জীৱনৰ দৈনন্দিন কামত ব্ৰতী হয়। গৃহিণীয়ে কৰা পিঠা পথাৰত কাম কৰি থকা গৃহস্থলৈ আৰু লগুৱালৈ জলপান ৰূপে লৈ যায়। কোনোবা আলহী-অতিথি আহিলে লাডু, পিঠাৰ দ্বাৰা আদৰ-আপ্যায়ন কৰা হৈছিল। বেছিকৈ পিঠা-লাডু কৰি ওচৰ-চুবুৰীয়াক আৰু আত্মীয়-কুটুমক ভগোৱা হৈছিল। বিহুত জী-জোঁৱাইক আমন্ত্ৰণ কৰি লাডু-পিঠাৰে আপ্যায়ন কৰা হয়।

বিহুত পিঠা-লাডু, চিৰা তৈয়াৰৰ নীতি-নিয়মো অসমীয়া সমাজত প্ৰচলিত আছে। আগতে ৰঙালী বিহুলৈ আৰু ভোগালী বিহুলৈ এপষেক-এসপ্তাহমান থাকোতে চিৰা, সান্দহ তৈয়াৰ কৰা হৈছিল। ঢেঁকীত খুন্দি চিৰা তৈয়াৰ কৰা হৈছিল। ঢেঁকী-শালখন মচি পবিত্ৰ কৰি লোৱা হয়। তাত তিনিটা নক্সুনকৈ তৈয়াৰী মাটি উধান পাতি লোৱা হয়। চিৰা তৈয়াৰৰ বাবে আগতীয়াকৈ ধান ভিজোৱা হয়। উধান-কেইটাত মাটিৰ নতুন চৰু ৰাখি তলত জুই দি ওপৰত কিছু ধান ৰাখি এবিধ সাঁজুলিৰে লিৰিকি-বিদাৰি কিছু সময় ৰখা হয়। পাছত ঢেঁকীৰ পখলীত ৰাখি চাব দিব দিয়া হয়। ঢেঁকীৰ চাব যিমান খৰকৈ পৰে সিমানে চিৰা ভাল হয়। খুন্দি উঠি চিৰাবোৰ ঢেঁকীৰ পখলীৰ পৰা আনি কুলাৰে জাৰি-জোঁকাৰি পৰিষ্কাৰ কৰা হয়। প্ৰথমতে ভগৱানৰ উদ্দেশ্যে বিহুত নৈবেদ্যৰ স'তে আগবঢ়াবলৈ চিৰা খুন্দা হয়। পাছতহে মানুহৰ বাবে খুন্দা হয়। সান্দহৰ বাবে প্ৰয়োজন হয় পানীত তিওৱা চাউলৰ। তিওৱা চাউলবোৰ পানীৰ পৰা তুলি ধুই চৰুত ভাজি ঢেঁকীত খুন্দা হয়। চাউলৰ পিঠাগুড়ি খুন্দি ভজা হয়। আকৌ চাউল ভাজি ঢেঁকীত খুন্দিও গুড়ি কৰা হয়। এইবোৰ মানুহে আগতে পানীত চেনি, নিমখ মিহলাই বা চাহত তিয়াই খাইছিল।

অসমত একে বিধ পিঠাৰ নাম ঠাই বিশেষে বেলেগ বেলেগ। তলত অতীতত মানুহে খোৱা আৰু বৰ্তমান সময়ত খোৱা কিছুমান পিঠা-লাডুৰ বৰ্ণনা কৰা হ'ল ঃ

শুকান পিঠা

পানী নিদিয়াকৈ পিঠাগুড়িৰে তৈয়াৰ কৰা হয় বাবে বোধ হয় এইবিধ পিঠাৰ নাম শুকান পিঠা। এইবিধ পিঠাৰ বাবে বৰাধান উপযুক্ত। এইবিধ ধানৰ চাউলৰ আঠা অধিক বাবে পানী নোহোৱাকৈ বনোৱাত সহায়ক হয়। এইবিধ পিঠাৰ মাজত গুৰ-তিলৰ মিশ্ৰণ এবিধ দিয়া হয়। গুৰ পগাই বা ঢেঁকীত খুন্দি গুড়ি কৰি গোটা তিল বা তিলৰ গুড়িৰ লগত মিহলাই লোৱা হ'ল। নামনি অসমৰ ভাষাত ইয়াৰ নাম হ'ল 'ভেৰ'। এইবিধ ভেৰৰ উপৰি চেনি আৰু তিল; গুৰ আৰু মাটি মাহৰ গুড়ি, নাৰিকল আৰু চেনি, জালুকৰ গুৰিৰ ভেৰো দিয়া হয়। বিহুৰ বাবে পিঠা প্ৰস্তুত কৰিবলৈ জুহাল বা ৰান্ধনি-ঘৰৰ মজিয়া, চৌকা মচি পৰিষ্কাৰ কৰা হয়। পুৱাতে ঘৰৰ গৃহিণী বা বোৱাৰী, জীয়াৰীয়ে গা-পা ধুই পিঠা তৈয়াৰৰ বাবে প্ৰস্তুত হয়। অন্নপূৰ্ণা দেৱীক প্ৰণাম জনায় নতুন চৰু চৌকাত তুলি তাত কাষৰ পাত্ৰত থকা পিঠাগুড়ি অকণমান দিয়ে। পিঠাগুড়িখিনি হাতৰ আঙুলিৰে বহলাই চেপেটা আৰু মিহি কৰি দিয়ে। চৰুত ঘূৰণীয়া হৈ থকা পিঠাখনৰ ওপৰত অকণমান ভেৰ দিয়ে। পাছত পিঠাখনৰ এফাল হাতৰ আঙুলি আৰু চামুচেৰে তুলি আনটো মূৰত লগাকৈ জাপি দিয়ে। পিঠা-পনা পাছত চৰুৰ ওপৰত দুডাল বাঁহৰ কাঠিৰ ওপৰত ৰাখি পাছত আন পাত্ৰত ৰাখে। পোনতে কৰা পিঠাকেইখন ভগৱানৰ উদ্দেশ্যে আগবঢ়ায় বিহুত। পাছত মানুহৰ বাবে তৈয়াৰ কৰি বিহুত খায়। এইবিধ পিঠাৰ নাম নামনি অসমত শুকান পিঠা।

লাডু

বিহুত লাডু নহ'লে নহয়। লাডু কেইবা প্ৰকাৰৰো আছে। চাউলৰ গুড়িৰ লাডু, নাৰিকলৰ লাডু, তিলৰ লাডু, কেঁচা লাডু আদি। চাউলৰ গুড়িৰ লাডুৰ বাবে পোনতে আখৈ ভজা হয়। পাছত চাউলৰ গুড়ি চৰুত ভাজি লোৱা হয়। গুৰ তপতাই গলাই চাউলৰ গুড়ি, আখৈ, ইলাচি বা কৰ্পূৰ, জালুকৰ গুড়ি আদিৰ লগত মিহলাব লাগে। ঠাণ্ডা হ'ব ধৰিলে হাতৰ মুঠিৰ মাজত পকাই পকাই লাডু তৈয়াৰ কৰা হয়। নাৰিকল ৰুকি চেনিৰ ৰসত মিহলাই কৰ্পূৰ সানি হাতেৰে পকাই নাৰিকলৰ লাডু তৈয়াৰ কৰা হয়। তিলৰ লাডুও তৈয়াৰ কৰা হয়। শিৱৰাত্ৰিত ভাঙৰ লাডু বনাই ভগৱান শিৱৰ উদ্দেশ্যে আগবঢ়ায়। পাছত ভক্তসকলে খায়। শিশুকৃষ্ণৰ লাডু বৰ প্ৰিয় আছিল বুলি শাস্ত্ৰত পোৱা যায়।

লাউপানা পিঠা

ৰেবানাথ শৰ্মাৰ গ্ৰন্থ 'লোক-সংস্কৃতি বিচাৰি'ত আছে : 'বিয়াৰ পাছত দৰা-

কইনাৰ আঠমঙলাৰ দিনা আত্মীয়-স্বজনক লৈ লাউপাত্মা খাবলৈ দিয়া অপৰিহাৰ্য আছিল। ই এবিধ ঘৰতে বনোৱা সুস্বাদু মিঠাই, আঠমঙলাৰ আঠ বিধ মিঠাইৰ ভিতৰত এবিধ। আজিকালি গাঁৱৰ আইতাসৱে বনাব জানে যদিও নতুন চাম জীয়ৰী-বোৱাৰীসবে নজনাটো স্বাভাৱিক হৈ পৰিছে। এটা জাতিলাউ মিহলাই অলপ জহা চাউলৰ গুৰি মিহলাই তেল বা ঘিউত ভাজি চেনিৰ ৰসত দিলে সুস্বাদু সুঘ্ৰাণ পিঠা হয়।'

চুঙা পিঠা

বাঁহৰ চুঙাৰ জৰিয়তে এইবিধ পিঠা কৰা হয় বাবে নাম 'চুঙা পিঠা।' পোনতে কোমল বাঁহৰ চুঙাবোৰ প্ৰস্তুত কৰি লয়। চাউলৰ গুড়ি, চেনি, নিমখ, চুৰকা নাৰিকল আদি পানীৰ লগত মিহলি কৰি বাঁহৰ চুঙাত ভৰাই লয়। মুকলিত এটুকুৰা ঠাই মচি পৰিষ্কাৰ কৰি কলগছৰ টুকুৰা এটা বাঁহৰ টুকুৰা দুটাত বিন্ধাই ল'ব লাগে আৰু বাঁহৰ টুকুৰা দুটাৰ আন দুটা মূৰ মাটিত পুতিব লাগে। তেতিয়া দেখিবলৈ বেঞ্চ এখনৰ দৰে হয়। তাত পিঠাবোৰ তুলি কল চোঁচনি বা খেৰেৰে জুই দিলে কিছু সময় পাছত পিঠা প্ৰস্তুত হয়। বাঁহৰ চুঙাটো ফালি পিঠা উলিয়াই খাব পাৰি।

টেকেলি বা কেটেলি মুখত দিয়া পিঠা

চাউলৰ গুড়িত অতি কম পৰিমাণে পানী দি তাত চেনি, চুৰকা নাৰিকল, তিল, নিমখ দি সানি ল'ব লাগে। কেটলিৰ ঢাকনিৰ ভিতৰফালে প্ৰস্তুত কৰি লোৱা পিঠাৰ সামগ্ৰীখিনিৰ অকণমান লৈ হাতৰ আঙুলিৰে সমান কৰি (ঢাকনিৰ পাৰৰ স'তে) ল'ব লাগে। এখন পাতল সূতাৰ কাপোৰ তিয়াই ঢাকনিখনৰ গুৰিৰ ওপৰত মেৰিয়াই কেটেলিৰ মুখত ৰাখিব লাগে। কেটেলিৰ ভিতৰত পানী ভৰাই জুই দি আগৰ পৰা উটাল অহা অৱস্থাত ৰাখিব লাগে। ঢাকনিৰ স'তে পিঠাৰ সামগ্ৰীখিনি কেটেলিৰ মুখত পাঁচ মিনিটমান ৰাখিলে পানীৰ ভাপত সিজি পিঠা প্ৰস্তুত হয়। কিছুমানে এইবিধ পিঠাৰ মাজত গুৰ, তিলৰ ভেৰো দিয়ে। কেটেলিৰ সলনি মাটিৰ টেকেলিও ব্যৱহাৰ কৰিব পাৰি। টেকেলিত ঢাকনিৰ বাবে বাটি ব্যৱহাৰ কৰিব পাৰি। টেকেলি বা কেটেলি মুখত দি প্ৰস্তুত কৰা বাবে এইবিধ পিঠাৰ নাম 'টেকেলি বা কেটেলি মুখত দিয়া পিঠা'। এইবিধ পিঠাৰ প্ৰচলন এতিয়াও আছে।

ভোলাপিঠা বা তোকা পিঠা

দুই-তিনি দোণ (প্ৰায় ১০ কে.জি.) জহা চাউলৰ গুড়ি আৰু বহু ধৰণৰ মছলা গুড়ি লৈ এটা মাটিৰ চৰুত বনোৱা হয়। বনোৱাৰ পাছত সুগন্ধ ৰাখিবৰ বাবে কলপাতেৰে মেৰিয়াই ৰাখে। ইয়াক বহু মানুহে খাব পাৰে।

খলাচাপৰি পিঠা

এইবিধ পিঠাৰ বাবে পিঠাগুড়ি পানীত মিহলাই পনীয়া কৰি লোৱা হয়। তাত নিমখ মিহলোৱা হয়। তাৰ পাছত চৰুসদৃশ চেপেটা লোহাৰ সঁজুলিতে তলত জুই দি তাত অকণমান মিঠাতেল ৰাখি তপতাব লাগে। মিঠাতেলখিনি গৰম হ'লে তাৰ ওপৰত এটা বাটিৰে আগতে প্ৰস্তুত কৰি লোৱা পানী মিহলি চাউলৰ গুড়ি বাকি দি কৰচেৰে বহলাই দিব লাগে। জুইৰ তাপত ভজা হ'লে পিঠা প্ৰস্তুত হয়।

টোপোলা পিঠা

চাউলৰ গুড়ি পানীৰ দ্বাৰা থেপথেপীয়া কৰিব লাগে। তাত চুৰুকা নাৰিকল, চেনি আদিও দিব পাৰি। নিমখ মিহলাব লাগে। এইবিধ পিঠাৰ বাবে কলপাত প্ৰয়োজন। কলপাত কাটি পানীৰে ধুই চাফা কৰি টুকুৰা-টুকুৰকৈ লৈ ৰ'দত শুকাব দিব লাগে। শুকাই উঠি জুইত সেকিব লাগে। সেই পাতৰ টুকুৰাবোৰত থেপথেপীয়া চাউলৰ গুড়িবোৰৰ কিছু অংশ লৈ তাৰ ওপৰত পাতখনৰ দুয়োকাষ আৰু দুয়ো মূৰ জাপি খেৰৰ দ্বাৰা বান্ধিব লাগে। তাৰ পাছত কেৰাহিত পানী ৰাখি তাত পিঠাবোৰ ৰাখি তলত জুই দিলে পানীৰ ভাপত পিঠা প্ৰস্তুত হয়। ঠাণ্ডা হ'লে পানীৰ পৰা তুলি কলপাতখন আঁতৰাই খাব পাৰি।

কলপিঠা আৰু কঁঠাল পিঠা

পকা কল বা কঁঠালৰ ৰস উলিয়াই চাউলৰ গুড়িৰ লগত মিহলাই থেপথেপীয়া ৰূপত কলপাতৰ মাজত ৰাখি পাটচৰুত ভজা হয়।

সাহৰ পিঠা

এইবিধ পিঠাৰ মাজত ঘন গাখীৰ, পিঠাগুড়ি আৰু চেনিৰ মণ্ড দি সজা হয়।

এইবোৰৰ উপৰি আমি সকলোতে খোৱা এবিধ পিঠাৰ কথা মনত আছে। পিঠাগুড়িত চেনি, পানী, নিমখ মিহলাই দীঘলীয়া ৰূপত সৰু সৰুকৈ সাজি পানীত সিজাব দি প্ৰস্তুত কৰা হয়।

অতীতত উপৰোক্ত পিঠাবোৰৰ উপৰি ঘিলা পিঠা, তাল পিঠা, সুতলি পিঠা, পাত পিঠা, ফেণী পিঠা আদিৰো প্ৰচলন আছিল। পিঠা-পনাৰ লগতে আখৈ, মুড়ি, মাহকৰাই আদিৰ প্ৰচলনো আছে।

আখৈ

আখৈ খাবলৈ বৰ সুস্বাদু। ধান ৰ'দত শুকাই লৈ চৰুত শুকান বালিৰ স'তে ভাজিব লাগে। ভাজোতে বালিৰে স'তে আখৈবোৰ এবিধ সঁজুলিৰে লৰাই থাকিব

লাগে। তেতিয়া ধানবোৰ বাকলি ফালি আখৈবোৰ ছিটিকি ওলাব ধৰে। কুলাত জাৰি বাকলিবোৰ আঁতৰাই আখৈবোৰ উলিয়াব পাৰি।

মাহকৰাই

মাটি মাহ আৰু তিল ধুই ৰ'দত শুকাই তাৰ স'তে বৰা চাউল মিহলি কৰি চৰুত গোন্ধ ওলোৱালৈকে ভাজিব লাগে। সোৱাদ বঢ়াবলৈ বহুতে উক্ত মিশ্ৰণৰ লগত আদা নাৰিকল সৰু সৰুকৈ কাটি দিয়ে। কিছুমানে বাদামো দিয়ে। ভজাৰ পাছত উক্ত মিশ্ৰণত সৰিয়হ তেল, ধনিয়াৰ পাত মিহলাই, নিমখ সানি খায়। 'অসমীয়া সংস্কৃতিৰ কণিকা' গ্ৰন্থত আছে ঃ 'মাহকৰাইক লৈ সৰু সৰু ল'ৰা-ছোৱালীয়ে গোৱা এটা গীত হ'ল—'মাহকৰাই খাও খাটে বাটে যাওঁ, মোৰ লগত যি আহে তাকো এগাল দিও।' মাহকৰাই বহুতে গুড়ি কৰিও খায়। এনে গুড়িৰ লগত জুলিয়া গুৰ মিহলালে খাবলৈ অধিক সোৱাদ হয়। আগতে মানুহে মংগলবাৰে মাহকৰাই খোৱা নাছিল। মাঘ বিহুত মাহকৰাই কৰি মানুহে খাইছিল। মেজিৰ জুইত লাডু-পিঠাৰ লগত উছৰ্গা কৰাৰ লগতে সৰু ল'ৰা-ছোৱালীয়ে মেজিৰ পোৰা বাঁহৰ চুঙা কৰি তাত ভৰাই খায়। মাঘৰ বিহুৰ মাহকৰাই ৰঙালী বিহুলৈ সাঁচি থৈ এই বিহুত খোৱা হয়।

প্ৰাচীন পুথিসমূহৰ চিত্ৰৰ ৰং প্ৰস্তুত-প্ৰণালী

অসমত সুদূৰ তাহানিতে ৰঙৰ প্ৰয়োগ হৈছিল ঘাইকৈ সাঁচিপাত আৰু তুলাপাতৰ পুথিৰ চিত্ৰৰ লগতে মঠ-মন্দিৰ, সত্ৰ আদিৰ বেৰ, খুঁটা, চতি, সিংহাসন আদিত থকা চিত্ৰত। বিশেষকৈ পুথিসমূহৰ ছবিৰ ৰং আৰু আখৰৰ মহী বা চিয়াঁহিৰ উজ্জ্বলতা আঁকা আৰু লিখাৰ দিনৰ পৰা শ শ বছৰ পাছতো আজিলৈকে হ্ৰাস হোৱা নাই। পুথিসমূহ পানীৰ সংস্পৰ্শলৈ আহিলেও ইয়াৰ শ্ৰীহানি নহয় বা ইয়াক পোক-পৰুৱায়ো নাকাটে। পুথিসমূহৰ পাতবোৰৰ নিৰ্মাণ-প্ৰণালী, ইয়াক লিখাৰ উপযোগী কৰি তোলাৰ পদ্ধতি, ইয়াৰ ৰং আৰু চিয়াঁহি প্ৰস্তুত-প্ৰণালীৰ বিশেষত্বই হ'ল এইবোৰৰ দীৰ্ঘস্থায়িত্বৰ কাৰণ।

প্ৰাচীন পুথিসমূহৰ চিত্ৰৰ ৰং প্ৰস্তুত-প্ৰণালী : 'সমৰাংগন সূত্ৰধাৰ' গ্ৰন্থৰ আধাৰত চিত্ৰৰ আঠোটি অংগৰ (ওপৰত উল্লিখিত) পঞ্চমটো অংগ 'বৰ্ণকৰ্ম'ৰ আলোকত অসমীয়া পুথি চিত্ৰৰ ৰং প্ৰস্তুত-প্ৰণালীৰ ওপৰত আগবঢ়োৱা 'পুৰণি অসমৰ চিত্ৰকলা' গ্ৰন্থৰ আলোচনা ইয়াত উদ্ধৃত কৰা হ'ল :'খনিজ আৰু শিল্পজাত দ্ৰব্যৰ পৰা ভাৰতবাসীয়ে খ্ৰীষ্টজন্মৰ বহু শতিকা পূৰ্বৰে পৰা ৰঙৰ উদ্ভাৱন কৰি লৈছিল। ভাৰতৰ নাট্য-শাস্ত্ৰত চাৰিটা স্বভাৱজাত ৰঙৰ কথা বিবৃত হৈছে। সেয়া হৈছে—বগা; হালধীয়া, ক'লা, নীলা। 'বিষ্ণু ধৰ্মোত্তৰ'তো এই চাৰি বিধ প্ৰাথমিক বৰণৰ উল্লেখ পাওঁ। কোনো কোনো শাস্ত্ৰত পাঁচ বিধ প্ৰাথমিক বৰ্ণৰ উল্লেখ পোৱা যায়। বগা (সিত, ধবল, শ্বেত), হালধীয়া (পীত), নীলা (শ্যাম), ৰঙা (ৰক্ত) আৰু ক'লা (কজ্জল)। এই ৰংকেইটাৰ উপাদানসমূহ হ'ল— (ক) হাইতাল—ইয়াৰ স্বভাৱজাত ৰং হালধীয়া। (খ) নীল-ই প্ৰতিনিধিত্ব কৰা স্বভাৱজাত ৰং নীলা। (গ) সেন্দুৰ—ই প্ৰতিনিধিত্ব কৰা স্বভাৱজাত ৰং ৰঙা। (ঘ) খৰীমাটি বা ধল—ইয়াৰ স্বাভাৱিক ৰং হ'ল বগা। (ঙ) ছাই—আঙৰা বা ছাইৰ ৰং হ'ল ক'লা। দুটা ৰঙৰ মিশ্ৰণত সৃষ্টি হয় সংযোগবৰ্ণ। নাট্যশাস্ত্ৰমতে এনে ৰং ছয়বিধ। ইবোৰৰ প্ৰস্তুতকৰণ প্ৰণালী এনে ধৰণৰ : (ক) খৰীমাটি আৰু হাইতাল = পাণ্ডু, (খ) খৰীমাটি আৰু সেন্দুৰ = পদ্ম বা গৌৰ, (গ) খৰীমাটি আৰু নীল = কপোত, (ঘ) হাইতাল আৰু নীল = সেউজীয়া, (ঙ) নীল আৰু সেন্দুৰ = কাষায় (ৰঙাবুলীয়া), (চ) সেন্দুৰ আৰু হাইতাল = গৌৰ। নীল ভালকৈ গুলি ক'লা আৰু খৰীমাটিৰ স'তে বেলৰ আঠা

মিশ্ৰণ দি গৌৰবৰ্ণৰ সৃষ্টি কৰাও দেখা যায়। অৱশ্যে শিল্প-শাস্ত্ৰত বৰ্ণিত শংখ আৰু শুক্তিভস্মৰ দ্বাৰা অসমীয়া খনিকৰে কোনো দিনে ৰঙৰ সৃষ্টি কৰা নাই। ইয়াৰ পৰিবৰ্তে খৰীমাটি বা ধবলৰহে প্ৰাচুৰ্য লক্ষ্য কৰো। দেহাৱয়ব আৰু চিত্ৰৰ উজ্জ্বলতা সৃষ্টিৰ কাৰণে বগা ৰঙৰ প্ৰয়োগ হয়। প্ৰতিমাক্ষণ, সাঞ্চমালা, প্ৰভৃতি বহু কথিত হালধীয়া ৰং গেৰোমাটিৰ পৰাও পাব পাৰি যদিও অসমীয়া চিত্ৰকলাত কিন্তু হাইতালৰহে প্ৰয়োগ হৈছে। ৰঙা ৰং, সেন্দুৰৰ উপৰি আলতা (আলক্তক), গিৰিমাটি (গৈৰিক মৃত্তিকা) আৰু হেঙুলৰ পৰা পাব পাৰি। কামৰূপৰ ৰামপুৰ গাঁৱত সংৰক্ষিত ভাগৱত গীতাত (১৮৭৮ শক) বলোৱা ৰঙা ৰং আকৌ প্ৰস্তুত কৰা হৈছিল পুইৰ ভৰপক গুটিৰ পৰা। অসমীয়া চিত্ৰপুথিৰ সোণপানী চৰোৱাটো উল্লেখযোগ্য কথা। ভোটএৰাৰ আঠাত সোণৰ গুটি মিহলাই আ-অলংকাৰ আৰু অংগাভৰণত সিবোৰ খচিত কৰা দেখা যায়। সোণালী ৰং আনিবলৈ বহুতে আকৌ ৰঙা আৰু হালধীয়া লাকো ব্যৱহাৰ কৰে। এনে পদ্ধতিক লা চৰোৱা বুলি জনা যায়। কাজলৰ পৰা ক'লা ৰং পোৱা যায়। এই ৰঙৰ কাৰণে কোনো কোনোৱে শিলিখাকো ব্যৱহাৰ নকৰে বুলিব নোৱাৰি। ৰঙৰ লগত সাধাৰণতে কণীৰ কুহুম, তেঁতেলিৰ গুটিৰ আঠা আৰু নিমৰ ৰস মিহলোৱা হয়। কণীৰ কুহুমৰ আঠা দীৰ্ঘস্থায়ী। তেঁতেলি আৰু নিমৰ ৰস কীটনাশক। তিব্বতী প্ৰথাৰে চিৰিছ আঠাৰ লগত বিঠাৰ ছাল সিজাই কৰা আঠাৰ উপৰি ফিটকিৰি, সুংগা প্ৰভৃতিকো ৰঙৰ স'তে মিহলাই কীটৰ আক্ৰমণ ৰোধত ব্যৱহৃত কৰা হৈছিল।

শিলিখা আৰু লাওখোলা পুৰি বা কৰাইকোলাৰ ছাইৰ পৰা ক'লা বৰণ পোৱা যায়। পুথিসমূহৰ চিত্ৰত থকা বগা চুমকি শংখৰ গুড়িৰ। চুমকি দিবলৈ উই কৰ্কৰা ব্যৱহাৰ কৰা হৈছিল।

হেঙুল-হাইতাল পদাৰ্থ দুবিধৰ প্ৰথম বিধৰ ৰং ৰঙা আৰু দ্বিতীয় বিধৰ ৰং হালধীয়া। এই পদাৰ্থক সুকীয়া সুকীয়াকৈ আন আন ৰঙৰ লগত যুগ্মভাৱে ব্যৱহাৰ কৰি ৰং তৈয়াৰ কৰি চিত্ৰত ব্যৱহাৰ কৰিছিল। হেঙুলৰ প্ৰস্তুত-প্ৰণালী 'আয়ুৰ্বেদ নিদান' শীৰ্ষক সাঁচিপতীয়া এখন বহুমূলীয়া পুথিত লিখা আছে এনেদৰে : 'পাৰা এসেৰ, গন্ধক এসেৰ, সীহ এসেৰ = সীহক পিটি ভোখৰ ভোখৰ কৰিব। বহু দুই ফাৰণ লিপাৰ সকলে তাকে আটাই বহু খালি চুকালৈ পাছে চাৰি দৰবকে মাড়িৰ = কলিয়া হ'ব পাছে কাহুৰ টাড়িত ভৰাব। মুখ ভালকৈ মাৰিব = পাছে মাটিৰ থালী এটাত বালি ভৰাই তাতে তাড়িত ভৰাব = বাৰে পৰা ১২ জাল দিব তেবে ৰং হিং গুলি যেন হ'ব = জিয়াজৰ বহেৰে কাকত লিখিব বজ হ'ব। ৫৪৯।।

উদ্ভিদৰ ফল, ফুল, গুটি, পাত, জাল, শিপা আদিৰ পৰাও ৰং প্ৰস্তুত কৰা

হৈছিল। নলবাৰী জিলাৰ গন্ধিয়াৰ এই লিখকৰ বাল্যবন্ধু ৰাজীৱ শৰ্মাই তেনে কেতবোৰ গছ-গছনি আৰু ইয়াৰ পৰা প্ৰস্তুত কৰা ৰঙৰ কথা উল্লেখ কৰিছিল। 'ৰঙা ৰঙৰ বাবে লোচন বা গংগাৰ গুটি, বগা ৰঙৰ বাবে গধূলি গোপাল ফুলৰ শাহ, ক'লা ৰঙৰ বাবে অমৰা, ভোমোৰা, কলগছ, তামোল আদি ব্যৱহাৰ কৰা হৈছিল। চাউ গছৰ গুটিৰ পৰা এবিধ ৰং পোৱা যায়, পাণ আৰু ইয়াৰ পিপলিৰ পৰাও ৰং পোৱা যায়।' পঠাৰ তেজৰ পৰা এবিধ ৰং আৰু ছাইৰ পৰা ক'লা ৰং পোৱা যায়। চিদানন্দ বৰুৱাই কনক শৰ্মা সম্পাদিত 'সাংস্কৃতিকা'ত লিখা প্ৰবন্ধ 'অসমৰ শিল্পকলাত ৰঙৰ বুৰঞ্জী' শীৰ্ষক লেখাত প্ৰকৃতিজাত গছ লতিকাৰ ফুল, পাত-ডাল-শিপা আদিৰ পৰা ৰং প্ৰস্তুত-প্ৰণালী উল্লেখ কৰিছে—'(ক) আমলখি—এই গছৰ ফল শিলিখাৰ বাকলিৰে সিজাই ক'লা ৰং কৰা হৈছিল, (খ) খৈৰা—খৈৰা গছৰ ৰস চূণৰ স'তে মিহলালে ঘোলা ৰঙা ৰং উঠে, (গ) আম—আম গছৰ বাকলি মধুৰি, শিলিখা, জামু গছৰ বাকলিৰ লগত গুড়ি কৰি ক'লা ৰং প্ৰস্তুত কৰা হৈছিল, (ঘ) কেহেৰাজ—ইয়াৰ পাতৰ পৰা ক'লা ৰং পাব পাৰি, (ঙ) জাতি কৰৈ ঃ এই গছৰ পাতৰ স'তে দাগল গছৰ পাত মিহলাই পগালে ইটাৰ দৰে ৰঙৰ সৃষ্টি হয়, (চ) জৰথ—কলাখাৰৰ স'তে এই গছৰ গুটি উতলাই ৰং কৰিবলগীয়া কাপোৰ বা সূতাত দি শুকালে হালধীয়া হৈ পৰে, (ছ) তেপুৰ— ইয়াৰ বাকলিৰ গুড়ি, ভূমৰতি পাত, মিঠাতেল, গৰুৰ মূত আৰু পানী মিহলাই পগালে গাঢ় হালধীয়া ৰং পোৱা যায়, (জ) পলাশ আছু গছৰ শিপাৰে পলাশ ফুল উতলালে হালধীয়া ৰং পোৱা যায়। (ঝ) মদাৰ—মদাৰ গছৰ ফুল শুকাই পানীত তিয়াই উতলালে ৰঙা ৰং পোৱা যায়, (ঞ) পানী পিয়লি—এই গছৰ পাত নীল গছৰ পাতৰ স'তে থেতেলাই মণ্ড কৰি চেপি ৰস উলিয়ালে নীলা ৰং পোৱা যাব। পানী পিয়লিৰ পাতৰ স'তে মজাঠি মণ্ড কৰি ৰস উলিয়ালে ৰঙা ৰং হ'ব; একবিধ গছৰ পাতৰ লগত হালধি মণ্ড কৰি ৰস উলিয়ালে সেয়া হালধীয়া ৰং হ'ব। (ট) বাহকৰ পাত উতলাই হালধীয়া ৰং পোৱা গৈছিল।' এইবোৰ ৰঙেৰে কাপোৰ, সূতা ৰং কৰিলেও ইয়াৰে কিছুমানেৰে (একক বা হেঙুল, হাইতালেৰে যুগ্মভাৱে) চিত্ৰ ৰং কৰা হৈছিল। উদ্ভিদজাত ৰংবোৰ দীৰ্ঘস্থায়ীকৰণৰ কাৰণে ভোমৰতি, বকুল আদি কেতবোৰ গছৰ গুটি, পাত, ছালৰ ৰস প্ৰয়োগ কৰিছিল। ৰংবোৰ পোকে নুকুটিবৰ বাবে লেটাগুটি বা কানিবিহৰ ৰস মিহলাই দিয়া হৈছিল। এই ৰংবোৰত আঠা প্ৰয়োগ সম্পৰ্কত 'অসমৰ চিত্ৰকলা' নামৰ পুথিত প্ৰদীপ চলিহাই উল্লেখ কৰিছে ঃ 'হেঙুল-হাইতাল আদি খনিজ ৰঙবোৰ পটাত চন্দন পিহাৰ দৰে পিহি কেঁচা বেলৰ আঠা আৰু হাঁহকণীৰ বিজলেৰে মিহলাই ছবি আঁকিছিল। সোণোৱালী, ৰূপোৱালী ৰঙত মাধ্যম

হিছাপে কেৱল হাঁহকণী ব্যৱহাৰ কৰিছিল।' কাঠৰ বয়বস্তু বলোৱাৰ ক্ষেত্ৰত হেঙুল-হাইতাল ব্যৱহাৰ কৰা হৈছিল। সেন্দূৰো ব্যৱহাৰ কৰা হৈছিল। বৰপেটা কীৰ্তনঘৰৰ চতি, কামি আদিত হেঙুল-হাইতাল আদিৰে নানা চিত্ৰ আঁকা হৈছিল। মথুৰা দাস বুঢ়া আতাৰ উদ্যোগত আৰু মহাপুৰুষ মাধৱদেৱৰ তত্বাৱধানত প্ৰতিষ্ঠা হৈছিল এক কীৰ্তনঘৰ। নিৰ্মাণৰ পাছত দুবাৰ হৰণ-ভগন হোৱাৰ অন্তত নিৰ্মিত কীৰ্তনঘৰৰ বৰ্তমান বেৰৰ সচিত্ৰ ৰঙীন মনোৰম ৰূপে আজিও মনত পেলাই দিয়ে অতীতৰ কীৰ্তনঘৰৰ সেই সচিত্ৰ ৰূপ।

প্ৰাচীন অসমৰ চিত্ৰশিল্প

প্ৰাচীন অসমৰ চিত্ৰশিল্প ঃ খ্ৰীঃপূৰ্ব তৃতীয় শতিকাতে বাৎসায়নে তেওঁৰ 'কামসূত্ৰ' গ্ৰন্থখনত চিত্ৰকলাৰ 'ষাড়ংগ' উল্লেখ কৰিছে। ষাড়ংগ শব্দৰ অৰ্থ হ'ল ছয় অংগযুক্ত। চিত্ৰকলাৰ আংগিক সম্বন্ধে বৰ্ণনা থকা আন এখন বিখ্যাত গ্ৰন্থ হ'ল 'বিষ্ণু ধৰ্মোত্তৰ'। এই গ্ৰন্থখনৰ তৃতীয় খণ্ডৰ এক চত্বাৰিংশ অধ্যায়ত মাৰ্কণ্ডেয় মুনিয়ে চিত্ৰৰ বিভিন্ন প্ৰকাৰ আৰু এই প্ৰকাৰবোৰৰ বিভিন্ন লক্ষণ প্ৰকাশ কৰিছে। চিত্ৰ চাৰি প্ৰকাৰ বুলি মাৰ্কণ্ডেয় মুনিয়ে মত পোষণ কৰিছে। সেইবোৰ হ'ল—সত্য, বৈনিক, নাগৰ আৰু মিশ্ৰ। 'নাৰদশিল্পৰ দুটি অধ্যায় হ'ল চিত্ৰকলা সম্পৰ্কীয়। 'সৰস্বতী শিল্প'ত চিত্ৰ, অৰ্ধচিত্ৰ আৰু চিত্ৰভাষাৰ তাত্ত্বিক আলোচনা আগবঢ়োৱা হৈছে। পৰমাৰ নৃপতি ভোজদেৱে খ্ৰীঃ একাদশ শতিকাত 'সমৰাংগন সূত্ৰধাৰ' নামেৰে এখন শিল্প শাস্ত্ৰ ৰচনা কৰিছিল। এই গ্ৰন্থখনৰ একসপ্ততিতম্ অধ্যায়ত লিখকে চিত্ৰৰ আঠোটি অংগ-বৰ্তিকা, ভূমিবন্ধন, লেখ্য, ৰেখাকৰ্ম, বৰ্ণকৰ্ম, বৰ্তনাক্ৰম, লেখন আৰু দ্বিকৰ্মৰ উল্লেখ কৰিছে।

অসমত মধ্য যুগত চিত্ৰবিদ্যাৰ অনুশীলন চলিছিল। ড° নাৰায়ণ দাসে তেওঁৰ 'পুৰণি অসমৰ চিত্ৰকলা' গ্ৰন্থত অসমৰ মধ্যযুগীয় চিত্ৰকলাক চাৰিটা শৈলীত অন্তৰ্ভুক্ত কৰিছে। সেইবোৰ হ'ল ঃ

সত্ৰীয়া শৈলী ঃ মহাপুৰুষ শংকৰদেৱৰ দ্বাৰা প্ৰতিষ্ঠাপিত সত্ৰানুষ্ঠানসমূহৰ পৃষ্ঠাপোষকতাত গা কৰি উঠা মধ্যযুগীয় অসমীয়া চিত্ৰকলাৰ বিচিত্ৰ ধাৰাকে সত্ৰীয়া শৈলীৰূপে চিনাক্ত কৰা হৈছে।

গড়গঞা শৈলী ঃ মোগল, ৰাজপুত নাইবা পাহাৰী চিত্ৰকলাৰ দৰে মধ্যযুগীয় অসমৰ আহোম আৰু দৰঙী ৰজাসকলৰ পৃষ্ঠপোষকতাত আত্মপ্ৰকাশ কৰা গড়গঞা শৈলীত বিশেষকৈ ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ আশা-আকাংক্ষা, চিন্তা-ভাবনা আৰু দৰবাৰ অথবা হেৰেম-কাচৰঙৰ প্ৰতিচ্ছবি প্ৰৌজ্জ্বল হৈ উঠে।

দৰঙী শৈলী ঃ দৰঙী ৰজাসকলৰ সাহিত্য, সংগীত,সংস্কৃতি আৰু চিত্ৰকলাৰ প্ৰতি আছিল গভীৰ অনুৰাগ। ইয়াৰ বিকাশৰ উপযুক্ত সুযোগ-সুবিধা প্ৰদানৰ ফলত এক নতুন চিত্ৰশৈলী সৃষ্টি হয়। সত্ৰীয়া শৈলীৰ স'তে থলুৱা লোকচিত্ৰৰ মধুৰ সংমিশ্ৰণত আত্মপ্ৰকাশ কৰা এই শৈলীৰ নাম 'দৰঙী শৈলী।' সত্ৰীয়া শৈলীত লোককলাৰ প্ৰভাৱক উপেক্ষা কৰিব নোৱাৰি যদিও দৰঙী শৈলীত লোকচিত্ৰৰ প্ৰভাৱৰ পৰিধি সুপ্ৰশস্ত।

টাই আহোম শৈলী : বহিঃ ভাৰতৰ পৰা অসমলৈ অহা এই চিত্ৰাংকন শৈলী আহোম বৌদ্ধ বিহাৰসমূহৰ ভিতৰতে সীমাবদ্ধ আছিল। এই শৈলীত চিত্ৰিত মাত্ৰ দুখন তুলাপতীয়া পুথি পোৱা গৈছে—'ফুংচিন (১৪৭৩ খ্ৰীঃ) আৰু 'চুক টাস্তা-কিম্পং' (১৫২৩ খ্ৰীঃ)। চিত্ৰসমূহৰ অংকন কৰা শিল্পীক খনিকৰ বুলিছিল। 'অসমৰ পুথি চিত্ৰ' গ্ৰন্থৰ লিখক ড° নবেন কলিতাই লিখিছে : 'গড়গঞা শৈলীৰ অন্তৰ্গত 'হস্তীবিদ্যাৰ্ণৱ'ৰ বাহিৰে বাকী পুথিবোৰৰ খনিকৰৰ নাম পোৱা নাযায়। এই পুথিৰ পাতত ছবি আঁকিছিল দুজন শিল্পীয়ে—সম্ভৱ মুছলমান দিলবৰ (দিলবাৰ?) আৰু হিন্দু গুজৰাটী 'দেশাই উপাধিধাৰী দোষাই। 'ধৰ্মপুৰাণ' আৰু 'ষষ্ঠ স্কন্ধ ভাগৱত'ৰ লগত 'বধ লিগিৰা' নামৰ এজন ব্যক্তিয়ে আনৰ হতুৱাই চিত্ৰ ৰচনা কৰোৱাহে বুজায়। অসমীয়া চিত্ৰকলাই সৰ্বভাৰতীয় চিত্ৰকলাৰ বিষয়-বস্তু আৰু ৰং-ৰেখাৰ ব্যঞ্জনাঘন বিন্যাস ৰীতিক অস্বীকাৰ কৰাৰ সলনি বহু ক্ষেত্ৰত আনকি বিভিন্ন ভাৰতীয় চিত্ৰশৈলীৰ অংকন-প্ৰণালীক স্বাগতম জনোৱাহে অনুভূত হয়। মধ্যযুগীয় ভাৰতভূমিত পূৰ্ব ভাৰতীয় পাল শৈলী আৰু পশ্চিম ভাৰতীয় বা গুজৰাটী শৈলীয়ে অৱস্থিতি লাভ কৰিছিল। মোগল আৰু ৰাজপুত চিত্ৰশৈলীৰ সংমিশ্ৰণত বিকশিত হোৱা আন এটা ইতিহাসপ্ৰসিদ্ধ চিত্ৰশৈলী হ'ল 'পাহাৰী চিত্ৰকলা।' গতিকে চিত্ৰকলাৰ দৰে ইয়াত (চিত্ৰত) প্ৰয়োগ কৰা ৰং নিৰ্মাণ বা প্ৰস্তুত প্ৰণালীয়ে সৰ্বভাৰতীয় বা ভাৰতৰ আন ঠাইৰ প্ৰভাৱ পৰিছে সেয়া বোধগম্য হয়।

চিত্ৰ আৰু ৰঙৰ প্ৰয়োগ : তাহানিৰ আমাৰ অসমৰ সাঁচিপতীয়া পুথিসমূহৰ চিত্ৰৰ বিষয়ে ক'বলৈ গৈ ড° সূৰ্যকুমাৰ ভূঞাদেৱে কৈছে : 'এই পুথি লেখোতাসকলৰ (নকলকাৰ) পুথিত অংগসজ্জাৰ বাবে সাধাৰণতে চিত্ৰশিল্পী নিয়োগ কৰা হৈছিল। কেতিয়াবা লিখোতা নিজেই চিত্ৰকৰ আছিল, নহ'লে লিখোতাই পুথিত চিত্ৰৰ বাবে এৰা খালী ঠাইত কোনো চিত্ৰশিল্পীয়ে চিত্ৰ আঁকিছিল। কোনো কোনো ক্ষেত্ৰত চিত্ৰ সংযোগ সম্ভৱ নহ'লে দাঁতিৰ খালী ঠাইসমূহৰ অংলকৰণবেই চিত্ৰৰ অভাৱ পূৰণ কৰিছিল। চিত্ৰসমূহত প্ৰায় সকলো ৰঙেই ব্যৱহাৰ হ'লেও সেইবোৰৰ ভিতৰত হালধীয়া আৰু সেউজীয়া ৰঙেই আছিল বেছি উজ্জ্বল। এই দীৰ্ঘস্থায়ী ৰঙবোৰৰ প্ৰস্তুত-প্ৰণালী আজি কাৰ্যতঃ লোপ পাইছে।' দাঁতিত অলংকৰণ কৰা পুথিক 'লতাকটা' পুথি বোলে।

মধ্যযুগৰ চিত্ৰশিল্পীসকলে সেই যুগৰ শিল্পী শাস্ত্ৰৰ নীতি-নিয়মৰ উপৰি চিত্ৰিত কৰিবলৈ লোৱা পদপুথিসমূহৰ গ্ৰন্থকাৰে বিভিন্ন চিত্ৰৰ দেহাৱয়বৰ ক্ষেত্ৰত প্ৰত্যক্ষ বা পৰোক্ষভাৱে ব্যক্ত কৰা বৰ্ণৰ নিৰ্দেশকো মানি চলিছিল। এই ক্ষেত্ৰত খনিকৰসকলে

কবি প্ৰসিদ্ধিৰ ফালেও সততে লক্ষ্য কৰিছিল। উদাহৰণস্বৰূপে উল্লেখ কৰিব পাৰি ৰামচন্দ্ৰ (আদিকাণ্ড ৰামায়ণ), শ্ৰীকৃষ্ণ (কীৰ্তন), লৱকুশ (উত্তৰাকাণ্ড ৰামায়ণ), যমদূত (কীৰ্তন), প্ৰহ্লাদ, বৈকুণ্ঠৰ চৈধ্য পাৰিষদ বিষ্ণুদূত (বলিচলন)ক কবিসকলে শ্যামবৰ্ণৰ বোলাৰ কাৰণে চিত্ৰকৰেও একেটা ৰঙকে প্ৰয়োগ কৰিছিল। বালিসত্ৰত পোৱা 'দশম স্কন্ধ ভাগৱত'কে সাঁচিপতীয়া পুথিৰ অন্যতম প্ৰাচীন নিদৰ্শনৰূপে ড° মহেশ্বৰ নেওগে অভিহিত কৰিছে। চিত্ৰৰ ৰঙৰ প্ৰয়োগ সম্পৰ্কত সঠিক ধাৰণা আছিল খনিকৰসকলৰ। উদাহৰণস্বৰূপে স্বৰ্গদেউ শিৱসিংহ আৰু তেওঁৰ ৰাণী অম্বিকাদেৱীৰ আজ্ঞাত ১৭৩৪ খ্ৰীষ্টাব্দত সুকুমাৰ বৰকাঠে অসমত লাভ কৰা স্থানীয় অভিজ্ঞতাৰ ভিত্তিত আৰু সংস্কৃত গজশাস্ত্ৰসমূহৰ ভিত্তিত সংকলন কৰা 'হস্তীবিদ্যাৰ্ণৱ' পুথিৰ কথাকে ক'ব পাৰি। সেউজীয়া সুদৃশ্যমান সমভূমি অঞ্চল, নীলা পাহাৰৰ নৈসৰ্গ, পানীত সাঁতুৰি থকা মাজেৰে পৰ্বতৰ তললৈ নামি অহা নদী, টুকুৰা-টুকুৰ মেঘৰে স'তে নীলা আকাশৰ গাত আঁউজি জিলিকি থকা পৰ্বত আদিৰ ছবি অতি প্ৰাঞ্জল।

প্ৰাচীন অসমৰ কাইথেলী অংক

মধ্যযুগত অসম তথা পূব ভাৰতত গণিত শাস্ত্ৰৰ এক বিশেষ অনুশীলন পদ্ধতিৰ প্ৰচলন আছিল। এই পদ্ধতিৰ নাম হ'ল কাইথেলী অংক। কাইথেলী অংক পদ্ধতিৰ দ্বাৰা মাটিৰ হিছাপৰ নিয়ম, মাটিৰ পিয়ল, বজাৰ দৰৰ জমা-খৰচৰ হিছাপ, কাঁহ-তাম, পিতলৰ দাম, ওজন, ভঁৰালৰ শস্যাদিৰ পৰিমাণ, গণনা, ঘৰ-দুৱাৰ সজাৰ জোখ-মাখ, বাঁহ-বেত আদিৰ পৰিমাণ, ঘৰৰ ভেটি তোলাৰ সকলো প্ৰকাৰৰ নিয়ম, সূতা কটা, কাপোৰ বোৱা-কটাৰ নিয়ম, প্ৰজাৰ কৰ-কাটল, ৰাজভঁৰালৰ আয়-ব্যয়, জ্যোতিষ সম্পৰ্কীয় গণনা, মাটি কটাৰ জোখ-মাখ, আমদানি-ৰপ্তানিৰ হিছাপ, বেপাৰৰ লাভ-লোকচানৰ হিছাপ, বছৰ-মাহ-দিনৰ হিছাপ, গাঁৱৰ মানুহৰ হিছাপ ৰখা আদি অতি সহজতে কৰিব পৰা গৈছিল। বিশেষ কামত লগা এই কাইথেলী অংকৰ বাহিৰেও মানুহক আমোদ লগাবলৈ কিছুমান অংকৰ প্ৰচলন আছিল, তাক কাইথেলী কৌতুক বোলা হয়। 'অসম সাহিত্য সভা'ৰ দ্বাৰা প্ৰকাশিত 'বিশ্বকোষ'ৰ অষ্টম খণ্ডত আছে ঃ 'জীৱন যাত্ৰাৰ কাৰণে প্ৰাচীন অংকৰ নিয়মবোৰৰ আৱশ্যকতা আছে। প্ৰাচীন অংক কৰা নিয়মৰ বাহিৰেও অংক কৰোতে ব্যৱহাৰ হোৱা অসংখ্য শব্দ অসমীয়া ভাষাত চলি আহিছিল। আগৰ দিনত গণিতৰ সূত্ৰ, গণিতৰ অংক কৰাৰ নিয়ম গাঁৱৰ মানুহৰ মুখে মুখে চলিছিল। কাগজ-কলমত লিখিলেও কমসংখ্যক মানুহেহে প্ৰাচীন পদ্ধতিত লিখিছিল। বিশেষ লিখা-পঢ়া নজনা মানুহে নানা হিছাপ কাইথেলী পদ্ধতিৰে নিৰ্ভুলকৈ কৈ দিব পাৰিছিল। আজিও গাঁৱত এনে মানুহৰ সন্মান আৰু প্ৰতিপত্তি যথেষ্ট। কেৱল গণিতেৰে নহয়, চিকিৎসাবিদ্যা আৰু জ্যোতিষবিদ্যাৰ গধুৰ প্ৰশ্নোত্তৰৰ নিয়মবোৰো এই পদ্ধতিৰে সমাধান কৰিব পৰা হৈছিল। কিন্তু কবিৰাজসকলে চিকিৎসাবিদ্যাৰ জ্ঞান অৰ্জন কৰি ৰোগীৰ আৱশ্যকীয় চিকিৎসা কাইথেলী অংকৰ সহায়ত কৰিব পাৰিছিল। দেশৰ পূব অঞ্চলটোৰ গণিত শাস্ত্ৰৰ এই বিশেষ পদ্ধতি ঘাইকৈ কায়স্থ সম্প্ৰদায়ৰ মাজত প্ৰচলিত আছিল। মন কৰিবলগীয়া যে মধ্যযুগৰ পূব ভাৰতত ৰাজকীয় আৰু সামাজিক হিছাপ-নিকাচ ৰখা বা গণিতৰ অধ্যাপনা কৰা কামত কায়স্থসকলেই ঘাইকৈ নিয়োজিত হৈছিল আৰু সেইবাবে এই পদ্ধতিবোৰৰ অনুশীলন আৰু বিকাশত তেওঁলোকেই বহুখিনি জড়িত হৈছিল। সেইবাবে অংকৰ এনে অনুশীলন পদ্ধতিক কাইথেলী অংক বোলা হৈছিল।' অশিক্ষিত জনগণৰ

অভিজ্ঞতা, বুদ্ধিদীপ্ততা, শব্দ যোজনাৰ আগত শিক্ষিতয়ো পৰাজয় বৰণ কৰিব লগা হয়, কাৰণ অশিক্ষিত গাঁৱলীয়া লোকৰ মুখ নিসৃত কাইথেলী অংকবোৰৰ মাজত সোমাই শিক্ষিতই তাক সমাধানৰ অৰ্থে চিন্তা কৰি মূৰ ঘমাবলগীয়া হয়। এইবোৰৰ মাজেদি জনগণৰ কল্পনাশক্তি, বুদ্ধি নিপুণতা, জোখ-মাখৰ জ্ঞান, সংখ্যা জ্ঞান, ব্যঞ্জনাসূচক উপযুক্ত শব্দ প্ৰয়োগ ক্ষমতা আদি ভালেমান বিশেষত্বৰ উমান পোৱা যায়। কাইথেলী অংকৰ দুটা উদ্দেশ্যধৰ্মী দিশ হ'ল—এজনৰ বুদ্ধি নৈপুণ্যৰ পৰিচয় আৰু আনজনৰ বুদ্ধিৰ উৎকৰ্ষ সাধনৰ কাৰণে সুযোগ। কাইথেলী অংকবোৰ কিছুমান সাঁথৰৰ দৰে, কিছুমান পদ্যৰ দৰে; কিছুমান শুনাত সাধুৰ দৰে আছিল বাবে মানুহৰ বাবে এইবোৰ মনোগ্ৰাহী আছিল। সেইবাবে কাইথেলী অংকবোৰৰ সাহিত্যৰ প্ৰতি থকা অৱদানো বিশেষভাবে উল্লেখযোগ্য। প্ৰাচীন কালৰ শিলালিপি, ৰৰতোপ, কামান, তামৰ ফলি, সাঁচিপাত, তুলাপাত, ভুজ-পত্ৰ আদিত কাইথেলী অংক সিঁচৰতি হৈ আছে। অসমৰ বৈষ্ণৱ সত্ৰ, মঠ-মন্দিৰত এনে অনেক পুথি আছে।

কাইথেলী অংকৰ মাজত সমাজ আৰু সংস্কৃতিৰ নানা ছবি প্ৰাণময় হৈ আছে। সমাজৰ ৰীতি-নীতি, মানুহৰ দৈনন্দিন জীৱনৰ নানা কৰ্ম, ৰন্ধন, খেতি-বাতি, খোৱা-বোৱা, মঠ-মন্দিৰ, উৎসৱ-পাৰ্বণ আদিৰ চিত্ৰ পোৱা যায়। কাইথেলী অংকবোৰ সমাধান কৰিবলৈ মানুহে গভীৰভাৱে চিন্তা কৰিবলগীয়া হয়। ইয়ে মানুহৰ চিন্তাশক্তিক সুজাগ্ৰত কৰে। মানুহৰ সু-ব্যক্তিত্ব গঠনত এনে সুজাগ্ৰত চিন্তাশক্তিৰ প্ৰয়োজন আছে। কাইথেলী অংক আৰু কৌতুকে মানুহৰ মাজৰ নীৰস মুহূৰ্ত একোটাক বুদ্ধিদীপ্ত, ৰসাল কৰি তোলে।

প্ৰাচীন কালত অসমৰ নানা ঠাইত কাইথেলী অংকৰ পঢ়াশালি আছিল। শিৰোমণি ভূঞাসকলে এনে পঢ়াশালি স্থাপন কৰিছিল। অৱশ্যে এইটোও অধিক স্বীকাৰ্য যে মানুহৰ মুখে মুখে কাইথেলী অংকৰ প্ৰচলন আছিল। কাইথেলী অংকবোৰ দেখাত অতি কঠিন। কিন্তু পদ্ধতিগতভাৱে ইয়াৰ সমাধান কৰিব পাৰি। কাইথেলী অংকত ব্যৱহৃত প্ৰতিটো শব্দৰ একোটা সংখ্যামান আছে। শব্দবোৰৰ এনে সংখ্যামান ব্যৱহাৰ কৰি বা যোগ-বিয়োগ, পূৰণ আদি কৰি অংকটোৰ সমিধান উলিয়াব পাৰি। কাইথেলী অংকৰ শব্দবোৰৰ এনে সংখ্যামান হ'ল—ৰাম, বহ্নি, অগ্নি, গুণ-৩; শশী, চন্দ্ৰ, নিশাপতি আৰু মহী-১; নেত্ৰ, ভুজ, কৰ, পাখা-২; বাণ, শৰ, ইন্দ্ৰিয়, আত্মা, বিধু-৫; ৰস, ধাতুৰ সংখ্যামান-৬, বসু, নাগ, গজ, মংগল-৮; দিশ, লোকপাল, কৰ্মৰ সংখ্যামান হ'ল— ১০; ৰুদ্ৰ-১১; আদিত্য, মাহ, ৰাশি-১২; মনু, ইন্দ্ৰ, ভুবন-১৪; তিথিৰ সংখ্যামান হ'ল-১৫; গগন, আকাশ-০; সমুদ্ৰ, মুনি, অশ্ব,

স্বৰৰ সংখ্যামান হ'ল-৭। এটা সাঁথৰ জাতীয় কাইথেলী অংক হ'ল—'মুনি গ'ল তপস্যাই ঘৰ শূন্য কৰে/দুই পাখা গৰুড়ে নিলে বাণ কন্দৰ্পৰ ঘৰে/পৃথিবীত চন্দ্ৰ নাই উদয় আকাশে/ক'ত গ'ল ১৫ ২২ অংক হ'ব কিসে//'। উপৰোক্ত অংকটোৰ শব্দবোৰৰ সংখ্যামান বহুৱাই সমিধান পাব পাৰি। মুনি-৭, শূন্য-০, দুই পাখা-২২, বাণ-৫, চন্দ্ৰ-১, এইবোৰ সংখ্যামান অংকটোত বাঁওফালৰ পৰা বহুৱালে হ'ব—১৫২২০৭। এইখিনিতে কাইথেলী অংকৰ লগত সাঁথৰ, পদ্য, নেওতাৰ সংখ্যাৰ গীত আদিৰ সাদৃশ্য দেখুৱাব পাৰি। কাইথেলী অংকবোৰ হ'ল পদ্যৰ দৰে ছন্দোবদ্ধ, অলংকাৰযুক্ত। সেই কাৰণে এইবোৰ শুনাত মনোৰম। কাইথেলী অংকবোৰক প্ৰায় সাঁথৰেই বুলিব পাৰি। এটা সাঁথৰ হ'ল—'ওপৰৰ পৰা পৰিল চিলা, মুৰ নোহোৱা মানুহ গিলা।' ইয়াৰ উত্তৰটো হ'ল চোলা। আকৌ আন এটা সাঁথৰ হ'ল— 'এণ্ডা, এণ্ডা, এণ্ডা, একেটা ঠানিতে পাঁচোটা টেণ্ডা।' ইয়াৰ উত্তৰ হ'ল হাতৰ আঙুলি। উপৰোক্ত কাইথেলী অংকটো আকৌ এবাৰ পঢ়িলে সাঁথৰৰ লগত সাদৃশ্য ওলাই পৰে। আকৌ নেওতাৰ সংখ্যাৰ গীতবোৰো কাইথেলী অংকৰ দৰে একোটা পদ্যস্বৰূপ। এটা নেওতাৰ গীতত কিয়দংশ হ'ল— 'একে একে দুই (১ + ১ = ২), নাথাকিবা শুই। দুয়ে দুয়ে চাৰি (২ + ২ = ৪) হোৱা শাৰী শাৰী।......' উপৰোক্ত কাইথেলী অংকটোও এনে ধৰণে ছন্দময়। উল্লেখৰ প্ৰয়োজন নাই। কাইথেলী অংক, পদ্য, সাঁথৰ, নেওতাৰ গীত আদি এনেদৰে ছন্দোবদ্ধ, অলংকাৰযুক্ত হোৱা বাবে আৰু শ্ৰতিমধুৰ হোৱা বাবে মানুহে মনত ৰাখিব পাৰে। কাইথেলী অংকৰ দৰে সাঁথৰবোৰৰ সমাধান বিচাৰি সাঁথৰটোৰ কথা ভাবি গভীৰভাৱে চিন্তা কৰিব লাগে।

কাইথেলী অংকবোৰৰ শব্দবোৰ সাধাৰণতে অসমীয়া শব্দতকৈ বেলেগ। তেনে কিছুমান শব্দ হ'ল—বৃন্দা-শূন্য, কণ্ঠী বা কণ্ঠ-ক্ৰান্তি, ৰেঞ্জ-টাৰ, হেঠৈৰ-সিমান, পাই এৰা-পাৰ চৰাই, হৰকৰ-হৰ-গৌৰীৰ স্থান, কেদাৰ-মহলৰ একখণ্ড, ওঁৰখ-ইয়াক, চৌকী-দুৱৰী, ভূমি-খাই, হাৰী-হাৰ, টাণ্ড-টাৰ ইত্যাদি। কাইথেলী অংকৰ পঢ়াশালিত ভাষা সম্পৰ্কীয় আৰু হিছাপ সম্পৰ্কীয় পাঠদানো কৰা হৈছিল।

প্ৰাচীন কালৰ কাইথেলী অংক আৰু কৌতুক সন্নিবিষ্ট পুথিসমূহ হ'ল—গণনাৰ পুথি, মাটি পিয়লৰ কথা, পেৰা কাকত, চূড়ামণি অংকশাস্ত্ৰ, অংকৰ পুথি, বিছ পত্ৰিকা গণনা, জ্যোতিষ অংক প্ৰশ্ন গণনা, ৰাজমাৰ্তণ্ড, অংকৰ পুথি, গৃহৰ ভিটিৰ নিৰ্ণয়, মাটিৰ পাতনিৰ অংক, সূৰ্য সিদ্ধান্ত, অষ্টবৰ্গী দাস, অংকৰ আৰ্যা, লীলাৱতী অংক, ৰাজবংশাৱলী, মণিৰাম দেৱানৰ ঘৰত সংৰক্ষিত অসমৰ মাটি পিয়ল পদ্ধতি আদি। কাইথেলী অংক-চৰ্চা কৰা প্ৰসিদ্ধ পণ্ডিতসকল হ'ল—শ্ৰীধৰ, বকুল কায়স্থ,

শুভংকৰ দাস, কবিৰত্ন, জ্যোতিষ চূড়ামণি, ৰচিদা ঠাকুৰ, আছাংগাৰ, কাৰ্তিক ময়ূৰকাই, নাৰায়ণ ভবানী দাস, কাশীদাস, ৰামবল্লভ, সমুদ্ৰখৰি, সূৰ্যখৰি, চূড়ামণি, বাক্‌চি আদি। স্বাধীনতা আন্দোলনৰ সময়ৰ কাইথেলী অংকৰ এজন প্ৰসিদ্ধ গৱেষক হ'ল দণ্ডিৰাম দত্ত। তেওঁ 'অসম সাহিত্য সভা', অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগ আৰু 'গুৱাহাটী বিশ্ববিদ্যালয়'ৰ অধীনত কাইথেলী অংকৰ গৱেষক হিছাপে কাম কৰিছিল। মহাত্মা গান্ধী আৰু জৱাহৰলাল নেহৰুৱেও তেওঁৰ কাইথেলী অংকৰ সম্মোহনত সম্মোহিত হৈ পৰিছিল। এইখিনিতে ভাস্কৰাচাৰ্যই লিখা 'লীলাৱতী' গ্ৰন্থৰ কথা উল্লেখ কৰিব পাৰি। এই গ্ৰন্থখনত প্ৰথমতে গণেশ বন্দনা আছে। পাছৰ অধ্যায়বোৰত ক্ৰমে সংজ্ঞা আৰু মাৰণী, অংকবোৰৰ অৱস্থান হিছাপে সিহঁতৰ মান, যোগ আৰু বিয়োগ পদ্ধতিৰ আলোচনা, পূৰণ পদ্ধতি আদিৰ লগতে ওলোটাকৰণ প্ৰক্ৰিয়া, কাঠৰ হিছাপ, এদম শস্যৰ আয়তন, ছাঁৰ জোখ আদিৰ বৰ্ণনা আছে। সংস্কৃত শ্লোকত এইবোৰৰ বৰ্ণনাৰ আমাৰ আলোচ্য কাইথেলী অংকৰ লগত মিল আছে। গ্ৰন্থখনৰ প্ৰথম অধ্যায়ৰ দ্বিতীয় শ্লোকটো হ'ল— 'বৰাটকানাং দশকদ্বয়ংয়ৎসা কাকনী তাশ্চপনশ্চতস্ৰঃ/তে ষোড়শ দ্ৰম্ম ইহাবহম্যে, দ্ৰম্মৈস্তথা ষোড়শভিশ্চনিষ্ক।' অৰ্থাৎ— 'একুৰি বাৰ টকাত এক কাকিনী আৰু চাৰি কাকিনীত একপন হয়। যোল্লপনত এক দম্ম আৰু যোল্ল দম্মত এক নিষ্ক হয়।' ইয়াতে ভাস্কৰাচাৰ্যই ভাৰতত এঘাৰ আৰু বাৰ শতাব্দীত প্ৰচলিত মুদ্ৰাবিলাকৰ উল্লেখ কৰিছে। আকৌ একেটা অধ্যায়ৰে পঞ্চম শ্লোকত ভাস্কৰাচাৰ্যই দীঘ নিৰূপণ পদ্ধতি বৰ্ণনা কৰিছে। শেষত ক'ব পাৰি কাইথেলী অংকৰ লগত লীলাৱতীৰ শ্লোকৰ বৰ্ণনাৰ মিল আছে। কাইথেলী অংকৰ গুৰুত্ব বৰ্তমান সময়তো আছে। পঢ়াশালিত বৰ্তমানো কাইথেলী অংকৰ শিক্ষাদান কৰাৰ কথাও বিবেচনা কৰিব পাৰি।

প্ৰাচীন অসমৰ মৃৎ শিল্প পদ্ধতি

অসমত আদিম যুগৰে পৰা মৃৎশিল্পৰ প্ৰচলনৰ প্ৰমাণ পোৱা গৈছে। মানুহৰ দৈনন্দিন জীৱনত ব্যৱহাৰ্য সামগ্ৰীসমূহৰ ভিতৰত নানা ধৰণৰ মাটিৰ পাত্ৰও আছিল। এই পাত্ৰসমূহত নানা ধৰণৰ শিল্প প্ৰতিভাৰ প্ৰকাশ ঘটিছিল। লাহে লাহে সমাজত মাটিৰ মূৰ্তিত পূজা কৰাৰ পৰম্পৰাৰো প্ৰচলন ঘটিল। অসমত দুটা জাতিৰ মানুহে মাটিৰ শিল্পৰ পৰম্পৰা ৰক্ষা কৰি আহিছে। তেওঁলোক হ'ল হীৰা আৰু কুমাৰ। ভূ-পৃষ্ঠৰ কিছু তলত থকা এবিধ টান আৰু আঠাল মাটিৰে নানা বস্তু গঢ়ে। কুমাৰৰ মাটি হিন্দুৰ মনত পবিত্ৰ। উঁইৰ মাটি নাপালে কুমাৰৰ মাটিৰে শিব লিংগ নিৰ্মাণ কৰাৰ বিধান আছে।

ঐতিহাসিক যুগত মানুহে মাটিৰ সঁজুলি ব্যাপকভাৱে ব্যৱহাৰ কৰিছিল। নানা ধাতুৰ নানা ধৰণৰ বস্তু আবিষ্কাৰ হোৱাৰ পাছত মাটিৰ পাত্ৰৰ ক্ষণ ভংগুৰতালৈ চাই মানুহে পাত্ৰবোৰ ধাতুৰে গঢ়িবলৈ লয়। কিন্তু ধাতুৰ পাত্ৰ ব্যয়বহুল হোৱা কাৰণে মানুহে মাটিৰ পাত্ৰকে ব্যৱহাৰ কৰিবলৈ ধৰিলে। প্ৰাচীন যুগত ব্যৱহাৰ হোৱা অনেক ধৰণৰ মাটিৰ পাত্ৰ অসমৰ অনেক ঠাইত আবিষ্কাৰ হৈছে। আদিম যুগত মৃৎ শিল্পৰ চানেকি আবিষ্কাৰ হৈছে—উত্তৰ কাছাৰৰ দাওজালি হাডিং, দৰঙৰ দ পৰ্বতীয়া, নগাঁৱৰ মহাদেও শাল আৰু মৰিগাঁও জিলাৰ মায়াঙত। প্ৰাক-আহোম যুগৰ কিছুমান উৎকৃষ্ট মৃৎ শিল্পৰ চানেকি গুৱাহাটীৰ উজান বজাৰত আবিষ্কাৰ হৈছে। এই অপূৰ্ব সুন্দৰ মাটিৰ কলহবোৰৰ সোণোৱালী এবিধ গুড়িৰে কৰাল দিয়া হৈছে। এই পাত্ৰবোৰ ঘঁহিলে সোণৰ দৰে জিলিকি উঠে। এইবোৰৰ কাণ আৰু গাত মিহি ৰেখা বা আন আন চানেকিৰে ফুল কটা আছে। গুৱাহাটীৰ আমবাৰীত কৰা খনন কাৰ্যত 'গুৱাহাটী বিশ্ববিদ্যালয়'ৰ পণ্ডিতবৰ্গই বহুতো মৃৎ শিল্পৰ নিদৰ্শন আবিষ্কাৰ কৰিছে। এইবোৰৰ ভিতৰত 'আমবাৰীৰ উৰ্বশী' নামৰ নাৰীমূৰ্তিৰ ভগ্নাংশ, মাটিৰ সৰু সৰু নৰ্তকীমূৰ্তি আদি উল্লেখযোগ্য। গুৱাহাটীৰ বহুত ঠাইত আবিষ্কাৰ হোৱা সৰু ডিঙিৰ লোটা, দুগদুগি জাতীয় মাটিৰ পাত্ৰৰ ভিতৰফালে সেউজীয়া ৰঙেৰে 'এনামেল' কৰা। কেবাশ বছৰো মাটিত পোত গৈ থকা সত্বেও সেই এনামেলৰ ৰং আজিও বেয়া হোৱা নাই। গোলাঘাটৰ কাছমাৰীত আইনাৰ স্বচ্ছ এনামেল কৰা অতি নিমজ ভালেমান মাটিৰ টুকুৰাও পোৱা গৈছে।

ভাৰতৰ লগতে অসমতো অতি পুৰণি কালৰে পৰা কুমাৰৰ চাকৰ ব্যৱহাৰ

আছে। তাৰ লগতে হাতেৰে গঢ়া পদ্ধতিৰো প্ৰচলন আছে। আকৌ নৱ প্ৰস্তৰ যুগৰ পৰা অসমত তিনিটা পদ্ধতিৰে মাটিৰ সাজ গঢ়া পদ্ধতিৰ প্ৰচলন আছে। প্ৰদীপ চলিহাই 'পুৰণি অসমৰ কাৰিকৰী শিল্প' শীৰ্ষক গ্ৰন্থত এই তিনিটা পদ্ধতিৰ উল্লেখ কৰিছে ঃ

প্ৰথম পদ্ধতি মতে প্ৰথমতে ধানৰ নৰা-খেৰ আদিৰে এটা কলহৰ আকৃতিৰ জুমুঠি বান্ধে। জুমুঠিটোত মাটিখিনি লিপিত খুৱাই লগাই দিয়ে। ভালকৈ শুকালে জুইত পুৰি পেলায়। পোৰোতে ভিতৰৰ খেৰৰ জুমুঠিটো পুৰি ছাই হৈ যায়। চেঁচা হ'লে এটা সুন্দৰ টেকেলি হৈ পৰে। এই পদ্ধতি যোৱা কিছু বছৰ আগলৈ গোলাঘাট মহকুমাৰ গাত লাগি থকা বৰ্তমানৰ কাৰ্বি আংলং জিলাৰ উত্তৰ-পূব সীমান্ত ৰে'লৰ ধনশিৰি ৰে'ল ষ্টেচনৰ ওচৰৰ জনজাতি গাঁৱত চলি আছিল। দ্বিতীয় পদ্ধতি মতে প্ৰথমতে মিহি বাঁহৰ কাঠিৰে প্ৰয়োজন অনুসাৰে হাড়ি, টেকেলি, কলহ আদিৰ আকৃতিৰ এটা মিহি বাঁহৰ সঁজুলি গঢ়ি লয়। সেই সঁজুলিটোৰ ভিতৰফালে, ভালকৈ খচি লোৱা আলতীয়া মাটি হাতেৰে হেঁচি ১-৪ ইঞ্চি মান ডাঠকৈ চাৰিওফালে লগাই দিয়ে। মাটি খুওৱা সম্পূৰ্ণ হ'লে এটা ঘিলা বা তেনে মিহি বৰ্তনেৰে ভিতৰখন ঘঁহি-পিহি নিমজ কৰে। ভালকৈ শুকুৱাৰ পাছত বাঁহৰ কাঠিৰ সাঁচটোৰ মতে বস্তুটো জুইত পুৰি পেলায়। বাহিৰৰ বাঁহৰ খাণ্ডটো পুৰি ছাই হ'লে, ভিতৰৰ মাটিৰ পাত্ৰটো ওলায় পৰে। এনে পদ্ধতিৰে গঢ়া পাত্ৰৰ বাহিৰ ফালে বাঁহৰ কাঠিৰ সাঁচ বহি খহটা হৈ থাকে। ভিতৰখন মিহি হয়। এই পদ্ধতি অসমৰ জনজাতিসকলৰ মাজত প্ৰচলিত। তৃতীয় পদ্ধতি মতে প্ৰথমতে মাটিখিনি ভালকৈ খচি লয়। তাৰে অলপ কোমল মাটি দুই হাতৰ তলুৱাৰে ঘঁহি ঘঁহি এডাল দীঘল ৰচি কৰে। বোকাৰ সেই ৰচিডাল ঘূৰাই ঘূৰাই মেৰ খুৱাই জাপি দেহত এটা গোটা মাটিৰ আকৃতি কৰে। ইয়াৰ পাছত এটা মিহি শিলগুটি লৈ খুন্দি খুন্দি গোটেই পাত্ৰটো জোৰা নথকা এটা মিহি পাত্ৰ কৰি পেলায়। পাত্ৰটো গঢ়া হ'লে পোনে পোনে ৰ'দত নিদি গছৰ ছাঁত শুকুৱাই লয়। অলপ ডকৰা পৰিলেহে চোকা ৰ'দত দি ভালকৈ শুকুৱাই ঐকেলগে হোৰাত ভৰাই টকৌ পাতেৰে ভালকৈ ঢাকি, নিজৰ চাঙলৈ পুৰিবলৈ লৈ যায়। এই পদ্ধতিৰে শিবসাগৰ জিলাৰ বিহুবৰ, নাগিনীমৰা, নগাভূমিৰ ওৱাকুচিং, ওৱাণ্টলু আদি গাঁৱৰ কন্যাক শাখাৰ নগা লোকসকলে ভৈয়ামতে মাটিৰ পাত্ৰ গঢ়ে।

আহোমসকলৰ ৰাজত্ব কালত মধ্য যুগত ঘৰ, দ'ল, দেবালয়ৰ লগতে মৈদাম আদিত ইটাৰ গাঁথনিত কৰাল ব্যৱহাৰ কৰিছিল। এই কৰাল হ'ল চূণ, মাহ, গুৰ, মাছ, তেল, ধূনা আদি মিহলাই কৰা চিমেণ্ট সদৃশ বস্তু। মৈদামত ব্যৱহাৰ কৰা কৰালৰ বস্তুবোৰৰ বিৱৰণ চাৰুংগ ফুকনৰ বুৰঞ্জীত আছে। স্বৰ্গদেউ গদাধৰ সিংহৰ মৈদামৰ

কৰালৰ বস্তুবোৰৰ বিৱৰণ দিয়া হ'ল—গুৰ ৫৬৮১ কলহ, মাহ-৬৯৬ ঢোল (১মোন), শন ৬৩৫ ঢোল, শিলচূণ ২৬০০ ঢোল, শামুক চূণ ১৪৭০০ ঢোল, (১ মোন), চকাচূণ ৭১৩৮ কলহ মাহ ১৮৫ ভাংগ তেল ২৪ ভাংগ, ধুনা ২৪০ মেৰ, আদি। (এয়া ভলৰ তলাৰ বিৱৰণ)।

মধ্যযুগত কুমাৰসকলে চাকৰ সহায়ত চৰু, কলহ গঢ়িছিল। কুমাৰসকলৰ মাটিৰ পাত্ৰ গঢ়া চাকখনৰ ব্যাস দুহাত, আঢ়ৈ হাতমান আছিল। প্ৰথমতে টান কাঠ আৰু বাঁহেৰে চাকখনৰ জঁকাটো কৰি লৈ, বেতেৰে ভালকৈ চাটি, বান্ধি লৈছিল। চাকখন গধুৰ কৰিবলৈ ইয়াৰ ভিতৰত শিলগুটি ভৰাই কুমাৰৰ মাটিৰে গোটেই চাকখনৰ জঁকাটো পুৰাইছিল। চাকখন পোন হৈ ঘূৰিবলৈ মাজলৈ ‘জাত ঘূৰোৱাৰ দৰে সৰু লাখুটি এডাল ব্যৱহাৰ কৰিছিল। ‘নাই হ'ল’ ভাল মাটিত সোমাই নাবাবলৈ তলত ‘নাই’ নামৰ অকণমান শিলৰ খুৰলি এটা ব্যৱহাৰ কৰিছিল। চাকখন ঘূৰি থাকোঁতে তাৰ সোঁমাজত আগতে বাছি মিহলি কৰি থোৱা কুমাৰৰ মাটিৰ কোমল মাটি অলপ থৈ হাতৰ আঙুলিৰ টিপাৰে ইচ্ছানুযায়ী পাত্ৰৰ ৰূপ দিছিল। গঢ়াৰ শেষত এডাল টান সূতাৰে পাত্ৰটোৰ ‘নাই’টো কাটি চাকৰ পৰা এৰুৱাই ছাঁদত শুকাবলৈ দিছিল। পাত্ৰবোৰত ৰাংগণ মাটিৰে চিত্ৰ আঁকিছিল। চিত্ৰত ৰং পকা কৰিবলৈ কেতেলোৱে গৰুৰ মূত ব্যৱহাৰ কৰিছিল। চৰু, কলহ আদি পুৰিবৰ কাৰণে পাণপাতি ব্যৱহাৰ কৰিছিল। মধ্য যুগত কুমাৰে গঢ়া কিছুমান সঁজুলি হ'ল—থালী, জঁকা, হাড়ি, খোলা, কেৰীয়া, চৰু, সাতৰ, চাকলি, মালেকী, মলা, মলাচৰু, বানমলা, চেৰা চৰু, জোঙা কলহ, আদকলহ, টেকেলি, চাক, ভুৰুকা, ঘট, ভেটুৱা, নদীয়া, মঠীয়া, উৰা, মেচগৰা, ডসৰ, টেচম্কা, চেৰাগদান, খোল, সুতুলি, ধূনাদান, গছ, চাকি, আকাশবন্তি, দুণৰি, বটা, চিলিম, পুতলা, মৈনাম, মুহি, ঘৰ, বাটিজালা আদি। হৰিনাথ শৰ্মা দলৈয়ে লিখা ‘ৰাবে-কংগীয়া অসম’ গ্ৰন্থত আছে : ‘খনিকৰবিলাকে কুমাৰৰ মাটিৰে প্ৰতিমাদি সাজিছিল। আগতে অসমত মৃন্ময় প্ৰতিমাদি তৈয়াৰ কৰা হোৱা নাছিল। আহোম স্বৰ্গদেউ বুদ্ধি স্বৰ্গনাৰায়ণে কিছুমান মহলীয়াল মানুহক কোচবিহাৰলৈ পঠিয়াই মৃন্ময় মূৰ্ত্তিৰ নিৰ্মাণ কৰা শিকাই আনিছিল। পাছত তেওঁলোকৰ বংশধৰসকল খনিকৰ কৈলবাপে পৰিগণিত হ'ল।’

হীৰা সম্প্ৰদায়ৰ লোকে অসমৰ ঠাই-বিশেষে মাটিৰ পাত্ৰ গঢ়ে। এওঁলোকে বাচনি গঢ়া মাটি আন ঠাইৰ পৰা আনি নদীৰ পাৰত পুতি থয়। সময়ত মাটি উলিয়াই হাতেৰে নানা ধৰণৰ সঁজুলি গঢ়ে। এইবোৰ তলাই ঘুঁইত পুৰি বিক্ৰীৰ বাবে প্ৰস্তুত কৰে। এওঁলোকে চৰু, কলহ, টেকেলি, চাকি, ধুনাদানী, ধূপদানী আদি গঢ়ে। এওঁলোকৰ ঘৰৰ চোতালত থকা ‘পাখুলা’ নামৰ এবিধৰ বহল শিলত মাটিখিনি

খচে। এটা ঘূৰণীয়া আকৃতিৰ যতনৰ ওপৰত মাটিখিনি থৈ পিটনী নামৰ এডাল কাঠৰ চেপেটা সঁজুলিৰে পিটি পিটি পাত্ৰটোৰ এটা মোটামুটি গঢ় তুলি লৈছিল। এনে পাত্ৰৰ ভিতৰফালে এটা শিল লৈ আৰু সোঁহাতত পিটনী লৈ তাৰে পিটি পিটি ইচ্ছানুযায়ী পাত্ৰৰ গঢ দিয়ে। টেকেলি, কলহ আদিৰ কাণ বেলেগে গঢ়ি লগাই দিছিল। হীৰাসকলে মুকলি ঠাইতে পাতবোৰ পুৰি লয়। হীৰাসকলৰ পাত্ৰ গঢ়া পদ্ধতি কুমাৰসকলতকৈও পুৰণি। মাটিৰ সমতল পৃষ্ঠৰ পৰা পাঁচ-ছয় ইঞ্চি তলত পোৱা যায় হীৰা মাটি। অৱশ্যে সকলো হীৰা মাটি মৃৎ শিল্পৰ কাৰ্যত ব্যৱহাৰ কৰিব নোৱাৰি। ব্যৱহাৰ উপযোগীখিনি ট্ৰাক হিছাপে তাৰ পৰা কিনি আনি কুলবিলত বুঢ়াদিয়া নদীৰ ওচৰত পুতি থয়। বাচন গঢ়া সময়ত তাৰ পৰা আনি শিল্প কৰ্মত লগায়।

হীৰাসকলে মাটিৰ পাত্ৰবোৰ গঢ়ি ৰ'দত শুকাব দিয়ে। তাৰ পাছত জুইত পোৰে। তেওঁলোকে মুকলি ঠাইতে বস্তুবোৰ থুপাই লৈ পোৰে। থুপা দিওঁতে প্ৰথমতে ঠাইডোখৰ তুঁহ আৰু গোবৰ খুটি দি লয়। তাৰ ওপৰত মাটিৰ পাত্ৰবোৰ সযতনে জাপি দি তাৰ মাজে মাজে নৰা, ধানখেৰ, তুঁহ আদি সুমুৱাই দি, ওপৰৰ ছাই আৰু ফলীয়া তুঁহেৰে ঢাকি দিয়ে। গধূলি জ্বলাই দি ৰাতিটো উমি উমি জ্বলি পুৰা পোৰা সম্পূৰ্ণ হৈ পৰে। এইবোৰত ৰঙো লগায়। কুলবিলৰ মৃৎ শিল্পৰ উৎপাদিত সামগ্ৰীৰ ব'হাগ, জেঠ, মাঘ, ফাগুন মাহত সমাদৰ বাঢ়ে। এই সময়খিনি বিয়াৰ সময়। অসমীয়া সমাজৰ বিয়াত মাটিৰ সামগ্ৰীৰ প্ৰয়োজন অধিক। ইয়াৰ মৃৎ শিল্পীসকলে ভাৰ বান্ধি মৃৎ শিল্পৰ উৎপাদিত সামগ্ৰীসমূহ গাঁৱে গাঁৱে বিক্ৰী কৰি ফুৰে। তদুপৰি পাইকাৰীসকলেও বস্তুবোৰ ক্ৰয় কৰি গাঁৱে গাঁৱে বিক্ৰী কৰে। হাটত (বজাৰ) কাটা, হাড়ি, জপাকাটা, চৰু, মালোই, টেকলি, লুৰ্কি, ধুনমলা, বন্তি, পাতচৰু, চিলিম, জগা, কলহ, পাইলা, টিপা, মলা, মাদলি, মহি, গছাযুক্ত বন্তি আদি বিক্ৰীৰ বাবে উলিয়ায়। এই মাটিৰ পাত্ৰবোৰ গুণত অতুলনীয়। উদাহৰণস্বৰূপ পাইলাৰ কথাকে ক'ব পাৰি। মাটিৰ পাইলা নহ'লে আন পাত্ৰ ষ্টীল, এলুমিনিয়ামৰ পাত্ৰত দৈ ভাল নহয়। পাইলাত এঁৰা গাখীৰ জমাইহে বিচৰা ধৰণে উৎকৃষ্ট দৈ পাব পাৰি। সেইদৰে মাটিৰ চাকিৰ জুই পোহৰ উজ্জ্বল হয়। বিয়া, পূজা-পাৰ্বণত চৰুত ভজা চিৰাহে ব্যৱহাৰ হয়। বিয়াত বা পূজাত মাটিৰ ঘটত পানী তুলি আনি বৰ, কইনাক ধুৱোৱা বা পূজা কৰ্মত লগোৱাটো নিয়ম।

অসমীয়া সমাজ-সংস্কৃতিত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা মৃৎ শিল্পৰ শিল্পীসকলৰ আৰ্থিক অৱস্থা কিন্তু শোচনীয়। উৎপাদিত সামগ্ৰীৰ দাম কম হোৱা আৰু বজাৰ কমি অহাত শিল্পীসকলৰ উপাৰ্জন কমকৈ হয়। ফলস্বৰূপে তেওঁলোকে অভাৱৰ মাজত দিন অতিবাহিত কৰিব লগা হৈছে।

প্ৰাচীন অসমৰ কাৰিকৰী শিল্পসমূহ[১]

কাৰিকৰী শিল্পৰ ক্ষেত্ৰত অসমৰ প্ৰাচীন ঐতিহ্য সমৃদ্ধপূৰ্ণ। প্ৰাগ-ঐতিহাসিক যুগৰ পৰাই এইখন দেশত এনে নানা ধৰণৰ শিল্প থকাৰ কথা পোৱা যায়। মহাভাৰতৰ সভাপৰ্বৰ এঠাইত পোৱা যায় ধৰ্মৰাজ যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞলৈ হিমালয়ৰ পূৰ্ব প্ৰান্তৰৰ ৰাজ্য কামৰূপৰ পৰা চন্দন কাঠ, মৃগচৰ্ম, পশু, চৰাই আদি পঠিয়াইছিল। কৌটিল্যৰ 'অৰ্থশাস্ত্ৰ'তো কামৰূপ ৰাজ্যত পত্ৰোন (এবিধ গছৰ আঁহৰ পৰা প্ৰস্তুত কৰা উত্তম কাপোৰ), তৈল পৰ্ণিক (এবিধ সুগন্ধি প্ৰসাধন), দুগুল (এবিধ পাট কাপোৰ) আদি শিল্পত অগ্ৰগতি দেশ আছিল বুলি কোৱা যায়। দ্বিতীয় শতাব্দীৰ আগভাগত অসমলৈ অহা গ্ৰীক ভ্ৰমণকাৰী টালেমীয়ে লিখি থৈ গৈছে যে ১৮০০ বছৰৰ আগতে কামৰূপ ৰাজ্য পাট শিল্পত বিখ্যাত আছিল। চীন দেশৰ এজন পৰিব্ৰাজকে এটি টোকাত ভাস্কৰ বৰ্মাৰ ৰাজত্বকালৰ অসমৰ নাও আৰু লো শিল্পৰ কথা লিখি থৈ গৈছে এনেদৰে : 'That during this time boat building was a flourishing industry in Kamrupa and that of iron which must have been then available in abuadance from Khasi Hills' মাটিৰ শিল্পৰ গুণগ্ৰাহিতাৰ ওপৰত মিঃ কে এন, ডিক্ষিটে 'Archacological Survey of India'ত লিখিছে : 'অসমৰ পুৰণি কালৰ মাটিৰ পাত্ৰ পৰীক্ষা কৰি পোৱা যায় যে ই ভাৰতৰ অন্য ঠাইত পোৱা মাটিৰ পাত্ৰতকৈ পুৰণি আৰু উৎকৃষ্ট। চান্দ সদাগৰে কামৰূপ ৰাজ্যৰ শিল্পজাত নানা দ্ৰব্যসম্ভাৰেৰে দেশ-বিদেশত বণিজ কৰিছিল। বেহা-বেপাৰ সম্পৰ্কত পুৰণি কামৰূপ ৰাজ্যই ব্ৰহ্মদেশ, চীন, মালয়েছীয়া, ম্যানমাৰ, শ্যাম দেশ, বালি, জাভা, ভুটান, সুমাত্ৰা, আৰৱ, ইণ্ডোচীন আদিৰ লগত সম্পৰ্ক কৰিছিল।

তলৰ আলোচনাত অসমৰ কাৰিকৰী শিল্পসমূহৰ বিষয়ে উল্লেখ কৰা হ'ল :

সোণ : ট্ৰেভেৰনিয়াৰ চাহাবে লিখিছিল : 'অসমৰ মানুহে সোণ অন্য দেশলৈ নপঠিয়াইছিল। নিজ দেশতে চলাইছিল।' ১৯৭০ চনত লিখিত আলমগিৰি নামাত উল্লেখ আছে : 'অসমত মানুহে সোণ আৰু ৰূপ নৈৰ বালিত ধুই গোটাইছিল। এই কামত বছৰি ২০ হেজাৰ মানুহে খাটিছিল আৰু প্ৰত্যেকে ৰজাক বছৰি এতোলাকৈ সোণ দিব লাগিছিল। অসমৰ ব্ৰহ্মপুত্ৰ, দিহিং, চিচি, ভৰলী, সোৱণশিৰি, দিক্ৰং, দিচৈ, জংলুপানী, দিবং, জাঁজি আদি নৈৰ পানীৰ সোঁতত উটি অহা সোণ মানুহে বালিত

পাইছিল। ৰাভেল চাহাবে ১৮৩৩ চনত লিখিছে : 'ব্ৰহ্মপুত্ৰৰ পৰা দুকুৰি মোন বালি নি বিলাতত পৰীক্ষা কৰি প্ৰতি টন বালিত ১.৩ গ্ৰেইনকৈ সোণ পোৱা গৈছিল।' বালিৰ পৰা সোণ বিভিন্ন পৰ্যায়ৰ কামৰ মাজেৰে সংগ্ৰহ কৰা হয়। ইয়াকে 'সোণ কমোৱা' বোলে। বেণুধৰ শৰ্মা ৰচিত 'মণিৰাম দেৱানৰ বুৰঞ্জী'ত থকা এনে এটা সোণ কমোৱা পদ্ধতিৰ কথা উল্লেখ কৰা হ'ল : 'সোঁত থকা নৈৰ গৰাৰ বিপৰীত দিশৰ বালিৰ পৰা (অলপ পানীত তল গৈ থকা বালি পৰীক্ষা কৰি সোণ কমোৱা হয়। বালিত বেছিকৈ বালিচন্দা থাকিলে সোণ কমোৱাৰ উপযুক্ত স্থান বুলি ধৰা হয়। প্ৰথমতে এডাল জোঙা মাৰি বালিত হেঁচি তলত বালিৰ টান চটা পায়নে চাই আৰু যদি পায় সেই বালি আনি পৰীক্ষা কৰি সোণৰ টেঁকুৰা পাইনে চায়। যদি পায় তেন্তে দুৰুণিত (পানী থোৱা পাত্ৰ) ধুই সোণৰ টেঁকুৰাবোৰ উলিয়াই চুঙাত ভৰাই পিছত বহ দি (বৰকৈ পগাই) সোণখিনি লদা কৰে। তাৰ পিছত শামুকৰ খোলাত ভৰাই নাহৰ গছৰ খৰিৰে জাল (জুইৰে সেক দি) দিলে আচল সোণখিনি ওলাই পৰে। এইবোৰ কাম কৰা সুকীয়া সোণোৱাল পাইকৰ ভিতৰত এজন গুজা আৰু তাৰ ওপৰত খেলদাৰ ৰখনা বিষয়া নানা তৰহৰ বাচন-বৰ্তন আদি কাপোৰত লগোৱা সোণৰ ফুল, গুণা, পটি আদি কৰি নিজৰ দেশত যোগান ধৰাৰ লগতে বিদেশলৈও ৰপ্তানি কৰিছিল। নানা ধৰণৰ অস্ত্ৰ-শস্ত্ৰ, ঘৰৰ বেৰ, চাল, খুঁটা, ৰাজসিংহাসন, ৰজাসকলৰ মৈদামৰ বিভিন্ন বস্তুত সোণ, সোণৰ পাট, ফুল, গুণা, সোণৰ পানী আদি গঢ়াইছিল আৰু চ'ৰাইছিল। মৈদামত দিয়া সোণ-ৰূপ, সা-সম্পত্তি আদি মোগলৰ আক্ৰমণৰ সময়ত, মানৰ আক্ৰমণৰ সময়ত আৰু ইষ্ট ইণ্ডিয়া কোম্পানীৰ দিনত মৈদাম ভাঙি লৈ যায়। গৌৰীনাথ সিংহৰ দিনত কেপ্টেইন ৱেলচ্ চাহাবে দিখৌ নৈয়েদি নাৱত ভৰাই ১৭১৬ শকত সোণৰ অলংকাৰ ৪০০০০০ টা, ২০০০০০০০ টকা মূল্যৰ সোণ নিয়ে।

ৰূপ : গাৰো খাচীয়া পৰ্বতৰ পূব দক্ষিণ ফালৰ পৰ্বতৰ পৰা ৰূপ মাটি আনিবলৈ মৰঙিয়াল কছাৰী আৰু সক কছাৰীৰ ৫ হেজাৰ মানুহে ৰূপোৱাল খেল পাতিছিল। এওঁলোকে বছৰি এহেজাৰ সোণ-ৰূপযুক্ত মাটি আনি ৰূপ কমাইছিল। চেখোৱা, শদিয়া, জয়পুৰৰ কছাৰী আৰু চুতীয়া এহেজাৰ মানুহ যাব লাগিছিল মানদেশৰ পৰা ৰূপমাটি আনিবলৈ। ৰূপৰ মহীত (এবিধ পাত্ৰ) ৰূপ পগাই চটা কৰি লয়। সেই ৰূপেৰে উজনিত ৰজা ৰূপৰ আৰু নামনিত নাৰায়ণ ৰূপৰ মোহৰ সজাইছিল। ৰূপ মাটি চালি-জাৰি ৰূপৰ টেঁকুৰা বোটোলোৱাৰ পৰাই ৰহকৰ নতুনৰ এডোখৰ ঠাইক 'চলা পথাৰ' বোলা হয়। ৰূপৰ পৰা অসমীয়া শিপীয়ে অলংকাৰ,

বাচন-বৰ্তন, মূৰ্তি, পুতলা, মুদ্ৰা বা মোহৰ আদিৰ লগতে ৰূপৰ গুণাৰে কাপোৰ, পানীৰে নানা বস্তু তৈয়াৰ কৰিছিল।

ৰ'হ বা পাৰা : পুৰণি কালত বেলগছৰ পাতৰ পৰা পাৰা বা ৰ'হ কিবা উপায়েৰে বাহিৰ কৰাৰ পদ্ধতি আছিল। অসমৰ সোণ কমোৱাত, মানুহৰ বিশেষকৈ ৰজাসকলৰ মৃতদেহ নষ্ট নোহোৱাকৈ বহুদিনলৈ ৰাখিবলৈ, পুখুৰীৰ পানী পৰিষ্কাৰ আৰু সমানে ৰাখিবলৈ ৰ'হ বা পাৰাৰ ব্যৱহাৰ হৈছিল।

জাংফাই : জাংফাই নৰা, মিচিমি, আবৰ, দফলা, মিৰি, নগা আদিত পোৱা গৈছিল। জাংফাই কেৱল বহুল প্ৰয়োগ অতীতত অসমতো আছিল।

ৰাং, সীহ, দস্তা, কাঁচমাটি : বৰ্তমানেও পুৰণা ৰংপুৰ নগৰৰ আশে-পাশে মাটি খান্দিলে তামৰ গোৰ্তা দীঘল টুকুৰা, দস্তা, সীহ, বালিচন্দা, ৰাং আদি পোৱা যায়। এনে নানা ধৰণৰ ধাতুৰ কথাৰে মানুহে আনক উপদেশ দিয়াৰ উদাহৰণ বুৰঞ্জীবোৰত অনেক আছে। এবাৰ স্বৰ্গদেউ চুহুমুঙে কছাৰী ৰজাক কৈছিল : 'তইঁত ডাঙৰ ৰজাৰ সন্তান। ৰাং, সীহ অলপ তালতে যেনে ৰূপে পানী হয়, তইঁত তেনে নহবি।' (দেওধাই বুৰঞ্জী)।

লোণ : 'শদিয়ালৈ নাযাবি, যঠ ফুল নাখাবি, কেঁচাপাতত নাবান্ধিবি লোণ' আদিৰ দৰে যোজনা, বিহুগীত আদিত উল্লেখ থকা লোণৰ মূল্য অতীত অসমত আছিল বহুত। এই ক্ষেত্ৰত ইয়াক সোণৰ লগত তুলনা কৰা হৈছিল। ইয়াৰ কাৰণ হ'ল আমাৰ দেশত তাহানিত উৎপাদন হোৱা লোণেৰে নাটিছিল। সেই কাৰণে নিমখ বা লোণৰ পৰিবৰ্তে নানা ধৰণৰ খাৰ (কলাখাৰ) ব্যৱহাৰ হৈছিল।

পুৰণি কালত অসমত লোণ প্ৰস্তুত কৰাৰ প্ৰথা পদ্ধতি 'মণিৰাম দেৱানৰ বুৰঞ্জী'ত উল্লেখ আছে যে আহিন-কাতি মাহত লোণপুৰীয়া পাইক গৈ লোণ পুঙৰ কাষত চালি কৰেগৈ। শিৱসাগৰৰ বৰাহাটৰ পৰা ২৪ টা পৰ্বত বগাই লোণৰ পুঙবোৰ পাইছিল। তাত ২২ টা ডাঙৰ পুং আছিল। নামচাঙৰ টাৰিজান পুঙত আটাইতকৈ বেছি লোণ (একসেৰ পানী পগালে আধা সেৰ লোণ) পোৱা গৈছিল। বাঁহৰ চুঙাত লোণযুক্ত পানী ভৰাই ঘৰৰ (চৌকা) ওপৰত পগায়। অলপ টান যাবিলেই অন্য চুঙাত ভৰাই থয়। মণিপুৰ ৰাজ্যত লোণকুং থকাৰ কথা হেমিল্টন চাহাবে লিখি থৈ গৈছে। জয়ন্তীয়া, গাৰো, মিকিৰ, খামতি, আবৰ, ভোট, কছাৰী, কোঁচ আদি ৰাজ্যতো নানা ধৰণৰ লোণ পোৱা গৈছিল। জয়ন্তীয়া ৰাজহাটত, চুবুৰীয়া হাটত গাৰোবিলাকে নিমখৰ বেপাৰ কৰিছিল। নগাবিলাকৰ পৰা অসমীয়াই চাউল, সৰিয়হ আদিত লোণ কিনি লৈছিল। লোণবিলাক শ্ৰেণী অনুসাৰে কণীয়া, চিকুণ, কৰালি, গোটা, খা, ৰেয়া

লোণ আদি নামে জনাজাত আছিল।

খাৰ : কলগছ, অমিতাৰ গছ, শেলুৰৈ, ডিমৰু গছ নানা ধৰণৰ লতা আদিৰ পৰা অসমীয়া মানুহে তৈয়াৰ কৰা নানা ধৰণৰ খাৰ খোৱাত, কাপোৰ-কানি ধোৱাত, জন্তু আদিৰ ঔষধত আৰু তোপ-হিলৈত ব্যৱহাৰ কৰিছিল। প্ৰতিজন লোকৰ পৰিয়ালে ৰজাঘৰত খাৰ যোগাব লাগিছিল আৰু সেয়া নোৱাৰিলে এটা কৰ দিব লাগিছিল। শিৱসাগৰৰ বৰভোগ, খাৰঘৰীয়াৰ ভোগ, গুৱাহাটীৰ খাৰঘুলি আদিত খাৰ তৈয়াৰ কৰা হৈছিল।

কড়াল বা মছলা (চিমেণ্ট) : আহোম স্বৰ্গদেউসকলৰ দিনত চূণ চাকিৰে ইটা গঁথা হৈছিল। ইয়াকে মছলা বা কড়াল বুলিছিল। চাওৰুং ফুকনৰ বুৰঞ্জীত উল্লেখ আছে স্বৰ্গদেউ গদাধৰ সিংহৰ মৈদামত পকা কাৰ্যত তলৰ তলাত মুঠ ৫৬৮১ কলহ, মাটিমাহ ৬৯৬ ঢোল (তিনি পূৰা ধান ধৰা পাচি) শন (এবিধ বস্তু) ৬৩৫ ঢোল, শিলচূণ ২৬০০ ঢোল, শামুকৰ পৰা তৈয়াৰ কৰা চূণ ১৪৭০০ ঢোল, চকা (পনীয়া) চূণ ৭৮৩৮ কলহ, মাছ ১৮৬ ডাংগ, তেল ২৪ ডাংগ, ধুনা ২৪০ সেৰ, মছলা হিছাপে ব্যৱহাৰ হৈছিল। দবা, ঢোল, খোল, মৃদং, ঢাক আদি চোৰা কাৰ্যত ভাত আৰু লোৰ কৰাই বা গুড়ি ব্যৱহাৰ হৈছিল। নানা ধৰণৰ ধাতুৰ গুড়ি, জন্তুৰ চৰ্বি, উদ্ভিদ আৰু পোক-পৰুৱাৰ লদাৰ পৰাও মিহি কামৰ কাৰণে কড়াল তৈয়াৰ কৰিছিল।

লা বা লাহা : পৰ্বতীয়া জাতি ভাই-ভনীসকলে বহু বছৰৰ পৰা বহুলভাৱে লাৰ ব্যৱসায় কৰি আহিছে। লা—লা পৰুৱাৰ পৰা পোৱাৰ লগতে হাবিত থকা এবিধ গছৰ পৰা পোৱা যায়। পাহাৰ আৰু ভৈয়াম উভয় ঠাইতে লাৰ খেতি কৰা হয়। আজিকালি মিকিৰবিলাকে লাৰ খেতি বেছিকৈ কৰে। ট্ৰেভেনিয়াৰৰ মতে আমাৰ দেশৰ পৰা আহোম ৰজাৰ দিনত ৫৫০০০ টকাৰ লা বঙ্গদেশলৈ ৰপ্তানি হৈছিল। লাৰে ৰং কৰাৰ পদ্ধতি আমাৰ দেশৰ মানুহে জানিছিল। লা ৰাজকীয় নথি-পত্ৰবিলাকত সিংহ ছাব, ফুকন ছাব আদি ছাব-মোহৰ মৰাত ব্যৱহাৰ হৈছিল। কাঁহ-পিতল, তাম আদিৰ ধাতুৰ বাচন-বৰ্তনৰ সাঁচ কৰিবলৈ, মেজেংকাৰী কাপোৰত বোল দিবলৈও লা ব্যৱহাৰ হয়।

ধূনা, গন্ধক, মজাঠি, এঠা, বিহ : পৰ্বতীয়া জাতিসকলৰ পৰা ৰজাঘৰে কৰ হিছাপে এইবিলাক পাইছিল। ৰজাদিনীয়া কালত বছৰি ৫০০/৬০০ টকাৰ মজাঠি বিদেশলৈ ৰপ্তানি হৈছিল। গছৰ এঠাৰ পৰা পোৱা ধুনা কড়াল, ঔষধ, সুগন্ধি ধোঁৱা, আতৰ, চন্দন আদি মূল্যবান প্ৰসাধন সামগ্ৰী অতীত কালত প্ৰসাধনৰ সামগ্ৰী হিচাপে ব্যৱহৃত হৈছিল। কামৰূপ ৰাজ্যত পোৱা অজস্ৰ কৃষ্ণবাড়ৰ পৰা কস্তুৰী উৎপাদনৰ

বাবে শিল্প আছিল।

তাম, কঁাহ, পিতল, সীহ, পোৱাল, ৰাখৰ, চিচা ঃ অষ্টম শতাব্দীৰ সময়ত কামৰূপীয়া ৰজাসকলৰ দিনত ৰজাঘৰীয়া মিস্ত্রি বা ওজাৰ 'শৰা সৰ্থেবাৰীৰ পূর্বপুৰুষসকলে ধাতুৰ কাম ভালদৰে শিকি লৈছিল বুলি লেখক ভুৱনচন্দ্ৰ সন্দিকৈয়ে তেওঁৰ পুৰণি অসমৰ শিল্প গ্রন্থত উল্লেখ কৰিছে। কোঁচ ৰজা বিশ্বসিংহৰ দিনত মুগা, কপাহ, তাম, ৰাং, ৰূপ, সীহ, সোণ, লো, কাচ মাটি, লোণ, সুৰগা আদি কোঁচ ৰাজ্যত উৎপাদন হৈছিল। এইবোৰ বস্তুৰ ৰপ্তানি-বাণিজ্যও এই ৰজাজনৰ দিনত হৈছিল। বিশ্বনাথ দৰবাৰত কছাৰী ৰজা তাম্ৰধ্বজে আহোম ৰজাক তাম, পিতল, লো, চিচা আদি বস্তু দি সেৱা কৰিছিল। পিতল আৰু কঁাহৰ পৰা নানা ধৰণৰ বাচন-বৰ্তন, শৰাই, ভোৰতাল, তাল আদি নির্মাণ হৈছিল। তামেৰে দ'ল-দেৱালৰ আখৰ কটা ফলি আৰু ইয়াৰ পাতেৰে মন্দিৰ সজাইছিল। তাম্ৰেশ্বৰীৰ তামৰ মন্দিৰ তেনে এটা মন্দিৰ।

লোহা বা লো ঃ সোণ-ৰূপতকৈ তাহানি কালত লো অসমত বহুমূলীয়া ধাতু আছিল। লো মাটিৰ পৰা ভাতীত এক পদ্ধতিৰ জৰিয়তে লগোৱা হৈছিল। অসমৰ বহু ঠাইত লো মাটি পোৱা গৈছিল। লোৰ পৰা অস্ত্র-শস্ত্র গঢ়াৰ বাবে কমাৰ-শালিবোৰ আছিল।

মাটিৰ শিল্প ঃ প্ৰাগ ঐতিহাসিক যুগৰ পৰা কামৰূপ ৰাজ্যই মাটিৰ শিল্পত পাৰদর্শিতা লাভ কৰিছিল। মিঃ ডিক্সিট চাহাবৰ মতে আমাৰ দেশৰ মাটিৰ পাত্ৰ ভাৰতৰ অন্যান্য ঠাইৰ পাত্ৰতকৈ বেছি পুৰণা আৰু উৎকৃষ্ট। মাটিৰ শিল্পৰ ভিতৰত তাহানি দিনত ইটাই প্ৰধান আছিল। এই শিল্প আহোম আৰু কছাৰী ৰাজ্যত প্ৰধানতঃ আছিল। ইটা কৰা পদ্ধতি এটা হ'ল—ৰংপুৰৰ ইটাশালত মাটি ধুৰমুচেৰে খুন্দি গুড়ি কৰি, চালনীৰে চালি, মা-মছলা দি, পানী মিহলাই সমান পকী খোলাত ঢালি দিয়ে। অলপ টান মাৰিলেই দীঘল দীঘল চেপেটা মাৰিবে প্রয়োজনীয় জোখত সৰু, বৰ, ডাঠ, পাতলকৈ দীঘল ছুৰিৰে কাটে। আন এক পদ্ধতিমতে মাটি বোকা পুৰি লৈ মাটি মাহৰ গুড়ি লালী দি সাঁচত মাৰি ইটা কৰে। কিছুমান ইটা সাধাৰণতে আৰু কিছুমান ইটাত কেঁচা অৱস্থাত ৰজা ৰাণীৰ মূর্তি, চৰাই, ফুল, জীৱ-জন্তু, দেৱ-দেৱী, মানুহ, আখৰ আদিৰ মূর্তি সাঁচ মাৰি শুকাই পোৰে। ইটাবিলাক তিনিকোণীয়া, এঢলীয়া, বিন্ধা থকা, কৰ্দৈসিৰীয়া, ঘুৰণীয়া আকৃতিত পুৰি জোৰৰ তেজেৰে বোলাইছিল। মাটিৰ শিল্পজাত আন বস্তু-বাহানিসমূহ হ'ল—মাটিৰ মঠীয়া, মাটিৰ নলা (পাইপ) পকী নাদৰ পাট (ৰিং), গাগৰী, মটুকী, কলহ, ঘট, টেকেলি, টিপা, টাৰি, চৰু, মলা, জকা, দবা, ঢোল, পুতলা, ভাবুকী আদি।

শিল ঃ আহোমসকলৰ আগমনৰ বহু আগৰে পৰা অসমত শিলৰ শিল্পৰ বহুল প্ৰচলন আছিল। খাচীয়া আৰু জয়ন্তীয়া পাহাৰত বুৰঞ্জীয়ে ঢুকি নোপোৱা দিনৰ পৰা শিলৰ শিল্প চলি আছিল। স্বৰ্গদেউসকলে শিলৰ শিল্পত অধিক মনোনিবেশ কৰি দলৰ মঠ-মন্দিৰ, মৈদাম, মূৰ্তি আদি নিৰ্মাণত গুৰুত্ব দিলে। এই উদ্দেশ্যে অসংখ্য শিলাকুটীয়া পাইকৰ খেল কৰে। শিলৰ সাঁকোৰ ভিতৰত নামদাং নৈৰ শিলৰ সাঁকো বিখ্যাত। এই সাঁকোখন ২০২ ফুট দীঘল, ২১ ফুট বহল, ৫ ফুট ডাঠ, ইয়াৰ তলত ৭ টা ধোন্দ আছে। পানীত থকা খুঁটাবোৰৰ তলৰ ছোৱাত তিনিকোণীয়া শিলত পানীৰ সোঁত ভঙা কৌশল আছে। সাঁকো দুখনত মূৰ্তি কটা আছে। এই সাঁকো আঢ়ৈশ বছৰ আগৰ পুৰণি। শিলৰ কেইখনমান উৎকৃষ্ট ভাস্কৰ্য হ'ল তেজপুৰৰ বামুণী পাহাৰৰ শিলৰ ভাস্কৰ্য, হৰপেশ্বৰৰ শিলৰ কাৰুকাৰ্য, নুমলীগড় আৰু উত্তৰ-পূব সীমান্তৰ মালিনী থানৰ কাৰুকাৰ্য আদি। পৰ্বতৰ শিলৰ বুকুত কটা আৰু অ'ত-ত'ত সিঁচৰতি হৈ থকা শিল্পৰ ভাস্কৰ্যসমূহ দেখিবলৈ অতি সুন্দৰ।